# ভাৰতীয় সাহিত্যৰ মৌচাক

GOVT. OF ASSAM
DIRECTORATE OF LIBRARY SERVICES

ড° কৰবী ডেকা হাজৰিকা

কিৰণ প্ৰকাশন
ধেমাজি

**BHARATIYA SAHITYAR MOUCHAK** : Selected Stories of Indian Mythology compiled by Dr. Karabi Deka Hazarika and published by Sri Naba Kalita on behalf of Kiran Prakashan, D.K. Market Complex, Dhemaji Chariali, Dhemmaji-787057 (Assam)

2nd Edition : Dec. 2008 Price Rupees : 90/- only.

# ভাৰতীয় সাহিত্যৰ মৌচাক

## -ড° কৰবী ডেকা হাজৰিকা

**প্ৰকাশক :** নৱ কলিতা
কিৰণ প্ৰকাশন,
ডি. কে. মাৰ্কেট, ধেমাজি - ৭৮৭ ০৫৭
ফোন : (০৩৭৫৩) ২২৫৮০৩

**দ্বিতীয় প্ৰকাশ :** ডিচেম্বৰ, ২০০৮ চন

**প্ৰচ্ছদ :** উজ্জ্বল দিহিঙ্গীয়া

**মূল্য :** ৯০.০০ টকা

**ডি.টি.পি. :** সোৱণ গোস্বামী
ডিব্ৰুগড়
(০৩৭৩) ২৩৭৫৭২০, ৯৯৫৪৪১৭২৪৬

**মুদ্ৰক :** ধেমাজি অফ্‌ছেট্‌ প্ৰিণ্টাৰ্ছ
ৰতনপুৰ, ধেমাজি
ফোন : ০৩৭৫৩-২২৪২৮৮

# দ্বিতীয় সংস্কৰণৰ বিষয়ে

'ভাৰতীয় সাহিত্যৰ মৌচাক'ৰ দ্বিতীয় সংস্কৰণৰ প্ৰকাশৰ আগমুহূৰ্তত মনত পৰিছে, পুথিখন ৰচনা কৰিবৰ কথা। শিশু আৰু কিশোৰৰ উপযোগী এশটা ভাৰতীয় কাহিনী বিচাৰি উলিওৱা কাৰ্য যথেষ্ট কঠিন। অসংখ্য কাব্য, পুৰাণ, উপ-পুৰাণ আৰু আলোচনা-গ্ৰানথ পঢ়াৰ পিছতহে কাহিনীকেইটি নিৰ্বাচন কৰিব পৰা হৈছিল। সেইদিনবোৰৰ কথা এতিয়া ভাবিলে নিজৰে আচৰিত লাগে।

শিশুৰ বাবে লিখাটো এক কঠিন কাম; কাৰণ একে সময়তে আনন্দ আৰু শিক্ষা দুয়োটাই ইয়াত থকা উচিত। তদুপৰি ডাঙৰৰ ভাষা শিশুৰ ক্ষেত্ৰত নচলে। সহজ, সৰল আৰু শুৱলা ভাষাহে শিশুৰ বাবে উপযোগী। 'ভাৰতীয় সাহিত্যৰ মৌচাক' কৰিবলৈ লৈ সেইবাবে প্ৰথমতে যথেষ্ট চিন্তা হৈছিল। প্ৰথম সমস্যা আহিছিল কাহিনী নিৰ্বাচনৰ ক্ষেত্ৰত। ভাৰতীয় সাহিত্যৰ বিশাল সমাহাৰৰ পৰা কোন কেইটি মনি মুকুতা বুটলি ল'ম, তাকে ভাবিয়েই পাৰ পোৱা নাছিলোঁ। কিছুদিন ধৰি যথেষ্ট পৰিশ্ৰম, শাৰীৰিক আৰু মানসিক শ্ৰম কৰাৰ পিছত কেইটান কাহিনী বাছি উলিয়ালোঁ। বেদৰ যুগৰ পৰা আৰম্ভ কৰি এক সুদীৰ্ঘ পৰিক্ৰমাৰ অন্তত অসমীয়া বধ-কাব্যও সামৰি মুঠ এশটা কাহিনী বাছি উলিওৱা হ'ল। ৰামায়ণ, মহাভাৰত, জাতক, ভাগৱত আদি বিভিন্ন পুৰাণ, উপ-পুৰাণ, জৈন সাহিত্য আদি সকলো খৰছি মাৰি পঢ়াৰ পিছত, উপনিষদৰ গভীৰ সাগৰত বুৰ দিয়াৰ পিছত শিশুৰ মনৰ লগত খাপ খোৱা কাহিনীকেইটা বিচাৰি পাই গভীৰ আনন্দ লাভ কৰিলোঁ। কাহিনীবোৰত উপৰুৱা দৃষ্টিত আনন্দ আৰু ভিতৰুৱা দৃষ্টিত নীতি শিক্ষা আছে। কোনো কোনোটোত শিক্ষা কম, কিন্তু ভাৰতীয় চিন্তাধাৰাৰ চিনাকি আছে। প্ৰতিটোৱে বহন কৰিছে ভাৰবৰ্ষৰ মহান ঐতিহ্য আৰু জীৱন ধাৰাৰ বাণী।

যি কি নহওক, পুথিখনি ৰাইজে আদৰি লোৱাত সুখী হৈছো। শিশুৰ মানসিকতা গঢ় দিয়াত ভাৰতীয় সাহিত্যৰ তুলনা নাই। আনন্দ, সজ পথৰ নিৰ্দেশ আৰু আধ্যাত্মিক জ্ঞানৰ লগে লগে শিশুৱে ভালপোৱা আমোদজনক বাৰ্তাও এইবোৰত থাকে। প্ৰাচীন ভাৰতৰ মহান ঐতিহ্যৰ লগত পৰিচিত হোৱাৰ সুযোগো এই নিৰ্বাচিত কাহিনীবোৰে নিঃসন্দেহে দান কৰিবে। কাহিনীকেইটিৰ নিৰ্বাচনত মোৰ দুই পুত্ৰ কৌস্তুভ আৰু কৃশানুৱে অপৰিসীম সহায় কৰিছিল। কৌস্তুভৰ কিশোৰ মন বিচাৰো কাহিনী নিৰ্বাচনত কামত আহিছে। দুয়োলৈকে হিয়াভৰা চেনেহ যাচিলোঁ।

পুথিখনৰ প্ৰথম প্ৰেৰণা হ'ল শ্ৰদ্ধেয় নগেন শইকীয়া ছাৰৰ সুচিন্তিত পৰামৰ্শ আৰু উপদেশ। তেখেতলৈ আন্তৰিক কৃতজ্ঞতা থাকিল। দ্বিতীয় সংস্কৰণৰ বাবের যোগাযোগ কৰা ভাতৃ-প্ৰতীম সোৱণ গোস্বামী আৰু কিৰণ প্ৰকাশনৰ নৱ কলিতালৈ এই ছেগতে আন্তৰিক ধন্যবাদ যাচিলোঁ। আশাকৰো অসমৰ উঠি অহা শিশু আৰু কিশোৰৰ লগতে অন্য সকলেও ভাৰতীয় সাহিত্যৰ মৌৰস পান কৰি আনন্দ লাভ কৰিব।

'ভাৰতীয় সাহিত্যৰ মৌচাক' পঢ়ি আমাৰ শিশুহঁত যদি সামান্য ভাৱেও উপকৃত হয়, মোৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

কৰবী ডেকা হাজৰিকা

পূব মিলন নগৰ
ডিব্ৰুগড়
৫-১-২০০৮

# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| ১। | চৰৈবেতি চৰৈবেতি (ঋক্ বেদ) | - | ১ |
| ২। | সত্যকাম জবাল (ছান্দোগ্য উপনিষদ) | - | ৪ |
| ৩। | উপকোসলৰ কাহিনী (ছান্দোগ্য উপনিষদ) | - | ৭ |
| ৪। | নচিকেতাৰ কাহিনী (কঠোপনিষদ) | - | ৯ |
| ৫। | মানুহৰ ভিতৰত ভগবান (ঐতেৰেয়োপনিষদ) | - | ১২ |
| ৬। | দ - দ - দ (বৃহদাৰণ্যক উপনিষদ) | - | ১৪ |
| ৭। | দেৱতাৰ অহংকাৰ (কেনোপনিষদ) | - | ১৬ |
| **ৰামায়ণৰ কাহিনী ঃ** | | | |
| ৮। | ৰত্নাকৰ কেনেকৈ বাল্মিকী হ'ল | - | ১৮ |
| ৯। | অন্ধমুনিৰ অভিশাপ | - | ২০ |
| ১০। | বিশ্বামিত্ৰৰ প্ৰতিশোধ | - | ২২ |
| ১১। | ৰামৰ বনবাস | - | ২৪ |
| ১২। | ভৰতৰ বনবাস | - | ২৭ |
| ১৩। | শূৰ্পনখা | - | ৩০ |
| ১৪। | সীতা-হৰণ | - | ৩২ |
| ১৫। | জটায়ু আৰু সম্পাত্তি | - | ৩৫ |
| ১৬। | হনুমানৰ লংকা-যাত্ৰা | - | ৩৭ |
| ১৭। | লক্ষ্মণৰ শক্তিশেল | - | ৪১ |
| ১৮। | সীতাৰ পাতাল প্ৰৱেশ | - | ৪৩ |
| ১৯। | অদ্ভুত ৰামায়ণৰ সাধু | - | ৪৫ |
| ২০। | ইল্বল আৰু বাতাপী | - | ৪৭ |
| ২১। | স্বৰ্গৰ ৰজা নহুষ | - | ৪৯ |
| ২২। | ত্ৰিশংকুৰ স্বৰ্গলাভ | - | ৫১ |
| **মহাভাৰতৰ কাহিনী ঃ** | | | |
| ২৩। | পৰীক্ষিতৰ ব্ৰহ্মশাপ | - | ৫৩ |
| ২৪। | একলব্যৰ গুৰু-দক্ষিণা | - | ৫৫ |

২৫। মহাবীৰ কৰ্ণ - ৫৭
২৬। বীৰ বভ্ৰুবাহন - ৬১
২৭। কিৰাট আৰু অৰ্জুন - ৬৩
২৮। অৰ্জুনৰ প্ৰতিশোধ - ৬৫
২৯। মহাবীৰ ভীমৰ সাধু - ৬৭
৩০। বকাসুৰ বধ - ৬৯
৩১। জৰাসন্ধ বধ - ৭১
৩২। শিশুপাল বধ - ৭৩
৩৩। উতংকৰ গুৰু-দক্ষিণা - ৭৫
৩৪। উপমন্যুৰ গুৰুভক্তি - ৭৭
৩৫। বিনতা আৰু কদ্ৰু - ৭৯
৩৬। মৰুভূমিৰ মেঘ - ৮১
৩৭। নলৰজা আৰু কলি - ৮৩
৩৮। ভব্ৰুত নামৰ ৰজা - ৮৭
৩৯। সোণবৰণৰ নেউল - ৯০
৪০। কপৌ চৰাইৰ অতিথি-সেৱা - ৯২
৪১। পঞ্চ-পাণ্ডৱৰ স্বৰ্গাৰোহন - ৯৪


**জাতকৰ কাহিনী**


৪২। গুণ্ডিল জাতক - ৯৬
৪৩। শিবি ৰজাৰ দান - ৯৮
৪৪। দুটা ভাটৌৰ কথা - ১০০
৪৫। বৰ কাছৰ আকাশ ভ্ৰমণ - ১০১
৪৬। মহাপ্ৰলয় - ১০৩
৪৭। সোণৰ ৰাজহাঁহ - ১০৫
৪৮। অহংকাৰৰ ফল - ১০৬
৪৯। বিবাদৰ ফল - ১০৮
৫০। এমুঠি সৰিয়হ - ১০৯
৫১। উপকাৰৰ ফল - ১১১
৫২। দেৱধৰ্ম জাতক - ১১৩


**জৈন-সাহিত্যৰ কাহিনী ঃ**


৫৩। জৈন-ৰামায়ণৰ সাধু - ১১৬

**ভাগৱত-পুৰাণৰ কাহিনী ঃ**


৫৪। মৎস্য-অৱতাৰ - ১১৮
৫৫। অমৃত মন্থন আৰু কূৰ্ম অৱতাৰ - ১২০
৫৬। বৰাহ-অৱতাৰ - ১২৩
৫৭। বলি আৰু বামন - ১২৫
৫৮। শ্ৰীকৃষ্ণ শিশুলীলা - ১২৯
৫৯। কংস বধ - ১৩৪
৬০। কাল-যৱন আৰু মুচুকুন্দৰ কাহিনী - ১৩৭
৬১। অজামিলৰ মুক্তি - ১৩৯
৬২। ৰজা অম্বৰীষৰ কাহিনী - ১৪০
৬৩। ধ্ৰুৱৰ কাহিনী - ১৪২
৬৪। ভক্ত প্ৰহ্লাদ - ১৪৪
৬৫। স্যমন্তক মণিৰ কাহিনী - ১৪৭
৬৬। দামোদৰ বিপ্ৰৰ কাহিনী - ১৪৯
৬৭। নৰকাসুৰ - ১৫১
৬৮। বৃকাসুৰ বধ - ১৫৪
৬৯। বৃত্ৰাসুৰ বধ আৰু দধীচিৰ ত্যাগ - ১৫৬
৭০। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণ - ১৫৮
৭১। ভাগীৰথী গংগা - ১৬০
৭২। ৰজা হৰিশ্চন্দ্ৰৰ কাহিনী - ১৬৩


**পুৰাণ, উপপুৰাণৰ কাহিনী ঃ**


৭৩। পূজনীয়া পখীৰ কাহিনী - ১৬৭
৭৪। দুৰ্গ অসুৰৰ কথা - ১৬৯
৭৫। স - মে - মি - ৰা - ১৭১
৭৬। চান্দো সদাগৰৰ কাহিনী - ১৭৫
৭৭। সাবিত্ৰী আৰু যমৰজা - ১৭৯
৭৮। সূৰ্য দেৱতাৰ দুই পত্নী - ১৮১
৭৯। যমৰ ঘৰত জীয়া মানুহ - ১৮৩
৮০। গণেশৰ কথা - ১৮৬
৮১। গণেশৰ বুদ্ধি - ১৮৮
৮২। কাৰ্তিকৰ কথা - ১৯০

| | | | |
|---|---|---|---|
| ৮৩। | কৃপানালিৰ পৰিনাম | - | ১৯১ |
| ৮৪। | সকলোৱেই মূৰ্খ | - | ১৯৩ |
| ৮৫। | নাৰদৰ অহংকাৰ | - | ১৯৫ |
| ৮৬। | গৰধীয়া ভীম | - | ১৯৭ |

**ৰথকাব্যৰ কাহিনী ঃ**

| | | | |
|---|---|---|---|
| ৮৭। | হেমা সুন্দৰীৰ কাহিনী | - | ১৯৯ |
| ৮৮। | দ্ৰৌপদীৰ সংগ্ৰাম | - | ২০১ |
| ৮৯। | ভীমৰ বিপদ | - | ২০৪ |

**পঞ্চতন্ত্ৰ, হিতোপদেশৰ কাহিনী ঃ**

| | | | |
|---|---|---|---|
| ৯০। | বিষ্ণুৰূপী জোঁৱাই | - | ২০৬ |
| ৯১। | নিগনি কইনাৰ দৰা | - | ২০৯ |
| ৯২। | নীল বৰণৰ শিয়াল | - | ২১১ |
| ৯৩। | বাঘৰ হাতত সোণৰ খাৰু | - | ২১৩ |

**কথা-সৰিৎসাগৰৰ কাহিনী ঃ**

| | | | |
|---|---|---|---|
| ৯৪। | মূৰ্খৰ কথা | - | ২১৫ |
| ৯৫। | জীতমূবাহনৰ ত্যাগ | - | ২১৮ |
| ৯৬। | অবিবেচনাৰ ফল | - | ২২১ |
| ৯৭। | বীৰবৰৰ কথা | - | ২২২ |

**বত্ৰিছ পুতলাৰ কাহিনী ঃ**

| | | | |
|---|---|---|---|
| ৯৮। | ভাগ্যৰ লিখন | - | ২২৫ |
| ৯৯। | পৰোপকাৰী ৰজা | - | ২২৮ |
| ১০০। | দয়ালু ৰজা | - | ২২৯ |


***

# চৰৈবেতি চৰৈবেতি

ৰজা হৰিশ্চন্দ্ৰ এজন ডাঙৰ ৰজা আছিল। তেওঁৰ শাসন কালত ৰাজ্যৰ প্ৰজাৰ সুখ-শান্তিৰ অভাৱ নাছিল যদিও ৰজাৰ নিজৰ মনত কিন্তু সুখ নাছিল। কাৰণ তেওঁৰ এশগৰাকী ৰাণীৰ কাৰো পুত্ৰ নাছিল। তেতিয়াৰ দিনত পুত্ৰ সন্তান নাথাকিলে নৰকত পৰিব লাগে বুলি বিশ্বাস কৰা হৈছিল। সেয়ে ঋষিসকলৰ উপদেশত ৰজাই বৰ ডাঙৰকৈ যজ্ঞ পাতি বৰুণ দেৱতাক প্ৰাৰ্থনা কৰিলে। যজ্ঞত সন্তুষ্ট হৈ বৰুণ দেৱতাই দেখা দি ক'লে—

"মহাৰাজ! তোমাৰ প্ৰাৰ্থনা পূৰণ কৰি মই তোমাক এটা পুত্ৰ দান কৰিম। তুমি কিন্তু সেই পুত্ৰটি বলি দি মোৰ আৰু এটা যজ্ঞ কৰিব লাগিব।"

পুত্ৰ পোৱাৰ আনন্দতে ৰজাই 'বাৰু' বুলি ক'লে। কিছুদিন পিছত ডাঙৰ ৰাণীৰ ল'ৰা এটি উপজিল। সেই ল'ৰাটিৰ নাম দিয়া হ'ল ৰোহিত। ৰজা আৰু ৰাণীয়ে বৰ মৰমেৰে কেঁচুবাটি ডাঙৰ কৰিবলৈ ধৰিলে। তেনেতে এদিন বৰুণ দেৱতাই আহি ক'লে —

"মহাৰাজ, ল'ৰাটি বলি দি যজ্ঞ পতাৰ কথা আছিল নহয়। কেতিয়া পাতিবা?" ৰজা বিপদত পৰিল। সেই কথা তেওঁ পাহৰিছিলেই। লৰালৰিকৈ বুদ্ধি এটা সাজি তেওঁ ক'লে—

"কেঁচুবাই মাকক এৰিব পৰা হোৱাই নাই। ইমান সৰুতে জানো বলি দিব পাৰি? আৰু অলপ ডাঙৰ হওক।"

বৰুণ দেৱতাই সেই কথা মানি আঁতৰি গ'ল। দুমাহমান পিছত আকৌ আহি ক'লে, "এতিয়া কেঁচুবাটো দিয়া, মোৰো যজ্ঞ ভাগ পাতা।"

ৰজাই লগে লগে উত্তৰ দিলে —

"ৰ'ব প্ৰভু, তাৰ দাঁত গজাই নাই। দাঁত নথকা পশুও দেখোন বলি দিব নাপায়।"

এইবাৰো মান্তি হৈ বৰুণ আঁতৰি গ'ল।

আকৌ আহিল দুমাহমান পিছত। এইবাৰ ৰজাই ক'লে —

"ল'ৰাটিয়ে খোজ ল'বলৈ দিয়ক। এতিয়া সি পশুৰ দৰে চাৰি ঠেঙেৰেহে চলি ফুৰে।" বৰুণ এইবাৰো মান্তি হ'ল। তাৰ পিছত এবছৰৰ পিছত আহি ক'লে —

"আৰু বাট চাব নোৱাৰোঁ দেই। এইবাৰ যজ্ঞ পাতা।"

ৰজাই হাতযোৰ কৰি ক'লে —

"প্ৰভু, ৰজাৰ ল'ৰাই ধনু-কাঁড় চলাবলৈ নিশিকালৈকে মানুহ নহয়। তাক সিমানখিনি ডাঙৰ কৰি তাৰ পিছতেই যজ্ঞ পাতিম।"

বৰুণ বৰ শান্ত দেৱতা। তেওঁ মান্তি হৈ গুচি গ'ল।

ল'ৰাটি লাহে লাহে ডাঙৰ হ'ল। ধেনু-কাঁড় চলোৱা শিকিলে। এইবাৰ আহি বৰুণ দেৱতাই ক'লে —

"মহাৰাজ, বহুদিন বাট চালোঁ। আৰু বাট চাব নোৱাৰোঁ। ল'ৰাটি উচৰ্গা কৰি যজ্ঞ পাতা।"

ৰজা বৰ বিপদত পৰিল। তেওঁ দুখ মনেৰে ৰোহিতক মাতি ক'লে —

"বাছা, মোৰ আগৰ প্ৰতিজ্ঞা মতে মই তোমাক বলি দি যজ্ঞ কৰিব লাগিব।"

ৰোহিতে ক'লে —

"ইমান নভবা-নিচিন্তাকৈ প্ৰতিজ্ঞা কৰিছিল কিয়? মোক কেতিয়াও বলি দিব নোৱাৰে।"

এই বুলি কৈ ৰোহিত লগে লগে বনলৈ গুচি গ'ল। বৰুণে দেখিলে যে তেওঁৰ ভাগ্যত যজ্ঞ নিমিলিল। গতিকে খং উঠি তেওঁ ৰজাৰ তেজবোৰ পানী হৈ যাবলৈ অভিশাপ দিলে। ফলত ৰজাৰ বৰ অসুখ হ'ল।

ইফালে ৰোহিতে হাবিত অনাই-বনাই ফুৰিবলৈ ধৰিলে। এনেকৈ ফুৰোঁতে দেউতাকৰ অসুখৰ বাতৰি তেওঁৰ কাণত পৰিলগৈ। মনটো বেয়া লাগি তেওঁ ঘৰলৈ আহিবলৈ ঠিক কৰিলে। তাকে দেখি ইন্দ্ৰ দেৱতাৰ চিন্তা লাগিল। কাৰণ ৰোহিতৰ মাজত বহুত ভাল গুণ আছিল, আগলৈ তেওঁ এজন ভাল ৰজা হ'বগৈ। এতিয়া ঘৰলৈ গ'লে বৰুণ-যজ্ঞত তেওঁক বলি দিয়াহে হ'ব। সেইবাবে ইন্দ্ৰই ৰোহিতৰ ওচৰলৈ আহি এটি গীত গাই শুনালে। গীতটিৰ অৰ্থ হ'ল —

"এলাহ কৰি থকা বেয়া। একো নকৰি বহি-শুই থকাও বেয়া। যি মানুহে উন্নতি বিচাৰে তেওঁ সদায় আগলৈ গৈ থাকে। তুমিও সেইদৰে চলি থাকা, নৰ'বা চৰৈবেতি চৰৈবেতি।"

এই গীত শুনি ৰোহিতৰ মন সলনি হ'ল। তেওঁ আকৌ বনৰ মাজত ভ্ৰমণ কৰিবলৈ ধৰিলে। এইদৰে ৰোহিতে যেতিয়াই পিতাকলৈ মনত পৰি ঘৰলৈ আহিবলৈ ওলায়, তেতিয়াই ইন্দ্ৰই গীত গাই তেওঁক চৰৈবেতি চৰৈবেতি বুলি কয়। পাঁচবাৰ এইদৰে গীত শুনাই ইন্দ্ৰই বুজালে যে, "বৈ থাকিলে একো লাভ নহয়, গৈ থকাটোহে ঘাই কথা। কেতিয়াও এলাহ নকৰি চলি থকা সূৰ্যক সকলোৱে পূজা কৰে। মানুহেও সদায় আগলৈ

যোবাৰ কথা চিন্তা কৰিব লাগে। চৰৈবেতি, চৰৈবেতি।”

ৰোহিতে এইবাৰ এপাল গৰু লৈ বনত গৰু চৰাবলৈ ধৰিলে। তেওঁৰ গৰু বাঢ়ি বাঢ়ি বহুত হ'লগৈ। সেই সময়ত গৰুৰ মূল্য বৰ বেছি আছিল। ৰোহিতে এশজনী গাই গৰু দি এজন ঋষিৰ পৰা তেওঁৰ পুত্ৰক খুজি ল'লে। তাৰ পিছত ঋষি-পুত্ৰক লগত লৈ দেউতাকৰ ৰাজ্যলৈ খোজ ল'লে।

অসুখ হৈ হৈ ৰজাৰ অৱস্থা নোহোৱা হৈছিল। তেওঁ ৰোহিতক দেখি বৰ ভাল পালে। ৰোহিতে ক'লে — “পিতা, মোৰ ঠাইত এই ল'ৰাজনক বলি দি আপুনি বৰুণ যজ্ঞ পাতক, তেতিয়া আপোনাৰ অসুখ কিজানি ভাল হয়েই।”

ৰজায়ো ডাঙৰকৈ যজ্ঞৰ আয়োজন কৰিলে। যজ্ঞৰ ভাগ ল'বলৈ বৰুণ দেৱতাও আহি পালে। সেই ঋষি কুমাৰে তেতিয়া দুখেৰে আকাশলৈ চাই প্ৰাৰ্থনা কৰিলে — “হে প্ৰজাপতি, হে মিত্ৰ, হে উষা, হে বিশ্বদেৱ। মইনো কি দোষ কৰিছিলোঁ যে মোক এনেদৰে বলি দিয়া হ'ব? মোক তোমালোকে ৰক্ষা কৰা।”

তেতিয়া দেৱতাসকলৰ বৰ মৰম লাগিল। তেওঁলোক যজ্ঞস্থানলৈ নামি আহি ক'লে—

“এই যজ্ঞ এনেয়ে সফল হৈছে, বলি দিয়াৰ প্ৰয়োজন নাই। বৰুণ, তোমাৰ যজ্ঞ সম্পূৰ্ণ হ'ল, ল'ৰাটিক যাবলৈ দিয়া।”

তেতিয়া বৰুণেও যজ্ঞ সফল হোৱা বুলি ঘোষণা কৰিলে আৰু ল'ৰাটিক এৰি দি ৰজাৰ অসুখো ভাল কৰিলে। ৰজাই আনন্দিত হৈ বৰুণক প্ৰণাম কৰিলে। ○

# সত্যকাম জাবাল

জবালা নামে এজনী দুখীয়া তিৰোতা আছিল। তাইৰ সত্যকাম নামে ছয় বছৰীয়া ল'ৰা এটি আছিল। এদিন সত্যকামে মাকক ক'লে যে তেওঁৰ গুৰুৰ ঘৰলৈ গৈ ব্ৰহ্মবিদ্যা আদি ডাঙৰ বিদ্যাসমূহ শিকিবলৈ মন গৈছে। পিছে গুৰুৰ ঘৰলৈ গ'লে প্ৰথমতে নিজৰ দেউতাকৰ নাম আৰু গোত্ৰৰ পৰিচয় দিয়া নিয়ম। সেইবোৰ শুনি ভাল বংশৰ ব্ৰাহ্মণৰ ল'ৰা বুলি জানিলেহে গুৰুৱে শিক্ষা দিয়ে, গতিকে সত্যকামে মাকক নিজৰ পৰিচয় কি বুলি দিব সুধিলে। মাকে ক'লে — "বাচা, তোমাৰ দেউতাৰা কোন, তেওঁৰনো গোত্ৰ কি মই একো নাজানো। কাৰণ তোমাৰ জন্মৰ আগতে মই এজনী লিগিৰীহে আছিলোঁ, মই বহুত ঠাইত কাম কৰি ফুৰোঁতে কৰবাত তোমাক পালোঁ। তুমি মোৰ নামেৰেই চিনাকি দিবা। মোৰ নাম জবালা। তুমি তোমাৰ নাম সত্যকাম জাবাল বুলি ক'বা।

সেইমতে সত্যকাম এখন আশ্ৰমলৈ গ'ল। তাত এজন গুৰুৱে বহুত শিষ্যক শিক্ষা দান কৰি আছিল। মাজত একুৰা জুই জ্বলি আছিল। সেই সময়ৰ নিয়ম মতে সত্যকামে কিছুমান শুকান খৰি আশ্ৰমলৈ লৈ গৈছিল, নতুনকৈ পঢ়িবলৈ যোৱা ছাত্ৰৰ সেয়াই চিন। খৰি নিয়া দেখি গুৰুৱে সুধিলে —

"বোপা, তুমি শিক্ষা ল'বলৈ আহিছা নেকি? তুমি দেখোন তেনেই সৰু ল'ৰা।"

"গুৰুদেৱ, মই ব্ৰহ্মবিদ্যা শিকিবলৈ আহিছোঁ, অনুগ্ৰহ কৰি শিকাবনে?" প্ৰণাম কৰি সত্যকামে ক'লে, — গুৰু আৰু শিষ্যসকলে সৰু ল'ৰাটোৰ ইমান ডাঙৰ ইচ্ছা দেখি অবাক মানিলে।

গুৰুৱে ক'লে — "বাৰু, তোমাৰ বংশ-পৰিচয়টো প্ৰথমতে দিয়াচোন?"

সত্যকামে হাত যোৰ কৰি ক'লে —

"গুৰুদেৱ, মোৰ বংশ-পৰিচয় মই নাজানো, মোৰ আয়েও নাজানে মোৰ পিতা কোন। কিন্তু মোৰ আইৰ নাম জবালা। মই আইক ভাল পাওঁ গতিকে সত্যকাম জাবাল মোৰ পৰিচয়।"

সত্যকামৰ দেউতাক নাই বাবে, তেওঁ ব্ৰাহ্মণ হয় নে নহয় সেই কথাৰে ঠিক নাই বাবে বাকীবোৰ শিষ্যই ঠাট্টা কৰি হাঁহিবলৈ ধৰিলে। গুৰুৱে অলপ সময় চিন্তা কৰি মৰমেৰে ক'লে —

"বাচা, যি জনে সঁচা কথা ক'বলৈ ভয় নকৰে, তেওঁহে প্ৰকৃত ব্ৰাহ্মণ। তোমাৰ গাত মই বহুত ভাল গুণ দেখা পাইছোঁ। আজিৰ পৰা তুমি মোৰ শিষ্য হ'লা।"

সেইদিনাৰে পৰা সত্যকামে আশ্ৰমত থাকি নানা কামত ভাগ লৈ অলপ অলপ ·ক্ষা গ্ৰহণ আৰম্ভ কৰিলে। আশ্ৰমৰ বহুত ধৰণৰ কাম-কাজ সকলো শিষ্যই ভগাই লৈছিল। আশ্ৰমত চাৰিশ লেৰেলা-চেপেটা গৰু আছিল। এদিন গুৰুৱে সত্যকামক মাতি আনি ক'লে —

"বোপা, এই চাৰিশ গৰুৰ দায়িত্ব তোমাক দিলোঁ, তুমি গৰুবোৰ লৈ ওলাই যোৱা। ইহঁতক খুৱাই-বুৱাই শকত-আৱত কৰাগৈ। যেতিয়া গৰুৰ সংখ্যা বাঢ়ি এহাজাৰ হ'ব, তেতিয়াহে তুমি আশ্ৰমলৈ ঘূৰি আহিবা।"

সত্যকামে গুৰুৰ আদেশ মানি গৰুবোৰ লৈ ওলাই গ'ল। তেওঁ দিনে-ৰাতিয়ে সিহঁতৰ যত্ন ল'লে। ভাল ভাল ঠাই বিচাৰি ঘাঁহ খুৱাই, গা ধুৱাই, তেওঁ বহুত ঠাইত ঘূৰি ফুৰিলে, নিজে নদীৰ পানী আৰু গছৰ ফল খাই থাকি গৰুবোৰক খুৱাই-বুৱাই শকত কৰি তুলিলে। এদিন ৰাতি গৰুবোৰৰ মাজত শুই থাকোঁতে এটা ষাঁড় গৰুৱে ক'লে — "সত্যকাম! সাৰে আছানে?"

অবাক হৈ সত্যকামে ক'লে — "আছোঁ প্ৰভু।"

ষাঁড়ে ক'লে — "আমাৰ সংখ্যা এহাজাৰ হ'ল। গতিকে এতিয়া আশ্ৰমলৈ যাওঁ ব'লা। তাৰ আগতে তোমাক মই ব্ৰহ্মজ্ঞানৰ এটা অংশ শিকাওঁ।" অতি আনন্দিত হৈ সত্যকামে হাতযোৰ কৰিলে। ষাঁড়ে ক'লে যে ব্ৰহ্মৰ অংগসমূহৰ ভিতৰত এটা হৈছে চাৰিটা দিশ। পূব, পশ্চিম, উত্তৰ আৰু দক্ষিণ দিশ মিলি এই অংগ সম্পূৰ্ণ হৈছে। ব্ৰহ্মাৰ এই অংগক কেনেকৈ প্ৰাৰ্থনা কৰিব লাগে সেই গোপন নিয়মো ষাঁড়ে শিকাই দিলে। সেই নিয়ম শিকি সত্যকামে চাৰিটা দিশক নতুনকৈ চাবলৈ শিকিলে। তেওঁৰ মনটো মুকলি লাগিল।

ইয়াৰ পিছত গৰুজাক খেদি খেদি সত্যকাম আশ্ৰমৰ ফালে আহিবলৈ ধৰিলে। ধুনীয়া ঘাঁহ পালে বৈ গৰু চৰায়, তাৰ পিছত আকৌ আহে। এইদৰে বাটতে ৰাতি হ'লে মুকলি পথাৰত জুই ধৰি ওচৰতে শুই থাকে। এদিন ৰাতি তেওঁক অগ্নিয়েও ষাঁড়ৰ দৰে ব্ৰহ্মাৰ বিষয়ে বহুত জ্ঞান দিলে। তাৰ পিছত দুদিন ৰাতি এটা ৰাজহাঁহ আৰু অন্য এটা নিশাচৰ চৰায়ে তেওঁক ব্ৰহ্মাৰ বিষয়ে বহুত গোপন কথা শিকালে। সত্যকামে বুজি পালে যে আকাশ, পৃথিৱী আৰু সাগৰত ব্ৰহ্মা বিয়পি থাকে। চন্দ্ৰ, সূৰ্য আৰু বিজুলীৰ দৰে শক্তিবোৰো ব্ৰহ্মাৰ পৰা ওলায়। প্ৰাণীৰ দেখা, শুনা আৰু বুজা আদি গুণবোৰৰ মাজতো ব্ৰহ্মাৰ শক্তি মিলি আছে। অৰ্থাৎ ব্ৰহ্মাক বাদ দিলে একো বস্তুৱেই থাকিব নোৱাৰে। ব্ৰহ্মাহে একমাত্ৰ সঁচা শক্তি।

ইমানবোৰ কথা বুজি পোৱাৰ পিছত বহুত জ্ঞানেৰে জ্ঞানী হৈ সত্যকাম আশ্ৰমলৈ উভতি আহিল। তেওঁ শকত-আৱত এহাজাৰ গৰুক গটাই দি গুৰুক প্ৰণাম কৰিলে। গুৰুৱে সত্যকামক পাই বৰ ভাল পালে। তাৰ পিছত তেওঁ সত্যকামলৈ চাই সুধিলে—

"বাচা, তোমাৰ মুখখন ইমান উজ্জ্বল দেখিছোঁ কিয়? তোমাক দেখোন ব্ৰহ্মজ্ঞানী যেন লাগিছে?

সত্যকামে নম্ৰভাৱে ক'লে —

"গুৰুদেৱ, ষাঁড় গৰু, অগ্নি, ৰাজহাঁহ আৰু নিশাচৰ চৰায়ে মোক ব্ৰহ্মৰ কথা কিবাকিবি শিকাইছে। পিছে আপোনাৰ দৰে গুৰুৰ পৰা নিশিকিলে সেইবোৰৰনো মূল্য কি?"

গুৰুৱে তেতিয়া সত্যকামেনো কি শিকিলে, সেয়া সোধাত সত্যকামে আটাইবোৰ বহলাই ক'লে। তেতিয়া গুৰুৱে ক'লে —

"তুমি মহা ভাগ্যবান, বোপা। পশু-পক্ষী আৰু অগ্নিয়ে তোমাক যি শিকালে — সেয়া আচল ব্ৰহ্মজ্ঞান।"

ইয়াৰ পিছত সত্যকাম কম বয়সতে এজন ব্ৰহ্মজ্ঞানী বুলি বিখ্যাত হৈ পৰিল। ○

# উপকোসলৰ কাহিনী

সত্যকাম জাবাল এখন ডাঙৰ আশ্ৰমৰ গুৰু আছিল। তেওঁৰ অসংখ্য শিষ্যৰ ভিতৰত এজন ঘাই শিষ্য আছিল উপকোসল। উপকোসল বৰ বাধ্য আৰু গুণী স্বভাৱৰ আছিল। গুৰুৱে তেওঁক আশ্ৰমৰ অগ্নিবোৰ চোৱা-চিতা কৰাৰ ভাৰ দিছিল। সেই সময়ত জুই আছিল মানুহৰ সবাতোকৈ প্ৰয়োজনীয় বস্তু। জুইক দেৱতা বুলি মানি ঘৰুৱা কামত ব্যৱহাৰ কৰা জুই, পূজাৰ কামত ব্যৱহাৰ কৰা জুই, যজ্ঞৰ কামত ব্যৱহাৰ কৰা জুই আদি নাম দি বেলেগ বেলেগ সন্মান কৰি দেৱতা বুলি পূজা কৰা হৈছিল। জুইৰ নাম আছিল অগ্নিদেৱতা। অগ্নিৰ মাজত সূৰ্য, বিদ্যুৎ আৰু আহাৰৰ পৰা হোৱা শক্তি আছে বুলি বিশ্বাস কৰা হৈছিল। উপকোসলে গুৰুৰ উপদেশ মানি অগ্নিৰ যত্ন লৈছিল।

যেতিয়া শিষ্যবোৰৰ শিক্ষা সম্পূৰ্ণ হয়, তেতিয়া গুৰুৱে তেওঁলোকক কিছুমান বিশেষ উপদেশ দি বিদায় দিয়ে। তাকে বোলা হয় সমাবৰ্তন। গুৰু সত্যকামে তেওঁৰ বাকীবোৰ শিষ্যৰ সমাবৰ্তন পাতিলে, কিন্তু উপকোসললৈ মনেই নকৰিলে। বাকীবোৰ শিষ্য আনন্দমনেৰে গুচি গ'ল, কাৰণ এতিয়াৰ পৰা তেওঁলোকো আনৰ গুৰু হ'ব পাৰিব। উপকোসলৰ বৰ দুখ লাগিল। তেওঁ দুখমনেৰে কোনো প্ৰতিবাদ নকৰি আগৰ দৰেই গুৰুৰ ঘৰত কাম কৰি থাকিল। তাকে দেখি সত্যকামৰ পত্নীয়ে সত্যকামক ক'লে—

"আপুনি উপকোসলক ইমান মৰম কৰে, অথচ তেওঁৰ সমাবৰ্তন নাপাতে কিয়? আপুনি অনুমতি দিলে মই প্ৰয়োজনীয় বস্তুৰ যোগাৰ কৰোঁ, তেওঁক শেষ উপদেশ দি বিদায় দিয়ক।"

পত্নীৰ সেই কথা নুশুনাৰ ভাও জুৰি সত্যকাম ঘৰৰ পৰা ওলাই দীঘলীয়া দিনৰ বাবে আন ঠাইলৈ গুচি গ'ল, তাকে দেখি উপকোসলে বুজিলে যে তেওঁৰ সমাবৰ্তন হোৱাৰ কোনো আশা নাই। তেওঁ খোৱা-বোৱা বাদ দি বেজাৰ কৰিবলৈ ধৰিলে। গুৰুপত্নীয়ে সুধিলে —

"বাচা, তুমি খাবলৈ এৰিছা কিয়?"

উপকোসলে ক'লে — "আই, মোৰ অন্তৰখন দুখেৰে ভৰি থকাৰ বাবে ভোক লগা নাই।"

সেই কথা শুনি অগ্নিসকলে ক'বলৈ ধৰিলে —

"উপকোসলে আমাক প্ৰতিদিনে যত্ন কৰিছে। তেওঁক আমি সহায় কৰা উচিত। আমি তেওঁক মূল্যবান উপদেশ দিম।" এইবুলি কৈ তিনিজন অগ্নিয়ে তিনিদিন তেওঁক সূৰ্য, অন্ন, বিদ্যুৎ আদিৰ শক্তি আৰু মহিমাৰ কথা বুজাই ভগবান ক'ত কেনেকৈ থাকে বুজাই ক'লে। ভগবান অৰ্থাৎ ব্ৰহ্মৰ কথা জনাৰ বাবে উপকোসলৰ চকু-মুখ আনন্দত জিলিকি উঠিল।

কিছুদিনৰ পিছত ঘৰলৈ উভতি অহা সত্যকামে উপকোসলৰ মুখলৈ চাই সুধিলে—

"বোপা, তোমাৰ মুখখন ব্ৰহ্মজ্ঞানীৰ দৰে উজ্জ্বল দেখিছোঁ কিয়?"

উপকোসলে ক'লে — "গুৰুদেৱ, অগ্নিসকলে মোক জ্ঞান দিছে। মই ব্ৰহ্মৰ কিছু কথা শিকিছোঁ।" তেতিয়া আনন্দমনেৰে গুৰুৱে ক'লে —

"বোপা, মই তোমাৰ ধৈৰ্যৰ পৰীক্ষা লৈছিলোঁ, তাৰ ফলত স্বয়ং অগ্নিয়ে তোমাক জ্ঞান দান কৰিলে। এতিয়া বাকী থকা ব্ৰহ্মজ্ঞানো মই তোমাক দান কৰিম।"

এইবুলি সত্যকামে উপকোসলক বহুত উপদেশ দিলে। পিছলৈ উপকোসল এজন ডাঙৰ ঋষি হ'লগৈ।" ○

# নচিকেতা

উদ্দালক নামে এজন ডাঙৰ ঋষি আছিল। তেওঁৰ আশ্ৰমখনো বৰ বিখ্যাত আছিল। এবাৰ উদ্দালকে এটা বৰ ডাঙৰ যজ্ঞ পাতিলে। যজ্ঞৰ দিনা গোটেই আশ্ৰমতে উলহ-মাহলৰ সৃষ্টি হ'ল। পুৱাৰে পৰা হোম-যজ্ঞ, দান-দক্ষিণাৰ উখল-মাখল লাগিল। মানুহৰ আনন্দ আৰু ব্যস্ততা দেখি উদ্দালকৰ সাত বছৰীয়া পুতেক নচিকেতাই তবধ মানিলে। তেওঁ এবাৰ ইফালে এবাৰ সিফালে ঘূৰি যজ্ঞৰ যা-যোগাৰবোৰ চাবলৈ ধৰিলে। এঠাইত দেখিলে যে লেৰেলা-চেপেটা গাই গৰু কিছুমান বান্ধি থোৱা আছে। দেউতাকক সুধিলে— "দেউতা, সেই গৰুবোৰ কিয় বান্ধি থৈছা?"

"দান দিবলৈ বাছা", কাম কৰি থকাৰে পৰা উদ্দালকে উত্তৰ দিলে।

"ইমান লেৰেলা গৰু জানো দানত দিব পায়? সিহঁতে জানো গাখীৰ দিব?" নচিকেতাই আকৌ সুধিলে। বহুতো মানুহৰ আগতে সেইদৰে কোৱাত উদ্দালকৰ পেটে পেটে খং উঠিল। তেওঁ নুশুনা ভাও ধৰি থাকিল। কিন্তু নচিকেতাই বাৰে বাৰে সুধিয়েই থাকিল। এবাৰ তেওঁ হঠাতে সুধিলে — "মোক তুমি কাক দান দিবা দেউতা?" উদ্দালকৰ খং উঠিয়েই আছিল। সেইবাবে তেওঁ লগে লগে উত্তৰ দিলে —

"তোক যমক দিম।"

দেউতাকৰ উত্তৰ শুনি নচিকেতা মনে মনে থাকিল। লাহে লাহে যজ্ঞৰ কাম শেষ হ'ল। ধন-সোণ, গৰু-গাই অসংখ্য দান কৰাৰ পিছত ভাগৰুৱা উদ্দালক ঋষিয়ে শান্তিৰে বহিছিল মাত্ৰ, নচিকেতা ওচৰ চাপি আহিল। তেওঁ লাহে লাহে ক'লে —

"দেউতা, মোক কেতিয়া দান দিবা?" উদ্দালকে একো বুজি নাপালে। তেতিয়া নচিকেতাই ক'লে —

"মোক যে যমক দান কৰিম বুলি কৈছিলা, কেতিয়া কৰিবা?"

তেতিয়াহে উদ্দালকৰ মনত পৰিল খণ্ডতে কোৱা কথাষাৰ। সেয়া এনেয়ে কোৱা কথা বুলি নচিকেতাক বুজাবলৈ ধৰিলে। পিছে নচিকেতাই নামানিলে। তেওঁ বাৰে বাৰে ক'বলৈ ধৰিলে —

"দেউতা, তুমি ইমান ডাঙৰ ঋষি! তুমি যদি কোমাৰ কথা নাৰাখা, কেনেকৈ হ'ব?

তোমাৰো জানো পাপ নালাগিব? গতিকে মোক বিদায় দিয়া, মই নিজেই যমৰ ওচৰলৈ যাওঁ।"

নচিকেতাৰ কথা শুনি উদ্দালকৰ বৰ চিন্তা লাগিল। তেওঁ বুজিলে যে কোৱা কথাষাৰ পালন নকৰিলে তেওঁৰ পাপ লাগিব, আনেও বেয়া বুলিব। সেইবুলি নিজৰ অকণমান ল'ৰাটোক তেওঁ কেনেকৈ এৰি দিয়ে? বহুত ভাবি-চিন্তি তেওঁ যমৰ ৰাজ্যৰ বাট-পথ বুজাই দি বৰ বেজাৰ মনেৰে নচিকেতাক বিদায় দিলে।

সাত বছৰীয়া নচিকেতা অকলে অকলে যমৰ ৰাজ্যলৈ আগবাঢ়িল। গৈ গৈ পালেগৈ সেই মৃত্যুৰ দেশ। আন্ধাৰৰ মাজত যম ৰজাৰ কাৰেংঘৰ। তাৰ দুৱাৰমুখত থকা প্ৰহৰীয়ে নচিকেতাক দেখি সুধিলে —

"হেৰা অকণমান মানুহৰ ল'ৰা, এইখন যমৰ ৰাজ্য, ইয়াত তোমাক কি লাগে?"

"মই যমৰজাক লগ পাবলৈ আহিছোঁ" নচিকেতাই ক'লে। পিছে সেই সময়ত যম ঘৰত নাছিল। গতিকে নচিকেতা বাহিৰতে ৰৈ থাকিল। প্ৰহৰীয়ে ভিতৰলৈ আহিবলৈ কওঁতেও তেওঁ ঘৰৰ ভিতৰ নোসোমালে। এইদৰে তিনিদিন তেওঁ বাহিৰতে থাকিল।

তিনি দিনৰ পিছত ঘৰলৈ আহি যমে দেখিলে যে দুৱাৰ মুখত আলহী ৰৈ আছে। তেতিয়া প্ৰহৰীয়ে জনালে যে তিনিদিন ধৰি সেই সৰু ল'ৰাটি নোখোৱা-নোবোৱাকৈ বাহিৰতে ৰৈ আছে। যমৰ বৰ বেজাৰ লাগিল। অতিথিক অযত্ন কৰা বাবে পাপ হোৱা বুলিও তেওঁৰ চিন্তা লাগিল। তেওঁ নচিকেতাক সন্তুষ্ট কৰিবৰ বাবে তিনিটা বৰ দিব খুজিলে। নচিকেতাই তেতিয়া প্ৰথমটো বৰ খুজি ক'লে — "হে যমৰাজ, মোৰ পিতাই মোক বিদায়দি বৰ বেজাৰ পাইছে। তেওঁৰ মনৰ পৰা বেজাৰ দূৰ কৰক।"

যম ৰজাই "সেয়ে হওক" বুলি ক'লে।

দ্বিতীয় বৰটোনো কি ল'ব ভাবি-চিন্তি নচিকেতাই ক'লে — "শুনিছোঁ বোলে অগ্নি দেৱতাই সকলো শক্তিৰ মূল। যজ্ঞৰ দ্বাৰা অগ্নিক সন্তুষ্ট কৰিব পাৰিলেহে হেনো অন্য দেৱতা সন্তুষ্ট হয়। গতিকে মোক অগ্নি-সাধনা কৰাৰ আটাইবোৰ নীতি-নিয়ম শুদ্ধকৈ শিকাই দিয়ক।"

যমে ক'লে — "সেয়ে হ'ব নচিকেতা। এতিয়া তুমি তৃতীয় বৰটো বিচৰা।"

নচিকেতাই ভাবিলে যে কি বিচৰা যায়। কোনেও নজনা কথা এটা শিকিবলৈ তেওঁৰ মন গ'ল। গতিকে অলপ বুজা অলপ নুবুজা মৃত্যুৰ কথাকে জানিবৰ বাবে তেওঁ ক'লে—

"হে যম ৰাজ! মই মৃত্যুৰ বিষয়ে শুনিছোঁ, কিন্তু মৃত্যুনো কি আৰু মৃত্যু কেনেকৈ হয় একো নাজানো, মৰাৰ পিছত মানুহৰ কি হয়? আত্মা বুলি কিবা বস্তু সঁচাকৈয়ে আছে নে? আত্মানো কি? এইবোৰ কথা আপুনি মোক ভাঙি-পাতি বুজাই দিয়ক।"

যমৰাজ অবাক হ'ল। সৰু ল'ৰাটিৰ মুখত ইমান ডাঙৰ প্ৰশ্ন শুনি তেওঁ ক'লে — "বাছা, এইবোৰ কথা মানুহে জানিব নাপায়। তুমি অন্য বৰ বিচাৰি লোৱা।"

নচিকেতাই কিন্তু অন্য বৰ ল'বলৈ মান্তি নহ'ল, তেওঁ কৈ থাকিল — "আপুনি মোক তিনিটা বৰ দিম বুলি কৈছে, তৃতীয় বৰত মোক মৃত্যুৰ গোপন কথাবোৰ জনাবই লাগিব।"

যমে উপায় নোপোৱা হ'ল। নচিকেতাক অন্য বৰ ল'বলৈ মান্তি কৰিব নোৱাৰি তেওঁ মৰাৰ পিছত মানুহৰ কি হয়, সেই গোপন কথাবোৰ শিকাই দিলে।

তাৰ পিছত যমৰ মৰম-চেনেহ লৈ নচিকেতা তেওঁৰ নিজৰ ঘৰলৈ ঘূৰি আহিল। উদ্দালকে বৰ আনন্দ পালে। যমৰ পৰা বহুত কথা শিকি অহা নচিকেতা পিছলৈ এজন মহান ঋষি হৈছিলগৈ। ○

# মানুহৰ ভিতৰত ভগৱান

কোটি কোটি বছৰৰ আগতে মাটি, পাহাৰ, মানুহ, দেৱতা, গছ-গছনি আদি একো নাছিল। একমাত্র পৰমাত্মা ভগৱান অকলেআছিল। অকলে থাকি থাকি আমনি লাগি তেওঁ কিবা কিবি সাজি পেলাওঁ বুলি ভাবিলে। সেইবুলি ভাবি তেওঁ প্ৰথমতে পাঁচ প্ৰকাৰৰ ঠাই নিৰ্মাণ কৰিলে। এই পাঁচ প্ৰকাৰ হ'ল আকাশৰ দুখাপ ওপৰত থকা অম্ভ লোক, আকাশৰ এখাপ ওপৰত থকা দ্যুলোক, আকাশ অথবা মৰীচি লোক, পৃথিৱী অথবা নৰলোক আৰু পৃথিৱীৰ তলত থকা আপলোক।

এই ঠাইবোৰ সৃষ্টি কৰাৰ পিছত তেওঁ তাত কাক থাকিবলৈ দিব চিন্তা কৰি পানীৰ পৰাই এটা শৰীৰৰ সৃষ্টি কৰিলে। তাৰ পিছত তপস্যাৰ দ্বাৰা শৰীৰটোত প্ৰাণ দিয়াৰ লগে লগে তাৰ পৰা নানা শক্তি আৰু দেৱতাবোৰ ওলাবলৈ ধৰিলে। সেই মূৰ্তিৰ মুখৰ পৰা কথা কোৱা শক্তি আৰু অগ্নিৰ জন্ম হ'ল। নাকৰ পৰা প্ৰাণ আৰু বায়ু হ'ল। চকুৰ পৰা সূৰ্য হ'ল। সেইদৰে চন্দ্ৰ, মৃত্যু, প্ৰজাপতি আদিও তেওঁৰ গাৰ পৰা ওলাই আহিল।

উপজিয়েই দেৱতাবোৰে — "পিতা, আমাক খাবলৈ দিয়ক" বুলি আমনি কৰিবলৈ ধৰিলে।

ভগৱানে ভাবিলে, ইমানবোৰ দেৱতাক কেনেকৈ খাবলৈ দিয়া যায়। তেতিয়ালৈকে তেওঁ বেলেগ সৃষ্টি কৰা নাছিল। সকলোতকৈ আগতে ভোক আৰু পিয়াহৰ সৃষ্টি কৰি দেৱতাসকলৰ মাজত মেলি দিয়াৰ বাবেই এনে হ'ল। তেতিয়ালৈকে নিজ হাত আৰু মুখেৰে খাবলৈ নিশিকা দেৱতাসকলে আকৌ ক'লে —

"পিতা, এনেকুৱা এটা বস্তু সাজি উলিয়াওক যিটোৰ ভিতৰ সোমাই আমি তাৰ যোগেদি খাব পাৰিম।"

ভগৱানে তেতিয়া পানীৰ পৰা এজনী গাই গৰু সৃষ্টি কৰি তাত প্ৰাণ দি তেওঁলোকৰ ওচৰলৈ লৈ আহিল। তেওঁলোকে গাইজনী দেখি ক'লে —

"এইটো প্ৰাণীৰ ভিতৰত থাকিলে আমাৰ দেখোন পেটেই নভৰিব।"

ভগৱানে এইবাৰ এটা ঘোঁৰা আনিলে। তাকে দেখি দেৱতাসকলে ক'লে —

"ওহোঁ, এইটোৰেও নহ'ব।" ভগৱানে তেতিয়া এজন মানুহৰ সৃষ্টি কৰি আনি

দেখুৱালে। লগে লগে দেৱতাসকলে আনন্দৰে কৈ উঠিল —

"এইটোহে বঢ়িয়া হৈছে। আমি ইয়াৰ ভিতৰত সোমাই আহাৰ গ্ৰহণ কৰিম।"

এইবাৰ ভগৱানে তেওঁলোকৰ আহাৰৰ বাবে অন্ন সৃষ্টি কৰিলে। পিছে খাবলৈ বাট চাই থকা দেৱতাজাক দেখি অন্ন দৌৰি পলাবলৈ ধৰিলে। তেতিয়া মানুহৰ মাজত থকা অগ্নি দেৱতাই মুখেৰে, সূৰ্যই চকুৰে, বায়ুৱে নাকেৰে আৰু বাকী দেৱতাবোৰেও অন্নক ধৰিবলৈ যত্ন কৰিলে। পিছে কোনোৱে নোৱাৰিলে। ভগৱানেহে অন্নক থাপ মাৰি ধৰিলে।

তাকে দেখি ভগৱানে ভাবিলে —

"ময়ো যদি মানুহৰ ভিতৰত সোমাই নাথাকোঁ তেতিয়া কোনেও একো খাব নোৱাৰিব আৰু জী থাকিবও নোৱাৰিব।"

গতিকে ভগৱান নিজেও মানুহৰ ভিতৰলৈ সোমাই আহিল। ○

# দ - দ - দ

একেবাৰে পুৰণি কালৰ কথা। প্ৰজাপতি ব্ৰহ্মাই তেতিয়া সংসাৰখন সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছে মাথোন। প্ৰথমতে তেওঁ তিনি শ্ৰেণী জীৱ সৃষ্টি কৰিলে, দেৱতা, মানুহ আৰু অসুৰ। তেওঁ সকলোৰে উমৈহতীয়া পিতৃ হ'ল। কিছুদিন পিছত তেওঁৰ এই তিনি শ্ৰেণীৰ সন্তানবোৰে তেওঁক ক'লে — "পিতা, এতিয়া আমি ডাঙৰ হ'লোঁ। আমাক বিদ্যা দিয়ক।"

ব্ৰহ্মাই ল'ৰাহঁতৰ ইচ্ছা দেখি আনন্দ পাই ক'লে — "বোপাহঁত, বৰ ভাল কথা কৈছা। মই তোমালোকক নিশ্চয় বিদ্যা দান কৰিম। পিছে তাৰ আগতে কিছুদিন ব্ৰত আৰু ধ্যান কৰি মনটো স্থিৰ কৰি আহাঁগৈ।"

পিতৃৰ কথা শুনি তেওঁলোকে ব্ৰত আৰু ধ্যান কৰি মনটো শান্ত, স্থিৰ আৰু দৃঢ় কৰি ল'লে। তাৰ পিছত ব্ৰহ্মাৰ উপদেশ ল'বলৈ স্থিৰ কৰিলে। পিছে দেৱতা, মানুহ আৰু অসুৰৰ একেটা মাথোন উপদেশ ভাল নালাগিবও পাৰে, গতিকে তেওঁলোকে বেলেগে বেলেগে যোৱাটোকে ঠিক কৰিলে। প্ৰথমতে গ'ল দেৱতাসকল। প্ৰথমতে ব্ৰহ্মাক প্ৰণাম কৰি তেওঁলোকে ক'লে —

"প্ৰভু, আমাৰ মন স্থিৰ হৈছে। এতিয়া আমাক উপদেশ দিয়ক।" ব্ৰহ্মাই মাথোন ক'লে — "দ"। তাৰ পিছত সুধিলে —

"কিবা বুজিলানে?"

দেৱতাসকলে ক'লে — "বুজিলোঁ প্ৰভু। আমি বুজি পালোঁ যে 'দ' মানে হ'ল দমন কৰা। আমি দেৱতাবোৰৰ লোভ বেছি, আৰামো বেছি, আমাৰ সুখৰ সীমা নাই, ৰং-ধেমালিৰো অন্ত নাই। গতিকে আপুনি আমাক লোভ-মোহ দমন কৰিবলৈ কৈছে।"

ব্ৰহ্মাই আনন্দ মনেৰে ক'লে — "বাছাহঁত, ঠিকেই বুজিছা। এতিয়া সেইমতে কাম কৰাগৈ যোৱা।"

এইবাৰ আহিল মানৱ। তেওঁলোকেও ক'লে — "প্ৰভু, আমাৰো ব্ৰত শেষ হ'ল। এইবাৰ আমাক উপদেশ দিয়ক।"

ব্ৰহ্মাই ক'লে — "দ"। তাৰ পিছত সুধিলে — "কি বুজিলা কোৱাচোন?"

মানবে ক'লে — "দ" মানে দত্ত। অৰ্থাৎ দান কৰা। আমি মানুহবোৰ স্বভাৱতে কৃপণ। আমি ধন-সোণ সাঁচি থওঁ। নিজে এসোপা ধন গোটাই লৈও দুখীয়াৰ বাবে খৰচ নকৰোঁ। দানৰ দ্বাৰা সমাজৰ মংগল সাধিব পাৰি, আমি সেই কথা নাভাবো। গতিকে আপুনি আমাক দান কৰিবলৈ উপদেশ দিছে।" ব্ৰহ্মাই ৰং মনেৰে ক'লে — "ঠিকেই কৈছা বাছাহঁত। এতিয়া দানৰ আনন্দ লাভ কৰাগৈ। তোমালোকৰ মংগল হ'ব।"

এইবাৰ অসুৰহঁতৰ পাল পৰিল। ব্ৰহ্মাক প্ৰণাম কৰি তেওঁলোকে ক'লে, — "প্ৰভু, আমাকো উপদেশ দিয়ক।"

"ব্ৰহ্মাই ক'লে — "দ", কোৱাচোন কি বুজিলা?"

অসুৰে আনন্দেৰে ক'লে — "বঢ়িয়াকৈ বুজিলোঁ প্ৰভু। আপুনি আমাক দয়া কৰিবলৈ কৈছে। আমি অসুৰবোৰ নিষ্ঠুৰ আৰু কঠোৰ। আমাৰ মৰম-চেনেহ নাই। বিনা দোষতে আমি প্ৰাণী হত্যা কৰোঁ। গতিকে আপুনি সকলোকে দয়া কৰিবলৈ কৈছে।"

সন্তোষ পাই ব্ৰহ্মাই ক'লে — "ঠিক হৈছে, বাছা। অন্তৰৰ পৰা দয়া নেৰিবা। যোৱা, মংগল হওক।"

এইদৰে ব্ৰহ্মাৰ মুখৰ এটা শব্দৰ পৰা তিনি শ্ৰেণী জীৱই তিনিটা অৰ্থ উলিয়াই ল'লে। ○

# দেৱতাৰ অহংকাৰ

দেৱতা আৰু অসুৰসকলৰ সদায়ে কাজিয়া লাগি থাকে। কেতিয়াবা দেৱতা জিকে, কেতিয়াবা অসুৰ জিকে। একেবাৰে পুৰণি দিনৰ পৰা চলি আছে এই কাজিয়া। মাজে মাজে ডাঙৰ যুদ্ধ লাগে। তাকে দেখি ভগৱানে ভাবিলে, "এই দুটা দলৰ মাজত এনেকৈ যুদ্ধ হৈ থাকিলে সংসাৰখন ধ্বংস হৈ যাব। কোনোবা এটা দলৰ মাজত মোৰ শক্তি দি একেবাৰে জিকাই থৈ দিওঁ।" এনেকৈ ভাবি তেওঁ দেৱতাসকলক নিজৰ শক্তি দি অসুৰবোৰতকৈ বলী কৰি তুলিলে। তেতিয়া এখন যুদ্ধত দেৱতাই অসুৰক খেদি দূৰত থৈ আহিল। কিছু দিনৰ বাবে সকলো শান্ত হ'ল।

পিছে দেৱতাসকলে ভাবিলে যে তেওঁলোকে নিশ্চয় নিজৰ বলতহে জিকিল। তেওঁলোকৰ বৰ অহংকাৰ হ'ল। তেওঁলোকে নিজকে আটাইতকৈ ডাঙৰ বুলি ভাবিবলৈ ধৰিলে। তাকে দেখি ভগৱানৰ খং উঠিল। কেনেকৈনো দেৱতাৰ অহংকাৰ কমাব পাৰি তাকে তেওঁ ভাবিব ধৰিলে।

এদিন এখন মুকলি পথাৰতে দেৱতাসকলে ভোজ-ভাত খাই আনন্দ কৰিছিল। মাছ-মঙহ আৰু সোমৰস খাই তেওঁলোকৰ নিচা লাগিছিল। বৰ হুলস্থূল কৰি নিজৰ বীৰত্বৰ কথা কৈ কৈ তেওঁলোকে ৰং-ধেমালি কৰি আছিল। এনেতে পথাৰৰ আনটো মূৰত কোনোবা এজন ৰ'লহি। তেওঁৰ শৰীৰৰ পৰা উজ্জ্বল পোহৰ ওলাইছিল। সেই পোহৰ ইমান চোকা যে চালে চকু মুদ খাই যায়। দেৱতাসকল অবাক হ'ল। সেইজননো কোন তেওঁলোকে ভাবি নাপালে। অলৰ-অচৰ হৈ থকা সেই মূৰ্তিক দেখি তেওঁলোকৰ ভয়ো লাগিল। শেষত অলপ সাহ কৰি অগ্নি সেই মূৰ্তিটোৰ ওচৰ চাপি গ'ল। বাকীবোৰ দেৱতাই তেওঁৰ সাহসৰ প্ৰশংসা কৰিবলৈ ধৰিলে। অগ্নিয়ে পোহৰ-মূৰ্তিৰ কাষ চাপি সুধিলে —

"আপুনি কোন?"

"তুমিনো কোন? তুমি কি কৰিব পাৰা?" সেই মূৰ্তিয়ে সুধিলে।

অগ্নিয়ে অহংকাৰ কৰি ক'লে — "মই অগ্নি দেৱতা। মই সকলোকে অগ্নি দিওঁ। জুই নাথাকিলে কোনো থাকিব নোৱাৰে। গতিকে মই সকলোতকৈ ডাঙৰ।"

"তোমাৰ শক্তিনো কিমান?"

"মোৰ শক্তি যে কিমান বুজাবই নোৱাৰোঁ। মই সকলোকে পুৰিব পাৰোঁ।"

সেই মূৰ্তিয়ে ক'লে — "বাৰু, এই অকণমানি ঘাঁহডাল জ্বলাই দিয়াচোন। তোমাৰ শক্তি চাওঁ। অগ্নিয়ে লাজেই পালে, ইমান সৰু কামনো তেওঁক কোনোবাই দিয়েনে! তথাপিও তেওঁ ঘাঁহডাল জ্বলাবলৈ যত্ন কৰিলে, পিছে ঘাঁহ নজ্বলিল। লাহে লাহে অগ্নিয়ে জুই বঢ়াই নিলে। জুই গৈ আকাশ চুলে, তথাপিও ঘাঁহডালৰ একোৱেই নহ'ল, অগ্নিয়ে বৰ লাজ পালে। সেমেনা সেমেনিকৈ ঘূৰি আহি লগৰসকলক ক'লে — "জানো, সেইজন কোন! মই একো ধৰিবই পৰা নাই।"

এইবাৰ গ'ল বায়ুদেৱতা। তেওঁ সেই মূৰ্তিৰ ওচৰলৈ গৈ সুধিলে — "হে উজ্জ্বল মূৰ্তি, আপুনি কোন পৰিচয় দিবনে?"

মূৰ্তিয়ে ক'লে — "তাৰ আগতে তোমাৰ পৰিচয় দিয়াচোন।"

বায়ুৱে ক'লে — "মই বায়ুদেৱতা। মই নাথাকিলে কোনো জীয়াই থাকিব নোৱাৰিব।"

"হয়নে? তুমি পিছে কি কৰিব পাৰা?"

বায়ুৱে উত্তৰ দিলে — "মই গছ-গছনি, ঘৰ-দুৱাৰ, জীৱ-জন্তু সকলোকে উৰুৱাই নি প্ৰলয়ৰ সৃষ্টি কৰিব পাৰোঁ।"

অদ্ভুত মূৰ্তিয়ে তেতিয়া ঘাঁহডাল উৰুৱাবলৈ দিলে। বায়ুৱে সমস্ত শক্তিৰে বতাহৰ সৃষ্টি কৰি ধুমুহা, বা-মাৰলি আনিলে যদিও ঘাঁহডাল লৰ-চৰেই নহ'ল। লাজতে কন্দনামুৱা হৈ বায়ু উভটি আহিল।

সকলো দেৱতাই ভয় খোৱা দেখি আৰু নিৰাশ হোৱা দেখি তেওঁলোকৰ ৰজা ইন্দ্ৰ আগবাঢ়ি গ'ল। ইন্দ্ৰই ইতিমধ্যে বুজিলে যে সেইজন কোনোবা বেছি শক্তিমান। অগ্নি আৰু বায়ুৱে যিজনক চিনি নাপালে; তেওঁক চিনি পাবলৈ অহংকাৰ নহয়, নম্ৰতাহে লাগিব বুলি তেওঁ বুজি পালে। ইন্দ্ৰই বৰ নম্ৰভাৱে গৈ তেওঁক প্ৰণাম কৰিলে। লগে লগে সেই পোহৰে ভৰা মূৰ্তিটো আকাশলৈ উঠি গৈ অদৃশ্য হৈ পৰিল। তেওঁনো কোন ইন্দ্ৰই বুজিয়ে নাপালে।

অলপ পিছতে আকাশত দেখা দিলে সোণবৰণৰ এগৰাকী গোসাঁনী উমা হৈমৱতীয়ে। তেওঁ ইন্দ্ৰক ক'লে —

"তোমালোকে যিজনক চিনি নাপালা তেওঁ হৈছে স্বয়ং ভগৱান। তেওঁহে সকলোৰে মূল শক্তি। তোমালোকে নিজৰ বলত অসুৰৰ লগত জিকিলা বুলি যি অহংকাৰ কৰিছিলা, তাৰ উত্তৰ দিবলৈকে তেওঁ আহিছিল। তোমালোক আচলতে কিমান ক্ষুদ্ৰ এতিয়া দেখিলানে?

ইন্দ্ৰই সকলো বুজিলে। তেওঁ বাকী দেৱতাসকলৰ ওচৰলৈ আহি ভগৱানৰ অসীম শক্তিৰ কথা বহলাই বুজাই ক'লে। দেৱতাসকলেও নিজৰ ভুল বুজিব পাৰি লাজ পালে। তেওঁলোকে ভগৱানত বিশ্বাস ৰাখি কাম কৰিবলৈ শিকিলে। ○

# ৰত্নাকৰ কেনেকৈ বাল্মীকি হ'ল

ৰত্নাকৰ নামে এটা ডকাইত আছিল, তাৰ পিতাক ঋষি আছিল যদিও কিৰাত নামৰ আধা বনৰীয়া মানুহ কিছুমানে তাক সৰুৰে পৰা তুলি-তালি ডাঙৰ কৰাৰ বাবে ৰত্নাকৰৰ স্বভাৱো উদণ্ড আৰু বনৰীয়া হৈছিল। সি সময়ত ডেকা হ'ল আৰু বিয়া পাতিলে। তাৰ বহুত ল'ৰা-ছোৱালী হ'ল। পৰিয়ালত মানুহ বেছি হোৱাৰ বাবে সিহঁতক পোহ-পাল দিব নোৱাৰা হ'ল আৰু ডকাইতি কৰি ধন ঘটিবলৈ ধৰিলে। হাবিৰ মাজত খাপ দি থাকি সি বাটৰুৱাবোৰক লাঠিৰে কোবাই মাৰে বা আধা মৰা কৰে আৰু সকলো বয়বস্তু কাঢ়ি লয়। তাৰ নাম শুনিলেই মানুহে ভয় কৰিছিল। পৰাপক্ষত হাবিৰ সেই ফালেৰে কোনো মানুহেই নগৈছিল।

এদিন সপ্তৰ্ষি অৰ্থাৎ সাতজন বৰ ডাঙৰ ঋষি সেইফালেদি গৈছিল। লুকাই থকা ঠাইৰ পৰা ওলাই আহি ৰত্নাকৰে তেওঁলোকক মাৰিবলৈ লাঠি দাঙি লোৱাত ঋষিসকলে সুধিলে, "আমি ঋষি, আমাকনো কিয় হত্যা কৰিব খুজিছা?"

"তোমালোকক মাৰি তোমালোকৰ লগত যি বস্তু আছে তাকে মই কাঢ়ি লম আৰু মোৰ পৰিয়ালটো পোহপাল দিম।" — ৰত্নাকৰে ক'লে।

"আমাক মাৰিলে তোমাৰ পাপ হ'ব। তোমাৰ পৰিয়ালৰ মানুহবোৰে জানো সেই পাপৰ ভাগ ল'ব? তুমি সিহঁতৰ বাবে কিয় পাপ কৰিছা?" — এজন ঋষিয়ে সুধিলে। ৰত্নাকৰে ক'লে যে তাৰ ল'ৰা-তিৰোতাই নিশ্চয় তাৰ পাপৰ ভাগ ল'ব। কাৰণ সিহঁতক খুৱাবলৈহে সি পাপ কৰিছে।

"তুমি বাৰু এবাৰ সুধি আহাঁগৈচোন, আমি ইয়াতে বৈ থাকিম।" সপ্তৰ্ষিয়ে ক'লে। ৰত্নাকৰ লৰা লৰিকৈ ঘৰলৈ গ'ল। প্ৰথমতে সি ঘৈণীয়েকক সুধিলে, তাৰ পাপৰ ভাগ তাই ল'ব নে নলয়। ঘৈণীয়েকে ক'লে —

"মানুহ মাৰিব আপুনি, পাপৰ ভাগ ল'ম আমি! এইটো আকৌ কেনে কথা?"

"মই তোমালোকৰ বাবেহে ডকাইতি কৰি ধন ঘটো। গতিকে মোৰ পাপৰ ভাগ তোমালোকৰো নহ'ল জানো?" সি সুধিলে।

"কেনেকৈ হ'ব? আমক ভৰণ-পোষণ দিয়াটো আপোনাৰ কৰ্তব্য। পাপ কৰি

ভৰণ-পোষণ আপুনিহে দিছে, আমি শিকাই দিয়া নাই নহয়।" তাই ক'লে। ৰত্নাকৰ আঁতুৰ হৈ পুতেক-জীয়েকহঁতৰ ওচৰলৈ গ'ল। পিছে, সিহঁতেও ক'লে — "যি জনে বেয়া কাম কৰে তেওঁৰহে পাপ হয়। আনে তাৰ ভাগ কেনেকৈ ল'ব?"

এইবোৰ কথা শুনি ৰত্নাকৰে বৰ শোক পালে। সি বুজি পালে যে ইমান দিনৰ পাপৰ শাস্তি সি অকলেই ল'ব লাগিব। সি ঋষিসকলৰ ভৰিত পৰি উদ্ধাৰৰ উপায় বিচাৰিলে। সপ্তৰ্ষিয়ে তাক পাপ কমাবৰ বাবে অকলে এঠাইত বহি ৰামৰ নাম ল'বলৈ উপদেশ দিলে। পিছে সি ইমান পাপী আছিল যে কোনোমতেই 'ৰাম' শব্দটো তাৰ মুখত নুফুটে। তেতিয়া ঋষিসকলে তাক 'মৰা মৰা' কৰি থাকিবলৈ ক'লে। এইদৰে কৰোঁতে কৰোঁতে এপাকত তাৰ মুখৰ পৰা ৰাম নাম ওলাল। ৰাম নাম লৈ সি ইমান আনন্দ পালে যে সেইদৰে বহি বছৰৰ পিছত বছৰ ধ্যান কৰিবলৈ ধৰিলে। তাৰ গোটেই গাতে উঁই উঠি ডাঙৰ হাঁফলুৰ সৃষ্টি কৰিলে। তেতিয়া সপ্তৰ্ষিয়ে বল্মীক অৰ্থাৎ উঁই হাঁফলু ভাঙি তাক উলিয়াই আনিলে আৰু বাল্মীকি নাম দিলে।

নাৰদে বাল্মীকিৰ আগত ৰামৰ কাহিনীটো কোৱাত তেওঁ ৰামায়ণ ৰচনা কৰে। "ৰাম নৌ ওপজোতেই ৰামায়ণ" বুলি সেয়েহে কোৱা হয়।

ৰামায়ণ ৰচনা কৰাৰ আগতে হঠাৎ এদিন বাল্মীকিয়ে কবিতা ৰচনা কৰি নিজেই আচৰিত হৈছিল। এদিন নদীত গা ধুই উঠি আহোঁতে তেওঁ দেখিলে যে এযোৰ চৰায়ে খেলি আছে। এনেতে ব্যাধে কাঁড় মাৰি এটা চৰাই মাৰি পেলোৱাত লগৰ চৰাইটোৱে বিনাই-বিনাই কান্দিবলৈ ধৰিলে। সেই শোক লগা দৃশ্য দেখি নিজেই গম নোপোৱাকৈ বাল্মীকিৰ মুখৰ পৰা দুফাকি শ্লোক ওলাই আহিল। সেয়ে পৃথিৱীৰ প্ৰথম কবিতা। ○

# বিশ্বামিত্ৰৰ প্ৰতিশোধ

প্ৰাচীন কালত কান্যকুব্জ ৰাজ্যত গাধি নামে এজন বিখ্যাত ৰজা আছিল। তেওঁৰ পুত্ৰ আছিল বিশ্বামিত্ৰ, সময়ত বিশ্বামিত্ৰ নিজেও ৰজা হৈছিল। তেওঁ এজন বীৰ আৰু গুণী ৰজা আছিল। তেওঁ মাজে মাজে বনলৈ গৈ পশু আদি মাৰি আনন্দ কৰিছিল। তেওঁ আছিল সাহসী আৰু একা-চেকা প্ৰকৃতিৰ।

এদিন ৰজা বিশ্বামিত্ৰ মৃগয়ালৈ গৈ গভীৰ বনৰ মাজ পালে। তেওঁৰ পিছে পিছে সৈন্য-সামন্ত বহুত গৈছিল। পশুৰ পিছে পিছে দৌৰি ভোকে-ভাগৰে লালকাল হৈ তেওঁলোকৰ বনৰ মাজতে বাট হেৰালে। ইফালে ৰাতিও হৈ অহাত তেওঁলোকে কৰবাত থকা ঠাই বিচাৰিব লগা হ'ল। সেই বনৰ মাজতে আছিল বশিষ্ঠ মুনিৰ আশ্ৰম। গধূলি সময়ত গৈ বিশ্বামিত্ৰ ৰজাই আশ্ৰমত বশিষ্ঠ মুনিক দেখা কৰিলে, বশিষ্ঠই তেওঁলোকক আদৰি-সাদৰি ভিতৰলৈ নিলে।

বশিষ্ঠ মুনিৰ নন্দিনী নামে এজনী বৰ ধুনীয়া গাই গৰু আছিল। তাই আছিল স্বৰ্গৰ গাই সুৰভীৰ জীয়েক। নন্দিনীয়ে যেয়ে যি বিচাৰে তাকে দিব পাৰিছিল। সেই গধূলিখন ইমানবোৰ আলহী ওলোৱা দেখি বশিষ্ঠই নন্দিনীৰ সহায় বিচাৰিলে। নন্দিনীয়েও শুবলৈ খাট-পালেং, পিন্ধিবলৈ মূল্যবান সাজপাৰ আৰু অলংকাৰ, খাবলৈ বিবিধ সোৱাদ লগা আহাৰ আদি যাদু কৰি উলিয়াই দিলে। মুনিৰ আশ্ৰমতে ধুনীয়া এখন সৰু নগৰ যেন হৈ পৰিল। এনে কাণ্ড দেখি ৰজা বিশ্বামিত্ৰ অবাক হ'ল। তেওঁৰ গৰুজনী পাবলৈ বৰ লোভ লাগিল। তেওঁ মুনিক ক'লে — "হে মুনিবৰ, আপুনি আশ্ৰমত থাকে; ইমান বস্তু দিব পৰা গাইজনী আপোনাক কিয়? মোক তাইক দিয়ক। মই ৰাজকাৰেঙত তাইক যত্ন কৰি ৰাখিম।" বশিষ্ঠই উত্তৰ দিলে — "মহাৰাজ, নন্দিনী মোৰ প্ৰাণতকৈও মৰমৰ। মই তাইক কোনোপধ্যেই এৰি নিদিওঁ।" বিশ্বামিত্ৰই বাৰে বাৰে নন্দিনীক খুজিবলৈ ধৰিলে, বশিষ্ঠয়ো কোনোমতে দিবলৈ মান্তি নহ'ল। তেতিয়া খঙতে ৰজাই নিজৰ সৈন্যবোৰক জোৰ কৰি নন্দিনীক ধৰি নিবলৈ ক'লে। ইমানবোৰ সৈন্যৰ লগত বলে নোৱাৰিব বুলি জানি বশিষ্ঠই নন্দিনীক ক'লে —

"আই, নিজে নিজক ৰক্ষা কৰা। মোৰ ইমান শক্তি নাই।"

সেই কথা শুনি নন্দিনীয়ে খঙতে হেম্বেলিয়াবলৈ ধৰিলে। প্ৰতিটো হেম্বেলনিৰ

লগে লগে হাজাৰ হাজাৰ সৈন্য ওলাব ধৰিলে। চাৰি ঠেঙেৰে মাটিত খুন্দা মৰাৰ ফলতো বহুতো সৈন্য ওলাল। এই সৈন্যবোৰ বৰ ভয়ংকৰ যুঁজাৰু আছিল। সিহঁতে বিশ্বামিত্ৰৰ সৈন্যক মাৰি-কিলাই অন্ত কৰিলে। বিশ্বামিত্ৰ পলাই নিজৰ ঠাই পালেগৈ।

এইদৰে বিফল হৈ বিশ্বামিত্ৰই বৰ লাজ পালে। বশিষ্ঠৰ ব্ৰাহ্মণ শক্তিৰ বল দেখি তেওঁ নিজেও ব্ৰাহ্মণ হ'বলৈ মন মেলিলে। পিছে তেওঁ এজন ক্ষত্ৰিয় ৰজাহে, ব্ৰাহ্মণ কেনেকৈ হ'ব! তথাপিও বশিষ্ঠৰ সমান শক্তি পাবৰ বাবে ইচ্ছা কৰি তেওঁ হিমালয়লৈ গৈ কঠোৰ তপস্যা আৰম্ভ কৰিলে। খোৱা-বোৱা বাদ দি জহ-জাৰ একোলৈকে মন নকৰি তেওঁ তপস্যা কৰিবলৈ ধৰিলে। কেৱল ভৰিৰ বুঢ়া আঙুলিৰ ওপৰত ভৰ দি দুইহাত ওপৰলৈ তুলি থিয় হৈ তেওঁ বছৰৰ পিছত বছৰ ধৰি তপস্যা কৰিবলৈ ধৰিলে। তেওঁৰ তপস্যাৰ বলত ৰ'ব নোৱাৰি ব্ৰহ্মাই আহি কি লাগে বুলি সোধাত বিশ্বামিত্ৰই ক'লে যে তেওঁক বশিষ্ঠৰ দৰে ব্ৰাহ্মণত্ব লাগে। ব্ৰহ্মাই সেইটো দিব নোৱাৰোঁ বুলি গুচি গ'ল। তেতিয়া বিশ্বামিত্ৰই আগতকৈও কঠোৰ তপস্যা কৰি স্বৰ্গ আৰু মৰ্ত্য কঁপাই তুলিলে। উপায় নাপাই ব্ৰহ্মা আকৌ আহিল আৰু বিশ্বামিত্ৰক বশিষ্ঠ দৰে শক্তিশালী ঋষি হ'বলৈ আশীৰ্বাদ দিলে।

এইদৰে বিশ্বামিত্ৰ এজন ডাঙৰ ঋষি হৈ পৰিল। তেওঁ কিন্তু বশিষ্ঠৰ প্ৰতি শত্ৰুতাৰ ভাব এৰিব পৰা নাছিল। কল্মাষপাদ নামৰ এজন ডাঙৰ ৰজাৰ সহায়ত তেওঁ বশিষ্ঠৰ অপকাৰ কৰিবলৈ ছল চাই আছিল। ঘটনাক্ৰমে বশিষ্ঠৰ ডাঙৰ পুতেক শক্তিক ৰজাই জগৰ লগোৱাৰ বাবে শক্তিয়ে তেওঁক ৰাক্ষস হ'বলৈ অভিশাপ দিলে। কল্মাষপাদে এটা ৰাক্ষসৰ ৰূপ লৈ হাবিত সোমালেগৈ। এই সুযোগতে বিশ্বামিত্ৰই সেই ৰাক্ষসৰ হতুৱাই বশিষ্ঠৰ পুতেকবোৰক হত্যা কৰালে। পুত্ৰৰ বেজাৰত বশিষ্ঠই ইমান কষ্ট পালে যে তেওঁ প্ৰাণত্যাগ কৰাৰ কথাই ভাবিছিল। পিছে ডাঙৰ বোৱাৰীয়েকৰ এটি শিশু সন্তান হোৱা দেখি তেওঁৰ মনৰ দুখ পাতলিল। সেই শিশু পিছলৈ পৰাশৰ নামে বিখ্যাত ঋষি হৈছিল।

এইদৰে ঋষি হৈও বিশ্বামিত্ৰই খং, প্ৰতিশোধ আদি এৰিব পৰা নাছিল। তেওঁ বৰ ডাঙৰ ঋষি আছিল যদিও খং বেছি হোৱাৰ বাবে তেওঁ বহুত অন্যায় কাৰ্যও কৰি পেলাইছিল। ○

# ৰামৰ বনবাস

অযোধ্যাৰ ৰজা দশৰথৰ চাৰিওজন পুত্ৰ ৰাম, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন প্ৰতিজনেই মহাবীৰ, দয়ালু আৰু গুণবান আছিল। ৰাম আছিল জাকত জিলিকা। মহৎ প্ৰকৃতিৰ আৰু মধুৰ স্বভাৱৰ বাবে তেওঁ প্ৰজাসকলৰ অতি প্ৰিয় আছিল। তেওঁনো কেতিয়া ৰজা হ'ব, তালৈকে সকলোৱে বাট চাই আছিল। প্ৰজাৰ মনৰ কথা জানিব পাৰি ৰজায়ো বৰ আনন্দ পালে। কাৰণ তেওঁ বৃদ্ধ হৈ আহিছিল, ৰামক ৰাজপাট দিয়াৰ কথাকে তেওঁ নিজেও মনতে আলচি আছিল। সেইবাবে তেওঁ সভা পাতি পাত্ৰ-মন্ত্ৰীসকলক মাতি আনি সেই বিষয়ে পৰামৰ্শ বিচাৰিলে। সকলোৱে অতি আনন্দমনেৰে সন্মতি দিয়াত ৰামৰ অভিষেকৰ দিন স্থিৰ কৰা হ'ল।

এই সুখৰ বাতৰি বিয়পি পৰাত অযোধ্যা নগৰত উদুলি-মুদুলি লাগিল। সকলো মানুহে নিজৰ ঘৰ-দুৱাৰ ধুনীয়াকৈ সজালে। ফুল আৰু পতাকাৰে দশোদিশ জিলিকি উঠিল। ৰামচন্দ্ৰই পিতৃৰ পৰা এই সংবাদ পাই তাক আনন্দমনেৰে গ্ৰহণ কৰিলে আৰু মাক কৌশল্যাক জনালেগৈ। কৌশল্যাই মনৰ আনন্দত ৰামক চুমা খাই ৰজাৰ এই সিদ্ধান্তক প্ৰশংসা কৰিবলৈ ধৰিলে। ৰাম ৰজা হ'ব বুলি আনন্দৰ জোৱাৰ বৈ গ'ল।

এই আনন্দৰ দৃশ্য চকুত পৰিল কৈকেয়ীৰ দাসী মন্থৰাৰ। কৈকেয়ী আছিল দশৰথৰ সবাতোকৈ মৰমৰ আদৰুৱা সুন্দৰী পত্নী। তেওঁ ৰামক বৰ ভাল পাইছিল। মন্থৰা আছিল দুষ্ট বুদ্ধিৰ আৰু হিংসাকুৰীয়া। নগৰৰ আনন্দোৎসৱ দেখি তাই তবধ মানিলে আৰু তাৰ কাৰণ বিচাৰি যেতিয়া জানিবলৈ পাৰিলে যে পিছদিনা ৰাম ৰজা হ'ব, তাই চিন্তাত দহিবলৈ ধৰিলে। খঙতে বেগাই আহি তাই কৈকেয়ীক এই খবৰটো দিলে, কিন্তু কৈকেয়ীয়ে বৰ আনন্দহে পালে। তেওঁ ইমান ভাল খবৰটো দিয়াৰ বাবে নিজৰ ডিঙিৰ হেমহাৰ সোলোকাই মন্থৰাক উপহাৰ দিলে। মন্থৰাই সেই উপহাৰ দলিয়াই পেলাই কৈকেয়ীক ক'লে — "তুমি তোমাৰ সতিনীৰ পুত্ৰৰ সৌভাগ্যত ইমান আনন্দিত হৈছা কিয়? ৰাম ৰজা হ'লে তোমাৰ পুত্ৰ ভৰত যে কেতিয়াও ৰজা হ'ব নোৱাৰিব সেই কথা ভাবি চাইছানে? ৰাম ৰজা হ'লে তেওঁৰ মাতৃ কৌশল্যা ৰাজমাতা হ'ব, তুমি তেতিয়া কৌশল্যাৰ দাসীৰ দৰেহে কাল কটাব লাগিব। সেইবোৰ কথা ভাবি মোৰেই বুকু ভাঙি গৈছে। তুমি কিন্তু বুজা নাই, তোমালৈ কিমান বেয়া দিন আহি আছে।" এইদৰে নানা

বেয়া কথা কৈ মন্থৰাই কৈকেয়ীৰ মনটো বিষাক্ত কৰি পেলালে। কৈকেয়ীয়ে চিন্তা কৰি সুধিলে — "তই ঠিকেই কৈছ বাই। পিছে মই এতিয়া কি কৰিম কচোন?" উত্তৰত মন্থৰাই কৈকেয়ীক বুদ্ধি শিকাই দিলে, কৈকেয়ীয়ে সেইমতে কাম কৰিবলৈ সাজু হ'ল।

দশৰথে যেতিয়া শুভ সংবাদটো নিজ মুখেৰে দিবৰ বাবে কৈকেয়ীৰ প্ৰাসাদলৈ আহিল, তেওঁ কৈকেয়ীক ক'তো বিচাৰি নাপালে। আচৰিত হৈ দাসীহঁতক সোধাত তেওঁক জনোৱা হ'ল যে কৈকেয়ী ৰোহঘৰত আছে, তেওঁৰ খং উঠিছে। দশৰথ ৰজা আৰু বেছি আচৰিত হ'ল। তেওঁ ৰোহঘৰলৈ গৈ কান্দি-কাটি মাটিত পৰি থকা কৈকেয়ীক আথে-বেথে তুলি ধৰি তেওঁৰনো কি হৈছে সুধিবলৈ ধৰিলে। বৃদ্ধ দশৰথে তেওঁৰ এই কোমল বয়সীয়া ৰাণী গৰাকীক বৰ ভাল পাইছিল। সেয়েহে ৰাণীয়ে যি বিচাৰে তাকে দিবলৈ তেওঁ শপত খালে। কৈকেয়ীয়ে ইয়াকে বিচাৰিছিল। তেওঁ চকুপানী মচি ৰজাক ক'লে, "হে মহাৰাজ, ইতিপূৰ্বে দেৱাসুৰৰ যুদ্ধত বীৰত্ব প্ৰদৰ্শন কৰি অহাৰ সময়ত মই আপোনাৰ প্ৰীতি সাধন কৰাৰ বাবে আপুনি মোক দুটা বৰ দিবলৈ অংগীকাৰ কৰিছিল। মই তেতিয়া সেই বৰ পিছত ল'ম বুলি কৈছিলোঁ। আজি তাৰ সময় আহিছে। মোক আপুনি বিচৰামতে বৰ দিয়ক।"

কৈকেয়ীৰ অভিমান ভঙাৰ সম্ভাৱনা দেখি ৰজা বৰ আনন্দিত হ'ল আৰু সোনকালে বিচৰামতে বৰ ল'বলৈ ক'লে। তেতিয়া নিষ্ঠুৰা ৰাণীয়ে ক'লে — "মহাৰাজ, আপুনি শপত ৰক্ষা কৰক। প্ৰথমটো বৰ মতে ভৰতক ৰাজপাট দিয়ক আৰু দ্বিতীয়টো বৰ মতে ৰামক চৈধ্য বছৰৰ বাবে বনবাসলৈ পঠাওক।"

এনে নিষ্ঠুৰ বাক্য শুনি দশৰথ ৰজা মূৰ্ছিত হৈ পৰিল, জ্ঞান পাই তেওঁ কৈকেয়ীক বেলেগ বৰ খুজিবলৈ মিনতি কৰিবলৈ ধৰিলে। কৈকেয়ী পিছে নিজৰ কথাতে অটল হৈ থাকিল। ৰজা নিৰুপায় হ'ল। কৈকেয়ীক নানা প্ৰকাৰে কাকুতি-মিনতি কৰিও সৈমান কৰিব নোৱাৰি তেওঁ দুখ আৰু বেজাৰত ক'বলৈ ধৰিলে — "তুমি নাৰী নহয়, ৰাক্ষসীহে। গাখীৰ খুৱাই সাপ পোহাৰ দৰে ইমানদিনে মই তোমাক যত্ন কৰি ৰাখিছিলোঁ, আজি তাৰ প্ৰতিফল পালোঁ" এইদৰে বিলাপ কৰি ৰজা দশৰথ বাৰে বাৰে অচেতন হৈ পৰিবলৈ ধৰিলে। এনেকৈয়ে ৰাতিটো পাৰ হ'ল। ৰাতিপুৱাৰ লগে লগে ৰামৰ অভিষেকৰ বাবে নগৰত উলহ-মালহৰ সৃষ্টি হ'ল। সকলো মানুহে ৰাজ-কাৰেঙৰ সমুখত ভীৰ কৰিলেহি। বশিষ্ঠ আদিয়ে পূজাৰ সম্ভাৰ গোটাই আনিলে। সুমন্তই কৈকেয়ীৰ কাৰেঙলৈ আহি খবৰ দিলে যে সকলো সাজু হৈছে, দশৰথ আহি ৰামৰ অভিষেককাৰ্য পৰিচালনা কৰিব লাগে। শোকে খুন্দা মাৰি ধৰাত দশৰথৰ মুখৰ মাত ওলোৱা নাছিল। তেওঁ কোনোমতে ৰামক তেওঁৰ ওচৰলৈ মাতি পঠালে।

ৰামেও আগদিনা উপবাসে থাকি পুৱাতে স্নান কৰি সাজু হৈ সীতাৰ লগত কথা পাতি আছিল। তেওঁ সীতাক কৈছিল — "অলপ পিছতে মোৰ অভিষেক হ'ব। তাৰ পিছত বোধকৰো পাত্ৰ-মন্ত্ৰীসকল মোৰ লগতে ইয়ালৈকে আহিব। তেওঁলোকক অলপ

ভালদৰে শোধ-পোছ কৰিবা। এতিয়াৰ পৰা তোমাৰ দায়িত্বও বহুত বাঢ়িল। এনে সময়তে তেওঁ পিতৃয়ে মাতি পঠোৱাৰ বাতৰি পাই আনন্দমনেৰে মাহীমাক কৈকেয়ীৰ কাষেওলৈ আহিল। বাটত তেওঁক দেখি মানুহবোৰে হৰ্ষোল্লাস কৰি জয়ধ্বনি দিবলৈ ধৰিলে। পিছে কৈকেয়ীৰ কাষেওত মাটিত পৰি থকা ৰজা দশৰথক দেখি ৰাম আৰু লক্ষ্মণ উচপ খাই উঠিল। তেওঁলোকে তাৰ কাৰণ বুজিব নোৱাৰিলে। তেতিয়া কৈকেয়ীয়ে ক'লে যে পূৰ্বৰ অংগীকাৰ পালনৰ বাবে দশৰথৰ এতিয়া ৰামৰ ঠাইত ভৰতক ৰজা পাতিবলৈ আৰু ৰামক বনবাসলৈ পঠিয়াবলৈ ইচ্ছা হৈছে। কিন্তু লাজতে সেই কথা তেওঁ ৰামক ক'বলৈ টান পাইছে। গতিকে মনৰ দুখত তেওঁ এইদৰে চিন্তিত হৈ পৰি আছে। এই কথা শুনি পিতৃভক্ত ৰামে ক'লে — "হে মাতৃ, পিতাক কওক যে তেওঁৰ অংগীকাৰ ৰক্ষা কৰাত সহায় কৰাটো মোৰ প্ৰধান কৰ্তব্য। মই হাঁহিমুখেৰে বনবাসলৈ যাত্ৰা কৰিম।" এইদৰে কোৱাত দশৰথে কিবা ক'বলৈ যত্ন কৰিলে, কিন্তু শোকত তেওঁৰ মাত নোলাল। ৰাম বনবাসলৈ যাবলৈ সাজু হ'ল। লক্ষ্মণো তেওঁৰ লগত ওলাল। এই কথা জানিব পাৰি নিমিষতে নগৰত হাহাকাৰ লাগিল। উৎসৱৰ আনন্দ নিৰাশাৰ বেজাৰলৈ ৰূপান্তৰিত হ'ল। সকলোৱে কৈকেয়ীক নিন্দা কৰিবলৈ ধৰিলে। তেওঁলোকে ক'বলৈ ধৰিলে — "আমিও ৰামৰ লগত বনবাসলৈ যাওঁগৈ। সুদা ৰাজ্যখন লৈ ভৰত ৰজা হৈ থাকক।" কৌশল্যা ৰাণীয়ে পুত্ৰ ৰাম ৰজা হোৱাৰ আনন্দত মগ্ন হৈ থাকোঁতেই ৰামে গৈ তেওঁক বন্দনা কৰি এই সংবাদ দিয়াত তেওঁৰ বুকু ভাঙি গ'ল। নানা বিলাপ কৰি দশৰথ আৰু কৈকেয়ীক তেওঁ নিন্দা কৰিবলৈ ধৰিলে। ৰামে তেওঁক নানা ভাবে বুজোৱাত অৱশেষত তেওঁ শান্ত হ'ল।

ৰামৰ বাবে সবাতোকৈ টান কাম আছিল সীতাৰ পৰা বিদায় লোৱাটো। ৰাণী হোৱাৰ তৃপ্তিৰে বাট চাই থকা সীতা দেৱীয়ে যেতিয়া বনবাসৰ বাতৰিটো পালে, ৰামৰ বিৰহৰ আশংকাত তেওঁৰ বুকু কঁপি উঠিল। সীতাও ৰামৰ লগত যাবলৈ ওলাল। বনবাসৰ সকলো বিপদৰ কথা কৈও ৰামে তেওঁক টলাবলৈ নোৱাৰিলে। অৱশেষত সীতা আৰু লক্ষ্মণ দুয়ো ৰামৰ লগত যোৱাটো ঠিক হ'ল। তিনিও যেতিয়া বাকলি বসন পিন্ধি মূৰৰ চুলিত আঠা সানি জট বান্ধি ল'লে, সেই দৃশ্য দেখি সকলোৱে কান্দিবলৈ ধৰিলে। পিতৃ-মাতৃৰ পৰা বিদায় লৈ তিনিও খোজ ল'লে। দশৰথ অচেতন হৈ পৰিল। বনৰ ওচৰলৈকে সুমন্ত্ৰ মন্ত্ৰীয়ে তেওঁলোকক ৰথেৰে থৈ গ'ল। ৰামক প্ৰাণতকৈও ভালপোৱা প্ৰজাসকলেও পিছ ল'লে। গৈ গৈ তমসা নদীৰ পাৰত ৰাতি হ'ল। তাতে সকলোৱে বিশ্ৰাম ল'লে। ৰামে এটা বুদ্ধি কৰি ৰাতিতে ৰথ চলাই অযোধ্যাৰ ফালে কিছু বাট আহি আকৌ অন্য বাটেদি উভটি গ'ল। পুৱা সাৰ পাই প্ৰজাসকলে ৰথৰ চিন চাই ভাবিলে যে ৰাম নিশ্চয় অযোধ্যালৈ ঘূৰি গ'ল। তেওঁলোকো উলাহ মনেৰে নগৰলৈ ঘূৰি আহিল। ৰামে তেতিয়া কেৱল সীতা আৰু লক্ষ্মণেৰে সৈতে বনত প্ৰৱেশ কৰিলে।

এইদৰে পিতৃসত্য পালি ৰামে চৈধ্য বছৰ কাল বনবাস খাটিছিল। ○

# ভৰতৰ ভাতৃভক্তি

কৈকেয়ীৰ কু-চক্ৰান্তৰ বাবে দশৰথে যেতিয়া ৰামক বনবাস দিব লগীয়া হ'ল, সেই সময়ত ৰাজকুমাৰ ভৰত অযোধ্যাত নাছিল। তেওঁ মোমায়েক যুদ্ধাজিতৰ ৰাজ্যত আছিলগৈ। ৰাম বনলৈ যোৱাৰ পিছত সেই বেজাৰতে, পূৰ্বৰ অন্ধমুনিৰ অভিশাপৰ বাবে, দশৰথৰ মৃত্যু হ'ল। ৰাজ্য অৰাজক হৈ থাকিলে বিপদৰ আশংকা থাকে। সেয়েহে বশিষ্ঠ আদিয়ে পৰামৰ্শ কৰি ভৰতক অনাই ৰজা পাতিবলৈ স্থিৰ কৰিলে। দূতে গৈ ভৰতক একো কাৰণ নজনোৱাকৈ অযোধ্যালৈ লৈ আহিলে।

অযোধ্যা আহি পায়েই ভৰতৰ কেনেবা কেনেবা লাগিল। তেওঁ দেখিলে, অযোধ্যা ম্লান পৰি আছে। মানুহবোৰে তেওঁলৈ চাই জুম পাতি পাতি কথা পাতি আছে। দশৰথৰ প্ৰাসাদত সকলোৱে দুখ কৰি আছে। পিতৃক প্ৰণাম কৰিবলৈ বিচাৰি তেওঁ ক'ত আছে সোধাত সকলোৱে বেজাৰ কৰিবলৈ ধৰিলে। তেতিয়া হাঁহিমুখে কৈকেয়ী ওলাই আহিল। মাকক দেখিহে ভৰতৰ মনটো ভাল লাগিল। তেওঁ দশৰথ পিতৃ আৰু ৰাম ক'ত আছে মাকক প্ৰশ্ন কৰিলে। মাকে ক'লে — "বাছা, সুখবৰ আছে। তোমাৰ পিতৃয়ে ৰামক ৰজা পাতিবলৈ বিচাৰিছিল, পিছে মই নিদিলোঁ। মন্থৰাৰ বুদ্ধিমতে দুটা বৰ খুজি লৈ মই ৰামক চৈধ্য বছৰ বনবাস দিয়াবলৈ আৰু তোমাক সিংহাসন দিয়াবলৈ ৰজাক বাধ্য কৰিলোঁ। এতিয়া ৰজা দশৰথৰো মৃত্যু হ'ল, গতিকে তুমি ৰজা হৈ অযোধ্যাৰ ৰাজপাট গ্ৰহণ কৰা।"

এই কথা শুনি ভৰতৰমন শোকেৰে ভৰি পৰিলে। ৰামক তেওঁ প্ৰাণতকৈও ভাল পাইছিল। গতিকে কান্দি কান্দি তেওঁ ক'বলৈ ধৰিলে — "আই, তুমি কি কাম কৰিলা? তুমি নাৰী হৈ ইমান নিষ্ঠুৰ কেনেকৈ হ'লা। সকলোৰে নয়নৰ মণি ৰামচন্দ্ৰক তুমি কোন সতেৰে বনলৈ পঠিয়ালা। পিতৃ দশৰথৰ সেই বেজাৰতে মৃত্যু হ'ল। ৰাম নোহোৱা অযোধ্যাত মই এতিয়া কেনেকৈ থাকিম। হায়। মোৰো মৰণ হ'লেই ভাল আছিল।" এইদৰে ভৰতে বিলাপ কৰিবলৈ ধৰিলে। ভৰতৰ পৰা পুৰস্কাৰ পোৱাৰ আশাত কুঁজী দাসী মন্থৰাই সাজি-কাছি ভৰতক দেখা দিছিলহি, তাইকে সকলো ষড়যন্ত্ৰৰ মূল বুলি জানিব পাৰি কুমাৰ শত্ৰুঘ্নই বাঘে হৰিণীক খেদাৰ দৰে খেদি গ'ল আৰু চুলিত ধৰি চোচোঁৰাই মাৰি, কিলাই ভুকুৱাব ধৰিলেঁ। শত্ৰুঘ্নৰ খণ্ডৰ ভয়ংকৰ

ৰূপ দেখি অন্তেষপুৰত সকলো ভয়তে তাপ মাৰিলে। কৈকেয়ীৰো ভয়ত মুখ শুকাই গ'ল। ভৰতে মাকক ঘৃণাৰে ক'লে — "তোমাৰ সন্তান বুলি পৰিচয় দিবলৈ মোৰ লাজ লাগিছে। মই এতিয়া বনলৈ যাম আৰু ৰামক ক্ষমা খুজি ওভোটাই আনি অযোধ্যাৰ ৰাজ সিংহাসন অৰ্পণ কৰিম।"

ইয়াৰ পিছত পিতৃৰ শ্ৰাদ্ধ আদি সমাপন কৰি ভৰতে ৰামচন্দ্ৰক বিচাৰি বনলৈ যাত্ৰা কৰিলে। তেওঁৰ লগত কৌশল্যা আৰু অন্যান্য মাতৃসকল, মন্ত্ৰী, পুৰোহিত আৰু প্ৰজাৰ দল এটাও গ'ল। ৰামক লগ পোৱাৰ আশাত আটাইবোৰ উৎফুল্লিত হৈ উঠিল। গংগা নদীৰ পাৰত গুহ ৰজাৰ ৰাজ্য। তেওঁ ৰামৰ পৰম মিত্ৰ। দূৰৰ পৰা সসৈন্যে যোৱা ভৰতৰ দলটোক দেখি তেওঁ ভাবিলে যে কৈকীয়েৰ পুত্ৰ ভৰতে নিশ্চয় ৰামচন্দ্ৰক বনবাসতো খেদি আহি মাৰিবলৈ বিচাৰিছে। গুহয়ো নিজৰ সৈন্য-সামন্ত গোটাই লৈ ভৰতক ভেটিবলৈ সাজু হ'ল। পিছে ওচৰ পাওঁতে মন্ত্ৰী সুমন্তক দেখি তেওঁ চিনি পালে আৰু ভৰতৰ সৎ উদ্দেশ্যৰ কথা জানিব পাৰি আনন্দিত হ'ল। ইয়াৰ পিছত গুহই তেওঁলোকক দেখুৱালে, ৰাম-লক্ষ্মণ আৰু সীতাই দুদিনমান আগতে কোন ঠাইত তৃণশয্যা পাতিছিল, ক'ত ধুনি জ্বলাই বহিছিল, সেইবোৰৰ চিন। তাকে বনবাসী জীৱনৰ কঠোৰতা বুজিব পাৰি আৰু সুকোমলা সীতাইনো সেইবোৰ কেনেকৈ সহ্য কৰিছে সেই কথা ভাবি মাতৃসকলে কান্দিবলৈ ধৰিলে। তাৰ পিছত আৰু আগুৱাই গৈ তেওঁলোক বনৰ গভীৰ অংশত সোমালেগৈ।

পাহাৰৰ ওপৰৰ নিজৰ কুটীৰৰ পৰা অযোধ্যাৰ পতাকা আৰু সৈন্যবাহিনী দেখি ৰাম-লক্ষ্মণ আচৰিত হ'ল। লক্ষ্মণৰ বৰ খং উঠিল। কাৰণ তেওঁ ভাবিলে যে এয়া নিশ্চয় ভৰতেহে ৰামক আক্ৰমণ কৰিবলৈ আহিছে। অকলেই যুদ্ধ দিম বুলি তেওঁ ধনু লৈ সাজু হ'ল, তেতিয়া ৰামে ক'লে — "ভৰতক মই জানো, তেওঁৰ মন নিৰ্মল। তেওঁ নিশ্চয় মোক ঘূৰাই অযোধ্যালৈ নিবলৈহে আহিছে।" অলপ পিছতে সমদলটো ওচৰ পালেহি। ৰাম, লক্ষ্মণ আৰু সীতাক বনবাসীৰ বেশত দেখি সকলোৱে বৰ বেজাৰ পালে। ৰামক ওচৰত পাই তেওঁলোকৰ আনন্দও লাগিল। মাতৃসকলে সীতাক আদৰ কৰি বেজাৰ কৰিব ধৰিলে। পিতৃ দশৰথৰ মৃত্যুৰ বাতৰি তেতিয়াহে জানিবলৈ পাই ৰাম-লক্ষ্মণ আৰু সীতাই কান্দিবলৈ ধৰিলে।

তাৰ পিছত ভৰতে ৰামক ক'লে — "মোৰ মাতৃ কৈকেয়ীয়ে যি দোষ লগালে, মই তাৰ বাবে ক্ষমা বিচাৰিছোঁ। আপুনি থাকোঁতে মই কেনেকৈ ৰজা হ'ম? প্ৰকৃততে আপুনিয়েই অযোধ্যাৰ ৰজা, আৰু প্ৰজাসকলেও আপোনাকে বিচাৰিছে। গতিকে আপুনি এতিয়া আমাৰ লগত অযোধ্যালৈ বলক।" এইদৰে ভৰতে বহুত কথা কৈ অনুৰোধ কৰিলে। ৰাম পিছে মান্তি নহ'ল। তেওঁ ভৰতক বুজালে যে পিতৃসত্য ৰক্ষাৰ বাবে ৰাম বনলৈ আহিছে, চৈধ্য বছৰ পূৰা কৰিহে তেওঁ উভটি যাব।

কোনোমতে ৰামক মান্তি কৰিব নোৱাৰি ভৰতে ৰামৰ ভৰিত পিন্ধা খৰমযোৰ খুজি ল'লে। তাৰ পিছত খৰমযোৰ মূৰত তুলি লৈ ঘোষণা কৰিলে — "ৰজা ৰামৰ মই এজন নিঃকিন সেৱক মাথোন। মই ৰামৰ প্ৰতিনিধি স্বৰূপে অযোধ্যা শাসন কৰিম, ৰজা স্বৰূপে নহয়।" ইয়াৰ পিছত বেজাৰ মনেৰে তেওঁলোক উভতি আহিল। ভৰতে অযোধ্যাত থাকিবলৈ বেয়া পাই নন্দীগ্ৰাম নামে ঠাইত ৰাজধানী স্থাপন কৰিলে। তেওঁ খৰমযোৰ সিংহাসনত থৈ ৰাজ-অভিষেক কৰিলে আৰু নিজে তলৰ আসনত বহিল। এইদৰে ৰামৰ বিশ্বস্ত ভক্তস্বৰূপে চৈধ্য বছৰ কাল সুকলমে দেশ চলাই ৰাম বনবাসৰ পৰা উভতি অহাৰ পিছত তেওঁ ৰামক ৰাজ্য অৰ্পণ কৰে।

ভৰতৰ এই কাহিনী প্ৰেম, আনুগত্য আৰু স্বাৰ্থহীনতাৰ এক অনুপম উদাহৰণ। ○

# শূৰ্পনখা

লংকাৰ ৰজা ৰাৱণৰ ভনীয়েক ৰাক্ষসী শূৰ্পনখা। তাই আছিল ভয়ংকৰ স্বভাৱৰ। লোভী আৰু দুষ্ট বুদ্ধিযুক্তা। এদিন আহাৰৰ সন্ধানত বনে বনে ঘূৰি ফুৰোঁতে শূৰ্পনখা আহি পালেহি পঞ্চৱটী বন। সেই বনতে তেতিয়া ৰাম, লক্ষ্মণ আৰু সীতাই কুটীৰ সাজি বাস কৰিছিল। হঠাতে বনৰ মাজত মানুহ দেখি ৰাক্ষসী অবাক হ'ল। তাইৰ চকুত পৰিল ৰামচন্দ্ৰৰ মনোমোহা ৰূপ। মানুহ যে ইমান ৰূপৱান হ'ব পাৰে তাইৰ ধাৰণাই নাছিল। ৰামৰ ৰূপ দেখি শূৰ্পনখা তেনেই ভোল গ'ল। তাই স্থিৰ কৰিলে যে যি কোনো প্ৰকাৰে ৰামক স্বামীৰূপে পাবই লাগিব।

শূৰ্পনখাই এজনী সুন্দৰী নাৰীৰ ৰূপ ধাৰণ কৰি ৰামৰ ওচৰলৈ আহিল। তাই নম্ৰ আৰু মনোমোহা আচৰণ কৰি ৰামক সুধিলে — "এই অৰণ্যৰ মাজত আপুনিনো কোন দেখাত তপস্বী যেন লাগে, অথচ লগত নাৰীও আছে। আপোনাৰ পৰিচয় দিয়কচোন।" ৰামো অবাক হৈছিল বনৰ মাজত হঠাতে এজনী সুন্দৰী নাৰীক দেখি। নিজৰ, সীতাৰ আৰু লক্ষ্মণৰ পৰিচয় দি তেওঁ শূৰ্পনখানো কোন সেই কথা জানিবলৈ বিচাৰিলে। শূৰ্পনখাই উত্তৰ দিলে — "হে সুন্দৰ পুৰুষ। মোৰ নাম শূৰ্পনখা। লংকাৰ ৰজা ত্ৰিভুৱন বিজয়ী ৰাৱণৰ মই ভনী। মই মায়া জানো আৰু ইচ্ছামতে যি কোনো ৰূপ ল'ব পাৰোঁ। আপোনাক মই স্বামীৰূপে পাবলৈ বিচাৰিছোঁ। মোক গ্ৰহণ কৰক। মোৰ দাদাৰ কৃপাত আমি বৰ নিশ্চিন্তমনেৰে ৰং-ধেমালি কৰিব পাৰিম।"

ৰাম অবাক হ'ল, তেওঁ আমোদো পালে। ধেমালি কৰিবৰ মনেৰে শূৰ্পনখাক ক'লে — "হেৰা সুন্দৰী, মোৰ পত্নী সীতা মোৰ কাষত আছেই। তোমাক মই কেনেকৈ গ্ৰহণ কৰিম। সৌৱা মোৰ ভাই লক্ষ্মণ, মোৰ দৰেই ৰূপৱান আৰু বলৱান। তেওঁৰ পত্নীও লগত নাই। তুমি তেওঁকেই অনুৰোধ নকৰা কিয়।"

শূৰ্পনখায়ো সেইটোকে ভাল বুলি ভাবি লক্ষ্মণৰ ওচৰলৈ গ'ল আৰু ৰামক কৰাৰ দৰে তেওঁক অনুৰোধ কৰিলে। লক্ষ্মণে ক'লে — "মই ৰামৰ দাসহে। মোৰ লগত বিয়া হ'লে তুমিও সীতাৰ দাসী হ'ব লাগিব, লংকেশ্বৰৰ ভনী হৈ তুমি ইমান তললৈ কেনেকৈ নামিবা। তুমি আকৌ ৰামৰ ওচৰলৈকে যোৱা।

শূৰ্পনখাই ভাবিলে যে লক্ষ্মণে ঠিকেই কৈছে। তাই আকৌ ৰামৰ ওচৰলৈ আহি

একে অনুৰোধ কৰিলে। ৰামেও আকৌ আগৰদৰে তাইক লক্ষ্মণৰ ওচৰলৈ পঠিয়ালে। এইদৰে অহা-যোৱা কৰি আমনি লাগি শূৰ্পনখাৰ ৰং খং উঠিল। তাই ভাবিলে যে সীতা থকাৰ বাবেহে ৰামে তাইক বিয়া কৰোৱা নাই। নিমিষতে ৰাক্ষসী ৰূপ ধৰি প্ৰকাণ্ড মুখ মেলি তাই সীতাক খাবলৈ খেদি গ'ল। ভয়তে সীতাই চিঞৰি দিলে। সেই চিঞৰ শুনি লক্ষ্মণে ধনু-শৰ ধৰি শূৰ্পনখাৰ নাক-কাণ কাটি পেলালে। স্ত্ৰী-জাতি বাবে তাইক প্ৰাণে নামাৰিলে।

শূৰ্পনখাই কান্দি-কাটি চিঞৰি-বাখৰি তেজেৰে ৰঙা হৈ লংকাৰ ৰাজসভাত ওলালগৈ। মৰমৰ ভনীয়েকৰ তেনে দশা দেখি ৰাৱণ খঙত জ্বলি উঠিল। কোনে এনে মৰসাহ কৰিলে বুলি সোধাত শূৰ্পনখাই ক'লে, "দাদা, পঞ্চবটী বনত ৰাম আৰু লক্ষ্মণ নামে দুজন তপস্বী আছে। সিহঁতৰ লগত সীতা নামে এজনী ধুনীয়া গাভৰু আছে। ইমান ধুনীয়া ছোৱালী পৃথিৱীৰ ক'তো নাই। মই সেই ছোৱালীজনী আপোনাৰ কাৰণেহে বাবে আনিবলৈ যাওঁতে মানুহকেইটাই মোৰ এনেকুৱা অৱস্থা কৰিলে। এতিয়া আপুনি ছোৱালীজনীক ধৰি আনি মানুহ দুটাক বধ কৰিলেহে মই শান্তি পাম।"

সীতাৰ ৰূপৰ কথা শুনি আৰু ভনীয়েকৰ দুৰ্দশাৰ প্ৰতিশোধ ল'বৰ বাবে ৰাৱণে সীতাক ধৰি আনিবলৈ স্থিৰ কৰিলে। এইদৰে শূৰ্পনখাই আছিল ৰাম-ৰাৱণৰ যুদ্ধৰ প্ৰথমটো কাৰণ। ○

# সীতা-হৰণ

শূৰ্পনখাৰ মুখেৰে সীতাৰ ৰূপ-লাৱণ্যৰ বাতৰি পাই ৰাৱণে ঠিক কৰিলে যে যি কোনো প্ৰকাৰে সীতাক তেওঁ আনিবই। ইতিমধ্যে খৰ আৰু দুষণৰ দৰে ৰাক্ষস বীৰক আৰু বহুতো ৰাক্ষসক ৰাম-লক্ষ্মণে বধ কৰাৰ কথাও তেওঁ জানিছিল। গতিকে তেওঁলোক যে অতি বলৱান বীৰ সেই কথাও তেওঁ ভালদৰে বুজিছিল। সেইবাবে তেওঁ নিশ্চিত আছিল যে ৰাম-লক্ষ্মণ ওচৰত থাকিলে সীতাক লাভ কৰা অসম্ভৱ। গতিকে ৰাৱণে এটা দুষ্ট বুদ্ধি কৰি মোমায়েক মাৰীচক ক'লে যে তেওঁ যেন মায়া-হৰিণৰ ৰূপ লৈ ৰাম-লক্ষ্মণক কুটীৰৰ পৰা আঁতৰাই লৈ যায়। সেই সুযোগতে ৰাৱণে সীতাক হৰণ কৰিব। মাৰীচে এই কথাত বাধা দি ক'লে যে ৰাম পৰম শক্তিযুক্ত। তেওঁৰ পত্নীক হৰণ কৰা মানে মৃত্যুৰ লগত ধেমালি কৰা, গতিকে ৰাৱণে যেন এনে অসৎ অভিপ্ৰায় ত্যাগ কৰে। ৰাৱণে পিছে ভাল উপদেশ নুশুনিলে। তেওঁ খঙেৰে মাৰীচক পঞ্চৱটী বনলৈ গৈ হৰিণৰ ৰূপ ল'বলৈ আদেশ দিলে। নিৰুপায় মাৰীচে নিজৰ মৃত্যু ওচৰতে বুলি জানি বেজাৰ মনেৰে আদেশ পালন কৰিবলৈ আহিল।

পঞ্চৱটী বনত ৰাম আৰু সীতাই মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত বহি পাশা খেলি আছিল। লক্ষ্মণ অলপ দূৰত বহি আছিল। এনেতে অলপ দূৰত দেখা গ'ল এটা সোণৰ হৰিণা। তাৰ গাৰ বৰণ ৰামধেনুৰ দৰে জিলমিলাই থকা, তাতে সোণবৰণীয়া বুটা বছা। হৰিণাটো দেখি সীতাই সেইটো আনি দিবলৈ কুটুৰিবলৈ ধৰিলে। ৰামে বুজালে যে তেনেকুৱা হৰিণা ক'তোৱেই নাথাকে, গতিকে এইটো ৰাক্ষসৰ মায়াহে। অবুজ হৈ সীতাই ক'বলৈ ধৰিলে — "মোক সেই হৰিণাটো লাগিবই। জীয়াই জীয়াই ধৰিব পাৰিলে তাক পুহিম। যদি পাৰা মাৰি পেলোৱা, তেন্তে তাৰ ছালখনেৰে সোণালী আসন কৰি উৰ্মিলালৈ লৈ যাম। মুঠতে হৰিণাটো লাগিবই। যদি তোমালোকে কোৱাৰ দৰে সেইটো সঁচাকৈয়ে ৰাক্ষস হয় — তেন্তে ভালেই হ'ব, ৰামৰ শৰত ৰাক্ষসটো মৰি যাব।"

কোনোমতে সীতাক বুজাব নোৱাৰি ৰাম সেই হৰিণাটো ধৰিবলৈ সাজু হ'ল। সোণালী হৰিণটোৱেও গা দেখুৱাই ঘাঁহ খাই দেও দি ফুৰি তেওঁলোকক বেছি প্ৰলোভিত

কৰিছিল। ৰামে লক্ষ্মণক সীতাক এৰি ক'তো নাযাবলৈ কৈ ধনু-কাঁড় লৈ হৰিণাটোৰ পিছ ল'লে। সেই দুষ্ট হৰিণাটোও কম নাছিল। সি ৰামৰ আগে আগে থমকি থমকি বৈ দৌৰিবলৈ ধৰিলে। এইদৰে গৈ গৈ হৰিণা আৰু ৰাম দুয়ো গভীৰ বনৰ মাজ পালেগৈ। ৰামৰ দৌৰি দৌৰি ভাগৰ লাগিল। জীয়াই জীয়াই ধৰিব পৰাৰ আশা নেদেখি তেওঁ কাঁড় এপাত মাৰি পঠালে। লগে লগে ৰাক্ষস মাৰীচে ৰামৰ দৰে মাত উলিয়াই চিঞৰি ক'লে — "ভাই লক্ষ্মণ, মোক ৰক্ষা কৰাহি। ৰাক্ষসে মোক মাৰিব এতিয়া।" ইয়াৰ পিছতে ৰামৰ কাঁড়ত তাৰ মৃত্যু হ'ল।

ৰামৰ চিঞৰ শুনি সীতাই বৰ ভয় খালে। তেওঁ লক্ষ্মণক ততালিকে ৰামক ৰক্ষা কৰিবলৈ যাবলৈ ক'লে। পিছে লক্ষ্মণে বুজিছিল যে সেইটো ৰাক্ষসৰহে মাত, ৰামৰ নহয়। গতিকে তেওঁ সীতাক অকলে এৰি আঁতৰি নগ'ল। ৰামৰ যে একো বিপদ হ'ব নোৱাৰে সেই কথাও তেওঁ জানিছিল। সীতাৰ কিন্তু বৰ খং উঠিল। ৰামৰ চিন্তাত তেওঁ ইমান কাতৰ হৈছিল যে কি উচিত আৰু কি অনুচিত সেই কথাও বিচাৰ কৰিব নোৱাৰা হৈছিল। তেওঁ অতি কঠুৱা মাতেৰে লক্ষ্মণক ক'লে — "তোমাৰ যে অন্তৰত ৰামৰ প্ৰতি অলপো স্নেহ নাই সেই কথা মই আজিহে বুজি পালোঁ। থাকিবনো কেনেকৈ। তুমিতো ৰামৰ নিজৰ ভাই নোহোৱা, সতীয়া ভাইহে! সেয়েহে ৰামৰ মৰণৰ সম্ভাৱনাত তুমি চিন্তিত হোৱা নাই, বৰং ভালহে পাইছা। তুমি চাগে ভাবিছা যে ৰাম মৰি গ'লে মই তোমাকেই বিয়া কৰাম। পিছে সেইটো নহ'ব। তুমি যদি ৰামক ৰক্ষা কৰিবলৈ নোযোৱা, মই এইমাত্ৰ চিতা সাজি প্ৰাণত্যাগ কৰিম।"

সীতাৰ এনে নিষ্ঠুৰ বচন শুনি লক্ষ্মণৰ বৰ বেজাৰ লাগিল। ইমান বেয়া কথা ভাবিব পাৰে বাবে নাৰী জাতিলৈকে তেওঁৰ খং উঠিল। সীতাই বাৰে বাৰে কোৱাৰ বাবে উপায় নাপাই তেওঁ ৰামক বিচাৰি গ'ল। বিপদৰ সম্ভাৱনা দেখি বহুত দূৰলৈকে তেওঁ পিছলৈ ঘূৰি ঘূৰি সীতাক চাই গৈছিল।

সীতা কুটীৰত অকলশৰীয়া হ'ল। এই সুযোগকে বিচাৰি আছিল লুকাই থকা ৰাৱণে। ৰাৱণে সন্ন্যাসীৰ বেশ লৈ আহি সীতাৰ ওচৰত ভীক্ষা মাগিলে। সীতাৰ ৰূপ দেখি তেওঁ তেনেই ভোল গ'ল। দুই-এষাৰ কথা পতাৰ পিছত তেওঁ কৈ পেলালে — "হে সুন্দৰী, মই আচলতে লংকাৰ ৰজা প্ৰবল প্ৰতাপী ৰাৱণহে। তোমাৰ ৰূপৰ কথা শুনি তোমাক নিবলৈ আহিছোঁ। সেই দুৰ্বল তপস্বী ৰামক এৰি তুমি মোৰ লগত লংকালৈ ব'লা। তাত দেৱতাসকলেও মোৰ আলধৰে। মোৰ ৰাজ্যখন সোণ আৰু ৰত্নেৰে ভৰা। মোতকৈ শক্তিমান ত্ৰিভুৱনত আৰু কোনো নাই। গতিকে নিৰ্ভয় মনেৰে তুমি মোক বৰণ কৰা।"

চকুৰ আগতে ৰাক্ষস দেখি সীতাই বৰ ভয় খালে। কিন্তু তেওঁৰ কথাবোৰ শুনি সীতাৰ বৰ খং উঠিল। তেওঁ খঙেৰে ক'লে — "হে ৰাৱণ, শিয়াল হৈ সিংহৰ ভাৰ্যাক

হৰণ কৰিবলৈ কিয় সাহ কৰিছা। তুমি বিষ পান কৰিও জীয়াই থাকিব বিচাৰিছা। ৰাম যদি সোণ, তুমি হ'লা লোহা, ৰাম যদি চন্দন, তুমি তেন্তে বোকা। তুমি কোনো কালেই ৰামৰ সমান নোহোৱা। তুমি নীচ আৰু অসৎ স্বভাৱৰ। গতিকে ৰাম উভতি অহাৰ আগতেই তুমি প্ৰাণ লৈ পলোৱা।"

এইদৰে আৰু বহুত টান কথা কোৱাত ৰাৱণৰ অসহ্য হ'ল। তেওঁ বাঁও হাতেৰে সীতাৰ চুলিত ধৰি সোঁহাতেৰে দাঙি সীতাক ৰথত তুলি লৈ প্ৰবল বেগত আকাশেৰে ৰথ চলাই দিলে। সীতাই চিঞৰি চিঞৰি ৰামক মাতি কান্দিবলৈ ধৰিলে, পিছে ৰাম-লক্ষ্মণ তেতিয়া বহুত দূৰত আছিল। ৰাৱণে সীতাক হৰণ কৰি লংকাৰ ফালে যাবলৈ ধৰিলে। ○

# জটায়ু আৰু সম্পাতি

দশৰথ ৰজাৰ ডেকা কালৰ কথা। এবাৰ অযোধ্যা নগৰত বাৰ বছৰ ধৰি বৰষুণ হোৱা নাছিল। পথাৰবোৰ চিৰাল ফটা দিছিল, মানুহৰ খাবলৈ নোহোৱা হৈছিল। এনে হোৱাৰ কাৰণ বিচাৰি ৰজাই জানিব পাৰিছিল যে শনিদেৱতাই একেথৰে তেওঁৰ ৰাজ্যৰ ফালে চাই থকাৰ বাবেই এই অৱস্থা। তেওঁ শনিৰ দৃষ্টিত বাধা দিবৰ বাবে ৰথত উঠি আকাশ পালেগৈ। গৈ গৈ একেবাৰে শনিৰ ওচৰ পালে। শনিদেৱতাই যি ফালে চাই আছিল সেইখিনিতে থিয় হৈ দিয়াৰ বাবে শনিৰ দৃষ্টি তেওঁৰ ওপৰত পৰিল। সেই ভয়ংকৰ উগ্ৰ দৃষ্টিত তেওঁৰ মূৰ ঘূৰি গ'ল। ৰজা তেওঁৰ ৰথেৰে সৈতে হুৰ্ হুৰ্কৈ আকাশৰ পৰা খহি পৰিল। পৃথিৱীত ঠেকেচা খাই পৰা হ'লে তেওঁৰ প্ৰাণ বায়ু লগে লগে উৰি গ'লহেঁতেন, পিছে এটি বিয়াগোম চৰায়ে মাটিত পৰাৰ আগতেই তেওঁ পিঠি পাতি ধৰিলে। এই চৰাইটোৱেই হ'ল জটায়ু। প্ৰাণৰক্ষা পৰাত ৰজা বৰ কৃতজ্ঞ হ'ল আৰু অগ্নি সাক্ষী কৰি জটায়ুৰ লগত সখি পাতিলে।

বহু বছৰৰ পিছত জটায়ুৱে সহায় কৰিছিল ৰজা দশৰথৰ পুত্ৰ বধূ সীতাক। ৰাৱণে যেতিয়া সীতাক হৰণ কৰি লৈ যায়, তেতিয়া সেই অন্যায় কাম দেখি জটায়ুৰ সহ্য হোৱা নাছিল। তেওঁ ৰাৱণক প্ৰথমতে মুখৰ কথাৰে বাধা দিয়ে। ৰাৱণে নুশুনাত তেওঁ আক্ৰমণ কৰে। জটায়ু অতি বলবান আছিল যদিও বয়সত বৃদ্ধ হৈছিল। ৰাৱণৰ অস্ত্ৰৰ লগত তেওঁ কেৱল নখ আৰু ঠোঁটৰ সহায়েৰেই যুদ্ধ দিছিল। ৰাৱণে সীতাক হৰণ কৰা দেখি তেওঁৰ ইমান খং উঠিছিল যে নিজৰ প্ৰাণৰ কথা নাভাবি তেওঁ ৰাৱণক আক্ৰমণ কৰিছিল। মহাবলী ৰাৱণক তেওঁ চোকা নখ আৰু ঠোঁটেৰে ছিঙি গাৰ মঙহ এৰুৱাই পেলাইছিল। তেজেৰে ৰঙা হৈ পৰা ৰাৱণে পক্ষীৰাজ জটায়ুক চোকা তৰোৱালেৰে আঘাত কৰি শেষত দুয়োখন ডেউকা কাটি পেলাইছিল। ফলত এই পৰোপকাৰী পক্ষীৰাজ অসহায় হৈ মাটিত বাগৰি পৰিছিল। তাকে দেখি সীতাই কান্দি কান্দি আশীৰ্বাদ দিছিল যে অন্ততঃ ৰাম আহি ওচৰ পোৱালৈকে যেন তেওঁ জীয়াই থাকে। সেইমতে পৰ্ণকুটীৰত সীতাক নেদেখি ৰাম আৰু লক্ষ্মণে যেতিয়া অৰণ্যৰ মাজত বিলাপ কৰি তেওঁক বিচাৰি ফুৰিছিল, তেতিয়া মৰো মৰো হৈ থকা জটায়ুৱে সীতাক যে ৰাৱণে লৈ গৈছে — সেই বাতৰি দি শেষ নিশ্বাস ত্যাগ কৰিছিল।

জটায়ু আছিল সূৰ্য দেৱতাৰ ৰথৰ সাৰথি মহাবলী অৰুণ নামৰ পক্ষীৰাজৰ পুত্ৰ। অৰুণৰ অন্য এজন পুত্ৰ আছিল বিয়াগোম পক্ষী সম্পাতি। সম্পাতি আৰু জটায়ুৱে ডেকা বয়সত কোনে কিমান উৰিব পাৰে প্ৰমাণ চাইছিল। এইদৰে ওখলৈ উৰোঁতে এদিন জটায়ু গৈ সূৰ্যৰ বেছি ওচৰ চাপিল। তাকে দেখি ভায়েকক তাপৰ পৰা বচাবলৈ সম্পাতিয়ে ডেউকা মেলি ধৰিলে আৰু ফলত তেওঁৰ নিজৰ ডেউকা দুখন পুৰি ভষ্ম হ'ল। তেওঁ ধুপুচকৈ মাটিত সৰি পৰিল। তেতিয়াৰে পৰা সম্পাতিয়ে পাহাৰ এটাৰ ওপৰত বহি ওচৰতে ঢুকি পোৱা আহাৰ খায়। পুতেক সুপাৰ্শ্বই মাজে মাজে তেওঁৰ বাবে নখেৰে তুলি হাতী আদি বিয়াগোম আহাৰ আনি দিয়ে। এইদৰে সম্পাতিৰ ক্ৰমে বৃদ্ধ বয়স হ'লহি।

ইফালে সীতা-হৰণৰ পিছত ৰামে সুগ্ৰীৱৰ লগত মিত্ৰতা কৰি সীতাক বিচৰাত সহায় কৰি দিবলৈ অনুৰোধ কৰিছিল। সুগ্ৰীৱেও বান্দৰ বাহিনীক সীতাৰ খবৰ ল'বৰ বাবে কেইবাটাও দলত ভগাই চাৰিওফালে পঠিয়াইছিল আৰু বসন্ত কালৰ আগতে যেনেতেনে খবৰ আনিবলৈ আদেশ দিছিল। তেনেকুৱা এটা দলত আছিল হনুমান, অংগদ আদি বীৰসকল আৰু অসংখ্য বানৰ সেনা। বহুদিন ঘূৰিও সীতাৰ সন্ধান উলিয়াব নোৱাৰি তেওঁলোক সম্পাতি থকা পাহাৰৰ ওচৰ পালেহি। তেওঁলোকৰ বৰ চিন্তা লাগিছিল, সীতাক বিচাৰি নাপালে সুগ্ৰীৱে শাস্তি দিবই, তাৰ আগতে নিজেই প্ৰাণত্যাগ কৰা ভাল বুলি তেওঁলোকে গুণাগঁথা কৰিবলৈ ধৰিলে। এই কথা শুনি সম্পাতিৰ বৰ আনন্দ লাগিল। কাৰণ মুখৰ আগতে ইমানবোৰ বান্দৰ মৰিলে তেওঁৰ খোৱাৰ কষ্ট নহ'ব। পিছে অলপ পিছতে শুনা গ'ল যে বান্দৰবোৰে কৈছে — "আমাৰ কপাল বৰ বেয়া। দশৰথৰ পুতেক ৰামৰ পত্নী সীতাক ৰাৱণে হৰি নিলে। তেওঁক বাধা দিবলৈ যাওঁতে জটায়ুৰো মৃত্যু হ'ল। আমাৰো সুগ্ৰীৱৰ কোপত মৃত্যু হ'ব।"

এই কথা শুনি সম্পাতিয়ে ক'লে — "তোমালোকে মোৰ ভাইৰ মৃত্যুৰ কথা কৈছা নেকি? ৰামনো কোন? সীতাক কোনে নিলে। মোক কথাবোৰ বুজাই কোৱাচোন।"

তেতিয়া বান্দৰবোৰে তেওঁক আলফুলকৈ নমাই আনি গোটেইবোৰ ঘটনা ক'লে। জটায়ুৰ মৃত্যুৰ খবৰ পাই তেওঁ বিলাপ কৰিবলৈ ধৰিলে। তাৰ পিছত ক'লে যে তেওঁৰ দৃষ্টিশক্তি এতিয়াও বৰ চোকা হৈ আছে, গতিকে সীতা ক'ত আছে তেওঁ চাই দিবও পাৰিব। সেইমতে তেওঁ পাহাৰৰ ওপৰৰ পৰা চাই ক'লে — "মই এখন ধুনীয়া নগৰ দেখিছোঁ, সোণেৰে সজা ৰাৱণৰ ৰাজধানী সেইখনেই। তাত অশোকবন নামৰ উদ্যানত বহুতো ৰাক্ষসীয়ে এগৰাকী সুন্দৰীক বেঢ়ি আছে। তেওঁ নিশ্চয় সীতাই হ'ব।"

বান্দৰবোৰে এইদৰে হঠাতে সীতাৰ বাতৰি পাই আনন্দ পালে। ৰামক সহায় কৰাৰ পুণ্যৰ বাবে সম্পাতিৰো নতুনকৈ পাখি গজিল। তেওঁ আনন্দমনেৰে উৰা মাৰিলে। ○

# হনুমানৰ লংকা-যাত্ৰা

হনুমান আছিল বৰ ডাঙৰ বীৰ। তেওঁ ৰামৰ ভক্ত বুলি বিখ্যাত। ৰাম-ৰাৱণৰ যুদ্ধত তেওঁ আছিল ৰামৰ প্ৰধান সহায়ক।

হনুমানৰ মাক আছিল অঞ্জনা নামে এজনী বান্দৰী। কিবা কাৰণত ঋষিয়ে শাও দিয়া বাবে কুন্তীকলা নামৰ অপেশ্বৰী এজনীয়েই এইদৰে বান্দৰী হৈ জন্মগ্ৰহণ কৰিছিল। মন গ'লে তেওঁ মানুহৰ দৰেও হ'ব পাৰিছিল। তেওঁৰ বিয়া হৈছিল কেশৰী নামে বান্দৰ ৰজাৰ লগত। অঞ্জনা দেখাত বৰ সুন্দৰী আছিল বাবে বায়ুদেৱতাই তেওঁক ভাল পাইছিল আৰু আশীৰ্বাদ দিছিল যে তেওঁৰ যেন এটা অতি শক্তিশালী আৰু বায়ুৰ দৰে বেগৱান পুত্ৰৰ জন্ম হয়। সেই পুত্ৰই হ'ল হনুমান। কেশৰীৰ ঘৰত জন্ম হ'লেও তেওঁ বায়ুপুত্ৰ নামেৰেহে জনাজাত। ভৰদ্বাজ মুনিয়ে এবাৰ কেশৰীক গৰুড়ৰ দৰে বলৱান পুত্ৰ পাবলৈ আশীৰ্বাদ দিছিল, তাৰ ফলতো হনুমান অতি শক্তিশালী হৈ উঠিছিল। তেওঁৰ জন্মৰ পৰাই অসীম শক্তিৰ পৰিচয় দিছিল।

হনুমান ওপজাৰ অলপ পিছতেই দেখিছিল ৰঙা বেলিটো টিক্ টিক্কৈ জিলিকি আছে। সেইটো কিবা পকি থকা মিঠা ফল বুলি ভাবি তেওঁ বেলিটো খাবলৈ প্ৰকাণ্ড জাঁপ এটা মাৰিলে। গৈ গৈ তেওঁ বেলিৰ ওচৰ পাইছিলে, পিছে বেলিৰ চোকা তাপ সহিব নোৱাৰি তললৈ খহি পৰিল আৰু পাহাৰৰ চূড়াত লাগি গালৰ হনু ভাগিল, তেতিয়াৰ পৰাহে তেওঁৰ নাম হনুমান হ'ল। তেওঁৰ স্বভাৱ আছিল দুষ্ট আৰু চঞ্চল। শৰীৰত থকা শক্তিয়ে তত দিয়া নাছিল। সেয়েহে ঋষি-মুনিসকলৰ আশ্ৰমত উৎপাত কৰি তেওঁ সকলোৰে শান্তি নোহোৱা কৰিছিল। আনহাতে তেওঁৰ স্বভাৱো আছিল মৰমলগা, উপায় নাপাই ঋষিসকলে তেওঁক অভিশাপ দিছিল যে হনুমানে যেন তেওঁৰ শক্তিৰ কথা পাহৰি থাকে। সেই অভিশাপৰ ফলতে হনুমান শান্ত-শিষ্ট হৈ পৰিল।

ডেকা বয়সত সুগ্ৰীৱ, অংগদ, নল, নীল, জাম্বৱন্ত আদি বীৰক তেওঁ লগ পাইছিল। ৰামক লগ পোৱাৰ লগে লগেই তেওঁ ৰামভক্ত হৈ পৰিছিল। তেওঁ ৰামৰ বাবে কৰিব নোৱাৰা কাম একো নাছিল। যেতিয়া ৰাৱণে সীতাক হৰণ কৰি নিলে,

সীতা লংকাত আছে বুলি সকলোৱে ভাবিলে যদিও তাক ভালদৰে চাই অহাৰ প্ৰয়োজন হ'ল। হনুমানেই এই কামৰ ভাৰ ল'লে। তেওঁ সীতা লংকাত আছে নে নাই চাই আহিবৰ বাবে একেজাঁপে সাগৰ পাৰ হৈ যাবলৈ ওলাল।

হনুমানে এটা পাহাৰৰ ওপৰত উঠি লৈ নিজৰ গাটো প্ৰকাণ্ড ডাঙৰ কৰি বিৰাট ডাঙৰ জাঁপ এটা মাৰিলে। বতাহৰ বেগত তেওঁ গৈ আছে, গৈ আছে। এনেতে দেৱতাসকলৰ চাবলৈ মন গ'ল তেওঁনো কিমান ডাঙৰ বীৰ। তেওঁলোকে সুৰমা নামে ৰাক্ষসী এজনীক হনুমানক পৰীক্ষা কৰিবলৈ ক'লে। সেইমতে সুৰমাই মায়া কৰি প্ৰকাণ্ড শৰীৰ ধাৰণ কৰি হনুমানক খাবলৈ মুখ মেলি ৰ'ল। তাইৰ ভৰি দুখন আছিল সাগৰত আৰু মূৰটো আছিল আকাশত লাগি। হনুমানে তাইক বাট এৰি দিবলৈ ক'লে। পিছে তাই বোলে হনুমানক গিলিবই, তেতিয়া ৰাক্ষসীয়ে গিলিব নোৱাৰাকৈ হনুমানে নিজৰ গাটো আৰু ডাঙৰ কৰি তুলিলে। ৰাক্ষসীয়ে তেতিয়া মুখখন বেছিকৈ মেলি ধৰিলে। এইদৰে হনুমানে নিজৰ শৰীৰ আৰু ৰাক্ষসীয়ে নিজৰ মুখ ক্ৰমে ক্ৰমে বেছি ডাঙৰ কৰি নিবলৈ ধৰিলে। এবাৰ আমনি লাগি হনুমানে নিমিষতে এটা মাখিৰ সমান সৰু হৈ পৰিল আৰু বিজুলী বেগেৰে ৰাক্ষসীৰ মুখেৰে সোমাই কাণেৰে ওলাই গুচি গ'ল। হনুমানৰ বুদ্ধি দেখি অবাক হৈ ৰাক্ষসীয়ে তেওঁক প্ৰশংসা কৰিবলৈ ধৰিলে। হনুমান আকাশৰ পথেৰে আগবাঢ়ি গ'ল।

সাগৰৰ মাজত ডুব গৈ আছিল মৈনাক পৰ্বত। এসময়ত সকলো পাহাৰৰে পাখি আছিল। দুষ্ট পাহাৰবোৰে য'তে-ত'তে পৰি সকলো মানুহৰে বৰ অপকাৰ কৰিছিল, সেইবাবে ইন্দ্ৰ দেৱতাই বজ্ৰ মাৰি পাহাৰবোৰৰ পাখি কাটি পেলাইছিল। মৈনাক আছিল বায়ু দেৱতাৰ বন্ধু। সেইবাবে বায়ু দেৱতাই মৈনাকক নি সাগৰৰ তলত লুকুৱাই থৈছিল। এতিয়া বায়ু-পুত্ৰ হনুমানক আহি থকা দেখি তেওঁ জিৰণি ল'বৰ বাবে আৰু ফল-মূল খাই যাবৰ বাবে মৈনাকে পাহাৰ-চূড়াটো সাগৰৰ পৰা উলিয়াই দিলে। হনুমানে ভাবিলে যে বাটত আৰু এটা বাধাহে ওলাল। তেওঁ নেজৰ কোব মাৰি পাহাৰৰ চূড়াটো ভাঙি পেলালে। তাকে দেখি মৈনাকে যেতিয়া নিজৰ পৰিচয় দিলে, তেতিয়া বায়ু দেৱতাৰ বন্ধু মৈনাকক চিনি পাই হনুমানে ক্ষমা খুজিলে। পিছে ৰ'বলৈ তেওঁৰ সময় নাই, তেওঁ গৈয়েই থাকিল।

আৰু কিছুসময় আকাশেৰে গৈ থকাৰ পিছত হঠাৎ আগবাঢ়িব নোৱাৰা হৈ আকাশতে ৰৈ গ'ল। কাৰণটো বুজি নাপাই ইফালে-সিফালে চাওঁতে তেওঁ দেখিলে যে পানীত পৰা তেওঁৰ ছাঁটো এজনী ৰাক্ষসীয়ে ধৰি থৈছে, হনুমান পানীলৈ নামি গ'ল। তেতিয়া ৰাক্ষসীজনীয়ে হনুমানক খাবলৈ মুখ মেলাত তেওঁ তাইৰ পেটৰ

ভিতৰলৈ সোমাই গ'ল আৰু নাড়ি-ভুৰু ছিণ্ডি তাইক মাৰি পেলালে।

ইয়াৰ পিছত হনুমান গৈ লংকা পালেগৈ, পৰ্বত এটাৰ ওপৰত বহি লৈ তেওঁ লংকাখন চাবলৈ ধৰিলে, কি যে ধুনীয়া এই নগৰখন। সোণৰ ঘৰ-দুৱাৰ, বাটে-পথে মণি-মুক্তা পৰি আছে। ধুনীয়া ধুনীয়া পদুম পুখুৰী, ফুলনি, খেলা-ধূলা কৰা ঠাই, কাৰেংঘৰ আদি দেখিলেই চমক লাগে। ৰাক্ষসবোৰে এই নগৰত পৰম আনন্দত কাল কটাইছে। হনুমানে এটা মেকুৰীৰ সমান সৰু হৈ নগৰত সোমাই সীতাক বিচাৰিবলৈ ধৰিলে। তেতিয়া ৰাতি হৈছিল। ঘৰে ঘৰে সোমাই তেওঁ সীতা আছে নেকি চাই গ'ল। সীতাক হনুমানে আগতে দেখা নাছিল, গতিকে তেওঁৰ সজ স্বভাৱ আৰু মনোমোহা ৰূপৰ কথা যেনেকৈ শুনিছিল, সেই মতেই তেওঁ সীতাক বিচাৰি ফুৰিবলৈ ধৰিলে। ৰাৱণৰ কাৰেঙত বহুতো ধুনীয়া ধুনীয়া কুঁৱৰী আছিল। তেওঁলোকৰ মাজত সীতাক বিচাৰি নাপাই তেওঁ অশোকবন নামে উদ্যানখনলৈ গ'ল। তাতে এজোপা শিংশপা বৃক্ষৰ তলত সীতা দুখমনেৰে বহি আছিল। ভয়ংকৰ ৰাক্ষসীবোৰে তেওঁক বেঢ়ি আছিল। হনুমানে চেগ বুজি নিজৰ পৰিচয় দিয়াত সীতাৰ বৰ আনন্দ লাগিল। হনুমানে যেতিয়া ৰামে চিন হিচাপে দি পঠোৱা আঙুঠিটো দেখুৱালে, তেতিয়া ৰামলৈ মনত পৰি সীতাই কান্দিবলৈ ধৰিলে।

ইয়াৰ পিছত হনুমানে অলপ বীৰত্ব দেখুৱাবলৈ ইচ্ছা কৰি ৰাৱণৰ মধুফলৰ বাৰীত সোমাই ফল-মূল খাই টহিলং কৰিবলৈ ধৰিলে। ৰখীয়াবোৰে বাধা দিয়াত সিহঁতক কোবাই মাৰি শেষ কৰাৰ পিছত তেওঁ ৰাৱণৰ পুত্ৰ মেঘনাদৰ হাতত ইচ্ছা কৰি ধৰা দিলে। তেতিয়া তেওঁক ৰাৱণৰ ওচৰলৈ লৈ যোৱা হ'ল। তেওঁ নিজকে ৰামদূত বুলি পৰিচয় দি সীতাক হৰণ কৰি অনাৰ বাবে গালি পাৰিবলৈ ধৰিলে।

ৰাৱণৰ ইমান খং উঠিছিল যে হনুমানক মৃত্যুদণ্ড দিবই খুজিছিল। পিছে দূতক বধ কৰাৰ নিয়ম নাই বাবে তেওঁৰ নেজত জুই লগাই দিয়াকে ঠিক কৰিলে। হনুমানেও ভালেই পালে। তেওঁ নেজডাল বঢ়াই বঢ়াই দীঘল কৰি নি থাকিল। নেজত কাপোৰ বান্ধি জুই লগাই দিবলৈ বিচৰা ৰাক্ষসবোৰে দেখি অবাক হ'ল যে কাপোৰে নোযোৰেহে নোযোৰে, নেজ বাঢ়ি গৈয়ে আছে। লংকাৰ সকলো কাপোৰ আৰু মন্দোদৰী আদি ৰাণীৰ কাপোৰো অনাৰ পিছত ৰাৱণে সীতাৰ কাপোৰ আনিবলৈ আদেশ দিলে। সেই কথা শুনি হনুমানে লগে লগে নেজডাল চুটি কৰি দিলে। ৰাক্ষসবোৰে তেতিয়া নেজডাল তেলত জুবুৰিয়াই জুই লগাই দিলে। জুই লগা নেজেৰে হনুমানে এটা ঘৰৰ চালত উঠিলগৈ। সেইটো ঘৰ দপ্ দপ্‌কৈ জ্বলিবলৈ ধৰিলে। এইদৰে এটা ঘৰৰ পৰা আন এটা ঘৰলৈ জাঁপ মাৰি মাৰি তেওঁ সেণাৰ লংকো পৰি ছাৰখাৰ কৰি পেলালে. ৰাক্ষসৰ মাজত কন্দা-কটা হুলস্থূল লাগিবলৈ ধৰিলে।

তাৰ পিছত হনুমানে নেজৰ জুই মুখেৰে নুমুৱাই সীতাৰ পৰা বিদায় লৈ একেটা জাপতে সাগৰ পাৰ হৈ উভটি আহিল।

হনুমানৰ পৰা সীতাৰ বাতৰি পাই ৰাম যুদ্ধৰ বাবে সাজু হ'ল। সাগৰত সেতু বান্ধি তেওঁ লংকা পালেগৈ আৰু বান্দৰ-ভালুক সৈন্যবোৰ লৈ যুদ্ধ কৰি ৰাৱণক বধি সীতাক উদ্ধাৰ কৰিলে। ○

# লক্ষ্মণৰ শক্তিশেল

ৰাম আৰু ৰাৱণৰ তয়াময়া যুদ্ধ চলি থকা দিনবোৰত দুয়োপক্ষৰে বহুতো সৈন্য হতাহত হৈছিল যদিও কাৰো জয়-পৰাজয় হোৱা নাছিল। এনে অৱস্থাত ৰাৱণে ভাবিছিল যে লক্ষ্মণ থাকে মানে ৰামক পৰাস্ত কৰা সহজ নহ'ব। সেয়েহে এদিন প্ৰচণ্ড যুদ্ধৰ মাজতে তেওঁ শক্তিশেল নামৰ ভয়ংকৰ অস্ত্ৰ এপাট তুলি ল'লে। শক্তিশেল সাজি দিছিল ময়দানৱে। এই অস্ত্ৰ কেতিয়াও ব্যৰ্থ নহয়। ৰাৱণে লক্ষ্মণৰ গালৈ এই শক্তিশেল নিক্ষেপ কৰিলে আৰু লগে লগে লক্ষ্মণৰ মৃত্যু ওচৰ চাপি আহিল। ৰাৱণৰ পুত্ৰ ইন্দ্ৰজিতক লক্ষ্মণে বধ কৰাৰ বাবেও এই প্ৰতিশোধ লৈছিল।

ৰামৰ শিবিৰত হাহাকাৰ লাগিল। ৰামে চকুৰে অন্ধকাৰ দেখিলে। পিছে ভালদৰে চাই দেখা গ'ল যে লক্ষ্মণৰ একেবাৰে মৃত্যু হোৱা নাই, তেওঁ মৰো মৰোঁ হৈহে আছে। জাম্বৱন্তই ক'লে যে বিশল্যকৰণীনামৰ বনৌষধিয়ে মৰা মানুহো জীয়াই তুলিব পাৰে। এই ঔষধৰ গছ আছে গন্ধমাদন পৰ্বতত। ৰাতিটোৰ ভিতৰতে সেই ঔষধ আনিব পাৰিলে লক্ষ্মণে প্ৰাণ পোৱাৰ আশা আছে। তেতিয়া সেই ঔষধ আনিবলৈ মহাবীৰ হনুমানে গাত ল'লে আৰু গন্ধমাদন পৰ্বতলৈ যাত্ৰা কৰিলে। ৰাৱণৰ চোৰাংচোৱাই সেই বাতৰি জনালত ৰাৱণৰ চিন্তা লাগিল। তেওঁ মহাকাল নামে এক প্ৰচণ্ড ৰাক্ষসক হনুমানক বাধা দিবলৈ পঠিয়ালে। লগতে অন্য এক ৰাক্ষসক পঠিয়ালে হনুমানক ছলনা কৰিবলৈ।

বায়ু বেগেৰে গৈ হনুমান গন্ধমাদন পৰ্বত পালেগৈ। ৰাৱণে পঠোৱা ৰাক্ষসে তেওঁক বাধা দিছিল যদিও হনুমানে আটাইবোৰকে ধ্বংস কৰে। তাৰ পিছত ঔষধৰ গছ বিচাৰি পৰ্বতত নামোঁতে তেওঁ দেখিলে যে গছবোৰ ধৰাই টান, হাতৰ পৰা পিছলি পিছলি যায়। তেতিয়া বনৌষধিৰ লগত সময় নষ্ট নকৰি তেওঁ গোটেই পাহাৰটোকে ডাঙি উঠাই লৈ আহিল। ইতিমধ্যে ৰাৱণে পঠোৱা ৰাক্ষস এজনো বেজ হৈ ওলালহি। বেজে ঔষধৰ গছবোৰ বিচাৰি লৈ ক'লে যে কেৱল বন-পাতেৰেই নহ'ব; তাৰ লগত শিৱৰ বলদৰ গোবৰো মিহলি কৰিব লাগিব। হনুমানে তেতিয়া নিমিষতে কৈলাশলৈ গৈ বলদক গোবৰ খুজিলে, বলদে ডাংকোপ মাৰি ক'লে যে সি বোলে ছমাহত এবাৰহে লাদে। সেইখিনি গোবৰৰ বাবেও ঋষি-মুনিসকলৰ যিহে টনা-আজোৰা। দুদিন মানৰ আগতে লাদি উঠিছে বাবে এতিয়া কোনোমতেই গোবৰ দিব নোৱাৰে বুলিও বলদে ক'লে। সেই

কথা শুনি হনুমানৰ ইমান খং উঠিল যে বলদৰ নেজত থাপ মাৰি ধৰি তাক মূৰৰ ওপৰত ঘুৰাবলৈ ধৰিলে। ভয়তে বেচেৰাই চেৰেলিয়াবলৈ ধৰিলে। হনুমানে সেই গোবৰ আনি বেজক দিলেহি।

বেজে আৰু অলপ পলম কৰিবৰ বাবে ক'লে যে ইয়াৰ লগত পাতালৰ ভোগৱতী নদীৰ পানীও মিহলাব লাগিব। হনুমানে চকুৰ পচাৰতে পাতাললৈ গৈ সেই পানীও আনি দিলে। বেজে এইবাৰ বুদ্ধি কৰি ক'লে — "সাতবৰণীয়া পটাখন ক'ত? সেইখন নহ'লে পিছে ঔষধখিনি পিহিব পৰা নহ'ব।" ৰাম বৰ বিপদত পৰিল। তেনে এখন পটাৰ কথা তেওঁলোকে শুনাই নাছিল। তেতিয়া বিভীষণে ক'লে যে ৰাৱণ ৰজাৰ ৰান্ধনিশালত তেনে এখন পটা আছে। সেই কথা শুনি লগে লগে হনুমান ৰাজকাৰেণ্ডলৈ গ'ল আৰু ৰাতিৰ আন্ধাৰত মনে মনে পটাখন চুৰ কৰি আনিলে।

সকলো বস্তু গোট খোৱা দেখি ৰাক্ষস বেজৰ বৰ চিন্তা লাগিল। সেইবাবে এইবাৰ ক'লে যে ঔষধখিনি এজনী অপেশ্বৰীয়ে পটাত বাটিলেহে ঔষধে গুণ দিব, পিছে হঠাতে এজনী অপেশ্বৰী পায় ক'ত? হনুমানে এক মুহূৰ্তও নবৈ স্বৰ্গ পালেগৈ। তাতে ইন্দ্রদেৱতাক বুজাই কোৱাত ইন্দ্রই এজনী অপেশ্বৰী হনুমানৰ লগত পঠাই দিলে।

বেজে দেখিলে যে মহা বিপদ, লক্ষ্মণক জীয়াবই লাগিব। তেতিয়া বহুত ৰাতি বাকী আছিল। ৰাতি পুৱালেই লক্ষ্মণ আৰু নিজীয়ে। সেইবাবে যিমান পাৰি সময় পাৰি কৰিবৰ বাবে বেজে এইবাৰ বাহিৰ ফুৰি আহিবলৈ ওলাই গ'ল। প্ৰথমতে শৌচাচাৰ কৰি তাৰ পিছত গাধুই ৰাতিটো শেষ কৰি দিয়াৰ বুদ্ধিৰে তেওঁ বাহিৰ ফুৰাৰ নামত বহিয়েই থাকিল, নুঠেহে নুঠে। হনুমানৰ এনেয়ে সন্দেহ হৈছিল বেজৰ ওপৰত। এতিয়া কাণ্ড দেখি খঙতে তেওঁ বেজক নেজেৰে পকাই উঠাই আনিলে। তাৰ পিছত সাগৰত জুবুৰিয়াই গা ধুৱাবলৈ ধৰিলে। ভয়তে বেচেৰা বেজ আধামৰা হ'ল। লৰালৰিকৈ আহি তেওঁ বিশল্যকৰণীৰ প্ৰলেপ লক্ষ্মণৰ গাত সানি দিলে। লক্ষ্মণ উঠি বহিল। ৰাম আদিৰ আনন্দৰ পাৰ নোহোৱা হ'ল।

লংকেশ্বৰ ৰাৱণে ৰাতিতে শুনিলে ৰামৰ শিবিৰৰ পৰা ভাহি অহা বান্দৰ সেনাৰ মাতত লক্ষ্মণৰ জয়ধ্বনি। তেওঁ বুজিলে যে অব্যৰ্থ অস্ত্ৰ শক্তিশেলো লক্ষ্মণৰ ওচৰত ব্যৰ্থ হ'ল। ○

# সীতাৰ পাতাল প্ৰৱেশ

ৰাৱণক বধ কৰি ৰামে সীতাক উদ্ধাৰ কৰি অনাৰ পিছত বহুকাল সুখে-সন্তোষে বাস কৰি আছিল। পিছে কিছুমান দুষ্টলোকে ক'লে বোলে ৰাক্ষসে ধৰি নিয়া নাৰী ৰাণী হ'ব নাপায়, হ'লে দেশৰ প্ৰজাৰ অমংগল হয়। সেই কথা শুনি ৰামৰ বৰ বেয়া লাগিল। তেওঁ প্ৰজাসকলক প্ৰাণতকৈও বেছি ভাল পাইছিল। সেইবাবে প্ৰজাসকলে ভাল পাব বুলি ভাবি সীতাক বনবাস দিয়াকে ঠিক কৰিলে। তেওঁৰ কথামতে লক্ষ্মণে সীতাক ফুৰাবলৈ নিওঁ বুলি মিছাকৈ নি হাবিত নমাই কান্দি কান্দি ক'লে যে ৰামে সীতাক বনবাস দিছে।

সীতাৰ বৰ শোক লাগিল। তথাপিও ধৈৰ্য ধৰি তেওঁ বনৰ মাজতে উচুপি উচুপি থাকিবৰ বাবে ঠাই বিচাৰি ফুৰিলে। তেতিয়া বাল্মীকি মুনিয়ে তেওঁক দেখা পাই বৰ মৰম কৰি নিজৰ আশ্ৰমতে থাকিবলৈ দিলে। আশ্ৰমত কিছুকাল থকাৰ পিছত সীতাৰ এহাল যঁজা ল'ৰা উপজিল। তেওঁলোকৰ নাম হ'ল লৱ আৰু কুশ। বাল্মীকিৰ যত্নত ল'ৰাদুটি সকলো বিদ্যাত নিপুণ হৈ ডাঙৰ হৈ আহিল। বাল্মীকিয়ে তেওঁলোকক ৰামায়ণৰ গোটেই কাহিনীটো গীত কৰি গাবলৈ শিকালে।

সীতাক বনবাসলৈ পঠিওৱাৰ পিছত ৰামৰ মন সদায় বেয়া লাগি থাকে। এবাৰ তেওঁ প্ৰজাৰ মংগলৰ বাবে এটা ডাঙৰ যজ্ঞ পাতিবলৈ ঠিক কৰিলে। সেই যজ্ঞ আকৌ ৰজাই অকলে পাতিলে নহয়, কাষতে ৰাণীও থাকিব লাগে। গতিকে মন্ত্ৰী আৰু পুৰোহিতসকলৰ উপদেশমতে ৰামে সীতাৰ এটা সোণৰ মূৰ্তি নিৰ্মাণ কৰাই তেওঁৰ সিংহাসনৰ কাষতে থৈ দিলে।

যজ্ঞৰ দিনা হাজাৰ হাজাৰ মানুহ গোট খাইছিল। এনেতে লৱ আৰু কুশই হাতত বীণা লৈ গীত গাই গাই তালৈ আহিল। তেওঁলোকে বৰ শুৱলাকৈ ৰামায়ণৰ কাহিনীটো গীত কৰি গাইছিল। সকলো মানুহে নিতাল মাৰি শুনিবলৈ ধৰিলে। যেতিয়া সীতাৰ দুখৰ কাহিনী গীতটোত ওলাল, ৰামে চকুপানী টুকিবলৈ ধৰিলে। গীতটোৰ শেষৰ ফালে লৱ-কুশই গীতেৰেই ক'লে যে তেওঁলোক সীতাৰ সন্তান। তেতিয়া নিজৰ পুত্ৰক চিনিব পাৰি ৰামে বৰ আনন্দ পালে। তেওঁ দুই পুত্ৰক বুকুত সাবটি ল'লে। প্ৰজাসকলে আনন্দতে জয়ধ্বনি দিবলৈ ধৰিলে।

ৰামে এইবাৰ সীতাক পুনৰ ঘূৰাই আনিবলৈ ৰথ পঠিয়ালে। সীতা আহিল, কিন্তু দুখে-শোকে তেওঁৰ মন ভাঙি গ'ল। তেওঁ ৰাম ক'লে —

"তোমাৰ দৰে নিষ্ঠুৰ আৰু নাই! বিনা দোষতে মোক বনবাস দিলা। প্ৰজাৰ কথা ইমানকৈ ভাবা, অথচ মোৰ কথা অলপো নাভাবা। বাঘ-সিংহৰে ভৰা এখন বনত মোৰ দৰে নাৰীক মেলি দিবলৈ তোমাৰ বেয়া নালাগিল নে? আজি আকৌ ৰাজসভালৈ অনাই সকলোকে দেখুৱাইছা! মই বন মানুহ নেকি, সকলোৱে বেড়ি বেড়ি চাবলৈ?"

সীতাৰ দুখ আৰু খং দেখি সকলো কঁপিবলৈ ধৰিলে। ৰামৰো মুখ শুকাই গ'ল।

সীতাই আকৌ ক'লে —

"তোমাৰ পৰা বহুত অপমান পালোঁ। পৃথিৱীত মোৰ আৰু থাকিবলৈ মন নাই। মই পাতাললৈ যাওঁকৈ।" এইবুলি সীতাই বসুমতীক আহ্বান কৰিলে। লগে লগে মাটি দুফাল হৈ পৰিল। এখন সোণৰ ৰথ লৈ বসুমতী পাতালৰ পৰা উঠি আহিল। সীতাই লৱ-কুশক চুমা খাই ক'লে —

"সোণহঁত, তোমালোকক এৰি যাবলৈ মন যোৱা নাই। তথাপিও বিদায়, বাছা। মিলিজুলি থাকিবা। মই তোমালোকৰ দুখুনী মা, পাতাললৈ যাওঁগৈ।"

তাৰ পিছত ৰামক প্ৰণাম কৰি সীতা ৰথত উঠিল। সকলোৰে চকুৰ আগতে ৰথ মাটিৰ তললৈ সোমাই গ'ল। ৰাম মনৰ দুখত অচেতন হৈ পৰিল। ○

# অদ্ভুত ৰামায়ণৰ সাধু

ৰামৰ ওপৰত অভিমান কৰি সীতাই যেতিয়া পাতালত প্ৰৱেশ কৰিলে, তেতিয়া পাতালবাসীয়ে বৰ আনন্দ পালে। পাতালত অটল, বিতল, সুতল, ৰসাতল আদি বহুতো খলপা আছে। একেবাৰে শেষত আছে বিদ্যাবিলাসিনীপুৰ নামে এখন নগৰ। বসুমতীয়ে সেই নগৰতে সীতাক থাকিবলৈ দিলে। সীতাই তাত ব্ৰতেশ্বৰী দেৱী নাম লৈ পূজা খাই থাকিবলৈ ধৰিলে।

এইদৰে বহুদিন থকাৰ পিছত সীতাৰ লৱ-কুশলৈ বৰকৈ মনত পৰিবলৈ ধৰিলে। তেওঁৰ একোৱে ভাল নলগা হ'ল। এদিন তেওঁ বসুমতীক মাতি আনি তেওঁৰ বেজাৰৰ কথা ক'লে আৰু পুত্ৰ দুটিক যেনে-তেনে আনি দিবলৈ খাটিলে। তেতিয়া বাসুকীয়ে এজন ব্ৰাহ্মণৰ বেশ লৈ অযোধ্যালৈ আহি লৱ-কুশৰ অস্ত্ৰ-গুৰু হৈ কিছুদিন থাকিল। এদিন ছেগ চাই তেওঁ ল'ৰা দুটিক সুধিলে —

"বোপাহঁত, তোমালোকৰ বাৰু আয়েৰাক লগ পাবলৈ মন যায় নে?"

দুয়ো একেলগে উত্তৰ দিলে — "বৰ মন যায় গুৰুদেৱ। পিছে আইকনো পাম কেনেকৈ?"

বাসুকীয়ে ক'লে — "তেওঁ ক'ত আছে মই জানো। মই তালৈ তোমালোকক লৈ যাবও পাৰিম। মাথোন দেউতাৰাক নজনাবা। মই ৰাতিটোৰ ভিতৰতে আয়েৰাক লগ পোৱাই ৰাতিপুৱাৰ আগতে ঘূৰাই আনিম। কোনেও গমেই নাপাব।

লৱ-কুশ আনন্দ মনেৰে মান্তি হ'ল। বাসুকীয়ে ৰাতি তেওঁলোকক নিমিষতে মায়া কৰি পাতালত থকা ব্ৰতেশ্বৰী সীতাৰ ওচৰ পোৱালেগৈ। মাক আৰু পুতেকে আনন্দতে সাৱটা-সাৱটি কৰিবলৈ ধৰিলে। সীতাই পুতেকহঁতক সুধিবলৈ ধৰিলে —

"বাছাহঁত, তোমালোকৰ দেউতাৰা ভালে আছেনে? খুড়া লক্ষ্মণৰ কেনে? তোমালোকৰ বাৰু মোলৈ কেতিয়াবা মনত পৰিছিল নে?"

লৱ আৰু কুশই ক'লে যে তেওঁলোকৰ মাকলৈ সদায় মনত পৰিছিল। তেওঁলোক সদায় মাকৰ লগতে থাকিব — অযোধ্যালৈ ঘূৰি নাযায়। সীতাই বৰ ভাল পালে। তেওঁৰ মন্দিৰতে লৱ-কুশৰ বাবেও ঠাই ঠিক কৰি তিনিও আনন্দেৰে দিন কটাবলৈ ধৰিলে।

ইফালে অযোধ্যাত লৱ-কুশক বিচাৰি নাপাই হুলস্থূল লাগিল। ৰামে পৃথিৱীৰ

সকলো ঠাইতে দূত পঠিয়াই খবৰ ল'লে, দেশে দেশে চোৰাংচোৰা পঠিয়ালে, কিন্তু লব-কুশক ক'তো বিচাৰি নাপালে, তেতিয়া হনুমানক পাতাললৈ পঠিওৱাকে ঠিক কৰিলে, কিজানি ল'ৰা দুটি তাত আছেই!

সীতাৰ বুদ্ধিমতে অযোধ্যাৰ অলেখ-লেখ চাবলৈ আহি বাসুকীয়ে গম পালে যে হনুমানে লব-কুশক বিচাৰি পাতাললৈ আহিব। সেই কথা তেওঁ সীতাক জনোৱাত সীতাই ভয় খাই পাতালৰ দুৱাৰ বন্ধ কৰি থ'বলৈ ক'লে। পিছে হনুমানে নানা যাদু-বিদ্যাৰ দ্বাৰা পাতালত প্ৰৱেশ কৰিলে। ব্ৰতেশ্বৰী মন্দিৰ থকা নগৰখনৰ দুৱাৰ তেওঁ পিছে খুলিবলৈ নোৱাৰিলে। তেতিয়া হনুমানে এজনী নাৰীৰ বেশ ধৰি নিজকে সীতাৰ সখীয়েক বুলি চিনাকি দিলে। তেওঁ কান্দি কান্দি কৈ ফুৰিবলৈ ধৰিলে —

"মোক এটা ৰাক্ষসে ধৰি আনি ইয়াতে এৰি থৈ গ'ল। মই এতিয়া কি ক'ৰো? মোৰ সখী সীতা যদি আজি ওচৰত থাকিলেহেঁতেন।"

তেওঁৰ বেজাৰ দেখি এজনী ৰাক্ষসীয়ে ক'লে —

"তুমি দুখ নকৰিবা। তোমাৰ সখী সীতা এতিয়া ব্ৰতেশ্বৰী দেৱী হৈ পাতালতে আছে, লব-কুশও তেওঁৰ লগতে আছে। পিছে তেওঁলোকক নিবলৈ হনুমান আহিব বুলি শুনি তেওঁ থকা নগৰখনৰ দুৱাৰ বন্ধ কৰি থোৱা আছে।"

পিছদিনা হনুমানে মায়া কৰি এটা প্ৰকাণ্ড বান্দৰৰ মৰাশ পেলাই থ'লে আৰু নিজে এজনী ছোৱালী হৈ কৈ ফুৰিবলৈ ধৰিলে —

"এইটোৱেই হনুমান, কালি মনে মনে পাতাললৈ অহা দেখি ৰাক্ষসবোৰে ইয়াক মাৰি পেলালে।"

হনুমানৰ মৃত্যুৰ বাতৰি নিমিষতে চাৰিওফালে বিয়পি পৰিল। সীতায়ো শুনিলে। তেওঁৰ বৰ বেজাৰ লাগিল। তেওঁ নগৰৰ দুৱাৰ মুকলি কৰি দিবলৈ আদেশ দিলে। তেতিয়া আনবোৰ নাৰীৰ লগতে হনুমানো পূজা কৰিবলৈ যোৱা ছোৱালী হৈ মন্দিৰলৈ সোমাই গ'ল, সীতাই মন কৰা নাছিল যদিও লব-কুশই তেওঁক চিনি পাই ক'লে —

"আমি তোমাক চিনি পাইছো। তোমাক আমাৰ দেউতাই পঠাইছে নেকি?"

সীতাই হনুমানক দেখি ভাল পালে যদিও ল'ৰা দুটিক লৈ যাব বুলি ভয়তে সকলোকে উলিয়াই পঠিয়াই নগৰৰ দুৱাৰ আকৌ বন্ধ কৰি থ'লে। তেতিয়া ৰাক্ষসবোৰেও হনুমান চিনি পাই আক্ৰমণ কৰিলে। হনুমানে সকলোকে কোবাই মাৰি শেষ কৰি বসুমতীক ইমান ভয় খুৱালে যে তেওঁ ভয়তে দুৱাৰ খুলি দিলে তেতিয়া হনুমানে সীতাক প্ৰণাম কৰি ৰামৰ দুখৰ কথা বহলাই ব্যাখ্যা কৰিলে।

ৰামৰ দুখৰ কথা শুনি সীতাৰ মন গ'লি গ'ল। তেওঁ লব-কুশক লৈ অযোধ্যালৈ আহি ৰামক জনালে যে তেওঁ প্ৰতিদিনে এবাৰকৈ ল'ৰা দুটি লগত লৈ আহি ৰামক দেখা কৰি যাব। ৰাম সেই কথাত আনন্দিত হ'ল। ○

# ইল্বল আৰু বাতাপী

ইল্বল আৰু বাতাপী আছিল দুজন ৰাক্ষস ভাই-ককাই। দুয়োৰে দুষ্ট বুদ্ধিৰ অন্ত নাই। বনৰ পশু খাই আমনি লাগিলে সিহঁতৰ মানুহৰ মঙহ খাবলৈ মন যায়। পিছে বনত থকা তপস্বী ঋষি-মুনিসকলক দেখা দেখিকৈ খাবলৈ গ'লে শাপ দি ভস্ম কৰিব। গতিকে সিহঁতে এটা বুধি কৰে। দেউতাকৰ শ্রাদ্ধ পাতিছে বুলি কৈ সিহঁতে কোনোবা এখন আশ্রমৰ ঋষিসকলক নিমন্ত্রণ কৰি আহেগৈ। তাৰ পিছত ভায়েক বাতাপীক এটা ছাগলী কৰি লৈ ছাগলীটো ৰান্ধি-বাঢ়ি ঋষিক খাবলৈ দিয়ে। বিধে বিধে ৰন্ধা মঙহৰ আঞ্জা খাই যেতিয়া ঋষিসকলে তৃপ্তিৰে ইল্বলক আশীৰ্বাদ দিয়ে তেতিয়া সি "বাতাপী ওলাই আহ" বুলি চিঞৰি চিঞৰি মাতে। লগে লগে ঋষিসকলৰ পেট ফালি বাতাপী ওলাই আহে। দুয়ো ৰাক্ষসে হেঁপাহ পলুৱাই ঋষিৰ মঙহ খায়।

এইদৰে বহুত আশ্রমৰ ঋষি মৰি অন্ত হ'ল, তেতিয়া অগস্ত্য মুনিয়ে ধ্যান কৰি গম পালে যে দুই ৰাক্ষস ভাই-ককায়েহে ঋষিবোৰ খাইছে। এদিন তেওঁ সিহঁতক শাস্তি দিবৰ বাবে সেই বনলৈ আহিল। ইল্বলৰ ঘৰলৈ আহি তেওঁ ক'লে —

"ইল্বল! কি আছে খাবলৈ দিয়া, ভোকত প্রাণ যায় নহ'লে।" ভিতৰি বৰ ৰং পালেও ইল্বলে ক'লে —

"মুনিৰাজ! কালিলৈ মোৰ দেউতাৰ শ্রাদ্ধ। বহুত ছাগলী আৰু হাঁহ-পাৰ আনি থৈছোঁ। কালিৰ ভোজতে খাবলৈ দিম বুলি ভাবিছোঁ।"

অগস্ত্যই ক'লে —

"কালিৰ বাবে মই ৰ'ব নোৱাৰোঁ। ইমান ভোক গাগিছে যে অকলেই এটা ছাগলী খাই পেলাব পাৰিম। সোনকালে যোগাৰ কৰা।"

অগস্ত্যৰ কথা শুনি ইল্বলৰ বৰ স্ফূৰ্তি লাগিল, সি বাতাপীক ক'লে —

"ভাই, বুঢ়া সিংহ নিজেই জালত পৰিছে। তই সোনকালে ছাগলী হ। আজি ইমান ডাঙৰ ঋষিটোক খাবলৈ পাম।"

বাতাপী ছাগলী হ'ল। তাক কাটি-কুটি, ৰান্ধি-বাঢ়ি ইল্বলে অগস্ত্যক খাবলৈ দিলে। বিধে-বিধে মা-মছলা দি ৰন্ধা বাটিয়ে বাটিয়ে মঙহৰ আঞ্জা খাই অগস্ত্যই শেষ কৰিলে।

তাৰ পিছত এচলু গংগাজল মন্ত্ৰ কৰি পি পেলাই তেওঁ উচ্চাৰণ কৰিলে —

"বাতাপী, মোৰ পেটত 'জীন' যা।"

লগে লগে বাতাপী জীন গ'ল। ইল্বলে সেই কথা নাজানি "ওলাই আহ বাতাপী" বুলি বাৰে বাৰে মাতিবলৈ ধৰাত অগস্ত্যই ক'লে —

"ক'ৰ পৰা আহিব তোৰ ভায়েৰ বাতাপী? মই তাৰ চিন-চাব নোহোৱা কৰিলোঁ।"

সেই কথা শুনি ইল্বলে খঙত ঋষিক খাবলৈ খেদি গ'ল। মহামুনি অগস্ত্যই অতি খঙেৰে চাই তাক লগে লগে ভস্ম কৰি পেলালে।

এইদৰে সিহঁতে নিজৰ পাপৰ শাস্তি ভোগ কৰিলে। ○

# স্বৰ্গৰ ৰজা নহুষ

বৃত্ৰাসুৰ নামৰ অসুৰৰ উৎপাতত স্বৰ্গত যেতিয়া শান্তি নোহোৱা হৈছিল, দেৱতাসকলে তাৰ লগত যুদ্ধত হাৰি পলাই ফুৰিছিল, তেতিয়া তাক বধ কৰিবলৈ তেওঁলোকে উপায় নোপোৱা হৈছিল। শেষত বিষ্ণুৰ দিহা মতে দধীচি মুনিৰ হাড়েৰে নিৰ্মাণ কৰা বজ্ৰৰ দ্বাৰা ইন্দ্ৰই তাক বধ কৰিছিল।

বৃত্ৰাসুৰে পূৰ্বজন্মত এজন ডাঙৰ তপস্বী আছিল। এই জন্মত দুষ্ট অসুৰ হ'লেও সি বহুত শাস্ত্ৰ জনা গুণী লোকো আছিল। বৃত্ৰাসুৰক বধ কৰি পাপ কাম কৰা বুলি ইন্দ্ৰৰ অলপ চিন্তা লাগিল। সেই চিন্তা লাহে লাহে বেছি হোৱাত তেওঁ মনৰ দুখতে পুখুৰী এটাত পদুমফুলৰ মাজত লুকাই থাকিল। ইফালে ৰজা নোহোৱাৰ বাবে স্বৰ্গত হাহাকাৰ লাগিল। ইন্দ্ৰলৈ বহুতদিন বাট চোৱাৰ পিছত তেওঁলোকে বেলেগ এজনক ৰজা পতাটোকে ঠিক কৰিলে। উপযুক্ত মানুহ বিচাৰি বিচাৰি পালেগৈ পৃথিৱীৰ ৰজা নহুষক। নহুষ গুণী, জ্ঞানী আৰু বৰ ধাৰ্মিক আছিল। তেওঁ শাসন কৰাৰ নিয়মো বৰ ভালকৈ জানিছিল। গতিকে দেৱতাসকলে তেওঁকে মাতি নি স্বৰ্গৰ ৰজা পাতিলে।

মানুহৰ ৰজা নহুষ গৈ দেৱতাৰ ৰজা হ'ল। তেওঁ বৰ ভালকৈ স্বৰ্গ শাসন কৰিবলৈ ধৰিলে। পিছে স্বৰ্গ হ'ল সুখৰ ঠাই। তাত ৰং-ধেমালি আৰু নাচ-গানৰ বাহিৰে বেলেগ কাম নাই। নহুষৰো ভালৰো ভাল বস্তু খাবলৈ পায়, ধুনীয়া ধুনীয়া অপেশ্বৰীৰ নাচ-গান চাবলৈ পায় আৰু কেৱল শুই-বহি থাকি লাহে লাহে স্বভাৱ বেয়া হ'বলৈ ধৰিলে। বায়ু, বৰুণ আদি দেৱতাসকলে তেওঁক ৰজা বুলি সেৱা কৰা দেখি নহুষৰ বৰ অহংকাৰ হ'ল। তেওঁ নিজকে বৰ ডাঙৰ বুলি ভাবিবলৈ ধৰিলে। তেওঁ নিজে গৈ ইন্দ্ৰই এৰি যোৱা সোণৰ কাৰেংটোত থাকিবলৈ ল'লে।

ইন্দ্ৰ নোহোৱাৰে পৰা তেওঁৰ ৰাণী শচীয়ে বৰ দুখ কৰি কান্দি-কাটি আছিল। নহুষে তেওঁৰ কাৰেং ঘৰটো দখল কৰি লোৱাত শচীৰ বৰ খং উঠিল, শচী দেখাত বৰ ধুনীয়া আছিল। তেওঁক দেখি নিলাজ নহুষে ক'লে —

"হেৰা সুন্দৰী, তোমাৰ ইন্দ্ৰ আৰু ঘূৰি অহাৰ আশা নাই। এতিয়া ময়ে স্বৰ্গৰ ইন্দ্ৰ, গতিকে তুমি মোৰেই ৰাণী হোৱা।"

শচীৰ খং উঠিছিল যদিও তেওঁ প্ৰকাশ নকৰিলে। কাৰণ নহুষক জোকাই ল'লে কি অপকাৰ কৰে ঠিক নাই। তেওঁ বুদ্ধি কৰি ক'লে —

"মহাৰাজ। মই বাৰু গুৰু বৃহস্পতিৰ পৰা অনুমতি লৈ থম। আপুনি কালিলৈ আহিব।"

শচীয়ে নহুষক বুদ্ধি কৰি আঁতৰাই পঠিয়াই বৃহস্পতিৰ ওচৰলৈ গৈ কান্দি-কাটি ক'লে — "চাওকচোন, দেৱৰাজ নাই বাবে সেই মানুহটোৱে ইমান সাহ কৰিছে। মই এতিয়া কি কৰিম?"

বৃহস্পতিয়ে ক'লে — "সি ৰজা হোৱাৰ উপযুক্ত নহয়। মই বাৰু তাক ধ্বংস কৰাৰ বুদ্ধি তোমাক শিকাই দিম।"

পিছদিনা নহুষ শচীৰ ওচৰলৈ অহাত শচীয়ে বৃহস্পতিৰ দিহামতে হাঁহি মাৰি ক'লে — "মহাৰাজ, মই আপোনাৰ ৰাণী হ'বলৈ গুৰুৰ পৰা অনুমতি আনিলোঁ। পিছে এটা কথা। মোৰ এটা ইচ্ছা হৈছে।"

বৰ আনন্দৰে নহুষে ক'লে — "কোৱা মহাৰাণী, তোমাৰ ইচ্ছা মই পূৰণ কৰিম।"

শচীয়ে ক'লে — "শুনক,মই কইনা হৈ উঠি যাবলৈ এখন সোণ খটোৱা দোলা লাগিব। আপুনি যিখন দোলাত মোৰ ওচৰলৈ দৰা হৈ আহিব, সেইখন সপ্তৰ্ষিসকলে কঢ়িয়াব লাগিব। তাকে নহ'লেনো আপুনি কিহৰ দেৱৰাজ?"

নহুষৰ বৰ অহংকাৰ হ'ল। শচীৰ কথাত আনন্দ পাই তেওঁ সপ্তৰ্ষি, অৰ্থাৎ সাতজন ডাঙৰ ঋষিক মাতি আনিলে। ঋষিসকলে কেলেই মাতিছে নজনাকৈ নহুষৰ ওচৰ পালেগৈ। নহুষে তেতিয়া দৰাৰ দৰে সাজি-কাছি দোলাত বহি তেওঁলোকক দোলা কঢ়িয়াবলৈ আদেশ দিলে। সপ্তৰ্ষিয়ে নহুষৰ মৰসাহ দেখি অবাক হ'ল। তেওঁলোকৰ অতিপাত খং উঠিল যদিও স্বৰ্গৰ ৰজা বাবেই নহুষৰ আদেশ মানি দোলাখন কান্ধত তুলি ল'লে। পিছে তেওঁলোকৰ দোলা কঢ়িওৱা অভ্যাস নাই বাবে লাহে লাহে যাবলৈ ধৰিলে। অসভ্য নহুষে মাজে মাজে সুধি যাবলৈ ধৰিলে —

"আপোনালোকে বহুত দিন একো খোৱা নাই নেকি? গাত দেখোন বলেই নাই? চেৰেলা ঘোঁৰাৰ দৰে খোজ দিছে কিয়? খৰকৈ যাওক।"

খঙতে গুজৰি-গুমৰি ঋষিসকল একেদৰে গৈ থাকিল, এবাৰ নহুষে চাবুকডাল হাতত লৈ অগস্ত্য ঋষিৰ পিঠিত কোব এটা মাৰি "আৰু খৰকৈ যাব লাগে" বুলি কোৱাত অগস্ত্য বৈ গ'ল। তেওঁৰ চকুৰে যেন জুইহে ওলাবলৈ ধৰিলে। তেওঁ ক'লে —

"পাপী নহুষ, নিজৰ মৰণ নিজেই মাতিছ। তোক এইমাত্ৰ মই শাপ দি ভস্ম কৰিব পাৰোঁ। পিছে তেতিয়া তই বাচি যাবি। গতিকে তোক কদাকাৰ ঘিণ লগা সাপ হ'বলৈ অভিশাপ দিলোঁ। তই জীয়াই থাকি শাস্তি ভোগ কৰি থাক।"

সেই ব্ৰহ্মশাপত নহুষ লগে লগে প্ৰকাণ্ড শাপ এটা হৈ স্বৰ্গৰ পৰা খহি পৰিল। নহুষে নিজৰ মইমতালিৰ বাবে এই শাস্তি পোৱা দেখি সকলোৱে ভাল পালে। দোষ কৰিলে শাস্তি পাবই লাগে। তাৰ পিছত শচীৰ বেজাৰ আৰু দেৱতাসকলৰ অসুবিধা দেখি ইন্দ্ৰ লুকাই থকা ঠাইৰ পৰা ওলাই আহিল। বৃহস্পতিৰ দিহা মতে অশ্বমেধ যজ্ঞ কৰি তেওঁ বৃত্ৰাসুৰ বধৰ পাপ নোহোৱা কৰিলে। তাৰ পিছত ইন্দ্ৰই পুনৰ ৰজা হৈ সুকলমে স্বৰ্গত ৰাজত্ব কৰিবলৈ ধৰিলে। ○

# ত্ৰিশংকুৰ স্বৰ্গলাভ

ত্ৰিশংকু নামে এজন ৰজা আছিল। তেওঁ বৰ ধাৰ্মিক ৰজা আছিল। এবাৰ তেওঁ ভাবিলে যে যজ্ঞ এটা বৰ ডাঙৰকৈ পাতি তাৰ পুণ্যৰ ফলত তেওঁ জীয়াই থাকোঁতেই এই শৰীৰেৰে স্বৰ্গলৈ যাব। তেওঁ যজ্ঞ এটা ভালকৈ কৰি দিবৰ বাবে বশিষ্ঠ মুনিক অনুৰোধ কৰিলে। পিছে বশিষ্ঠ মুনিয়ে ক'লে যে ৰজাৰ ইচ্ছা পূৰণ হোৱাটো একেবাৰে অসম্ভৱ কথা, যজ্ঞ কৰি কোনেও সোশৰীৰে স্বৰ্গলৈ যাব নোৱাৰে। গতিকে তেওঁ ৰজাৰ হৈ যজ্ঞ নকৰোঁ বুলি ক'লে। ৰজা তেতিয়া বশিষ্ঠৰ এশজন পুতেকৰ ওচৰলৈ গ'ল আৰু যজ্ঞ কৰিবলৈ অনুৰোধ কৰিলে। তেওঁলোকেও দেউতাকৰ দৰেই উত্তৰ দিলে। ৰজাই তেতিয়া বেয়া পাই ক'লে — "পৃথিৱীত তোমালোকেহে কেৱল ঋষি আছানে? মই বেলেগৰ হতুৱাই যজ্ঞ কৰাই স্বৰ্গলৈ যামেই।"

ঋষি পুত্ৰসকলৰ তেতিয়া খং উঠিল। তেওঁলোকে ৰজাক চণ্ডাল হ'বলৈ অভিশাপ দিলে। লগে লগে ৰজা চণ্ডাল জাতিৰ মানুহৰ দৰে অশুৱনি, লেতেৰা আৰু জধলা হৈ পৰিল। তেওঁৰ কাপোৰ-কানিবোৰ দগধা আৰু সোণৰ অলংকাৰৰ ঠাইত লোহাৰ খাৰু হৈ পৰিল। সেই সময়ত মানুহে চণ্ডাল জাতিক বৰ ঘিণ কৰিছিল। গতিকে ৰজাক চণ্ডাল হোৱা দেখি পাত্ৰ মন্ত্ৰী সকলোৱে লগ এৰি দিলে। ৰজাই তেতিয়া বৰ বেজাৰ মনেৰে বিশ্বামিত্ৰ মুনিক প্ৰণাম কৰি তেওঁৰ দুৰ্গতিৰ কথা জনালেগৈ। বিশ্বামিত্ৰৰ পুতৌ হ'ল। তেওঁ ক'লে —

"তুমি চিন্তা নকৰিবা। মই তোমাক মহাযজ্ঞ এটা কৰি এই চণ্ডালৰ শৰীৰেৰেই স্বৰ্গলৈ পঠিয়াম।" বিশ্বামিত্ৰই মহাযজ্ঞৰ আয়োজন কৰি সকলো ঋষি-মুনিকে নিমন্ত্ৰণ কৰিলে। পিছে বশিষ্ঠৰ পুতেকহঁতে নিমন্ত্ৰণ পাই ক'লে বোলে বিশ্বামিত্ৰ নিজেই ব্ৰাহ্মণ নহয়, তদুপৰি যজ্ঞও কৰিছে চণ্ডালৰ বাবে। গতিকে সেই যজ্ঞলৈ তেওঁলোক নাযায়। সেই উত্তৰ পাই বিশ্বামিত্ৰ খঙত জ্বলি উঠিল। তেওঁ বশিষ্ঠৰ এশ পুতেকক অহা সাতশ জনমৰ বাবে অধম শ্ৰেণীৰ চণ্ডাল হ'বলৈ অভিশাপ দিলে। তাৰ পিছত নিজৰ শক্তি দেখুৱাবৰ বাবে যজ্ঞ সম্পূৰ্ণ কৰি তেওঁ ত্ৰিশংকুক ক'লে — "তুমি সাজু হোৱা, মই তোমাক স্বৰ্গলৈ পঠিয়াইছোঁ।"

লগে লগে যেনেকৈ আছে তেনেকৈয়ে ত্ৰিশংকু স্বৰ্গৰ ফালে উঠি যাবলৈ ধৰিলে।

সেই দৃশ্য দেখি সকলো অবাক হ'ল। স্বৰ্গৰ পৰা দেৱতাসকলেও সেই দৃশ্য দেখা পালে। ইন্দ্ৰই চিঞৰি ক'লে — "তুমি স্বৰ্গলৈ আহিব নোৱাৰা, উভটি যোৱা।" লগে লগে ত্ৰিশংকু তললৈ খহি পৰিল। ত্ৰিশংকু তললৈ আহি থকা দেখি বিশ্বামিত্ৰই ততালিকে ক'লে — "নাহিবা। য'তে আছা ত'তে ৰৈ থাকা।" লগে লগে ত্ৰিশংকু শূন্যতে ৰৈ থাকিল।

দেৱতাসকলে ত্ৰিশংকুক স্বৰ্গলৈ যাবলৈ নিদিয়াৰ বাবে বিশ্বামিত্ৰৰ খং বেছিহে হ'ল। তেওঁ তপস্যাৰ শক্তিৰে আকাশত নতুন নতুন গ্ৰহ, নক্ষত্ৰ আৰু এখন স্বৰ্গকে সৃষ্টি কৰিলে। তাত নতুন নতুন দেৱতা সাজিব ধৰা দেখি ইন্দ্ৰ, বায়ু আদিয়ে ভয় খাই পৃথিৱীলৈ নামি আহিল। তেওঁলোকে বিশ্বামিত্ৰক বন্দনা কৰি ক'লে — "হে মহৰ্ষি, আপুনি খং কৰিছে? ত্ৰিশংকুৰ ওপৰত ঋষিৰ অভিশাপ আছে বাবে তেওঁ স্বৰ্গলৈ যাব নোৱাৰে। সেই কথা বুজি আপুনি শান্ত হওক।" বিশ্বামিত্ৰই খং সামৰি ক'লে — "মই তেওঁক স্বৰ্গলৈ পঠিয়াম বুলি কথা দিছোঁ। গতিকে তেওঁ যিখিনিতে আছে, তাতে তেওঁ স্বৰ্গৰ দৰে সুখ লাভ কৰি থাকক। মই সাজি উলিওৱা গ্ৰহ-নক্ষত্ৰবোৰ চিৰকালৰ বাবে থাকক।"

দেৱতাসকল মান্তি হ'ল। স্বৰ্গ আৰু পৃথিৱীৰ মাজৰ ঠাইখিনিত শূন্যত এখন দ্বিতীয় স্বৰ্গ সাজি দি তাতে গ্ৰহ-নক্ষত্ৰৰ মাজত ত্ৰিশংকুক থাকিবলৈ দিয়া হ'ল। বিশ্বামিত্ৰই তেওঁৰ কথা ৰাখিলে। ○

# পৰীক্ষিতৰ ব্ৰহ্মশাপ

অৰ্জুনৰ পুত্ৰ আছিল অভিমন্যু, অভিমন্যুৰ পত্নী আছিল উত্তৰা। তেওঁলোকৰ পুত্ৰ পৰীক্ষিত। পৰীক্ষিত বৰ ডাঙৰ আৰু পৰাক্ৰমী ৰজা আছিল। তেওঁ চিকাৰ কৰি বৰ ভাল পাইছিল। এদিন তেওঁ হাবিৰ মাজত পহু এটা খেদি বহু দূৰ পালেগৈ। পিছে পহুটো কোনফালে গ'ল, তেওঁ ধৰিবই নোৱাৰিলে। বিচাৰি বিচাৰি তেওঁ পালেগৈ শমীক মুনিৰ আশ্ৰম। মুনিয়ে সেই সময়ত চকু মুদি ধ্যান কৰি আছিল। ৰজাই তেওঁক বাৰে বাৰে পহুটোৰ কথা সুধিলে, কিন্তু মুনিয়ে একো উত্তৰ নিদিলে। তাতে ৰজাৰ বৰ খং উঠিল। তেওঁ ওচৰতে পৰি থকা মৰা সাপ এডাল আনি মুনিৰ ডিঙিত মালাৰ দৰে ওলোমাই থৈ গুচি আহিল।

শমীক মুনিৰ শৃংগী নামে এজন খঙাল পুতেক আছিল। তেওঁ যেতিয়া নিজৰ গুৰুৰ গৃহৰ পৰা আহি দেউতাকৰ ডিঙিত মৰা সাপডাল দেখিলে, তেওঁ খঙত অতিষ্ঠ হৈ উঠিল। তেওঁ অভিশাপ দি ক'লে —

"মোৰ পিতৃক যিজনে এনে অপমান কৰিছে, আজিৰ পৰা সাত দিনৰ ভিতৰতে বিষাক্ত সাপ তক্ষকৰ দংশনত তেওঁৰ মৃত্যু হ'ব।"

এই অভিশাপ দিয়া শুনি শমীক মুনিয়ে বেজাৰ পালে। কাৰণ তেওঁ ৰজাক ইতিমধ্যে ক্ষমা কৰিছিলেই। এতিয়া আকৌ উপায় নাপাই তেওঁ পুতেকৰ অভিশাপৰ কথা জনাই আৰু মৃত্যুৰ বাবে মনেৰে সাজু হ'বলৈ ৰজালৈ বাতৰি পঠিয়ালে।

এই বাতৰি পাই ৰজা পৰীক্ষিতৰ বৰ ভয় আৰু চিন্তা লাগিল। তেওঁ মন্ত্ৰীসকলক উপায় সুধিলে, তেওঁলোকৰ দিহামতে ৰজা এটা ওখ ঘৰত উঠি থাকিল। ঘৰটোৰ চাৰিওফালে বহুত বেজ, ওজা আৰু পালি-পহৰীয়াই ৰখি থাকিল। ৰখীয়াবোৰে পৰুৱা এটাও ভিতৰলৈ সোমাব নোৱাৰাকৈ ৰখি থাকিবলৈ ধৰিলে।

শৃংগীৰ শাপ পূৰা কৰিবৰ বাবে তক্ষকে এজন ব্ৰাহ্মণৰ বেশ ধৰি ৰজাৰ ঘৰলৈ খোজ দিলে। ৰজাক ৰক্ষা কৰিবলৈ কাশ্যপ নামে এজন ডাঙৰ বেজ আহিছিল। তক্ষকে তেওঁক বহুতো ধন সোণ দি বাটৰ পৰাই ঘূৰাই পঠিয়ালে। তাৰ পিছত তেওঁ কেইটামান নাগক ব্ৰাহ্মণৰ বেশ ধৰি ৰজাৰ ঘৰলৈ পঠিয়ালে। তেওঁলোকে গৈ ৰজাক আশীৰ্বাদ দি কিছুমান ফলমূল উপহাৰ দিলে। সেই ফলৰ লগতে অকণমানি পোক এটা হৈ তক্ষকো

সোমাই গৈছিল। সেইদিনাই শৃংগীৰ অভিশাপৰ সাতদিন পূৰা হৈছিল। তেতিয়া গধূলি হোৱা নাছিল। বিপদৰ পৰা ৰক্ষা পৰিলে বুলি ভাবি পৰীক্ষিতে হাঁহি হাঁহি সৰু পোকটোক ডিঙিৰ ওচৰলৈ নি ধেমালি কৰি ক'লে —

"মোক দেখোন তক্ষকে মৰা কথা আছিল! ক'তা? তক্ষক নাহিল দেখোন। গতিকে ইয়েই মোখ খাওক আজি।"

লগে লগে ভয়ংকৰ তক্ষকে নিজৰ ৰূপ ধৰিলে। প্ৰচণ্ড শব্দ কৰি তক্ষকে পৰীক্ষিতক দংশন কৰিলে। সেই বিষ ইমান চোকা আছিল যে জুইৰ দৰে চাৰিওফালে পোহৰ হৈ পৰিছিল, পৰীক্ষিতৰ নিমিষতে মৃত্যু হ'ল।

পৰীক্ষিতৰ পিছত তেওঁৰ পুতেক জন্মেজয় ৰজা হ'ল। ৰজা হৈ তেওঁ সকলো সাপৰ ওপৰতে প্ৰতিশোধ ল'বৰ বাবে সৰ্পমেধ নামে যজ্ঞ পাতিলে। এই যজ্ঞত পুৰোহিতসকলে যি সৰ্পৰে নামত মন্ত্ৰ মাতে, সেই সৰ্পই আহি নিজে নিজে যজ্ঞৰ জুইত জঁপিয়াই মৰে। এইদৰে অসংখ্য সাপ আহি মৰাৰ পিছত তক্ষকৰ পালো পৰিল। ভয়তে তক্ষকে ইন্দ্ৰৰ সিংহাসনত মেৰিয়াই থাকিল। মন্ত্ৰৰ জোৰ বেছি হোৱাত তক্ষক সিংহাসনত বহি তকা ইন্দ্ৰৰে সৈতে যক্ষত পৰিবলৈ আহিল। তাকে দেখি সৰ্প-দেৱী মনসাৰ পুত্ৰ মহামুনি আস্তিকে ছল-বুদ্ধি কৰি তেওঁক ৰক্ষা কৰিলে।

জন্মেজয়ৰ এই সৰ্পযজ্ঞতে পোনপ্ৰথমে মহাভাৰত বহলাই ব্যাখ্যা কৰা হৈছিল। ○

# একলব্যৰ গুৰু-দক্ষিণা

কৌৰৱ আৰু পাণ্ডৱসকলৰ গুৰু দ্ৰোণাচাৰ্য এজন বিখ্যাত গুৰু আছিল। তেওঁৰ কাষত অস্ত্ৰশিক্ষা ল'বলৈ সকলো ল'ৰা আৰু ডেকাৰ ইচ্ছা আছিল। তেওঁ পিছে কেৱল ৰাজকুমাৰসকলকহে ধনু-কাঁড় চলোৱা, গদা যুদ্ধ কৰা, যাঁঠি চলোৱা আদি কামবোৰ শিকাইছিল। এদিন তেওঁৰ কাষলৈ এজন কম বয়সীয়া ল'ৰা আহি প্ৰণাম কৰি ক'লেহি — "গুৰুদেৱ, মোক আপোনাৰ শিষ্য ৰূপে গ্ৰহণ কৰক। মই মনে-প্ৰাণে আপোনাক গুৰু বুলি মানিছোঁ।" ল'ৰাটি দেখি দ্ৰোণাচাৰ্যৰ মৰম লাগিল আৰু তেওঁৰ পৰিচয় সুধিলে। ল'ৰাটিয়ে ক'লে যে তেওঁৰ নাম একলব্য, তেওঁ এজন নিষাদ অৰ্থাৎ চিকাৰী জাতিৰ ল'ৰা। দ্ৰোণাচাৰ্যই সদায় ৰজা-ৰাজকুমাৰক শিক্ষা দিয়াৰ বাবে একলব্যৰ দৰে নিহকুলীয়া ল'ৰাক শিক্ষা নিদিওঁ বুলি ঘূৰাই পঠিয়ালে।

একলব্য বেজাৰ মনেৰে ঘূৰি গ'ল। তেওঁ পিছে মনৰ বল নেহেৰুৱালে। হাবিৰ মাজৰ এঠাইত তেওঁ দ্ৰোণাচাৰ্যৰ মূৰ্তি এটা সাজি গুৰু বুলি সেৱা কৰি প্ৰতিদিনে মূৰ্তিটোৰ আগত ধনু-কাঁড় মৰাৰ অভ্যাস কৰিবলৈ ধৰিলে। এইদৰে কৰোঁতে কৰোঁতে তেওঁ অতি নিপুণ হৈ উঠিল। তেওঁ ইমান কঠোৰভাৱে অভ্যাস কৰিছিল যে সোনকালেই তেওঁ চমক লগা ধৰণে কাঁড় মাৰিবলৈ শিকিলে।

এদিন দ্ৰোণাচাৰ্যৰ তেওঁৰ প্ৰিয় শিষ্য অৰ্জুনক লগত লৈ বনৰ মাজত ভ্ৰমণ কৰি ফুৰিছিল। তেওঁলোকৰ আগে আগে এটা কুকুৰে ভুকি ভুকি দৌৰি ফুৰিছিল। কুকুৰটো হাবিৰ মাজলৈ সোমাই যোৱাৰ পিছতো তাৰ মাত শুনা গৈছিল। হঠাৎ তাৰ মাত বন্ধ হ'ল আৰু অলপ পিছতে কেইপাটমান কাঁড়েৰে মুখখন বন্ধ কৰি থোৱা অৱস্থাত সি ঘূৰি আহিল। দ্ৰোণাচাৰ্য বৰ আচৰিত হ'ল। কাৰনো এই কাম চাবৰ বাবে তেওঁ অৰ্জুনৰ লগত বনৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰত এঠাইত একলব্যৰ আশ্ৰম। চোতালত দ্ৰোণাচাৰ্যৰ এটা মূৰ্তিৰ আগত একলব্যই ধ্যান কৰি বহি আছিল। তাকে দেখি দ্ৰোণাচাৰ্য আচৰিত হ'ল। তেওঁ সুধিলে — "তুমি একলব্য নোহোৱানে? কুকুৰটোৰ মুখখন তুমিয়েই কাঁড় মাৰি বন্ধ কৰি থৈছা নেকি? ইমান অদ্ভুত কাঁড়ৰ কৌশল তুমি ক'ত শিকিলা?"

একলব্যই চকুমেলি সমুখতে দ্ৰোণাচাৰ্যক দেখি আনন্দত ভৰি চুই প্ৰণাম কৰি ক'লে — "হে গুৰুদেৱ, সকলো আপোনাৰ কৃপা, মই আপোনাক গুৰু বুলি মানি দিনে ৰাতি

অভ্যাস কৰি কাঁড় মৰা বিদ্যাত পাৰ্গত হৈছোঁ। মোৰ দৰে দুখীয়া শিষ্যৰ ঘৰলৈ দয়া কৰি আহিছে যেতিয়া অনুগ্ৰহ কৰি বহক, মই আপোনাৰ চৰণ বন্দনা কৰোঁ।"

দ্ৰোণাচাৰ্যই বুজি পালে যে একলব্যই সময়ত ইমানেই উন্নতি কৰিব যে তেওঁ অৰ্জুনতকৈও বীৰ হৈ উঠিব। প্ৰিয় শিষ্য অৰ্জুনতকৈ আন কোনোবা শ্ৰেষ্ঠ হোৱাটো তেওঁ নিবিচাৰিলে। গতিকে একলব্যক তেওঁ ক'লে যে, "মোক যদি গুৰু বুলি মানিছাই তেন্তে গুৰু-দক্ষিণা দিয়া।"

একলব্য বৰ আনন্দিত হ'ল। গুৰুৱে যি বিচাৰে তাকে দিবলৈ তেওঁ শপত খালে। তেতিয়া দ্ৰোণাচাৰ্যই নিষ্ঠুৰভাৱে ক'লে — "তোমাৰ সোঁহাতৰ বুঢ়া আঙুলিটো কাটি মোক গুৰু-দক্ষিণা দিয়া।"

সোঁহাতৰ বুঢ়া আঙুলিটো নাথাকিলে ধনু-কাঁড় মাৰিব নোৱাৰি। গতিকে আঙুলিটো কাটি পেলালে একলব্যৰ ইমান দিনৰ কষ্ট আৰু আশা বিফলো যাব। একলব্যৰ দুখত বুকু ভাগি গ'ল। তথাপিও গুৰুলৈ তেওঁৰ ইমানেই ভক্তি আছিল যে নিজ হাতে বুঢ়া আঙুলিটো কাটি গুৰুৰ চৰণত দিলে। একলব্যৰ ভক্তি আৰু সৰলতা দেখি দ্ৰোণাচাৰ্য আৰু অৰ্জুন দুয়ো আচৰিত হ'ল। ○

# মহাবীৰ কৰ্ণ

পঞ্চ-পাণ্ডৱৰ মাতৃ কুন্তী দেৱীয়ে ছোৱালী কালতে দুৰ্বাসা মুনিৰ পৰা শিকা মন্ত্ৰেৰে সূৰ্য দেৱতাক সন্তুষ্ট কৰি এটি পুত্ৰ সন্তান লাভ কৰিছিল। পিছে তেওঁ তেতিয়া নিজেই কম বয়সীয়া ছোৱালী, কেঁচুৱাটো পাই তেওঁ কি কৰিব ভাবি নাপালে। ধুনীয়া কেঁচুৱাটো, কাণত এযোৰ কুণ্ডল আৰু বুকুত এটা কবচ জন্মৰে পৰা লাগি আহিছে। কুন্তী দেৱীয়ে এটা চৰুত ভৰাই কেঁচুৱাটো নদীত উটাই দিলে।

চৰুটো উটি গৈ থাকোঁতে এঠাইত অধিৰথ নামে এজন লোকে দেখি চপাই আনিলে। অধিৰথ আছিল এজন নীহকুলীয়া সাৰথি। তেওঁ চৰুটোৰ মাজত ধুনীয়া ল'ৰাটি পাই বৰ আনন্দ পালে আৰু পত্নী ৰাধাক দিলেগৈ। তেওঁলোকৰ কোনো সন্তান নাছিল, গতিকে দুয়ো ভগৱানক ধন্যবাদ জনাই কেঁচুৱাটি বুকুত সাৱটি ল'লে আৰু কৰ্ণ নামেৰে ডাঙৰ-দীঘল কৰিবলৈ ল'লে।

মাক-দেউতাকৰ মৰমত কৰ্ণ ডাঙৰ হ'বলৈ ধৰিলে। তেওঁ শক্তিমান, সুপুৰুষ, দয়ালু আৰু দানবীৰ আছিল। অস্ত্ৰ-শস্ত্ৰ শিক্ষাৰ বাবে গুৰুৰ সন্ধান কৰোঁতে তেওঁ জানিব পাৰিলে যে পৰশুৰাম এজন প্ৰখ্যাত বীৰ আৰু অস্ত্ৰ বিদ্যাৰ প্ৰখ্যাত গুৰু। কিন্তু পৰশুৰামে ক্ষত্ৰিয়ক ঘৃণা কৰে আৰু কেৱল ব্ৰাহ্মণ কুমাৰকহে শিক্ষাদান কৰে। কৰ্ণৰ অস্ত্ৰ বিদ্যা লাভৰ বাসনা ইমান বেছি হৈছিল যে তেওঁ পৰশুৰামৰ ওচৰত নিজকে ব্ৰাহ্মণ বুলি পৰিচয় দি অস্ত্ৰ শিক্ষা ল'বলৈ ধৰিলে। নিজৰ বল, বুদ্ধি, নম্ৰতা আৰু পাৰদৰ্শিতাৰ বাবে অতি সোনকালে তেওঁ পৰশুৰামৰ প্ৰিয়পাত্ৰ হৈ উঠিল, গুৰুৰ কৃপাত তেওঁ অতি সোনকালে নানাবিধ অস্ত্ৰকলা শিকি উচ্চখাপৰ অস্ত্ৰবিদত পৰিণত হ'ল।

এদিন প্ৰিয় শিষ্য কৰ্ণৰ কোলাত মূৰ থৈ গুৰু পৰশুৰাম শুই আছিল। এনেতে এটা বিষাক্ত পোকে আহি কৰ্ণৰ উৰুত কামোৰ মাৰিলে। লগে লগে প্ৰচণ্ড বিষত কৰ্ণৰ তৎ হেৰাল। উৰুৰ পৰা ধাৰাসাৰে তেজ ব'বলৈ ধৰিলে। বিষত কাতৰ হ'লেও কৰ্ণই ওঁঠ কামুৰি সহ্য কৰি থাকিল, লৰচৰ নকৰাকৈ। কাৰণ লচৰচ কৰিলে গুৰুৰ নিদ্ৰা ভংগ হ'ব। অলপ পিছত সাৰ পাই পৰশুৰামে সেই তেজ দেখি অবাক হ'ল আৰু কৰ্ণৰ চকুলৈ চাই খঙেৰে সুধিলে — "তুমি কোন? তুমি নিশ্চয় ব্ৰাহ্মণ নোহোৱা? ব্ৰাহ্মণৰ ইমান সহ্য শক্তি নাথাকে মোক ছলনা কৰিবলৈ অহা তুমি নিশ্চয় কোনোবা

ক্ষত্ৰিয়।" কৰ্ণই যেতিয়া ভয়ে ভয়ে নিজৰ পৰিচয় দিলে তেতিয়া পৰশুৰামে ক'লে — "মোক ছলনা কৰাৰ বাবে মই তোক প্ৰতিফল দিম। তোৰ মৰণ কালত ৰথৰ চকা মাটিত সোমাই ধৰিব আৰু মোৰ পৰা শিকা সকলো অস্ত্ৰৰ প্ৰয়োগ-বিদ্যা তই সেই সময়ত পাহৰি যাবি।"

কৰ্ণৰ বৰ দুখ লাগিল। চকুপানী টুকি তেওঁ আঁতৰি আহিল।

কিছুদিন পিছত হস্তিনাপুৰত পাণ্ডৱ আৰু কৌৰৱ ৰাজকুমাৰসকলৰ এখন অস্ত্ৰবিদ্যাৰ প্ৰতিযোগিতাৰ ৰংমেলা হৈছিল। হাজাৰ হাজাৰ দৰ্শকে সেইবোৰ ৰং-ধেমালি উপভোগ কৰিছিল। ধনু-কাঁড় মৰা প্ৰতিযোগিতাবোৰত অৰ্জুনক কোনেও চেৰ পেলাব পৰা নাছিল। গদা যুদ্ধৰ কৌশলত ভীম আৰু দুৰ্যোধন সমানে গৈছিল। কৰ্ণই দেখিলে যে এনেবোৰ প্ৰতিযোগিতা তেওঁৰ বাবে তেনেই সাধাৰণ কথা, তেওঁ আৰু বেছি ভালকৈহে কাঁড় মাৰিব পাৰে। গতিকে তেওঁ সেই প্ৰতিযোগিতাত যোগ দিবলৈ অনুমতি বিচাৰিলে। তেওঁৰ খোজ-কাটল, গঢ়-গতি দেখি গুৰু দ্ৰোণাচাৰ্যই বুজিলে যে এইজন এজন প্ৰকৃত বীৰ। তথাপিও তেওঁ ক'লে — "এই প্ৰতিযোগিতা কেৱল ৰজা আৰু ৰাজকুমাৰৰ বাবেহে, সাধাৰণ মানুহৰ বাবে নহয়।" দুৰ্যোধনে অৰ্জুনৰ দক্ষতা দেখি আৰু মানুহে তেওঁক প্ৰশংসা কৰা দেখি হিংসাত জ্বলি-পুৰি মৰিছিল। গতিকে অৰ্জুনৰ প্ৰতিদ্বন্দ্বী হ'ব পৰা বীৰ এজন পাই তেওঁ বৰ ভাল পালে। তেওঁ লগে লগে সেই ঠাইতে কৰ্ণক অংগদেশৰ ৰজা পাতি অভিষেক সম্পন্ন কৰিলে। ৰজা হৈ কৰ্ণ প্ৰতিযোগিতাত যোগদান কৰিব পৰা হ'ল যদিও সাৰথিৰ পুত্ৰ বুলি জানি ভীমে তেওঁক নানাভাৱে ঠাট্টা-মস্কৰা কৰিবলৈ ধৰিলে। ফলত অৰ্জুনৰ লগত প্ৰতিযোগিতাত নানামি তেওঁ দুৰ্যোধনৰ লগত আঁতৰি গ'ল। সেই দিনাৰে পৰা কৰ্ণ দুৰ্যোধনৰ প্ৰিয় বন্ধু হৈ পৰিল।

মহাবীৰ কৰ্ণৰ খ্যাতি বাঢ়ি অহাৰ লগে লগে দেৱৰাজ ইন্দ্ৰই বুজিলে যে এওঁৰ পৰা অৰ্জুনৰ বিপদ হ'ব। কৰ্ণৰ গাত জন্মৰে পৰা থকা কৱচ আৰু কুণ্ডল থাকেমানে তেওঁক কোনেও ঘটুৱাব নোৱাৰে। সেইবাবে ইন্দ্ৰই এদিন ব্ৰাহ্মণৰ বেশেৰে আহি কৰ্ণৰ পৰা সেই দুটা খুজি ল'লে। সূৰ্য দেৱতাই সপোনতে কৰ্ণক আগতেই সতৰ্ক কৰি দিছিল যে ব্ৰাহ্মণৰ বেশ লৈ ইন্দ্ৰই তেওঁক ছলনা কৰিব। কিন্তু কৰ্ণ ইমান দানী আছিল যে কেতিয়াও কাকো বিমুখ নকৰে গতিকে জানি শুনিয়েই তেওঁ কটাৰীৰে কাটি কাটি কৱচ আৰু কুণ্ডল এৰুৱাই দিলে। ইন্দ্ৰই পেটে পেটে লাজ পালে কাৰণে কৰ্ণৰ সাধুতাত মুগ্ধ হৈ তেওঁক এপাত অব্যৰ্থ শেল দিলে। একাঘ্নি নামৰ এই অস্ত্ৰৰ দ্বাৰা মাথোন এজন মানুহকহে অব্যৰ্থভাৱে বধ কৰিব পাৰি।

কৰ্ণৰ সকলো গুণ আছিল যদিও ভাগ্যৰ বলত সাৰথিৰ পুত্ৰ বুলি জনাজাত হোৱাৰ বাবে তেওঁ প্ৰায়ে অপমানিত হ'ব লগা হৈছিল। দ্ৰৌপদীৰ স্বয়ম্বৰত যেতিয়া

মৎস্যচক্রভেদ কৰা কঠিন কামটো কোনেও কৰিব পৰা নাছিল, তেতিয়া কৰ্ণই কৰিবলৈ সাজু হৈছিল। তেওঁৰ বাবে সেইটো তেনেই সহজ কাম আছিল। পিছে কইনা হৈ থকা দ্ৰৌপদীয়ে জনালে যে মৎস্যচক্ৰভেদ কৰিবলৈ পাৰিলেও সাৰথি পুতেক এজনক তেওঁ কেতিয়াও মালা নিদিয়ে। গতিকে কৰ্ণ তাৰ পৰা আঁতৰি আহিল।

কৰ্ণই অৰ্জুনক তেওঁৰ প্ৰধান শত্ৰু বুলি জ্ঞান কৰিছিল আৰু দিনে-ৰাতিয়ে অৰ্জুনৰ বিনাশৰ বাবে চিন্তা কৰিছিল। তেওঁলোকৰ শত্ৰুতাৰ কথা চাৰিওফালে জনাজাত হৈছিল। এইবোৰ কথা জানি কুন্তীদেৱীৰ বৰ চিন্তা লাগিল। কৱচ-কুণ্ডল থকাৰ বাবে কৰ্ণ তেওঁৰ সূৰ্য দেৱতাই দিয়া সন্তানটো বুলি কুন্তীয়ে চিনি পাইছিল। গতিকে পঞ্চ-পাণ্ডৱ যে তেওঁৰ ভাইহে হ'ব, সেইকথা জনাই অৰ্জুনৰ লগত শত্ৰুতা নকৰিবৰ বাবে বুজাবলৈ তেওঁ এদিন নিৰ্জন ঠাইত কৰ্ণক লগ ধৰিলে। সকলো কথা জনোৱাৰ পিছত কুন্তী দেৱীক নিজৰ মাক বুলি জানি আনন্দ আৰু গৌৰৱত কৰ্ণৰ মন ভৰি পৰিল। কিন্তু জন্মৰ পিছতে নদীত উটুৱাই দিয়া নিষ্ঠুৰতাৰ বাবে মাকক তেওঁ ক্ষমা নকৰিলে। তেওঁৰ বৰ দুখো লাগিল। অৰ্জুনৰ বাহিৰে কুন্তীৰ বাকী কেইজন পুত্ৰক হত্যা নকৰে বুলি তেওঁ কুন্তীক কথা দিলে। তেওঁ ৰাধা আৰু অধিৰথকে নিজৰ মাতৃ আৰু পিতৃ বুলি গ্ৰহণ কৰি থাকিল।

কৰ্ণ দানবীৰ বুলি বিখ্যাত হৈ পৰিছিল। এবাৰ তেওঁনো কিমান দানী সেই কথা প্ৰমাণ চাবৰ বাবে কৃষ্ণই তেওঁৰ ঘৰত আলহী হৈ কৰ্ণৰ পুতেক বৃষকেতুক মাৰি তেওঁৰ মাংস ৰান্ধি দিবলৈ অনুৰোধ কৰিলে। এনেকুৱা অদ্ভুত অনুৰোধ শুনি অবাক হ'লেও বাৰে বাৰে অনুৰোধ কৰাত আলহীৰ কথামতে কৰ্ণই বৃষকেতুক হত্যা কৰিলে। পিছে সেয়া কৃষ্ণই মায়াৰে সৃষ্টি কৰা মিছা বৃষকেতুহে আছিল। কৃষ্ণই কৰ্ণৰ সৎ স্বভাৱৰ প্ৰশংসা কৰি আচল বৃষকেতুক আনি ওচৰতে দিয়াত সকলোৱে আনন্দ পালে।

অৰ্জুনক বধ কৰিবৰ বাবে যিপাত একাঘ্নি, অৰ্থাৎ এজনক বধ কৰিব পৰা অস্ত্ৰ কৰ্ণই সাঁচি থৈছিল, সেইপাট কিন্তু অন্য এজনৰ বাবে তেওঁ খৰচ কৰি পেলাব লগা হ'ল। ভীম আৰু হিড়িম্বাৰ পুত্ৰ ঘটোৎকচে এদিন প্ৰবল পৰাক্ৰমেৰে যুদ্ধ কৰি কৌৰৱ সেনা মাৰি নোহোৱা কৰিছিল। তেওঁৰ হাতত যেতিয়া সমগ্ৰ কৌৰৱ পক্ষ শেষ হোৱাৰ উপক্ৰম হৈছিল, তেতিয়া ঘটোৎকচক বধ নকৰিলে উপায় নোহোৱা অৱস্থা এটা হৈছিল। ৰাক্ষসী মাকৰ মায়াবী পুত্ৰ ঘটোৎকচে ৰাতিৰ ভাগত মায়া যুদ্ধ কৰি প্ৰলয়ৰ সৃষ্টি কৰিছিল। ঘটোৎকচক বধ কৰি কৌৰৱক ৰক্ষা কৰিবৰ বাবে কৰ্ণই ইন্দ্ৰৰ পৰা লাভ কৰা একাঘ্নি অস্ত্ৰ প্ৰয়োগ কৰে। সেই অস্ত্ৰৰ আঘাতত ঘটোৎকচৰ মৃত্যু হ'ল, পিছে ঘটোৎকচে মৃত্যুৰ আগে আগে মায়া কৰি পৰ্বতৰ সমান ডাঙৰকৈ শৰীৰটো বঢ়াই লৈছিল। সেইবাবে সেই বিৰাট শৰীৰ লৈ কৌৰৱৰ ফালে পৰি গৈ তেওঁ হাজাৰ হাজাৰ সৈন্য চেপেটা কৰি পেলালে।

অৰ্জুনক বধ কৰিবৰ বাবে থোৱা অস্ত্ৰপাত এইদৰে খৰচ কৰি কৰ্ণৰ শক্তি কমি যোৱা যেন হ'ল। তথাপিও কুৰুক্ষেত্ৰ যুদ্ধত দুদিন মহা পৰাক্ৰমেৰে তেওঁ সেনাপতিৰ বাব গ্ৰহণ কৰিছিল। তেওঁৰ বীৰত্বত পাণ্ডৱসকলে ভয় খাইছিল। পিছে এদিন মুখামুখিকৈ পৰাত দুয়োজনৰ বীৰত্বৰ সীমা নাছিল। কাঁড়ৰ দ্বাৰা আকাশ আন্ধাৰ হৈ পৰিছিল। এনে সময়তে হঠাৎ কৰ্ণৰ ৰথৰ চকাকেইটা মাটিত আধা সোমাই লাগি ধৰিলে। কোনোমতে ৰথখনে লৰচৰ নকৰা হ'ল। কৰ্ণ বুজি পালে যে পৰশুৰামৰ অভিশাপৰে এয়া ফল, মনৰ বল নেহেৰুৱাই তেওঁ অস্ত্ৰ তুলি ল'লে। পিছে সকলো অস্ত্ৰৰ প্ৰয়োগ-বিদ্যা পাহৰি পেলালে, এনে নিৰুপায় অৱস্থাত শুদা মাটিত নামি যুদ্ধ কৰা অৱস্থাত কৰ্ণক অৰ্জুনে কাঁড় মাৰি হত্যা কৰিলে।

মহাবীৰ কৰ্ণৰ মৃত্যুৰ বাতৰি পাই চাৰিওফালে হুলস্থুল লাগিল। কুন্তী দেৱীয়ে কান্দিবলৈ ধৰিলে। এইদৰেই দুৰ্ভগীয়া অথচ মহান কৰ্ণই পঞ্চ-পাণ্ডৱৰ ডাঙৰ ককায়েক হৈও তেওঁলোকৰ শত্ৰু ৰূপেৰে প্ৰাণ ত্যাগ কৰিলে। ○

# বীৰ বভ্ৰুবাহন

অৰ্জুনে এবাৰ তীৰ্থ যাত্ৰা কৰোঁতে মণিপুৰ ৰাজ্যত সোমাই ৰাজকন্যা চিত্ৰাংগদা আৰু নাগকন্যা উলুপীক বিয়া কৰাই মণিপুৰতে এৰি থৈ গৈছিল। চিত্ৰাংগদাৰ পুতেক বভ্ৰুবাহন পিছলৈ এজন বীৰ হ'ল আৰু সময়ত মণিপুৰৰ ৰজাও হ'ল।

পাণ্ডৱসকলে যেতিয় অশ্বমেধ যজ্ঞৰ বাবে দেশে দেশে ঘোঁৰা পঠিয়াইছিল, তেতিয়া মণিপুৰৰ ফালে ঘোঁৰাৰ লগত আহিছিল মহাবীৰ অৰ্জুন আৰু কৰ্ণৰ পুতেক বৃষকেতু। অৰ্জুন আহিব বুলি গম পাই চিত্ৰাংগদা আৰু বভ্ৰুবাহনৰ বৰ আনন্দ লাগিল, কাৰণ বভ্ৰুবাহনে তেওঁৰ দেউতাক অৰ্জুনক কেতিয়াও লগ পোৱা নাছিল। গতিকে অৰ্জুনে যেতিয়া সৈন্য-সামন্ত লৈ মণিপুৰৰ কাষত শিবিৰ পাতিলেহি, তেতিয়া বভ্ৰুবাহনে বহুতো উপহাৰ লৈ তেওঁক দেখা কৰিবলৈ গ'ল, অৰ্জুনে পিছে বভ্ৰুবাহনক চিনি নাপালে। তেওঁ ভাবিলে যে বভ্ৰুবাহনে মিছা কথা কৈছে। তেওঁ বৰ বেয়া ব্যৱহাৰ কৰি বভ্ৰুবাহনক ক'লে—

"তুমি কাৰ ল'ৰা মই নাজানো, মোৰ কিন্তু কেতিয়াও নোহোৱা। কাৰণ মোৰ ল'ৰা নিশ্চয় বীৰ হ'ব। বীৰে যুদ্ধৰ ভয়ত এইদৰে উপহাৰ লৈ দেখা কৰিবলৈ নাহে।"

এইদৰে বহুত টান কথা কৈ তেওঁ বভ্ৰুবাহনক খেদি দিলে। বভ্ৰুবাহনে বৰ লাজ আৰু বেজাৰ পালে। তেওঁৰ ভয়ংকৰ খং উঠিল। অৰ্জুনৰ আগত নিজৰ বীৰত্বৰ পৰিচয় দিবৰ বাবে তেওঁ যজ্ঞৰ ঘোঁৰাটো বন্দী কৰি থ'লে। ফলত অৰ্জুনৰ সৈন্যৰ লগত তেওঁৰ তুমুল যুদ্ধ লাগিল। বভ্ৰুবাহনৰ শৰৰ আঘাতত তিষ্ঠিব নোৱাৰি সৈন্যবোৰে পিছুৱাই গৈ অৰ্জুনক এই বাতৰি দিয়াত অৰ্জুন আৰু বৃষকেতু নিজেই যুদ্ধলৈ আহিল। পিছে বভ্ৰুবাহন ইমান বেছি বীৰ আছিল যে তেওঁৰ আক্ৰমণৰ আগত কোনো ঠাৱৰিব নোৱাৰিলে, প্ৰবল পৰাক্ৰমেৰে যুদ্ধ কৰি বভ্ৰুবাহনে দুপাত কাঁড়েৰে অৰ্জুন আৰু বৃষকেতুক বধ কৰিলে।

মহাবীৰ অৰ্জুনৰ মৃত্যু হোৱাত চাৰিওফালে হুলস্থূল লাগিল। চিত্ৰাংগদা আৰু উলুপীয়ে এই সংবাদ পাই কান্দিবলৈ ধৰিলে। চিত্ৰাংগদাই বভ্ৰুবাহনক ক'লে —

"তুমি কোন সতেৰে নিজৰ দেউতাৰাক হত্যা কৰিলা? তোমাৰ অলপো বেজাৰ নালাগিল নে?"

মাকে বিনাই বিনাই কন্দা দেখি বভ্ৰুবাহনৰো দুখ লাগিল। তেতিয়া উলুপীয়ে ক'লে

যে পাতালৰ নাগৰাজৰ হাতত সঞ্জীৱনী নামে মণি এটা আছে। সেই মণিটোৰ দ্বাৰা মৰা মানুহ জীয়াব পাৰি। উলুপীয়ে মণিটো আনিবলৈ নাগ এটা পাতাললৈ পঠিয়ালে। পিছে তাৰ মন্ত্ৰীৰ বুদ্ধিত নাগৰাজে মণিটো নিদিওঁ বুলি ক'লে। তেতিয়া বভ্রুবাহনে যুদ্ধযাত্ৰা কৰি নিজেই পাতাললৈ গ'ল আৰু যুদ্ধ কৰি বহুত নাগক ধ্বংস কৰি সঞ্জীৱনী মণি লৈ পুনৰ মণিপুৰ পালেহি।

অৰ্জুনৰ মৃত্যুৰ বাতৰি পাই ইতিমধ্যে কৃষ্ণও আহি মণিপুৰ পাইছিল। বভ্রুবাহনে সঞ্জীৱনী মণিৰে স্পৰ্শ কৰাত অৰ্জুন আৰু বৃষকেতু জী উঠিল। সকলোৱে বৰ আনন্দ পালে। কৃষ্ণই মনত পেলাই দিয়াত অৰ্জুনে চিত্ৰাংগদা আৰু উলুপীক চিনি পালে। চিত্ৰাংগদাৰ পুত্ৰ বভ্রুবাহন আৰু উলুপীৰ পুত্ৰ ইৰাবানক নিজৰ ল'ৰা বুলি মৰমেৰে তেওঁ সাৱটি ল'লে। বভ্রুবাহন যে অৰ্জুনতকৈও ডাঙৰ বীৰ সেই কথা সকলোৱে স্বীকাৰ কৰিলে। ○

# কিৰাট আৰু অৰ্জুন

পঞ্চ-পাণ্ডৱৰ ভিতৰত অৰ্জুন আছিল সবাতোকৈ বীৰ। তেওঁৰ ধনু-কাঁড় চলোৱাৰ কৌশল দেখি সকলো আচৰিত হৈছিল। কৌৰৱৰ দুষ্ট বুদ্ধিৰ বাবে পাণ্ডৱসকল যেতিয়া বনবাসলৈ যাবলগীয়া হৈছিল, তেতিয়া তেওঁলোকৰ মনত বেজাৰ লগাৰ লগতে খঙো উঠিছিল। ভীম আৰু অৰ্জুনে যুধিষ্ঠিৰক বুজাইছিল যে বনবাসৰ অন্তত কৌৰৱৰ লগত যুদ্ধ কৰিবই লাগিব। নহ'লে তেওঁলোকে পাব লগীয়া ৰাজ্য কেতিয়াও নাপায়, সেইকাৰণে বনবাসত থকা সময়খিনিত তেওঁলোকে কিছু পৰিমাণে সাজু হোৱা উচিত।

নিজৰ ভিতৰত পৰামৰ্শ কৰি তেওঁলোকে অৰ্জুনক কিছুমান নতুন অস্ত্ৰবিদ্যা শিকি আহিবৰ বাবে শিৱৰ ওচৰলৈ পঠোৱাকে ঠিক কৰিলে। সেইমতে অৰ্জুনে শিৱক তপস্যা কৰিবৰ বাবে হিমালয়লৈ যাত্ৰা কৰিলে। গৈ গৈ তেওঁ হিমালয়ৰ ওচৰ পালে। তাতে এখন নিৰ্জন ঠাইত বহি মাটিৰে এটা শিৱ মূৰ্তি গঢ়ি লৈ অৰ্জুনে একান্তমনে শিৱক ধ্যান কৰিবলৈ ধৰিলে।

এইদৰে বহুত দিন পাৰ হ'ল। এদিন অৰ্জুন তপস্যাত মগ্ন হৈ থাকোঁতে কৰবাৰ পৰা এটা বনৰীয়া গাহৰি আগেদি দৌৰি গ'ল। অৰ্জুনৰ ধ্যান ভংগ হ'ল আৰু উঠি গৈ গাহৰিটোৰ ফালে কাঁড় এপাট মাৰি পঠালে। গাহৰিটো বাগৰি পৰিল। একে সময়তে আনফালৰ পৰাও এপাট কাঁড় আহি গাহৰিটোৰ গাত পৰিল, এনেতে দূৰৰ পৰা মাত এটা শুনা গ'ল —

"হেৰা তপস্বী, গাহৰিটো মোৰ শৰত মৰিছে, তুমি তাৰ ভাগ নোপোৱা।"

অৰ্জুনে সেইফাললৈ চাই দেখিলে এজন কিৰাট জাতিৰ চিকাৰি ডেকাক। তেওঁৰ শৰীৰৰ বৰণ সোণৰ দৰে, পিন্ধিছে এখন বাঘৰ ছাল, মূৰত চৰাই পাখি লগাই লৈছে। তেওঁৰ লগত এজনী পাহাৰী গাভৰুও আছে। তেওঁলোকক দেখি অৰ্জুন অলপ আচৰিত হ'ল। কাৰণ ইমান গহীন বনত সাধাৰণতে মানুহ লগ পোৱা নাযায়। তেওঁ ক'লে —

"হেৰা চিকাৰি ডেকা, লগত এজনী ছোৱালী লৈ তুমিনো কি চিকাৰলৈ আহিছা? এই গাহৰিটো মইহে মাৰিছোঁ। তুমি মিছাতে মৰা গাহৰিৰ গাত কাঁড় মাৰিলা।"

"হেৰা, মিছা কথা নকবাদেই। গাহৰিটো মোৰ কাঁড়ত মৰিছে।"

অৰ্জুনৰ তেতিয়া খং উঠিল। তেওঁ চকু ঘোপাকৈ ডেকালৈ চালে। ডেকাজনে ঠাট্টা কৰি ক'লে —

"তোমাৰ যিটো গা, বলেই নাই যেন পাইছোঁ। তুমি গাহৰি মৰাৰ কথা ক'লে হাঁহিহে উঠে।"

এনেকৈ কোবাত অৰ্জুনে তেওঁক খেদা মাৰি গৈ ভুকু এটা মাৰিলে। পিছে তেওঁৰ গাটো যেনিবা লোহাৰেহে গঢ়া, লৰচৰেই নহ'ল। আচৰিত হৈ অৰ্জুনে তেওঁক আৰু কেইটামান ভুকু আৰু ঢকা দিলে যদিও তেওঁৰ একোৱেই নহ'ল। তাৰ পিছত তেওঁ ক'লে—

"তোমাৰ বল বাৰু বুজিলোঁ, মোৰ বল যদি চাব খুজিছা, মালযুঁজ কৰাহি।"

তাৰ পিছত অৰ্জুনৰ লগত তেওঁৰ হুতাহুতি আৰু মালযুঁজ লাগিল। বীৰ অৰ্জুনক তেওঁ শুকান পাত এখিলাৰ দৰে বাৰে বাৰে দাঙি নি দলিয়াই দিলে। তেওঁৰ লগৰ গাভৰুজনীয়ে ৰঙতে চাপৰি বজাই হাঁহিবলৈ ধৰিলে। ওচৰৰ হাবিৰ পৰা কেইটামান একেধৰণৰ বনৰীয়া মানুহ ওলাই "আমাৰ ৰজা জিকিলে" বুলি নাচিবলৈ ধৰিলে, অৰ্জুনে বৰ লাজ পালে। মাটিৰ পৰা উঠি তেওঁ গাণ্ডীৱ ধনু তুলি ল'লে। পিছে কি আচৰিত, তেওঁৰ কাঁড়বোৰ মানুহটোৰ গাত লাগি উফৰি আহে। তেওঁ যিবোৰ ভয়ংকৰ শক্তি থকা কাঁড় মাৰিলে, সেইবোৰ মানুহটোৱে মুখ মেলি মেলি গিলিবলৈ ধৰিলে। অৰ্জুন অতিকৈ আচৰিত হ'ল। সেই মায়াপী মানুহটোৰ লগত যুঁজিবলৈ শক্তি পাবৰ বাবে অৰ্জুনে শিৱৰ মূৰ্তিত পূজা কৰি ফুল দিবলৈ ধৰিলে। সেই ফুল লগে লগে গৈ মানুহটোৰ ভৰিত পৰিল।

এনে কাণ্ড হোৱা দেখি অৰ্জুনে বুজি পালে যে এই চিকাৰি ডেকাজন আন কোনো নহয়, স্বয়ং শিৱহে। তেওঁ ততালিকে মানুহজনৰ ভৰিত পৰিলে। লগে লগে চিকাৰি ডেকা হৈ পৰিল শিৱ, গাভৰুজনী পাৰ্বতী আৰু বনৰীয়া মানুহবোৰ শিৱৰ লগৰীয়া ভূত-প্ৰেত। নিজ ৰূপ ধৰাৰ পিছত শিৱই অৰ্জুনক ক'লে —

"হে অৰ্জুন, মই পাৰ্বতীৰে সৈতে আহি তোমাৰ শক্তিৰ পৰীক্ষাহে চাইছিলোঁ। তোমাৰ শক্তিত মই সন্তুষ্ট হৈছোঁ। তোমাৰ ভক্তি দেখিও ভাল পাইছোঁ। এতিয়া মই তোমাক কিছুমান অস্ত্ৰ-বিদ্যা শিকাম আৰু অতি শক্তিশালী পাশুপাত নামে অস্ত্ৰ দান কৰিম।"

অৰ্জুন বৰ আনন্দিত হ'ল। শিৱৰ কৃপাত বহুত নতুন কৌশল শিকি আৰু পাশুপাত অস্ত্ৰ লাভ কৰি তেওঁ আগতকৈও বীৰ হৈ ভাই-ককাইহঁতৰ ওচৰলৈ উভটি আহিল। ○

# অৰ্জুনৰ প্ৰতিশোধ

কুৰুক্ষেত্ৰ যুদ্ধত এদিন দ্ৰোণাচাৰ্যই চক্ৰবেহু নামেৰে এটা আঠ তৰপীয়া চক্ৰৰ আকৃতিৰে সৈন্য সজাই লৈ বৰ পৰাক্ৰমেৰে যুদ্ধ কৰিছিল। সেইদিনা অৰ্জুন অন্যফালে ব্যস্ত থকা বাবে চক্ৰবেহুৰ ভিতৰলৈ সোমাই যুদ্ধ কৰিব পৰা বীৰ পাণ্ডৱপক্ষত কোনো নাছিল, অৰ্জুনৰ কমবয়সীয়া ল'ৰা অভিমন্যুৱে বেহুৰ ভিতৰলৈ সোমোৱা কৌশল জানিছিল যদিও ওলোৱাৰ কৌশল তেওঁৰ শিকা হোৱা নাছিল। তথাপিও তেওঁ চক্ৰবেহুৰ মাজলৈ সোমাই গ'ল। আৰু পিছে পিছে যোৱা যুধিষ্ঠিৰ, ভীম আদিক বেহুৰ দুৱাৰ ৰখীয়া হৈ থকা জয়দ্ৰথে ভিতৰ সোমাবলৈ নিদিলে। অভিমন্যু অকলশৰীয়া হৈ পৰিল। তেওঁ ইমান বীৰ আছিল যে অকলেই সকলোকে ধ্বংস কৰি গৈছিল। তেওঁৰ বীৰত্ব দেখি কৌৰৱসকল ভয়তে কঁপি উঠিছিল, শেষত দ্ৰোণাচাৰ্য, কৰ্ণ, দুৰ্যোধন, দুঃশাসন আদি সাতজন মহাবীৰে একেলগে যুঁজ কৰি সেই মহাবীৰ সৰু ল'ৰাটোক অন্যায়ভাবে আৰু নিষ্ঠুৰভাবে বধ কৰিলে।

গধূলি নিজৰ শিবিৰলৈ যেতিয়া অৰ্জুন ঘূৰি আহিল, এই শোকলগা বাতৰিটো পাই তেওঁ বৰ বেজাৰ পালে। প্ৰথমতে তেওঁ চকুপানী টুকিলে, তাৰ পিছত খঙতে ভীষণমূৰ্তি ধাৰণ কৰিলে। তেওঁ সকলোৰে সমুখত প্ৰতিজ্ঞা কৰিলে — "মই অভিমন্যুক অন্যায়কৈ বধ কৰাৰ প্ৰতিশোধ ল'ম। পাপী জয়দ্ৰথক মই কালিলৈ বেলি মাৰ যোৱাৰ আগতেই হত্যা কৰিম। যদি তাকে কৰিব নোৱাৰো — তেন্তে মই নিজেই জুইত জাঁপ দি মৰিম।"

অৰ্জুনৰ এই প্ৰতিজ্ঞা শুনি পাণ্ডৱপক্ষই নতুনকৈ উৎসাহ পালে, কৌৰৱপক্ষৰ বুকু কঁপি উঠিল। জয়দ্ৰথে ভয়তে নিজৰ ৰাজ্যলৈ ঘূৰি যাবলৈ দুৰ্যোধনৰ অনুমতি বিচাৰিলে। তেতিয়া দ্ৰোণাচাৰ্যই ক'লে যে জয়দ্ৰথক ৰক্ষা কৰিবলৈ পিছদিনা তেওঁ বৰ কৌশলেৰে সৈন্যবোৰ সজাই ল'ব, গতিকে জয়দ্ৰথে ভয় কৰিব নালাগে।

পিছদিনা পাণ্ডৱসকল অৰ্জুনৰ বাবে চিন্তিত হ'ল। কৃষ্ণৰো অলপ চিন্তা লাগিল, কাৰণ বেলি মাৰ যোৱাৰ আগতে জয়দ্ৰথক বধ কৰিব নোৱাৰিলে অৰ্জুন নিজেই মৰিব লাগিব। অৰ্জুনে পিছদিনা কৃষ্ণৰ লগত জয়দ্ৰথক বিচাৰি ওলাল। অতি মেৰপেচ লগা প্ৰকাণ্ড বেহুৰ একেবাৰে ভিতৰত আছিল জয়দ্ৰথ। তেওঁৰ কাষ চাপিবলৈ হ'লে বাটে বাটে অসংখ্য মহাবীৰক যুদ্ধত হৰুৱাব লাগিব। অৰ্জুন জয়দ্ৰথৰ ওচৰলৈ যাওঁতে

দ্ৰোণাচাৰ্য আদি বহুত বীৰে বাটত বাধা দি তেওঁক পলম কৰিবলৈ ধৰিলে। চাওঁতে চাওঁতে দুপৰৰ বেলি আবেলিৰ ফালে লহিয়াবলৈ ধৰিলে, অথচ অৰ্জুন গৈ জয়দ্ৰথৰ কাষেই চাপিব পৰা নাই। তেতিয়া কৃষ্ণই এটা বুদ্ধি কৰিলে। তেওঁ নিজৰ সুদৰ্শন চক্ৰক পঠিয়াই বেলিটো ঢাকি ধৰিলে। লগে লগে গধূলিৰ আন্ধাৰ নামি আহিল। তাকে দেখি জয়দ্ৰথ ৰক্ষা পৰিল বুলি কৌৰৱসকলে আনন্দ কৰিবলৈ ধৰিলে। জয়দ্ৰথেও অলপ মুকলিলৈ আহি অৰ্জুনেনো কেনেকৈ মৰে চাবলৈ ইচ্ছা কৰিলে। সেই সুযোগতে অৰ্জুনে এপাট কাঁড় মাৰি জয়দ্ৰথৰ মূৰটো আকাশেৰে উৰুৱাই লৈ গ'ল। কৃষ্ণই আকৌ বেলিটো উলিয়াই দিয়াত সকলোৱে গম পালে যে তেতিয়া আবেলিহে হৈছে।

জয়দ্ৰথ আছিল বৃদ্ধক্ষেত্ৰ নামৰ ৰজাৰ পুতেক। জয়দ্ৰথৰ জন্মৰ সময়ত আকাশবাণী হৈছিল যে কোনোবা এজন মহাৰথীয়ে যুদ্ধত তেওঁৰ মূৰ কাটি পেলাব। সেই কথা শুনি ৰজাই অভিশাপ দি কৈছিল, "যি জনে মোৰ ল'ৰাৰ মূৰ মাটিত পেলাব, তেওঁৰ নিজৰ মূৰ ফাটি এশ টুকুৰা হ'ব।"

তেওঁ বৰ ধাৰ্মিক ৰজা আছিল। গতিকে এই অভিশাপ ফলিয়াব বুলি সকলোৱে জানিছিল। কৃষ্ণই এই অভিশাপৰ কথা অৰ্জুনক মনত পেলাই দিয়াত অৰ্জুনে জয়দ্ৰথৰ মূৰটো মাটিত নপৰাকৈ উৰুৱাই নিলে। যি ঠাইত জয়দ্ৰথৰ দেউতাকে বহি তপস্যা কৰি আছিল, তাতে তেওঁৰ কোলাত গৈ জয়দ্ৰথৰ মূৰটো ধুপুচকৈ পৰিল। হঠাতে উচপ খাই ৰজাই পুতেকৰ মূৰটো মাটিলৈ দলিয়াই দিলে। লগে লগে তেওঁৰ মূৰটোও ফাটি টুকুৰা-টুকুৰ হ'ল।

এইদৰে কৃষ্ণৰ সহায়ত অৰ্জুনে তেওঁৰ প্ৰতিজ্ঞা পূৰণ কৰি অভিমন্যু-হত্যাৰ প্ৰতিশোধ ল'লে। ○

# মহাবীৰ ভীমৰ সাধু

পাণ্ডুৰ পত্নী কুন্তী দেৱীয়ে বায়ু দেৱতাক সন্তুষ্ট কৰি পুত্ৰ সন্তান লাভ কৰিছিল। সেই পুত্ৰৰ নাম আছিল ভীম। ভীম আছিল বৰ বলী। তেওঁৰ ওপজাৰ সময়ত কিবা প্ৰকাৰে মাকৰ কোলাৰ পৰা ছিটিকি এটা শিলৰ ওপৰত পৰিছিল। শিলটো ভাগি গুড়ি হ'ল, পিছে কেঁচুৱা ভীমৰ একোৱেই নহ'ল।

সেই ভীম যেতিয়া দিনে দিনে ডাঙৰ হৈ আহিল, তেওঁৰ বল-শক্তিও ক্ৰমে ক্ৰমে বাঢ়িবলৈ ধৰিলে। সৰুকালত কৌৰৱসকল আৰু পাণ্ডৱসকলে খেল-ধেমালি কৰি ডাঙৰ হৈছিল। তেতিয়াও ভীমৰ দুষ্টালিৰ বাবে কৌৰৱসকলৰ শান্তি নোহোৱা হৈছিল। কেতিয়াবা তেওঁ গোটেইজাক ল'ৰাক লৈ জামু পাৰিবলৈ যায়। যেতিয়া কৌৰৱবোৰ গছত উঠেগৈ, তেতিয়া ভীমে তলৰ পৰা জোঁকাৰি দিয়ে। ফলত থল্ থলকৈ ল'ৰাবোৰ সৰি পৰে। কেতিয়াবা তেওঁ ধেমালিতে কাৰোবাৰ মূৰটো পানীত হেঁচা মাৰি ধৰি ৰং চায়। কেতিয়বাা কোনোবা দুটাৰ মূৰ দুটা যুঁজাই আনন্দ কৰে। খং উঠিলেও কোনেও একো কৰিব নোৱাৰে, কাৰণ মহাবীৰ ভীমৰ বল ইমান বেছি আছিল যে তেওঁক সকলোৱে ভয় কৰিছিল।

সেইবাবে দুৰ্যোধনে এটা নতুন বুদ্ধি কৰিলে। তেওঁ গংগানদীৰ পাৰত এটা ধুনীয়া ঘৰ সাজি তাত বহুত খোৱা বস্তু থৈ এদিন সাঁতোৰৰ খেল খেলিবলৈ সকলোকে লগ ধৰিলে। সেইমতে কৌৰৱ আৰু পাণ্ডৱসকলে নদীত সাঁতুৰি-নাদুৰি ৰং-ধেমালি কৰি ধুনীয়া ঘৰটোত লাড়ু-মিঠাই খাই জিৰণি ল'লে। ভীমৰ বাটিত দিয়া হ'ল বিষ মিহলোৱা লাড়ু সেই লাড়ু খাই ভীম অজ্ঞান হৈ পৰিল। তেতিয়া কোনেও নেদেখাকৈ দুৰ্যোধনে ভীমক নদীত পেলাই দিলে।

অচেতন ভীম গৈ পৰিলগৈ একেবাৰে পাতালপুৰীত। তাত সাপৰ ৰাজ্য। বিষাক্ত সাপবোৰে আহি ভীমৰ শৰীৰত খুটিবলৈ ধৰিলে। তাৰ ফলত কিন্তু ভীমৰ ভালহে হ'ল, শৰীৰত সোমাই থকা বিষবোৰ সাপবোৰে প্ৰতিটো কামোৰত শুহি নিবলৈ ধৰিলে। সেইবাবে বিষবোৰ ওলাই যোৱাত ভীমে সাৰ পালে। সাৰ পায়েই এসোপা সাপ দেখি তেওঁ এফালৰ পৰা সাপবোৰ মাৰি যাবলৈ ধৰিলে। পাতালত হুলস্থূল লাগি পৰিল। নাগৰাজ বাসুকী নিজে লৰি আহিল কি হৈছে চাবলৈ। ভীমক তেওঁ চিনি পালে, কাৰণ

ভীম আছিল সম্পৰ্কত তেওঁৰ নাতিবো নাতি। বাসুকীয়ে ভীমক মৰম কৰি এবিধ শক্তি বঢ়োৱা বিশেষ ঔষধ খাবলৈ দিলে। তাকে খাই ভীমৰ শক্তি আগতকৈও বহুগুণে বাঢ়িল। তেওঁ দুগুণ শক্তি লৈ পানীৰ পৰা ভালে-কুশলে ওলাই অহা দেখি দুৰ্যোধনে অবাক মানিলে।

ভীমে বকাসুৰ, হিড়িম্বাসুৰ আদি বহুত ভয়ংকৰ অসুৰক ডেকা কালত বধ কৰিছিল, তেওঁ হিড়িম্বা নামে এজনী ভাল স্বভাৱৰ ৰাক্ষসীকো বিয়া কৰাইছিল। ভীম আৰু হিড়িম্বাৰ পুত্ৰ আছিল বীৰ ঘটোৎকচ। ঘটোৎকচে কুৰুক্ষেত্ৰৰ যুদ্ধত প্ৰবল পৰাক্ৰমেৰে মায়াযুদ্ধ কৰি কৌৰৱসকলক মহা বিপদত পেলাইছিল। তেওঁৰ পৰা ৰক্ষা পৰাৰ কোনো উপায় নাপায় কৰ্ণই অৰ্জুনক হত্যা কৰিবলৈ সাঁচি থোৱা একাঘ্নি নামে ভয়ংকৰ কাঁড় মাৰি ঘটোৎকচক হত্যা কৰে। পাণ্ডৱৰ ভালৰ বাবে চিন্তা কৰি মৃত্যুৰ সময়তো ঘটোৎকচে মায়া কৰি নিজৰ শৰীৰটো পৰ্বতৰ সমান ডাঙৰ কৰিলে, তাৰ পিছত কৌৰৱৰ ফালে পৰি গৈ বহুত হাজাৰ সৈন্যক চেপেটা কৰি মাৰিলে। এইজন ৰাক্ষসপুত্ৰৰ মৃত্যুত ভীমে বৰ বেজাৰ পাইছিল।

ৰাজসভাত দ্ৰৌপদীক বেয়া ব্যৱহাৰ কৰাৰ খণ্ডত ভীমে দুঃশাসনৰ বুকু ফালি তেজ পি খাইছিল আৰু গদাৰে কোবাই দুষ্ট দুৰ্যোধনৰ উৰু ভাঙিছিল। যুদ্ধৰ শেষত যেতিয়া কৌৰৱবোৰ মৰি-হুজি শেষ হ'ল, তেতিয়া বাকী থকা ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ বেজাৰৰ শেষ নোহোৱা হৈছিল। ধৃতৰাষ্ট্ৰৰ বেছি খং উঠিছিল ভীমৰ ওপৰত। সেয়েহে এদিন দেখা-দেখিকৈ একো কৰিব নোৱাৰি মৰমৰ ছলতে ভীমৰ মূৰটো গুড়ি কৰোঁ বুলি তেওঁ বুদ্ধি কৰিলে। তেওঁৰ দুষ্ট বুদ্ধিৰ কথা নাজানি ভীম ওচৰ চাপি গ'ল। পিছে ভীমৰ দেৱতা-পিতৃ বায়ুদেৱে সেই বুদ্ধি বুজি পাই লৰালৰিকৈ লোহাৰ ভীম এটা সাজি ধৃতৰাষ্ট্ৰৰ ওচৰত দিয়াত ধৃতৰাষ্ট্ৰই সঁচা ভীম বুলি ভাবি সেইটোকে গুড়ি কৰিলে। তেওঁৰ হাতৰ ভয়ংকৰ চেপাত লোহাৰ ভীম ভাঙি গুড়ি হৈ গ'ল। তেতিয়া মিছা বেজাৰৰ ভাও ধৰি, "হাঁয়, এয়া মই কি কৰিলোঁ" বুলি তেওঁ বিলাপ কৰিবলৈ ধৰিলে। ভীমে হাঁহি হাঁহি ক'লে—

"ৰবদেউতা, মোৰ একো হোৱা নাই। আপুনি লোহাৰ ভীমহে গুড়ি কৰিলে।"

ধৃতৰাষ্ট্ৰই লাজ পালে। এইদৰে ভীমৰ গোটেই জীৱনেই আছিল যুদ্ধ আৰু বিপদেৰে ভৰা। নিজৰ বাহুবলেৰে তেওঁ সদায় জয়ী হৈছিল। ○

# বকাসুৰ বধ

পাশাখেলত পৰাজিত হোৱাৰ বাবে পঞ্চ-পাণ্ডৱ বনবাসলৈ যাবলগীয়া হৈছিল। কিছুদিন তেওঁলোকে কোনেও বিচাৰি নোপোৱাকৈ অ'ত ত'ত থাকি ভীক্ষা কৰি খাইছিল। এইদৰে এবাৰ গৈ পঞ্চ-পাণ্ডৱ আৰু মাক কুন্তী দেৱীয়ে একচক্ৰা নামে এখন নগৰত এঘৰ ব্ৰাহ্মণৰ ঘৰত আশ্ৰয় লৈ আছিল। এদিন বাতিপুৱা চাৰিজন পাণ্ডৱ ওলাই যোৱাৰ পিছত কুন্তী আৰু ভীম ঘৰত আছিল, হঠাৎ তেওঁলোকে ব্ৰাহ্মণৰ ঘৰত বৰ কন্দা-কটা কৰাৰ শব্দ শুনিলে। আচৰিত হৈ কুন্তী তেওঁলোকৰ ওচৰলৈ গৈ কিনো হৈছে সোধাত ব্ৰাহ্মণে ক'লে —

"আমাৰ এই ৰাজ্যৰ ৰজাজন এজন দুৰ্বল ৰজা। ৰাজ্যখনৰ ওচৰতে থকা বক নামৰ ৰাক্ষস এটাহে আচলতে এই ৰাজ্যৰ গৰাকী। বক অসুৰেই ৰাজ্যখন চোৰা-চিতা কৰে। তাৰ বাবে তাক প্ৰতিদিনে একোভাৰ ভাত আঞ্জা, দুটা ম'হ আৰু এজন মানুহৰ যোগাৰ ধৰিব লাগে। আজি আমাৰ মাজৰ যি কোনো এজন তাৰ আহাৰ হ'ব লাগিব। মই ভাবিছোঁ যে আজি ময়ে যাওঁ।" ব্ৰাহ্মণৰ কথা শুনি ব্ৰাহ্মণীয়ে ক'লে — "তেনে কথা নক'ব। আপুনি নাথাকিলে আমাৰ পৰিয়ালটোৰ কি অবস্থা হ'ব ভাবকচোন। গতিকে বকাসুৰৰ ওচৰলৈ ময়ে যাওঁ।"

ব্ৰাহ্মণৰ জীয়েকে ক'লে — "পিতা আৰু আই ঘৰতে থাকা। ময়ে ৰাক্ষসৰ ওচৰলৈ যাওঁ, কাৰণ মই গ'লে কাৰো ক্ষতি নহয়।"

অকণমানি ল'ৰাটিয়ে ক'লে — "নহ'লে ময়ে যাওঁ নেকি আই?"

এইদৰে কথা পাতি আটাইবোৰে কন্দা-কটা কৰাত কুন্তীয়ে ক'লে — "আপোনালোকে দুখ নকৰিব। মোৰ এজন পৰাক্ৰমী পুত্ৰ আছে, তেওঁকে মই বকাসুৰৰ ওচৰলৈ পঠিয়াম।"

ব্ৰাহ্মণে ক'লে — "সেইটো কেনেকৈ হ'ব? আপোনালোক আমাৰ অতিথি। অতিথিক মই কেনেকৈ বিপদত পেলাম?"

কুন্তীয়ে ক'লে যে তেওঁৰ পুত্ৰই মন্ত্ৰ জানে। মন্ত্ৰৰ দ্বাৰা সি ৰাক্ষসৰ আহাৰৰ যোগান ধৰি ভালে ভালে ঘুৰি আহিব পাৰিব। সেই কথা শুনি ব্ৰাহ্মণ মান্তি হ'ল।

ভীমে তেতিয়া বকাসুৰ থকা হাবিখনলৈ যাত্ৰা কৰিলে। তাত ভাৰে ভাৰে ভাত-আঞ্জা, চৰুৰে চৰুৰে ঘিউ-মৌ, মাছ-মঙহ থুপাই থোৱা আছিল। ভীমে ৰংমনেৰে সেইবোৰ খাবলৈ ধৰিলে। এনেতে গিৰিপ্ গিৰিপ্ শব্দ কৰি বকাসুৰ আহি পালে। দূৰৰ পৰাই কোনোবাই তাৰ ভাগৰ ভাত-আঞ্জা খোৱা দেখি সি দেদাউৰি পাৰিবলৈ ধৰিলে। ভীমৰ পিঠিত সি প্ৰকাণ্ড ভুকু এটা মাৰিলে, পিছে ভীমে কেৰেপকে নকৰিলে। খণ্ডত সি ভীমক পাৰেমানে ভুকুৱাবলৈ ধৰাত ভীমে ক'লে — "ৰ চোন ৰ, কিয় আমনি কৰিছ? ভাতকেইটা মোক খাই ল'বলৈ দে।"

বকাসুৰ খণ্ডত বলীয়া হৈ পৰিল। এজোপা শাল গছ উভালি সি ভীমক খেদি আহিল। ভীমৰো খোৱা হৈছিল। মুখ-হাত ধুই উঠি তেওঁ শালগছজোপা থপিয়াই ধৰিলে। তাৰ পিছত বকাসুৰক দাঙি লৈ মূৰৰ ওপৰত কেইপাকমান ঘূৰাই দূৰলৈ দলিয়াই দিলে। সি উঠি আহিব পৰৰ আগতে ভীমে তাক বুকুত গচকি মাৰি পেলালে। ভীমৰ শক্তি দেখি বাকী সৰু-সুৰা ৰাক্ষসবোৰ পলাই ফাট মাৰিলে।

পিছদিনা নগৰৰ ঘাই দুৱাৰত বকাসুৰৰ মৰাশ পৰি থকা দেখি মানুহবোৰৰ বৰ ৰং লাগিল। তেওঁলোকে চিৰকালৰ বাবে ৰাক্ষসৰ অত্যাচাৰৰ পৰা মুক্তি পালে। ○

# জৰাসন্ধ বধ

মগধৰ ৰজা আছিল জৰাসন্ধ। তেওঁ অতি দুষ্ট প্ৰকৃতিৰ ৰজা আছিল। তেওঁৰ জন্মৰ কাহিনীও অতি অদ্ভুত। তেওঁ গোটা এটি শিশু হৈ ওপজা নাছিল, উপজিছিল দু ফাল হৈ। দুয়োফালতে এটি চকু, এখন কাণ, এখন হাত, এখন ভৰি আদি শৰীৰৰ আধা অংগ আছিল। এনে অদ্ভুত কাণ্ড দেখি দুখ আৰু লাজত মাক ৰাণীয়ে তেওঁৰ লিগিৰীবোৰক কেঁচুৱা দুফাল পেলাই দিবলৈ ক'লে। লিগিৰীবোৰেও নি খালত পেলাই দিলে। ৰাতি জৰা নামৰ এজন ৰাক্ষসীয়ে পেলনীয়া বস্তুৰ মাজত আহাৰ বিচাৰি ফুৰোঁতে সেই কেঁচুৱা দুফাল পালে। তাই অতি আচৰিত হৈ দুয়োফাল লগ লগাই টিপা এটা মাৰোঁতে এটি গোটা কেঁচুৱা হৈ পৰিল আৰু ৰাক্ষসীৰ মুখলৈ চাই কান্দিবলৈ ধৰিলে। তাকে দেখি ৰাক্ষসীজনীৰো মৰম লাগিল আৰু ৰজাৰ ঘৰলৈ গৈ ৰাণীয়ে পেলাই দিয়া সেই কেঁচুৱাটো দান কৰিলে। ৰজাই বৰ আনন্দ পালে। জৰা ৰাক্ষসীয়ে যোৰা লগোৱা সেই কেঁচুৱাটিৰ নাম ৰখা হ'ল জৰাসন্ধ।

জৰাসন্ধ ক্ৰমে ক্ৰমে ডাঙৰ হৈ বলৱান হৈ উঠিল। তেওঁৰ শৰীৰত দীঘে দীঘে যোৰা লগোৱা চিন এটা আছিল। তেওঁৰ স্বভাৱ আছিল অসৎ আৰু নিষ্ঠুৰ। শিশুপাল আদি দুষ্ট ৰজাসকলৰ লগত বন্ধুত্ব কৰি তেওঁ কৃষ্ণক ঘোৰ শত্ৰু বুলি ভাবিবলৈ ধৰিছিল আৰু বাৰে বাৰে মথুৰা আক্ৰমণ কৰি কৃষ্ণক ব্যতিব্যস্ত কৰি তুলিছিল। জৰাসন্ধৰ আক্ৰমণৰ পৰা সাৰিবৰ বাবেই কৃষ্ণই মথুৰাৰ পৰা ৰাজ্য উঠাই নি সাগৰৰ মাজত দ্বাৰকা স্থাপন কৰিছিল, এনে আক্ৰমণত যি সকল ৰজাই তেওঁৰ ফলীয়া হৈ কৃষ্ণৰ লগত যুদ্ধ কৰা নাছিল, সেই আটাইবোৰকে জৰাসন্ধই ধৰি আনি কাৰাগাৰত ভৰাই থৈছিল। বহু বছৰ ধৰি অন্ধকাৰ কাৰাগাৰত থকা সেই ৰজাসকলে জানিছিল যে জৰাসন্ধই এটা বিশেষ কাৰণতহে তেওঁলোকক বন্দী কৰি থৈছে। যিদিনাই বন্দী ৰজাৰ সংখ্যা বহুত হ'ব, সেইদিনাই তেওঁলোকক ৰণচণ্ডীৰ আগত বলি দিয়া হ'ব। পাহাৰৰ গুহাত অন্ধকাৰ কাৰাগাৰত তেওঁলোকৰ দুখ-কষ্টৰ সীমা নোহোৱা হৈছিল। সেয়েহে গোপনে এজন দূত পঠিয়াই ৰজাসকলে কৃষ্ণলৈ কাতৰ অনুৰোধ কৰিলে, কৃষ্ণই যেন জৰাসন্ধক মাৰি তেওঁলোকক মুক্ত কৰে।

সেই সময়তে যুধিষ্ঠিৰেও ৰাজসূয় যজ্ঞৰ আয়োজন কৰি শ্ৰীকৃষ্ণক সপৰিয়ালে

নিমন্ত্ৰণ কৰিছিল। ৰাজসূয় যজ্ঞ কৰাৰ আগতে সকলো ৰজাকে তলতীয়া কৰি লোৱাৰ নিয়ম। সকলো ৰজাক বলে পাৰিলেও জৰাসন্ধক সহজে বলে পৰা টান। যুধিষ্ঠিৰে সেই কথাৰ বাবে চিন্তা কৰি আছিল। কৃষ্ণই ভাবিলে যে এই সময়তে জৰাসন্ধক হত্যা কৰাৰ সুযোগ পোৱা যাব। তেওঁ যুধিষ্ঠিৰৰ অনুমতি লৈ ভীম আৰু অৰ্জুনক লগত ল'লে আৰু তিনিওজনে ব্ৰাহ্মণৰ বেশ লৈ জৰাসন্ধৰ নগৰলৈ যাত্ৰা কৰিলে।

তিনিও ছদ্মবেশী ব্ৰাহ্মণ গৈ জৰাসন্ধৰ ৰাজ্য পাই ৰজাৰ দৰ্শনৰ বাবে গ'ল। জৰাসন্ধই ব্ৰাহ্মণ দেখি সন্মান কৰি কি লাগে বুলি সোধাত কৃষ্ণই ক'লে যে তেওঁলোকে যি দান বিচাৰিব তাকে ৰজাই দিম বুলি অংগীকাৰ কৰিব লাগিব। জৰাসন্ধৰ অলপ সন্দেহ হ'ল। কাৰণ তিনিওৰে চেহেৰা ক্ষত্ৰিয়ৰ দৰে হৃষ্ট-পুষ্ট, ব্ৰাহ্মণৰ দৰে নহয়। তদুপৰি ধনু-কাঁড় ব্যৱহাৰ কৰাৰ চিনো আছে তেওঁলোকৰ কঠিন হাতত। তথাপিও তেওঁ যি লাগে তাকে দিবলৈ স্বীকাৰ কৰি তেওঁলোকৰ প্ৰকৃত পৰিচয় বিচাৰিলে, তেতিয়া ব্ৰাহ্মণৰূপী কৃষ্ণই ক'লে — "এয়া তোমাৰ সমুখত এইজন প্ৰবল শক্তিযুক্ত ভীম, এইজন মহাবীৰ অৰ্জুন আৰু মই হ'লোঁ তোমাৰ চিৰকালৰ শত্ৰু শ্ৰীকৃষ্ণ। তুমি আমাৰ মাজৰ যি কোনো এজনৰ লগত দ্বৈৰথ যুদ্ধ কৰা। আমি তাকে বিচাৰিছোঁ।" তেতিয়া জৰাসন্ধই ক'লে, "ছদ্মবেশী ভয়াতুৰহঁত। যুদ্ধ দিয়াত মোৰ কোনো আপত্তি নাই। পিছে কৃষ্ণৰ লগত যুদ্ধ নিদিওঁ, কাৰণ সি মোৰ ভয়ত সদায় পলাই ফুৰে, তাৰ লগত জিকিলেও মোৰ যশস্যা নহ'ব। অৰ্জুন মোতকৈ বয়সত সৰু আৰু দেখাতো ক্ষীণ। মোৰ যুঁজিবলৈ মন গৈছে ভীমৰ লগতহে।"

তাৰ পিছত দুডাল বিয়াগোম গদা লৈ ভীম আৰু জৰাসন্ধ মুকলি পথাৰলৈ গ'ল। তাতে দুয়ো যুদ্ধ আৰম্ভ কৰিলে। ভয়াবহ যুদ্ধ। গদাই গদাই খুন্দা খাই ফিৰিঙতি ওলাবলৈ ধৰিলে। দুয়োজনৰে গাত হাতীৰ সমান বল। কোনেও কাকো বলে নোৱাৰিলে। গদা ভাঙি শেষ হোৱাত দুয়ো মল্লযুদ্ধ কৰিবলৈ ধৰিলে। বগৰা-বাগৰি, লাঠি-ভুকু আদি নানা প্ৰকাৰে ব্যৱহাৰ কৰি ইজনে সিজনক আঘাত কৰিলে। বলীয়া হাতীয়ে যুঁজাৰ দৰে দুয়োজনে যুঁজি থাকিল। ভীমে জৰাসন্ধক কোনোমতে পৰাস্ত কৰিব নোৱাৰা যেন দেখি অৰ্জুনৰ চিন্তা লাগিল। তেতিয়া কৃষ্ণৰ মনত পৰিল যে দীঘে দীঘে দুফাল কৰিলেহে জৰাসন্ধ মৰিব, নহ'লে নমৰে। তেওঁ ভীমে দেখাকৈ ঘাঁহৰ পাত এখিলা ছিঙি দুফালকৈ দেখুৱালে। ভীমে লগে লগে ইংগিতটো বুজি পাই দুগুণ উৎসাহেৰে জৰাসন্ধক আক্ৰমণ কৰি এখন ভৰিত গচকি ধৰি আনখন ভৰি ডাঙি আনি তেওঁক দুফালকৈ ফালি মাৰি পেলালে।

তাকে দেখি দুষ্টবোৰৰ হাহাকাৰ লাগিল, তাৰ পিছত পাহাৰৰ গুহাত আবদ্ধ ৰজাসকলক মুকলি কৰি দিয়া হ'ল। তেওঁলোকে কৃষ্ণৰ চৰণত বাৰে বাৰে প্ৰণাম কৰি বিদায় ল'লে। কৃষ্ণ আৰু ভীম-অৰ্জুন আনন্দ মনেৰে যুধিষ্ঠিৰৰ ওচৰলৈ ঘূৰি আহিল।○

# শিশুপাল বধ

বিষ্ণুৰ পাৰিষদ জয় আৰু বিজয়ে যেতিয়া চাৰি সিদ্ধ সনক, সনাতন সনন্দ আৰু সনৎকুমাৰক বিষ্ণুৰ ওচৰলৈ যাবলৈ বাধা দিছিল, তেতিয়া চাৰি সিদ্ধই তেওঁলোকক অসুৰ হৈ পৃথিৱীত জন্ম ল'বলৈ অভিশাপ দিছিল। জয়-বিজয়ৰ দুখ লগা অৱস্থা দেখি ভগৱান বিষ্ণুৱে কৈছিল যে তেওঁলোকে পৃথিৱীত জন্ম লৈ বৈৰীভাৱে চিন্তা কৰিলে সোনকালে বিষ্ণুৱে তেওঁলোকক মুক্তি দিব। সেইমতে জয়ে প্ৰথমতে হিৰণ্যকশিপু, দ্বিতীয়তে ৰাৱণ আৰু শেষৰ বাৰ শিশুপাল হৈ জন্ম গ্ৰহণ কৰিছিল।

শিশুপাল আছিল ৰজা দমঘোষৰ পুত্ৰ। শিশুপালৰ মাতৃ আছিল কৃষ্ণৰ পেহীয়েক। ওপজাৰ সময়ত শিশুপালৰ ৰূপ বৰ অদ্ভুত আছিল। তেওঁৰ তিনিটা চকু আৰু চাৰিটা হাত আছিল। এনে সময়তে আকাশবাণী হ'ল যে যিজনৰ কোলাত দিলে এই কেঁচুৱাটিৰ অতিৰিক্ত হাত দুখন আৰু চকু এটা নোহোৱা হ'ব, তেওঁৰ হাততে কেঁচুৱাটিৰ পিছত মৃত্যু হ'ব। সেই কথা শুনি মাক-দেউতাকে সকলো মানুহকে কেঁচুৱাটো একোলাকৈ লৈ চাবলৈ দিলে। পিছে কাৰো হাততে একো নহ'ল। শেষত যেতিয়া কৃষ্ণৰ হাতত দিয়া হ'ল, তেতিয়া লগে লগে তাৰ বেছি হৈ থকা হাতদুখন আৰু চকুটো নোহোৱা হৈ এটা স্বাভাৱিক কেঁচুৱাৰ দৰে হৈ পৰিল। তেতিয়া দেউতাকে আনন্দ পালে যদিও ভয়ো খালে যে কৃষ্ণৰ হাততে পুতেকৰ মৃত্যু হ'ব। তেওঁ কৃষ্ণক কাকুতি কৰি ক'লে — "হে কৃষ্ণ, মোৰ এই শিশু সন্তানটিৰ তোমাৰ হাততে মৃত্যু হ'ব বুলি মোৰ বৰ চিন্তা লাগিছে, অনুগ্ৰহ কৰি তুমি দিনে দহটাকৈ তাৰ দোষ ক্ষমা কৰিবা।"

কৃষ্ণই ক'লে — "মই বাৰু দিনে এশটাকৈ তাৰ দোষ ক্ষমা কৰিম। এদিনতে এশটা দোষ নলগালে মই কেতিয়াও তাৰ প্ৰাণ নলওঁ।"

এই কথাত শিশুপালৰ বংশ-পৰিয়ালে বৰ ৰং পালে, কাৰণ একেদিনাই এশটা জগৰ লগোৱাটো সম্ভৱেই নহয়।

ডাঙৰ হৈ শিশুপাল নিষ্ঠুৰ আৰু অসৎ হৈ উঠিল। জৰাসন্ধ, ৰুক্মবীৰ আদি দুষ্ট ৰজা আৰু ৰাজকুমাৰবোৰ তেওঁৰ বন্ধু হ'ল। ৰুক্মবীৰে তেওঁৰ ভনীয়েক ৰুক্মিণীক শিশুপাললৈ বিয়া দিব খুজিছিল। পিছে ৰুক্মিণীৰ আমন্ত্ৰণ পাই কৃষ্ণই দ্বাৰকাৰ পৰা গৈ ৰুক্মিণীক হৰণ কৰি লৈ আহিল। শিশুপালে খেদা মাৰি গৈও ৰুক্মিণীক নাপালে। গতিকে কৃষ্ণৰ প্ৰতি

তেওঁৰ খং আৰু শত্ৰুতাৰ ভাব দিনে দিনে বাঢ়ি আহিল।

যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত শিশুপালেও নিমন্ত্ৰণ পাই উপস্থিত হৈছিলগৈ। সেই যজ্ঞত সকলো ৰজা-মহাৰজা, ঋষি-মুনি, দেৱতাসকল আৰু নাগসকল উপস্থিত আছিল। জাকজমকতা আৰু আড়ম্বৰেৰে ভৰা সেই যজ্ঞসভাত সকলো গোট খোৱাৰ পিছত কোনজন ব্যক্তিক বিশেষ সন্মান কৰি প্ৰথমে অৰ্চনা কৰা হ'ব সেই কথা লৈ সকলো বিমোৰত পৰিল। কাৰণ ইমানবোৰ গুণী-জ্ঞানী, মহান মানুহ আৰু দেৱতাৰ মাজত শ্ৰেষ্ঠজন বাছি উলিওৱা সহজ নহয়। তেতিয়া সহদেৱে ক'লে যে দেখাতেই শ্ৰীকৃষ্ণ হৈছে শ্ৰেষ্ঠ পুৰুষ। তেওঁৰ গুণ আৰু মাহাত্ম্যৰ কথা নজনা কোনো নাই। গতিকে কৃষ্ণকেই প্ৰথম অৰ্চনা কৰা উচিত, সেই কথাত সকলো মানুহে আনন্দ পালে। ভীষ্ম আদি জ্ঞানীসকলে সহদেৱক শলাগিবলৈ ধৰিলে। শিশুপালৰ কিন্তু বৰ খং উঠিল। কৃষ্ণৰ এনে সন্মান তেওঁৰ সহ্য নহ'ল। খঙৰ কোবত থিয় হৈ শিশুপালে ডাঙৰ ডাঙৰকৈ সকলো ক'বলৈ ধৰিলে — "আপোনালোকৰ হ'ল কি? অগ্ৰপূজা কৰিবলৈ বিচাৰি পালে কৃষ্ণৰ দৰে তলখাপ্ৰৰ এজনক? ইমানবোৰ দেৱতা, ডাঙৰ ডাঙৰ ৰজা, পিতামহ ভীষ্মৰ দৰে বয়োবৃদ্ধজন, দ্ৰোণাচাৰ্যৰ দৰে গুৰু থাকোঁতেও গুৱালৰ পুত্ৰ সেই কৃষ্ণই কেনেদৰে পূজা পাব পাৰে। গোপীৰ ঘৰে ঘৰে মাখন চুৰ কৰা, বৃন্দাবনত গৰুৰ পিছে পিছে দৌৰি ফুৰা গৰখীয়া এটা কেনেকৈ শ্ৰেষ্ঠ হ'ব পাৰে?"

শিশুপালৰ কথাবোৰ শুনি সকলো মানুহৰে গা বেজ-বেজাই গ'ল। ভীম, সহদেৱ আদি পাণ্ডৱসকলে তেওঁক এশিকনি দিওঁ বুলি সাজু হ'ল। কৃষ্ণ পিছে নিৰ্বিকাৰ হৈ থাকিল। তেওঁ শান্তভাৱে মিচিকি হাঁহিৰে হাতত থকা শ-পহীয়া পদুমফুল এপাহ লিৰিকি-বিদাৰি থাকিল। শিশুপালে দুগুণ জোৰেৰে কৃষ্ণৰ চৰিত্ৰৰ বিষয়ে বেয়া বেয়া কথা ক'বলৈ ধৰিলে। এটা বেয়া কথা বা গালিৰ লগে লগে কৃষ্ণই শতদল পদুমৰ একোটা পাহি সৰুৱাই যাবলৈ ধৰিলে। এইদৰে এশটা পাহি সৰোৱাৰ লগে লগে শিশুপালৰ এদিনত এশটা দোষ পূৰা হ'ল, কৃষ্ণই তাৰ পিছতো দহটা দোষ ক্ষমা কৰিলে। তথাপিও শিশুপালৰ মুখ বন্ধ নোহোৱাত কৃষ্ণই তেওঁৰ সুদৰ্শন-চক্ৰক আহ্বান কৰিলে। চক্ৰ লগে লগে উপস্থিত হ'ল। সেই চক্ৰৰ তীব্ৰ উজ্জ্বলতাই মানুহৰ চকুত চমক লগালে। সুদৰ্শন চক্ৰক দেখি শিশুপালে বুজিলে যে তেওঁৰ মৃত্যু ওচৰ পালেহি। ভয়ত তেওঁ দৌৰি পলাবলৈ খুজিলে। পিছে যলৈকে পলায়, তালৈকে চক্ৰই খেদি যায়। অৱশেষত সেই জ্যোতিষ্মান-চক্ৰই শিশুপালৰ মূৰটো কাটি পেলালে। লগে লগে শিশুপালৰ শৰীৰৰ পৰা বিষ্ণুৰ পাৰিষদ জয় আৱিৰ্ভাৱ হৈ সুন্দৰ ৰূপ ধৰি কৃষ্ণক প্ৰণাম কৰি বৈকুণ্ঠলৈ যাত্ৰা কৰিলে, এই দৃশ্য দেখি সকলো মানুহ অবাক হ'ল আৰু কৃষ্ণৰ মাহাত্ম্য বুজি পালে। ❍

# উতংকৰ গুৰু-দক্ষিণা

বেদ নামে এজন ডাঙৰ মুনি আছিল। তেওঁৰ এজন প্ৰিয় শিষ্য আছিল উতংক। উতংক বৰ নম্ৰ আৰু শান্ত স্বভাৱৰ আছিল। তেওঁৰ যেতিয়া শিক্ষা গ্ৰহণ সমাপ্ত হ'ল, তেতিয়া গুৰু-দক্ষিণা দিয়াৰ সময় হ'ল। উতংকই গুৰুক প্ৰণাম কৰি ক'লে —

"গুৰুদেৱ, আপোনাক কেনেকৈ গুৰু-দক্ষিণা দিব লাগে উপদেশ দিয়ক।"

গুৰুৱে ক'লে — "প্ৰিয় শিষ্য উতংক, তোমাৰ গুৰু-মাতৃৰ ইচ্ছা হৈছে যে তেওঁ পৌষ্য দেশৰ ৰাণীৰ কাণত পিন্ধা কুণ্ডলযোৰ পিন্ধিব। তুমি সেইযোৰ আনি দিয়া।"

উতংকই গুৰুৰ কথা মতে পৌষ্য দেশলৈ যাত্ৰা কৰিলে। তালৈ বাট বহু দূৰ। বাটত কষ্টও বহুত। খোজ কাঢ়ি কাঢ়ি তেওঁৰ ভাগৰ লাগিল, এনেতে তেওঁ দেখিলে যে সমুখত এটা ডাঙৰ বগা হাতীৰ পিঠিত এজন দেৱতা। সেয়া আছিল ঐৰাৱত আৰু ইন্দ্ৰ। উতংকৰ মনত পৰিল সৰুতে শুনা এষাৰ কথা, ঐৰাৱতৰ গোবৰ আৰু প্ৰস্ৰাৱ খালে বোলে ভাগৰ নোহোৱা হয়। তেওঁ তাকে খালে। তাৰ পিছত গৈ গৈ সেই দেশখন পালেগৈ। বিশাল ডাঙৰ ৰাজ্য, সোণেৰে সজা ৰাজধানী। তেওঁ সকলোকে লগ পালে, কিন্তু ৰাণীক দেখা নাপালে। উতংকই অখাদ্য খাই যোৱাৰ বাবে ৰাণী তেওঁৰ পৰা আঁতৰি থাকিল। তেতিয়া উতংকই কিছুমান নিয়ম পালন কৰি নিজকে শুদ্ধ কৰিলে আৰু ৰজা-ৰাণীক লগ ধৰি গুৰু-পত্নীৰ বাবে কুণ্ডলযোৰ বিচাৰিলে। ৰজাৰ তেতিয়া বৰ খং উঠিল, তেওঁ কুণ্ডলযোৰ দিবলৈ মান্তি নহ'ল। পিছে বহুত যত্নৰ পিছত উতংকই ৰাণীৰ কুণ্ডলযোৰ আনিব পাৰিলে। কুণ্ডল লৈ তেওঁ আনন্দমনেৰে ঘৰৰ ফালে আহিল।

পাতালৰ নাগৰাজ তক্ষকে জানিছিল যে ৰাণীৰ সেই কুণ্ডলযোৰ যাদুলগা, তাত বিশেষ গুণ আছে। তেওঁৰ সেই কুণ্ডলযোৰলৈ বৰ লোভ লাগিল। তক্ষকে এজন সন্ন্যাসীৰ বেশ ধৰি উতংকক বাটতে লগ ধৰিলে আৰু একেলগে কথাপাতি যাবলৈ ধৰিলে। বাটতে ৰাতি হোৱাত দুয়ো এঠাইত শুই থাকিল। সেই সুযোগতে তক্ষকে কুণ্ডলযোৰ চুৰ কৰি লৈ পাতালপুৰীলৈ গুচি গ'ল।

ৰাতিপুৱা কুণ্ডলযোৰ বিচাৰি নাপাই উতংকৰ মনত বৰ দুখ লাগিল। তেওঁ গুৰু-দক্ষিণা দিব নোৱাৰাৰ দুখত কান্দিবলৈ ধৰিলে। তেতিয়া ইন্দ্ৰই আহি ক'লে —

"উতংক, বেজাৰ নকৰিবা। তোমাৰ কুণ্ডলযোৰ তক্ষকে চুৰ কৰি নিছে। তুমি পাতালপুৰীলৈ গৈ সেইযোৰ বিচাৰি আনা।"

এইবুলি কৈ ইন্দ্ৰই বজ্ৰ মাৰি মাটিত এটা গাত কৰি দিলে। উতংক সেইফালেদি নামি গ'ল। গৈ গৈ এখন আন্ধাৰ দেশ পালেগৈ। তাত দুজনী ছোৱালীয়ে বগা আৰু ক'লা সূতাৰে তাত বৈ আছিল। ওচৰতে ছটা ল'ৰাই ডাঙৰ চকৰি এটা ঘূৰাই আছিল। চকৰিটোৰ দণ্ড বাৰডাল। এই অদ্ভুত দৃশ্যবোৰ দেখি-শুনি অবাক হৈ থাকোঁতেই ক'ৰবাৰ পৰা ঘোঁৰাত উঠা মানুহ এজন আহিল, মানুহজনে উতংকক ক'লে —

"তোমাৰ গুৰু-ভক্তি আৰু অন্যান্য সজগুণবোৰৰ কথা জানিব পাৰি মই তোমাক সহায় কৰিবলৈ আহিছোঁ। তুমি এই ঘোঁৰাটোৰ পিছফালে খুব জোৰত ফুৱাই দিয়াচোন।"

উতংকই সেইমতে ঘোঁৰাটোৰ পিছফালত ফুৱাই দিলে। লগে লগে ঘোঁৰাটোৰ নাকে-কাণে জুই আৰু ধোঁৱা ওলাবলৈ ধৰিলে। পাতালপুৰীত হাহাকাৰ লাগিল। তপত ধোঁৱা পাই নাগবোৰ পলাবলৈ ধৰিলে। তক্ষকে নিজে ওলাই আহি ক'লে — "হেৰা উতংক, আমাক ইমান কষ্ট দিছা কিয়? তোমাক কি লাগে?"

উতংকই ক'লে — "গুৰু-পত্নীৰ বাবে অনা কুণ্ডলযোৰ ঘূৰাই দিয়া। নহ'লে তোমাৰ ৰাজ্য জুই আৰু ধোঁৱাৰে ধ্বংস হৈ যাব।"

উপায় নাপায় তক্ষকে কুণ্ডলযোৰ উতংকক আনি দিলে। লগে লগে জুই আৰু ধোঁৱা ওলোৱা বন্ধ হ'ল। উতংকই গুৰুৰ ঘৰলৈ আহি চৰণত প্ৰণাম কৰি কুণ্ডলযোৰ দি গুৰু-দক্ষিণা দিলে।

গুৰুৱে উতংকক প্ৰশংসা কৰি আশীৰ্বাদ দি কুণ্ডলযোৰ কেনেকৈ আনিলে সোধাত উতংকই তেওঁক পাতালৰ অদ্ভুত দৃশ্যবোৰৰ কথা ক'লে। তেতিয়া গুৰুৱে বুজাই ক'লে—

"বোপা, তুমি যে দুজনী ছোৱালী দেখিছিলা, তেওঁলোকৰ নাম ধাত্ৰী আৰু বিধাত্ৰী। তেওঁলোকৰ তাঁতত থকা বগা সূতাবোৰ দিন আৰু ক'লা সূতাবোৰ ৰাতি। চকৰিটো বছৰ, বাৰডাল দণ্ড মাহবোৰ আৰু ছয়টা ল'ৰা হ'ল ঋতু। ঘোঁৰাত উঠি তোমাৰ কাষলৈ অহা মানুহজন হ'ল জ্ঞান।"

উতংক আচৰিত হ'ল। নিজৰ একাগ্ৰতাৰ বাবে এই কঠিন গুৰু-দক্ষিণা দিব পৰাত পিছলৈ তেওঁ এজন ডাঙৰ মুনি হৈছিল। ○

# উপমন্যুৰ গুৰুভক্তি

উপমন্যু আছিল ধৌম্য মুনিৰ শিষ্য। তেওঁ বৰ শান্ত আৰু নম্ৰ স্বভাৱৰ আছিল। এবাৰ তেওঁক মুনিয়ে গৰুবোৰ চোৱা-চিতা কৰাৰ ভাৰ দিলে। সেইদিনত গৰু আছিল আশ্ৰমৰ প্ৰধান সম্পত্তি। উপমন্যুৱে গুৰু বাক্য পাল কৰি বৰ যত্ন কৰি গৰুবোৰ ৰাখিবলৈ ধৰিলে।

আশ্ৰমৰ পৰা বহুত দূৰলৈ ৰাতিপুৱা উপমন্যুৱে গৰু-গাইবোৰ লৈ যায়। ৰ'দে ৰ'দে থাকি ভোকে-পিয়াহে তেওঁৰ বৰ কষ্ট হয়। সেইকাৰণে এদিন তেওঁ ওচৰৰ গাঁও এখনলৈ ভিক্ষা খুজিবলৈ গ'ল, ভিক্ষাৰ চাউল এমুঠি চোবাই উপমন্যুৱে কোনোমতে ভোকটো কমালে। গধূলি ঘৰলৈ অহাত গুৰুৱে তেওঁৰ মুখলৈ চাই সুধিলে —

"উপমন্যু তোমাৰ মুখখন দেখোন উজ্জ্বল হৈ আছে। কৰবাত কিবা খালা নেকি?"

"ভিক্ষা কৰি পোৱা চাউল এমুঠি খালোঁ, গুৰুদেৱ।" উপমন্যুৱ ক'লে। তেতিয়া গুৰুৱে ক'লে যে গুৰুক নিদিয়াকৈ ভিক্ষাৰ বস্তু কেতিয়াও খাব নাপায়। তেওঁ উপমন্যুক ভৱিষ্যতে তেনে নকৰিবলৈ ক'লে।

অন্য এদিন উপমন্যুৰ আকৌ বৰ ভোক লাগিল। গুৰুৰ উপদেশ মনত ৰাখি তেওঁ ভিক্ষা কৰিবলৈ গ'ল। পিছে ভোকত ৰ'ব নোৱাৰি তেওঁ গাই এজনী খিৰাই গাখীৰ অলপ খালে। সেইদিনাও তেওঁক গুৰুৱে সুধিলে —

"বোপা, আজিও কিবা খালা নেকি?"

"হয় গুৰুদেৱ, ভোকত ৰ'ব নোৱাৰি গাখীৰ অলপ খিৰাই খালোঁ।" উপমন্যুৱে উত্তৰ দিলে। গুৰুৱে তেতিয়া সেইদৰে গাখীৰ খাবলৈও মানা কৰিলে।

অন্য এদিন ভৰ দুপৰীয়া ভোকত ৰ'ব নোৱাৰি উপমন্যুৱে গৰু-পোৱালিয়ে গাখীৰ খাওঁতে মুখেৰে বাগৰি পৰা ফেন অলপ বুটলি খালে। সেইদিনাও গুৰুৱে সেই কথা বুজিব পাৰি ভৱিষ্যতে তেনে নকৰিবলৈ সকীয়াই দিলে।

তাৰ পিছত উপমন্যুৱে দিনৰ পিছত দিন একো নোখোৱাকৈ গৰু চৰাবলৈ ধৰিলে। পিছে এদিন তেওঁৰ ভোকৰ কষ্ট বৰ অসহ্য হ'ল, ভোকত তত নাপাই তেওঁ আকণ গছৰ পাত এখিলা আনি চোবাই খালে। সেই বিষাক্ত গছৰ পাত খোৱাৰ লগে লগে তেওঁ চকুৰে নেদেখা হৈ পৰিল।

অন্ধ হৈ উপমন্যুৱে উমানতে খোজ দি ঘৰলৈ আহিবলৈ যত্ন কৰিলে। পিছে কিছুদূৰ অহাৰ পিছত তেওঁ এটা দ গাঁতত পৰি গ'ল। সেই গাঁতটোৰ পৰা কোনোমতে উঠিব নোৱাৰি উপমন্যু তাতে পৰি ৰ'ল।

উপমন্যু আশ্ৰমলৈ নহা দেখি পিছদিনা গুৰুৱে তেওঁক বিচাৰি গ'ল। তেওঁ বনৰ মাজলৈ গৈ উপমন্যুক নাম ধৰি মাতিবলৈ ধৰিলে। এনেতে তেওঁ এটা গাঁতৰ তলৰ পৰা ক্ষীণ মাতেৰে মতা উপমন্যুৰ মাত শুনি জুম চাই তেওঁক দেখা পালে। ভোক-পিয়াহ আৰু চকুৰ বিষত লালকাল হৈ উপমন্যু তাতে পৰি আছিল। গুৰুৱে ক'লে —

"বোপা উপমন্যু! মোৰ কথা পালন কৰি তুমি বৰ কষ্ট পাইছা। এতিয়া তুমি মন-প্ৰাণ দি ভগৱান অশ্বিনীকুমাৰক প্ৰাৰ্থনা কৰা। তেওঁলোকেহে তোমাক ভাল কৰিব পাৰিব।"

গুৰুৰ কথা শুনি উপমন্যুৱে অশ্বিনীকুমাৰক প্ৰাৰ্থনা কৰিলে। তেওঁলোক সন্তুষ্ট হ'ল আৰু তালৈ আহি উপমন্যুৰ দুয়োটা চকু ভাল কৰি দিলে। তাৰ পিছত উপমন্যুৰ গুৰুভক্তিৰ প্ৰশংসা কৰি তেওঁক এখন পিঠা খাবলৈ দিলে, এই পিঠাই শক্তি দিয়ে আৰু ভাগৰ নোহোৱা কৰে। উপমন্যুৱে ক'লে যে গুৰুক নিদিয়াকৈ তেওঁ পিঠাখন কেতিয়াও নাখায়। দেৱতাসকলে তেতিয়া উপমন্যুক প্ৰশংসা কৰি বহুত ধন-সোণ দিলে।

উপমন্যুৰ এই সততা আৰু নম্ৰতা দেখি গুৰুৱে তেওঁক মৰম কৰি আশীৰ্বাদ দিলে। ○

# বিনতা আৰু কদ্ৰু

দেৱতাসকলৰ মাকৰ নাম আছিল অদিতি, অসুৰবোৰৰ মাকৰ নাম দিতি। চৰাইবোৰৰ মাকৰ নাম বিনতা আৰু সাপবিলাকৰ মাকৰ নাম কদ্ৰু। বিনতা আৰু কদ্ৰুৰ মাজত সম্পৰ্ক ভাল নাছিল। বিনতা শান্ত আছিল যদিও কদ্ৰু আছিল খঙাল আৰু হিংসাকুৰীয়া। দুয়ো সতিনীৰ মাজত মিলা-প্ৰীতি নাছিল, বিনতাৰ পুতেক আছিল মহাবলী অৰুণ আৰু গৰুড়। অৰুণৰ জন্মৰ আগতে অধৈৰ্য হৈ মাকে কণী ভাঙি উলিয়াই দিয়াৰ বাবে ঠাণ্ডাতে কণমান পোৱালিটি থক্ থক্কৈ কঁপিছিল। তাকে দেখি দেউতাক কাশ্যপ মুনিয়ে অৰুণক সূৰ্যৰ ওচৰলৈ গৈ গাটো সেকি গৰম কৰি ল'বলৈ ক'লে। অৰুণে সূৰ্যৰ আগত পাখি মেলি ধৰাত সূৰ্যৰ পোহৰ ৰামধেনুৰ দৰে সাতোৰঙৰ হৈ ওলাবলৈ ধৰিলে। পিছত সেই অৰুণ হ'লগৈ সূৰ্যদেৱতাৰ ৰথৰ সাৰথি। অৰুণৰ ভায়েক মহাবীৰ গৰুড় হ'ল ভগৱান বিষ্ণুৰ বাহন।

কদ্ৰুৰ পুতেক আছিল এজাক সাপ। সিহঁত দুষ্ট আৰু অসৎ।

এদিন বিনতাই কথা কথাই ক'লে যে অমৃত মন্থন কৰোঁতে সাগৰৰ পৰা ওলোৱা উচ্চৈশ্ৰবা ঘোঁৰাৰ গাৰ ৰং বগা। কদ্ৰুৱে ক'লে যে নহয়, ক'লাহে। এই কথালৈ দুয়োৰে তৰ্ক লাগিল। ঠিক হ'ল পিছদিনা পুৱা দুয়ো ঘোঁৰাটো চাই আহিব আৰু যাৰ কথা মিছা হয় তেওঁ আনগৰাকীৰ দাসী হৈ তেওঁক কান্ধত লৈ ফুৰিব লাগিব।

গধূলি কদ্ৰুৱে পুতেকহঁতৰ লগত এইবোৰ কথা পতাত সাপবোৰে ক'লে —

"আই, বৰ ডাঙৰ কথা হ'ল। আচলতে সেই ঘোঁৰাটোৰ গাৰ ৰং বগাহে। তুমি হাৰিলা।"

কদ্ৰুৱে খঙেৰে চকু পকাই ক'লে —

"তহঁত থাকোঁতে মই কিয় হাৰিম? কিবা এটা বুদ্ধি কৰ।"

মাকৰ ভয়তে সাপবোৰে এটা বুদ্ধি কৰিলে। পিছদিনা পুৱাতে গৈ সিহঁতে ঘোঁৰাটোৰ গোটেই গাতে এনেকৈ মেৰ খাই থাকিল যে তাক ক'লা যেন দেখা গ'ল। কদ্ৰু আৰু বিনতাই অলপ দূৰৰ পৰা চাই ঘোঁৰাটো ক'লা বুলি মানি ল'লে। ফলত বিনতা কদ্ৰুৰ দাসী হ'ব লগা হ'ল। কদ্ৰুৱে মাটিত একোজো ভৰি নথয়, বিনতাৰ কান্ধত উঠি ফুৰে।

মহাবলী গৰুড়ে এদিন মাকক সুধিলে —

"আই, তুমি দাসীৰ দৰে তেওঁক কান্ধত লৈ ফুৰা কিয়? মোৰ দেখি বেয়া লাগে।"

বিনতাই ক'লে —

"বাচা, মই তেওঁৰ দাসীয়েই হয়। উচ্চৈশ্ৰৱা ঘোঁৰাটোক বগা বুলি কোৱাৰ বাবেই মোৰ এনে অৱস্থা।"

গৰুড়ে তেতিয়া সকলো কথা শুনি আৰু বুজি লৈ আচৰিত হৈ ক'লে —

"সেই ঘোঁৰাটোৰ গাৰ বৰণ বগা, ক'লা নহয়। তোমালোকেনো কেনেকৈ ক'লা দেখিলা? এইবুলি তেওঁ উৰি গৈ ঘোঁৰাটোৰ ওচৰ পালে। গৰুড়ক দেখি ভয়তে সাপবোৰে পাক খুলি ঘোঁৰাটোক এৰি পলাবলৈ ধৰিলে। সিহঁতৰ দুষ্ট বুদ্ধি বুজিব পাৰি গৰুড়ৰ বৰ খং উঠিল, তেওঁ সিহঁতক খেদি খেদি মাৰিবলৈ ধৰিলে।

বিনতাক কিন্তু কদ্ৰুৱে ইমান সহজতে মুক্তি নিদিলে। তেওঁ গৰুড়ক ক'লে —

"মাৰাক যদি এৰি দিব লাগে, মোক অমৃত আনি দিয়া।"

গৰুড়ে তেতিয়া অমৃত আনিবলৈ স্বৰ্গলৈ গ'ল। দেৱতাসকলে সহজে অমৃত দিব খোজা নাছিল। গতিকে দুখনমান সৰুসুৰা যুদ্ধ কৰিহে তেওঁ অমৃত আনিব পাৰিলে। তাতে গৰুড়ৰ শক্তি আৰু সাহস দেখি বিষ্ণুৱে বৰ ভাল পালে আৰু নিজৰ বাহন কৰি ল'বলৈ কথা দিলে।

গৰুড়ে অমৃতৰ কলহ আনি কুশবন কিছুমানৰ ওপৰত থৈ সকলোকে গা ধুই আহিলে অমৃত ভগাই দিব বুলি ক'লে। সেইমতে সকলো গা ধুবলৈ যোৱাত ইন্দ্ৰই মনে মনে আহি অমৃতৰ কলহটো চুৰ কৰি নিলে। সাপবিলাকে আহি যেতিয়া অমৃত নাপালে, সিহঁতে কুশবনবোৰকে চেলেকি চেলেকি খাবলৈ ধৰিলে। কুশবনৰ চোকা ধাৰ লাগি সিহঁতৰ জিভাবোৰ মাজেদি ফাটি থাকিল। ঢোৰাসাপে অমৃত খাবৰ বাবে বিষবোৰ উলিয়াই থৈ আহিছিল, পিছত সি নতুনকৈ বিষ ভৰাব নোৱাৰিলে। এইদৰে সাপবোৰৰ নানা লটিঘটি হ'ল। কদ্ৰুৱে গৰুড়ৰ ভয়তে বিনতাক মুক্তি দিলে। ○

# মৰুভূমিৰ মেঘ

উতংক নামেৰে এজন বৰ ডাঙৰ মুনি আছিল। তেওঁ মৰুভূমিৰ মাজত তপস্যা কৰিছিল। উতংকৰ ধৈৰ্য, একাগ্ৰতা আৰু গুৰুভক্তিৰ বাবে তেওঁ প্ৰখ্যাত হৈ পৰিছিল। তপস্যাৰ দ্বাৰা তেওঁ অসীম শক্তি লাভ কৰিছিল।

কুৰুক্ষেত্ৰ যুদ্ধৰ পিছত কৃষ্ণই যেতিয়া তেওঁৰ ভনীয়েক সুভদ্ৰাক লগত লৈ হস্তিনাপুৰৰ পৰা দ্বাৰকালৈ যাত্ৰা কৰিছিল, তেওঁলোকৰ বাট আছিল মৰুভূমিৰ মাজেৰে। তাতে উতংক মুনিক তপস্যা কৰি থকা দেখি কৃষ্ণই ৰথৰ পৰা নামি তেওঁক দেখা কৰিবলৈ গ'ল। উতংকয়ো কৃষ্ণক দেখি ভাল পালে আৰু কুৰুক্ষেত্ৰ যুদ্ধতনো কি হ'ল, কোন জিকিল আদি খবৰবোৰ ল'লে। কৃষ্ণই ক'লে — "সেই মহাযুদ্ধ এতিয়া শেষ হ'ল। পাণ্ডৱসকলৰ হাতত কৌৰৱসকলৰ মৃত্যু হ'ল। দুয়োপক্ষৰে লাখ লাখ সৈন্য, ৰজা-মহাৰজা আদিৰ মৃত্যুৰ পিছত এতিয়া যুধিষ্ঠিৰ হস্তিনাপুৰৰ ৰজা হৈছে।"

এই কথা শুনি উতংকই খঙেৰে ক'লে — "সকলো তোমাৰ কূট বুদ্ধি। তোমাৰ বাবেই ভাই-ককাইৰ মাজত যুদ্ধ হ'ল আৰু ইমানবোৰ মানুহ মৰিল। তুমি ভগৱান হ'লেও হ'ব পাৰা, মই কিন্তু তোমাক আজি শাপ নিদিয়াকৈ নেৰোঁ।"

কৃষ্ণই ক'লে — "হে মহামুনি, তোমাৰ তপস্যাৰ শক্তি বহুত বেছি বুলি ময়ো জানো। কিন্তু মোক তুমি শাপ দিবলৈ যত্ন কৰিব নালাগে। কাৰণ মোৰ শক্তিও কম নহয়।"

উতংকৰ খং নকমিল। তেওঁ কৃষ্ণক অভিশাপ দিবলৈ সাজু হ'ল। কৃষ্ণই তেতিয়া উতংকৰ আগত তেওঁৰ বিশেষ শক্তিসমূহ প্ৰকাশ কৰিলে।

উতংকই চকুৰ আগতে দেখিলে কৃষ্ণৰ চকু চাঁট মৰা ৰূপ। তেওঁৰ বিশাল শৰীৰ, তাতে গোটেই পৃথিৱী, স্বৰ্গ আৰু পাতাল সোমাই আছে। তেওঁৰ অদ্ভুত গুণ কিছুমানো উতংকই দেখা পালে। তেওঁ ঠিৰাংকৈ বুজিলে যে এইজন ভগৱানেই সংসাৰখন সৃষ্টি কৰে, পালন কৰে আৰু ধ্বংসও কৰে। গতিকে কোনো মানুহেই এই কৃষ্ণক অপকাৰ কৰিব নোৱাৰে, অভিশাপ দিয়া দূৰৰ কথা। তেওঁ হাতযোৰকৈ কৃষ্ণক ক'লে — "হে

প্ৰভু। তোমাৰ মহিমা অপাৰ। তুমি কি ভাবি কি কৰিছা, সেই কথা কোনে বুজি পাব? মোৰ দোষ ক্ষমা কৰা।"

কৃষ্ণই উতংকৰ ভক্তি সন্তুষ্ট হৈ তেওঁ যি বৰ লাগে তাকে ল'বলৈ ক'লে। উতংকই কিন্তু ক'লে যে তেওঁক একো নালাগে। কৃষ্ণক লগ পোৱাটোৱেই তেওঁৰ পৰম সৌভাগ্য। কৃষ্ণই তেতিয়া উতংকলৈ দয়া উপজি ক'লে — "তুমি যেতিয়াই পিয়াহ অনুভৱ কৰিবা, তেতিয়াই মৰুভূমিৰ মাজলৈকে মেঘে বৰষুণ কঢ়িয়াই আনিব, পৃথিৱীত চিৰকাল সেই মেঘ উতংক-মেঘ নামেৰে পৰিচিত হ'ব।"

কৃষ্ণৰ বৰ পাই উতংক কৃতাৰ্থ হ'ল। তেওঁ পুনৰ আনন্দ মনেৰে তপস্যা কৰিবলৈ বহিল। ○

# নলৰজা আৰু কলি

নিষধ দেশত নল নামে এজন অতি প্ৰতাপী, ৰূপৱান আৰু সৎ ৰজা আছিল। তেওঁ আছিল বৰ ভালকৈ ৰথ চলাব পৰা আৰু ঘোঁৰাৰ বিষয়ে সকলো কথা জনা পণ্ডিত মানুহ। নলে বিদৰ্ভ দেশৰ ৰজা ভীষ্মৰ জীয়েক দময়ন্তীৰ কথা শুনিছিল। দময়ন্তী আছিল অতিশয় ৰূপৱতী। দময়ন্ত্ৰীয়েও নলক লগ পাই যোৱা এটা সোণালী হাঁহৰ পৰা নল ৰজাৰ ৰূপ-গুণৰ কথা জানিব পাৰিছিল। তেওঁলোক দুয়ো ইজনে-সিজনক লগৰী ৰূপে পাবলৈ ব্যাকুল হৈ পৰিছিল। এবাৰ দময়ন্তীৰ স্বয়ম্বৰৰ আয়োজন কৰা হ'ল। সেই স্বয়ম্বৰ সভালৈ আনহে নালাগে দেৱতাসকলো আহিছিল। নল ৰজাই দময়ন্তীক লাভ কৰাৰ আশাৰে স্বয়ম্বৰলৈ আহি থাকোঁতে বাটতে ইন্দ্ৰ, অগ্নি, যম আৰু বৰুণ দেৱতাক দৰা সাজি-কাছি আহি থকা দেখিলে। দেৱতাসকলে নলক দেখি ক'লে — "আপোনাৰ দৰে সুপুৰুষ থাকোঁতে দময়ন্তীয়ে আনক মালা দিয়াৰ আশা কম। তথাপিও দময়ন্তীক আমি অহাৰ বাতৰিটো দিয়কগৈ আমাৰ কোনোবা এজনক তেওং স্বামীৰূপে ল'ব নেকি সুধি আহক।"

নলৰ যদিও নিজেই দময়ন্তীক পোৱাৰ ইচ্ছা আছিল, তথাপিও দেৱতাসকলক সন্মান কৰি তেওঁ দময়ন্তীক সুধিবলৈ গ'ল। দময়ন্তীয়ে ক'লে যে নলৰ বাহিৰে অন্য কাকো তেওঁ বৰণ নকৰে। এই কথা জানিব পাৰি দেৱতা চাৰিজনে অবিকল নলৰ ৰূপ ধাৰণ কৰিলে। দময়ন্তীয়ে স্বয়ম্বৰ সভাত দেখিলে পাঁচজন নল বহি আছে। তেওঁ ভগৱানক চিন্তা কৰি ধৈৰ্য ধৰি আচল নলৰ কিছুমান লক্ষণৰ পৰা চিনি পাই তেওঁৰ ডিঙিত মালা দিলে। দেৱতাসকলে পিছে বেয়া নাপালে। নলৰ আচৰণে তেওঁলোকক ইমান মুগ্ধ কৰিছিল যে তেওঁলোকে নলক কেইটামান বৰহে দি গ'ল। তাৰ ফলত নলে খুব ভালকৈ ৰান্ধিব পৰা হ'ল, তেওঁ বিচাৰিলেই জুই আৰু পানী ওচৰলৈ অহা হ'ল আৰু মৃত্যুৰ পিছত স্বৰ্গ লাভ কৰাটো নিশ্চিত হ'ল।

দময়ন্তীক লাভ কৰি নল ৰজা নিজৰ ৰাজ্যলৈ আহিল। ইফালে স্বয়ম্বৰলৈ পলমকৈ অহা কলিয়ে নল-দময়ন্তীৰ বিয়া হৈ যোৱা বুলি শুনি সহিবই নোৱাৰিলে। তেওঁ নলক অপকাৰ কৰিবৰ বাবে আহি নিষধ ৰাজ্য পালেহি। বহুদিন ছেগ চোৱাৰ পিছত এদিন নলক অসাৱধান অৱস্থাত পাই কলি তেওঁৰ শৰীৰত সোমাই পৰিল। কলিয়ে নলৰ

ভায়েক পুষ্কৰৰ মনতো বেয়া বুদ্ধি ভৰাই দিলে। এবাৰ পুষ্কৰে নলক পাশা খেলিবলৈ মাতিলে। নলে সেই খেলত ৰাজ্য আৰু সকলো ধন-সম্পত্তি পণ থ'লে। পিছে কলিয়ে খেলি-মেলি লগাই দিয়াৰ বাবে তেওঁ বাৰে বাৰে খেলত ভুল কৰি হাৰিবলৈ ধৰিলে। তাৰ ফলত ৰাজ্য আৰু সম্পত্তি হেৰুৱাই তেওঁ পথৰ ভিক্ষাৰী হৈ পৰিল। মাথোন একোখন কাপোৰ গাত পিন্ধি দময়ন্তী আৰু নল ৰাজ্যৰ বাহিৰ হ'ল।

গৈ গৈ তেওঁলোকে এখন হাবি পালেগৈ। তাতে ভোক আৰু ভাগৰত দুয়ো লালকাল দিলে। তাৰ পিছতে কেইটামান চৰাই দেখি তাকে ধৰিবৰ বাবে নলে নিজৰ গাত পিন্ধি থকা কাপোৰখন খুলি জালৰ দৰে দলিয়াই দিলে। পিছে সেই চৰাইকেইটাও কলিৰ ছলনাহে আছিল। সিহঁতে কাপোৰখন উৰুৱাই লৈ গুচি গ'ল। উপায় নাপাই নল আৰু দময়ন্তীয়ে একেখন কাপোৰকে গাত পিন্ধি ওচৰা-উচৰিকৈ খোজ দিবলৈ ধৰিলে। ৰাতি তেনেকৈ শুই থাকোঁতে নলে ভাবিলে যে তেওঁ যদি দময়ন্তীক এৰি থৈ যায়, তেন্তে দময়ন্তী নিশ্চয় দেউতাকৰ ঘৰলৈ গুচি যাব আৰু তাতে শান্তিৰে থাকিব। পিছে পিন্ধি থকা কাপোৰখন দুভাগ কৰিব কেনেকৈ! এনেতে কলিৰ মায়াৰ বাবে ওচৰতে কটাৰি এখন ওলাল। সেইখন লৈ কাপোৰখন দুটুকুৰা কৰি নলে দময়ন্তীক গভীৰ অৰণ্যৰ মাজত অকলে এৰি থৈ গুচি গ'ল।

দময়ন্তীয়ে সাৰ পাই নলক নেদেখি ভয় আৰু চিন্তাত কান্দিবলৈ ধৰিলে। তাৰ পিছত কোনোমতে হাবিৰ পৰা ওলাই কিছুমান ভাল মানুহক লগ পাই একেলগে গৈ চেদিৰাজৰ ৰাজ্য পালেগৈ। সেই ৰাজ্যৰ ৰাজমাও গৰাকীয়ে তেওঁৰ ৰূপ আৰু স্বভাৱ দেখি মোহ গৈ নিজৰ আশ্ৰমতে ৰাখিলে। দময়ন্তী তাতে বহুদিন থাকিল। তেওঁৰ দেউতাক বিদৰ্ভৰাজে নল-দময়ন্তীৰ দুৰ্ভাগ্যৰ কথা শুনি চাৰিওফালে মানুহ লগাই বিচৰাই আছিল। এনেকৈ বিচাৰি যোৱা এজন মানুহে চেদিৰাজৰ অন্তেষপুৰত দময়ন্তীক বিচাৰি পালে। দেউতাক বিদৰ্ভৰাজে এই কথা গম পোৱাত দোলা-ঘোঁৰা পঠিয়াই বৰ আদৰেৰে দময়ন্তীক লৈ গ'ল। দময়ন্তীৰ ল'ৰা-ছোৱালীহাল আগৰে পৰা ককাকৰ ঘৰতে আছিল।

ইমানদিনে নলৰ বাতৰি কোনেও পোৱা নাছিল। দময়ন্তীক এৰি যোৱাৰ পিছতে নলে হাবিৰ এফালে দেখিলে যে বনপোৰা জুই জ্বলিছে। তাৰ মাজত থুপ পাতি বহি কৰ্কোটক নামে ভয়ংকৰ নাগ এটাই 'বচোৱা বচোৱা' বুলি চিঞৰিব লাগিছে। নলে সেই নাগটোক দাঙি ল'লে। নাগটোৱে ক'লে — "মহাৰাজ নল, মোক বচোৱা। নাৰদৰ অভিশাপৰ বাবে মই অলৰ-অচৰ হৈ আছোঁ। মোক লেখি লেখি দহ খোজ দাঙি নিয়াচোনা।" সেইমতে নলে দহ খোজ দাঙি নিয়াত নাগে তেওঁৰ মূৰতে খোঁট মাৰি দিলে। লগে লগে নল ৰজাৰ ধুনীয়া শৰীৰটোৱে কুজ্জ ক'লা ৰূপ গ্ৰহণ কৰিলে। নাগে ক'লে — "মই তোমাক উপকাৰহে কৰিছোঁ, এতিয়া তোমাক কোনও চিনি নাপাব। তোমাৰ ভিতৰত থকা দুষ্ট কলিটোৱে মোৰ বিষৰ জ্বাল সহিব নোৱাৰি নিজেই ওলাই

আহিব। তুমি এতিয়া ঋতুপৰ্ণ ৰজাৰ ওচৰলৈ গৈ তাতেই সাৰথি হৈ থাকাগৈ। এই যাদুলগা কাপোৰখন গাত ল'লেই তুমি তোমাৰ আগৰ ৰূপ ঘূৰাই পাবা।" এইদৰে কৈ শাপমুক্ত হৈ নাগটো গ'লগৈ। নল ৰজাও গৈ ঋতুপৰ্ণৰ ৰাজ্য পালেগৈ। তাতে নিজৰ অস্বতন্ত্ৰৰ পৰিচয় দি সহজেই তেওঁ সাৰথিৰ কাম পালে। তেওঁ নাম ল'লে বাহুক।

নল ৰজাক বিচাৰি উলিয়াবলৈ দময়ন্তীয়ে এটা বুদ্ধি কৰিলে। তেওঁ চাৰিওফালে বহুত দূত পঠিয়াই ৰাজসভাবোৰত প্ৰশ্ন সোধালে যে — "কোনে বাৰু গাৰ কাপোৰ দুভাগকৈ কাটি গভীৰ বনৰ মাজত শুই থকা অৱস্থাত পত্নীক এৰি থৈ যায়?" এই প্ৰশ্ন দূতবোৰে চাৰিওফালে কৰি ফুৰিবলৈ ধৰিলে। এজন দূতে গৈ ঋতুপৰ্ণ ৰজাৰ ৰাজসভাত এই প্ৰশ্ন কৰাত বাহুকৰূপী আপচু নলে উত্তৰ দিলে — "যিজনৰ গাৰ কাপোৰ চৰায়ে উৰুৱাই নিছিল, সেই দুৰ্ভগীয়াজনেই এই কাম নকৰিনো কোনে কৰিব?" দূতে এই কথা দময়ন্তীক ক'লে, বাহুকৰ চেহেৰাটোৰ কথাও ক'লে। দময়ন্তীয়ে ভাবি নাপালে — কি সত্য। কথাষাৰ নল ৰজাৰ, কিন্তু চেহেৰাটো নল ৰজাৰ লগত নিমিলে দেখোন। তেওঁৰ সেই মানুহটোক চাবলৈ মন গ'ল। সেইবাবে তেওঁ দূত পঠিয়াই ঋতুপৰ্ণ ৰজাক খবৰ দিয়ালে যে কালিলৈ পুৱাতে দময়ন্তীৰ আকৌ স্বয়ম্বৰ হ'ব। গতিকে ৰজা যেন তালৈ আহে। স্বয়ম্বৰৰ বাতৰি পাই ঋতুপৰ্ণ ৰজাৰ যাবলৈ মন গ'ল। পিছে দুই-তিনিদিন দূৰৰ বাট একে ৰাতিতে যাব কেনেকৈ? সাৰথি বাহুকৰ বৰ আচৰিত লাগিল দময়ন্তীৰ স্বয়ম্বৰৰ কথা শুনি। তেওঁ ৰজাক ক'লে যে একে ৰাতিতেই তেওঁ বিদৰ্ভ পোৱাবগৈ পাৰিব। ৰজাক লগত লৈ নলে বতাহতকৈ বেগেৰে ৰথ চলাবলৈ ধৰিলে। সেই ৰথ মাটিৰেই গৈছে নে আকাশেৰেই গৈছে ধৰিব নোৱাৰা হ'ল। ৰজা ইমান আচৰিত হ'ল যে মুখেৰে মাত নোলোৱা হ'ল। অলপ পিছত ধৈৰ্য ধৰি তেওঁ ক'লে যে তেওঁ নিজেও এটা অদ্ভুত গণনা কৰা বিদ্যা জানে। সেই বিদ্যা জানিলে পাশা খেলত কেতিয়াও হাৰিব লগা নহয়। চকুৰ পচাৰতে এজোপা বিৰাট গছৰ ডাল-পাত আৰু ফলৰ সংখ্যা এই বিদ্যাৰ সহায়ত কৈ দিব পাৰি। তাৰ প্ৰমাণ কৰিও তেওঁ দেখুৱালে। তাৰ পিছত নলে তেওঁৰ ৰথ চলোৱা বিদ্যা ঋতুপৰ্ণক শিকাই এই অদ্ভুত গণনা কৰা বিদ্যাটো বিনিময়ত ৰজাৰ পৰা শিকি ল'লে।

এইদৰে অলপ সময়ৰ ভিতৰতে তেওঁলোক গৈ দময়ন্তীৰ নগৰ পালেগৈ। পিছে তাত একো স্বয়ম্বৰৰ চিনেই নেদেখি দুয়ো আচৰিত হ'ল। ঋতুপৰ্ণ ৰজাই লাজ পালে। মুখেৰে একো নকৈ এনেয়ে ঘূৰিবলৈ অহা বুলি কৈ তেওঁ আলহী হৈ থাকিল। দময়ন্তীয়ে ৰথৰ শব্দতে বুজিছিল যে এয়া নল ৰজাই চলোৱা ৰথেই হয়। ৰাতি আলেঙে-আলেঙে লিগিৰী পঠিয়াই তেওঁ গম পালে যে বাহুকে জুই আৰু পানীৰ যোগাৰ নোহোৱাকৈও অতি সোৱাদ লগা আঞ্জা ৰান্ধিব পাৰে। তেওঁ তেতিয়া খাটাংকৈ জানিলে যে এইজন নল ৰজাই। তেতিয়া তেওঁ নিজৰ ল'ৰা-ছোৱালীহালক লিগিৰীৰ লগত বাহুকৰূপী নলৰ

ওচৰলৈ পঠিয়াই দিলে। তেওঁলোকক দেখি নল আৰু ৰ'ব নোৱাৰিলে। তেওঁ ল'ৰা-ছোৱালীহাল বুকুত লৈ কান্দিব ধৰিলে। সেই কথা গম পাই মাকৰ অনুমতি লৈ ৰাতিয়েই দময়ন্তী সাৰথি বাহুকৰ ওচৰ পালেগৈ। তেওঁক দেখি বাহুকৰূপী নলৰ বৰ আনন্দ লাগিল আৰু কৰ্কোটক নাগে দিয়া কাপোৰখন গাত লৈ সুন্দৰ ৰূপ ধাৰণ কৰিলে। নাগৰ বিষৰ জ্বালাত কষ্ট পাই থকা কলি ইতিমধ্যে থাকিব নোৱাৰি নলৰ গাৰ পৰা আঁতৰি গৈছিল আৰু যাবৰ সময়ত ক্ষমা খুজি নলক কৈ গৈছিল যে কোনোবাই যদি নলৰ নাম লয়, তেন্তে সেইজনক কলিয়ে কেতিয়াও আমনি নকৰে। নল-দময়ন্তীৰ মিলনৰ কথা গম পাই মাক-দেউতাকে বৰ আনন্দ পালে। বাহুকৰ প্ৰকৃত পৰিচয় জানিব পাৰি ঋতুপৰ্ণ ৰজাও আচৰিত হ'ল।

নিজৰ দেশলৈ ঘূৰি আহি নল ৰজাই এইবাৰ ভায়েক পুষ্কৰক পাশা খেলিবলৈ মাতিলে। তেওঁ ইতিমধ্যে গণনা-বিদ্যা শিকি পাশা খেলত অজেয় হৈ পৰিছিল। পুষ্কৰ নিমিষতে হাৰিল আৰু পণ ৰখা ৰাজ্য, ধন-সম্পত্তি সকলো হেৰুৱালে। নলে পিছে তেওঁক ক্ষমা কৰিলে আৰু ৰাজ্যৰ আধা দান কৰিলে। এইদৰে মহান আৰু সৎ ৰজা নলে দময়ন্তীৰে সৈতে সুখেৰে ৰাজত্ব কৰিবলৈ ধৰিলে। ○

# ভৰত নামৰ ৰজা

ভৰত নামৰ এজন ৰজাৰ নামেৰে আমাৰ দেশৰ নাম ভাৰতবৰ্ষ হৈছে। তেওঁ বৰ গুণী, জ্ঞানী আৰু শক্তি থকা ৰজা আছিল। তেওঁৰ মাকৰ নাম আছিল শকুন্তলা আৰু দেউতাকৰ নাম আছিল দুষ্যন্ত। দুষ্যন্তও বৰ ডাঙৰ ৰজা আছিল।

এদিন মৃগয়া কৰিবলৈ গৈ ৰজা দুষ্যন্ত গভীৰ অৰণ্যৰ মাজ পালেগৈ। এটা হৰিণা পহুৰ পিছে পিছে গৈ তেওঁ বহু ভিতৰলৈ অকলে সোমাই গ'ল। সেই ঠাইতে আছিল কণ্বমুনিৰ আশ্ৰম। আশ্ৰম দেখি মনটো ভাল লাগি ৰজাই খোজ কাঢ়ি আগবাঢ়ি গ'ল। এনেতে কোনোবা ছোৱালীৰ হাঁহি-ধেমালিৰ মাত শুনি তেওঁ আচৰিত হ'ল। গছৰ ফাঁকেৰে চাই তেওঁ দেখিলে যে তিনিজনী গাভৰুৱে ৰং-ধেমালি কৰি আছে। তিনিওজনীয়ে ধুনীয়া যদিও এজনীৰ ৰূপৰ তুলনা নাই। তেওঁ অলপ সময় ৰেহ-ৰূপ চাই আশ্ৰমৰ ভিতৰলৈ সোমাই গ'ল। চাৰিওফালে ফুল ফুলি উপচি আছিল। ফুলৰ গোন্ধেৰে বতাহ ভৰি আছিল। হৰিণাবোৰ নিৰ্ভয় মনেৰে চৰি আছিল। চৰাইৰ মধুৰ গানেৰেও তপোবন মুখৰিত হৈ আছিল। সেই মনোৰম পৰিৱেশত ধুনীয়া গাভৰুজনীক তেওঁ স্বৰ্গৰ অপেশ্বৰী যেন লাগিল। কথা-বতৰা পাতি তেওঁ জানিব পাৰিলে যে তেওঁৰ নাম শকুন্তলা। তেওঁ মহৰ্ষি কণ্বৰ তুলনীয়া কন্যা। এবাৰ বিশ্বামিত্ৰ ঋষিয়ে ঘোৰ তপস্যা কৰা দেখি সেই তপ ভংগ কৰিবলৈ ইন্দ্ৰই অপেশ্বৰী মেনকাক পঠিয়াই দিছিল। মেনকা বৰ সুন্দৰী আছিল। তেওঁক দেখি বিশ্বামিত্ৰ মোহ গ'ল আৰু তপস্যা এৰি তেওঁক বিয়া কৰালে। তেওঁলোকৰে সন্তান হ'ল শকুন্তলা। কেঁচুৱা কন্যাটি বনৰ মাজত অকলে এৰি থৈ স্বৰ্গৰ অপেশ্বৰী মেনকা স্বৰ্গলৈ উভটি যোৱাত এজাক চৰায়ে ছোৱালীটি ৰখি আছিল। তেতিয়া স্নান কৰিবলৈ যোৱা কণ্ব মুনিয়ে পাই কেঁচুৱাটি বুটলি আনিলে আৰু শকুন্তলা নামেৰে তুলি-তালি ডাঙৰ কৰিলে।

শকুন্তলাৰ বান্ধৱী দুজনীৰ নাম আছিল অনুসূয়া আৰু প্ৰিয়ম্বদা। তেওঁলোকে ৰজা দুষ্যন্তক আদৰ-সাদৰ কৰিলে। সেই সময়ত কণ্বমুনি আশ্ৰমত নাছিল। গতিকে ৰজাৰ শুশ্ৰূষাৰ ভাৰ শকুন্তলাৰ ওপৰতে পৰিল। দুয়ো বহুত কথা-বতৰা পাতিলে। কিছুদিন আশ্ৰমতে থাকি দুষ্যন্তই তাৰ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত শকুন্তলাৰ সংগ লভি বৰ আনন্দ পালে। তেওঁ সখীয়েকহঁতৰ সহযোগত শকুন্তলাক বিবাহ কৰি কিছুদিন তাতে কটালে।

তাৰ পিছত তেওঁ শকুন্তলাক ক'লে যে ৰাজৰাণী ৰূপেৰে শকুন্তলাক আদৰি নিবলৈ তেওঁ সোনকালেই দোলা-ঘোঁৰা দি দল এটা পঠিয়াই দিব। দুষ্যন্ত নিজৰ ৰাজ্যলৈ গ'লগৈ।

তাৰ পিছত শকুন্তলাই দিনে-ৰাতিয়ে তেওঁৰ কথাকে ভাবি থাকিবলৈ ধৰিলে। এদিন এইদৰে ভাবি থাকোঁতে খঙাল ঋষি দুৰ্বাসা তেওঁলোকৰ আলহী হ'লহি। দুৰ্বাসাই দুৱাৰ মুখৰ পৰা মাতিব ধৰিলে, নিয়ম মতে শকুন্তলাই তেওঁক ভৰি-হাত ধুৱাই সেৱা কৰি আদৰি আনিব লাগিছিল যদিও শকুন্তলাই গমেই নাপালে। তেওঁ দুষ্যন্তৰ কথা ভাবি ইমান তন্ময় হৈ আছিল যে দুৰ্বাসাৰ মাত তেওঁৰ কাণতে নপৰিল, তেতিয়া বৰ অপমান পাই দুৰ্বাসাই অভিশাপ দিলে — "যিজনৰ কথা ভাবি তই মোক অৱজ্ঞা কৰিছ সেইজনে তোক পাহৰি পেলাওক।" শকুন্তলাই এই অভিশাপৰ কথাও গম নাপালে। পিছে তেওঁৰ সখীহঁতে শুনি ঋষিৰ ভৰিত ধৰি কাকুতি কৰি শকুন্তলাক ক্ষমা কৰিবলৈ কোৱাত অলপ কুমলি তেওঁ ক'লে যে কিবা চিন এটা দেখুৱাব পাৰিলে ৰজাৰ শকুন্তলাৰ কথা মনত পৰিব।

কিছুদিন পিছত কণ্বমুনি আশ্ৰমলৈ উভটি আহিল, তেওঁ শকুন্তলাৰ বিবাহৰ কথা গম পাই ভাল পালে। পিছে ইমানদিন ৰজাই মানুহ নপঠোৱাত নিজেই শকুন্তলাক ৰজাৰ ওচৰলৈ পঠাই দিবলৈ স্থিৰ কৰিলে। বিদায়ৰ সময়ত তেওঁৰ বুকু ভাঙি গ'ল। সখীয়েকহঁতেও উচুপি উচুপি কান্দিবলৈ ধৰিলে। আশ্ৰমৰ পশু পোৱালিবোৰে শকুন্তলাক বাট ভেটি ধৰিলে, চৰাইবোৰে গান গাবলৈ এৰিলে। শকুন্তলাই নিজেও চকুৰ পানীৰে বাট নেদেখা হ'ল। আহিবৰ সময়ত সখীয়েকে শকুন্তলাক ক'লে — "সখী, ৰজাই যে তোমাক বিবাহৰ সময়ত নিজৰ নামলিখা আঙুঠি এটা পিন্ধাই দিছিল, তুমি প্ৰয়োজন হ'লে সেই আঙুঠিটো ৰজাক দেখুৱাবা।"

শকুন্তলাই ঋষি-পুত্ৰ আৰু সন্ন্যাসিনীৰ লগত যাত্ৰা কৰিলে। বাটতে শচী-তীৰ্থ নামে ঠাইত পানীত নামি গা-ধোওঁতে তেওঁৰ আঙুলিৰ পৰা আঙুঠিটো পানীত সৰি পৰিল আৰু সেইটো মাছে খাই থ'লে। তেওঁ পিছে গমেই নাপালে।

ইফালে দুৰ্বাসাৰ অভিশাপৰ বাবে দুষ্যন্তই শকুন্তলাক একেবাৰে পাহৰি পেলাইছিল। এতিয়া দেখিও তেওঁ চিনি নাপালে। শকুন্তলাই নিজৰ পৰিচয় দি পুৰণি কথাবোৰ বাৰে বাৰে কোৱাৰ পিছতো তেওঁৰ মনত নপৰিল শকুন্তলাক যে তেওঁ বিয়া কৰাইছিল। উপায় নাপাই শকুন্তলাই হাতৰ আঙুঠিটো দেখুৱাব খুজিলে, পিছে সেইটোও তেওঁৰ হাতত নাছিল। তেতিয়া ৰজাই শকুন্তলাক দুষ্ট আৰু মিছলীয়া বুলি কৈ সকলোৰে আগত লাজ দিয়াত শকুন্তলাই কান্দি-কাটি দৌৰি ওলাই আহিল ৰাজসভাৰ পৰা। তেওঁ নদীত পৰি মৰাৰ কথাই ভাবিছিল যদিও সেই সময়ত মাক মেনকা আহি ওলালহি। মেনকাই তেওঁক বুজাই-বঢ়াই হিমালয়ৰ ওচৰত থকা মহৰ্ষি মাৰীচৰ আশ্ৰমত থ'লেগৈ। তাতে কিছুদিন থকাৰ পিছত শকুন্তলাৰ এটি ধুনীয়া পুত্ৰ সন্তান উপজিল। শিশুটি বৰ বলৱান আছিল

আৰু নিচেই কম বয়সৰে পৰা সকলো বনৰীয়া জীৱ-জন্তুক বশ কৰিব পাৰিছিল। সেইবাবে তেওঁৰ নাম দিয়া হৈছিল সৰ্বদমন।

আনফালে শকুন্তলাক চিনি নাপাই লাজ দি পঠিয়াই দিয়াৰ কিছুদিন পিছত ৰজাৰ সৈন্যবোৰে এদিন এটা মাছমৰীয়াক ধৰি আনিলে। সেই মাছমৰীয়াই এটা মাছৰ পেটত ৰজাৰ নাম লিখা সোণৰ আঙুঠিটো পাইছিল, সৈন্যবোৰে তাক চোৰ বুলি ভাবি ৰজাৰ ওচৰলৈ আনি আঙুঠিটো দেখুৱালে। লগে লগে ৰজাৰ আগৰ সকলো কথা মনত পৰি গ'ল আৰু শকুন্তলাৰ কথাবোৰো মনত পৰিল। তেওঁ বেজাৰ আৰু অনুতাপত কাতৰ হৈ পৰিল। চাৰিওফালে বিচাৰিও শকুন্তলাৰ কোনো বাতৰি নাপায় তেওঁ দুখ কৰিবলৈ ধৰিলে।

কিছুদিন পিছত স্বৰ্গৰ ৰজা ইন্দ্ৰৰ অনুৰোধত দুষ্যন্তই স্বৰ্গ আক্ৰমণ কৰা অসুৰবোৰৰ লগত যুদ্ধ কৰিবলৈ স্বৰ্গলৈ গৈছিল। যুদ্ধ কৰি অসুৰবোৰক খেদি পঠিওৱাত ইন্দ্ৰই বৰ ভাল পাই ক'লে যে — "মহাৰাজ, আপোনাৰ সহায়ৰ প্ৰতিদান স্বৰূপে মই আপোনাক এটা বৰ ভাল উপহাৰ দিম। আপুনি এতিয়া ৰথত উঠক। মোৰ সাৰথি মাতলিয়ে আপোনাক পৃথিৱীলৈ লৈ যাব।" ৰজা ৰথত উঠিল। স্বৰ্গৰ পৰা পৃথিৱীৰ মনোৰম দৃশ্য চাই চাই আহি তেওঁলোকে হিমালয়ৰ নামনিৰ মাৰীচ মুনিৰ আশ্ৰম পালেহি। তাৰ পৰা মাতলিয়ে বিদায় ল'লে। ৰজাই এখোজ দুখোজকৈ আশ্ৰমৰ ফালে খোজ দিলে। এনেতে এটা ধুনীয়া শিশুৱে সিংহ-পোৱালিৰ লগত খেলা কৰি থকা দেখি তেওঁ বৰ আচৰিত হ'ল। তেওঁ ল'ৰাটিক মৰম কৰি পৰিচয় সোধাত ক'লে — "মোৰ নাম সৰ্বদমন। মোৰ আইৰ নাম শকুন্তলা আৰু দেউতাৰ নাম দুষ্যন্ত।" ৰজাৰ বৰ আনন্দ লাগিল। তেওঁ সৰ্বদমনক বুকুত সাৱটি মৰম কৰিব ধৰিলে। এনেতে শকুন্তলা তালৈ আহিল। তেওঁ দুখে-শোকে ক্ষীণাই গৈছিল। ৰজাই তেওঁক আগতে কৰা ব্যৱহাৰৰ বাবে ক্ষমা খুজিলে যদিও শকুন্তলাৰ খং মাৰ নগ'ল। তেতিয়া মাৰীচ মুনিয়ে বুজাই দিলে যে দুৰ্বাসাৰ অভিশাপৰ বাবেহে দুষ্যন্তই শকুন্তলাক পাহৰি গৈছিল।

ইয়াৰ পিছত শকুন্তলা আৰু সৰ্বদমনক লৈ দুষ্যন্ত নিজ দেশলৈ উভটি আহিল। সৰ্বদমন পিছলৈ বৰ প্ৰতাপী ৰজা হৈছিল। তেওঁ ভৰত নামেৰে জনাজাত আছিল। সেইবাবে তেওঁৰ নামেৰে আমাৰ দেশখনকো ভাৰত বোলা হয়। ○

# সোণবৰণৰ নেউল

ৰজা যুধিষ্ঠিৰে বৰ ডাঙৰকৈ অশ্বমেধ যজ্ঞ পাতি তাতলৈ হাজাৰ হাজাৰ মানুহক নিমন্ত্ৰণ কৰিছিল। গোটেই পৃথিৱীৰে ৰজা-ৰাজকুমাৰ আৰু অসংখ্য লোক সেই যজ্ঞলৈ আহিছিল। ব্ৰাহ্মণসকলে ইমান দান-দক্ষিণা লাভ কৰিছিল যে সেইবোৰ কঢ়িয়াই নিয়াটোৱেই তেওঁলোকৰ বাবে সমস্যা হৈছিল। পঞ্চ-পাণ্ডৱে সকলোৰে অদ্ভুত চমক লগাকৈ পতা এই মহাযজ্ঞত দান-দক্ষিণা আৰু উপহাৰৰ সীমা সংখ্যা নাছিল। তাৰ লগতে আছিল ভোজ-ভাত আৰু জা-জলপানৰ মুকলি ব্যৱস্থা। বিধে বিধে জুতি লগা আহাৰ যাৰ যিমান মন যায় সিমানেই খাব পাৰিছিল। এইদৰে মহা সমাৰোহেৰে পতা যজ্ঞত সকলো মানুহেই ভাগ লৈছিল।

যজ্ঞৰ শেষৰ দিনা বিশাল ৰভাৰ তলত বহি সকলো মানুহে কথা পাতিছিল যে ইমান ডাঙৰ যজ্ঞ কোনেও কেতিয়াও পাতিব পৰা নাছিল।

"মহাৰাজ যুধিষ্ঠিৰৰ দৰে দানী ৰজা আৰু নাই।" — ব্ৰাহ্মণসকলে আনন্দ মনেৰে ঘোষণা কৰিছিল।

"তেওঁৰ দৰে ধন-সম্পত্তি পৃথিৱীৰ কোনো মানুহৰেই নাই।" — ৰজাসকলে কৈছিল।

অন্যান্যসকলেও কৈছিল যে — "যুধিষ্ঠিৰে এই যজ্ঞ কৰি কিমান যে পুণ্য কৰিলে তাৰ সীমা নাই।" এনে সময়তে কোনোবাই কৈ উঠিলে —

"এঃ কিনো পুণ্যফেৰা কৰিলে যুধিষ্ঠিৰে? এজন দুখীয়া বামুণে যুধিষ্ঠিৰতকৈ দহগুণ বেছি পুণ্য কৰি থৈছে। এই অশ্বমেধ যজ্ঞ মোৰ বাবে একো ডাঙৰ যজ্ঞ নহয়।" কোনেনো এই কথা কৈছে বুলি সকলোৱে আচৰিত হৈ চাই দেখিলে যে এটা নেউলেহে কথা কৈ আছে। নেউলৰ গাটোৰ এফাল সোণবৰণৰ। যুধিষ্ঠিৰক নিন্দা কৰা নেউলটোক সকলোৱে গালি পাৰিবলৈ ধৰিলে। পিছে যুধিষ্ঠিৰে মৰমেৰে সুধিলে —

"হেৰা সোণবৰণৰ নেউল, তুমিনো কোন ব্ৰাহ্মণৰ কথা কৈছা, বহলাই কোৱাচোন।"

নেউলে ক'লে — "শুনক মহাৰাজ, বহুকাল আগতে এই কুৰুক্ষেত্ৰৰ পৰা অলপ

আঁতৰতে এজন অতি দুখীয়া ব্ৰাহ্মণ আছিল। তেওঁ ইমান দুখীয়া আছিল যে পথাৰত পৰি থকা ধান, ঘেঁহু, যৱধানৰ শস্য গোটাই বুটলি তাকে গুড়ি কৰি খায়। তাৰ বাহিৰে তেওঁৰ খাবলৈ একো নাছিল। এদিন তেনেকুৱা গুড়ি চাৰিমুঠি লৈ দুপৰীয়া ভোকৰ সময়ত তেওঁ নিজে, ব্ৰাহ্মণী আৰু পুতেক-বোৱাৰীয়েক খাবলৈ বহিছিল। তেনে সময়তে এজন আলহী আহি পালে। ব্ৰাহ্মণে আলহীক নিজৰ ভাগটো খাবলৈ দিলে। আলহীৰ ভোক নুগুচাত ব্ৰাহ্মণীয়েও নিজৰ ভাগটো আগবঢ়ালে। তাৰ পিছত পুতেক আৰু বোৱাৰীয়েকেও নিজৰ ভাগ দুটা আলহীজনক দিলে। নিজৰ ভোকৰ আহাৰ আলহীক দিয়াৰ বাবে তেওঁলোকৰ যি পুণ্য হ'ল তাৰ ফল ময়ো কেনেকৈ পালো চাওক। আলহীয়ে খোৱা পাতখনৰ ওপৰত মই বাগৰ এটা মাৰিছিলোঁ, তাৰ ফলত গাৰ এফাল সোণালী হৈ পৰিল।"

কাহিনী শুনি সকলো অবাক হ'ল। তাৰ পিছত নেউলে ক'লে — "তেতিয়াৰে পৰা গাটোৰ বাকীফালো সোণৰ কৰি ল'ম বুলি মই কিমান যে চুৱাপাতত বাগৰি ফুৰিছোঁ তাৰ সীমা নাই। আজি যুধিষ্ঠিৰৰ যজ্ঞত অতিথিয়ে খাই এৰা মাছ-মঙহ, মিঠাই-পৰমান্নৰে ভৰা পাতবোৰতো মই বাগৰি চালো। নাই, ক'তো মোৰ গা সোণালী নহ'ল। সেয়েহে কৈছোঁ, যুধিষ্ঠিৰৰ পুণ্য সেই ব্ৰাহ্মণৰ পুণ্যৰ সমান হোৱাগৈ নাই।"

সকলো অবাক হ'ল। যুধিষ্ঠিৰৰো মুখৰ মাত নোলাল। এইখিনি কথা কৈ নেউলটো নোহোৱা হ'ল।

নেউলটো প্ৰকৃততে আছিল ধৰ্মদেৱতা। তেওঁ এবাৰ জমদগ্নি মুনিক জগৰ লগোৱা বাবে উপৰি পুৰুষসকলৰ অভিশাপত পৰি নেউলৰ জন্ম ল'ব লগা হৈছিল। তেওঁলোকে এই বুলিও কৈছিল যে ধৰ্মক নিন্দা কৰিলে তেওঁৰ মুক্তি হ'ব। নেউলৰূপী ধৰ্মদেৱতাই বহুত যজ্ঞতে নিন্দা কৰি চালে, পিছে তেওঁৰ মুক্তি নঘটিল। এইবাৰ যুধিষ্ঠিৰৰ যজ্ঞক নিন্দা কৰোঁতে লগে লগে তেওঁ অভিশাপৰ পৰা মুক্ত হ'ল। কাৰণ যুধিষ্ঠিৰ আছিল আটাইতকৈ ধাৰ্মিক লোক আৰু ধৰ্মদেৱতাৰে অংশ। ○

# কপৌ চৰাইৰ অতিথি সেৱা

এটা চৰাই চিকাৰি ব্যাধ বনৰ মাজত ঘূৰি ফুৰিছিল। হাতত জাল এখন লৈ সি চৰাই ধৰিবলৈ বহুত সময় যত্ন কৰিলে, পিছে এটা চৰায়ো না· ·ল, এনেতে ধুমুহা-বতাহ আহিল। ধাৰাষাৰ বৰষুণ দিয়াত চাওঁতে চাওঁতে গোটেইখন পানী হৈ পৰিল। ধুমুহাৰ লগতে শিল-বৰষুণ হৈ বতৰটো তেনেই চেঁচা হৈ পৰিল। ব্যাধ ঠাণ্ডাত কঁপিবলৈ ধৰিলে। সি তিতি তেনেই জুৰুলি-জুপুৰি হ'ল। ইফালে লাহে লাহে গধূলি হৈ অহাত সি বনৰ পৰা ওলাই অহাৰ কথা ভাবিলে। হঠাৎ তাৰ চকুত পৰিল এটা জোপোহাৰ মাজত এজনী কপোতীয়ে জুপুকা মাৰি বৰষুণৰ পৰা নিজকে বচাইছে। দুষ্ট ব্যাধে সেই বৰষুণৰ মাজতে জালত পেলাই কপোতীজনীক ধৰি পেলালে। তাৰ পিছত বৰ ৰং মনেৰে হাবিৰ মাজে মাজে আহিবলৈ ধৰিলে। অলপ দূৰ অহাৰ পিছত আন্ধাৰ হ'ল। ঠাণ্ডা আৰু ভোকে-ভাগৰে ব্যাধৰ শৰীৰ ঠেৰেঙা লাগিল। সি আৰু খোজকাঢ়িব নোৱাৰা হ'ল। এজোপা ডাঙৰ গছৰ তলতে সি ৰাতিটো শুই থকাৰ কথা ভাবিলে।

সেইজোপা গছতে চিত্ৰ নামে কপৌটোৱে পৰিয়াল লৈ বাস কৰে। ব্যাধে ধৰি থোৱা কপোতীজনী চিত্ৰৰ পত্নী। সেইদিনা দেউতাকক ল'ৰা-ছোৱালী চাবলৈ দি কপোতী আহাৰ বিচাৰি গৈছিল। বেচেৰী যে জালত পৰিলে কপৌৱে নাজানে। ৰাতিলৈকে তাই ঘৰলৈ নহা দেখি সি দুখ কৰি বিনাই আছিল। সি কৈ আছিল —

"মোৰ ল'ৰাহঁতৰ মাক আজি ক'লৈ গ'ল? মোক তেওঁ ইমান যত্ন কৰে, মই নাখালে নিজেও নাখায়, মই গা নুধুলে তেৰোঁ নোধোৱে, মই দাবি-ধমকি দিলেও মনে মনে থাকে, মোৰ সেই লখিমীজনী আজি কিয় অহা নাই?"

গছৰ তলত ব্যাধৰ টোপোলাত থকা কপৌজনীয়ে এই কথা শুনি ভাবিলে, "মই ইমান ভাগ্যৱতী! মোৰ স্বামীয়ে মোক ইমান প্ৰশংসা কৰিছে!" তাই ডাঙৰকৈ ক'লে — "হেৰি, শুনিছেনে? মোৰ বাবে বেজাৰ নকৰিব। মোৰ কপাল বেয়া বাবে মই ব্যাধৰ হাতত ধৰা পৰিলোঁ। মোৰ দৰে পত্নী আপুনি বহুত পাব।"

তাইৰ কথা শুনি কপৌৱে ক'লে — "হাঁয়, কপোতী তোমাক মই কেনেকৈ ৰক্ষা কৰোঁ!" তাৰ চকুৰে পানী বৈ আহিল। কপোতীয়ে ক'লে —

"মোৰ কথা এৰক। আপোনাৰ ঘৰলৈ ভোকে ভাগৰে লালকাল এজন আলহী

আহিছে। তেওঁক শুশ্ৰূষা কৰি পুণ্য অৰ্জন কৰক।"

কপৌৱে তেতিয়া তললৈ নামি আহি ব্যাধক ক'লে, "ডাঙৰীয়া, আপুনি মোৰ অতিথি। আপোনাক কেনেকৈ তুষ্ট কৰিম?"

ব্যাধে অলপ আচৰিত হৈ ক'লে — "হেৰা সৰু চৰাই, মোৰ বৰ ঠাণ্ডা লাগিছে, কাপোৰ-কানিও তিতিলে। কৰবাত জুই পামনে?

কপৌৱে তেতিয়া ঠোঁটেৰে অলপ শুকান খৰি বিচাৰি আনি থূপ খুৱালে। তাৰ পিছত বিচাৰি বিচাৰি এজোপা ডাঙৰ গছৰ মাজত অলপ জুই দেখিলে। সেই জুই খৰিত লগাই আনি তাই খৰিৰ দমটোত লগাই দিলে। দপ্ দপ্‌কৈ জুই জ্বলি উঠিল, ব্যাধে কাপোৰ-কানি সেকি লৈ বৰ আৰাম পালে।

"আৰু কিবা লাগিবনে ডাঙৰীয়া?" কপৌটোৱে সুধিলে।

ব্যাধে কলে — "ঠাণ্ডা কমিল সঁচা, ভোকত যে প্ৰাণ যায়। কিবা এটা খাবলৈ দিব পাৰেনে?"

কপৌটোৰ বৰ চিন্তা লাগিল। চৰায়ে আহাৰ সাঁচি নথয়, গতিকে তাৰ ঘৰত খুদ্‌কণ এটাও নাই। এনেতে তাৰ মনত পৰিল যে মানুহৰ বাবে চৰাইৰ মাংস বৰ জুতিলগা আহাৰ। সি নিজৰ শৰীৰেৰে অতিথি সেৱা কৰিবলৈ উৰি গৈ জুইত পৰি দিলে। নিমিষতে তাৰ ধুনীয়া পাখীবোৰ জুয়ে পুৰি পেলালে। ইমানপৰে গোটেইবোৰ কাণ্ড চাই থকা অকণমান পোৱালি দুটায়ো দেউতাকৰ দৰে জুইত জাঁপ দিলে। ব্যাধৰ বৰে গোটেইবোৰ দৃশ্য সপোন যেন লাগিল। সি নিজে নিষ্ঠুৰ আৰু দুষ্ট। সৰু চৰাইকেইটাৰ সৰল অন্তৰ দেখি তাৰ লাজ আৰু দুখত অন্তৰ ভাগি গল। সি কপোতীক মুকলি কৰি দিলে। কপোতীয়ে স্বামী-পুত্ৰৰ মৃত্যু দেখি আছিল, গতিকে তায়ো গৈ জুইত জাঁপিয়াই পৰিল।

অলপ পিছতে জুইৰ পৰা এচমকা বগা পোহৰ ওলাল। আকাশত বৈ থকা ধুনীয়া ৰথ এখনত সেই পোহৰ চমকা সোমাই পৰিল। ব্যাধে বুজিলে, কপৌৰ পৰিয়াল স্বৰ্গলৈ গ'ল। সি সেইদিনাৰ পৰা হিংসাৰ স্বভাৱ এৰি দিলে। এদিন হাবিত বনজুই দেখি ব্যাধে নিজৰ পাপৰ প্ৰায়চিত্তৰ বাবে জুইত জাঁপ দি প্ৰাণত্যাগ কৰিলে। তাৰপিছত অনুতাপৰ বাবে শুদ্ধ হোৱা ব্যাধেও স্বৰ্গলৈ যাবলৈ পালে। ○

# পঞ্চ পাণ্ডৱৰ স্বৰ্গাৰোহণ

পুণ্য কৰা ভাল মানুহ মৃত্যুৰ পিছত স্বৰ্গলৈ যায় বুলি ভবা হয়। পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীয়ে মৃত্যুৰ আগতেই খোজকাঢ়ি স্বৰ্গলৈ যাবলৈ ঠিক কৰিলে। তাৰ বাবে তেওঁলোকে পৰীক্ষিত নামে অৰ্জুনৰ নাতিয়েকক ৰজা পাতিলে আৰু সকলোৰে পৰা বিদায় ল'লে।

দীঘলীয়া বাটেৰে ঘূৰি পঞ্চপাণ্ডৱ গৈ হিমালয় পালে। সেইফালেদিয়ে স্বৰ্গলৈ যোৱাৰ বাট। ধুনীয়া গছ-বনৰ মাজেৰে শান্ত মনেৰে বাট-পথ ভয় লগা ধৰণে থিয় হৈ উঠিল। চাৰিওফালে বৰফ আৰু বৰফ, ঠাণ্ডাত হাত-ভৰি কঁপি উঠে। বাটবোৰ ইমান ঠেক আৰু থিয় হ'বলৈ ধৰিলে যে অলপ খোজ দিয়াত ভুল হ'লেই পিছলি পৰিব লাগিব। তেওঁলোকে আটায়ে যোগৰ নিয়ম জানিছিল। গতিকে খুব নিয়মমতে উশাহ লৈ আৰু নিশাহ এৰি তেওঁলোকে খোজ দিবলৈ ধৰিলে। একেবাৰে আগত গ'ল যুধিষ্ঠিৰ, তেওঁৰ পিছত ভীম। তাৰ পিছত ক্ৰমে অৰ্জুন, নকুল, সহদেৱ আৰু দ্ৰৌপদী। সকলোৰে পিছত থাকিল কুকুৰটো।

কিছু দূৰ যোৱাৰ পিছত হঠাৎ অথন্তৰ ঘটিল। দ্ৰৌপদীৰ ভৰি পিছলিল আৰু তেওঁ লগে লগে বহুত তললৈ সৰি পৰিল। তাকে দেখি সকলোৰে বুকু ভাগি গ'ল যদিও কোনো নৰ'ল, খোজ দিয়েই থাকিল। ভীমে মাথোন সুধিলে, "মহাৰাজ, আমাৰ সকলোৰে চেনেহৰ দ্ৰৌপদীয়ে কেতিয়াও কোনো পাপ কৰা নাছিল। তেওঁ কিয় পিছলি পৰিল?" যুধিষ্ঠিৰে উত্তৰ দিলে — "দ্ৰৌপদীৰ এটা দোষ আছিল, তেওঁ পাঁচজন স্বামীৰ ভিতৰত অৰ্জুনক বেছি মৰম কৰিছিল।"

আৰু অলপ বাট আগবঢ়াৰ পিছত সহদেৱ পিছলি পৰিল। তাকে দেখি ভীমে ক'লে — "আমাৰ সৰুভাই সহদেৱ কিয় পৰিল? তেওঁ দেখোন পৰম জ্ঞানী আছিল।"

"সেইটোৰেই তেওঁৰ অহংকাৰ। তেওঁ নিজকে সবাতোকৈ জ্ঞানী বুলি ভাবিছিল।" — যুধিষ্ঠিৰে ক'লে।

কিছু বাট আকৌ আগবঢ়াৰ পিছত নকুলৰ পাল পৰিল। তেওঁ বাগৰি তলত পৰা দেখি ভীমে তাৰ কাৰণ সোধাত যুধিষ্ঠিৰে ক'লে — "নকুলে নিজকে সকলোতকৈ ধুনীয়া বুলি ভাবি ভিতৰি ভিতৰি অহংকাৰ কৰিছিল। সেয়াই তেওঁৰ দোষ।"

অলপ পিছত অৰ্জুনো বাগৰি পৰাত ভীমে হাঁহাকাৰ কৰি উঠিল। যুধিষ্ঠিৰে

শান্তভাৱে ক'লে, "দুখ নকৰিবা। অৰ্জুনৰ নিজৰ বীৰত্বৰ ওপৰত জোখতকৈ বেছি বিশ্বাস আছিল। তাৰ বাবে তেওঁ কিছুমান অসম্ভৱ কথাও কৈ ফুৰিছিল। সেই পাপৰ ফলতে তেওঁৰ এনে অৱস্থা হ'ল।"

ইয়াৰ পিছত পিছলি পৰিল ভীম। ভীমে কৰুণভাৱে কৈ উঠিল, "দাদা যুধিষ্ঠিৰ, মোৰ দোষটোনো বাৰু কি?"

"শুনা ভীম, তুমি সদায় আনলৈ মন নকৰাকৈ নিজে বেছি খাইছিলা। তাৰ ফলতে তোমাৰ এই অৱস্থা হ'ল।" এইবুলি কৈ পিছলৈ নোচোৱাকৈ যুধিষ্ঠিৰ আগবাঢ়ি গ'ল। কুকুৰটোৱেও তেওঁৰ পিছ ল'লে।

আৰু অলপ বাট আগুৱাই যোৱাৰ পিছত তেওঁলোক স্বৰ্গৰ দুৱাৰমুখ পালেগৈ। ইন্দ্ৰই নিজে তেওঁৰ ৰথ লৈ যুধিষ্ঠিৰক আগবঢ়াই নিবলৈ আহিল। স্বৰ্গৰ ধুনীয়া দৃশ্যবোৰ ৰিণিকি-ৰিণিকি দেখি যুধিষ্ঠিৰৰ মনটো শাঁত পৰি গ'ল যদিও ভায়েককেইজন আৰু দ্ৰৌপদীৰ বাবে তেওঁৰ মনটো বেয়া লাগি থাকিল। ইন্দ্ৰই তেওঁক ৰথত উঠিবলৈ কোৱাত যুধিষ্ঠিৰে লগত কুকুৰটো লৈয়েই আগবাঢ়ি গ'ল। তেতিয়া ইন্দ্ৰই ক'লে,—

"মহাৰাজ, কুকুৰটোক নানিব। সেই লেতেৰা জন্তুটো স্বৰ্গলৈ আহিব নোৱাৰে।"

যুধিষ্ঠিৰে ক'লে, "দেৱৰাজ ইন্দ্ৰ, কুকুৰটো মোৰ বাটৰ লগৰীয়া। মোৰ বাহিৰে তাৰ কোনো নাই। তাক কেনেকৈ এৰি যাওঁ?"

"কিন্তু কুকুৰ সদায়ে কুকুৰ। সি আকৌ মানুহৰ লগ কেনেকৈ হ'ব পাৰে। তাক খেদি দিয়ক।"

"মোৰ পত্নী আৰু ভাইহঁতৰ মৃত্যুৰ পিছতহে মই তেওঁলোকক এৰিছোঁ। এই কুকুৰটোক জীয়াই থকা কালত মই কোনোমতেই এৰিব নোৱাৰে। সি নিজেও এতিয়ালৈকে মোৰ লগ এৰা নাই।" — যুধিষ্ঠিৰে ক'লে।

তেতিয়া অন্যান্য দেৱতাসকলো আহি পালে। সকলোৱে দুখ কৰি ক'লে যে ইমান কষ্ট কৰি স্বৰ্গৰ দুৱাৰ মুখ পোৱাৰ পিছতো কুকুৰটোৰ লগ নেৰা বাবেই যুধিষ্ঠিৰে স্বৰ্গত সোমাব নোৱাৰিব। তেওঁলোকে যুধিষ্ঠিৰক ক'লে, "মহাৰাজ, এতিয়াও কুকুৰটোক তাতে এৰি আপুনি স্বৰ্গলৈ সোমাই আহক।"

যুধিষ্ঠিৰে উত্তৰ দিলে, "মই কুকুৰটোক মোৰ ওচৰৰ পৰা আঁতৰাই নপঠাওঁ। লাগিলে তাৰ বাবে মই স্বৰ্গলৈ যোৱাৰ ইচ্ছাও এৰি দিম। মোক স্বৰ্গও নালাগে, কিন্তু বেচেৰা প্ৰাণীটোক মই অকলে এৰি নিদিওঁ।"

এই কথা কোৱাৰ লগে লগে কুকুৰটো নোহোৱা হৈ পৰিল। তাৰ ঠাইত ধৰ্মদেৱতা যম আৱিৰ্ভাৱ হৈ ক'লে, "তোমাৰ দয়া আৰু চেনেহৰ তুলনা নাই। সামান্য এটা কুকুৰৰ বাবে তুমি স্বৰ্গৰ সুখ এৰি দিছা। মই তোমাক পৰীক্ষাহে কৰিছিলোঁ। তুমি দেৱতাতকৈও মহান।"

তাৰ পিছত দেৱতাসকলে যুধিষ্ঠিৰক আদৰি-সাদৰি স্বৰ্গলৈ লৈ গ'ল। ○

# গুত্তিল জাতক

বহু হাজাৰ বছৰৰ আগতে বাৰানসীত ব্ৰহ্মদত্ত নামে এজন বিখ্যাত ৰজা আছিল। তেওঁৰ ৰাজত্বকালত ভগৱান বোধিসত্ত্বই গুত্তিল কুমাৰ নামে এজন গন্ধৰ্ব হৈ জন্ম হৈছিল। তেওঁ বৰ সুৱলাকৈ বীণা বজাবলৈ পাৰিছিল। তেওঁৰ বীণাৰ সুৰ শুনাৰ পিছত মানুহৰ আৰু বেলেগ একো শুনিবলৈ মন নগৈছিল। গুত্তিল কুমাৰৰ গুণ আৰু নিপুণতাৰ কথা শুনি আন এজন বীণা-বাদক মূসিলৰো তেওঁৰ কাষত শিকিবলৈ মন গ'ল। তেওঁৰ ঘৰ উজ্জয়িনী নগৰত আছিল। তাৰ পৰা তেওঁ বাৰানসী নগৰলৈ আহি গুত্তিলৰ ঘৰ বিচাৰি উলিয়ালে।

গুত্তিলে তেওঁৰ অন্ধ পিতৃ-মাতৃক যত্ন কৰি বীণা-বাদনৰ চৰ্চা কৰি পৱিত্ৰভাৱে কাম কৰিছিল। তেওঁক সকলোৱে ভাল পাইছিল। তেওঁ বৰ জ্ঞানীও আছিল। মূসিলক দেখিয়েই তেওঁ গম পালে যে মূসিল স্বাৰ্থপৰ আৰু দুষ্ট। যেতিয়া মূসিলে ক'লে যে তেওঁ বীণা বজোৱা শিকিবলৈ আহিছে, তেতিয়া বোধিসত্ত্বই প্ৰথমতে তেওঁক শিকাব নুখুজিলে। পিচে মূসিলে বৰ জোৰ কৰাত আৰু তেওঁৰ মাক-দেউতাকেও কোৱাত তেওঁ শিকাবলৈ মান্তি হ'ল।

মূসিলক অসৎ বুলি জানিও গুত্তিলে যত্ন আৰু মৰম কৰি তেওঁক বীণা বজোৱাৰ সকলো কৌশল শিকালে। মূসিলেও বহুত শিকিলে। গুত্তিলে কেতিয়াবা মূসিলক নিজৰ লগত ৰাজসভালৈও লৈ যায় আৰু মানুহৰ লগত চিনাকি কৰি দিয়ে। এনেকৈ অহা-যোৱা কৰি কৰি মূসিলৰ ৰজাৰ সভাত বীণা-বাদকৰ চাকৰি পাবলৈ লোভ হ'ল। তেওঁ গুত্তিলৰ যোগেদি ৰজালৈ অনুৰোধ জনালে আৰু ৰজাও মান্তি হ'ল। পিছে মূসিলে তেতিয়া ক'লে যে, "মোক কিন্তু গুৰু গুত্তিলৰ সমানেই ধন দিব লাগিব। কাৰণ মই তেখেতৰ দৰেই শুৱলাকৈ বীণা বজাবলৈ শিকিছোঁ।"

"তুমি যে তেখেতৰ সমানেই জানা তাৰ প্ৰমাণ কি আছে?" ৰজাই সুধিলে। মূসিলে নিলাজৰ দৰে উত্তৰ দিলে যে তেওঁ গুৰুৰ লগত বীণা বজোৱাৰ প্ৰতিযোগিতা কৰি তাৰ প্ৰমাণ দিব।

"গুৰুৰ লগত প্ৰতিযোগিতা কৰিব পায় জানো?" — ৰজাই আচৰিত হৈ সুধিলে। পিছে মূসিলে লাজ নাপালে। তেওঁ প্ৰতিযোগিতা কৰিম বুলিয়েই ক'লে। ৰজাই তেতিয়া

গুণ্ডিলক সেই কথা কোৱাত তেওঁ সাত দিনৰ পিছত প্ৰতিযোগিতাত বহিম বুলি ক'লে।

এই সাতদিন গুণ্ডিলৰ বৰ অশান্তি গ'ল। কাৰণ তেওঁ এতিয়া বুঢ়া হৈছে, বীণা বজাওঁতে হাত কঁপিবও পাৰে। আনহাতে মুসিল ডেকা ল'ৰা, তেওঁ খৰকৈ বজাব পাৰিব। যদি তেওঁৰ হাতত গুণ্ডিল হাৰে তেন্তে বৰ লাজৰ কথা হ'ব। সেই লাজ সহ্য কৰাতকৈ মৰি যোৱাই ভাল। এইবুলি ভাবি অৰণ্যলৈ গৈ তেওঁ চিন্তা কৰি থকা দেখি দেৱৰাজ ইন্দ্ৰ তেওঁৰ ওচৰলৈ নামি আহিল আৰু ক'লে — "তুমি চিন্তা নকৰিবা। প্ৰতিযোগিতাত তুমি বীণাৰ তাঁৰবোৰ এডাল এডালকৈ খুলি ল'বা, তথাপিও বীণাৰ পৰা মিঠা মাত ওলাব। তোমাক দেখি মুসিলেও তাঁৰ খুলি পেলাব। পিছে তাৰ বীণাৰ পৰা মাতেই নোলাব। তাৰ পিছত তুমি এই গুটিকেইটা আকাশলৈ মাৰি পঠিয়াবা। মই তেতিয়া বহুতো অপেশ্বৰীক বীণাৰ সুৰত নাচিবলৈ পঠিয়াই দিম।"

ইন্দ্ৰৰ কথা শুনি গুণ্ডিল আনন্দমনেৰে ঘৰলৈ আহিল। যিদিনা প্ৰতিযোগিতা আৰম্ভ হ'ল সেইদিনা তেওঁ আনন্দমনেৰে বীণা বজাবলৈ ধৰিলে। অলপ পিছত তেওঁ এডাল এডালকৈ সাতোডাল তাঁৰ চিঙি পেলালে। তথাপিও বীণাৰ ইমান মিঠা মাত ওলাবলৈ ধৰিলে যে সকলো মানুহ আনন্দতে থৰ লাগিল, তাকে দেখি মুসিলেও তাঁৰবোৰ চিঙি পেলালে। পিছে তেতিয়া তেওঁৰ বীণাৰ মাতেই নোলোৱা হ'ল। অলপ পিছত গুণ্ডিলৰ বীণাৰ সুৰত বহুতো অপেশ্বৰীয়ে নাচিবলৈ ধৰিলে। তাকে দেখি হাজাৰ হাজাৰ মানুহে গুণ্ডিলৰ জয়ধ্বনি দিবলৈ ধৰিলে। মুসিলে বৰ লাজ পালে। ৰজাৰো মুসিলৰ ওপৰত খং উঠিল। ৰজাৰ খং উঠা দেখি মানুহবোৰে মুসিলৰ গালৈ শিল দলিয়াবলৈ ধৰিলে। এইদৰে শিলৰ আঘাতত তেওঁৰ মৃত্যু হ'ল।

গুৰুলৈ শ্ৰদ্ধা নথকা মুসিলে এনেকৈয়ে শাস্তি পালে। ○

# শিবি ৰজাৰ দান

পুৰণি কালত শিবি নামে এজন ৰজা আছিল। তেওঁ বৰ দানী আছিল। নিজৰ ৰাজ্যত কেইখনমান ধৰ্মশালা পাতি তেওঁ হাজাৰ হাজাৰ মানুহক নিজৰ ধনেৰে দুবেলা খুৱাইছিল, কাপোৰ-কানি দিছিল আৰু ধন-সোণো দান কৰিছিল। তেওঁৰ কাষত যেয়ে যি বিচাৰে তাকে পাইছিল। তেওঁৰ কিন্তু এইদৰে দান দি হেঁপাহ পলোৱা নাছিল। আৰু কিবা মূল্যৱান বস্তু দান দিবলৈ তেওঁৰ বৰ মন গৈছিল।

এদিন ৰাতিপুৱা তেওঁ মনতে ভাবিলে — "মোক যদি কোনোবাই চকু দুটা খুজিলেহেঁতেন, মই আনন্দ মনেৰে দি দিলোহেঁতেন। যদি কলিজাটো খুজিলেহেঁতেন, মই উলিয়াই কাটি দিলোহেঁতেন। তেনেকুৱা মূল্যৱান বস্তু দান কৰিলেহে মোৰ মনটো ভাল লাগিব।"

শিবি ৰজাৰ মনৰ কথা গম পালে দেৱৰাজ ইন্দ্ৰই। তেওঁ পৰীক্ষা কৰি চাবৰ বাবে অন্ধ মগনীয়াৰ ৰূপ লৈ ৰজা অহা-যোৱা কৰা বাটত বহি থাকিল। ৰজাই সেইদিনাও বহুতো ধন-সোণ আৰু বয়-বস্তু দান কৰি আহি আছিল। অন্ধ মগনীয়াক দেখি তেওঁৰ দুখ লাগিল আৰু কি লাগিব সুধিলে। মগনীয়া বেশী ইন্দ্ৰই ক'লে — "মহাৰাজ, মোক ধন-সোণ একো নালাগে। পাৰে যদি দয়া কৰি আপোনাৰ এটা চকু দান কৰক। তেতিয়া ময়ো পৃথিৱীখন দেখা পাম, আপুনিও দেখি থাকিব।"

ৰজাৰ বৰ আনন্দ লাগিল। ইমান ভাল আৰু মূল্যৱান দান কৰাৰ সৌভাগ্য হোৱাত তেওঁ ভগৱানক ধন্যবাদ দিলে। তেওঁ ক'লে — "মই তোমাক দুয়োটা চকুকে দান দিম। আজিৰে পৰা তুমি দুয়োটা চকুৰে দেখা পাবা।" তাৰ পিছত ৰাজবৈদ্যক মাতি আনি তেওঁ দুয়োটা চকু উলিয়াই পেলাবলৈ অনুৰোধ কৰিলে। ৰাজবৈদ্য অবাক হ'ল। ৰাজ্যৰ সকলো মানুহেই ৰজাক তেনে নকৰিবলৈ জোৰ দি ধৰিলে, ৰাণীসকলে কন্দা-কটা কৰিলে। ৰজাই পিছে কাৰো কথা নুশুনি বৈদ্যক আদেশ দিলে চকুযোৰ উলিয়াই পেলাবলৈ। বৈদ্যই উপায় নাপাই চোকা ঔষধ সানি ৰজাৰ দুয়োটা চকু উলিয়াই পেলালে। বিষত ভয়ংকৰ কষ্ট পালেও ৰজাই চকু দুটা অন্ধ মানুহজনক দি বৰ শান্তি পালে।

কিছুদিনৰ পিছত অন্ধ ৰজাৰ ৰাজত্ব কৰি ভাল নলগা হ'ল। তেওঁ ৰাজ্য এৰি বনলৈ গৈ তপস্যা কৰিব ধৰিলে। এদিন তেওঁ তপস্যা কৰি থাকোঁতে ইন্দ্ৰদেৱ আহি ক'লে, "হে

মহাৰাজ, তোমাৰ দান দিয়া শক্তি দেখি মই সন্তুষ্ট হৈছোঁ। তোমাক কি বৰ লাগে কোৱা?" ৰজাই ক'লে — "মোক মৃত্যু দান কৰা। কাৰণ এতিয়া দান দিব পৰা একো বস্তুৱেই মোৰ নাই। দান নকৰাকৈ মই জীয়াই থাকিব নোৱাৰোঁ। ইন্দ্ৰই তেতিয়া ৰজাৰ চকু দুটা ভাল কৰি দি ক'লে — "মহাৰাজ, মই পৰীক্ষাহে লৈছিলোঁ। তুমি আকৌ ৰাজত্ব কৰাগৈ আৰু দানী ৰজা ৰূপে বিখ্যাত হোৱাগৈ। তোমাৰ নিচিনাকৈ নিজৰ চকু দান কৰিব পৰা লোক মই ক'তো দেখা নাই।"

ইয়াৰ পিছত দৃষ্টিশক্তি লাভ কৰি ৰজা পুনৰ নিজৰ ৰাজ্যলৈ ঘূৰি আহিল আৰু হেঁপাহ পলুৱাই দান কৰিবলৈ ধৰিলে। ○

# দুটা ভাটৌৰ কথা

একে বাঁহতে জন্ম হোৱা দুটা পোৱালি ভাটৌৱে প্ৰথম উৰিবলৈ শিকিছিল। অলপ দূৰ গৈয়েই এটা সৰি পৰিল চোৰৰ গাঁও এখনত। আনটো সৰি পৰিল এখন হাবিৰ মাজত থকা সন্ন্যাসীৰ আশ্ৰমত। চোৰৰ ঘৰত এটা ভাটৌ ডাঙৰ হ'ল আৰু সন্ন্যাসীৰ আশ্ৰমত আনটো ভাটৌ বাঢ়ি আহিল।

এদিন এজন ৰজাই অকলশৰে ঘোঁৰাত উঠি দেশ ভ্ৰমণ কৰিবলৈ গৈছিল। বাটতে ৰাতি হোৱাত তেওঁ চোৰৰ গাঁওখন পাই তাতে কৰবাত থকাৰ কথা ভাবিলে। পিছে ৰাতি চোৰবোৰ ঘৰত নাছিল, আন গাঁৱলৈ চুৰ কৰিবলৈ গৈছিল। গতিকে গাঁৱৰ কাষত থকা গছ এজোপাৰ তলত তেওঁ শুবলৈ কাপোৰ এখন পাৰি ল'লে। অলপ টোপনি আহোঁতেই তেওঁ কাৰোবাৰ মাত শুনিলে। সেই মাতটোৱে কৈছে — "মানুহটো শুই আছে। তাক ধৰি বান্ধি পেলাওঁ নাইবা হত্যা কৰোঁ ব'লা। তাৰ পিছত তাৰ ধন-সোণবোৰ লৈ আমি গুচি যাওঁ।" ৰজা জাপ মাৰি উঠিল। তেওঁ তৰোৱালত হাত দি চাৰিওফালে চালে। পিছে কোনো মানুহ চকুত নপৰিল। এনেতে গছৰ ওপৰৰ পৰা মাত আহিল।

"মানুহটোক হত্যা কৰিবলৈ এয়ে ভাল সময়।" ৰজাই ওপৰলৈ চাই দেখিলে যে এটা ভাটৌৱে অকলে অকলে কথাবোৰ কৈ আছে। তেওঁ বৰ আচৰিত হ'ল। সেই ঠাইত ৰাতি থাকিবলৈ মন নকৰি তেওঁ ঘোঁৰাত উঠি আগুৱাই গ'ল। গৈ গৈ এখন হাবি পালে। এনেতে কোনোবাই কোৱা শুনিলে।

"আ হক, আহক ডাঙৰীয়া। আমাৰ আশ্ৰমৰ আলহী হওকহি। আমাৰনো কি আছে, কি দিম? পকা ফল-মূল আৰু শীতল পানীকে গ্ৰহণ কৰকহি।" ৰজাই আচৰিত হৈ দেখিলে যে এটা ভাটৌৱে কথাবোৰ কৈ আছে। তেওঁৰ মনটো বৰ ভাল লাগিল। ভাটৌটোৰ পিছে পিছে গৈ তেওঁ ধুনীয়া আশ্ৰম এখন পালে। সন্ন্যাসীসকলে ৰজাক আদৰ-সাদৰ কৰি বহিবলৈ দি খোৱা-বোৱাৰ যোগাৰ কৰি দিলে। ৰজাই তেতিয়া ক'লে যে দুটা ভাটৌৰ মুখত দুই ধৰণৰ কথা শুনি তেওঁ বৰ অবাক হৈছে। তাৰ কাৰণ জানিবলৈ বিচৰাত সন্ন্যাসীসকলৰ মূলজনে ক'লে — "মহাৰাজ, দুয়োটা ভাটৌ একেজনী মাকৰে সন্তান। চোৰৰ লগত ডাঙৰ হোৱাটোৰ স্বভাৱ দুষ্ট চোৰবোৰৰ দৰে অসৎ হৈছে আৰু আশ্ৰমত ডাঙৰ হোৱাটোৰ স্বভাৱ সাধুসকলৰ দৰে সৎ হৈছে। পৰিৱেশেহে স্বভাৱৰ ওপৰত প্ৰভাৱ পেলায়।"

ৰজাই বুজিলে যে মানুহেও ভালৰ লগ ল'লে ভাল স্বভাৱ পায় আৰু বেয়াৰ লগ ল'লে দুষ্ট হয়। ○

# বৰ কাছৰ আকাশ ভ্ৰমণ

এটা ডাঙৰ পুখুৰীত এটা বৰ কাছ আছিল। সি সাঁতুৰি-নাদুৰি সুখেৰে দিন পাৰ কৰিছিল। পুখুৰীটোলৈ মাজে মাজে এযোৰ ধুনীয়া ৰাজহাঁহ আহে। দেখাত বৰ ধুনীয়া, বগা ৰাজহাঁহ। কাছটোৱে সিহঁতক বৰ ভাল দেখে। ৰাজহাঁহ দুটাও বৰ ভদ্ৰ আছিল। সিহঁতে পুখুৰীত সাঁতুৰি খেলি থাকোঁতে কাছটোৰ লগত দুই এষাৰ কথা পাতি ধেমালি কৰি থাকে। এনেকৈ থাকোঁতে সিহঁত তিনিওটা বৰ বন্ধু হৈ পৰিল। ইজনে সিজনক বিপদত ৰক্ষা কৰিম বুলি তেওঁলোকে শপত খালে।

এদিন সেই পুখুৰীটোৰ পাৰলৈ কিছুমান মাছমৰীয়া আহি কথা পাতিলে যে সেই পুখুৰীত থকা মাছ-কাছবোৰ ধৰিবলৈ পিছদিনা তেওঁলোকে জাল পেলাব। তাকে শুনি কাছৰ বৰ চিন্তা লাগিল। সি ৰাজহাঁহ দুটাক ক'লে, "বন্ধু, মোৰ মৰণৰ সময় ওচৰ চাপিছে। কালিলৈ মাছমৰীয়াই মোকো নিশ্চয় ধৰিব। তাৰ পিছত মই জানো জীয়াই থাকিম? গতিকে আজিয়ে মোক বিদায় দিয়া।"

কাছৰ দুখলগা কথা শুনি ৰাজহাঁহ দুটাৰ চকু পানীৰে ভৰি পৰিল। সিহঁতে ক'লে— "বন্ধু ইমান দুখ লগা কথা নক'বা। আমি নিশ্চয় তোমাক ৰক্ষা কৰিম।"

কেনেকৈনো কাছক পুখুৰীটোৰ পৰা উলিয়াই দূৰলৈ নিব পৰা যায় তাকে হাঁহ দুটাই চিন্তা কৰিবলৈ ধৰিলে। ভাবি ভাবি সিহঁতে এটা বুদ্ধি পালে। সিহঁতে এডাল বাঁহ আনি কাছক ক'লে, "মনদি শুনা বন্ধু। এই বাঁহডাল বেছি শকত নহয়, কিন্তু টান। আমি বাঁহডাল দুমূৰে কামুৰি ধৰি উৰি যাম। তুমি বাঁহডাল মাজডোখৰতে কামুৰি ধৰি থাকিবা। তেতিয়া আমাৰ লগত তুমিও দূৰলৈ উৰি যাব পাৰিবা। বাটত পিছে ভুলতো মুখ নেমেলিবা দেই।"

হাঁহ দুটাৰ বুদ্ধি দেখি কাছ অবাক হ'ল। তথাপিও অবাক হোৱাটো প্ৰকাশ নকৰি সি ক'লে — "ঠিকেই কৈছা। এইটো বুদ্ধি ময়ো ভাবিছিলোঁ।"

ইয়াৰ পিছত প্ৰকাণ্ড ৰাজহাঁহ দুটাই প্ৰকাণ্ড কাছটোক বাঁহত কামোৰ খুৱাই উৰুৱাই নিবলৈ ধৰিলে। দৃশ্যটো দেখাত ইমান অদ্ভুত আছিল যে তলৰ মানুহে ৰ লাগি ওপৰলৈ

চাবলৈ ধৰিলে। কাছ আৰু হাঁহৰ বুদ্ধি দেখি মানুহবোৰে ক'বলৈ ধৰিলে —

"কেনে বুদ্ধি চোৰাচোন! কেনে কৌশল! এই ৰাজহাঁহ আৰু কাছৰ ভিতৰত কাৰ বাৰু এনেটো বুদ্ধি ওলাল?"

কাছৰ এইবোৰ শুনি বৰ ফুটনি হ'ল। সি বুদ্ধিটো তাৰেই বুলি ক'বলৈ মুখ মেলি দিলে লগে লগে আকাশৰ বহুত ওপৰৰ পৰা তলৰ মাটিত ঠেকেচা খাই পৰি সি মৰি থাকিল। তাকে দেকি ৰাজহাঁহ দুটাৰ বৰ দুখ লাগিল।

আগ-পাছ নুগুনি কাম কৰাৰ বাবেই কাছৰ মৃত্যু হ'ল। ○

# মহাপ্ৰলয়

এটা অকণমানি শহা আছিল। এদিন সি কৰবাত মহাপ্ৰলয়ৰ বিষয়ে শুনি আহি অকলে অকলে চিন্তা কৰিবলৈ ধৰিলে। সি চিন্তা কৰিলে, "হাঁয় হাঁয় প্ৰলয় হ'লে আকাশখন খহি পৰিব, পৃথিৱীখন গুড়ি হৈ যাব। আমাৰ তেতিয়া কিযে দুখ লগা অৱস্থা হ'ব! হাঁয় হাঁয়!" এইদৰে ভাবি থাকোঁতে তাৰ পিছফালে এজোপা বেল গছৰ পকা বেল এটা সৰি তলত থকা শিল এটাত পৰি মস্ত ডাঙৰ শব্দ কৰি ফাটি থাকিল। শহাটোৱে বৰ ভয় খালে। সি ভাবিলে যে মহাপ্ৰলয় হ'লেই বোধকৰো। ভয়তে "মৰিলো ঔ, পলা, কোন আছ পলা" বুলি শহাটো প্ৰাণটাকি দৌৰিবলৈ ধৰিলে। বেলেগ এটা শহাই ঘাঁহ খাই আছিল। উধাতু খাই অহা প্ৰথমটোক সি সুধিলে, "কি হ'ল অ? কিয় এনেকৈ পলাইছ?" প্ৰথমটো শহাৰ উত্তৰ দিবলৈ সময় নাই, সি মাথোন দৌৰি পলাবলৈ ধৰিলে। তাকে দেখি দ্বিতীয়টো শহাই পিছে পিছে দৌৰি চিঞৰি থাকিল — "কি হৈছে নকৱ কেলৈ? হেৰ' কি হৈছে?" "পৃথিৱীখন ভাঙি গুড়ি হৈছে, আকাশখন খহি পৰিবৰ সময় হৈছে, পলা" বুলি প্ৰথমটো শহা আগতকৈও বেছি জোৰত দৌৰিবলৈ ধৰিলে। তাৰ কথা শুনি পিছৰটোৱেও ভয়তে দৌৰত যোগ দিলে। তাৰ পিছত আৰু এটা শহা আহিল। তাকো দ্বিতীয় শহাটোৱে একে কথা কোৱাত সিও দৌৰিবলৈ ধৰিলে। তাৰ পিছত এটা এটাকৈ এজাক শহা আহি প্ৰলয়ৰ বাতৰি পাই প্ৰাণৰ ভয়ত পলাবলৈ ধৰিলে।

ইয়াৰ পিছত শিয়াল, বান্দৰ, ভালুক, পহু, গঁড়, হাতী আদি অসংখ্য জন্তুৱে ইটোৰ পৰা সিটোলৈ বাগৰি যোৱা মহাপ্ৰলয়ৰ বাতৰি পাই প্ৰাণৰ ভয়ত দৌৰি পলাবলৈ ধৰিলে। শেষত দৌৰি পলোৱা জন্তুৰ বিৰাট এটা শোভাযাত্ৰা হ'ল। চিঞৰ-বাখৰ কৰি কান্দি-কাটি প্ৰাণটাকি দৌৰি জন্তুবোৰ ভাগৰুৱা হৈ পৰিছিল। গভীৰ বনৰ মাজত এটা প্ৰকাণ্ড শিলত শুই থকা পশুৰাজ সিংহই গণ্ডগোল শুনি চকু মেলি চালে। তেওঁ অবাক হ'ল কাণ্ড দেখি। তেওঁ প্ৰকাণ্ড এটা গৰ্জন কৰাৰ লগে লগে জন্তুবোৰ নিমাত হৈ পৰিল। আটাইবোৰ বৈ দিলে। সিংহই শিলটোৰ ওপৰত উঠি লৈ সুধিলে, "প্ৰজাসকল, তোমালোকৰ কি হৈছে? এইদৰে কাৰ ভয়ত পলাইছা?"

"মহাৰাজ, মহাপ্ৰলয় হৈছে। পৃথিৱীখন গুড়ি হৈ যাবলৈ ধৰিছে। আকাশখন এতিয়াই খহি পৰিব। আমাক ৰক্ষা কৰক মহাৰাজ।" — জন্তুবোৰে ক'লে। পশুৰাজ আচৰিত

হ'ল। আকাশখন খহা কোনে দেখিছে তেওঁ সুধিলে। দলৰ শেষত থকা হাতীয়ে ক'লে, "মই দেখা নাই মহাৰাজ, মোক গঁড়ে ক'লে।" গঁড়ে জনালে, "মহাৰাজ, মই নিজে দেখা নাই। মোক ভালুকেহে ক'লে।" "ভালুকেও ক'লে যে পহুৰ পৰাহে সি কথাটো শুনি প্ৰাণৰ ভয়ত পলাইছে।" এইদৰে ইটোৱে সিটোৰ কথা কোৱাৰ পিছত প্ৰথম শহাটোৰ পাল পৰিল। সি ক'লে — "মহাৰাজ! মই নিজ কাণে শুনিছোঁ। মহাপ্ৰলয় আৰম্ভ হৈ গৈছে। পৃথিৱীখন ভাঙিবলৈ আৰম্ভ কৰা ভয়ংকৰ শব্দ মই নিজে শুনিছোঁ। চাওকচোন, মোৰ বুকুখন এতিয়াও কঁপি আছে।"

সিংহ অলপ আচৰিত হ'ল। কথাটো ভালকৈ বুজি পাবৰ বাবে সিংহই ভালদৰে সুধিলে, "বাৰু কচোন, প্ৰলয় আৰম্ভ হওঁতে তই ক'ত আছিলি?"

"মহাৰাজ, মই এজোপা বেল গছৰ তলত বহি মহাপ্ৰলয়ৰ কথাকে চিন্তা কৰি আছিলোঁ। আই ঔ, কি ভয়ংকৰ শব্দ ঔ! ভাবিলেই ভয় লাগে!" — শহাই ক'লে।

চতুৰ সিংহই সকলো বুজিলে। তাৰ পিছত জন্তুবোৰক ক'লে — "তোমালোকে মোৰ পিছে পিছে আহাঁ। আমি প্ৰলয় আৰম্ভ হোৱা ঠাইখিনি চাওঁগৈ।"

শহাটোক লগত লৈ সিংহ আগে আগে গ'ল। বাকীবোৰ জন্তুৱেই পিছ ল'লে। গৈ গৈ বেলগছৰ তলত শিলত পৰি ফাটি থকা বেলটো দেখুৱাই সিংহই ক'লে — "এইটোৱেই কাৰণ। ভয়াতুৰ শহাই বেল সৰি পৰাৰ শব্দত ভয় খাই মহাপ্ৰলয় হোৱা বুলি ভাবিলে। তোমালোকেও নিজৰ চিন্তা আৰু বুদ্ধিক কামত নলগাই শহাৰ কথামতে পলাবলৈ ধৰিলা। ছিঃ, বৰ লাজৰ কথা।"

জন্তুবোৰে বৰ লাজ পালে। উৰা বাতৰিত বিশ্বাস কৰিলে জ্ঞানী লোকেও যে মূৰ্খৰ দৰে আচৰণ কৰে সেই কথা সিহঁতে বুজি পালে। ○

# সোণৰ ৰাজহাঁহ

বোধিসত্ত্ব এবাৰ ব্ৰাহ্মণ হৈ উপজিছিল। তেওঁৰ পত্নী আৰু তিনিজনী জীয়েক আছিল। কিছুদিন সুখেৰে বাস কৰাৰ পিছত ব্ৰাহ্মণৰ মৃত্যু হ'ল। তেওঁ এটা সোণৰ ৰাজহাঁহ হৈ নতুনকৈ জন্ম ল'লে আৰু হিমালয়ৰ মাজৰ সৰোবৰ এটাত থাকিবলৈ ল'লে।

এদিন ৰাহজহাঁহটোৱে এখন গাঁৱৰ ওপৰেদি উৰি যাওঁতে নিজৰ পত্নী আৰু জীয়েকহঁতক দেখা পালে। তেওঁলোকে বৰ কষ্টত আছিল। তাকে দেখি হাঁহটোৰ দুখ লাগিল। সি সেই পঁজা ঘৰটোৰ চোতালত পৰি ক'লে, "মই তোমালোকৰ স্বামী আৰু দেউতাৰা। এইবাৰ মই ৰাজহাঁহ হৈ জন্ম লৈছোঁ। তোমালোকক মই সোণৰ পাখি এটা দি যাওঁ লোৱা, এইটো বেচি বহুত ধন পাবা।" এইদৰে কৈ ৰাজহাঁহটোৱে এটা সোণৰ পাখি সৰাই দি গুচি গ'ল। সেই পাখিটো বেচি পৰিয়ালটোৱে বহুত ধন পালে। এইদৰে সেই ৰাজহাঁহটোৱে তাৰ পূৰ্বৰ পৰিয়ালটোক মাজে মাজে সোণৰ পাখি সৰাই সহায় কৰি থাকিল। ফলত তাৰ পত্নী আৰু জীয়েকহঁতৰ কষ্ট নোহোৱা হ'ল। ছোৱালী তিনিজনীয়ে ৰাজহাঁহটোক বৰ মৰম কৰে। পিছে সিহঁতৰ মাকজনী অলপ বেয়া আছিল। তাই এদিন জীয়েকহঁতক ক'লে — "বনৰীয়া প্ৰাণীৰ কিহৰ বিশ্বাস? হাঁহটো যদি কেতিয়াবা নহা হয়, তেতিয়া আমি দেখোন আকৌ দুখীয়া হৈ পৰিম!"

জীয়েকহঁতে ক'লে — হাঁহটো আমাৰ দেউতাহে। দেউতাই কেতিয়াও বিপদত নেপেলায়।"

মাকে ক'লে — "দেউতাৰ এতিয়া বনৰীয়া ৰাজহাঁহ হ'ল। হাঁহৰ একো বিশ্বাস নাই। এইবাৰ হাঁহটো আহে যদি ধৰি লৈ গোটেইবোৰ পাখি একেবাৰে থম।"

জীয়েকহঁতে মাকক তেনে কৰিবলৈ মানা কৰিলে। পিছে মাকে নুশুনিলে। এদিন তাই চল চাই হাঁহটো ধৰিলে আৰু গোটেইবোৰ পাখি একেবাৰে পেলালে। পিছে তাই পাচি এটাত ভৰাই থোৱা পাখিবোৰ সাধাৰণ পাখি হৈ পৰিল। হাঁহটোৱে উৰিব নোৱাৰা হোৱা দেখি ছোৱালীকেইজনীয়ে তাক খাবলৈ দি মৰম কৰি বহুত দিন যত্ন কৰিলে। কিছুদিন পিছত নতুন পাখি গজাত হাঁহটোৱে ছোৱালীকেইজনীক মাত লগাই হিমালয়ৰ ফালে উৰি গুচি গ'ল। সি আৰু কেতিয়াও নিজৰ ঘৰলৈ নাহিল।

মানুহজনীয়ে তাইৰ বেয়া কামৰ ফলস্বৰূপে আকৌ দুখীয়াৰ জীৱন কটাব লগা হ'ল। ○

# অহংকাৰৰ ফল

এখন ৰাজ্যত দুখীয়া ব্ৰাহ্মণৰ ল'ৰা এটি আছিল। তাৰ নাম আছিল ৰঘুনন্দন। ৰঘুনন্দনৰ মাক-দেউতাক নাছিল। খুজি-মাগি খায়ে সি ডাঙৰ হৈছিল। ডেকা বয়সত ৰঘুনন্দনে কাম বিচাৰি বেলেগ ৰাজ্যলৈ যাত্ৰা কৰিলে। গৈ গৈ এখন গাঁও পালেগৈ। সেই গাঁৱত কিছুমান চণ্ডাল মানুহে বাস কৰিছিল। সেইকালত চণ্ডালসকলক নীচ জাতিৰ বুলি আন মানুহে বৰকৈ লগ নলৈছিল। ৰঘুনন্দনেও গাঁৱত নোসোমাই ওচৰৰ হাবিত ফল-মূল বিচাৰি খাবলৈ গ'ল। হাবিৰ মাজতে অলপ সময় জিৰাই থাকোঁতে সি দেখিলে যে এজন চণ্ডাল সন্ন্যাসী নদীৰ পৰা গা ধুই হাবিলৈকে আহি আছে। এটা শুকান আমগছৰ ডাল পৰি আছিল। সন্ন্যাসীয়ে মন্ত্ৰ মাতি তাতে পানী অলপ ছটিয়াই দিলে। লগে লগে ডালটোত পাত ওলাল, ফুল ফুলিল, কলি হ'ল আৰু চকুৰ পচাৰতে কলি ডাঙৰ হৈ ৰঙা সেন্দুৰীয়া আম উপচি পৰিল। সন্ন্যাসীয়ে এমোনা আম ভৰাই ল'লে আৰু ৰঘুনন্দনক ভোকত থকা যেন দেখি আমকেইটামান খাবলৈ দিলে। আমৰ সোৱাদ দেখি ৰঘুনন্দন অবাক হ'ল। যিকোনো প্ৰকাৰে সেই মন্ত্ৰ শিকি ল'বলৈ সি মনস্থিৰ কৰিলে।

গধূলি সময়ত ৰঘুনন্দন গৈ সন্ন্যাসীৰ ঘৰ পালেগৈ। বৰকৈ কাকুতি-মিনতি কৰি সি তেওঁলোকৰ ঘৰত লগুৱা হৈ থাকিবলৈ বিচাৰিলে। তাৰ বাবে তাক মাথোন খাবলৈ দিলেই হ'ব, টকা-পইচা একো নালাগে। সন্ন্যাসীয়ে বুজিলে যে সি বৰ ভাল ল'ৰা নহয়, মন্ত্ৰ শিকাৰ আশাতহে সি লগুৱা হ'বলৈ বিচাৰিছে। তেওঁৰ পত্নীয়ে কিন্তু চণ্ডালৰ ঘৰত লগুৱা হ'বলৈ অহা ব্ৰাহ্মণ ল'ৰাটি দেখি বৰ মুগ্ধ হৈছিল, তেওঁ জোৰ কৰাত সন্ন্যাসীয়ে ৰঘুনন্দনক আশ্ৰয় দিলে। ৰঘুনন্দনেও মন-প্ৰাণ দি তেওঁলোকক সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰিলে।

এইদৰে বাৰ বছৰ কাল ৰঘুনন্দনে একান্তভাবে তেওঁলোকৰ যত্ন ল'লে। তাকে দেখি ঘৰৰ গৃহিণীয়ে ক'লে — "স্বামী, এওঁ আমাক যত্ন কৰি সন্তুষ্ট কৰিছে। এওঁ বিচৰামতে মন্ত্ৰ ফাকি শিকাই নিদেয়ে কিয়?" সন্ন্যাসীও সন্তুষ্ট হৈছিল। তেওঁ ৰঘুনন্দনক ক'লে — "বাছা, তোক মই শুকান গছত আম লগাব পৰা মন্ত্ৰ শিকাই দিম। তই কিন্তু চণ্ডাল গুৰুৰ পৰা মন্ত্ৰ শিকা বুলি ক'বলৈ লাজ নকৰিবি। তই যদি গুৰু বুলি মোৰ নাম ক'বলৈ লাজ পাব, তেন্তে তোৰ মন্ত্ৰই কাম নিদিব।"

ৰঘুনন্দনে ক'লে — "হে গুৰুদেৱ, আপোনাৰ নাম ক'বলৈ মই লাজ নাপাওঁ, ভালহে পাম।"

ইয়াৰ পিছত গুৰুৱে তেওঁক মন্ত্ৰ শিকাই দিলে আৰু গুৰুক প্ৰণাম কৰি ৰঘুনন্দন নিজ ৰাজ্যলৈ আহিল। তেওঁ অৱতৰত মন্ত্ৰ মাতি পকা পকা মিঠা আম সৃষ্টি কৰিলে আৰু সেইবোৰ বেচি বহুত ধন পালে। সেই মিঠা আম খাবলৈ পাই ৰজাই তেওঁক মতাই নি সদায়নো তেওঁ ক'ত পায় সেই কথা সুধিলে। উত্তৰত ৰঘুনন্দনে অহংকাৰ কৰি ক'লে—

"মহাৰাজ, মোৰ বাবে এইটো সাধাৰণ কথা। মই শুকান গছত আম লগাব পাৰোঁ। প্ৰয়োজনবোধ কৰিলে আপুনি প্ৰমাণ চাব পাৰে।" ৰজা বৰ আচৰিত হ'ল। তেওঁ প্ৰমাণ চাম বুলি কোৱাত ৰঘুনন্দনে শুকান ডাল এটাত পানী ছটিয়াই পকা আম লগাই দেখুৱালে। ৰজাই বৰ আনন্দ পাই তেওঁক বহুত পুৰস্কাৰ দিলে।

কিছুদিন পিছত আকৌ আম খাবলৈ মন যোৱাত ৰজাই ৰঘুনন্দনক মতাই নি কোনেনো তেওঁক এই মন্ত্ৰ শিকালে, সেই কথা সুধিলে। ৰঘুনন্দন বিমোৰত পৰিল। ব্ৰাহ্মণ হৈ চণ্ডালক গুৰু বুলি ক'বলৈ তেওঁৰ লাজ লাগিল। সেইবাবে তেওঁ মিছা মাতি ক'লে — "বাৰানসীৰ ব্ৰাহ্মণ গুৰু এজনৰ পৰা মই মন্ত্ৰ শিকিছোঁ।" তাৰ পিছত ৰজাৰ বাবে আম সৃষ্টি কৰিবলৈ তেওঁ মন্ত্ৰ মাতি শুকান গছত পানী ছটিয়াব ধৰিলে। পিছে এইবাৰ মন্ত্ৰই গুণ নিদিলে, গছত আম নালাগিল। তাকে দেখি ৰজাই খঙেৰে সুধিলে — "এইবোৰ কি হৈছে?"

ৰঘুনন্দনে ভয়তে কঁপি কঁপি ক'লে যে লাজতে চণ্ডাল গুৰুৰ কথা নোকোৱাৰ বাবে তেওঁৰ পাপ লাগিল আৰু তাৰ ফলতেই মন্ত্ৰই কাম নকৰা হ'ল। ৰজাৰ তেতিয়া বেছি খং উঠিল আৰু ৰঘুনন্দনক শাস্তি দি খেদি দিলে। ৰঘুনন্দন পুনৰ গুৰুৰ ওচৰলৈ গৈছিল যদিও গুৰুৱেও তেওঁক পুনৰ মন্ত্ৰ-শক্তি নিদিলে।

এইদৰেই অহংকাৰৰ বাবে ৰঘুনন্দনৰ পতন হ'ল। ○

# বিবাদৰ ফল

এখন নদীত দুটা উদ আছিল। দুয়োটা বৰ বন্ধু। নদীৰ পাৰৰ এখন হাবিত আছিল এহাল শিয়াল। শিয়াল-শিয়ালীয়ে উদে মাছ মৰা চাই থাকে। দেখি দেখি এদিন শিয়ালীৰ ডাঙৰ বৌ-মাছ খাবলৈ বৰ মন গ'ল। তাই শিয়ালক সেই কথা জনালে। শিয়ালে ক'লে - "তুমি চিন্তাই নকৰিবা। মই বৌ-মাছ আনিম।"

এদিন উদ দুটাই মাছ বিচাৰি ফুৰোঁতে মাজপানীত প্ৰকাণ্ড বৌ-মাছ এটাই খল্ খলাই উঠিল। তাকে দেখি প্ৰথমটো উদে সাতুৰি গৈ মাছটো কামুৰি ধৰিলে। পিচে মাছটো বেছি ডাঙৰ আছিল। সি অকলে বলে পৰা টান যেন দেখি লগৰটোক ক'লে — "আহা বন্ধু, তুমিও সহায় কৰা। মই অকলে ইয়াক বলে নোৱাৰোঁ।" সেই কথা শুনি আনটো উদ পানীলৈ নামি আহিল আৰু দুয়ো মিলি মাছটো ধৰি পাৰলৈ লৈ আহিল।

পাৰত মাছটো থৈ ভগাবলৈ লওঁতে উদ দুটাৰ মত নিমিলা হ'ল। এটাই ক'লে — "মইহে প্ৰথম মাছটো ধৰিছিলোঁ গতিকে বেছিভাগ মই পাম।"

আনটোৱে ক'লে — "সেইটো কেনেকৈ হ'ব? মোৰ সহায় নহ'লে তুমি কেনেকৈ মাছটো ধৰিলাহেঁতেন? গতিকে মাছটোৰ বেছিভাগ মইহে পাম।"

এইদৰে তৰ্ক কৰি থকা শুনি দুষ্ট শিয়ালটোৱে কাষ চাপি আহি ক'লে — "কিনো ইমান কাজিয়া কৰি আছা? কি হ'ল?"

"আমি মাছ এটা ভগাই ল'ব পৰা নাই।" উদে ক'লে। শিয়ালে আনন্দেৰে ক'লে — "সেইটোনো এটা কথানে? মই এসময়ত ৰজাৰ বিচাৰক আছিলোঁ। গতিকে মই বিচাৰ কৰিব জানো।" এইবুলি সি মাছটো তিনিটুকুৰা কৰি ক'লে — "তুমি লোৱা মূৰটো, তুমি লোৱা ফিচাভাগ, আৰু মাজডোখৰ পাব বিচাৰকে।" এইবুলি কৈ মাজৰ মাছখিনি লৈ সি নিজৰ গাঁতলৈ দৌৰি গুচি গ'ল।

উদ দুটাই নিজৰ মাজতে বিবাদ কৰাৰ ফল পালে। ○

# এমুঠি সৰিয়হ

এসময়ত এজন সদাগৰৰ কৃশা গৌতমী নামে এজনী বোৱাৰীয়েক আছিল। কৃশা গৌতমী বৰ গুণী আৰু জ্ঞানী আছিল। পিছে তেওঁৰ অকণমানি কেঁচুৱাটোৰ অকালতে মৃত্যু হোৱাত মানুহজনী শোকত কাতৰ হৈ পৰিল। মৰা কেঁচুৱাটোক কোলত লৈ তেওঁ ওচৰ-চুবুৰীয়াৰ ঘৰে ঘৰে কেঁচুৱাটোক জীয়াই তুলিব পৰা ঔষধ বিচাৰি ফুৰিব ধৰিলে। তেওঁৰ দুখ দেখি আনৰো চকুপানী ওলাল। মানুহে ক'বলৈ ধৰিলে — "মাকৰ বাবে নিজৰ সন্তানতকৈ মৰমৰ আৰু কি হ'ব পাৰে? বেচেৰীৰ শোকতে বুদ্ধি লোপ পাইছে।"

কৃশা গৌতমীয়ে মৰা কেঁচুৱাটো লৈ যাকে পায় তাকে কৈ ফুৰিব ধৰিলে — "মোৰ কেঁচুৱাটো ভাল কৰি দিব পাৰিবানে? তোমাৰ হাতত কিবা ঔষধ আছে নে?"

এজন বাটৰুৱাই ক'লে — "ভনীটি, কেঁচুৱাটো ভাল কৰিব পৰা ঔষধ মোৰ নাই। কিন্তু এনে এজন মানুহক মই জানো, যিজনে তোমাৰ ল'ৰাক জীয়াই তুলিব পাৰিবও পাৰে। তেওঁ হ'ল বুদ্ধ শাক্যমুনি। তুমি তেওঁৰ ওচৰলৈ যোৱা।" বাটৰুৱাৰ কথা শুনি কৃশা গৌতমীয়ে উধাতু খাই বুদ্ধৰ ওচৰলৈ গ'ল। মৰা কেঁচুৱাটো দেখুৱাই তেওঁ ক'লে — "হে ভগৱান, মোৰ কেঁচুৱাটো জীয়াই দিয়ক। আপুনি দয়ালু, মোক দয়া কৰক।"

বুদ্ধই শান্তভাৱে তেওঁলৈ চালে। তাৰ পিছত মৰমেৰে ক'লে — "আই, তোমাৰ পোণাকণক মই জীয়াই দিব পাৰিম। কিন্তু তাৰ বাবে এমুঠি সৰিয়হ লাগিব। যি মানুহৰ বংশ পৰিয়ালত আজিলৈকে কোনো মানুহৰ মৃত্যু হোৱা নাই, তেনে মানুহৰ ঘৰৰ পৰা এমুঠি সৰিয়হ খুজি আনাগৈ যোৱা।"

কৃশা গৌতমীয়ে বৰ আশাৰে ঘৰে ঘৰে সোমাই এমুঠি সৰিয়হ বিচাৰি ফুৰিলে। সৰিয়হ দিবলৈ কোনোৱে বেয়া নাপায়, কিন্তু যেতিয়া তেওঁ সোধে যে সেই ঘৰ মানুহৰ কোনোবা কেতিয়াবা মৰিছেনে নাই, তেতিয়া তেওঁলোকে উত্তৰ দিয়ে —

"কোনো কেতিয়াও নমৰা ঘৰ কেনেকৈ পাবা? আমাৰ বংশ পৰিয়ালত বহুতৰে মৃত্যু হৈছে।"

ঘৰে ঘৰে ঘূৰি ভাগৰুৱা হৈ নিৰাশাৰে ভৰা মন লৈ কৃশা গৌতমী বাটৰ কাষত বহি পৰিল। দূৰত থকা মানুহৰ ঘৰত গধূলিৰ বন্তি জ্বলিল। ৰাতি হ'ল। বেছি ৰাতি হোৱাত বন্তিবোৰ নুমাই গ'ল। তাকে দেখি গৌতমীয়ে ভাবিলে —

"মানুহৰ জীৱন চাকিৰ দৰে। কিছু সময় জ্বলি নুমাই যায়। মৃত্যু মানুহৰ বাবে এৰাব নোৱাৰা নিয়ম। জন্ম হ'লে এদিন মৰিবই লাগিব। মই মোৰ ল'ৰাৰ বাবে শোক কৰাৰ কোনো প্ৰয়োজন নাই। মই শোকক্ৰহে জয় কৰিব লাগিব।"

বুদ্ধদেৱৰ ওচৰলৈ গৈ তেওঁ ক'লে — "প্ৰভু, মোৰ মোহ দূৰ হৈছে। জন্ম আৰু মৃত্যু এৰাব নোৱাৰা নীতি। মই আপোনাৰ ওচৰত শৰণ ল'বলৈ আহিছোঁ।"

বুদ্ধদেৱে মৰমেৰে তেওঁক ধৰ্মজ্ঞান দি মনলৈ শান্তি ঘূৰাই আনিলে। ○

# উপকাৰৰ ফল

বুধিসত্ত্বই এবাৰ এজন ব্ৰাহ্মণ হৈ জন্মগ্ৰহণ কৰিছিল। সেইবাৰ তেওঁৰ এজন ভায়েকো আছিল। বোধিসত্ত্ব যিমানে সৎ আছিল, ভায়েক সিমানে অসৎ আছিল। তথাপি বোধিসত্ত্বই ভায়েকক বৰ মৰম কৰিছিল।

এদিন দুয়োজন এঠাইত বেহা-বেপাৰ কৰি এশটা সোণৰ মুদ্ৰা লাভ কৰি আনন্দ মনেৰে ঘৰলৈ আহি আছিল। বাটতে এখন ডাঙৰ নদী পালে। নাৱৰীয়ালৈ বাট চোৱা সময়খিনিত তেওঁলোকে পাৰৰ বালিত ৰন্ধা-বঢ়া কৰি ভোজন কৰিলে। দয়ালু বোধিসত্ত্বই নদীত সাঁতুৰি থকা মাছবোৰক নিজৰ ভাগৰ পৰা খাবলৈ দিলে। তাৰ পিছত দুপৰীয়াৰ ৰ'দৰ উম লৈ বালিৰ ওপৰতে শুই থাকিল।

বোধিসত্ত্বৰ দুষ্ট ভায়েকে ভাবিলে — "দাদাৰ ভাগৰ সোণৰ মুদ্ৰাবোৰ ময়েই ৰাখি থওঁ।" এইবুলি সি এটা বুদ্ধি কৰি এশটা সৰু সৰু শিলগুটি বিচাৰি দেখিবলৈ একে এটা মোনাত ভৰালে আৰু সোণৰ মুদ্ৰাৰ মোনাটো নিজৰ লগত ল'লে। এনেতে নাও আহি পোৱাত বোধিসত্ত্বক জগাই দি দুয়ো নাৱত উঠিল। নদীৰ মাজখিনি পাওঁতে ভায়েকে শিলগুটিৰ মোনাটো পানীত পেলাই দি ক'লে — "হাঁয় হাঁয়, সোণৰ মোনাটো পানীত পৰি গ'ল। এতিয়া কি হ'ব?" বোধিসত্ত্বই ক'লে — "পৰিল যদি পৰিল, আমাৰ ভাগ্যত চাগৈ সেইখিনি নাছিলেই। তাৰ বাবে দুখ নকৰিবা।"

পানীত পেলোৱা মোনাটো আচলতে শিলগুটিৰ নাছিল, সোণৰ মুদ্ৰাৰ মোনাহে আছিল। ভায়েকে ভুলতে সোণৰ মুদ্ৰাখিনি পানীত পেলাই দিলে। অলপ পিছত ভুলটোৰ কথা গম পাই বেচেৰাই বৰ বেজাৰপালে। কাৰণ তাৰ নিজৰ ভাগটোও লগতে গ'ল। .

পানীত পৰা সেই মোনাটো এটা ডাঙৰ বৌ-মাছে পালে। বোধিসত্ত্বই তাক খাবলৈ দিছিল। গতিকে সি ভাবিলে, "এই দয়ালু মানুহজনৰ সম্পত্তিখিনি মই হেৰাই যাবলৈ নিদিওঁ।" এইবুলি ভাবি সি ধনৰ মোনাটো খাই থ'লে। কিছুদিন পিছত মাছমৰীয়াই জাল পেলাওঁতে সেই ডাঙৰ মাছটো জালত লাগিল। বোধিসত্ত্বক আটায়ে বৰ সন্মান কৰিছিল, গতিকে মাছমৰীয়াই ডাঙৰ মাছটো আনি

তেওঁকে দিলেহি। বোধিসত্ত্বৰ পত্নীয়ে মাছটো কাঁটোতে ভিতৰত মোনা এটা দেখি আচৰিত হ'ল। তেওঁ স্বামীক জনালে। বোধিসত্ত্বই মোনাটো মেলি চাই দেখিলে যে তেওঁৰ পানীত পৰা এশ সোণৰ মুদ্রা তাতে আছে। বৰ আচৰিত হৈ তেওঁ ভাবিলে — "এই ডাঙৰ মাছটোকে মই বোধকৰো আহাৰ দিছিলোঁ। সেই পুণ্যৰ ফলত হেৰোৱা ধন ঘূৰাই পালোঁ। মানুহে আনক উপকাৰ কৰিলে যিকোনো প্ৰকাৰে তাৰ ফল লাভ কৰে।"

বোধিসত্ত্বই ধনখিনি দুভাগ কৰি ভায়েকৰ ভাগটো দি দিলে। ভায়েকে ককায়েকৰ সাধুতা আৰু নিজৰ বেয়া স্বভাৱৰ কথা ভাবি বৰ লাজ পালে। তেওঁ সিদিনাৰ পৰা নিজৰ স্বভাৱ শুদ্ধ কৰিলে। ○

# দেৱধৰ্ম-জাতক

বোধিসত্ত্বই এবাৰ ৰজা ব্ৰহ্মদত্তৰ পুত্ৰ হৈ জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ নাম আছিল মহিসাংস কুমাৰ। চন্দ্ৰকুমাৰ নামে তেওঁৰ এটি ভায়েকো আছিল। দুয়ো ৰজাৰ বৰ মৰমৰ আছিল। তেওঁলোক সৰু হৈ থাকোঁতেই মাক মহাৰাণীৰ মৃত্যু হোৱাত দেউতাকে বেছি মৰমেৰে দুয়োকে ডাঙৰ কৰিবলৈ ধৰিলে।

কেইবছৰ মানৰ পিছত মন্ত্ৰীসকলৰ অনুৰোধত ৰজাই দ্বিতীয়বাৰৰ বাবে বিয়া কৰাব লগা হ'ল। তেওঁৰ নতুন ৰাণী প্ৰথমতে বৰ মৰমীয়াল আছিল। কিছুকালৰ পিছত ৰাণীৰ এটি ল'ৰা জন্ম হ'ল। ৰজাই তেওঁৰ নাম দিলে সূৰ্যনাৰায়ণ। তিনিটি ৰাজকোঁৱৰ পাই ৰজা বৰ সুখী হ'ল। তেওঁ ৰাণীক আনন্দতে এটা বৰ দিবলৈ বিচাৰিলে। ৰাণীয়েও সেই বৰ পিছত ল'ম বুলি কৈ থ'লে।

লাহে লাহে কোঁৱৰহঁত ডাঙৰ হ'ল। ধনু-কাঁড় আদি চলাব পৰা হ'ল, বিদ্যা-শিক্ষাও আৰম্ভ কৰিলে। তেনেতে এদিন ৰাণীয়ে ক'লে —

"মহাৰাজ! মোক যে আপুনি এটা বৰ দিম বুলি কৈছিল, মোৰ ল'ৰা সূৰ্যনাৰায়ণক ৰজা পাতিলেই সেই বৰ দিয়া হ'ব।"

ৰজাৰ বৰ ডাঙৰ সমস্যা হ'ল। তেওঁ ক'লে — "ৰাণী, নিয়মমতে মোৰ ডাঙৰ ল'ৰা মহিসাংস কুমাৰহে ৰজা হ'ব লাগে। নুমলীয়া কোঁৱৰক মই কেনেকৈ ৰজা পাতিম?"

ৰাণীয়ে ঠেহ পাতিবলৈ ধৰিলে। যেতিয়াই-তেতিয়াই তেওঁ ৰজাক কৈ থাকে বোলে — "ৰজা হ'লে নিজৰ কথা ৰাখিব লাগে।" লাহে লাহে তেওঁ সতীয়া পুতেকহঁতলৈ মৰমো কমাই আনিলে। ৰাণীৰ মতি-গতি দেখি চিন্তা লাগিল। কিজানি ডাঙৰ কুমাৰ দুজনক তেওঁ কিবা অপকাৰ কৰেই। গতিকে মহিসাংস কুমাৰক মাতি আনি তেওঁ ক'লে—

"বাছা, মাহী আয়েৰাৰ মন মই বুজি পোৱা নাই, তোমালোকক তেওঁ কিবা অপকাৰ কৰিবও পাৰে। গতিকে তোমালোক দুয়ো ৰাজ্য এৰি বনবাসত লুকাই থাকা। ডেকা বয়স হ'লে নাইবা মোৰ কিবা বিপদ হ'লে ওলাই আহি ৰাজপাট ল'বাহি।"

দেউতাকৰ কথামতে দুয়ো ৰাজকুমাৰ ঘৰ এৰি ওলাই গ'ল। তেওঁলোক যোৱা

দেখি সৰু ৰাজকুমাৰ সূৰ্যও পিছে পিছে গ'ল। দুয়ো ভায়েকক ঘৰলৈ ঘূৰি আহিবলৈ বহুত বুজালে যদিও তেওঁ কক্কায়েকহঁতক লগ নেৰিলে। তিনিও হাবিয়ে-বনে ঘূৰি ফুৰিবলৈ ধৰিলে। গৈ গৈ এসময়ত তেওঁলোক হিমালয় পৰ্বতৰ ওচৰৰ এখন ঠাই পালেগৈ। ঠাইখিনি বৰ ধুনীয়া। তাত এটা বৰ ধুনীয়া পুখুৰী আছিল। পুখুৰীটো পদুমফুলেৰে উপচি আছিল। তেওঁলোকে পুখুৰীৰ পাৰতে বহি জিৰণি ল'লে। সূৰ্যকুমাৰৰ পিয়াহ লগাত তেওঁ পানী খাবলৈ পুখুৰীলৈ নামি গ'ল।

সেই পুখুৰীটোত এটা ৰাক্ষস আছিল। পুখুৰীত থাকিবলৈ অনুমতি দিওঁতে কুবেৰে তাক কৈছিল যে —

"তুমি ইয়াতে থাকা। পানীত নমা মানুহ পালে তুমি ধৰি খাবা, কিন্তু পানীত ননমা মানুহক কেতিয়াও নাখাবা।"

সূৰ্যকুমাৰ পানীত নমাৰ লগে লগে ৰাক্ষসটোৱে তেওঁৰ ভৰতি থপিয়াই ধৰি ক'লে—

"তুমি কোন হে মোৰ পুখুৰীত নামিবলৈ? আজি মোৰ পৰা সাৰি যাব নোৱাৰা।"

সূৰ্যকুমাৰে ভয় খাই ক'লে —

"পানী এটোপা খালেওনো তোমাৰ জগৰ লাগেনে?"

ৰাক্ষসটোৱে অলপ লাজ পাই ক'লে —

"ঠিক আছে বাৰু। এটা প্ৰশ্নৰ উত্তৰ দিব পাৰিলে মই তোমাক নাখাওঁ। কোৱাচোন, দেৱধৰ্ম কাক বোলে?"

সূৰ্যকুমাৰে ভাবিলে যে উত্তৰ নিদিয়ালৈকে ই নেৰে। গতিকে সাজি সাজি ক'লে—

"সূৰ্য আৰু চন্দ্ৰ দেৱতাই সদায় নিয়ম মানি পোহৰ বিলাই আহিছে। তেওঁলোকৰ কৰ্তব্যপৰায়ণতাকে দেৱধৰ্ম বোলা হয়।"

"এঃ তুমি একো নাজানা। মিছা কথাবোৰ কিয় কৈছা?" এইবুলি ৰাক্ষসে সূৰ্যকুমাৰক টানি নি তাৰ ঘৰত বন্দী কৰি থ'লে। তাৰ পিছত চন্দ্ৰকুমাৰৰো একে অৱস্থা হ'ল। তেৰোঁ দেৱধৰ্মৰ মিছাকৈয়ে কিবাকিবি কৈছিল। ভায়েক দুজন নহা দেখি ডাঙৰ ৰাজকুমাৰ আগবাঢ়ি গ'ল। তেওঁ দেখিলে যে পুখুৰীৰ কাষত ৰাক্ষসৰ খোজ। গতিকে পানীত নানামি তেওঁ পাৰতে বৈ চিন্তা কৰিব ধৰিলে। ইফালে ৰাক্ষসৰ চিন্তা লাগিল ৰাজকুমাৰ পানীত ননমা দেখি। কাৰণ পানীত নামিলেহে সি ধৰিব পাৰিব। বুদ্ধি এটা কৰি মানুহৰ বেশ ধৰি ওচৰলৈ আহি সি ৰাজকুমাৰক ক'লে —

"তোমাক দেখি ভাগৰুৱা যেন লাগিছে। এই ধুনীয়া পুখুৰীটোৰ শীতল পানীত নামি মুখ-হাত নোধোৱা কিয়? তেনে কৰোঁতে মোৰ ভাগৰ পলাল।" ৰাজকুমাৰে বুজি পালে যে ইমান গহীন অৰণ্যত এইটো ক'ৰ মানুহ, নিশ্চয় ৰাক্ষসহে। তেওঁ ক'লে —

"তুমি যে মানুহ নহয়, ৰাক্ষসহে, মই বুজি পাইছোঁ। মোৰ ভাই দুজনক কি কৰিলা কোৱা?"

ধৰা পৰি ৰাক্ষসে ক'লে — "সেইকেইটা তেনেই অঁকৰা। দেৱধৰ্ম কাক বোলে তাকে নাজানে। সেইবাবে মই সিহঁতক বন্দী কৰি থৈছোঁ।"

ৰাজকুমাৰে ক'লে — "তুমি বৰ নিষ্ঠুৰ। বাৰু, মই যদি দেৱধৰ্ম কাক বোলে ক'ব পাৰোঁ, মোৰ ভাইহঁতক এৰি দিবানে?"

"কোৱাচোন বাৰু, শুদ্ধকৈ ক'লে দিবও পাৰোঁ।" তেতিয়া মহিসাংস কুমাৰে ক'লে—

"খং, ৰাগ, লোভ আদি নথকা, পাপ নকৰা, হিংসা নকৰা আৰু পৱিত্ৰভাৱে জীৱন-যাপন কৰাকে দেৱধৰ্ম বোলা হয়।" ৰাক্ষসটোৱে বৰ আনন্দ পাই ক'লে — "তুমি দেখোন বৰ পণ্ডিত লোকহে! ভায়েৰহঁতক মই এতিয়াই মুকলি কৰি দিম। তাৰ পিছত তোমালোক ইয়াতে ক'ৰবাত থাকা। মাজে মাজে তোমাৰ লগত কথা পাতিয়েই ভাল লাগিব।"

তিনিও ৰাজকুমাৰ পুখুৰীটোৰ পাৰতে থাকিবলৈ ল'লে। ৰাক্ষসেই তেওঁলোকক খুৱাই-বুৱাই ৰাখিলে। ৰাজকুমাৰ বুধিসত্ত্বই ৰাক্ষসক বহুত ভাল উপদেশ দি পাপ নকৰিবলৈ শিকোৱাত তাৰো স্বভাৱ ভাল হ'ল।

কিছুকাল পিছত পিতাকৰ মৃত্যুৰ বিষয়ে জানি তেওঁলোক ঘূৰি আহিল। বোধিসত্ত্বই ৰজা হৈ দুই ভায়েকক যুৱৰাজ আৰু সেনাপতি পাতিলে। ৰাক্ষসকো এটা ধুনীয়া ঘৰত থাকিবলৈ দিলে। ○

# জৈন ৰামায়ণৰ সাধু

বিদ্যাধৰবোৰৰ ৰজা আছিল ৰত্নশ্ৰৱা। তেওঁৰ ৰাণীৰ নাম আছিল কেকসী। তেওঁলোকৰ তিনিটা ল'ৰাৰ নাম আছিল ক্ৰমে দশমুখ, ভানুকৰ্ণ, বিভীষণ আৰু কন্যা চন্দ্ৰনখা। দশমুখৰ মুখ দহখন নহয়, ওপজাৰ পিছতে দেউতাকে চাবলৈ যাওঁতে মুকুতাৰ মালাত ছাঁ পৰি দহখন মুখ যেন দেখিছিল বাবেহে সেই নাম দিছিল।

ডাঙৰ হৈ তিনিটি ল'ৰা প্ৰবল পৰাক্ৰমী হৈ উঠিছিল, দশমুখ আৰু ভায়েকহঁতে তপস্যাৰ দ্বাৰাও বহুত শক্তি লাভ কৰিছিল। দশমুখে মাহীমাকৰ পুতেক বৈশ্ৰৱণক যুদ্ধত হৰুৱাই পুষ্পক বিমান লাভ কৰিছিল, তেওঁ উপযুক্ত ৰাণীৰ সন্ধান কৰি জানিব পাৰিছিল, বিদ্যাধৰ বালিৰ ভনীয়েক শ্ৰীপ্ৰভা অতি ৰূপৱতী আৰু গুণৱতী। তেওঁ ভনীয়েকক তেওঁলৈ বিয়া দিবৰ বাবে বালিলৈ আদেশ পঠিয়ালে। বালিয়ে উত্তৰ দিলে —

"মই ভগবান জৈনদেৱৰ বাহিৰে আনৰ আদেশ কেতিয়াও পালন নকৰোঁ বুলি প্ৰতিজ্ঞা কৰি থৈছোঁ। গতিকে দশমুখৰ আদেশো মই পালন নকৰোঁ।"

সেই উত্তৰ শুনি দশমুখৰ বৰ খং উঠিল। বালিয়ে তেতিয়া সুগ্ৰীৱৰ হাতত ৰাজ্য গতাই দিলে আৰু নিজে জৈন ধৰ্ম লৈ ৰাজ্য এৰি তপস্যা কৰিবলৈ গুচি গ'ল। সুগ্ৰীৱে দশমুখলৈ ভনীয়েকক বিয়া দিলে।

দশমুখে ইন্দ্ৰ, বৰুণ, যম আদি বিভিন্ন ৰজাক যুদ্ধত হৰুৱাই দিনে দিনে নিজৰ শক্তি বঢ়াই নিছিল। তেওঁ শক্তিশালী হ'লেও নিষ্ঠুৰ নাছিল। কাৰণ তেওঁ জৈন ধৰ্ম গ্ৰহণ কৰি অহিংস স্বভাৱ গ্ৰহণ কৰিছিল। দশমুখৰ আদেশত যজ্ঞত পশু বলি দিয়াও বন্ধ হৈছিল। তেওঁ আছিল অতি গুণী আৰু জ্ঞানী ৰজা।

দশমুখৰ ভনীয়েক চন্দ্ৰনখাৰ পুত্ৰৰ নাম আছিল শম্বুক। তেওঁ বীৰ আছিল। তেওঁ চন্দ্ৰহাস নামে যাদুলগা অস্ত্ৰ এখন পাবৰ বাবে এদিন হাবিৰ মাজত তপস্যা কৰি আছিল। সেই অস্ত্ৰ আছিল এপাট ভয়ঙ্কৰ খড়্গ। বনবাসত ঘূৰি ফুৰা ৰাম-লক্ষ্মণ তাৰ ওচৰতে আছিল। লক্ষ্মণে সেই খড়্গ পাবলৈ বৰকৈ লোভ লাগি শম্বুকক তাতে বধ কৰিলে। পুতেকৰ বেজাৰত মাক চন্দ্ৰনখা অনাই-বনাই ফুৰিবলৈ ধৰিলে। গৈ গৈ তাই ৰাম-লক্ষ্মণ থকা আশ্ৰমখন পালেহি। তেওঁলোকৰ ৰূপ দেখি তাই অবাক হ'ল আৰু ক'লে —

"পুত্ৰৰ শোকত মই বেজাৰত বৰ কষ্ট পাইছোঁ। তোমালোক কোনোবা এজনে

মোক বিয়া কৰাই আনন্দ দিয়া।"

পিছে তেওঁলোকে তাইক ৰং-ধেমালি কৰি আঁতৰাই পঠালে। চন্দ্ৰনখাৰ বৰ খং উঠিল। তাই খৰদুষণক মিছাকৈয়ে লগালেগৈ —

"চোৰাচোন, ক'ৰবাৰ দুটা তপস্বী আহিছে, ঘৰ দুষ্ট। মোক ইমান আমনি কৰি আছে।"

সেই কথা শুনি খৰদুষণ খেদি আহিল, পিছে লক্ষ্মণে নিমিষতে তাক বধ কৰিলে।

ছন্দ্ৰনখাই একেটা কথা দশমুখক লগোৱাত দশমুখেও খঙেৰে খেদি আহিল। তেওঁ দূৰৰ পৰাই সীতাক দেখি অৱাক হ'ল আৰু মনতে ভাবিলে, "এনে ৰূপৱতী নাৰীক মোৰ ৰাণী কৰিবই লাগিব। কিন্তু সেই মানুহ দুটা ওচৰত থাকে মানে তাইক নিবলৈ টান হ'ল।" সেইবুলি তেওঁ বুদ্ধি কৰি ৰাম-লক্ষ্মণক আঁতৰাই নি সীতাক চুৰ কৰি লৈ গ'ল।

ৰাম-লক্ষ্মণে সীতাক বিচাৰি বৰ বেজাৰ কৰিবলৈ ধৰিলে। বিচাৰি বিচাৰি সুগ্ৰীৱৰ অনুচৰ কিছুমানে গম পালে যে দশমুখে সীতাক হৰণ কৰি নিছে। লক্ষ্মণ আছিল মহাবলী। তেওঁ দশমুখক বধ কৰিবলৈ গাত ল'লে। তেওঁক সহায় কৰিবলৈ ওলাল হনুমান নামৰ বীৰ। হনুমানে লংকালৈ যাত্ৰা কৰি দশমুখৰ নগৰত নানা উৎপাত কৰি সকলোৰে হাহাকাৰ লগালে। তাৰ পৰা সীতাৰ বাতৰি লৈ তেওঁ ৰামক জনালেহি।

লংকালৈ যাওঁতে ৰামক বাধা দিছিল সাগৰ নামৰ ৰজাই। তেওঁক যুদ্ধত হৰুৱাই ৰামৰ দল আগবাঢ়ি গ'ল। ৰামক সহায় কৰিবলৈ ভামণ্ডল নামৰ বীৰ এজনো আহিল। ভামণ্ডল আছিল ৰজা জনকৰ পুত্ৰ আৰু সীতাৰ ককায়েক। সৰুতে তেওঁ কিবা প্ৰকাৰে হেৰাই গৈছিল। এতিয়া তেওঁ আহি ৰামৰ হৈ যুদ্ধ কৰিবলৈ ধৰিলে। যুদ্ধত ভামণ্ডল আৰু সুগ্ৰীৱ নাগপাশত বন্দী হৈছিল যদিও লক্ষ্মণে তেওঁলোকক মুকলি কৰে। ইয়াৰ পিছত লক্ষ্মণৰ শৰীৰতো শক্তিশেল লাগিছিল। দ্ৰোণমেঘ নামৰ বিদ্যাধৰৰ কন্যা বিশল্যাই তেওঁক ভাল কৰে। লক্ষ্মণে তেতিয়া বিশল্যাক বিয়া কৰায়।

ইয়াৰ পিছত বৰ তাণ্ডৱ যুদ্ধ এখনত লক্ষ্মণে দশমুখক বধ কৰে। সীতাক উদ্ধাৰ কৰাৰ পিছত বহু বছৰ লংকাতে থাকি নাৰদৰ কথামতে তেওঁলোক নিজৰ ৰাজ্যলৈ আহে। ভৰতে তেতিয়া ৰামক ৰাজপাট গতাই দি নিজে জৈন ধৰ্ম লৈ আঁতৰি যায়।

ৰাম আৰু লক্ষ্মণ বহুকাল সুখেৰে থকাৰ পিছত ৰামে দুষ্ট মানুহৰ কথা শুনি সীতাক বনবাস দিয়ে। সীতাৰ দুটা ল'ৰা আছিল, অনংগলৱণ আৰু মদনাংকুশ। নাৰদে তেওঁলোকক ৰামৰ লগত যুদ্ধ কৰিবলৈ পঠিয়াই দিছিল। যুদ্ধৰ মাজতে এই বীৰ ল'ৰা দুটিক ৰামে নিজৰ সন্তান বুলি চিনি পাই বৰ আনন্দ পালে। সীতাকো ৰামে অনাইছিল, কিন্তু ৰামক বেয়া পাই সীতাই জৈন ধৰ্ম লৈ আঁতৰি যায়।

এবাৰ লক্ষ্মণৰ কাণত মিছাকৈয়ে এটা বাতৰি পৰিল যে ৰামৰ মৃত্যু হৈছে। সেই বেজাৰতে লক্ষ্মণৰ মৃত্যু হ'ল। তেতিয়া সংসাৰৰ প্ৰতি বিৰক্ত হৈ ৰামেও জৈন ধৰ্ম ল'লে। ○

# মৎস্য-অৱতাৰ

হাজাৰ হাজাৰ বছৰৰ আগৰ কথা। সত্যব্ৰত নামে এজন ৰজা আছিল। এদিন তেওঁ নদীত গা ধুই পূজা কৰি একাঁজলি পানী তুলি আনোতে আঁজলিত এটা নিচেই অকণমান মাছ উঠি আহিল। ৰজাই মাছটো পানীত এৰি দিবলৈ খোজোঁতে মাছটোৱে ক'লে —

"মোক এৰি নিদিবা। তোমাৰ লগত লৈ ব'লা।" ৰজাই মৰম লাগি মাছটো নিজৰ ঘৰলৈ লৈ আহিল আৰু বাটি এটাত পানী দি থৈ দিলে। পিছদিনা তেওঁ দেখে যে মাছটো ডাঙৰ হৈ আছে, বাটিত নধৰে আৰু। তেওঁ আন এটা ডাঙৰ বাটিত মাছটো থৈ দিলে।

পিছদিনা পুৱাতে ৰজাই শুনিলে; কোনোবাই যে কৈ আছে — "মই কষ্ট পাইছোঁ, মই কষ্ট পাইছোঁ।" ৰজাই মন কৰি দেখিলে যে মাছটো আকৌ ডাঙৰ হৈ বাটিত নোজোৰা হৈছে। তেওঁ মাছটোক মৰমেৰে নি চৰিয়া এটাত ভৰাই থ'লে। পিছদিনাখন আকৌ চৰিয়াত নধৰা হ'ল। তাৰ পিছদিনা এটা পুখুৰীত মেলি দিলে। এইবাৰনো কি হ'ল বুলি ৰাতিপুৱাতে চাবলৈ গৈ ৰজাই দেখিলে যে মাছটো প্ৰকাণ্ড হৈ গোটেই পুখুৰী ভৰি আছে। ৰজা বৰ আচৰিত হ'ল। মাছটোৱে কৈ আছিল — "মই কষ্ট পাইছোঁ, কষ্ট পাইছোঁ।" এইবাৰ তেওঁ মাছটো নি বৰপুখুৰীত মেলিলে। পিছে মাছটো আকৌ ডাঙৰ হ'ল।

ৰজাই মানুহ লগাই মাছটো কঢ়িয়াই নি নদী এখনত মেলি দিলে। পিছে আকৌ একে অৱস্থা। এইবাৰ নদীতো মাছটোক নধৰা হ'ল। মাছটো ইতিমধ্যে ইমান ডাঙৰ হৈ আহিল যে ৰজাৰ বিস্ময়ৰ সীমা নোহোৱা হ'ল। তেওঁ হাতযোৰ কৰি ক'লে —

"হে বিশাল মৎস্য। তুমি নিশ্চয় মাছ নোহোৱা। তুমি আচলতে কোন?"

মাছটোৱে ক'লে —

"প্ৰথমতে মোক সাগৰত মেলি দিয়াগৈ। তাৰ পিছত তোমাক সকলো ক'ম।"

সেইমতে ৰজাই বহুত মানুহৰ দ্বাৰা মাছটোক কোনোমতে নি সাগৰত মেলি দিলে। তেতিয়া মাছটোৱে ক'লে —

"মহাৰাজ, অলপতে মহাপ্ৰলয় হ'ব। গোটেই পৃথিৱী পানীত বুৰ যাব। গতিকে তুমি যিহেতু অতি সৎ আৰু পবিত্ৰ মনৰ মানুহ, মই তোমাক ৰক্ষা কৰিম। তুমি কেইখনমান ডাঙৰ নাৱত মানুহৰ বাহিৰেও সকলোবিধৰ জীৱ-জন্তু, চৰাই, শস্য আৰু অন্যান্য গছ-বনৰ একোবিধ সঁচ ভৰাই লোৱা। তুমি নিজেও উঠা। মই তোমালোকক ৰক্ষা কৰিম।"

ৰজা সত্যব্ৰতে সেই কথা শুনি লৰালৰিকৈ কিছুমান ডাঙৰ নাও সজালে। নাওবোৰত বিধে বিধে মানুহ আৰু জীৱ-জন্তু ভৰালে। গছ-বনৰ গুটি, পুলি আৰু কঠিয়াও ল'লে। তাৰ পিছত প্ৰকাণ্ড সেই মাছটোৰ মূৰত থকা শিঙত নাওকেইখন বান্ধি দিলে।

কিছুদিন পিছত মহাপ্ৰলয় আৰম্ভ হ'ল। ভয়ংকৰ পানীৰে পৃথিৱী উপচি পৰিল। সাগৰৰ পানী বাঢ়ি আহি পাহাৰৰ টিং বুৰাই পেলালে। সেই অতি ভয়লগা পৰ্বতৰ সমান ঢৌৰ কোবত গোটেই পৃথিৱী বুৰ গ'ল। সেই অন্তহীন পানীৰ মাজত প্ৰকাণ্ড মাছটোৱে সাঁতুৰি থাকিল। নাওকেইখন মাছটোৰ লগে লগে উটি-ভাহি ফুৰিল।

এইদৰে বহু বছৰ যোৱাৰ পিছত প্ৰলয়ৰ কাল শেষ হ'ল। ইতিমধ্যে পানীও কমিল। পৃথিৱী ধ্বংস হৈ শেষ হ'ল। তাৰ মাজত মাথোন বাচি থাকিল সত্যব্ৰত ৰজা আৰু তেওঁৰ নাৱত থকা প্ৰাণী আৰু গছ-বনবোৰ। তাৰ পৰাই পৃথিৱীত নতুনকৈ সৃষ্টি আৰম্ভ হ'ল।

এইদৰেই ভগৱানে মাছ-অৱতাৰ ধৰি সত্যব্ৰত ৰজাক সহায় কৰিছিল। ○

# অমৃত মন্থন আৰু কুৰ্ম অৱতাৰ

এসময়ত দুৰ্বাসা মুনিৰ অভিশাপৰ বাবে ইন্দ্ৰৰ ওচৰৰ পৰা লক্ষ্মী দেৱী গুচি গৈছিল। লক্ষ্মীহীনা হৈ দেৱতাসকলৰ দুখ-দুৰ্দশাৰ পাৰ নোহোৱা হৈছিল। অসুৰবোৰৰ বল বেছি, গতিকে প্ৰায়ে আক্ৰমণ কৰি অসুৰে দেৱতাক লটি-ঘটি কৰিছিল। আনহাতে দেৱতাই যদি যুদ্ধ কৰি অসুৰক মাৰে, তেন্তে দৈত্যগুৰু শুক্ৰাচাৰ্যই লগে লগে সঞ্জীৱনী মন্ত্ৰৰ দ্বাৰা সিহঁতক জীয়াই তুলিছিল। উপায়বিহীন হৈ দেৱতাসকলে ব্ৰহ্মাৰ সহায় বিচাৰিলে। শুকাই-ক্ষীণাই যোৱা দেৱতাসকলক দেখি ব্ৰহ্মাৰ পুতৌ হ'ল যদিও নিজে সৃষ্টি কৰা অসুৰবোৰক নিজে ধ্বংস কৰিবলৈ তেওঁৰ সত নগ'ল। ব্ৰহ্মাই দেৱতাসকলক বিষ্ণুৰ ওচৰলৈ লৈ গ'ল। বিষ্ণুৱে ক'লে যে শক্তি লাভ কৰিবলৈ হ'লে দেৱতাই অমৃত পান কৰিব লাগিব। অমৃত আছে সাগৰৰ তলত। সেই অমৃত উদ্ধাৰ কৰিবৰ বাবে অসুৰৰো সহায় ল'ব লাগিব, গতিকে প্ৰথমতে বুদ্ধি কৰি অসুৰৰ লগত বন্ধুত্ব কৰি ল'বলৈ তেওঁ দেৱতাসকলক উপদেশ দিলে।

সেইমতে এদিন ইন্দ্ৰই দেৱতাসকলক লগত লৈ পাতালপুৰৰ দৈত্যৰ ৰাজ্যলৈ গ'ল। বৰ মিঠা মাতেৰে তেওঁ দৈত্যৰাজ বলিক ক'লে যে আচলতে দেৱতা আৰু দৈত্যসকল ভাই-ককাইহে, গতিকে নিজৰ মাজতে মৰা-কটা কৰি নাথাকি তেওঁলোকে মিলি-জুলি থাকিব লাগে। এইদৰে কোৱাত দৈত্যবোৰ ভোল গ'ল। দৈত্য আৰু দেৱতাৰ মিলা-প্ৰীতিৰ বাকী নোহোৱা হ'ল। সেই ছেগতে ইন্দ্ৰই দৈত্যবোৰক লগ ধৰিলে সাগৰৰ বুকুৰ পৰা অমৃত উলিয়াবলৈ। দৈত্যবোৰ অমৃতৰ লোভত বৰ আনন্দৰে মান্তি হ'ল।

সমুদ্ৰ মন্থন কৰি অমৃত উলিওৱাটো সহজ কাম নাছিল। ইয়াৰ বাবে এডাল মথনি-মাৰি লাগিব, এডাল ৰছিও লাগিব। বিষ্ণুৰ কথামতে মন্দৰ পৰ্বতক মথনি-মাৰি কৰা হ'ল, ৰছি হ'ল সৰ্পৰাজ বাসুকী। প্ৰকাণ্ড মন্দৰ পৰ্বতক কোনোমতে আনি সাগৰত থোৱা হ'ল যদিও মথিবলৈ আৰম্ভ কৰোঁতেই পৰ্বতটো হুৰুস্‌কৈ পানীত ডুব গ'ল। তাকে দেখি দেৱতা আৰু দৈত্যই দুখতে চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। বিষ্ণুৱে তেতিয়া অতি প্ৰকাণ্ড এটা কাছৰ ৰূপ লৈ সমুদ্ৰত জঁপিয়াই পৰিল আৰু পিঠিৰ ওপৰত তুলি মন্দৰ পৰ্বতক দাঙি ধৰিলে। নতুন উৎসাহ পাই দেৱতা-দানৱে সমুদ্ৰ

মন্থন কৰিবলৈ ধৰিলে।

দৈত্যবোৰে ভাবিছিল যে বাসুকীৰ নেজৰ ফালে ধৰাটো সিহঁতৰ বাবে লাজৰ কথা। গতিকে সিহঁতে জোৰ কৰি মূৰৰ ফালে ধৰিছিল। পিছে টনাটনিৰ কষ্টত যেতিয়া বাসুকীৰ মুখৰ পৰা ভমক ভমক জুই ওলাবলৈ ধৰিলে, সিহঁতে আধাপোৰা হৈ অন্ত হ'ল। অলপ পিছতে সাগৰৰ পৰা ওলাই আহিল ভয়ংকৰ কালকূট বিষ। সেই বিষ লাগি পৃথিৱী ধ্বংস হোৱাৰ উপক্ৰম হ'ল। দেৱতাসকলে বিপদত পৰি প্ৰাৰ্থনা কৰাত শিৱই কৈলাশৰ পৰা নামি আহি বিষখিনি পি খাই থ'লে। বিষে তেওঁক একো নকৰিলে, মাথোন তেওঁৰ বগা ডিঙিটো নীলা হৈ থাকিল। সেয়েহে শিৱক বোলা হয় নীলকণ্ঠ।

ইয়াৰ পিছত সাগৰৰ পৰা ওলাই আহিল উচ্চৈশ্ৰৱা নামৰ ঘোঁৰা, ঐৰাৱত নামৰ সুলক্ষণীয়া হাতী, পাৰিজাত ফুল, অপেশ্বৰীবোৰ, বাৰুণী নামৰ ফটিকাৰ দেৱী আৰু বহুতো মূল্যবান ৰত্ন। দেৱতা আৰু দৈত্যবোৰে ভগাই ল'লে। এইবাৰ ওলাল লক্ষ্মী গোসাঁনী। তেওঁৰ ৰূপৰ তুলনা নাই। পৃথিৱীৰ সকলো ধুনীয়া বস্তুতকৈও তেওঁ ধুনীয়া। লক্ষ্মী গোসাঁনীৰ ৰূপে সকলোৰে চকুত চমক লগাই মাত-বোল নোহোৱা কৰিছিল। তেওঁনো কাৰ ওচৰলৈ যায় তাকে সকলোৱে চাই আছিল। হাতত পদুমৰ মালা লৈ লক্ষ্মী দেৱী ধীৰে ধীৰে পানীৰ পৰা উঠি আহিল আৰু বিষ্ণুৰ ডিঙিত মালা পিন্ধাই তেওঁক বৰণ কৰিলে। সেই দৃশ্য দেখি সকলোৱে আনন্দ পালে।

ইয়াৰ পিছত সাগৰৰ পৰা উঠি আহিল এজন অদ্ভুত পুৰুষ। তেওঁৰ নাম ধন্বন্তৰী। তেওঁৰ হাতত আছিল অমৃতৰ কলহ। অমৃতৰ গোন্ধ পোৱাৰ লগে লগে অসুৰবোৰে হাতৰ কাম থিতাতে এৰি অমৃতৰ কলহ থপিয়াই লৈ দৌৰ দিলে। দেৱতাসকলে একো গম ধৰিবই নোৱাৰিলে। অলপ পিছতে প্ৰকৃত কথা জানি দেৱতাসকলৰ হাহাকাৰ লাগিল, ইমান কষ্ট এতিয়া এনেই যায়! বিষ্ণুৱে তেতিয়া বুদ্ধি এটা কৰি এজনী অতি ধুনীয়া গাভৰু হৈ দেখা দিলে। তাইৰ ৰূপ, হাঁহি আৰু মৰমলগা মাত-কথাত অসুৰবোৰে অমৃতৰ কলহ হাতত লৈ খাবলৈ পাহৰি মুখ মেলি চাই থাকিল। সেই মোহিনী ছোৱালীজনীয়ে মিঠা মাতেৰে ক'লে — "তোমালোকৰ কি হৈছে? অমৃতখিনি সমানে ভগাই ল'ব পৰা নাই নেকি? মোক দিয়া, মই ভগাই দিওঁ।"

মোহিনী ৰূপে অসুৰবোৰক তেনেই ভেবা লগালে। সিহঁতে অমৃতৰ কলহটো মোহিনীৰ হাতত তুলি দিলে। মোহিনীয়ে তেতিয়া দেৱতা আৰু অসুৰক দুভাগ কৰি বহিবলৈ ক'লে। অমৃত পোৱাৰ আশাত সকলোৱে গা ধুই শুদ্ধ হৈ দুশাৰী হৈ বহিল। মোহিনীয়ে তেওঁৰ জাক-জমক কাপোৰৰ আঁচল উৰুৱাই, ভৰিৰ নূপুৰৰ ৰুণুক-জুনুক শব্দ, শৰীৰৰ সুগন্ধেৰে সকলোকে মোহ নিয়াই এনেকৈ অমৃত বিলাবলৈ ধৰিলে যে অসুৰে সকলো কথা পাহৰি মোহিনীৰ মুখলৈ ৰ লাগি চাই থাকিল। মোহিনীয়ে কেৱল দেৱতাসকলকহে অমৃত দিবলৈ ধৰিলে। ৰাহু নামৰ অসুৰ এটাই মনে মনে দেৱতাৰ

ফালে বহি অমৃত খাইছিল, চন্দ্ৰ আৰু সূৰ্যদেৱতাই বিষ্ণুক কৈ দিয়াত তেওঁ তাক সুদৰ্শন চক্ৰ মাৰি কাটি পেলালে। পিছে অমৃত খোৱা বাবে সি নমৰিল। তাৰ গাৰ পৰা ৰাহু আৰু কেতু নামে দুটা অসুৰ ওলাল, সিহঁত সূৰ্য আৰু চন্দ্ৰৰ ঘোৰ শত্ৰু হ'ল।

বিষ্ণুৱে জানিছিল যে অসুৰবোৰ দুষ্ট, বলৱান আৰু নিষ্ঠুৰ। অমৃত খাবলৈ পালে সিহঁতে অজৰ-অমৰ হৈ পৃথিৱীত আৰু উৎপাত কৰিব। গতিকে বুদ্ধি কৰি তেওঁ মোহিনী ৰূপেৰে দেৱতাকহে কেৱল অমৃত খুৱাই পিছত নিজৰ ৰূপ ধৰি গুচি গ'ল। তাকে দেকি বিষ্ণুৰ ছলনা বুজি অসুৰবোৰৰ বৰ খং উঠিল। সিহঁতৰ ইমান দিনৰ কষ্ট এনেই গ'ল। তেতিয়াৰে পৰা অসুৰবোৰে দেৱতাক আৰু বেছি দেখিব নোৱাৰা হ'ল। আনহাতে অমৃত খাবলৈ পাই দেৱতাসকল অমৰ হ'ল আৰু বল-শক্তিও বৃদ্ধি পালে। ○

# বৰাহ অৱতাৰ

মহাপ্ৰলয়ৰ পিছত যেতিয়া নতুনকৈ সৃষ্টি কৰিব লগা হ'ল, তেতিয়া ব্ৰহ্মা বৰ ব্যস্ত হৈ পৰিল। ইতিমধ্যে প্ৰলয়ৰ ফলত পৃথিৱীৰ গৰাকী ভূমি দেৱী বা বসুমতী গৈ পাতালৰ তলত সোমাই আছিল। ব্ৰহ্মাই প্ৰথমে স্বয়ম্ভুৱ মনু আৰু শতৰূপাক সৃষ্টি কৰি যেতিয়া তেওঁলোকক পৃথিৱীত থাকি নতুন নতুন মানুহ সৃষ্টি কৰিবলৈ ক'লে, তেতিয়া মনুৱে ক'লে —

"হে পিতৃ, আপুনি কোৱা কথা মানি লৈছোঁ, পিছে আমি থাকিবলগীয়া পৃথিৱীখন এতিয়া পানীৰ তলত সোমাই আছে। গতিকে আমি এতিয়া ক'ত থাকিম?"

ব্ৰহ্মাই সেই কথা শুনি ভাবিলে যে পৃথিৱী উদ্ধাৰ কৰিবলৈ তেওঁ যিহেতু নোৱাৰে, গতিকে ভগৱান বিষ্ণুৰ সহায় ল'ব লাগিব। সেইবুলি ভাবি তেওঁ একান্তভাৱে বিষ্ণুক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

এনেতে তেওঁৰ নাকৰ বিন্ধাৰে সৰু কিবা এটা ওলাই আহিল। আচৰিত হৈ তেওঁ দেখিলে যে বস্তুটো ক্ৰমে ডাঙৰ হ'বলৈ ধৰিছে। চাওঁতে চাওঁতে ই এটা হাতীৰ সমান ডাঙৰ হ'ল, তাৰ পিছত প্ৰকাণ্ড এটা পাহাৰৰ সমান ডাঙৰ হ'ল। বস্তুটো আছিল এটা প্ৰকাণ্ড বগা গাহৰি। ব্ৰহ্মাই তবধ মানি চাই থাকোঁতেই সেই গাহৰি অথবা বৰাহে প্ৰকাণ্ড এটা জাঁপ মাৰি আকাশৰ মেঘ ছিৰাছিৰ কৰি পেলালে। তাৰ পিছত ভয়ঙ্কৰ শব্দ কৰি সাগৰত জাঁপ দিলে।

সাগৰৰ তলত বিচাৰি বিচাৰি বৰাহে পৃথিৱীক পালেগৈ। ইফালে হিৰণ্যাক্ষ নামে অতি শক্তিশালী দৈত্য এটাই সমানে সমানে যুঁজাৰ লগ বিচাৰি স্বৰ্গ পাইছিলগৈ। তাতো কোনো বীৰ বিচাৰি নাপাই সি পানীলৈ আহি বৰুণ দেৱতাক যুদ্ধ কৰিবলৈ মাতিলে। বৰুণে ক'লে —

"মোৰ এতিয়া বয়স হৈছে, যুদ্ধ কৰিবলৈ এৰি দিছোঁ আৰু। তুমি বিষ্ণুৰ লগতে যুদ্ধ কৰাগৈ।"

দৈত্যটোৱে বিষ্ণুক বিচাৰি বিচাৰি সাগৰৰ তল পালেগৈ। বিষ্ণুক দেখি সি চিঞৰি চিঞৰি যুদ্ধ কৰিবলৈ মাতিলে। বৰাহ বিষ্ণুৱে কোনো উত্তৰ নিদি পৃথিৱীক দাতৰ আগেৰে তুলি ল'লে আৰু ওপৰলৈ ...ই আনিলে। হিৰণ্যাক্ষই তেওঁক পিছে পিছে খেদি

আহি চিঞৰিবলৈ ধৰিলে —

"ঐ বিষ্ণু, এইবাৰ হ'বলা বৰাহৰ ৰূপ ধৰিছ। মোৰ ভয়ত কিয় পলাইছ? গদাৰে কোবাওঁ আহ।"

বৰাহে শান্তভাৱে পৃথিৱীক ওপৰত নমাই থ'লে। তাৰ পিছত হিৰণ্যক্ষৰ ফালে প্ৰচণ্ড জোৰেৰে চোঁচা ল'লে। হিৰণ্যক্ষও কম বলি নাছিল। সি গদা দাঙি ল'লে। দুয়োৰে মাজত তয়াময়া যুদ্ধ লাগিল। সাগৰৰ পানী তল-ওপৰ কৰি বহুত সময় যুদ্ধ লগাৰ পিছত বৰাহে হিৰণ্যক্ষক মূৰৰ ওপৰলৈ দাঙি থেকেচি দলিয়াই দিলে। লগে লগে দৈত্যটোৰ মৃত্যু হ'ল।

দুষ্ট দৈত্যক মৰা বাবে দেৱতাসকলে বৰাহ-বিষ্ণুক প্ৰশংসা কৰিবলৈ ধৰিলে। ○

# বলি আৰু বামণ

প্ৰহ্লাদৰ নাতি বলি এজন দানৱ হ'লেও বৰ ভক্ত আছিল। তেওঁৰ শক্তি আৰু সাহসো বৰ বেছি আছিল। দেৱতা আৰু অসুৰৰ প্ৰায়ে যুদ্ধ লাগি থাকে। কেতিয়াবা অসুৰ জিকে, কেতিয়াবা দেৱতা জিকে। এবাৰ এইদৰে যুদ্ধত হাৰি বলিৰ বৰ বেজাৰ লাগিল। তেওঁ অনবৰতে মন মাৰি থাকিবলৈ ধৰিলে। এদিন মনটো বেছি বেয়া লগাত তেওঁ দৈত্যগুৰু শুক্ৰাচাৰ্যৰ ওচৰলৈ গ'ল আৰু কি কৰিলেনো পুনৰ দেৱতাক খেদি অমৰাৱতী লাভ কৰিব, তাৰ উপায় বিচাৰিলে। গুৰুৱে ক'লে যে তেওঁ বিশ্বজিত নামে ডাঙৰ যজ্ঞ এটা পাতিব লাগিব। সেইমতে বলিয়ে অতি ডাঙৰকৈ বিশ্বজিত যজ্ঞ পাতিলে। যজ্ঞলৈ কিমান যে মানুহক মাতিলে, কিমানক যে দান-দক্ষিণা দিলে — তাৰ কোনো সীমা-সংখ্যা নাই। গুৰু শুক্ৰাচাৰ্যই যেতিয়া মন্ত্ৰ মাতি অগ্নিত ঘিউ দিলে, তেতিয়া যজ্ঞকুণ্ডৰ পৰা এখন সোণৰ ৰথ ওলাল; সেন্দুৰ যেন ৰঙা ঘোঁৰাবোৰ, গাত সোণৰ ফুল বছা। তাৰ পিছত ওলাল এখন ধুনীয়া ধনু আৰু কেতিয়াও শেষ নোহোৱা কাঁড়েৰে কিছুমান টুন। লগতে ওলাল এটা কৱচ। শুক্ৰাচাৰ্যই এইবোৰেৰে বলিক সজাই ৰথত তুলি আশীৰ্বাদ দি স্বৰ্গ জয় কৰিবলৈ পঠালে।

এইবাৰ বলি অনায়াসে জিকিলে। বলিয়ে স্বৰ্গ দখল কৰাত অসুৰবোৰে অমৰাৱতীত বাস কৰিবলৈ ল'লে আৰু দেৱতাবোৰে স্বৰ্গ এৰি পলাবলৈ ধৰিলে। ইন্দ্ৰ আদি দেৱতাসকলৰ দুখৰ অন্ত নোহোৱা হ'ল। কৰবাত অসুৰে চিনি পায় বুলি তেওঁলোকে গাত ছাই-মাকটি সানি ফটাকানি পিন্ধি তপস্বী বা ভিক্ষাৰী হৈ ঘূৰি ফুৰিবলৈ ধৰিলে, কিছুমানে হাবিতে লুকাই থাকিল। মুঠতে দৈত্যৰ ভয়ত দেৱতাৰ সুখ-শান্তি নোহোৱা হ'ল। সৰু শব্দ এটা শুনিলেও তেওঁলোকে দৈত্য আহিছে বুলি উচপ্ খাই উঠে।

দেৱতাৰ মাকৰ নাম অদিতি। পুতেকহঁতৰ অৱস্থা দেখি তেওঁৰ বৰ দুখ লাগিল। স্বামী কাশ্যপৰ আগত তেওঁ চকুপানী টুকি ক'লে —

"আমাৰ পোনাহঁতৰ অৱস্থা দেখিছেনে? বাঘৰ পৰা হৰিণা পলোৱাদি সিহঁতে হাবিয়ে-বননিয়ে পলাই ফুৰিছে। বেচেৰা ইন্দ্ৰটোৱে মাটিতে শুইছে চাগে, বোৱাৰী শচীৰো হাবিত ঘূৰি ফুৰোঁতে ভোকে-পিয়াহে বৰ কষ্ট হৈছে। বায়ু-বৰুণে খুজি-মাগি খাই আছে।

সিহঁতৰ কষ্ট মই কেনেকৈ সহ্য কৰোঁ?"

কাশ্যপে ক'লে — "মহাবীৰ বলিৰ বাবেই এনে হৈছে। তুমি ব্ৰত কৰি বিষ্ণুক সন্তুষ্ট কৰি কিবা এটা উপায় বিচাৰা।"

তেতিয়া অদিতিয়ে বহুদিন ধৰি কঠিন ব্ৰত কৰাৰ পিছত বিষ্ণু সন্তুষ্ট হ'ল। তেওঁ বলিক খেদি দেৱতাক স্বৰ্গৰাজ্য দিবলৈ অদিতিৰ পুতেক হৈ জন্ম ল'লে। এওঁৰ শৰীৰ চুটি-চাপৰ আছিল বাবে বামণ নাম হ'ল।

বামণ দেখাত বৰ ধুনীয়া। সৰু ল'ৰাৰ দৰে পবিত্ৰ মুখ, সুন্দৰ শৰীৰ। গাৰ পৰা যেন পোহৰহে ওলাই থাকে। মাক-দেউতাকৰ মনত আনন্দ দি তেওঁ বহুতদিন ৰং-ধেমালি কৰি থাকিল। তাৰ পিছত এদিন বলিক বিচাৰি যাত্ৰা কৰিলে।

ইফালে বলিয়ে স্বৰ্গৰ ৰজা হৈ বৰ ভালকৈ দেত্যবোৰক শাসন কৰি আছিল। দৈত্যবোৰে স্বৰ্গৰ ধুনীয়া ঘৰ, উদ্যান, পুখুৰী আদিৰ মাজত ৰং-ধেমালি কৰি সময় পাৰ কৰিছিল। এবাৰ বলিয়ে আকৌ এটা যজ্ঞ পাতিলে। এই যজ্ঞটোত ত্ৰিভুবনত যিমানবোৰ ব্ৰাহ্মণ আছিল আটাইকে মাতি হেঁপাহ্ পলুৱাই দান দিবলৈ ধৰিলে। বামণেও মাকক মাত লগাই বলিৰ যজ্ঞলৈ গ'ল।

যজ্ঞৰ সভাত বামণক দেখি সকলো আচৰিত হ'ল। কাৰণ সৰু ল'ৰাৰ মাজত ডাঙৰ তপস্বীৰ দৰে গুণ দেখা গৈছিল। তেওঁৰ ককালত আছিল ব্ৰহ্মাচাৰীয়ে পিন্ধা কুশৰ মেখেলা, ডিঙিত লগুণ আৰু মূৰত আছিল ছাটি। তেওঁৰ উজ্জ্বল শৰীৰৰ ৰূপত ডাঙৰ ডাঙৰ ঋষি-মুনিসকলক সামান্য যেন দেখা গৈছিল। বলিয়ে বৰ আনন্দেৰে আগবাঢ়ি আহি বামণক ভৰি-হাত ধুৱাই আগবঢ়াই নিলে আৰু সোণৰ সিংহাসনত বহুৱাই সেৱা কৰিলে। তাৰ পিছত দান দিবলৈ বিচৰাত ৰামণে ক'লে —

"মহাৰাজ বলি, মোক মাত্ৰ তিনিখোজ ভূমি দান দিয়া।"

বলিয়ে হাঁহি হাঁহি ক'লে —

"হে বালক ব্ৰহ্মচাৰী, মই তোমাক কোটি কোটি ধন-সোণ দিব পাৰোঁ, মণি-মুকুতা দিব পাৰোঁ, দাস-দাসী, গৰু-গাই হাজাৰ হাজাৰ দিব পাৰোঁ। আনহে নালাগে ডাঙৰ ডাঙৰ ৰাজ্যৰ ৰজাও পাতিব পাৰোঁ। সেইবোৰৰে কিবা এটা দানত নোলোৱা কিয়?"

বামণে ক'লে —

"মহাৰাজ, তুমি মহাদানী বুলি মই জানো। তোমাৰ জন্মও হৈছে প্ৰহ্লাদৰ বিখ্যাত বংশত। মই যি বিচাৰোঁ তুমি নিশ্চয় তাকে দিবা। কিন্তু ধন-সম্পত্তি আদি পালে মানুহৰ লোভ বাঢ়িহে যায়। গতিকে মোক সেইবোৰ একো নালাগে। মোক মাথোন তিনিখোজ ভূমি দিম বুলি তুমি প্ৰতিজ্ঞা কৰা।" বলিয়ে তেতিয়া তাকে দিম বুলি প্ৰতিজ্ঞা কৰিলে।

দৈত্যগুৰু শুক্ৰাচাৰ্যই কিন্তু বামণক চিনি পালে আৰু তেওঁৰ মনৰ ইচ্ছাও বুজি পালে। তেওঁ লৰালৰিকৈ বলিক ক'লে —

"তুমি কেতিয়াও বামণক তিনিখোজ মাটি নিদিবা। এওঁ আচলতে দৈত্যৰ পৰম শত্ৰু বিষ্ণুহে। এওঁ তোমাক ছল পালেই বিপদত পেলাব।" শুক্ৰাচাৰ্যৰ সাৱধানবাণী শুনি বলিৰ অলপ চিন্তা লাগিল। বাকীবোৰ দৈত্যয়ো তেওঁক দান দিবলৈ মানা কৰিলে। পিছে বলিয়ে ক'লে যে তেওঁ নিজৰ প্ৰতিজ্ঞা পূৰণ কৰিবই লাগিব। গতিকে তিনিখোজ মাটি বামণক উচৰ্গা কৰিবৰ বাবে তেওঁ পানী ভৰোৱা কমণ্ডলুটো তুলি ল'লে। শুক্ৰাচাৰ্যই যেতিয়া দেখিলে যে বলিয়ে নুশুনে, তেওঁ মায়া কৰি কমণ্ডলুটোৰ ভিতৰত সোমাই পানী ওলাব নোৱাৰাকৈ মুখখন বন্ধ কৰি সোপা দি ধৰিলে। পানী নোলোৱা দেখি বলিয়ে অবাক মানিলে। বামণে তেতিয়া জানি-শুনিয়ে অলপ কুশ-বন লৈ কমণ্ডলুটোৰ নলীদাল খুচি দিলে, ফলত শুক্ৰাচাৰ্য ওলাই উফৰি পৰিল হয়, তেওঁৰ কিন্তু চকু এটা কণা হ'ল।

বলিয়ে বামণক তিনিখোজ মাটি দান দিলে। লগে লগে বামণে প্ৰকাণ্ড ৰূপ ধাৰণ কৰিলে। তেওঁৰ শৰীৰ বাঢ়ি বাঢ়ি আকাশত লাগিল গৈ। তেওৰ গাতে চন্দ্ৰ-সূৰ্য, গ্ৰহ-নক্ষত্ৰ, আকাশ-পৰ্বত-সমুদ্ৰ দেখা গ'ল। সেই অদ্ভুত ৰূপ দেখি সকলো অতি আচৰিত হ'ল। তেওঁৰ এখন প্ৰকাণ্ড ভৰিয়ে পৃথিৱী আগুৰি পেলালে। আন এখন ভৰি বাঢ়ি বাঢ়ি গৈ আকাশ, সাতখন স্বৰ্গ পাৰ লৈ ব্ৰহ্মালোক পালেগৈ। আন এখোজ মাটি দিবলৈ বলিৰ হাতত একো ঠাই নোহোৱা হ'ল। দৈত্যবোৰে যেতিয়া দেখিলে যে বামণে ছল কৰি বলিৰ পৰা স্বৰ্গ দখল কৰি ল'লে, সিহঁতে অস্ত্ৰ-শস্ত্ৰ লৈ বামণক খেদি আহিল। কিন্তু বিষ্ণুৰ পাৰিষদবোৰে সিহঁতক মাৰি-কাটি খেদি পঠিয়ালে। বামণে ভীষণ খঙেৰে বলিক ক'লে —

"বলি, মাটি দে।"

বামণৰ নাভিৰ পৰা তৃতীয় এখন ভৰি ওলাইছিল। সেই ভৰিৰ বাবে ঠাই নোহোৱা হ'ল। খঙতে বামণে গৰুড়ৰ দ্বাৰা নাগপাশেৰে বলিক বন্ধাই থ'লে। বলিয়ে কষ্ট পালে যদিও তেওঁৰ খং নুঠিল। তেওঁ একান্তভাৱে ভগৱানক ভাবি থাকিল। বামণে বাৰে বাৰে তৃতীয় ভৰিখন থ'বলৈ ঠাই বিচাৰিবলৈ ধৰিলে। বামণৰ খং দেখি সকলো ভয়তে কঁপিবলৈ ধৰিলে। ব্ৰহ্মা আদি কোনেও তেওঁৰ খং কমাব নোৱাৰাত প্ৰহ্লাদ আহি বামণক ক'লেহি —

"হে ভগৱান! বলিয়ে অহংকাৰ কৰি তোমাৰ দৰে ঈশ্বৰকো যি লাগে তাকে দিম বুলি কৈছিল। তাৰ বাবে ঠিকেই শাস্তি পালা। পিছে এতিয়া তাক ক্ষমা কৰা। সি অতি

অজ্ঞানী, কিন্তু তোমাৰ পৰম ভক্ত।"

ভক্ত প্ৰহ্লাদৰ কথাত বামণৰ মুখত হাঁহি ওলাল। তেওঁ বলিক ক'লে —

"বাছা, তোমাক মই পৰীক্ষাহে কৰিছিলোঁ, মোৰ আচলতে খং উঠা নাই। তুমি মহাভক্ত আৰু মহাদানী। এতিয়া পাতালপুৰীত থকা সুতল নামে ধুনীয়া ৰাজ্যখনত থাকাগৈ। সেই ৰাজ্য স্বৰ্গতকৈ বহুত ধুনীয়া। তাত বুঢ়াও ডেকা হয়, কোনো নমৰে।"

মুকলি হৈ বলিয়ে বামণক নানাভাৱে স্তুতি কৰিলে। তাৰ পিছত দৈত্যবোৰ লগত লৈ তেওঁ সুতললৈ গ'লগৈ। সেই অতি মনোৰম ৰাজ্যখনত তেওঁ দিনে-ৰাতিয়ে ভগৱানৰ নাম লৈয়েই মগ্ন হৈ থাকিল। বিষ্ণুৰ সুদৰ্শন-চক্ৰই তেওঁক সকলো বিপদৰ পৰা ৰক্ষা কৰি থাকিল।

বামণৰূপী বিষ্ণুৰ বুদ্ধিত দেৱতাসকলে পুনৰ স্বৰ্গ লাভ কৰিলে। দেৱমাতৃ অদিতিৰ বৰ আনন্দ লাগিল। ○

# শ্ৰীকৃষ্ণৰ শিশুলীলা

মথুৰাৰ ৰজা কংস আছিল দুষ্ট, নিষ্ঠুৰ আৰু অসৎ। তেওঁ ভনীয়েক দৈৱকীক বিয়া দিছিল বসুদেৱ নামে এজন সৎ ৰজালৈ। বিয়াৰ দিনা ৰং-ধেমালি কৰি ভনীয়েকক ৰথত তুলি দৰাৰ ঘৰলৈ লৈ যাওঁতে হঠাতে আকাশবাণী হ'ল যে এই কন্যাৰ অষ্টম সন্তানৰ হাতত কংসৰ মৃত্যু হ'ব। সেই কথা শুনি কংসৰ বৰ খং উঠিল। তেওঁ তৰোৱাল লৈ দৈৱকীক তেতিয়াই কাটি পেলাব খুজিলে। তাকে দেখি দৰা বাসুদেৱে হাতযোৰ কৰি ক'লে যে দৈৱকীৰ প্ৰতিটো সন্তান জন্মৰ লগে লগে কংসক শোধাই দিয়া হ'ব, দৈৱকীক যেন বধ নকৰে। সেইমতে কংসই দৈৱকীক নামাৰিলে, কিন্তু বসুদেৱ-দৈৱকী দুয়োকে কাৰাগাৰত শিকলি লগাই বান্ধি থ'লে।

ইয়াৰ পিছত এটি এটিকৈ দৈৱকীৰ ছয়টি পুত্ৰ হ'ল। প্ৰতিটোকে জন্মৰ লগে লগে নি কংসই নিষ্ঠুৰভাৱে শিলত আছাৰি মাৰিলে। সপ্তম শিশুটিক বুদ্ধি কৰি জন্মৰ আগতেই দেৱতাসকলে বসুদেৱৰ অন্য এগৰাকী পত্নী ৰোহিণীৰ গৰ্ভত নি থ'লেগৈ। তাতে তেওঁ উপজি বলৰাম নাম পালে। অষ্টম শিশুটি জন্মাৰ আগে আগে কংসৰ টোপনি নোহোৱা হ'ল। কাৰণ এইটো শিশুৰ হাতত তেওঁৰ মৰণ হ'ব বুলি আকাশ-বাণীয়ে কৈছিল। তেওঁ কাৰাগাৰৰ প্ৰহৰীৰ সংখ্যা বঢ়াই দিলে।

ভাদমাহৰ অষ্টমী তিথিৰ দিনা মাজৰাতি প্ৰবল ধুমুহা বৰষুণ হ'বলৈ ধৰিলে। ধুমুহা আৰু মেঘৰ গাজনিত প্ৰলয়ৰ সৃষ্টি হ'ল। লগে লগে ৰখীয়া-পৰিয়াবোৰ টোপনিত লালকাল হৈ পৰিল। বসুদেৱ-দৈৱকীৰ হাত-ভৰিৰ শিকলিবোৰ আপোনা-আপুনি সুলকি পৰিল। অন্ধকাৰ কাৰাগাৰ পোহৰ কৰি তাত দেখা দিলে ভগৱান বিষ্ণুৱে। তেওঁৰ ৰূপৰ তুলনা নাই, চাৰিখন হাতত ধৰি আছে শংখ, চক্ৰ, গদা আৰু পদ্ম। তেওঁ শৰীৰৰ জ্যোতিত চাৰিওদিশ জিলিকি উঠিল। বসুদেৱ-দৈৱকীয়ে অভিভূত হৈ তেওঁক হাতযোৰ কৰি প্ৰণাম কৰিলে। ভগৱানে ক'লে — "মই তোমালোকৰ সন্তান হৈ এতিয়াই জন্ম ল'ম। কিন্তু বসুদেৱে এতিয়াই মোক লৈ নন্দৰজাৰ ৰাণী যশোদাৰ কাষত থৈ যশোদাৰ বুকুৰ সন্তানটি আনি দৈৱকীৰ ওচৰত থ'ব লাগিব। মোৰ আশীৰ্বাদত কোনেও গম নাপাব।" পিছ মুহূৰ্ততে বিষ্ণু অদৃশ্য হ'ল। অতি ধুনীয়া নৱজাত শিশু এটি দৈৱকীৰ বুকুত শুই থকা দেখা গ'ল। ভগৱানৰ

উপদেশ মনত ৰাখি বসুদেৱে শিশুটিক এটা পাচিত ভৰাই লৈ ওলাই আহিল। কাৰাগাৰৰ দুৱাৰবোৰ নিজে নিজে মেল খাই গ'ল, ৰখীয়াবোৰ টোপনিত লালকাল। বসুদেৱ আহি আহি যমুনাৰ পাৰ পালেহি। ঘোৰ অন্ধকাৰ মাজত ফেনে-ফোটোকাৰে ভৰা যমুনা নৈৰ ৰূপ দেখি তেওঁ পাৰ হোৱাৰ উপায় বিচাৰি নাপালে। ইফালে ওপৰৰ পৰা বৰষুণ পৰিবই লাগিছে। এনেতে এটা শিয়ালে তেওঁক বাট দেখুৱাই যমুনাৰ বাম পানীৰে যাবলৈ ধৰিলে। বসুদেৱেও তাৰ পিছে পিছে খোজ দিলে। এনেতে নাগৰাজ বাসুকী আহি প্ৰকাণ্ড ফণা মেলি তেওঁৰ মূৰৰ ওপৰত ধৰি শিশু কৃষ্ণৰ গাত পানী নপৰাকৈ ধৰিলে। যমুনা পাৰ হৈ গোকুল পাই বসুদেৱ নন্দৰজাৰ ঘৰলৈ গ'ল। তাত যশোদাৰ বুকুত যোগমায়া গোসাঁনীয়ে শিশুৰূপ ধৰি শুই আছিল। যশোদাৰ লালকাল টোপনিত যোগমায়াৰ ঠাইত কৃষ্ণ থৈ যোগমায়াক কোলাত লৈ বসুদেৱ কাৰাগাৰলৈ ঘূৰি আহিল। পিছদিনা কেঁচুৱাৰ কান্দোন শুনি ৰখীয়াবোৰে কংসক জনালেগৈ যে দেৱকীৰ অষ্টম সন্তানৰ জন্ম হ'ল। নিজৰ শত্ৰুৰ জন্মৰ বাতৰি পাই কংসৰাজ ভয়ংকৰ হৈ উঠিল। তেওঁ যমৰ দৰে আহি দৈৱকীৰ সকলো কাকুতি নেওচি কেঁচুৱাটিক আজোৰ মাৰি নি শিল এটাত থেকেচি মাৰিব খুজিলে। কিন্তু অকস্মাৎ তেওঁৰ হাতৰ পৰা এৰাই শিশুটিয়ে যোগমায়া দেৱীৰ দিব্যৰূপ ধাৰণ কৰি আকাশ পালেগৈ আৰু তাৰ পৰা হাঁহি হাঁহি ক'লে — "মূৰ্খ, মোক কেনেকৈ মাৰিবি? মোৰ নাম দেৱী যোগমায়া। তোৰ আচল শত্ৰু এতিয়া গোকুলত আছে। তেওঁৰ হাতত তোৰ মৃত্যু নিশ্চিত।" কংস হতবাক হৈ পৰিল।

ইফালে বসুদেৱ-দৈৱকীৰ পুত্ৰ নন্দ-যশোদাৰ পুত্ৰ ৰূপে ডাঙৰ হ'বলৈ ধৰিলে। তেওঁৰ শৰীৰ আছিল মেঘৰ দৰে শ্যাম বৰণৰ, ৰূপ আছিল তুলনাবিহীন। তেওঁৰ নাম থোৱা হ'ল কৃষ্ণ। শিশুকৃষ্ণ গোকুলবাসীৰ আলাসৰ লাডু হৈ পৰিল, মাক যশোদাৰ তেওঁ নয়নৰ মণি। তেওঁৰ নানাবিধ দুষ্টামিত গোপীসকল অতিষ্ঠ হৈ পৰিলেও তেওঁ আছিল সকলোৰে প্ৰাণতকৈও আপোন। কেতিয়াবা তেওঁ গোপীৰ ঘৰত সোমাই লৱণু চুৰ কৰি খায়, কেতিয়াবা ধৰা পৰি ওলোটাই গোপীকে চোৰ আখ্যা দিয়ে। মূৰত মৈৰা পাখি, মুখত বাঁহী আৰু হাতত এচাৰি লৈ তেওঁ বৃন্দাবনত গৰু চৰাবলৈ যায় আৰু নানা ৰং-ধেমালি কৰে।

ইফালে কংসৰ যেতিয়া ঘোৰ চিন্তা হ'ল যে গোকুলৰ কৰবাত তেওঁৰ শত্ৰুৰ জন্ম হৈছে — তেওঁ ঠিক কৰিলে যে সকলোবোৰ নতুন কেঁচুৱাকে মাৰি পেলাব লাগিব। সেইবাবে পুতনা নামৰ এজনী ৰাক্ষসীক তেওঁ এই কাম দিলে। ৰাক্ষসী পুতনাই সুন্দৰী নাৰীৰ ৰূপ ধৰি গোকুলৰ ঘৰে ঘৰে সোমাই সকলোৰে ঘৰুৱা হৈ পৰি কেঁচুৱাবোৰক নিজৰ গাখীৰ খুৱাবলৈ ধৰিলে। তাইৰ স্তনত বিহ সানি থোৱা আছিল। গতিকে গাখীৰ খোৱা কেঁচুৱাবোৰৰ কিছু সময়ৰ পিছতে মৃত্যু হৈছিল। এইদৰে গৈ গৈ তাই নন্দৰজাৰ

কাৰেণ্ডত সোমালেগৈ। তাতে শুই থকা কৃষ্ণক দেখা পাই তাই আথে-বেথে তুলি লৈ নিজৰ গাখীৰ খুৱাবলৈ ধৰিলে। পিছে ভগবান কৃষ্ণই তাইক দেখিয়েই চিনি পাইছিল। সেইবাবে স্তন পান কৰাৰ ছলতে এনেকুৱা প্ৰবল শক্তিৰে চুপিবলৈ ধৰিলে যে পুতনাই বিষত ডেডাউৰি পাৰি চিঞৰিব ধৰিলে, কিন্তু কোনোমতেই কেঁচুৱা কৃষ্ণক নিজৰ বুকুৰ পৰা এৰুৱাব নোৱাৰিলে। শেষত কৃষ্ণই তাইৰ প্ৰাণবায়ু উলিয়াই অনাত পুতনাই ভয়ংকৰ ৰাক্ষসী ৰূপ লৈ পৰি মৰি থাকিল।

এইবাৰ আহিল চক্ৰবাৰ্ত অসুৰ। এদিন ৰাতি মাকৰ কোলাত বহি থকাৰ পৰা আকাশখন আন্ধাৰ কৰি আহি ধুমুহাৰ দৰে সি কৃষ্ণক দাঙি লৈ আকাশলৈ উৰি গ'ল। নন্দৰ ঘৰত কন্দা-কটা হাহাকাৰ লাগিল। পিছে অলপ সময়ৰ পিছতে অসুৰটোৰ মৰাশ আহি চোতালত ধুমুহকৈ পৰিল। কেঁচুৱা কৃষ্ণই অকণি অকণি হাতেৰে তাক আকাশতে ডিঙি চেপি মাৰিছিল।

কৃষ্ণৰ এনেকুৱা অলেখ পৰাক্ৰমৰ কথা শুনি কংসই বুজি পাইছিল যে এইজনেই তেওঁৰ প্ৰাণৰ শত্ৰু। গতিকে কৃষ্ণক হত্যা কৰিবলৈ তেওঁ দিনে দিনে নতুন নতুন অসুৰ পঠিয়াই আছিল।

তাৰে এটা আছিল অঘাসুৰ। সি প্ৰকাণ্ড অজগৰ হৈ কৃষ্ণই বৃন্দাবনৰ পৰা ঘূৰি অহা বাটত মুখ মেলি পৰি থাকিল। তাৰ তলৰ ওঁঠটো মাটিত লাগি আছিল আৰু ওপৰৰ ওঁঠে আকাশ চুইছিলগৈ। ৰঙা জিভাখন এটা ৰাজআলিৰ দৰে পৰি আছিল, গৰখীয়াবোৰে সেইটো এটা আলিবাট বুলি ভাবি গৰু খেদি খেদি তাৰ পেটৰ ভিতৰলৈ সোমাই গ'ল। কৃষ্ণও পিছে পিছে সোমাই গ'ল। তাকে দেখি মনৰ আনন্দেৰে সেই অসুৰে মুখখন জপাই দিয়াত কৃষ্ণই তাৰ পেটৰ ভিতৰৰ বায়ু ৰোধ কৰি নিমিষতে মাৰি পেলালে। এইদৰে বকাসুৰ নামৰ প্ৰকাণ্ড বগলি-অসুৰ এটাই এবাৰ কৃষ্ণক গিলিবলৈ অহাত কৃষ্ণই তাৰ ঠোঁট দুটা ফালি মাৰি পেলাইছিল, এনেকৈয়ে কংসই পঠোৱা বহুত অসুৰক কৃষ্ণই অনায়াসে হত্যা কৰিছিল।

এনেকৈয়ে সৰু কালৰে পৰা কৃষ্ণই লীলা কৰি সকলোকে অবাক কৰিছিল। এবাৰ ধেমালিতে মাটি খাওঁতে মাকে খং কৰি এছাৰি লৈ অহাত তেওঁ মিছা মাতি কৈছিল যে — "মই মাটি খোৱা নাই, মুখখন মেলি দিছোঁ, চোৱা।" মাক যশোদাই তেওঁৰ মুখত দেখা পাইছিল সাগৰ, নগৰ, গাঁও, চহৰ, মানুহ, জন্তু, বৃক্ষ আদিৰে সৈতে বিশ্বব্ৰহ্মাণ্ড। যশোদাই নিজকো কৃষ্ণৰ মুখৰ ভিতৰত দেখা পাইছিল। অন্য এদিন মাকৰ মনোযোগ নাপাই ঠেহ লাগি কৃষ্ণই যেতিয়া দধি-দুগ্ধ খাই, পেলাই, বান্দৰক খুৱাই, দধি-কলহ ভাঙি অত্যাচাৰ কৰিছিল, তেতিয়া যশোদাই খঙতে তেওঁক উৰাল এটাত বান্ধিবলৈ যত্ন কৰিছিল। পিছে যিমানেই ৰছি আনে, নাটেহে নাটে। প্ৰতিবাৰতে দুই ইঞ্চি কম হয়। শেষত মাকৰ ভাগৰ লগা দেখি দয়া কৰি তেওঁ বন্ধন মানি ল'লে। কৃষ্ণক সেইদৰে বান্ধি থৈ

যশোদা যেতিয়া ঘৰুৱা কামলৈ আঁতৰি গ'ল — কৃষ্ণই উৰালটো পিঠিত লৈয়েই চুচৰি চুচৰি বাহিৰৰ চোতাল পালেহি। তাতে দুজোপা যঁজা অৰ্জুন গছৰ মাজেৰে তেওঁ সৰকি যাব খোজোঁতে গছ দুজোপা উভাল খাই পৰিল। তাৰ পৰা ওলাই আহিল কুবেৰৰ পুত্ৰ দুজন। তেওঁলোক নাৰদৰ শাপত গছ হৈ আছিল। কৃষ্ণক বন্দনা কৰি তেওঁলোক স্বৰ্গলৈ গ'লগৈ।

অলপ ডাঙৰ হৈ কৃষ্ণই বৃন্দাবনত নানা ৰং-ধেমালি কৰি সকলোকে আনন্দ দিছিল। তেওঁৰ বাঁহীৰ সুৰ আছিল অতি মধুৰ। সেই সুৰ শুনি গোপীসকলে ভোক-পিয়াহ পাহৰিছিল, পশু-পক্ষী থৰ হৈ ৰৈছিল। তেওঁ দিনে দিনে নতুন খেলা উলিয়াই সকলোকে মোহিত কৰিছিল। এদিন খেলি খেলি ভাগৰ লাগি কৃষ্ণৰ বন্ধুবোৰে পানী বিচাৰি গ'ল। গৈ গৈ পালেগৈ এটি বিশাল হ্ৰদ। তাৰ পানীবোৰ গভীৰ, শীতল। তাত বাস কৰিছিল কালী নামে ভয়ংকৰ দুষ্ট আৰু বিষধৰ এক সৰ্পই। তাৰ বিষ ইমানেই আছিল যে কালী নাগৰ বিষাক্ত নিশাহ লাগি ওপৰেৰে উৰি যোৱা চৰাইবোৰো মৰি মৰি সৰি পৰিছিল। গৰখীয়াবোৰে নজনাকৈ সেই হ্ৰদৰ পানী খোৱাত আটাইবোৰ পাৰতে পৰি মৰি থাকিল। অলপ সময়ৰ পিছত কৃষ্ণই তালৈ আহি সেই দৃশ্য দেখি সকলো বুজি পালে আৰু কালীৰ ওপৰত তেওঁৰ ভীষণ খং উঠিল, তেওঁ অমৃত-দৃষ্টিৰে চাই গৰখীয়াবোৰক জীয়াই তুলিলে। তাৰ পিছত হালি থকা কদম গছ এজোপাত উঠি তাৰ পৰা তেওঁ হ্ৰদৰ পানীত জাঁপ মাৰি দিলে। লগে লগে পানীৰ মাজত প্ৰলয়ৰ দৰে ঢৌ তুলি কালীনাগে খেদি আহি কৃষ্ণৰ গোটেই শৰীৰত খুটিবলৈ ধৰিলে। ভগবান কৃষ্ণই মানুহৰ দৰে ভাও ধৰি অচেতন হৈ পৰি থকা যেন কৰিলে। বহুতপৰ তেওঁ চকু নেমেলাত পাৰত থকা বন্ধুবোৰৰ হাহাকাৰ লাগিল। তেওঁলোকে দৌৰি দৌৰি গৈ নন্দ-যশোদাক বাতৰি দিলে যে কৃষ্ণক সাপে খুটি মাৰিলে। সেই কথা শুনি নন্দ-যশোদা আৰু গোকুলৰ সকলো মানুহে আহি কালী-হ্ৰদৰ পাৰত গোট খাই বিলাপ কৰবলৈ ধৰিলে। যশোদা বাউলী হৈ পৰিল। তেতিয়া কৃষ্ণই চকু মেলিলে আৰু একে জাঁপে আহি কালীনাগৰ মূৰত দেওদি উঠিল। প্ৰথমে কালীৰ লগত তেওঁৰ প্ৰবল যুদ্ধ লাগিছিল, এপাকত মূৰত উঠি তাক এৰি নিদি কৃষ্ণই তাৰ মূৰত উঠি নৃত্য কৰিবলৈ ধৰিলে। নৃত্যৰ প্ৰকোপত তাৰ মুখেৰে তেজ ওলোৱা দেখি তাৰ পত্নীবোৰে কাকুতি-মিনতি কৰি কৃষ্ণক ক'লে যে তেওঁ যেন পাপী কালীনাগক সিমানতে এৰি দিয়ে। কৃষ্ণই তেতিয়া আধামৰা অৱস্থাতে কালীনাগক এৰি দি তাক সেই হ্ৰদৰ পৰা আঁতৰি যাবলৈ আদেশ দিলে। কালীনাগেও বাৰে বাৰে ক্ষমা খুজি কৃষ্ণক বন্দনা কৰি সপৰিয়ালে তাৰ পৰা আঁতৰি গ'ল। হ্ৰদৰ পানী পুনৰ নিৰ্মল হৈ পৰিল।

এবাৰ নন্দ আদি গোপসকলে ইন্দ্ৰদেৱতাৰ পূজা পাতিবলৈ আয়োজন কৰিছিল।

তাকে দেখি কৃষ্ণই ক'লে যে ইন্দ্ৰতকৈ গোবৰ্ধন পৰ্বতটোহে পূজাৰ যোগ্য। কাৰণ সেই পৰ্বতে ফল-মূল দিয়ে, গো-পালনৰ বাবে ঘাঁহ-বন দিয়ে, পৰ্বতত ঠেকা খাই বৰষুণো হয়। কৃষ্ণৰ দিহামতে গোপসকলে তেতিয়া ইন্দ্ৰৰ পূজা নাপাতি গোবৰ্ধন পৰ্বতৰ পূজা পাতিবলৈ ঠিক কৰিলে। তাকে দেখি ইন্দ্ৰ দেৱতাৰ বৰ খং উঠিল। তেওঁ প্ৰবল ধুমুহা-বৰষুণৰ সৃষ্টি কৰি সকলো পূজাৰ দ্ৰব্য নষ্ট কৰি পেলালে। মানুহৰ হাহাকাৰ লাগিল, বতাহ-বৰষুণে প্ৰলয়ৰ সৃষ্টি কৰিলে। কৃষ্ণই তেতিয়া সকলোকে আশ্ৰয় দিবৰ বাবে গোবৰ্ধন পৰ্বতটো দাঙি লৈ এটা আঙুলিৰে ধৰি থাকিল। ছাটিৰ তলত সোমোৱাৰ দৰে সকলো মানুহ আৰু পশু তাৰ তলতে পৰম নিৰাপদে থাকিল। এইদৰে সাতদিন সাতৰাতি ইন্দ্ৰই ধুমুহা-বৰষুণৰ আক্ৰমণ চলাই থাকিল। কিন্তু কৃষ্ণৰ কৃপাত কাৰো একো অসুবিধা নহ'ল। তাকে দেখি অতি আচৰিত হৈ ইন্দ্ৰই নিজৰ ক্ষুদ্ৰতা বুজি পালে আৰু ক্ষমা খুজি কৃষ্ণক বন্দনা কৰিলেহি।

এইদৰে কৃষ্ণই দিনে দিনে নতুন নতুন লীলা দেখুৱাই ব্ৰজবাসীক মুহি থৈছিল। তেওঁৰ প্ৰতিটো কামৰ মাজতে ঈশ্বৰত্ব, বীৰত্ব আৰু কৃপালু স্বভাৱ ফুটি উঠিছিল। ○

# কংস বধ

কৃষ্ণ আৰু বলোৰামে গোকুল-বৃন্দাবনত নানা লীলা কৰি অসুৰ বধ কৰি যি পৰাক্ৰম দেখুৱাইছিল, তাৰ দ্বাৰাই কংসই ভালদৰ বুজিছিল যে এওঁলোকৰ হাতত তেওঁৰ মৃত্যুৰ সম্ভাৱনা আছে। ভয়তে তেওঁৰ টোপনি নহা হৈছিল। তেওঁ ভাবিলে যে কিবা প্ৰকাৰে ৰাম-কৃষ্ণক মথুৰালৈ আনি হত্যা কৰিবই লাগিব। সেইবুলি ভাবি তেওঁ মথুৰাত বৰ ডাঙৰকৈ ধনুযজ্ঞ পাতি সেই যজ্ঞ চাবলৈ গোকুলৰ নন্দ ৰজা, কৃষ্ণ-বলৰাম আৰু সকলো প্ৰজাকে নিমন্ত্ৰণ কৰিলে। মথুৰা আহি পালে কৃষ্ণক হত্যা কৰিবৰ বাবে তেওঁ বহুত বুদ্ধিও কৰি থ'লে।

কংসৰ দূত হৈ অক্ৰুৰে নিমন্ত্ৰণ কৰিবলৈ যোৱাত নন্দ আদি সকলোৱে আনন্দমনেৰে যজ্ঞ চাবলৈ আহিল অক্ৰুৰৰ ৰথত। মথুৰা নগৰত প্ৰৱেশ কৰাৰ লগে লগে তেওঁলোকৰ ৰূপৰ জেউতি দেখি সকলো ভোল গ'ল। নগৰৰ নাৰীসকল ৰ লাগি চাবলৈ ধৰিলে। কংস ৰজাৰ মালী সুমদাই ৰজালৈ ফুলৰ মালা লৈ গৈছিল। কৃষ্ণই বিচৰাত তেওঁ আনন্দ মনেৰে দুই ভাই-ককাইক ফুলেৰে সজাই দিলে। আনন্দ মনেৰে নগৰ ভ্ৰমণ কৰি ফুৰোঁতে এবাৰ তেওঁলোকে কংসৰ সৈৰিন্ধ্ৰী কুঁজীক হাতত চন্দনৰ পাত্ৰ লৈ ৰাজসভালৈ গৈ থকা দেখিলে। কুঁজীয়ে কৃষ্ণৰ মনোমোহা ৰূপ দেখি হেঁপাহ পলুৱাই তেওঁৰ সুন্দৰ শৰীৰটো চন্দনেৰে সজাই দিলে। কৃষ্ণই তেতিয়া তেওঁৰ ঐশ্বৰিক পৰশেৰে কুঁজীৰ শৰীৰটো পোন কৰি তাইক এজনী ধুনীয়া গাভৰুলৈ পৰিণত কৰিলে। ইয়াৰ পিছত তেওঁলোকে লগ পালে ৰজাৰ ধোবাক। তাক দেখি কৃষ্ণই ক'লে — "ককাই, আমি গাঁৱলীয়া ঠাইৰ পৰা অহা গৰখীয়া ল'ৰা। আমাৰ ভাল সাজ-পাৰ নায়েই। ৰজাৰ ঘৰলৈ যাব পৰাকৈ ভাল কাপোৰ দুসাজ আমাক দিবানে?" উত্তৰত ধোবাই ভেকাহি মাৰি ক'লে — "তইঁতৰ দেখোন বৰ সাহ অ'? কংস ৰজাৰ বাবে নিয়া কাপোৰ পিন্ধিবলৈ সাহ কৰিছ? গুৱালৰ ল'ৰাৰ সাহটো চোৱা!" সেই কথা শুনি কৃষ্ণৰ বৰ খং উঠিল। তেওঁ একেপাট চৰতে তাৰ মূৰটো চিঙি পেলালে। তাৰ পিছত লগৰ বন্ধুবোৰৰ সৈতে ভাল ভাল কাপোৰবোৰ বিচাৰি ল'লে। এনেতে কংসৰ বেশকাৰজন তালৈ আহি কৃষ্ণক প্ৰণাম কৰি সেই ৰাজ সাজ-পাৰবোৰ ধুনীয়াকৈ পিন্ধাই দিলে।

কংসই নিজৰ কাৰেঙতে কৃষ্ণৰ এই বাতৰিবোৰ পালে। ভয়ত তেওঁৰ টোপনি নহা হ'ল। চকু মুদিলেই মাথোন অমংগলীয়া সপোনবোৰ দেখে। প্ৰতিটো সপোনেই বুজায় যে মৃত্যু তেওঁৰ কাষ চাপি আহিছে। তেওঁ কৃষ্ণই হাত দিলেই আঘাত কৰিব পৰাকৈ প্ৰকাণ্ড ধনু এখন যজ্ঞশালাৰ বাহিৰত থৈ দিবলৈ দিলে। তাৰ ওচৰতে কুবলয় নামৰ প্ৰকাণ্ড হাতী এটাৰে কৃষ্ণক আক্ৰমণ কৰিবলৈ অম্বষ্ঠ নামে মাউতটোক নিৰ্দেশ দিলে। ৰংগশালাৰ ভিতৰত ভয়ংকৰ শক্তিযুক্ত দুজন মল্লবীৰকো যুঁজিবৰ বাবে সাজু কৰি থ'লে। তেওঁ নিজে বহিবৰ বাবে সাজু কৰি থ'লে এখন সাতখলপীয়া সিংহাসন।

পিছদিনা দলবল লৈ কৃষ্ণ যজ্ঞশালালৈ আগবাঢ়িল। প্ৰথমতে তেওঁ পালেগৈ সেই ভয়ংকৰ ধনুখন, যিখন দেখিলে বুকু কঁপে। কৃষ্ণই অনায়াসে বাঁওহাতেৰে সেই ধনুখন তুলি ল'লে, তাৰ পিছত বলীয়া হাতীয়ে কুঁহিয়াৰ ভঙাৰ দৰে ধনুখন দুটুকুৰা কৰি পেলালে। প্ৰচণ্ড শব্দ শুনি কংসৰ ৰথীয়া-পৰীয়াবোৰ পলাবলৈ ধৰিলে। তেতিয়া আগবাঢ়ি আহিল কুবলয় নামৰ মদমত্ত হাতীটো। কৃষ্ণক সি শুড়েৰে মেৰিয়াই ধৰি গচকিবলৈ যত্ন কৰিলে। তাৰ পিঠিত উঠি থকা মাউতটোৱে তাক উছটাবলৈ ধৰিলে। কৃষ্ণয়ো হাতীটোৰ পেটৰ তলত সোমাই তলফালৰ পৰা ভুকুৱাই তাৰ খং বঢ়াই ল'লে। হাতী আৰু কৃষ্ণৰ তয়া-ময়া যুঁজ লাগিল। এপাকত কৃষ্ণই তাৰ দাঁত দুটা আজুৰি উভালি আনিলে আৰু সেই দাঁতেৰে কোবাই কোবাই হাতী আৰু হাতী-মাউত দুয়োকে হত্যা কৰিলে। তাকে দেখি চাৰিওফালে হুলস্থুল লাগি গ'ল। কৃষ্ণই হাতীদাঁত দুটা কান্ধত লৈ ৰংগশালাত প্ৰৱেশ কৰিলে। তেওঁৰ কোমল অথচ বীৰৰ দৰে সুগঠিত শৰীৰত ৰঙা ৰঙা তেজ লাগিছিল, ধুনীয়া মুখখন ঘামেৰে তিতি আছিল। তেওঁৰ সেই ৰূপ দেকি দুষ্ট ৰজাবোৰে ভাবিলে যে এয়া আমাৰ শাস্তিদাতা আহিছে। যোগীসকলে তেওঁক ভগৱান বুলি চিনি পালে, কিন্তু অজ্ঞানীবোৰে তেওঁক নন্দৰ পুতেক বুলিয়েই ভাবি থাকিল। নাৰীসকলে তেওঁৰ কামদেৱৰ দৰে সৌন্দৰ্য চাবলৈ ধৰিলে, বসুদেৱ-দৈৱকী পুত্ৰস্নেহত আকুল হৈ পৰিল। কংসই কিন্তু বুজি পালে যে তেওঁৰ মৃত্যু হৈয়েই এয়া কৃষ্ণ আহিছে। তেওঁ মল্লযুদ্ধৰ আদেশ দিলে। লগে লগে প্ৰকাণ্ড চেহেৰা দুই মল্লবীৰ চানুৰ আৰু মুষ্টিক আগবাঢ়ি আহি ৰাম-কৃষ্ণক মল্লযুদ্ধলৈ আহবান কৰিলে। কৃষ্ণই ধেমালিতে ক'লে — "তোমালোক ইমান ডাঙৰ বীৰ, দেখিয়েই ভয় লাগিছে। আমাৰ দৰে সৰু ল'ৰা দুটাই কেনেকৈ তোমালোকৰ লগত যুঁজ দিম।"

উত্তৰত চানুৰে ক'লে —

"যুদ্ধত ডাঙৰ-সৰু নাই। তাতে তুমি কুবলয় হেন হাতীকো বোলে বধ কৰিছা। গতিকে এতিয়া মোৰ লগত যুদ্ধ কৰাহি।" তেতিয়া কৃষ্ণই সেই আহবান গ্ৰহণ কৰিলে। কৃষ্ণ আৰু চানুৰৰ, বলৰাম আৰু মুষ্টিকৰ মল্লযুদ্ধ লাগিল। প্ৰকাণ্ড মাল দুটাৰ কাষত সৰু ল'ৰা দুটাক দেখি সমজুৱাই হাঁয় হাঁয় কৰিবলৈ ধৰিলে। নানা কৌশল আৰু বুদ্ধিৰে

আটাইবোৰে যুঁজ দিবলৈ ধৰিলে। কিছুসময়ৰ পিছত প্ৰবল পৰাক্ৰমেৰে কৃষ্ণই চানুৰক আৰু বলৰামে মুষ্টিকক প্ৰচণ্ড ভুকু মাৰি হত্যা কৰিলে। সেই দৃশ্য দেখি দুষ্ট ৰজাবোৰ ভয়তে পলাবলৈ ধৰিলে। ভয় আৰু খঙত কংস বলীয়া হৈ পৰিল। তেওঁ চিঞৰি চিঞৰি কৃষ্ণক হত্যা কৰিবলৈ আদেশ দিবলৈ ধৰিলে। পিছে সেই আদেশ শুনোতা কোনো নোলাল। কৃষ্ণ একেজাঁপে সাতথলপীয়া সিংহাসন বগাই কংসৰ ওচৰ পালেগৈ। তাৰ পিছত কংসৰ চুলিত থাপ মাৰি ধৰি মূৰটো কাটি পেলালে। সমজুৱাই কৃষ্ণৰ জয়ধ্বনি দিবলৈ ধৰিলে।

কৃষ্ণৰ হাতত মৃত্যু হোৱাৰ বাবে কংসই মুক্তিলাভ কৰি বৈকুণ্ঠৰ পাৰিষদ হ'বলৈ গুচি গ'ল। কৃষ্ণই বসুদেৱ-দৈবকীক মুকলি কৰি, ককাক উগ্ৰসেনক মথুৰাৰ ৰজা পাতি সকলোৰে মনত পৰম আনন্দ দান কৰিলে। ○

# কালযৱন আৰু মুচুকুন্দৰ কাহিনী

গাৰ্গ নামে এজন খঙাল ঋষি আছিল। এদিন তেওঁক কিবা কথাত যদুসকলে ঠাট্টা কৰি হাঁহিছিল। তাতে তেওঁ বৰ অপমান পালে আৰু শিৱক প্ৰাৰ্থনা কৰিলে যদুসকলৰ লগত যুঁজিব পৰাকৈ এজন সৰ্বশক্তিমান পুত্ৰ দান কৰিবলৈ। সেইমতে শিৱৰ বৰত তেওঁ এজন পুত্ৰ লাভ কৰিলে। পুত্ৰৰ নাম হ'ল কালযৱন। কালযৱন নিষ্ঠুৰ, বীৰ আৰু ভয়ানক আছিল। তেওঁ কৃষ্ণৰ বংশৰ যদুসকলক শত্ৰু জ্ঞান কৰি অপকাৰ কৰিবলৈ চল চাই আছিল। আচলতে তেওঁৰ বিনাশৰ বাবে নাৰদেই তেওঁৰ মনত সুমুৱাই দিছিল যে মথুৰাত থকা কৃষ্ণই হৈছে সকলোতকৈ শক্তিশালী ব্যক্তি। এই পৃথিৱীত কালযৱনৰ সৈতে যুঁজিবৰ বাবে কৃষ্ণতকৈ উপযুক্ত মানুহ আৰু নাই। অনবৰতে যুদ্ধ কৰিবলৈ গা কুট্ কুটাই থকা কালযৱনে সেই কথা শুনি অসংখ্য সৈন্য লগত লৈ মথুৰালৈ যাত্ৰা কৰিলে।

সেই সময়ত জৰাসন্ধ নামে দুষ্ট দানৱ ৰাজেও মাজে মাজে মথুৰা আক্ৰমণ কৰি অশান্তিৰ সৃষ্টি কৰি আছিল। গতিকে কালযৱন অহা দেখি কৃষ্ণই ভাবিলে যে যদি একে সময়তে জৰাসন্ধ আৰু কালযৱনে আক্ৰমণ কৰে তেতিয়া বহুত সৈন্যৰ মৃত্যু হ'ব। সেইবাবে তেওঁ বিশ্বকৰ্মাক মাতি আনি সাগৰৰ মাজত দুৰ্গ-নগৰ এখন সাজিবলৈ আদেশ দিলে। বিশ্বকৰ্মায়ো নিজৰ সকলো প্ৰতিভা খটুৱাই এখন অতি ধুনীয়া ৰত্নময় নগৰ সাজি দিলে। সেয়েই হ'ল দ্বাৰকা। সাগৰৰ মাজৰ এই নগৰখনত প্ৰজাসকলক থৈ কৃষ্ণই এটা বুদ্ধি কৰিলে। তেওঁ মথুৰা-নগৰৰ সিংহদ্বাৰ খুলি কালযৱনে দেখাকৈ সুদা হাতে খোজকাঢ়ি যাবলৈ ধৰিলে। তাকে দেকি কালযৱনে ভাবিলে যে কৃষ্ণই যেতিয়া অস্ত্ৰ-শস্ত্ৰ নোলোৱাকৈ ওলাই আহিছে, তেওঁ নিজৰো অস্ত্ৰ-শস্ত্ৰ লগত নলয়। সেইবুলি কালযৱনেও কৃষ্ণক ধৰিবলৈ সুদা হাতে খেদি গ'ল। তাকে দেকি কৃষ্ণই ভয় কৰাৰ দৰে দৌৰি পলাবলৈ ধৰিলে। তেওঁৰ পিছে পিছে দৌৰি কালযৱনে খেদিবলৈ ধৰাত দুয়ো গৈ গৈ নগৰৰ বাহিৰৰ বহুদূৰ পালেগৈ। তথাপিও কৃষ্ণক ধৰিবলৈ নোৱাৰি খঙতে কালযৱনে চিঞৰি চিঞৰি কৃষ্ণক অলপ ৰ'বলৈ কৈ গালি পাৰিবলৈ ধৰিলে। কৃষ্ণই সেই গালিৰ কোনো উত্তৰ নিদি হাঁহি হাঁহি পৰ্বতৰ গুহা এটাৰ ভিতৰলৈ সোমাই গ'ল।

সেই গুহাত শুই আছিল মুচুকুন্দ নামে এজন ৰজা। তেওঁ মান্ধাতাৰ পুত্ৰ আছিল। মুচুকুন্দ আছিল পৰমবীৰ। সেইসময়ত অসুৰবিলাকে দেৱতাসকলক আক্ৰমণ কৰি স্বৰ্গৰ

সুখ-শান্তি নোহোৱা কৰিছিল। ইন্দ্ৰদেৱতাৰ অনুৰোধত মুচুকুন্দই নিজৰ ৰাজ্য আৰ আত্মীয়-স্বজনৰ পৰা আঁতৰি বহুকাল ধৰি স্বৰ্গখন ৰখি আছিল। দিনে-ৰাতিে নোশোৱাকৈ থাকি তেওঁ অসুৰবোৰ আহিলেই খেদি পঠিয়াইছিল। এইদৰে বহুকাল থকাৰ পিছত যেতিয়া শিৱৰ পুত্ৰ কাৰ্তিকৰ জন্ম হ'ল আৰু কাৰ্তিকে ডাঙৰ হৈ দেৱ-সেনাপতি বাব লৈ অসুৰক খেদিব পৰা হ'ল, তেতিয়াহে মুচুকুন্দই আজৰি পালে। দেৱতাসকলে তেওঁৰ শলাগ লৈ ক'লে — "হে মহাৰাজ, আপুনি আমাৰ বাবে বহুত কষ্ট কৰিলে এতিয়া আপুনি বিশ্ৰাম লওক। ইতিমধ্যে আপোনাৰ ৰাজ্য, পৰিয়াল আৰু আত্মীয়-স্বজ সকলো কালৰ বুকুত লীন হৈছে। আপোনাক কি বৰ লাগে কওক।" উত্তৰত মুচুকুন্দ ক'লে — "হে দেৱতাসকল, মই বহুদিন শুবলৈ পোৱা নাই। মই যেন বৰ সুখে টোপনি যাব পাৰোঁ সেই বৰকে দিয়ক।" তেতিয়া দেৱতাসকলে তেওঁক বৰ দিলে তেওঁৰ বঢ়িয়াকৈ টোপনি আহিব। যিমানদিন ইচ্ছা কৰে সিমানদিন তেওঁ শুব পাৰিব কোনোবাই যদি তেওঁৰ টোপনি আধাতে ভাঙি তেওঁক জগাই দিয়ে, তেতিয়া মুচুকুন্দ চোৱাৰ লগে লগে তেওঁ ভস্ম হৈ যাব। সেই বৰ লাভ কৰি মুচুকুন্দ শুই আছিল প্ৰা সাতাইশ যুগ। সেই গুহাতে, য'ত তেওঁ শুই আছিল, কৃষ্ণই বুদ্ধি কৰি প্ৰৱেশ কৰাে কালযৱনক।

গুহাৰ ভিতৰত কৃষ্ণ লুকাই থাকিল, তেওঁক বিচাৰি পিছে পিছে সোমাই যো কালযৱনে দেখিলে যে কোনোবা এজন শুই আছে, টোপনিতে নাকৰ শব্দ হ'ব ধৰিছে তেওঁ বাবিলে যে কৃষ্ণইহে চাগে কালযৱনৰ ভয়ত ভেশছন কৰি টোপনিৰ ভাও ধৰিছে, খঙতে গৈ তেওঁ শুই থকা মানুহজনৰ বুকুতে এক গোৰ মাৰিলে। লগে লগে মুচুকুন্দৰ টোপনি ভাঙি গ'ল। প্ৰচণ্ড খঙত তেওঁ চকু মেলি চালে। সেই খঙাল চকুৰ জুইত নিমিষতে কালযৱন জ্বলি চাই হৈ-গ'ল।

তেতিয়া গুহাৰ আন্ধাৰ অংশৰ পৰা কৃষ্ণ ওলাই আহিল। কৃষ্ণৰ ৰূপৰ জ্যোতিত গুহা পোহৰ হৈ উঠিল। বহু যুগৰ আগতে নাৰদে কোৱা কথাৰ পৰা মুচুকুন্দই কৃষ্ণক চিনি পালে আৰু চৰণত পৰি স্তুতি কৰিবলৈ ধৰিলে। কৃষ্ণই তেওঁক যি লাগে সেই বৰকে দিব খুজিছিল যদিও মুচুকুন্দই ধন-সম্পত্তি, ৰাজ আদি একোকে ল'বলৈ মন নকৰিলে। তেওঁ কৃষ্ণৰ ওচৰত ভক্তিহে কামনা কৰিলে। গুহাৰ বাহিৰলৈ ওলাই মুচুকুন্দই দেখিলে যে ইতিমধ্যে পৃথিৱীখন বহুত বেলেগ হ'ল। মানুহবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ হৈ পৰিছে, গছ-বনবোৰ আগতকৈ বহুত ক্ষুদ্ৰ হ'ল। তেওঁৰ সময়ৰ পৃথিৱীখন এতিয়া আৰু নাই। মুচুকুন্দই কৃষ্ণক প্ৰণাম কৰি বদৰিকাশ্ৰমলৈ যাত্ৰা কৰি তপস্যাত মনোনিৱেশ কৰিলে।

ইয়াৰ পিছত কৃষ্ণ আৰু বলৰামে কালযৱনৰ সৈন্যবাহিনীক ধ্বংস কৰি অসংখ্য ধন-সম্পদ লাভ কৰিলে। ○

# অজামিলৰ মুক্তি

অজামিল নামে এজন অসৎ চৰিত্ৰৰ ব্ৰাহ্মণ আছিল। তেওঁৰ স্বভাৱ বৰ বেয়া আছিল। ভাল মানুহে কৰিব নলগা বহুত বেয়া কাম কৰি তেওঁ ভাল পাইছিল, চুৰি কৰা, মিছা কথা কোৱা আদি কাম কৰোঁতে কৰোঁতে তেওঁৰ পাপৰ বোজা বাঢ়ি বাঢ়ি গৈ আছিল।

এই পাপী ব্ৰাহ্মণৰ যেতিয়া মৃত্যুৰ সময় হ'ল, তেতিয়া তেওঁক নৰকলৈ নিবৰ বাবে যমদূত আহি পালে। যমদূতবোৰৰ চেহেৰা ভয়ংকৰ। কিচ্ কিচ্ কৰে ক'লা গাৰ বৰণ, শকত-আৱত গা। হাতত লোহাৰ দণ্ড আৰু বান্ধি নিবলৈ জৰি। সেই ভয়লগা চেহেৰা দেখি অজামিল ভয়তে কঁপি উঠিল। তেওঁৰ সৰু পুতেকৰ নাম আছিল নাৰায়ণ। ভয়তে অজামিলে — "নাৰায়ণ, নাৰায়ণ" বুলি চিঞৰিবলৈ ধৰিলে।

অজামিলে নাৰায়ণৰ নাম লোৱাৰ লগে লগে সেই ঠাইত কেইজনমান বিষ্ণুদূতৰ আবিৰ্ভাৱ হ'ল। তেওঁলোক দেখাত বৰ ধুনীয়া। ভগৱানৰ দৰে সুন্দৰ সেই বিষ্ণুদূত কেইজনে যমদূতবোৰক আঁতৰি যাবলৈ কোৱাত যমদূতে সুধিলে —

"তোমালোক কোন? তোমালোকে আমাক বাধা দিছা কিয়?"

বিষ্ণুদূতে ক'লে —

"আমি বিষ্ণুদূত, আমি অজামিলক বৈকুণ্ঠলৈ নিবলৈ আহিছোঁ। ইয়াত আৰু তোমালোকৰ কাম নাই।"

যমদূতকেইজন বৰ আচৰিত হ'ল। তেওঁলোকে সুধিলে —

"অজামিল এজন পাপী লোক। তেওঁ নৰকলৈহে যাব লাগে। তোমালোকে কিয় বৈকুণ্ঠলৈ নিবলৈ বিচাৰিছা?" তেতিয়া বিষ্ণুদূতে বুজাই ক'লে —

"অজামিল পাপী মানুহ ঠিকেই। তেওঁ কৰা পাপৰ সীমা-সংখ্যা নাই। কিন্তু মৃত্যুৰ সময়ত তেওঁ নাৰায়ণৰ নাম লোৱাৰ লগে লগে সকলো পাপ কটা গ'ল। যিজনে ভগবানৰ নাম লয়, তেওঁৰ পাপ নোহোৱা হয় আৰু পুণ্য গোটি খায়। এনে পুণ্যৰ বাবেই অজামিলে বৈকুণ্ঠত থাকিবলৈ পাব।"

এইবুলি কৈ বিষ্ণুদূতে এখন ধুনীয়া ৰথত তুলি অজামিলক বৈকুণ্ঠলৈ লৈ গ'ল। নাৰায়ণৰ নামৰ বলতে পাপী অজামিলে মুক্তি লাভ কৰিলে। ○

# ৰজা অম্বৰীষৰ কাহিনী

প্ৰাচীন কালত অম্বৰীষ নামে এজন প্ৰখ্যাত ৰজা আছিল। তেওঁ বৰ বিষ্ণুভক্ত আছিল। তেওঁৰ ৰাজত্বত প্ৰজাৰ সুখ-শান্তি উপচি পৰিছিল। ৰজাই প্ৰায়ে বিষ্ণু পূজা, যজ্ঞ আদি পাতে আৰু ব্ৰাহ্মণ আৰু দুখীয়াসকলক দান-দক্ষিণা দিয়ে। ৰজা অম্বৰীষৰ বিষ্ণুভক্তিৰ ফলত তেওঁৰ ৰাজ্যৰ প্ৰজাসকলো পৰম ভক্ত হৈ পৰিছিল। দেশত কোনো মানুহৰে লোভ, হিংসা আদি স্বভাৱবোৰ নাছিল। অম্বৰীষ ৰজাৰ ভক্তিত সন্তুষ্ট হৈ ভগৱান বিষ্ণুৱে নিজৰ সুদৰ্শন-চক্ৰক ৰজাৰ ৰখীয়া পাতি উপহাৰ দিছিল, যাতে সকলো শত্ৰুৱে তেওঁক ভয় কৰি চলে।

এবাৰ অম্বৰীষে এটা বৰ ডাঙৰ যজ্ঞ পাতিলে। সেই যজ্ঞৰ জাকজমকতা দেখি দেৱতাসকলো আচৰিত হৈছিল। তেওঁৰ ধন-সম্পদৰ অভাৱ নাছিল বাবে যজ্ঞৰ কামত দান-দক্ষিণা বহুত কৰিছিল। ধন-সোণ, কাপোৰ-কানি, গৰু-গাই, খোৱা-বস্তু আদি দান কৰি তেওঁ সকলোকে সুখী কৰিছিল। ব্ৰাহ্মণসকলক দান দিবৰ বাবে অনা হাজাৰ হাজাৰ শুধ বগা গাখীৰতি গাইৰ শিংবোৰ সোণেৰে আৰু খুৰাবোৰ ৰূপেৰে বন্ধাই দিছিল। ৰজা আৰু ৰাণী দুয়ো একেলগে নীতি-নিয়ম পালন কৰি যজ্ঞ শেষ হোৱাৰ পিছত ঋষি-মুনি আৰু ব্ৰাহ্মণসকলক খাবলৈ দিয়া হ'ল। বিধে বিধে সোৱাদ লগা আহাৰ খাবলৈ পাই সকলোৱে বৰ আনন্দ পালে।

যজ্ঞ আৰম্ভ হোৱাৰে পৰা ৰজাই নিয়ম মানি নোখোৱাকৈ আছিল। যজ্ঞৰ শেষত আলহীক খুৱাই উঠি নিজেও খোৱা নিয়ম, তেতিয়াহে যজ্ঞৰ পুণ্য লাভ হয়। ৰজা-ৰাণীয়ে খাবলৈ বহোঁতেই আহি পালেহি দুৰ্বাসা মুনি। ৰজাই তেওঁক আদৰি-সাদৰি আনি দান-দক্ষিণা দি আহাৰ খাবলৈ নিমন্ত্ৰণ কৰিলে, দুৰ্বাসাই তেতিয়া খোৱাৰ আগতে গা ধুবৰ বাবে নদীলৈ গ'ল।

ৰজা ৰৈ আছে, দুৰ্বাসা নাহেহে নাহে। ইফালে ৰজাৰ ব্ৰত ভঙাৰ সময় পাৰ হৈ যাব ধৰিছে। আৰু পলম কৰিলে যজ্ঞৰ পুণ্য অথলে যাব। উপায় নাপাই পুৰোহিতসকলৰ উপদেশ মতে ৰজাই পানী খাই ব্ৰত ভাঙিলে। কাৰণ পানী খালে ভোজন কৰা নুবুজায়, আৰু ব্ৰত ভংগ কৰাও হয়। অতিথিক এৰি ভোজন কৰাটোও পাপ।

দুৰ্বাসা আহি যেতিয়া ৰজাই ব্ৰত ভংগ কৰাৰ কথা গম পালে, তেওঁৰ বৰ খং উঠিল.

উগ্ৰ মূৰ্তি ধৰি তেওঁ ক'বলৈ ধৰিলে —

"অহংকাৰী ৰজা! মোক নিমন্ত্ৰণ কৰি আনি মই খোৱাৰ আগতে তুমি খালা? নিজকে তুমি ভগৱানৰ দৰে ডাঙৰ বুলি ভাবিছা হ'বলা? আজি এতিয়াই মই তোমাক শাও দি ভস্ম কৰিম।" এনেকৈ কৈ দুৰ্বাসাই নিজৰ জটাৰ পৰা চুলি একোছা ছিঙি মন্ত্ৰ মাতি ৰজা অম্বৰীষৰ ফালে দলিয়াই দিলে। ৰজাই কিন্তু ভয় নাখালে। তেওঁ একান্তমনে ভগৱানক চিন্তা কৰি থাকিল। দুৰ্বাসাই লগে লগে বুজি পালে যে তেওঁৰ অভিশাপ অথলে গ'ল। কাৰণ ৰজাৰ একোৱেই নহ'ল। এনেতে ৰজাক ৰক্ষা কৰিবলৈ থকা সুদৰ্শন-চক্ৰই দুৰ্বাসাক খেদি আহিল। প্ৰচণ্ড গতিৰে অহা চক্ৰৰ পৰা সাৰিবলৈ মুনিয়ে দৌৰ দিলে। আগে আগে দুৰ্বাসা, পিছে পিচে চক্ৰ। গৈ গৈ তেওঁ পালেগৈ ব্ৰহ্মালোক। ব্ৰহ্মাক তেওঁ চক্ৰৰ পৰা ৰক্ষা কৰিবলৈ কাকুতি কৰিবলৈ ধৰিলে। তেতিয়া ব্ৰহ্মাই ক'লে—

"চক্ৰৰ গৰাকী বিষ্ণুহে। মই তোমাক কেনেকৈ ৰক্ষা কৰিম?"

উপায় নাপাই দুৰ্বাসা গৈ শিৱৰ ওচৰ পালে। শিৱয়ো ক'লে যে দুৰ্বাসাক ৰক্ষা কৰিব নোৱাৰে। দুৰ্বাসা তাৰ পৰাও পলাল। চক্ৰই খেদিয়েই থাকিল। শেষত গৈ বিষ্ণুৰ ভৰিত পৰি মুনিয়ে ক'লে —

"প্ৰভু, মোক আপোনাৰ চক্ৰৰ পৰা বচাওক।" বিষ্ণুৱে উত্তৰ দিলে —

"মোৰ ভক্তক বিনাদোষত অভিশাপ দি তুমি বৰ পাপ কৰিলা। এতিয়া ময়ো তোমাক ৰক্ষা কৰিব নোৱাৰোঁ। কাৰণ সুদৰ্শন-চক্ৰক মই অম্বৰীষ ৰজাৰ ওচৰতহে থৈছোঁ। তেওঁ যি কয় তাকেহে এতিয়া চক্ৰই শুনিব। গতিকে তুমি তেওঁৰ ওচৰত ক্ষমা খোজাগৈ।

বিষ্ণুৰ কথা শুনি দুৰ্বাসাই বৰ লাজ পালে যদিও উপায় নাপাই আহি অম্বৰীষক প্ৰণাম কৰি ক'লে — "হে মহাৰাজ। মই তোমাৰ দৰে বিষ্ণুভক্ত এজনক অভিশাপ দি বৰ ভুল কৰিলোঁ। এতিয়া তুমি মোক ক্ষমা কৰা আৰু চক্ৰৰ পৰা ৰক্ষা কৰা।"

দুৰ্বাসাৰ দৰে ডাঙৰ মুনিয়ে প্ৰণাম কৰাত ৰজায়ো লাজ পালে। তেওঁ সুদৰ্শন-চক্ৰক নানাভাৱে প্ৰাৰ্থনা কৰি শান্ত হ'বলৈ অনুৰোধ কৰিলে। তেতিয়া চক্ৰয়ো নিজৰ শক্তি সামৰি আকৌ শান্ত হৈ দুৰ্বাসাক খেদি ফুৰিবলৈ এৰিলে। তাৰ পিছত ৰজাই দুৰ্বাসাক বৰ যত্ন কৰি খুৱাই-বুৱাই নিজে তাৰ পিছতহে আহাৰ গ্ৰহণ কৰিলে।

মহাভক্ত ৰজা অম্বৰীষৰ ক্ষমা, ধৈৰ্য আৰু শ্ৰদ্ধা দেখি দুৰ্বাসাই নিজৰ ভুল ভালদৰে বুজিব পাৰিলে। ○

# ধ্ৰুৱৰ কাহিনী

উত্তানপাদ নামে এজন প্ৰতাপী ৰজা আছিল। তেওঁৰ ৰাজত্ব কালত দেশত সুখ-শান্তি উপচি আছিল। তেওঁৰ দুগৰাকী ৰাণীৰ নাম আছিল সুনীতি আৰু সুৰুচি। তেওঁলোক ৰূপৱতী আৰু গুণৱতী আছিল। সুনীতি আছিল ধীৰ, শান্ত আৰু দয়াৱতী। কিন্তু সুৰুচিৰ অন্তৰখন নিৰ্মল নাছিল। তেওঁ সুনীতিক পেটে পেটে ঈৰ্ষা কৰিছিল। সেয়ে নানা মিছা কথা লগাই লগাই তেওঁ সুনীতিৰ প্ৰতি ৰজাৰ মনত মৰম কমাই পেলালে। ৰজাই তেওঁক দেখিব নোৱাৰা হ'ল আৰু লাহেকৈ ৰাজকাৰেঙৰ পৰা আঁতৰাই বেয়া ঘৰ এটাত থাকিবলৈ দিলে। তেওঁৰ ৰাণীৰ মৰ্যাদা কমি গ'ল।

কালক্ৰমত দুয়ো ৰাণীৰে দুটা সন্তান হ'ল। সুৰুচিৰ পুত্ৰৰ নাম আছিল উত্তম আৰু সুনীতিৰ পুত্ৰৰ নাম আছিল ধ্ৰুৱ। ৰাজকাৰেঙৰ সুখৰ মাজত নানা ৰং-ধেমালি কৰি উত্তম ডাঙৰ হৈছিল। আনফালে দুখীয়া ল'ৰাৰ দৰে কষ্টৰ মাজত ডাঙৰ হৈছিল ধ্ৰুৱ। তেওঁলোকৰ ঘৰ আছিল ৰাজধানীৰ কোলাহলৰ পৰা আঁতৰত। ত্যতেই শান্ত পৰিবেশত মাকৰ মৰমৰ মাজত থাকি ধ্ৰুৱই মাজে মাজে দেউতাকক চাবলৈও ইচ্ছা কৰিছিল। পুতেকৰ মনৰ ভাব বুজিব পাৰি বেয়া লাগি এদিন মাকে ধ্ৰুৱক দেউতাকক লগ পাবলৈ পঠিয়াই দিলে। ধ্ৰুৱই দেউতাকক বিচাৰি গৈ দেখিলে যে তেওঁ উত্তমক কোলাত লৈ বহি আছে। ধ্ৰুৱই হাত মেলি দেউতাকৰ কোলাত উঠিবলৈ গ'ল। ৰজায়ো মৰমতে হাত মেলি দিলে। পিছে ওচৰতে থকা সুৰুচি ৰাণীয়ে সেই দৃশ্য দেখি ধ্ৰুৱক গালি-শপনি পাৰি খেদি দি ক'লে যে ৰজাৰ কোলাত উঠাৰ সৌভাগ্য ধ্ৰুৱৰ কেতিয়াও নহ'ব, তেওঁ যেন ভৱিষ্যতেও এই মৰসাহ নকৰে। ৰাণীৰ আগত ৰজায়ো ধ্ৰুৱক কোলাত ল'বলৈ সাহ নকৰিলে।

ধ্ৰুৱই মনৰ দুখত কান্দি কান্দি আহি মাকক কথাবোৰ ক'লেহি। মাকৰো চকুপানী ওলাল। তেওঁ অকমণানি ধ্ৰুৱক মৰম কৰি চুমা খাই ক'লে, "বোপা, দুখ নকৰিবা। মোৰ সন্তান হোৱাৰ বাবেই তুমি কাৰো মৰম পোৱা নাই। সকলোতকৈ ডাঙৰ হ'ল ভগৱান বিষ্ণু। একেমনে ভক্তি কৰিলে তুমি নিশ্চয় তেওঁৰ মৰম লাভ কৰিবা।" মাকৰ কথাখিনি ধ্ৰুৱৰ মনত দকৈ সোমাই গ'ল। তেওঁ ভগৱান বিষ্ণুক লগ-পাবলৈ স্থিৰ কৰিলে। এদিন ৰাতি তেওঁ মনে মনে ঘৰৰ পৰা ওলাই গ'ল। মাজৰাতি ভয়-ভীত নোহোৱাকৈ ঘূৰি-ফুৰি

াছে-বনে তেওঁ ভগৱান বিষ্ণুৰ বাতৰি সুধি ফুৰিবলৈ ধৰিলে। তাকে দেখি দেৱৰ্ষি নাৰদ ৰ আচৰিত হ'ল। তেওঁ অকণমানি ল'ৰাটোক সহায় কৰিবৰ বাবে স্বৰ্গৰ পৰা নামি াহিল। ধ্ৰুৱৰ মনোভাবৰ কথা জানিব পাৰি তেওঁ ক'লে — "বাছা তুমি ইমান কম য়সতে ইমান ডাঙৰ কাম কেনেকৈ কৰিবা? এতিয়া তোমাৰ উমলি থকাৰ বয়স। ৰলৈ গৈ মাৰৰ লগত ৰং মনেৰে থাকাগৈ আৰু বয়স হ'লে বনলৈ আহি তপস্যা কৰি ়গৱানক লাভ কৰিবা।" ধ্ৰুৱ কিন্তু মান্তি নহ'ল। তেওঁ ক'লে যে এতিয়াই তেওঁ ়গৱানক পাবলৈ বিচাৰে। কিন্তু ভগৱানক চিনি পাবলৈ ভগৱান দেখাত কেনেকুৱা সেই ়থাও তেওঁ নাজানে। তেতিয়া নাৰদৰ ধ্ৰুৱলৈ মৰম লাগিল ভগৱান বিষ্ণুৰ ৰূপৰ বৰ্ণনা ী কেনেকৈ তেওঁক ধ্যান কৰিব লাগে সেই কথা তেওঁ ধ্ৰুৱক বুজাই দি বিদায় ল'লে।

গভীৰ বনৰ মাজত ধ্ৰুৱ ধ্যানত বহিল, তেওঁ একান্তমনে চতুৰ্ভুজ, শংখ-চক্ৰ-গদা- াদ্মধাৰী কমললোচন বিষ্ণুক চিন্তা কৰিবলৈ ধৰিলে, দিনৰ পিছত দিন পাৰ হ'বলৈ ধৰিলে। বৰ তপস্যা কঠিনৰ পৰা কঠিন হৈ আহিল। তেওঁ ফলমূল খোৱা বাদ দি কেইবাদিনৰ মূৰে ূৰে গছৰ পকা পাত খাবলৈ লৈছিল। পিচত তাকো বাদ দি কেৱল বতাহ খায়ে থাকিবলৈ ধৰিলে, তাৰ পিছত বতাহো গ্ৰহণ নকৰি কেৱল বিষ্ণুস্মৰণৰ শক্তিতে তেওঁ অটল হৈ ৰ'ল। হি, থিয় হৈ, আৰু শেষত হাত ওপৰলৈ তুলি কেৱল ভৰিৰ বুঢ়া আঙুলিত ভৰ দি তেওঁ একান্ত মনে নাৰদে শিকোৱা ধৰণেৰে ভগৱানক ধ্যান কৰিবলৈ ধৰিলে। তেওঁৰ ধ্যানৰ শক্তিত পৃথিৱী কঁপি উঠিল, দেৱতাসকলে অবাক মানিলে। তেওঁলোকে ধ্ৰুৱৰ তপস্যাৰ প্ৰভাৱত সৃষ্টি ধ্বংস হ'ব বুলি ভয় খাই ভগৱান বিষ্ণুৰ ওচৰ চাপিল। বিষ্ণুৱে তেওঁলোকক অভয় দি পৃথিৱীলৈ নামি আহিল আৰু ধ্ৰুৱৰ ওচৰ চাপিল।

ধ্ৰুৱই মনৰ মাজত যি ৰূপ ধ্যান কৰিছিল, চকুৰ আগতে সেই একে ৰূপ সোশৰীৰে দেখি অভিভূত হ'ল। তেওঁৰ মন আনন্দেৰে ভৰি পৰিল। কিন্তু সৰু ল'ৰা ধ্ৰুৱই কোনো পূজাৰ মন্ত্ৰ নাজানিছিল। গতিকে তেওঁ কোনো কথা ক'বলৈ বিচাৰি নাপালে। ভগৱানে সেই কথা বুজি পাই নিজৰ শংখটো ধ্ৰুৱৰ কপালত লাহেকৈ লগাই দিলে। লগে লগে ধ্ৰুৱ নিজে নিজে সকলো শাস্ত্ৰ জ্ঞানেৰে জ্ঞানী হৈ উঠিল আৰু ভগৱানক বন্দনা কৰিলে, ভগৱানে ধ্ৰুৱৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ তেওঁক সকলো ধৰণে ভাল হ'বলৈ বৰ দিলে আৰু পৃথিৱীত কৃতিত্বৰে থকাৰ উপৰি মৃত্যুৰ পিছত ধ্ৰুৱলোক নামে নিজা স্বৰ্গ এখনত থাকিব পাৰিব বুলিও বৰ দিলে।

এইদৰে ভগৱানক লাভ কৰি ধ্ৰুৱ নিজৰ ঘৰলৈ উভটি আহিল। মাকে বাট চাই আছিল। দেউতাকেও নিজৰ ভুল বুজিব পাৰি বৰ দুখ কৰি ধ্ৰুৱৰ কথাকে ভাবি আছিল। ধ্ৰুৱ ঘৰলৈ অহাত সকলোৱে বৰ আনন্দ পালে।

পিছলৈ ধ্ৰুৱ এজন বিখ্যাত আৰু সৎ ৰজা হৈছিল। মৃত্যুৰ পিছত তেওঁ ধ্ৰুৱলোক স্থাপন কৰি উজ্জ্বল ধ্ৰুৱ নক্ষত্ৰ হৈ জিলিকি আছে বুলি বিশ্বাস কৰা হয়। ○

# ভক্ত প্ৰহ্লাদ

সনক, সনাতন, সুনন্দ আৰু সনৎকুমাৰ, এইসকলক একেলগে চাৰিসিদ্ধ বোলা হয়। তেওঁলোকে ভক্তিত সিদ্ধি লাভ কৰিছিল আৰু যিমানবোৰ মহাভক্ত ঋষি-মুনি আৰু দেৱতা আছে, সকলোৰে ভিতৰত শ্ৰেষ্ঠ ভক্ত আছিল। তেওঁলোক দেখাত পাঁচ বছৰীয়া শিশুৰ দৰে, কিন্তু বয়সত শিশু নহয় — বহুত বয়সীয়া। চাৰিসিদ্ধৰ জন্ম হৈছিল ব্ৰহ্মাৰ মনৰ পৰা। তেওঁলোক ভগৱানৰ ভক্তিত ইমান মগ্ন হৈ পৰিছিল যে সকলো সময়তে তেওঁলোকৰ আনন্দ নুগুচিছিল। চাৰিসিদ্ধই ভগৱানৰ নাম লৈ অতি আনন্দ মনেৰে গোটেই ব্ৰহ্মাণ্ডতে ভ্ৰমণ কৰি ফুৰিছিল।

এদিন গৈ গৈ তেওঁলোক বৈকুণ্ঠ পালেগৈ। পিছে বিষ্ণুৰ মন্দিৰ দুৱাৰৰখীয়া জয় আৰু বিজয়ে তেওঁলোকক কোনোবা সাধাৰণ মানুহ বুলি ভাবি ভিতৰলৈ সোমাব নিদিলে। কাৰণ সিদ্ধসকল অতি ওখ মনৰ হোৱা বাবে বেশ-ভূষা আছিল সাধাৰণ। তেওঁলোকে কাপোৰ-কানিৰ ফালে মন নিদিছিল। জয়-বিজয়ে বাধা দিয়াত চাৰিসিদ্ধৰ বৰ খং উঠিল। তেওঁলোকে জয়-বিজয়ক অভিশাপ দি ক'লে —

"বৈকুণ্ঠত থাকিও তহঁতে ইমান অহংকাৰ কৰিছ! তহঁত বৈকুণ্ঠৰ উপযুক্ত নহৱ। গতিকে অসুৰ হৈ পৃথিৱীত জন্ম লগৈ যা।"

অভিশাপ দিয়া দেখি ভয় খাই জয়-বিজয়ে কাকুতি-মিনতি কৰিবলৈ ধৰিলে। কথা-বতৰা শুনি বিষ্ণু ভিতৰৰ পৰা ওলাই আহিল। তেওঁ চাৰিসিদ্ধক আদৰ-সাদৰ কৰিলে আৰু জয়-বিজয়ক ক'লে —

"তোমালোকে দোষৰ উপযুক্ত শাস্তি পাইছা। এতিয়া পৃথিৱীত জন্ম লোৱাগৈ। মই সোনকালেই গৈ তোমালোকক উদ্ধাৰ কৰিম।"

সেইমতে জয়ৰ জন্ম হ'ল হিৰণ্যাক্ষ ৰূপে আৰু বিজয়ৰ জন্ম হ'ল হিৰণ্যকশিপু ৰূপে। বৰাহৰূপী বিষ্ণুৰ হাতত হিৰণ্যাক্ষৰ মৃত্যু হ'ল। তাকে দেখি হিৰণ্যকশিপুৰ বৰ খং উঠিল। তেওঁ বিষ্ণুক শত্ৰু বুলি ধৰি লৈ সকলো বিষ্ণুভক্ত লোকক মাৰি-কাটি অত্যাচাৰ কৰিবলৈ ধৰিলে। ইয়াৰ পিছত তেওঁ অতি কঠিন তপস্যা কৰি ব্ৰহ্মাক সন্তুষ্ট কৰি বৰ ল'লে যে তেওঁ যেন দিনতো নমৰে, ৰাতিও নমৰে। তেওঁ যেন অস্ত্ৰ-শস্ত্ৰই কাটিব নোৱাৰে আৰু ব্ৰহ্মাই সৃষ্টি কৰা কোনো প্ৰাণীৰ হাতত যেন তেওঁৰ মৃত্যু নহয়। এই বৰ

পোৱাৰ পিছত হিৰণ্যকশিপু বৰ পৰাক্ৰমী হৈ উঠিল। তেওঁ কালৈকো ভয় নকৰাৰ বাবে অত্যাচাৰী আৰু অসৎ হৈ উঠিল। তেওঁৰ ৰাজ্যত কোনোবাই বিষ্ণুৰ নাম ল'লেই তেওঁ ধৰি ধৰি শাস্তি দিবলৈ ধৰিলে।

এই দুষ্ট দৈত্যৰাজৰ পুত্ৰ প্ৰহ্লাদ আকৌ জন্মৰে পৰাই শান্ত-শিষ্ট আৰু বৰ ভাল স্বভাৱৰ আছিল। তেওঁ আছিল পৰম বিষ্ণুভক্ত। এবাৰ নাৰদ মুনিয়ে প্ৰহ্লাদৰ মাকক বিষ্ণুৰ মহিমাৰ কথা কৈ শুনাইছিল। তেতিয়া প্ৰহ্লাদৰ জন্ম হোৱা নাছিল। তেওঁ মাতৃগৰ্ভত থাকিয়েই এই উপদেশবোৰ শুনি আছিল। জন্মৰ পিছতো এই কথাবোৰ তেওঁৰ মনত থাকি গ'ল আৰু তেওঁ মহাভক্ত হৈ উঠিল। লগৰ ল'ৰাৰ লগত খেল-ধেমালি নকৰি তেওঁ এজাক ল'ৰা গোটাই লৈ বিষ্ণু ভক্তিৰ কথা শিকাইহে বেছি ভাল পাইছিল। তেওঁৰ গুৰু দুজনৰ নাম আছিল ষণ্ডা আৰু মৰ্ক। তেওঁলোকে প্ৰহ্লাদক দৈত্যই পঢ়িবলগীয়া শাস্ত্ৰবোৰ পঢ়ুৱাইছিল। এদিন পিতৃ হিৰণ্যকশিপুৱে প্ৰহ্লাদেনো কিমান পঢ়িছে প্ৰমাণ চাবৰ বাবে পঢ়াৰ কথা সুধিলে। উত্তৰত প্ৰহ্লাদে যেতিয়া বিষ্ণুক উপাসনা কৰা উচিত আৰু সেইটোৱে ঘাই শিক্ষা বুলি জনালে, দৈত্যৰাজে ভাবিলে যে কোনোবা বৈষ্ণৱেহে ল'ৰাটোক কুবুদ্ধি দিছে। তেওঁ গুৰু দুজনাক মাতি আনি প্ৰহ্লাদক ভালদৰে শিক্ষা দিবলৈ ক'লে। পিছে কিছু দিনৰ পিছত প্ৰহ্লাদে আকৌ দেউতাকক জনালে যে প্ৰকৃত শিক্ষা হ'ল বিষ্ণু-ভক্তিহে। সংসাৰৰ মাজত একমাত্ৰ বিষ্ণুহে হৈছে সকলোতকৈ ডাঙৰ ভগৱান। বাৰে বাৰে এই কথা কোৱা শুনি দৈত্যৰাজৰ বৰ খং উঠিল। কোনোমতে প্ৰহ্লাদক বুজাব নোৱাৰি তেওঁৰ খং বাঢ়ি গ'ল আৰু প্ৰহ্লাদক হত্যা কৰিবলৈ দৈত্যবোৰক আদেশ দিলে। সেই প্ৰচণ্ড আদেশ শুনি জাকে জাকে দৈত্যই অস্ত্ৰ-শস্ত্ৰ লৈ প্ৰহ্লাদক আঘাত কৰিলে, পিছে আচৰিতভাৱে প্ৰহ্লাদৰ গাত লাগি চোকা অস্ত্ৰবোৰ ভোটা হৈ পৰিল। দৈত্যৰাজে তেতিয়া হাতীৰে আক্ৰমণ কৰালে, কিন্তু হাতেয়েও প্ৰহ্লাদৰ আগত আঠুকাঢ়ি সেৱাহে কৰিলে। প্ৰহ্লাদক পাহাৰৰ ওপৰৰ পৰা পানীত পেলালেও ওপঙি থাকে, জ্বলা জুইৰ মাজত পেলালেও নোপোৰে। বিষাক্ত সাপৰো প্ৰহ্লাদক খুটিলে দাঁত ভাঙি যায়, বিষ পান কৰিলেও তেওঁৰ একো নহয়। বিষ্ণুভক্ত প্ৰহ্লাদক ভগৱানে ৰক্ষা কৰি থাকিল।

ইমানবোৰ শাস্তিতো প্ৰহ্লাদৰ একো নোহোৱা দেখি খঙতে হিৰণ্যকশিপুৱে ক'লে—

"মোতকৈ ডাঙৰ কোনো নাই। তোৰ সেই বিষ্ণু নামৰ ভগৱানটো ক'ত আছে মোক কচোন। মই তাক এতিয়াই কাটি পেলাম।"

প্ৰহ্লাদে ক'লে — "পিতৃ, ভগৱান বিষ্ণু সকলোতে থাকে। আনহে নালাগে সেই খুটাটোতো মই তেওঁক দেখা পাইছোঁ।"

এই কথা শুনি "চাওঁ তোৰ বিষ্ণুটোক" বুলি হিৰণ্যকশিপুৱে স্তম্ভটোত এটা প্ৰচণ্ড

গোৰ মাৰিলে। লগে লগে মেঘে গৰজাৰ দৰে ভয়ংকৰ শব্দ এটা হ'ল। সেই শব্দ শুনি প্ৰলয় হোৱা বুলি ভাবি সকলো কঁপি উঠিল। তাৰ পিছত স্তম্ভটোৰ পৰা ওলাই আহিল ভয়ংকৰ এক প্ৰাণী। আধা সিংহ আৰু আধা মানুহৰ দৰে তেওঁৰ ৰূপ। প্ৰকাণ্ড শৰীৰ তেঁৰ আকাশত লাগি আছে। চোকা দাঁতৰ মাজত ৰঙা জিভাখন জিলিকি আছে, চকু দুটা তপত সোণৰ দৰে তিৰ্‌বিৰ্ কৰা। দুখন ডাঙৰ ডাঙৰ কাণ, বগা নোমেৰে ভৰা শৰীৰ, চোকা চোকা ভয়লগা নখ। মনতে ভয় খালেও দৈত্যৰাজে গদা লৈ সেই নৰসিংহক খেদি আহিল। নৰসিংহই তেওঁক এবাৰ থাপ মাৰি ধৰি এৰি দিলে, পিছৰ বাৰ দৈত্যৰাজে আকৌ খেদি আহোঁতে সাপে এন্দুৰ ধৰাৰ দৰে নিজৰ কেশৰ জোঁকাৰি ভয়ংকৰ অট্টহাঁহি মাৰি তেওঁ থপিয়াই ধৰিলে। তাৰ পিছত নিজৰ উৰুত চিত কৰি পেলাই নখেৰে পেট ফালি নিমিষতে মাৰি পেলালে। পেটৰ নাড়িবোৰ মূৰত মেৰিয়াই তেওঁ ভয়ংকৰ ৰূপ ধাৰণ কৰিলে। তেওঁৰ লগত যুঁজিবলৈ অহা সৰু-সুৰা দৈত্যবোৰক কাৰোবাক নখেৰে ছিৰি, কাৰোবাক টোকৰ মাৰি মূৰ ছিঙি তেওঁ নিমিষতে মাৰি পেলালে। নৰসিংহৰ ইমান বেছি খং উঠিছিল যে মাৰিবলৈ আৰু কাকো বিচাৰি নাপাই মুখখন ক'লা-মলা কৰি তেওঁ বহি আছিল।

নৰসিংহৰ ভয়ংকৰ ৰূপ দেখি দেৱতাসকলো কঁপি উঠিল। লক্ষ্মীদেৱীয়েও তেওঁৰ খং কমাবলৈ নোৱাৰিলে। নৰসিংহ গুজৰি-গুমৰি বহি থাকিল। তেতিয়া ব্ৰহ্মাৰ উপদেশমতে প্ৰহলাদে গৈ তেওঁক বন্দনা কৰাত নিজৰ ভক্তক দেখি নৰসিংহ শান্ত হৈ পৰিল। তেওঁ প্ৰহ্লাদক মৰম কৰিবলৈ ধৰিলে। তাৰ পিছত প্ৰহলাদ দৈত্যসকলৰ ৰজা হ'ল। হিৰণ্যকশিপুৱেও ভগবানৰ হাতত মৃত্যু লভি পুনৰ বৈকুণ্ঠৰ পাৰিষদৰ ঠাই ল'লে গৈ। ○

# স্যমন্তক মণিৰ কাহিনী

দ্বাৰকাত সত্ৰাজিত নামে এজন পৰম সূৰ্যভক্ত লোক আছিল। তেওঁ সদায় সাগৰত গা-ধুই সূৰ্য পূজা কৰিছিল। এদিন তেওঁৰ ভক্তিত সন্তুষ্ট হৈ সূৰ্যদেৱতাই এটা মহা মূল্যবান মণি উপহাৰ দিলে। মণিটোৰ নাম স্যমন্তক মণি। এই মণিটো সূৰ্যৰ পোহৰৰ দৰে উজ্জ্বল। যি ঠাইত এই মণিটো থাকে, তাত কাৰো অসুখ বা বিপদ-আপদ নহয়। তদুপৰি এই মণিৰ পৰা দিনে আঠভাৰকৈ সোণ ওলায়। এনে মূল্যবান মণিটো লাভ কৰি সত্ৰাজিত পৰম আনন্দ মনেৰে ঘৰলৈ আহিল। তেওঁ ডিঙিত মণিটো পিন্ধি অহাৰ বাবে সকলোৰে প্ৰথমতে চকু ছাট মাৰি ধৰাত ভাবিছিল যে সেয়া চাগে কৃষ্ণক লগ পাবলৈ সূৰ্য দেৱতা নিজে আহিছে। কৃষ্ণক গৈ সেই কথা কোৱাত কৃষ্ণই লগে লগে বুজিলে যে সেয়া স্যমন্তক মণি পিন্ধি সত্ৰাজিতহে আহিছে।

সত্ৰাজিতে মণিটো ঘৰতে যত্ন কৰি থৈ দিলে। এদিন কৃষ্ণই পিন্ধি চাবৰ বাবে বিচাৰিছিল যদিও অহংকাৰ কৰি সত্ৰাজিতে নিদিলে।

অন্য এদিন সত্ৰাজিতৰ ভায়েক প্ৰসেনজিতে মণিটো ডিঙিত পিন্ধি মৃগয়া কৰিবলৈ গৈছিল। গৈ গৈ গভীৰ অৰণ্য পালেগৈ। তাতে এটা সিংহই তেওঁক বধ কৰি মণিটো লৈ গ'ল। অলপ দূৰ যোৱাৰ পিছত জাম্বৱন্ত নামে ভালুক ৰজাই সিংহটো মাৰি মণিটো লৈ গ'ল। তেওঁ মণিটো নি নিজৰ গাতত সোমাই ল'ৰা ওমলাবৰ বাবে ধাইৰ হাতত দিলে।

ইফালে প্ৰসেনজিত ঘূৰি নহা দেখি তেওঁক বিচাৰি আনিবৰ বাবে সত্ৰাজিতে কিছুমান মানুহক বনলৈ পঠিয়াই দিলে। তেওঁলোকে দেখিলে যে প্ৰসেন মৰি পৰি আছে আৰু ডিঙিত মণিটো নাই। সেই কথা শুনি সত্ৰাজিতৰ বৰ বেজাৰ লাগিল। তেওঁ বিলাপ কৰি ক'বলৈ ধৰিলে — "এইটো নিশ্চয় কৃষ্ণৰ কাম। কৃষ্ণই মণিটো খোজোঁতে মই দিয়া নাছিলো। গতিকে প্ৰসেনক হত্যা কৰি কৃষ্ণই মণিটো চুৰ কৰি নিলে।"

এই কথা দ্বাৰকাবাসীৰ কাণত পৰাত তেওঁলোকে ইজনে-সিজনে আলোচনা কৰিবলৈ ধৰিলে। লাহে লাহে কথাবোৰ কৃষ্ণৰ কাণত পৰিল। তেওঁ বুজি পালে যে মিছাকৈয়ে তেওঁক দোষ দিয়া হৈছে। কেনেকৈনো আচল দোষীক ধৰা পেলাব পাৰি তাকে তেওঁ ভাবিবলৈ ধৰিলে।

লগত কিছুমান মানুহ লৈ কৃষ্ণ এদিন বনৰ মাজলৈ গ'ল। যি ঠাইত প্ৰসেনৰ

মৃতদেহটো আছিল, তাৰ ওচৰতে তেওঁলোকে দেখিলে সিংহৰ খোজৰ চিন। গতিকে প্ৰসেনক যে সিংহই মাৰিছে, এই কথাত গোটেইবোৰ নিশ্চিত হ'ল। সিংহৰ খোজৰ চিনে চিনে গৈ তেওঁলোকে এঠাইত দেখিলে যে সিংহটোও মৰি আছে। ওচৰতে আছে ভালুকৰ খোজৰ চিন। এইবাৰ ভালুকৰ খোজৰ চিনে চিনে গৈ তেওঁলোক প্ৰকাণ্ড গাঁত এটাৰ মুখ পালেগৈ।

লগৰ মানুহখিনিক গাঁতৰ বাহিৰতে ৰ'বলৈ কৈ কৃষ্ণ গাঁতৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰত জাম্বৱন্তৰ ডাঙৰ ঘৰ। ধাই এজনীয়ে মণিটো লৈ কেঁচুৱা ওমলাই আছিল। কৃষ্ণই মণিটো থপিয়াই নিয়াত তাই চিঞৰিবলৈ ধৰিলে — "ক'ৰবাৰ মানুহ এটাই আহি মণিটো নিলে ঐ। কোন আছ আহ ঐ। আমাৰ গৰাকীয়ে অনা মণিটো নিলে।"

তাইৰ চিঞৰ শুনি জাম্বৱন্ত ওলাই আহিল। কৃষ্ণৰ হাতত মণিটো দেখি তেওঁক জাম্বৱন্তই প্ৰকাণ্ড এটা মাৰ সোধালে। কৃষ্ণয়ো উত্তৰত একোব দিলে। এইদৰে দুয়োৰে মাজত প্ৰচণ্ড হতাহতি যুদ্ধ চলিবলৈ ধৰিলে। একেটুকুৰা মাংসৰ কাৰণে দুটা শেন চৰায়ে যুদ্ধ কৰাৰ দৰে ঐকেটা মণি থপিয়াই নিবলৈ দুয়োজনে যুদ্ধ কৰিবলৈ ধৰিলে। দুয়ো মহাবীৰ। যুদ্ধ কৰি কৰি ভাগৰি পৰিলেও কাৰো জয়-পৰাজয় নোহোৱাকৈ তেওঁলোকে একেৰাহে আঠাইশ দিন যুদ্ধ কৰি থাকিল। তাৰ আগতেই বাৰ দিনৰ দিনা গাঁতৰ বাহিৰত ৰৈ থকা মানুহবোৰে কৃষ্ণ ওলাই নহা দেখি দ্বাৰকাত বৰ দুখমনেৰে খবৰ দিলেগৈ। দ্বাৰকাত হাহাকাৰ লাগি পৰিল। দৈৱকী, ৰুক্মিণী আদিয়ে কান্দিবলৈ ধৰিলে। সকলোৱে সত্ৰাজিতক এনে অনৰ্থৰ মূল বুলি গালি পাৰিবলৈ ধৰিলে।

ইফালে যুঁজি যুঁজি জাম্বৱন্ত ভাগৰি পৰিল। কৃষ্ণৰ পৰাক্ৰম দেখি তেওঁ বুজি পালে যে কৃষ্ণ সাধাৰণ পুৰুষ নহয়, স্বয়ং ভগৱান। এইজন ভগৱানেই ৰাম অৱতাৰ ধৰি ৰাৱণক বধ কৰিছিল বুলিও তেওঁ চিনি পালে। তেতিয়া ভক্তি-ভাবেৰে কৃষ্ণক ক্ষমা খুজি তেওঁৰ জীয়েক জাম্বৱন্তীক কৃষ্ণলৈ বিয়া দিলে আৰু যৌতুকত মণিটোও দিলে।

কইনা আৰু মণি লৈ কৃষ্ণ উভতি অহাত দ্বাৰকাত মহা আনন্দ মিলিল। কৃষ্ণই এখন সভা পাতি সকলোৰে আগত মণি উদ্ধাৰৰ কাহিনীটো বহলাই ক'লে আৰু সকলোকে সাক্ষী ৰাখি মণিটো সত্ৰাজিতক গতাই দিলে।

সত্ৰাজিতে বৰ লাজ পালে আৰু নিজৰ ভুল বুজিব পাৰিলে। কি কৰিলেনো কৃষ্ণই তেওঁক ভাল পাব, সেই কথাকে তেওঁ দিনে-নিশাই ভাবিবলৈ ধৰিলে। ভাবি ভাবি তেওঁ এটা উপায় পালে। তেওঁ নিজৰ ৰূপৱতী কন্যা সত্যভামাক কৃষ্ণলৈ বিয়া দি মণিটো যৌতুকত দিলে। কৃষ্ণই মণিটো নাৰাখি পুনৰ সত্ৰাজিতকে ঘূৰাই দিলে।

এইদৰে কৃষ্ণই নিজৰ অপযশ নিজৰ বীৰত্বৰে নোহোৱা কৰিলে। ○

# দামোদৰ বিপ্ৰৰ আখ্যান

দামোদৰ নামে এজন দুখীয়া ব্ৰাহ্মণ আছিল। তেওঁ এসময়ত সন্দীপণি গুৰুৰ গৃহত কৃষ্ণৰ লগত একেলগে থাকি পঢ়া-শুনা কৰিছিল। তেওঁ ইমান দুখীয়া আছিল যে এসাজ খালে আন সাজ খাবলৈও তেওঁৰ উপায় নাছিল। তেওঁৰ পত্নী বৰ সৰল আৰু সজ স্বভাৱৰ আছিল। কষ্ট আৰু অনাহাৰত মনত বেজাৰ লাগি এদিন দামোদৰ বিপ্ৰক ক'লে —

"আৰুনো কিমান কষ্ট কৰিম? মই আৰু সহিব নোৱাৰা হৈছোঁ। দ্বাৰকাত তোমাৰ বন্ধু কৃষ্ণ আছে যেতিয়া তেওঁৰ ওচৰলৈ গৈ সহায় নিবিচাৰা কিয়?"

বিপ্ৰই ভাবিলে যে কথাষাৰ সঁচা। এনে সময়ত দয়ালু কৃষ্ণই নিশ্চয় সহায় কৰিব। তেওঁ ব্ৰাহ্মণীক অলপ পিঠা-পনা যতনাই দিবলৈ ক'লে।

সেইমতে কোনোমতে যোগৰ কৰা এটোপোলা চিৰা আৰু চাউল লৈ দামোদৰ বিপ্ৰই দ্বাৰকালৈ যাত্ৰা কৰিলে। দ্বাৰকাত কৃষ্ণৰ মনোমোহা নগৰৰ শোভা দেখি তেওঁ অবাক হ'ল। সোণ-ৰূপেৰে সজা কৃষ্ণৰ বিশাল কাৰেং দেখি তেওঁ দুৱাৰ মুখতে চুচুক-চামাক কৰি ৰৈ থাকিল। কৃষ্ণৰ নগৰৰ ৰখীয়া-পৰীয়া আটাইবোৰেই উদাৰ আৰু মৰমীয়াল। তেওঁলোকে ব্ৰাহ্মণক আথে-বেথে বাট দেখুৱাই লৈ গ'ল।

গৈ গৈ তেওঁ কৃষ্ণৰ ভিতৰ চ'ৰা পালেগৈ। ওচৰতে লক্ষ্মী দেৱীক লৈ কৃষ্ণ এখন সোণৰ পালেঙত বহি আছিল। দামোদৰ বিপ্ৰক দেখা মাত্ৰকে কৃষ্ণ খাটৰ পৰা নামি আহিল আৰু সখি বুলি আনন্দেৰে সাবটি ধৰিলে। পুৰণি বন্ধুক পাই তেওঁৰ উলাহৰ পাৰ নোহোৱা হ'ল। লক্ষ্মীদেৱীয়ে সোণৰ কলহেৰে ঢালি দিয়া পানীৰে তেওঁ ব্ৰাহ্মণৰ ভৰি ধুৱাই মচি দিলে। তাৰ পিছত আথে-বেথে নি একেলগে সোণৰ পালেঙত বহি কথা পাতিবলৈ ধৰিলে। দুয়োজনে পুৰণি কথা পাতি আপোন পাহৰা হৈ পৰিল। কৃষ্ণই ক'লে—

"মনত আছেনে সখি, গুৰু-গৃহত থাকোঁতে এবাৰ যে আমি খৰি লুৰিবলৈ বনলৈ যাওঁতে ধুমুহা বতাহে পাইছিল? গোটেই ৰাতিটো বৰষুণৰ মাজতে যে গছৰ তলতে কটাবলগীয়া হৈছিল? পিছদিনা সেই কথা গম পাই গুৰুপত্নীয়ে যে কিমান বেজাৰ কৰিছিল?"

এইদৰে নানা পুৰণি কথাৰ মাজেৰে সময় পাৰ হ'বলৈ ধৰিলে। দৰিদ্ৰ ব্ৰাহ্মণে কৃষ্ণৰ মৰম-চেনেহৰ মাজত স্বৰ্গসুখ লাভ কৰিলে। দয়ালু কৃষ্ণৰ অতিথি শুশ্ৰূষা দেখি তেওঁ ইমান অভিভূত হৈ পৰিল যে কিবা সহায় বিচৰাৰ কথা উলিয়াবলৈকে তেওঁৰ সত নগ'ল। এবাৰ হঠাৎ কৃষ্ণই সুধিলে —

সখি, ইমান দিনৰ মূৰত আহিছা, মোলৈ তুমি একো অনা নাইনে?"

লাজতে ব্ৰাহ্মণে চাউল-ছিৰাৰ টোপোলা লুকুৱাব ধৰিলে। কাৰণ ইমান সোণ-কাপেৰে ভৰা ঘৰখনত ফটাকানিৰ টোপোলা খুলি তেওঁ চাউল ভজা, ছিৰা ভজা উলিয়াব কেনেকৈ। কৃষ্ণই পিছে সকলো বুজিলে। তেওঁ জানিলে যে দৰিদ্ৰ ব্ৰাহ্মণে সহায় বিচাৰিহে আহিছিল, কিন্তু কৃষ্ণৰ প্ৰতি মৰম-ভক্তিত তেওঁ ইমান আকুল হৈ পৰিছে যে সেইবোৰ কথা এতিয়া আৰু তেওঁৰ মনতেই নাই। কৃষ্ণই নিজে টোপোলাটো থাপ মাৰি আনি খুলি পেলালে। তাৰ পিছত এমুঠি ছিৰা মুখত ভৰাই লৈ তৃপ্তিৰে খাবলৈ ধৰিলে। আৰু এমুঠি খাবলৈ লওঁতেই লক্ষ্মী দেৱীয়ে তেওঁৰ হাতত থাপ মাৰি ধৰি ক'লে—

"আৰু নালাগে। এইখিনিৰেই সকলো হ'ব।" এৰাতি কৃষ্ণৰ ঘৰত থাকি পিছদিনা বিপ্ৰ দামোদৰ নিজৰ ঘৰলৈ উভটিল। তেওঁ কৃষ্ণক একোকে নুখুজিলে। কৃষ্ণয়ো নিজৰ ফালৰ পৰা একো নিদিলে। কৃষ্ণৰ চেনেহৰ কথা সুঁৱৰি বিপ্ৰই ভাবিবলৈ ধৰিলে —

"মোৰ কি ভাগ্য! ভগৱানে নিজহাতে মোৰ ভৰি ধুৱালে, আলিংগন কৰিলে। লক্ষ্মীদেৱীয়ে মোৰ আল-পৈছান ধৰিলে। মোৰ দৰে দুখীয়াৰ ঘৰৰ ছিৰামুঠিও তেওঁ গ্ৰহণ কৰিলে! মোৰ দৰে ভাগ্যবান আৰু কোন আছে? ধন-সম্পত্তি পালে মোৰ দৰে দুখীয়া মানুহে ভগৱানক পাহৰি যাম বাবে চাগে', তেওঁ মোক ধন-সোণ একো নিদিলে। তেওঁ কেনে দয়ালু!"

আহি আহি তেওঁ নিজৰ ঘৰ পালেহি। কিন্তু আচৰিত হৈ দেখিলে যে তাত তেওঁৰ ভগা জুপুৰীটো নাই। তাৰ ঠাইত প্ৰকাণ্ড কাৰেঙ এটা জিলিকি আছে। ফুল, পুখুৰী আৰু দাস-দাসীৰে ভৰা ঘৰটো দেখি তেওঁ বাট ভুল কৰি বেলেগ ফালে অহা বুলি ভাবিলে। এনেতে ভিতৰৰ পৰা তেওঁৰ পত্নী ওলাই আহিল। তেওঁৰ শৰীৰত নতুন কাপোৰ আৰু মূল্যবান গহনা।

দামোদৰ বিপ্ৰই বুজি পালে যে এই সকলোবোৰ ভগৱান কৃষ্ণৰে দান। ○

# নৰকাসুৰ

বহু হাজাৰ বছৰৰ আগতে পুৰণি অসমৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ। তাত এজন প্ৰবল প্ৰতাপী ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ নাম আছিল নৰকাসুৰ। নৰকাসুৰৰ কাহিনী বিচিত্ৰ।

এসময়ত যেতিয়া পৃথিৱীখন বহুত বেয়া মানুহৰ পাপ কামেৰে ভৰি পৰিছিল, তেতিয়া পাপৰ ভৰত গধুৰ হৈ পৃথিৱীখন তললৈ বহি গৈছিল। পৃথিৱীৰ দেৱী বসুমতীয়ে তাকে দেখি তেওঁক উদ্ধাৰ কৰিবলৈ ভগৱান বিষ্ণুক প্ৰাৰ্থনা কৰিলে। বিষ্ণুৱে তেতিয়া বৰাহ অৰ্থাৎ ডাঙৰ এটা গাহৰিৰ ৰূপ লৈ তেওঁৰ দাঁতৰ আগত তুলি পৃথিৱীক উঠাই আনিলে। তাৰ পিছত দেৱী বসুমতীৰ ইচ্ছা দেখি তেওঁ বসুমতীক এটি পুত্ৰ হ'বলৈ আশীৰ্বাদ দিলে। বিষ্ণুৰ পৰা লাভ কৰা এটি সুন্দৰ পুত্ৰ পাই বসুমতীৰ বৰ আনন্দ লাগিল, পিছে সেই শিশুটিক তেওঁ অকলে উপযুক্ত কৰি তুলিব নোৱাৰিব বুলি ভাবি তেওঁ তাক জনক ৰজাৰ বাৰীত থৈ আহিল। তাতে সি পৰি থকা লাওখোলা এটাত মূৰ থৈ কান্দি আছিল। সেই অৱস্থাত কেঁচুৱাটো দেখি সকলো মানুহ আচৰিত হৈ ৰজাক বাতৰি দিলেগৈ। জনক আছিল বৰ দয়ালু ৰজা। তেওঁ কেঁচুৱাটো নিজৰ কাষলৈ লৈ গ'ল আৰু নৰক নাম দি পালন কৰিবলৈ ধৰিলে। কিছুদিন পিছত পুতেকৰ মৰমত আহি বসুমতীয়েও কাত্যায়নী নাম লৈ ধাইমাকৰ বাব গ্ৰহণ কৰি জনক ৰজাৰ কাষেওত আশ্ৰয় ল'লে।

এইদৰে মৰম-চেনেহৰ মাজত দিনে দিনে নৰক ডাঙৰ হৈ আহিল। তেওঁ বীৰ আৰু অতি শক্তিশালী আছিল। তেওঁৰ যেতিয়া ডেকা বয়স হ'ল, তেতিয়া এদিন মাকে নিজৰ পৰিচয় দি ক'লে যে তেওঁ নৰকৰ ধাইমাক নহয়, প্ৰকৃত মাকহে। নৰকৰ পিতৃ যে ভগৱান বিষ্ণু, এই কথাও মাকে জনালে। তাৰ ফলত পিচে নৰকৰ মনটো ভাল নালাগিল। পিতৃ হৈও পুতেকৰ খবৰ নোলোৱা বিষ্ণুৰ প্ৰতি তেওঁৰ খংহে উঠিল। ইমানদিনে এই পৰিচয় নিদিয়া বাবে মাকৰ ওপৰতো তেওঁৰ খং উঠিল। তাৰ পিছত নৰক দিনে দিনে নিষ্ঠুৰ হৈ আহিবলৈ ধৰিলে। পালক-পিতৃ জনকৰ লগত তেওঁৰ স্বভাৱৰ ঘোৰ অমিল হৈ উঠিল। তেতিয়া বসুমতীৰ নৰকক অন্য ঠাইলৈ নি ৰজা পাতিবলৈ মন গ'ল। সেই সময়ত প্ৰাগজ্যোতিষপুৰ এখন জাকত-জিলিকা ৰাজ্য আছিল। বল আৰু বিক্ৰমৰ বাবে প্ৰখ্যাত

ঘটকাসুৰ নামে এজন ৰজাই তাত ৰাজত্ব কৰিছিল। বসুমতীয়ে নৰকক তালৈ লৈ গ'ল। নৰকে অতি সহজে ঘটকাসুৰক বধ কৰি প্ৰাগজ্যোতিষপুৰৰ ৰাজসিংহাসন দখল কৰিলে।

ক্ৰমে ক্ৰমে নৰক এজন অত্যাচাৰী ৰজা হৈ উঠিল। তেওঁৰ শক্তি আৰু নিষ্ঠুৰতাৰ বাবে নৰক জনাজাত হৈ উঠিল নৰকাসুৰ নামেৰে।

নৰকাসুৰে নিজকে সবাতোকৈ শক্তিশালী আৰু শ্ৰেষ্ঠ বুলি অহংকাৰ কৰিছিল আৰু গুৰু-গোসাঁই নমনা হৈছিল। এদিন তেওঁ গধূলি দেখিলে যে নীলাচল পাহাৰত দেৱী কামাখ্যাই অকলে বিচৰণ কৰি আছে। দেৱীৰ সৌন্দৰ্য দেখি নৰক মোহ গ'ল আৰু হাতত থাপ মাৰি ধৰি ক'লে যে দেৱীয়ে তেওঁক বিয়া কৰাব লাগে। সেই মৰসাহ দেখি কামাখ্যা গোসাঁনী অবাক হ'ল। তেওঁৰ খং উঠিল, কিন্তু নৰকৰ হাতৰ পৰা সাৰি যোৱাৰ উপায় নেদেখি ক'লে — "তুমি যদি একেৰাতিৰ ভিতৰতে নীলাচল পাহাৰত মোৰ এটা মন্দিৰ আৰু মন্দিৰলৈ আহিব পৰা শিলৰ খট্‌খটি এটা সাজি দিব পাৰা, তেন্তে মই তোমাক বিয়া কৰাম।" নৰকাসুৰৰ মহা আনন্দ লাগিল। তেওঁ মহা উৎসাহেৰে হাজাৰ বনুৱা আৰু প্ৰয়োজনীয় বস্তু গোটাই লৈ ৰাতিৰ ভিতৰতে কাম আৰম্ভ কৰিলে। এইদৰে কাম কৰি যেতিয়া মাজৰাতি হ'ল, তেতিয়া কামাখ্যা গোসাঁনীৰ বৰ চিন্তা লাগিল। কাৰণ নৰকে যদি তেওঁৰ চৰ্তসমূহ পূৰণ কৰে তেতিয়া তেওঁ নৰকক বিয়া কৰিবলৈ বাধ্য হ'ব। কাৰণ নৰকে ইতিমধ্যে ৰাজ্যৰ কুকুৰাবোৰ কাটি নোহোৱা কৰিছিল, যাতে সিহঁতে ডাক দি ৰাতিপুৱাৰ ঘোষণা কৰিব নোৱাৰে। গোসাঁনীয়ে এটা মায়া-কুকুৰা সৃষ্টি কৰি মাজৰাতিৰ অলপ পিছতে ডাক দিয়ালে। নৰকৰ তেতিয়া সকলো কাম শেষ কৰি খট্‌খটিটো পুৰা হ'বলৈ অলপহে বাকী আছিল। কুকুৰাই ডাক দিয়াৰ লগে লগে ৰাতি পুৱালে বুলি ধৰি লোৱা হ'ল আৰু নৰকেও বুজিলে যে গোসাঁনীক তেওঁ বিয়া কৰাবলৈ নাপালে।

নৰক যেতিয়া বৰ অত্যাচাৰী হৈ উঠিল, তেতিয়া এদিন বসুমতীৰ চিন্তা লাগিল। কাৰণ দুষ্টক দমন কৰোঁতে বিষ্ণুৱে হয়তো নৰকক হত্যা কৰিবও পাৰে। সেয়ে তেওঁ ভগৱানক ক'লে — "হে প্ৰভু, অত্যাচাৰী হ'লেও নৰক তোমাৰেই পুত্ৰ। তাক যেন তুমি বধ নকৰা।"

ভগৱানে ক'লে — "অত্যাচাৰ বেছি হ'লে হয়তো বধ কৰিব লগা হ'বও পাৰে। কিন্তু মই বাৰু নৰকক তোমাৰ অনুমতি নোলোৱাকৈ বধ নকৰোঁ।"

বসুমতীৰ বৰ আনন্দ লাগিল। মাক হৈ পুতেকক হত্যা কৰিবলৈ তেওঁ বাৰু কিয় অনুমতি দিব!

বিষ্ণুৱে যেতিয়া কৃষ্ণৰূপে অৱতাৰ লৈছিল তেতিয়া তেওঁৰ এগৰাকী পত্নী সত্যভামা প্ৰকৃততে আছিল বসুমতীৰ অংশ, সত্যভামা বৰ অভিমানী আছিল। নাৰদে

দিয়া এপাহ পাৰিজাত ফুল কৃষ্ণই ৰুক্মিণীক দিয়া বাবে ঠেহ পাতি তেওঁ কৃষ্ণৰ লগত স্বৰ্গলৈ গৈ নন্দন-কাননৰ পৰা পাৰিজাত ফুল আনিছিলগৈ। ঘূৰি অহা বাটত প্ৰাগজ্যোতিষপুৰৰ মাজেৰে আহোঁতে কৃষ্ণই সত্যভামাক ক'লে যে এই ৰাজ্যৰ ৰজা নৰকাসুৰ বৰ দুষ্ট আৰু অসৎ। তেওঁ যোল্ল হাজাৰ ৰাজকন্যাক বন্দিনী কৰি থৈছে। তেতিয়া সত্যভামাই ক'লে যে তেনে দুষ্ট ৰজাক দমন কৰাই উচিত।

ইয়াৰ পিছত কৃষ্ণ আৰু নৰকাসুৰৰ তুমুল যুদ্ধ লাগিল। নৰকাসুৰে পৰম বিক্ৰমেৰে যুদ্ধ কৰি এপাট মহা শক্তিশালী অস্ত্ৰ কৃষ্ণলৈ মাৰি পঠিয়ালে। লগে লগে সত্যভামাই নৰকাসুৰক হত্যা কৰি নিজকে ৰক্ষা কৰিবলৈ কৃষ্ণক অনুৰোধ কৰিলে। প্ৰকৃততে সেয়ে আছিল বসুমতীৰ অনুমতি। গতিকে কৃষ্ণই তেওঁৰ সুদৰ্শন চক্ৰেৰে নিমিষতে নৰকাসুৰক বধ কৰিলে।

কথিত আছে যে অত্যাচাৰী ৰজাৰ শাসনৰ পৰা মুক্ত হোৱাৰ আনন্দত দেশৰ জনসাধাৰণে সেইদিনা ঘৰে ঘৰে বন্তি জ্বলাইছিল, তাৰে পৰাই দীপাৱলী পতাৰ নিয়ম হ'ল। নৰকাসুৰৰ পুত্ৰ ভগদত্ত এজন বিখ্যাত বীৰ আছিল। ভগদত্তৰ জীয়েক ভানুমতীৰ বিয়া হৈছিল দুৰ্যোধনৰ লগত। ○

# বৃকাসুৰ বধ

বৃকাসুৰ আছিল দুষ্ট বুদ্ধিৰ অসুৰ, পিতৃৰ নাম শকুনি। বৃকাসুৰৰ এটা বেয়া উদ্দেশ্যৰ বাবে দেৱতাৰ বৰ ল'বলৈ মন গ'ল। সি দেৱৰ্ষি নাৰদক সুধিলে যে কোন দেৱতাইনো সহজে বৰ দিয়ে। নাৰদে ক'লে যে শিৱৰ পৰা বৰ ল'বলৈকে সহজ। কাৰণ শিৱই বিশেষ চিন্তা নকৰাকৈ বৰ দিয়ে, যি দৰে দিছিল ৰাৱণ আৰু বাণৰজাৰ দৰে অসৎ ৰজাকো। সেই কথা জানি বৃকাসুৰে শিৱক সন্তুষ্ট কৰিবলৈ মহাযজ্ঞ আৰম্ভ কৰিলে। নিজৰ গাৰ মাংস কাটি কাটি ঘিউত সানি অগ্নিত দি থাকিল। কটাৰি এখনেৰে চুচি চুচি গোটেই গাৰ মাংস হোমত দি দিয়াৰ পিছতো যেতিয়া শিৱই দেখা নিদিলে, তেতিয়া বৃকাসুৰে দুখ আৰু লাজত মৰি যোৱাই ভাল বুলি ভাবিলে। শেষ বাৰৰ বাবে চেষ্টা কৰি চাবলৈ নিজৰ মূৰটোকে উৎসৰ্গা কৰিবৰ বাবে কাটিবলৈ তৰোৱাল ডাঙি ল'লে। তেতিয়া অগ্নিকুণ্ডৰ পৰা শিৱ ওলাই আহি থাপ্ মাৰি হাতত ধৰি ক'লে — "হে বৃকাসুৰ, তোমাক কি লাগে? কি কাৰণে নিজৰ শৰীৰটোক ইমান কষ্ট দিছা?"

বৃকাসুৰে ক'লে — "ভগৱান, মোক আপোনাৰ দয়া লাগে। এই আশীৰ্বাদ কৰক, মই যাৰ মূৰতে হাত থওঁ, সিয়েই যেন ভস্ম হৈ যায়।"

দুষ্ট বৃকাসুৰৰ এই অসৎ ইচ্ছাৰ কথা শুনি শিৱ অবাক হ'ল, পিছে তাৰ শৰীৰৰ কষ্ট দেকি পুতৌ হৈ তথাস্তু বুলি ক'লে। তাৰ ফল হ'ল বিপৰীত। অসৎ অসুৰটোৱে ক'লে — "দেৱতাবোৰৰ কথাৰ সততা নাথাকে। আপোনাৰ বৰটো সঁচাকৈয়ে দিলে নে মিছাকৈয়ে দিলে মই কেনেকৈ জানিম? গতিকে প্ৰমাণ চাবৰ বাবে আপোনাৰ মূৰটোকে পাতি দিয়ক, মই হাতখন দি চাওঁ।" শিৱই প্ৰমাদ গণিলে। অসুৰটো এখোজ আগবঢ়া দেখি তেওঁ দুখোজ পিছুৱালে। তেতিয়া অসুৰে ক'লে — "প্ৰমাণ চাবলৈ নিদিয়ে। তাৰ মানে বৰটো মিছা। মই আপোনাৰ মূৰত হাত দি চামেই।" এইবুলি সি শিৱক খেদি আহিল। শিৱয়ো প্ৰাণ বচাবলৈ লৰ মাৰিলে। আগে আগে শিৱ, পিছে পিছে বৃকাসুৰ। এই অদ্ভুত দৃশ্যটো ঋষি-মুনিসকলে অবাক মানি চাবলৈ ধৰিলে। শিৱক ৰক্ষা কৰাৰ কোনো উপায় নেদেখি দেৱতাসকলেও নিমাত হৈ চাবলৈ ধৰিলে। স্বৰ্গ-মৰ্ত্য-পাতাল সকলোতে পলায়ো শিৱই ৰক্ষা নাপালে, বৃকাসুৰ সকলোতে ওলায়গৈ। অৱশেষত তেওঁ বৈকুণ্ঠ পালেগৈ। বিষ্ণুৱে দূৰৰ পৰা দেখিলে যে শিৱ আতুৰ হৈ দৌৰি আহিছে, পিছে পিছে

বৃকাসুৰ। তেওঁ নিমিষতে সকলো বুজিলে। তাৰ পিছত মায়াৰ বলেৰে এক তেজস্বী ব্ৰাহ্মণ কুমাৰৰ বেশ লৈ বৃকাসুৰক মাজবাটতে ৰখাই সুধিলে — "হে মহাবীৰ, এইদৰে দৌৰি ফুৰিছে কিয়?" ক্ষন্তেক ৰৈ বৃকাসুৰে সকলো কথা কোৱাত বিষ্ণুৱে মিঠা মাতেৰে ক'লে — "আপুনি ঠিকেই কৈছে। এই দেৱতাবোৰৰ মুঠেই বিশ্বাস নাই। সকলোতকৈ মিছলীয়া হ'ল শিৱ। শিৱই নিশ্চয় মিছা বৰ এটা দি এতিয়া ধৰা পৰাৰ ভয়ত পলাই ফুৰিছে। পিছে আপুনি ইমান কষ্ট কৰাৰ প্ৰয়োজনেই নাছিল। নিজৰ মূৰত হাতখন দি চালেই গম পালেহেঁতেন যে বৰটো মিছা।"

বিষ্ণুৰ মিঠা কথাত ভোল গৈ বৃকাসুৰে ক'লে — "ঠিকেই কৈছা। মই এতিয়াই বৰটো মিছা বুলি প্ৰমাণ কৰি সেই মিছলীয়া শিৱক ডাঙৰ শাস্তি দিম।" এইবুলি কৈ সি নিজৰ হাত দিলে। লগে লগে বজ্ৰপাত পৰাৰ দৰে প্ৰচণ্ড শব্দ হৈ তাৰ মূৰটো ভস্ম হৈ গ'ল। শিৱ ৰক্ষা পৰিল। দেৱতাসকলে বিষ্ণুৰ বুদ্ধিৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ○

# বৃত্ৰাসুৰ বধ আৰু দধিচীৰ ত্যাগ

এসময়ত ঐশ্চৰ্য-সম্পদ বৰ বেছি হোৱাৰ বাবে দেৱৰাজ ইন্দ্ৰৰ অহংকাৰ হৈছিল। তেওঁ ৰাজসভাত এদিন গুৰু বৃহস্পতিকো উপযুক্ত সন্মান নজনোৱাত বৃহস্পতিয়ে তেওঁক এৰি গুচি গ'ল। ইন্দ্ৰই পিছে লগে লগে নিজৰ ভুল বুজিব পাৰি বৃহস্পতিক ক্ষমা খুজিবলৈ গ'ল যদিও বৃহস্পতিয়ে তেওঁক লগ নিদিলে। দেৱতাসকলৰ গুৰু নোহোৱা হ'ল। তাকে দেখি অসুৰবোৰে বৰ আনন্দ পালে। নিজৰ গুৰু শুক্ৰাচাৰ্যৰ নেতৃত্বত অসুৰবোৰৰ শ্ৰক্তি দিনে দিনে বৃদ্ধি পালে। তেওঁলোকে সঘনে স্বৰ্গৰাজ্য আক্ৰমণ কৰি দেৱতাসকলক লটি-ঘটি কৰিবলৈ ধৰিলে।

দেৱতাসকলক তেতিয়া নিজকে ৰক্ষা কৰাৰ বাবে উপায়ৰ প্ৰয়োজন হোৱাত বিষ্ণুৰ দিহা মতে ত্বষ্টা ঋষি আৰু অসুৰ-কন্যা ৰোচনাৰ সন্তান বিশ্বৰূপৰ ওচৰলৈ গ'ল। বিশ্বৰূপৰ মূৰ আছিল তিনিটা। তেওঁ আনে নজনা নাৰায়ণ কৱচ মন্ত্ৰ জানিছিল। সেয়েহে দেৱতাসকলে তেওঁক সন্তুষ্ট কৰি নিজৰ গুৰু হ'বলৈ আৰু ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰিলে। বিশ্বৰূপ সন্মত হ'ল। তেওঁ দেৱতাসকলৰ নতুন গুৰু হৈ নিজৰ মন্ত্ৰশক্তিৰ দ্বাৰা তেওঁলোকক ৰক্ষা কৰিবলৈ ধৰিলে। পিছে তেওঁৰ আচাৰ-আচৰণ ভাল নাছিল। তেওঁ এটা মূৰেৰে অমৃত, এটা মূৰেৰে সুৰা আৰু আনটো মূৰেৰে অন্ন খাইছিল। তেওঁ মাকৰ ফালৰ অসুৰবোৰকো ভিতৰি ভিতৰি সহায় কৰিছিল। তদুপৰি তেওঁৰ নীতি-নিয়মবোৰ দেৱতাসকলতকৈ তলখাপৰ আছিল। এনে অনাচাৰ দেখি এদিন ইন্দ্ৰই তেওঁৰ তিনিওটা মূৰেই বজ্ৰ মাৰি কাটি পেলালে। তাৰ ফলত তেওঁৰ যি গুৰুতৰ পাপ লাগিল, বহুত কষ্টৰ মূৰতহে সেই পাপ তেওঁ খণ্ডাব পাৰিছিল।

পুতেকৰ এনেদৰে মৃত্যু হোৱাত ত্বষ্ট মুনিৰ বৰ খং উঠিল। তেওঁ ইন্দ্ৰক ধ্বংস কৰিবৰ বাবে মহাযজ্ঞ আৰম্ভ কৰিলে। সেই যজ্ঞৰ পৰা ওলাই আহিল ভয়ংকৰ আকৃতিৰ এক অসুৰ। তাৰ গাৰ বৰণ হ'ল মেঘৰ দৰে ক'লা, চুলি-দাড়িবোৰ তাম বৰণৰ। চকুৰআগতে বাঢ়ি বাঢ়ি সেই অসুৰে প্ৰকাণ্ড শৰীৰ ধাৰণ কৰি বিশাল পৰ্বতৰ দৰে দেৱতাসকলক আক্ৰমণ কৰিবলৈ খেদি গ'ল। তাৰ নাম দিয়া হ'ল বৃত্ৰাসুৰ। বৃত্ৰাসুৰৰ প্ৰবল শক্তিৰ আগত দেৱতাসকল তিষ্ঠিব নোৱাৰিলে। তেওঁলোকৰ সকলো অস্ত্ৰ-শস্ত্ৰ ব্যৰ্থ কৰি সি তেওঁলোকক স্বৰ্গৰ পৰা খেদি পঠিয়ালে, বাৰে বাৰে যুদ্ধ কৰিও

দেৱতাসকল তাৰ হাতত পৰাস্ত হ'ল। নানা কষ্ট সহি দিহিঙে-দিপাঙে ঘূৰি ফুৰা দেৱতাসকলৰ বিলাই-বিপত্তিৰ সীমা নোহোৱা হ'ল। তেওঁলোকে বিষ্ণুৰ শৰণ লৈ ৰক্ষা পৰাৰ উপায় বিচাৰিলে। বিষ্ণুৱে ক'লে যে দধিচী মুনিৰ হাড়ৰ পৰা নিৰ্মাণ কৰা বজ্ৰৰ দ্বাৰাহে বৃত্ৰাসুৰক বধ কৰিব পৰা যাব।

মহৰ্ষি দধিচী গুণী-জ্ঞানী আৰু পৰম তত্বজ্ঞ আছিল। দেৱতাসকল তেওঁৰ আশ্ৰমলৈ গ'ল আৰু বৰ সংকোচেৰে নিজৰ সমস্যাৰ কথা জনালে। মুনিক প্ৰাণত্যাগ কৰিবলৈ অনুৰোধ কৰিবলৈ তেওঁলোকে বৰ কষ্ট পাইছিল। কিন্তু মুনিয়ে নিজেই ক'লে — "মানুহৰ শৰীৰ দুদিনীয়া। মই শৰীৰ ত্যাগ কৰিব নুখুজিলেও দুদিনৰ পিছত শৰীৰেই মোক ত্যাগ কৰিব। গতিকে আনৰ উপকাৰত যদি মোৰ এই শৰীৰটো লাগে, মই আনন্দহে পাম।" এইবুলি কৈ মহৰ্ষি দধিচীয়ে তপৰ দ্বাৰা প্ৰাণত্যাগ কৰিলে। ইন্দ্ৰই তেওঁৰ শৰীৰটো শিৰত তুলি স্বৰ্গলৈ লৈ আহিল। তাতে বিশ্বকৰ্মাই দধিচীৰ হাড়ৰ পৰা মহাশক্তিশালী বজ্ৰ নিৰ্মাণ কৰি উলিয়ালে। এইবাৰ নতুন উৎসাহেৰে দেৱতাসকলে বৃত্ৰাসুৰক আক্ৰমণ কৰিবলৈ আগবাঢ়িল। ইন্দ্ৰই ঐৰাৱতত উঠি হাতত বজ্ৰ লৈ অহা দেখি বৃত্ৰাসুৰেও খেদি আহিল। দুয়োৰে তয়াময়া যুদ্ধ লাগিল। বৃত্ৰাসুৰৰ শক্তিৰ আগত ইন্দ্ৰ তিষ্ঠিব পৰা টানেই হৈছিল। পিছে এপাকত হাড়েৰে নিৰ্মিত বজ্ৰ মাৰি পঠোৱাত বজ্ৰই গৈ তাৰ ডিঙি কাটি পেলালে। সেই ডিঙিৰ আয়তন ইমান ডাঙৰ আছিল যে বজ্ৰই তাক সম্পূৰ্ণৰূপে কাটি দুটুকুৰা কৰিবলৈ বহুত দিনৰ প্ৰয়োজন হৈছিল।

এইদৰে মহামুনি দধিচীৰ আত্মত্যাগৰ বাবেই বৃত্ৰাসুৰক বধ কৰা সম্ভৱ হৈছিল। ○

# শ্ৰীকৃষ্ণ বৈকুণ্ঠ-প্ৰয়াণ

শ্ৰীকৃষ্ণই তেওঁৰ আত্মীয়-স্বজনেৰে সৈতে দ্বাৰকাত বহুদিন সুখেৰে বাস কৰিছিল। পিছে তেওঁৰ মহিমাত সকলো বিপদ আৰু অশান্তিৰ পৰা ৰক্ষা পৰি থকাত যাদৱসকল, অৰ্থাৎ বংশৰ লোকসকল বৰ অহংকাৰী হৈ পৰিল। তেওঁলোকৰ মাজৰ ডেকাবোৰে ডাঙৰক মানি নচলা হ'ল। তেওঁলোকে মদ খোৱাৰ দৰে বেয়া অভ্যাসো কৰিলে। এইবোৰ দেখি কৃষ্ণই জানিলে যে যাদৱবোৰ ধ্বংস হ'বলৈ আৰু বেছি দিন নাই।

এদিন কেইজনমান উদণ্ড যাদৱ ডেকাই কেইজনমান মুনিক দেখি এটা ধেমালি কৰোঁ বুলি ভাবিলে। তেওঁলোকে শাম্ব নামৰ ডেকাজনৰ পেটত এটুকুৰা লোহা বান্ধি কাপোৰে ঢাকি নি মুনিসকলক সুধিলে —

"কওকচোন মুনিৰাজ, আমাৰ এইজন ইমান পেটুৰা হৈছে কিয়?"

ধেমালি কৰা দেখি মুনিৰ বৰ খং উঠিল। তেওঁ খঙেৰে অভিশাপ দি ক'লে —

"তহঁতে মোৰ লগত ধেমালি কৰিছ? যি টুকুৰা লোহা তহঁতে তাৰ পেটত বান্ধি দিছ, সেইটুকুৰাৰ মাৰতে তহঁত গোটেইবোৰ মৰিবি।"

এই কথাত ভয় খাই তেওঁলোক গৈ উগ্ৰসেনৰ ওচৰ পালেগৈ। সকলো কথা শুনি উগ্ৰসেনে ক'লে —

"লোহা টুকুৰা গুড়ি কৰি তাৰ চিন নোহোৱা কৰি পেলোৱা, তেতিয়াহে বিপদৰ হাত সাৰিবা।"

সেইমতে তেওঁলোকে লোহা টুকুৰা গুড়ি কৰি সাগৰত পেলাই দিলে। সেই গুড়িবোৰৰ পৰা কিছুমান মাদুৰি বনৰ জন্ম হ'ল। এটুকুৰা লোহা গুড়ি নোহোৱাকৈ আছিল। সেইটুকুৰা এটা মাছে খালে। মাছটো জালোৱাই পাই কাটোঁতে তাৰ পেটৰ পৰা লোহা টুকুৰা পাই এজন চিকাৰীক বিক্ৰী কৰি দিলে। চিকাৰীয়ে সেই টুকুৰা কাঁড়ৰ আগত লগাই ল'লে।

যাদৱসকলৰ উৎপাতবোৰ দেখি অসহ্য হৈ এদিন কৃষ্ণই গোটেইবোৰকে সাগৰৰ পাৰৰ প্ৰভাস তীৰ্থলৈ লৈ গ'ল। তাতে আটাইবোৰে খাই-বৈ ৰং-ধেমালি কৰাৰ কথা আছিল। পিছে ৰং-ধেমালিৰ নামত যাদৱবোৰে মাথোন মদহে খাবলৈ ধৰিলে। মদৰ ৰাগি

লগাত নাচি বাগি গান গাই তেওঁলোকে চিঞৰ-বাখৰ কৰিব ধৰিলে। তাৰ পিছত তেওঁলোকৰ নিজৰ ভিতৰতে কাজিয়া লাগিল আৰু ইজনে সিজনক মাৰিবলৈ ধৰিলে। হাতৰ অস্ত্ৰ-শস্ত্ৰবোৰ শেষ হৈ যোৱাত তেওঁলোকে সাগৰৰ পাৰৰ পৰা মাদুৰি বন উভালি ল'লে। কৃষ্ণ-বলৰামে বাধা দিছিল যদিও তেওঁলোকে কাণ নকৰিলে আৰু মাদুৰি বনেৰে ইজনে-সিজনক কোবাবলৈ ধৰিলে। সেই মুহূৰ্ততে মাদুৰি বনবোৰ ঋষিৰ শাপৰ বাবে লোহাৰ দৰে টান হৈ পৰিল আৰু লোহাৰ কোব খাই হাত-ভৰি ভাঙি, মূৰ ফাটি যাদৱবোৰ মৰিবলৈ ধৰিলে। সেই শোকলগা দৃশ্য দেখি বলোৰামে আতৰিবলৈ গৈ ধ্যানৰ দ্বাৰা নিজেই নিজৰ মৃত্যু ঘটালে।

সকলো যাদৱ মৰি শেষ হ'ল। নাৰী আৰু শিশুবোৰ মাথোন থাকিল। কৃষ্ণয়ো বুজিলে যে পৃথিৱীত তেওঁৰ কাম শেষ হৈছে। তেওঁ এজোপা আহত গছৰ তলত বহি ধ্যান কৰি মৃত্যুৰ বাবে সাজু হ'ল। তেওঁৰ ভৰিৰ তলুৱাখন জিলিকি আছিল। জৰা নামে এটা চিকাৰীয়ে দূৰৰ পৰা তাকে হৰিণৰ জিভা বুলি ভাবি দূৰৰ পৰা কাঁড় মাৰি পঠালে। লোহাৰ টুকুৰা লগোৱা সেই কাঁড় আহি কৃষ্ণৰ ভৰিত লাগিল। ওচৰ পাই যেতিয়া ব্যাধে দেখিলে যে তেওঁ কৃষ্ণৰ চৰণতহে আঘাত কৰিছে, বেচেৰা ভয়তে কাতৰ হৈ পৰিল। কৃষ্ণই তাক অভয় দিলে আৰু কাঁড় লগাৰ কিছু পিছতে প্ৰাণত্যাগ কৰিলে। স্বৰ্গৰ দেৱতাসকলে অতি আনন্দেৰে তেওঁক আদৰি বৈকুণ্ঠলৈ লৈ গ'ল।

# ভাগীৰথী গংগা

গিৰিৰাজ হিমালয় আৰু মেনকাৰ দুগৰাকী কন্যা, গংগা আৰু উমা। উমাক শিৱই বিয়া কৰাইছিল। গংগাৰ গাত আনক পবিত্ৰ কৰিব পৰা শক্তি আছিল বাবে তেওঁক দেৱতাসকলে স্বৰ্গলৈ লৈ গৈছিল। গংগাই এখন পবিত্ৰ নদী হৈ কেনেকৈ পৃথিৱীলৈ বৈ আহিছিল তাৰ এটা কাহিনী আছে।

পুৰণি কালত অযোধ্যাত সগৰ নামে এজন ধাৰ্মিক ৰজা আছিল। তেওঁৰ ডাঙৰ ৰাণীৰ অতি বলবান এজন মাথোন পুত্ৰ আছিল, আৰু সৰুৰাণীৰ আছিল উৎপতীয়া ষাঠি হেজাৰ পুত্ৰ। ডাঙৰ ৰাজকোঁৱৰ বৰ নিষ্ঠুৰ আৰু অত্যাচাৰী হোৱাৰ বাবে ৰজাই তেওঁক ৰাজ্যৰ পৰা খেদি দিলে। তেওঁৰ পুত্ৰ অংশুমান কিন্তু বৰ ভাল আছিল। ৰজায়ো নাতিয়েকক বৰ মৰম কৰিছিল।

সগৰ ৰজাই এবাৰ অশ্বমেধ যজ্ঞ কৰিবলৈ আয়োজন কৰিলে। অংশুমানৰ ওপৰত ভাৰ পৰিল ঘোঁৰাটো ৰখি থকাৰ। পিচে ইন্দ্ৰইনো কোন টলকত ঘোঁৰাটো চুৰ কৰি নিলে কোনেও গমেই নাপালে। ঘোঁৰাটো নহ'লেও যজ্ঞ পাতিব নোৱাৰি গতিকে ষাঠি হাজাৰ তজবজীয়া পুতেকক সগৰ ৰজাই গোটেই পৃথিৱীতে পাত্ পাত্কৈ ঘোঁৰা বিচাৰিবলৈ পঠিয়ালে। গোটেই পৃথিৱীতে ঘোঁৰাটো বিচাৰি নাপাই সিহঁত এইবাৰ মাটি খান্দি খান্দি পাতাললৈ সোমাই গ'ল। পৃথিৱীৰ চাৰিওফালে সিহঁতৰ অত্যাচাৰত মানুহৰ সুখ-শান্তি নোহোৱা হৈছিল। এইবাৰ পাতালতো হুলস্থুল লাগিল।

পাতালত ধ্যান কৰি আছিল কপিল মুনিয়ে। তেওঁ ভগবান বিষ্ণুৰ অংশ আছিল। ইন্দ্ৰই তেওঁৰ ওচৰত যজ্ঞৰ ঘোঁৰাটো বান্ধি থৈ গৈছিল। সগৰৰ পুতেকহঁতে ঘোঁৰাটো তাতে পাই কপিল মুনিক চোৰ বুলি গালি পাৰিবলৈ ধৰিলে আৰু আক্ৰমণ কৰিবলৈ সাজু হ'ল। তেতিয়া কপিল মুনিৰ ইমান খং উঠিল যে সেই দুষ্ট আৰু অভদ্ৰ সগৰ-পুত্ৰহঁতক নিমিষতে ভস্ম কৰি পেলালে।

বহুত দিনলৈকে ল'ৰাহঁত ঘূৰি নহা দেখি ৰজা সগৰে নাতিয়েক অংশুমানক খুড়াকহঁতক বিচাৰি আনবলৈ পঠিয়ালে। অংশুমানে বহুত ঠাইত বিচাৰি বিচাৰি শেষত পাতাল পালেগৈ আৰু ঘোঁৰাটো, কপিল মুনি আৰু ছাইবোৰ দেখি সকলো কথা বুজি পালে। তেওঁৰ বৰ বেজাৰ লাগিল। এনে সময়তে ক'ৰবাৰ পৰা গৰুড় পখী আহি

তেওঁক ক'লে — "তুমি দুখ নকৰিবা। স্বৰ্গৰ নদী গংগাৰ পবিত্ৰ পানী এওঁলোকৰ শৰীৰত পৰিলে এওঁলোক পুনৰ জী উঠিব।"

অংশুমানে ঘোঁৰাটো লৈ নিজৰ ৰাজ্যলৈ আহি সগৰ ৰজাক কথাবোৰ ক'লে। ৰজাই বৰ দুখ পালে। অশ্বমেধ যজ্ঞ পতাৰ পিছতে তেওঁ গংগাক নমাই অনাৰ কথা ভাবিছিল। পিছে তেওঁৰ তাৰ আগতে মৃত্যু হ'ল। তেওঁৰ পিছত অংশুমান অযোধ্যাৰ ৰজা হ'ল। কিছুকাল ৰাজত্ব কৰাৰ পিছত পুতেক দিলীপক ৰজা পাতি অংশুমানে গংগাক নমাই আনিবৰ বাবে হিমালয়ত তপস্যা আৰম্ভ কৰিলে। পিছে তপস্যা শেষ হোৱাৰ আগতেই তেওঁৰ মৃত্যু হ'ল। তেওঁৰ পুত্ৰ ৰজা দিলীপে গংগাক নমাই অনাৰ কথা ভাবিছিল যদিও ৰোগত পৰি তেওঁৰ মৃত্যু হ'ল।

দিলীপৰ পুত্ৰ ভগীৰথে ৰজা হৈ প্ৰথম কাম ৰূপে ল'লে গংগা নদীক পৃথিৱীলৈ অনাটো। তেওঁৰ পুত্ৰ নাছিল। গতিকে মন্ত্ৰীসকলৰ হাতত ৰাজ্যৰ ভাৰ দি তেওঁ তপস্যা কৰিবলৈ গ'ল তেওঁৰ কঠোৰ তপস্যা দেখি সকলো আচৰিত হ'ল। ব্ৰহ্মা তেওঁৰ তপস্যাত সন্তুষ্ট হৈ ওচৰলৈ আহি ক'লে — "তুমি গংগাক পৃথিৱীলৈ আনিব খুজিছা? কিন্তু গংগাৰ শক্তি বৰ বেছি। তেওঁ যেতিয়া স্বৰ্গৰ পৰা পৃথিৱীত পৰিব, তেতিয়া সকলো উটি যাব। একমাত্ৰ শিৱইহে গংগাক মূৰ পাতি ধৰি শান্ত কৰিব পাৰিব। গতিকে তুমি এতিয়া শিৱক সন্তুষ্ট কৰাগৈ।"

সেইমতে ভগীৰথে আন এক তপস্যাৰ দ্বাৰা শিৱক সন্তুষ্ট কৰি প্ৰাৰ্থনা কৰিলে — "হে ভগৱান, মই স্বৰ্গৰ পৰা গংগাক নমাই আনিব বিচাৰিছোঁ। গংগাৰ প্ৰথম শক্তিখিনি আপুনি যেন মূৰ পাতি লয়।"

শিৱ মান্তি হ'ল। ভগীৰথে তেতিয়া ব্ৰহ্মাৰ বৰত গংগা আনিবলৈ যাত্ৰা কৰিলে। স্বৰ্গ এৰি পৃথিৱীলৈ আহিবলৈ গংগাৰ প্ৰথমতে মন নাছিল। পিছে বিষ্ণুৰ বুজনিত আৰু ভগীৰথৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ তেওঁ আহিবলৈ মান্তি হ'ল। ভগীৰথে গংগাক প্ৰণাম কৰি শংখ বজালে। পৃথিৱীলৈ নামিবলৈ সাজু হৈ গংগাই দেখিলে যে শিৱই তেওঁক ধৰিবলৈ মূৰ পাতি ৰৈ আছে। গংগাৰ এটা দুষ্ট বুদ্ধি খেলালে, "মই শিৱকো উটুৱাই লৈ যাম" — তেওঁ অহংকাৰ কৰি ভাবিলে। পিছে গংগাৰ মনৰ ভাব বুজিব পাৰি শিৱৰ খং উঠিল। তেওঁ আকাশৰ পৰা জঁপিয়াই পৰাৰ লগে লগে গংগাক নিজৰ জটাত বন্দী কৰি থ'লে। গংগা তাতে বন্ধ হৈ থাকিল।

ভগীৰথৰ ইমান দিনৰ কষ্ট অথলে যোৱা দেখি সকলোৱে দুখ পালে। দেৱতা আৰু মুনিসকলে গংগাক মুকলি কৰি দিবলৈ তেওঁক কাকুতি-মিনতি কৰিবলৈ ধৰিলে। ভগীৰথেও পুনৰ তপস্যা কৰিলে। শিৱই গংগাক জটাৰ বান্ধোনৰ পৰা এৰি দিলে।

মুকলি হৈ গংগা হিমালয়ৰ পৰা তললৈ নামিবলৈ ধৰিলে। ভগীৰথে আগে আগে

শংখ বজাই গ'ল, পিছে পিছে গংগা আগবাঢ়িল। পবিত্ৰ ৰূপালী পানীৰ জিলিকনি দেখি সকলো মুগ্ধ হ'ল। মানুহৰ মন আনন্দেৰে ভৰি পৰিল, পিছে গংগা আছিল নিজৰ মতেৰে চলা বিধৰ, চঞ্চল প্ৰকৃতিৰ। এঠাইত জহ্নু মুনিয়ে যজ্ঞ কৰি আছিল। ভগীৰথে সাৱধান কৰি দিয়াৰ পিছতো গংগাই সেই যজ্ঞৰ সকলো বস্তু উটুৱাই লৈ গ'ল আৰু জুই নুমাই পেলালে। তাকে দেখি জহ্নু মুনিৰ বৰ খং উঠি গোটেইবোৰ পানী তেওঁ পি পেলালে। ভগীৰথৰ আকৌ হাহাকাৰ লাগিল। আকৌ তেওঁৰ দুৰ্গতি দেখি দেৱতাসকলে মুনিক অনুৰোধ কৰাত তেওঁ গংগাক কাণেৰে উলিয়াই দিলে। তেতিয়াৰ পৰা জহ্নু মুনিৰ নামেৰে গংগাক জাহ্নৱী নামেও বুজোৱা হ'বলৈ ধৰিলে।

আকৌ ভগীৰথৰ পিছে পিছে গংগা প্ৰথমতে সাগৰত পৰিল। তাৰ পিছত পৃথিৱীখন পবিত্ৰ কৰি পাতালত সোমালগৈ। সগৰৰ পুতেকবোৰৰ ছাইৰ ওপৰত যেতিয়া গংগাৰ পানী পৰিল, তেতিয়া তেওঁলোক মুক্ত হৈ স্বৰ্গলৈ গুচি গ'ল।

এইদৰে কোনেও কৰিব নোৱাৰা কাম এটা ভগীৰথে নেৰা-নেপেৰা যত্নৰ দ্বাৰা সফল কৰিলে। স্বৰ্গৰ নদী গংগাক সেইবাবে পৃথিৱীত ভাগীৰথী বুলিও কোৱা হয়। ○

# ৰজা হৰিশ্চন্দ্ৰৰ কাহিনী

অযোধ্যাৰ ৰজা আছিল হৰিশ্চন্দ্ৰ। তেওঁ অতি দয়ালু, ধাৰ্মিক আৰু সত্যবাদী আছিল। তেওঁৰ ৰাণী শৈব্যাও আছিল সুন্দৰী আৰু সজ স্বভাৱৰ। একেটি মাথোন পুত্ৰ ৰাজকুঁৱৰ ৰোহিতাশ্ব তেওঁলোকৰ আলাসৰ লাড়ু আছিল। ৰজা হৰিশ্চন্দ্ৰৰ ৰাজত্বকালত অযোধ্যা নগৰত ধন-সম্পত্তি উপচি পৰিছিল। প্ৰজাসকলৰ কোনোধৰণৰ দুখ-কষ্ট নাছিল। মৰমীয়াল পিতৃৰ অধীনত সন্তান যেনেদৰে সুখে-সন্তোষে থাকিব পাৰে, হৰিশ্চন্দ্ৰৰ শাসনত প্ৰজাসকলো তেনেদৰে সুখে-শান্তিয়ে থাকিব পাৰিছিল। বহুত ধন-সম্পত্তি গোট খোৱা দেখি ৰজাই ভাবিলে যে সেইবোৰ কিবা এটা ভাল কামত খৰচ কৰা উচিত। সেই সময়ত ডাঙৰ ডাঙৰ ৰজাসকলে ৰাজসূয় নামৰ যজ্ঞ এটা পাতিব পৰাটো পুণ্যৰ কাম বুলি বিবেচনা কৰিছিল। ৰজা হৰিশ্চন্দ্ৰয়ো তেনে এটা যজ্ঞ পাতিলে। তেওঁ হাজাৰ হাজাৰ ব্ৰাহ্মণক মাতি ধন-সোণ, মণি-মুকুতা, মাটি-বাৰী যাকে যি লাগে হেঁপাহ পলুৱাই দান কৰিলে।

যজ্ঞ ভালকৈয়ে আৰম্ভ হৈছিল যদিও তাতেই এটা কেৰোণা লাগিল। যজ্ঞৰ আদিতে গণেশ দেৱতাক পূজা কৰিব লাগে বুলি বশিষ্ঠ মুনিয়ে গণেশ পূজাৰ আয়োজন কৰিছিল। ৰজাই কিন্তু ক'লে যে গণেশক পূজা কৰাতকৈ বিষ্ণুক পূজা কৰাহে ভাল, কাৰণ বিষ্ণুহে সকলোতকৈ ডাঙৰ দেৱতা। ৰজাৰ কথা শুনি ঋষিসকলেও মানি ল'লে আৰু গণেশ-পূজা বন্ধ কৰি বিষ্ণুৰ পূজা কৰিলে। এই কথাত গণেশ দেৱতাৰ বৰ খং উঠিল। তেওঁ ইয়াৰ পোটক তুলিবলৈ চেগ চাই থাকিল।

ৰাজসূয় যজ্ঞ কৰাৰ পিছত হৰিশ্চন্দ্ৰ ৰজা বেছি বিখ্যাত হৈ পৰিল। প্ৰজাসকলে তেওঁৰ বাবে গৌৰৱ কৰিবলৈ ধৰিলে। প্ৰজাসকলে তেওঁক ইমান ভাল পাইছিল যে তেওঁৰ বাবে প্ৰাণ দিবলৈও সাজু আছিল।

এদিন ৰজাই দল-বল লৈ মৃগয়ালৈ গৈছিল, গৈ গৈ বনৰ মাজ পালেগৈ। তেওঁৰ লগৰবোৰে চৰাই, পহু মাৰি আনন্দ কৰিবলৈ ধৰিলে। ৰজাই এটা ডাঙৰ পহুৰ পিছে পিছে বনৰ মাজলৈ অকলে সোমাই গ'ল। তেওঁৰ লগৰ মানুহবোৰ পিছফালে বৈ গ'ল। সেই হাবিৰ মাজত কোনোবা এঠাইৰ পৰা মাইকী মানুহৰ কান্দোনৰ শব্দ ভাঁহি আহিছিল। ৰজা আচৰিত হ'ল। ইমান গভীৰ অৰণ্যত কোনে কান্দে! গণেশ দেৱতাই এটা বুদ্ধি কৰিলে।

তেওঁ ৰজাৰ খুব খং উঠাই দিলে। কাৰণ অলপ দূৰতে অতি খঙাল আৰু নিষ্ঠুৰ মুনি বিশ্বামিত্ৰই তপস্যা কৰি আছিল। বিশ্বামিত্ৰৰ তপস্যাত যদি ৰজাই আমনি কৰেগৈ, তেন্তে তেওঁ ৰজাক অভিশাপ দিয়াটো নিশ্চিত। বিশ্বামিত্ৰই সেইসময়ত মহাবিদ্যা লাভ কৰিবৰ বাবে তপস্যা কৰি আছিল। সেই তপস্যা ইমান কঠোৰ আছিল যে তপস্যাৰ তাপ সহিব নোৱাৰি বিদ্যাবোৰে নাৰীৰ ৰূপ ধৰি ইনাই বিনাই কান্দি আছিল। ৰজাই তাকে শুনি কোনোবা মানুহে কোনোবা মাইকী মানুহক মাৰ-কিল কৰা বুলি ভাবিলে। তেওঁৰ বৰ খং উঠিল।

মুখেৰে ডাঙৰ ডাঙৰকৈ গালি পাৰি ৰজা বনৰ বেছি ভিতৰলৈ সোমাই গ'ল। তেওঁ চিঞৰি চিঞৰি কৈ গৈছিল —

"আজি কাৰ ডিঙি কটা যা'ব মই ক'ব পৰা নাই। মোৰ ৰাজ্যত নাৰীক অত্যাচাৰ কৰি কোন দুষ্টই জ্বলা জুইৰে ধেমালি কৰিছ, মোৰ কাঁড়ৰ আগত আজি সেই দুষ্টৰ মূৰ ছিঙি পৰিব।"

ৰজাৰ চিঞৰত বিশ্বামিত্ৰৰ তপস্যা ভাঙি গ'ল। তেওঁৰ ভীষণ খং উঠিল, তপস্যা বাদ দি তেওঁ মূৰ তুলি চালে। সেই চেগতে বিদ্যাবিলাক নিমিষতে পলাই গুচি গ'ল। মুনিৰ তাকে দেখি আৰু বেছি খং উঠিল। বিশ্বামিত্ৰৰ খঙতে ভয়ংকৰ হৈ উঠা চেহেৰা দেখি ৰজাৰ বুকু কঁপি উঠিল। তেওঁ বতাহত কঁপা গছৰ পাতৰ দৰে ঠক্ ঠক্‌কৈ কঁপিবলৈ ধৰিলে। কাৰণ বিশ্বামিত্ৰ মুনিয়ে অলপ খং উঠিলেই যাকে-তাকে ভয়ংকৰ অভিশাপ দিয়ে। তেওঁ মুনিৰ ভৰিত ধৰি ক্ষমা খুজিবলৈ ধৰিলে।

বিশ্বামিত্ৰই ৰজাক ক'লে — "মহাৰাজ! ইমান ডাঙৰ যজ্ঞ পাতিলা, কিন্তু মোক দান আৰু দক্ষিণা নিদিলা কিয়?"

মুনিক ভাল লগাবলৈ উপায় এটা পালে বুলি ভাবি ৰজাৰ বৰ ৰক্ষা পৰিল। তেওঁ লগে লগে ক'লে — "ৰাজ্য আদি যি লাগে তাকে দিবলৈ মই গাত লৈছোঁ।"

মুনিয়ে ক'লে — "তোমাৰ যিমানবোৰ সা-সম্পত্তি আছে সেই সকলোবোৰৰে সৈতে অযোধ্যা ৰাজ্যখন মোক দান কৰা।"

ৰজা হৰিশ্চন্দ্ৰ আছিল সত্যবাদী আৰু একোৰে প্ৰতি লোভ নথকা লোক। তেওঁ আনন্দ মনেৰে মুনিক অযোধ্যা নগৰ দান কৰি প্ৰজাসকলক এই কথা ক'লেহি। বিশ্বামিত্ৰ যে এতিয়াৰে পৰা অযোধ্যাৰ ৰজা হ'ব, সেই কথাও তেওঁ প্ৰজাসকলক জনালে, মৰমৰ ৰজাজনে এৰি যাব বুলি শুনি প্ৰজাসকলে বুকু চপৰিয়াই কান্দিবলৈ ধৰিলে। ৰাণীয়ে পিছে ভালেই পালে। তেওঁৰো ৰজাৰ দৰে লোভ নাছিল। মাথোন ৰাজকুমাৰ ৰোহিতাশ্বৰ যে এতিয়াৰে পৰা কষ্ট হ'ব, সেই কথা ভাবিহে তেওঁৰ অলপ বেয়া লাগিছিল।

ৰজা হৰিশ্চন্দ্ৰই ৰাজ্য এৰি ওলাই যাওঁতে সকলোৱে কান্দিব ধৰিলে, ৰাণী আৰু ৰাজকুমাৰ ৰজাৰ পিছে পিছে গ'ল। প্ৰজাসকলো লগে লগে গৈ থাকিল যদিও বিশ্বামিত্ৰৰ

ভয়ত তেওঁলোকো কঁপি আছিল। বিশ্বামিত্ৰই সকলোবোৰ সা-সম্পত্তি লোৱাৰ পিছত ৰজা-ৰাণীৰ গাৰ বহুমূলীয়া সাজ-পাৰ আৰু অলংকাৰবোৰ কাঢ়ি ৰাখিলে। তাৰ পিছত কঠুৱা মাতেৰে ক'লে —

"মোক দান দিলি ঠিকেই, কিন্তু দক্ষিণাৰ পইচা নিদিলে দান সম্পূৰ্ণ নহয়। এতিয়া দক্ষিণা দে।" ৰজাই ক'লে—

"মোৰ হাতত যি আছিল সকলো আপোনাক দিলোঁৱেই। এতিয়া এটা পইচাও নাই। এমাহ সময় দিয়ক, তাৰ পিছত মই আপোনাক দক্ষিণা দিম।"

যমৰ দৰে ভয়ংকৰ ৰূপেৰে মুনিয়ে ক'লে —

"হৰিশ্চন্দ্ৰ, তোক এমাহ সময় দিছোঁ। কিন্তু তই এই ৰাজ্যত থাকিব নোৱাৰ, কাৰণ তোক চকুৰ আগত দেখি থাকিলে প্ৰজাবোৰে মোক ৰজা বুলি নামানিব।"

এইবুলি কৈ গালি পাৰি, দুই এটা কোব মাৰি তেওঁ ৰজা-ৰাণীক নগৰৰ বাহিৰ কৰি খেদি দিলে।

দুখোজমান বাট যোৱাৰ পিছতে ৰাণী শৈব্যা ভাগৰি পৰিল। কাৰণ সদায় ৰথত উঠি ফুৰা ৰাণীৰ খোজ কাঢ়ি যোৱাৰ অভ্যাস নাই। ৰ'দ-বতাহ আৰু বাটৰ কষ্টই তেওঁক ভাগৰাই পেলালে। অকণমানি কোঁৱৰো ভোক-পিয়াহত লালকাল হৈ পৰিল। তথাপিও তেওঁলোক ভোকে-ভাগৰে গৈয়ে থাকিল। ৰজাই ঠিক কৰিলে যে তেওঁলোক বাৰানসীলৈ যাব। কাৰণ একমাত্ৰ সেই ঠাইহে এতিয়া নতুনকৈ ৰজা হোৱা বিশ্বামিত্ৰৰ শাসনৰ বাহিৰত আছে।

বৰ কষ্টেৰে তেওঁলোক যাবলৈ ধৰিলে। ভৰি-হাত ফাটি তেজ ওলাল, চুলিয়ে জঁটা বান্ধিলে, ধূলি-বালি লাগি দেখিবলৈ পথৰ ভিক্ষাৰী যেন হ'ল। ৰাতি হ'লে মন্দিৰৰ চোতালত নাইবা গছৰ তলত শুই থাকে। এইদৰে গৈ গৈ যিদিনা বাৰানসী পালেগৈ, সেইদিনা আকৌ তাত ভয়ংকৰ মূৰ্তি ধৰি বাট চাই আছিল নিষ্ঠুৰ ঋষি বিশ্বামিত্ৰই। কাৰণ ইতিমধ্যে এমাহ পাৰ হৈ গৈছিল আৰু সেইদিনা আছিল দক্ষিণা দিয়াৰ দিন।

ৰজাই এতিয়া কৰিব কি! পইচা এটাও হাতত নাই, ইফালে ঋষিয়ে লাঠি জোকাৰি গালি পাৰিয়েই আছে। ৰাণীয়ে কান্দি কান্দি ক'লে —

"মহাৰাজ, আপুনি মোকেই নি হাটত বিক্ৰী কৰক, নহ'লে পইচা ক'ৰ পৰা পাব।"

সেই কথা শুনি ৰজাৰো চকুপানী ওলাল। তেওঁৰ কোঁৱৰ ৰোহিতাশ্বই ভোকত কান্দিয়েই আছিল। ইমান দুখ লগা দৃশ্য দেখিও বিশ্বামিত্ৰৰ খং নকমিল, তেওঁ দক্ষিণাৰ পইচা বিচাৰিয়েই থাকিল। উপায় নাপাই ৰজাই ৰাণীক হাটলৈ নি এজন ব্ৰাহ্মণৰ ওচৰত দাসী ৰূপে বিক্ৰী কৰি দিলে। কুমাৰে মাকক কোনোমতে নেৰাত তেওঁকো ব্ৰাহ্মণে কিনি নিলে। মাক-পুতেকক কিনি যি পইচা ব্ৰাহ্মণে দিলে — তাকে ৰজাই মুনিক দক্ষিণা

স্বৰূপে আগবঢ়ালে।

বিশ্বামিত্ৰৰ কিন্তু সেইখিনি ধনেৰে হেঁপাহ নপলাল। তেওঁক আৰু ধন লাগে। উপায় নাপাই ৰজাই গৈ হাটত নিজকে বিক্ৰী কৰিলে। তেওঁৰ শকত-আবত শৰীৰ দেখি কিনি নিলে এটা চণ্ডালে। সেই লেতেৰা আৰু দুৰ্গন্ধময় শৰীৰৰ চণ্ডালে নি ৰজাক মৰিশালীত মৰা মানুহ পোৰা আৰু মৰা মানুহৰ গাৰ কাপোৰ গোটাই অনাৰ ভাৰ দিলে। নিজকে বেচা ধনেৰে মুনিক দক্ষিণা দি ৰজা ৰক্ষা পৰিল। পিছে মৰিশালীত অতি লেতেৰা কামবোৰ কৰি তেওঁৰ কষ্টৰ সীমা নোহোৱা হ'ল। চণ্ডালৰ মাৰ-কিলো তেওঁ সহিবলগীয়াত পৰিছিল।

আনফালে মহাৰাণী শৈব্যাৰ অৱস্থাও আছিল অতি শোকলগা। কোনোদিনে কাম কৰি নোপোৱা ৰাণীয়ে লিগিৰীৰ দৰে কষ্ট কৰি শুকাই-ক্ষীণাই গৈছিল। অকণমানি কোঁৱৰৰ অৱস্থা হৈছিল বেছি দুখলগা। এদিন পূজাৰ বাবে ফুল ছিঙিবলৈ যাওঁতে কোঁৱৰক সাপে খুঁটিলে, লগে লগে তেওঁৰ মৃত্যু হ'ল। বেচেৰী ৰাণী শোকত কান্দি-ক' বাউলী হ'ল। তেওঁৰ দুখত সহায় কৰিবলৈ কোনো নহাৰ বাবে তেওঁ নিজেই কোঁৱৰৰ মৃতদেহটো মৰিশালীলৈ লৈ গ'ল।

চণ্ডালৰ লগত চণ্ডাল হৈ পৰা হৰিশ্চন্দ্ৰই কান্দোনৰ মাত শুনি মানুহ মৰা বুলি বুজি পালে। তেওঁ মৃতদেহটো নিবলৈ আহি অচেতন হৈ থকা আৰু ৰাণী আৰু কোঁৱৰক কিন্তু চিনি নাপালে, কাৰণ তেওঁলোকক দেখিবলৈ লিগিৰী আৰু লিগিৰীৰ ল'ৰা যেনহে লাগিছিল। তথাপিও নিজৰ পুতেকলৈ মনত পৰি তেওঁ কান্দিবলৈ ধৰিলে। অলপ পিছত ৰাণীয়ে জ্ঞান পালে। কথাই কথাই তেওঁলোকে ইজনে সিজনক চিনি পাই আকৌ কান্দিবলৈ ধৰিলে। একমাত্ৰ সন্তানৰ মৃত্যুত তেওঁলোকৰ জীয়াই থাকিবলৈ মন নোযোৱা হ'ল। গংগানদীৰ পাৰত বহলকৈ চিতা এখন সাজি তেওঁলোকে ল'ৰাটিক তাতে শুৱাই নিজেও জুইত সোমাই দিলে।

এই দৃশ্য দেখি দেৱতাসকলে আকাশৰ পৰা ফুল সিঁচিবলৈ ধৰিলে। চিতাৰ জুই শীতল হৈ পৰিল। ইন্দ্ৰই অমৃত সিঁচি দিয়াত ৰোহিতাশ্ব জী উঠিল। ৰজা-ৰাণীও দেখাত অধিক ধুনীয়া হৈ উঠিল। পুতেকক পাই তেওঁলোকৰ আনন্দৰ পাৰ নোহোৱা হ'ল। দেৱতাসকলে ওচৰ চাপি জনালে যে চণ্ডালজন আচলতে যম দেৱতা আৰু ব্ৰাহ্মণজন হ'ল দেৱৰাজ ইন্দ্ৰ। তেওঁলোকে ৰজাক পৰীক্ষাহে কৰিছিল।

ইয়াৰ পি ুে ৰজাক দেৱতাসকলে স্বৰ্গলৈ নিবলৈ খুজিলে। ৰজা পিছে অকলে নগ'ল। অযোধ্যাৰ সকলো প্ৰজা, পশু-পক্ষী আৰু গছ-বনক লগত লৈহে তেওঁ স্বৰ্গলৈ গ'ল।

ৰজা হৰিশ্চন্দ্ৰৰ পুণ্যৰ ফলত প্ৰজাসকলেও স্বৰ্গসুখ লাভ কৰিলে। ○

# পূজনীয়া পখীৰ কাহিনী

হাজাৰ হাজাৰ বছৰৰ আগতে পৃথিৱীত মানুহ আৰু পশু-পখী মিলি-জুলি বাস কৰিছিল। বনৰ পশুবোৰ মন গ'লেই গাঁও আৰু নগৰলৈ ফুৰিবলৈ আহে। মানুহেও চিন্তা নকৰাকৈ বনৰ মাজত ঘূৰি ফুৰে। মানুহে পশু-পখীৰ আৰু পশু-পখীয়ে মানুহৰ ভাষা ভালদৰে বুজি পাইছিল। গতিকে লগ পালেই নানা কথা-বতৰা পাতি সকলোৱে কুশল বাতৰি লৈছিল।

এনে সময়ৰে কথা। ৰজা সৰ্বদমনৰ শোৱনি কোঠাৰ ছালতে বাঁহ ল'লেহি এজনী ধুনীয়া ম'ৰা চৰায়ে। তাইৰ গাটো ৰবফৰ দৰে বগা, মূৰটো ৰঙা। তাইৰ কথা-বতৰা, আচৰণো বৰ ভাল। ৰজাই তাইক পূজনীয়া নাম দি নিজৰ ঘৰতে থাকিবলৈ দিলে। দুয়ো বন্ধু হৈ পৰিল। ৰাজকাৰ্যৰ পৰা আজৰি হৈ ৰজা যেতিয়া ভাগৰি-জুগৰি বিছনাত পৰে, তেতিয়া দিনটো আহাৰ সংগ্ৰহ কৰি গধূলি ঘৰলৈ উভটি অহা চৰাইজনীয়েও বিশ্ৰাম কৰে। তাই দিনটো দেখি অহা ঘটনাবোৰ ৰজাক কয় আৰু দুয়ো নানা আলোচনাত মগ্ন হৈ পৰে। পূজনীয়া পখীৰ মিঠা কথাবোৰত ৰজাই বৰ আনন্দ লাভ কৰে।

কিছুকালৰ পিছত ৰজাৰ ৰাণীৰ এটি কেঁচুৱা জন্ম হ'ল। তাৰ নাম দিয়া হ'ল সৰ্বসেন। ৰজাৰ ঘৰত ৰং-ধেমালি আৰু উৎসৱৰ শেষ নোহোৱা হ'ল। ৰজাই বৰ আনন্দ পালে। ইফালে পূজনীয়াৰ বাহতো কণী এটা আছিল। কিছু দিনৰ পিছত কণীটোৰ পৰাও অকণমানি বগা পোৱালি এটা ওলাল। তাকে দেখি মাকৰ ৰং চায় কোনে। ৰজাৰো মনটো ভাল লাগিল। দুয়োটা কেঁচুৱা ৰজাঘৰীয়া আদৰত ডাঙৰ হ'বলৈ ধৰিলে। অকণমানি দুটাক চাবৰ বাবে ৰজাই এজনী ধাই ঠিক কৰি দিলে। চৰাই পোৱালিটো থৰক-বৰককৈ ঘূৰি ফুৰে, পিছে পিছে দৌৰি ফুৰে সৰ্বসেন। সেই দৃশ্য চাই সকলোৱে বৰ আনন্দ পায়। গধূলি সময়ত চৰাইজনী যেতিয়া নিজৰ বাহলৈ আহে, তেতিয়া তাই সাগৰৰ পাৰৰ পৰা দুটা ৰসাল ফল লৈ আহে, এটা দিয়ে সৰ্বসেনক আৰু আনটো দিয়ে নিজৰ পোৱালিটোক। সেই ৰসাল ফল খাবলৈ পাই দুয়োটা শিশু নোদোকা হৈ আহিবলৈ ধৰিলে।

এদিন এটা অঘটন ঘটিল। খেলাৰ মাজতে কেঁচুৱা ৰাজকুমাৰে চৰাই পোৱালিটোৰ ডিঙিত চেপি ধৰিলে। পোৱালিটোৰে পাৰেমানে চিঞৰিব ধৰিলে। দৰৰ পৰা সেই

চিঞৰ শুনি ধাইজনীয়ে ভাবিলে যে সিহঁত দুটাই চাগে কিবা খেলিছেহে। অলপ পিছত চৰাই পোৱালিটো মৰি থাকিল, একো নুবুজা কোঁৱৰে সেইটোও এটা খেলা বুলি ভাবি কিৰিলিয়াবলৈ ধৰিলে। ধাইজনীয়ে এই দৃশ্য দেখি দুখতে কান্দিবলৈ ধৰিলে। বাতৰি পাই ৰজাও ৰাজসভাৰ পৰা আহিল। তেওঁৰো চকুৰ পানী ওলাবলৈ ধৰিলে। গধূলি যেতিয়া চৰাইজনী ঘৰলৈ আহিল, দূৰৰ পৰা পুতেকৰ কিৰিলি নুশুনি তাইৰ কিবাখন লাগিল। যেতিয়া ৰাজকুমাৰে অকলে ওলাই আহি নিজৰ ভাগৰ ফলটো ল'লে, তাই ধাইক সুধিলে — "মোৰ পোণাটো ক'ত?"

ধায়ে মুখেৰে নামাতিলে। ৰজাই নিজে বৰ ধৈৰ্য ধৰি গোটেইবোৰ কথা ক'লে। পুতেকৰ মৃত্যুৰ কথা জানি পূজনীয়াই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। ৰজা আৰু সভাসদসকলেও লগতে কান্দিলে। গোটেই ৰাতি বেচেৰী চৰাইজনীয়ে কান্দি থাকিল। পিছদিনা ৰজা আৰু মন্ত্ৰীয়ে পূজনীয়াক সান্ত্বনা দি বহুতো কথা কোৱাৰ পিছত তাই ক'লে—

"মহাৰাজ, আশ্ৰয় দিয়াজনক ৰক্ষা কৰিব নোৱাৰিলে বৰ ডাঙৰ পাপ হয়। আপোনাৰো পাপ লাগিল। মোৰ দুখ লাগিছে যে আপুনি নৰকলৈ যাব লাগিব।" এইবুলি কৈ কোনেও একো ক'বলৈ নাপাওঁতেই পূজনীয়াই ৰাজকুমাৰৰ চকু দুটা ফুটাই আকাশলৈ উৰি গ'ল। ৰাজকুমাৰে বিষত কান্দিবলৈ ধৰিলে। লৰালৰিকৈ তেওঁক ৰাজবৈদ্যৰ ওচৰলৈ পঠিয়াই দিয়া হ'ল। তাৰ পিছত পূজনীয়ালৈ চাই ৰজাই ক'লে —

"ভাগ্যত যি আছিল হ'ল, এতিয়া তুমি তোমাৰ ঘৰলৈ উভটি আহা।"

পূজনীয়াই ক'লে — "মহাৰাজ, পুত্ৰস্নেহৰ বাবে বেজাৰতে মই বৰ বেয়া কাম কৰিলোঁ। ৰাজকুমাৰক অন্ধ কৰি মই পাপ কৰিলোঁ। আপুনি মহান ৰজা বাবে মোৰ ওপৰত খং কৰা নাই, কিন্তু মই সামান্য পখী বাবে প্ৰতিশোধ ল'লোঁ। আপুনি ওপৰ খাপৰ, মই তলখৰ খাপৰ। সমানে সমানেহে বন্ধুত্ব কৰা উচিত। মোৰ লগত বন্ধুত্ব কৰাৰ বাবেহে সৰল ৰাজকুমাৰৰ এনে অৱস্থা হ'ল।"

এইদৰে কৈ পূজনীয়াই ৰজাৰ পৰা বিদায় ল'লে। ৰজায়ো বুজিলে যে সমানে সমানে বন্ধুত্ব কৰা উচিত। তেওঁ বেজাৰ মনেৰে পূজনীয়াক বিদায় দিলে। ○

# দুৰ্গ অসুৰৰ কথা

দুৰ্গ নামেৰে এটা অসুৰ আছিল। সি আছিল অতি দুষ্ট আৰু লুভীয়া। তাৰ গাৰ শক্তিও বৰ বেছি আছিল। এবাৰ তাৰ আৰু অধিক ভোগ-বিলাস আৰু ক্ষমতা পাবলৈ মন গ'ল। তাৰ বাবে সি ব্ৰহ্মাক তপস্যা কৰিবলৈ ধৰিলে। তাৰ তপস্যা ইমান কঠোৰ আছিল যে ব্ৰহ্মা তাৰ ওচৰলৈ আহিবলৈ বাধ্য হ'ল আৰু যি লাগে তাকে বৰ দিবলৈ মান্তি হ'ল। সি তেতিয়া ব্ৰহ্মাক প্ৰাৰ্থনা কৰি ক'লে —

"ভগবান, মোক এনে বৰ দিয়ক, মই যেন স্বৰ্গ, মৰ্ত্য আৰু পাতালৰ গৰাকী হ'ব পাৰোঁ। মোৰ ক্ষমতা যেন সকলোতকৈ বেছি হ'য়।" ব্ৰহ্মাই সেয়ে হ'ব বুলি ক'লে।

তাৰ পিছত দুৰ্গ অসুৰৰ ক্ষমতা অতি বেছি হৈ পৰিল, শক্তিও বাঢ়িল। সি ইন্দ্ৰক স্বৰ্গৰ পৰা খেদাই দিলে। বাকীবোৰ দেৱতাকো যুদ্ধত হৰুৱাই বাটৰ ভিক্ষাৰী কৰি স্বৰ্গৰ পৰা উলিয়াই পঠিয়ালে। দেৱতাসকল লাজে-দুখে বনত থাকিলগৈ। অসুৰটোৰ প্ৰতাপ ইমান বাঢ়িল যে সি ঋষি-মুনিবোৰক দেৱপূজা কৰা বন্ধ কৰিলে আৰু ঋষি-পত্নীবোৰক নিজৰ বন্দনা-গীত গাবলৈ বাধ্য কৰিলে। দুৰ্গ অসুৰৰ ভয়ত তৰাবোৰ শেঁতা পৰি গ'ল। সূৰ্য দেৱতাকো সি নিজৰ তলতীয়া কৰি ল'লে। সি যেতিয়াই যি ধৰণে বিচাৰে সেই ধৰণেহে সি গছবোৰত ফল-মূল আৰু ফুল হ'বলৈ দিলে। নদীবোৰৰ গতি সি যেনি-তেনি নিজৰ ইচ্ছামতে বোৱালে। আনহে নালাগে, সি মেঘবোৰকো নিজৰ ইচ্ছামতে গঢ় দিলে আৰু তাৰ মন যোৱা ধৰণে বৰষুণ দিয়ালে। কেতিয়াবা সি বানপানী কৰালে আৰু কেতিয়াবা বহুত দিন ধৰি বৰষুণ নিদিয়াকৈ ৰাখি খৰাং কতৰৰ সৃষ্টি কৰিলে। মুঠতে তাৰ অত্যাচাৰত দেৱতা আৰু মানুহ কাৰো শান্তি নোহোৱা হ'ল।

বহুদিন কষ্ট ভোগ কৰাৰ পিছত এদিন সূৰ্য আৰু ইন্দ্ৰ দুয়ো শিৱৰ ওচৰলৈ গৈ ক'লে—

"প্ৰভু, দুষ্ট দুৰ্গ অসুৰৰ পৰা আমাক ৰক্ষা কৰক। তাৰ শক্তিৰ আগত আমি বাৰে বাৰে হাৰি পলাই ফুৰিছোঁ।"

তেতিয়া শিৱই ক'লে —

"সেই অসুৰক বলে পাৰিব শক্তি থকা কোনোবা দেৱীয়েহে। গতিকে মই পাৰ্বতীক কওঁ তোমালোকক সহায় কৰিবলৈ।"

এইবুলি শিৱই পাৰ্বতীকত সকলো কথা বুজাই কোৱাৰ পিছত পাৰ্বতীয়ে আনন্দেৰে ক'লে —

"মই এতিয়া তাক ধ্বংস কৰিম।"

তাৰ পিছত পাৰ্বতীয়ে নিজৰ শৰীৰৰ পৰা কালৰাত্ৰি নামৰ এগৰাকী দেৱীৰ সৃষ্টি কৰিলে। সেই দেৱীৰ মনোমোহা ৰূপ ক'লা সাজপাৰ আৰু বিবিধ অস্ত্ৰৰ জিক্‌মিকনি দেখি সকলো ভোল গ'ল। দেৱী কালৰাত্ৰিয়ে দুৰ্গ অসুৰক ৰণলৈ আহ্বান কৰিলে। অসুৰেও এগৰাকী দেৱীয়ে সাহ কৰি যুদ্ধলৈ অহা দেখি অলপ আচৰিত হৈ কিছুমান সৈন্যক যুদ্ধলৈ আগবঢ়াই দিলে। কালৰাত্ৰিয়ে নিমিষতে সিহঁতক ধ্বংস কৰিলে। তেতিয়া দুৰ্গ অসুৰে লাখ লাখ সৈন্য, ৰথ, হাতী, ঘোঁৰা আদি সৃষ্টি কৰি কালৰাত্ৰিৰ লগত যুঁজিবলৈ পঠালে। দেৱীয়ে কিছুমান ধ্বংস কৰে যদি লগে লগে আৰু কিছুমান আগবাঢ়ি আহে। তেতিয়া সেই কথা জনাবৰ বাবে কালৰাত্ৰি পাৰ্বতীৰ ওচৰলৈ গ'ল, অসুৰে ভাবিলে যে দেৱী পলাইছে, সি পিছে পিছে খেদি গ'ল। বিন্ধ্য পৰ্বতৰ ওপৰত দেৱী পাৰ্বতী বহি আছিল। অসুৰে ধৰষুণৰ দৰে শৰ মাৰি তেওঁক আক্ৰমণ কৰিলে। পাৰ্বতীৰ খুব খং উঠিল আৰু নিমিষতে মায়া-অস্ত্ৰ সৃষ্টি কৰি অসুৰক ঘূৰাই আক্ৰমণ কৰিলে। তেওঁ মুহূৰ্তে মুহূৰ্তে নতুন নতুন ভয়ংকৰ অস্ত্ৰ সৃষ্টি কৰিবলৈ ধৰিলে। দুয়োৰে মাজত ভীষণ যুদ্ধ লাগিল। সেই যুদ্ধৰ প্ৰকোপত আকাশত জুই জ্বলি উঠিল, পৃথিৱীখন কঁপিবলৈ ধৰিলে। দুৰ্গ অসুৰৰ সীমাহীন সৈন্যৰ লগত যুঁজিবলৈ পাৰ্বতীয়ে অসংখ্য সৈন্যৰ সৃষ্টি কৰিলে। সিহঁতে অসুৰৰ সৈন্যবোৰক এফালৰ পৰা মাৰি শেষ কৰিবলৈ ধৰিলে।

অসুৰ আৰু পাৰ্বতীৰ বহু সময় যুদ্ধ লগাৰ পিছত কোনোমতে দেৱীক বলে নোৱাৰি অসুৰে এটা প্ৰকাণ্ড হাতী হৈ তেওঁক খেদি গ'ল। দেৱীয়ে মায়া-শক্তিৰে সেই হাতীটোক দূৰলৈ দলিয়াই দিলে। তেতিয়া অসুৰে এটা পৰ্বতৰ সমান ডাঙৰ ম'হ হৈ খেদি আহিল। তাৰ দুটা চকু জুইৰ দৰে, নাকৰ পৰা ধোঁৱা ওলাই থাকে। তাৰ শিং লাগি আকাশৰ মেঘ টুকুৰা টুকুৰা হৈ সৰি পৰে। সি খেদি অহাৰ লগে লগে দেৱীয়ে তাক দুটুকুৰা কৰি কাটি পেলালে, কিন্তু লগে লগে সি অসুৰ ৰূপ লৈ ওলাই আহিলে। সি ভালকৈ ওলাবলৈ পোৱাৰ আগতেই দেৱীয়ে তাৰ বুকুত ভয়ংকৰ ত্ৰিশূল এপাট ভৰাই দিলে, লগে লগে তাৰ মৃত্যু হ'ল।

দেৱীৰ এই বিজয়ত স্বৰ্গ-মৰ্ত্যত আনন্দৰ ৰোল উঠিল। দুৰ্গ অসুৰক বধ কৰাৰ বাবে তেওঁক দুৰ্গা নামেৰে সকলোৱে বন্দনা কৰিলে। ○

# স-মে-মি-ৰা

মহাৰাজ বিক্রমাদিত্যৰ পুত্ৰ বিক্ৰমসেনে এদিন চিকাৰ কৰিবলৈ গৈ বাট হেৰুৱালে। তেওঁ এখন গভীৰ বনৰ মাজত ইফালে-সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে, লগত যোৱা সৈন্য-সামন্তবোৰ ক'ৰবাত থাকি গ'ল। চাওঁতে চাওঁতে ৰাতি হৈ আহিল। দূৰত বাঘৰ গোজৰণি শুনা গ'ল। বিক্ৰমসেনৰ বৰ ভয় লাগিল। তেওঁ এজোপা ওখ গছত উঠি ৰাতিটো পাৰ কৰাৰ কথা ভাবিলে। সেইমতে এজোপা ওখ গছত তেওঁ উঠি থাকিল। অলপ পিছতে প্ৰকাণ্ড ডাঙৰ, ক'লা, নোমেৰে ভৰা ভালুক এটা জপং জপংকৈ আহি সেইখিনি পালেহি। ভালুকটো গছলৈ বগাই অহা দেখি ৰাজকোঁৱৰ ভয়তে কঁপিবলৈ ধৰিলে। ভালুকেও তেওঁক দেখিলে আৰু খঙেৰে সুধিলে — "মোৰ ঘৰত কিয় শুইছাহি ক'ৰ মানুহ?" ৰাজকোঁৱৰে ভয়ে ভয়ে ভালুকক নিজৰ বিপদৰ কথা ক'লে আৰু ৰাতিটোৰ বাবে ঠাই বিচাৰিলে। তেতিয়া মৰম লাগি ভালুকে ক'লে —

"তোমাক মই ৰাতিটোৰ বাবে ঠাই দিব পাৰোঁ। পিছে তোমাক বিশ্বাস কৰিম কেনেকৈ? মানুহবোৰ বৰ নিষ্ঠুৰ আৰু বিশ্বাসঘাটক প্ৰাণী। তুমি যদি মোৰ কিবা অপকাৰ কৰা!"

ৰাজকুমাৰে ক'লে — "ককাই, মই শপত খাই কৈছোঁ, মই তোমাৰ একো অপকাৰ নকৰোঁ। আমি বন্ধুৰ দৰে মিলি-জুলি থাকিম।"

তেতিয়া ৰাজকোঁৱৰ আৰু ভালুক দুয়ো বন্ধু হ'ব বুলি আৰু ইজনে আনজনক অপকাৰ নকৰিব বুলি শপত খালে।

গছজোপাৰ শকত ডাল এটাত দুয়ো শুবলৈ যত্ন কৰিলে। পিছে তাত এজনৰহে ঠাই হয়। ভালুকে ক'লে — "বন্ধু, তুমি প্ৰথমতে শুই লোৱা। মই তোমাক ৰখি থাকিম। তাৰপিছত তুমি মোক ৰখিবা, মই শুই ল'ম।"

গতিকে ভালুকৰ কোলাত সোমাই ৰাজকুমাৰ টোপনি গ'ল। ভাগৰত তেওঁ লালকাল হৈ আছিল। সেইবাবে বৰ আৰামেৰে তেওঁ শুই থাকিল। ৰাতি এটা বাঘ আহি গছৰ তলত থিয় হৈ ক'লে —

"হেৰা ভালুক, মানুহটো পেলাই দিয়া। মই খাই থওঁ।"

ভালুকে ক'লে — "এওঁ মোৰ বন্ধু। এওঁক মই আশ্ৰয় দিছোঁ। তুমি খুজিলা বুলিয়েই মই পেলাই দিমনে? গুচি যোৱা।" বাঘে আকৌ ক'লে — "মানুহ আৰু জন্তু কেনেকৈ বন্ধু হ'ব পাৰে, মানুহ সদায়েই জন্তুৰ শত্ৰু। তুমি তাক লাহেকৈ ঠেলা এটা মাৰি দিয়া।"

ভালুকে ক'লে — "মই মোৰ প্ৰতিজ্ঞা ভংগ নকৰোঁ। তুমি ভালে ভালে ইয়াৰ পৰা আঁতৰি যোৱা।"

বাঘটো গুচি গ'ল, কিন্তু ৰাতি আৰু দুবাৰ আহি সি ৰাজকোঁৱৰক পেলাই দিবলৈ ভালুকটোক জোৰ কৰিবলৈ ধৰিলে। ভালুকে পিছে কোনোমতে মান্তি নহ'ল।

মাজৰাতি ভালুকে ৰাজকুমাৰক জগাই দিলে আৰু নিজে টোপনি গ'ল। ৰাজকুমাৰে সাৰে থাকি তাক ৰখি থাকিল। অলপ পিছতে বাঘটো আকৌ আহিল। গছৰ তলৰ পৰা সি ক'বলৈ ধৰিলে —

"হেৰা মানুহ, ভালুকৰ লগত কি সাহেৰে একেলগে আছা? এতিয়াই তাক তললৈ পেলাই দিয়া।"

ৰাজকুমাৰে উত্তৰ দিলে — "এওঁ মোৰ বন্ধু। এওঁক মই ৰক্ষা কৰিম বুলি কথা দিছোঁ, গতিকে মই কেতিয়াও পেলাই নিদিওঁ।"

বাঘে ক'লে — "কিনো জধামূৰ্খ মানুহ ঐ! এতিয়া ভালুকটোৰ পেট ভৰি আছে বাবে সি তোমাক খোৱা নাই, কিন্তু ৰাতিপুৱা সাৰ পাই ভোক লাগিলেই সি তোমাক খাই পেলাব। সেই কথাটোও তুমি বুজা নাই নে?"

ৰাজকোঁৱৰৰ চিন্তা লাগিল। তাকে দেখি ছল পাই বাঘটোৱে ক'লে —

"কি ভাবিছা তাক লাহেকৈ ঠেলা মাৰি মাটিলৈ পেলাই দিয়া। ময়ে খাই থওঁ। যদি তাকে নকৰা, নিজেই ভালুকৰ আহাৰ হ'ব। মোৰনো কি! দিয়া, ঠেলা এটা মাৰি দিয়া।"

ৰাজকোঁৱৰৰ মন ঘূৰিল। — তেওঁ ভাবিলে যে বাঘে ঠিক কথাই কৈছে। ভালুকক পেলাই দিবৰ বাবে গাৰ বলেৰে ঠেলা এটা মাৰিলে। ভালুকে তাৰ চোকা নখেৰে গছৰ ডালত খামোচ মাৰি ধৰি আছিল বাবে পৰি নগ'ল, কিন্তু সি সাৰ পালে। তাৰ ভীষণ খং উঠিল। সি ক'লে —

"মানুহ! এয়ে তোৰ বন্ধুত্বৰ চিন নে?"

ৰাজকোঁৱৰ ভয়তে ঠক্ ঠক্কৈ কঁপিবলৈ ধৰিলে। ভালুকে আকৌ ক'লে —

"মই তোৰ দৰে বিশ্বাসঘাটক নহওঁ। সেইবাবে তোক মাৰি নেপেলাওঁ। কিন্তু তাতকৈও ভয়ংকৰ শাস্তি এটা দিম। আজিৰ পৰা তই কথা ক'ব নোৱাৰা হ'বি। কোনোবাই যদি আজি ইয়াত কি ঘটিলে সেই কথা কৈ দিব পাৰে, তেতিয়াহে তই ভাল হ'বি।"

এইবুলি কৈ ভালুকে মুখেৰে স-সে-মি-ৰা বুলি কৈ ৰাজকোঁৱৰক প্ৰচণ্ড জোৰত চৰ

এটা মাৰিলে। লগে লগে ৰাজকোঁৱৰে কথা ক'বলৈ পাহৰি গ'ল। তেওঁ মাথোন স-সে-মি-ৰা বুলি কৈ থাকিবলৈ ধৰিলে। ভালুকটো আঁতৰি গ'ল৷ অলপ পিছত ৰাজকোঁৱৰৰ লগৰ মানুহবোৰ আহি পালেহি, তেওঁলোকে ৰাজকোঁৱৰক ৰাতিটো ক'ত কেনেকৈ থাকিল খবৰ ল'লে। পিছে যি কথাই সোধে, ৰাজকোঁৱৰে কয়, "স-সে-মি-ৰা", "ঘৰলৈ যাবানে" বুলি সুধিলেও কয় বোলে "স-সে-মি-ৰা"। মানুহবোৰ নিৰুপায় হ'ল। তেওঁলোকে ৰাজকোঁৱৰক ৰজাৰ ওচৰলৈ লৈ গ'ল।

ৰাজকোঁৱৰৰ অৱস্থা দেখি কাৰেওত হাহাকাৰ লাগিল। ৰাণীয়ে কান্দিবলৈ ধৰিলে। ৰজাই নানা বেজ-ওজা আনি বহুত চিকিৎসা কৰালে, কিন্তু ৰাজকোঁৱৰ ভাল নহ'ল। গোটেই ৰাজ্যতে মানুহবোৰে বেজাৰ কৰিবলৈ ধৰিলে।

বিক্ৰমাদিত্যৰ ৰাজসভাত বৰৰুচি নামে এজন পণ্ডিত আছিল। তেওঁ গণনা কৰি সকলো কথা গম পাইছিল। তেওঁ ৰাজসভালৈ আহি ৰাজকোঁৱৰক লগ ধৰিলে. তাৰ পিছত পোনেই এফাকি কবিতা মাতিলে —

সজলোকে কেতিয়াও নঠগে আনক
নকৰে আনৰ অপকাৰ,
একেলগে শুই থাকি মাৰিব খুজিলে
মহাপাপ হয় জানা তাৰ।"

লগে লগে ৰাজকোঁৱৰে "স-সে-মি-ৰা"ৰ 'স' টো বাদ দি কেৱল 'সেমিৰা' 'সেমিৰা' কৰিবলৈ ধৰিলে। এই কাণ্ড চাই থকা শ শ মানুহে তাকে দেখি জয়ধ্বনি দি উঠিল। কাৰণ এনে অদ্ভুত চিকিৎসা তেওঁলোকে আগতে কেতিয়াও দেখা নাছিল।

ইয়াৰ পিছত তেওঁ অন্য এফাকি কবিতা মাতিলে —

সেতুবন্ধ নামে আছে তীৰ্থ ডাঙৰ
গা ধুলে পাপ দূৰ হয়,
বন্ধুক ঠগিলে লাগে যিমান জগৰ
কেতিয়াও নাই তাৰ ক্ষয়।

লগে লগে ৰাজকোঁৱৰে প্ৰথমটো আকৰ বাদ দি কেৱল 'মি-ৰা' 'মি-ৰা' কৰিবলৈ ধৰিলে। চাই থকা মানুহবোৰে আনন্দতে কিৰিলি পাৰি উঠিল। ইয়াৰ পিছত বৰৰুচিয়ে আৰু এফাকি কবিতা মাতি ক'লে —

মিত্ৰ হ'ল সবাতোকৈ আপোনাৰ জন
তেওঁৰ বাবে প্ৰাণ দিব লাগে,
মিত্ৰকে বধিব খোজা পাপী মানুহৰ
নৰকতো ঠাই নাই চাগে।

এইবাৰ ৰাজকোঁৱৰে কেৱল 'ৰা' 'ৰা' কৰিবলৈ ধৰিলে। তাৰ পিছত আৰু এফাকি কবিতা মাতিলে বৰৰুচিয়ে —

ৰাজপুত্ৰ হে তুমি কি কাম কৰিলা
বিশ্বাসঘাটক হেৰা বীৰ!
বনৰ মাজৰ কথা গছৰ ডালত
পৰেনে মনত সিৰাত্তিৰ।

লগে লগে ৰাজকোঁৱৰ ভাল হৈ গ'ল। তেওঁ আগৰ দৰে কথা ক'ব পৰা হ'ল আৰু ভালুকৰ লগত ঘটা সকলো ঘটনা বৰ্ণনা কৰিলে। ৰজাই বৰৰুচিৰ অদ্ভুত শক্তিক প্ৰশংসা কৰিলে আৰু পুতেকক ক'লে —

"মিত্ৰদ্ৰোহ, অৰ্থাৎ বন্ধুৰ অনিষ্ট কৰা কাৰ্য অতি পাপ কাৰ্য। তুমি তেনে পাপ কৰি বৰ ভুল কৰিছিলা আৰু তাৰ বাবে উপযুক্ত শাস্তিও পালা। আগলৈ তেনে পাপ নকৰিবা।" ❍

# চান্দো সদাগৰৰ কাহিনী

পুৰণি কালত চান্দো সদাগৰ নামে এজন বৰ চহকী সদাগৰ আছিল। তেওঁৰ ধন-সম্পত্তি বহুত আছিল। তেওঁৰ নাম বহু দূৰলৈকে মানুহে জানিছিল। তেওঁৰ সাতোটা ধুনীয়া ধুনীয়া ল'ৰা আছিল। তেওঁ আছিল বৰ শিৱভক্ত।

শিৱৰ এজনী জীয়াৰীৰ নাম আছিল মনসা। পদুম ফুলৰ মাজত ওপজা বাবে তেওঁৰ নাম পদ্মাও আছিল। জন্মৰ পিছতে কেঁচুৱা পদ্মা পদুমৰ ঠাৰিৰে সোমাই গৈ পাতালৰ নাগ-ৰাজ্যত পৰিছিল। তাতে সাপবোৰে শিৱৰ কন্যা বুলি জানি তেওঁক মৰমেৰে তুলি-তালি ডাঙৰ কৰিলে আৰু তেওঁৰ ৰূপ, শক্তি আৰু মহিমা দেখি নিজৰ গোসাঁনী বুলি মানি ল'লে। পাতালতে বহুকাল থকাৰ পিছত পদ্মা কৈলাসলৈ আহিল আৰু দেউতাক শিৱক লগ ধৰিলে। শিৱয়ো তেওঁক পাই ভাল পালে। বাকীবোৰ দেৱতাই পিছে সেই সাপৰ দেৱী গৰাকীক বৰকৈ লগ নিদিলে। পদ্মাই তেওঁলোকৰ লগত বহি কোনো পূজা-পাটলৰ ভাগ ল'ব নোৱাৰিলে।

শিৱৰ কন্যা আৰু গোসাঁনী হৈও মানুহৰ পূজা নাপাই পদ্মাৰ বৰ বেয়া লাগিল। তেওঁ যি কোনো প্ৰকাৰে পৃথিৱীত নিজৰ পূজা চলাবলৈ মন মেলিলে। তেওঁ ভাবিলে যে কোনোবা এজন বিখ্যাত মানুহে যদি তেওঁৰ পূজা কৰে, তেতিয়া বাকীবোৰ মানুহেও সেই কথাৰ অনুসৰণ কৰিব। তেওঁ বিচাৰি বিচাৰি পালেগৈ চান্দো সদাগৰক। চান্দো সদাগৰৰ ধন-সম্পত্তি, লগুৱা-লিকচৌ, গৰু-গাই, নাও আদিৰ সীমা-সংখ্যা নাছিল। গতিকে এদিন তেওঁ সদাগৰক সপোন দেখুৱাই ক'লে —

"মই মনসা গোসাঁনী। মোক পদ্মা বুলিও কোৱা হয়। তুমি মোক পূজা কৰা। তোমাক মই যি লাগে সকলো দিম।"

সদাগৰে সপেনাটোত কোনো গুৰুত্ব নিদিলে। এদিন এদিনকৈ কেইবাদিনো একে সপোন দেখুওৱাৰ পিছত এদিন মনসাই সপেনতে ক'লে —

"সদাগৰ, তুমি যদি মোক পূজা নকৰা তোমাৰ বৰ ডাঙৰ বিপদ হ'ব।"

সদাগৰে উত্তৰ দিলে — "মই একমাত্ৰ শিৱকহে পূজা কৰিম। তোমাৰ দৰে সামান্য সাপৰ দেৱী এজনী মোৰ পূজাৰ যোগ্য নহয়।

দেৱীৰ বৰ খং উঠিল। তেওঁ সদাগৰৰ অনিষ্ট কৰাৰ ছল চাবলৈ ধৰিলে। কিছুদিন

পিছত সদাগৰে সাতখন প্ৰকাণ্ড ডিঙাত অসংখ্য বয়বস্তু লৈ বণিজলৈ গৈছিল। বেপাৰত বহু লাভ কৰি তেওঁ ঘৰলৈ আহি আছিল। এনেতে তেওঁক শাস্তি দিবৰ বাবে গোসাঁনীয়ে সাগৰত প্ৰকাণ্ড ঢৌ তোলা প্ৰচণ্ড ধুমুহাৰ সৃষ্টি কৰিলে। সাগৰখন যেন বলিয়া হৈ হে উঠিল। সদাগৰৰ ডিঙা, অৰ্থাৎ ডাঙৰ ডাঙৰ নাওবোৰে টলং-ভটং কৰিবলৈ ধৰিলে। তেতিয়া গোসাঁনীয়ে দেখা দি ক'লে —

"এতিয়াও সময় আছে সদাগৰ। মোক পূজা কৰ। নহ'লে তোৰ সাতখন ডিঙা বুৰাই দিম।"

সদাগৰে উত্তৰ দিলে —

"যি হাতেৰে শিৱক পূজা কৰোঁ, সেই হাতেৰে তোমাক কেনেকৈ পূজা কৰিম, কেতিয়াও নকৰোঁ।" উত্তৰ শুনি পদ্মাৰ খং উঠিল। তেওঁ সাগৰৰ বুকুত সাতখন নাও বুৰাই দিলে। চান্দো সদাগৰৰ ছয়জন ল'ৰাও পানীত পৰি মৰিল। সদাগৰো সাগৰত পৰিল। পিছে তেওঁৰ হাতত হেমতাল নামেৰে শিৱই দিয়া লাঠি এডাল আছিল। সেইডালত ধৰি তেওঁ ভাঁহি থাকিল। হেমতাল থকাৰ বাবে পদ্মাই তেওঁক একো কৰিব নোৱাৰিলে।

ইফালে পদ্মা গোসাঁনীয়ে এজন বুঢ়া বামুণৰ বেশ লৈ আহি সদাগৰৰ ঘৰত লগুৱাবোৰৰ আগত ক'লেহি —

"দুদিন মানৰ পিছত পদ্মা নামৰ সাপৰ গোসাঁনীজনীয়ে তহঁতৰ ঘৰলৈ সদাগৰৰ বেশ ধৰি আহিব। তহঁতে তাইক ঘৰৰ ভিতৰলৈ সোমাবলৈ নিদিবি, দিলেই বিপদ হ'ব। তাইক বাহিৰৰ পৰা কোবাই কোবাই খেদাই পঠাবি।"

লগুৱাবোৰে সেই কথা সঁচা বুলি ভাবিলে। সেইবাবে পানীত তিতি-বুৰি, সা-সম্পত্তি, পুত্ৰ সকলোকে হেৰুৱাই কোনোমতে নিজৰ ঘৰ আহি পোৱা সদাগৰক সিহঁতে গোসাঁনীয়েহে ভাও ধৰি অহা বুলি ভাবি উধাই-মুধাই কোবাবলৈ ধৰিলে। চিঞৰ-বাখৰ শুনি তেওঁৰ পত্নী ওলাই আহিল আৰু হেমতাল দেখি বুজি পালে যে তেওঁ আচল সদাগৰেই হয়।

ইমানৰ পিছতো সদাগৰে নিজৰ আকোৰগোজ মনোভাব নেৰিলে, তেওঁ কোনোমতেই পদ্মাক পূজা কৰিবলৈ মান্তি নহ'ল। গোসাঁনীও কম নহয়। এদিন সদাগৰে শিৱ পূজা কৰি থাকোঁতে তেওঁ ছল কৰি ঘট এটাত সোমাই থাকিল, যাতে ক'ব নোৱাৰাকৈয়ে সদাগৰে তেওঁক পূজা কৰে। পিছে সদাগৰে কথাবাৰ গম পালে আৰু হেমতালেৰে ঘটটোত এক কোব মাৰিলে। গোসাঁনীয়ে বৰ দুখ পালে। খঙতে তেওঁ সদাগৰক অভিশাপ দিলে —

"তোৰ যিটো একমাত্ৰ ল'ৰা বাচি আছে, তাকো তাৰ বিয়াৰ দিনাই সাপে খুটি

মাৰিব।”

নুমলীয়া পুতেক লক্ষীন্দৰ সদাগৰৰ বৰ মৰমৰ আছিল। তাক গোসাঁনীৰ অভিশাপৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ বুদ্ধি বিচাৰিব ধৰিলে। তেওঁ বিচাৰি বিচাৰি এজনী সুলক্ষণীয়া ছোৱালীক পুতেকৰ বাবে ঠিক কৰিলে। তাইৰ নাম আছিল বেউলা। বেউলা আৰু লক্ষীন্দৰক বিয়াৰ দিনা ৰাতি এটা শিলৰ মেৰঘৰত থাকিবলৈ দিয়া হ'ল। তাত দেখাত ক'তো অকণমানি বিন্ধা এটাও নাছিল। গতিকে সাপ সোমাই খুটিব বুলিও কোনো ভয় নাছিল। পিছে সদাগৰে নজনাকৈ ঘৰ সজা কাৰিকৰজনে বেজি এটাৰ সমান বিন্ধা এটা থৈ তাত চিন দি সেন্দুৰ লগাই থৈছিল। কাৰণ তেনে নকৰিলে সাপেৰে খোটাই মাৰিব বুলি গোসাঁনীয়ে তাক ভয় দেখুৱাইছিল।

বেউলা আৰু লক্ষীন্দৰ মেৰঘৰত টোপনি যোৱাত পদ্মাই কালীনাগক পঠিয়াই দিলে লক্ষীন্দৰক খুটিবলৈ। সেই এধানমান বিন্ধাটোৰে মায়া কৰি ভিতৰলৈ সোমাই গৈ লক্ষীন্দৰক দেখি কালীনাগৰ বৰ মৰম লাগিল। কোনো দোষ নকৰাকৈ ল'ৰাটোক খুটিবলৈ তাৰ বেজাৰ লাগিল। এনেতে টোপনিতে বেউলাৰ হাতত থকা কটাৰি এখন পৰি নাগৰ নেজৰ আগডোখৰ কটা গ'ল। তেতিয়া সেইটো চেলুতে লক্ষীন্দৰক খোট মাৰি কালীনাগ আঁতৰি গ'ল। বিষ লাগি লক্ষীন্দৰৰ লগে লগে মৃত্যু হ'ল। বেউলাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

চান্দো সদাগৰে পুতেকৰ মৃত্যুত বৰ বেজাৰ পালে। তেওঁ বেউলাক নানা ভাবে সান্ত্বনা দিবলৈ ধৰিলে। তেতিয়া বেউলাই প্ৰতিজ্ঞা কৰিলে যে তেওঁ যি কোনো প্ৰকাৰে লক্ষীন্দৰক জীয়াই তুলিব। সকলোৰে অনুমতি লৈ এখন ভূৰত লক্ষীন্দৰৰ মৃতদেহটো তুলি বেউলাই নদীৰ পথেৰে স্বৰ্গলৈ যাত্ৰা কৰিলে।

বেউলাৰ মনোবল দেখি দেৱী মনসাই তেওঁক বাধা দিবলৈ বাৰে বাৰে যত্ন কৰিলে। ধুমুহা আহিল, বানপানী আহিল, দুষ্ট ডকাইতেও আমনি কৰিলে — কিন্তু একান্তভাৱে ভগৱানক ভাবি যোৱা বেউলাৰ একোৱেই নহ'ল। বহুদিন এইদৰে যোৱাৰ পিছত লক্ষীন্দৰৰ মৃতদেহটোত হাড়কেইডালহে মাত্ৰ আছিলগৈ। বেউলাই তাকে টোপোলা বান্ধি গৈ থাকিল। বাটতে এঠাইত স্বৰ্গৰ ধুবুনী নেতাক তেওঁ কাপোৰ ধুই থকা দেখিলে। তেওঁ বেউলাক বাট দেখুৱাই স্বৰ্গলৈ লৈ গ'ল।

বেউলা স্বৰ্গ পোৱা দেখি মনসা বা পদ্মাৰ বৰ চিন্তা লাগিল। তেওঁ আগে-আগে গৈ শিৱক ক'লে —

“পিতা, মই কিন্তু লক্ষীন্দৰৰ প্ৰাণ ঘূৰাই নিদিওঁ। তাৰ দেউতাকে মোৰ যি অপকাৰ আৰু অপমান কৰিছে মই তাৰ প্ৰতিশোধ ল'মেই।”

ইফালে স্বৰ্গৰ ৰাজসভাত বেউলাই কান্দি-কাটি সকলোকে লক্ষীন্দৰক জীয়াই

তুলিবলৈ কাকুতি-মিনতি কৰিছিল। দেৱতাসকলৰো মন গলি গৈছিল। পিছে লক্ষীন্দৰৰ জীউটো আছে পদ্মাৰ হাতত। গতিকে দেৱতাসকলে তেওঁক মাতি পঠিয়ালে। পদ্মাই আহিয়েই ক'লে —

"যেতিয়ালৈকে চান্দো সদাগৰে মোৰ পূজা নকৰে তেতিয়ালৈকে মই লক্ষীন্দৰক জীয়াই নিদিওঁ।"

দেৱতাসকলৰ মুখৰ মাত হৰিল। বেউলাই দেৱীৰ ভৰিত পৰি প্ৰাৰ্থনা কৰিলে, কিন্তু দেৱীৰ খং নকমিল। তেতিয়া শিৱই ক'লে —

"বাৰু, চান্দো সদাগৰৰ পৰা তোমাৰ পূজা আদায় কৰাৰ দায়িত্ব মই ল'লোঁ। এতিয়া লক্ষীন্দৰক জীয়াই দিয়া।"

শিৱৰ কথা মানি পদ্মাই লক্ষীন্দৰক জীয়াই তুলিলে। বেউলাই দেৱতাসকলক প্ৰণাম কৰি আনন্দমনেৰে স্বামীৰ লগত ঘৰলৈ আহিল। মৰা পুতেকক ঘূৰাই পাই সদাগৰে বৰ বং পালে। সকলোৱে বেউলাক প্ৰশংসা কৰিবলৈ ধৰিলে। এই ছেগতে শিৱই চান্দো সদাগৰক মনসা পূজা কৰিবলৈ আদেশ দিয়াত সদাগৰে ক'লে —

"প্ৰভু! সাপৰ দেৱী মনসাক পূজা কৰিবলৈ মোৰ মুঠেই মন নাই। তথাপিও মই বাৰু তেওঁৰ ফালে পিঠি দি বাঁওহাতেৰে এপাত বেলপাত মনসাৰ নামত দিম।"

এইবুলি কৈ চান্দো সদাগৰে বাঁও হাতেৰে বেলপাত এখিলা লৈ পূজাৰ বেদীলৈ পিঠি দি বহিল। লগে লগে দেৱী মনসাই ৰূপৰ জ্যোতিৰে চাৰিও ফালে পোহৰ কৰি অপূৰ্ব ৰূপেৰে দেখা দিলে। সেই ৰূপে সদাগৰৰ মন মুহি পেলালে। তেওঁ গোসাঁনীৰ চৰণত মূৰ থৈ দুই হাতেৰে প্ৰণাম কৰি তেওঁৰ বন্দনা কৰিবলৈ ধৰিলে। গোসাঁনী সন্তুষ্ট হ'ল, তেওঁ সদাগৰৰ মৃত ল'ৰা ছয়জনকো জীয়াই দিলে। ○

# সাবিত্ৰী আৰু যমৰজা

বহু বছৰ আগতে মদ্ৰদেশত অশ্বপতি নামে এজন ৰজা আছিল। তেওঁ সাবিত্ৰ দেৱতাক পূজা কৰি এজনী কন্যা সন্তান লাভ কৰিছিল। তাইৰ নাম দিয়া হৈছিল সাবিত্ৰী। সাবিত্ৰী অতি ধুনীয়া আছিল। তাই বৰ গুণৱতী আছিল। ৰজাই একমাত্ৰ জীয়েকক সকলো ধৰণৰ বিদ্যা শিকাইছিল। গতিকে দেশে দেশে সাবিত্ৰীৰ গুণৰ কথা বিয়পি পৰিছিল। তাৰ ফলত কিন্তু সাবিত্ৰীক বিয়া কৰাবলৈ কোনো ৰজা বা ৰাজকুমাৰ আগবাঢ়ি অহা নাছিল। তেওঁলোকে সাবিত্ৰীক নিজতকৈ ওপৰৰ বুলি ভাবিছিল।

ৰজাই মন্ত্ৰীৰ লগত আলোচনা কৰি ঠিক কৰিলে যে সাবিত্ৰীয়ে নিজৰ দৰা নিজেই ঠিক কৰি ল'ব। তাৰ বাবে তাই নানা দেশ ভ্ৰমণ কৰি উপযুক্ত স্বামীৰ সন্ধান কৰিব। দেশ চোৱাৰ আনন্দত সাবিত্ৰীও মান্তি হ'ল। সখীসকল আৰু মন্ত্ৰীৰ লগত তাই নানা নগৰ-চহৰ, গাঁও-ভূঁই আৰু অৰণ্যৰ মাজেদি ভ্ৰমণ কৰিবলৈ ধৰিলে। বহু ৰজা আৰু ৰাজকুমাৰক তাই লগ পালে, কিন্তু কোনো এজনকে তাই পচন্দ নহ'ল। এদিন এখন অৰণ্যৰ মাজেদি যাওঁতে তাই এজন ডেকা সন্ন্যাসীক দেখা পালে। তেওঁ দেখাত সুন্দৰ আছিল আৰু খোজ-কাটলো গম্ভীৰ আছিল। সাবিত্ৰীয়ে মন্ত্ৰীক ক'লে যে এইজন ডেকাকে তেওঁ বিয়া কৰাবলৈ বিচাৰে।

মন্ত্ৰীয়ে খবৰ কৰি গম পালে যে তেওঁ হ'ল ৰজা দ্যুমৎসেনৰ পুত্ৰ সত্যবান। দ্যুমৎসেন অন্ধ আছিল বাবে শত্ৰুৱে তেওঁক ৰাজ্যৰ পৰা খেদি পঠিয়াইছিল। ৰজা, ৰাণী আৰু ৰাজকুমাৰ সত্যবানে সন্ন্যাসীৰ দৰে বনতে থাকিবলৈ লৈছিল। সাবিত্ৰীয়ে নিজৰ দৰা বিচাৰি পোৱা বুলি শুনি মাক-দেউতাকে আনন্দ পালে আৰু বিয়াৰ আয়োজন কৰিলে। পিছে এদিন নাৰদে জনালে যে এই বিয়া নোহোৱাই মংগল। কাৰণ আৰু এবছৰৰ পিছতে ওঠৰ বছৰীয়া জন্মদিনৰ দিনাই সত্যবানৰ মৃত্যু হ'ব। সেই কথা শুনি ৰজা-ৰাণীৰো চিন্তা লাগিল। তেওঁলোকে সাবিত্ৰীক সত্যবানক বিয়া নকৰাবলৈ বুজনি দিলে। সাবিত্ৰীয়ে পিছে কাৰো কথা নুশুনিলে। গতিকে উপায় নাপাই মাক-দেউতাকে বনলৈ গৈ সত্যবানৰ লগত সাবিত্ৰীক বিয়া দি থৈ আহিল।

আশ্ৰমৰ দুখীয়া জীৱনত সাবিত্ৰীয়ে বৰ আনন্দ মনেৰে থাকিবলৈ ল'লে। অন্ধ শহুৰেক আৰু শাহুৱেকৰ যত্ন লৈ, সত্যবানৰ লগত ঘৰুৱা কাম কৰি, বনৰ ধুনীয়া শোভা

চাই এজনী সন্ন্যাসিনীৰ দৰে সাৱিত্ৰী সুখী হ'ল। কিন্তু নাৰদে কোৱাৰ দৰে সত্যৱানৰ মৃত্যুৰ কথা তাই পাহৰা নাছিল। মনে মনে দিন হিচাপ কৰি দুখ আৰু চিন্তাত তাই ব্যাকুল হৈ পৰিছিল। যিদিনা সত্যৱানৰ ওঠৰ বছৰ পূৰা হ'ল সেইদিনা সাৱিত্ৰীয়ে ভগৱানক ভাবি মনটো টান কৰি ল'লে। তাৰ পিছত খৰি কাটিবলৈ যোৱা সত্যৱানৰ লগে লগে সাৱিত্ৰীও বনৰ ভিতৰলৈ গ'ল। প্ৰতিমুহূৰ্তত তাই ভয় খাই আছিল। এবাৰ হঠাতে সত্যৱানৰ বৰ ভাগৰ লাগিল, তেওঁ শুই পৰিল আৰু লগে লগে মৃত্যু হ'ল। সাৱিত্ৰী শোকত কাতৰ হ'ল আৰু সত্যৱানৰ মূৰটো কোলাত লৈ বহি থাকিল। সত্যৱানৰ আত্মাটো নিবলৈ কেইটামান যমদূত আহিছিল যদিও সাৱিত্ৰীৰ পবিত্ৰ মনৰ শক্তিৰ বাবে সিহঁত ওচৰলৈ আহিব নোৱাৰিলে। তেতিয়া যম ৰজা নিজেই আহিল আৰু সাৱিত্ৰীক আঁতৰি যাবলৈ ক'লে। সাৱিত্ৰীয়ে হাতযোৰ কৰি যমক বন্দনা কৰি আঁতৰি দিলে। তাইৰ ভদ্ৰ ব্যৱহাৰত যমে বৰ ভাল পালে। যমে সত্যৱানৰ আত্মাটো লৈ যাবলৈ ধৰিলে। সাৱিত্ৰীয়েও তেওঁৰ পিছ ল'লে। অলপ দূৰ গৈ যমে উভটি চাই ক'লে — "তুমি মোৰ লগে লগে কিয় আহি আছা?"

"মোৰ স্বামী যলৈকে যায়, ময়ো তালৈ যাম।" — সাৱিত্ৰীয়ে ক'লে। যমে তেতিয়া ক'লে — "তুমি বৰ ভাল ছোৱালী, সত্যৱানৰ জীৱনৰ বাহিৰে যি বৰ খোজা মই তাকে তোমাক দিম।"

সাৱিত্ৰীয়ে তেতিয়া শহুৰেকৰ অন্ধ চকু ভাল হ'বলৈ বৰ খুজিলে। যম ৰজাৰ বাধা নুশুনি সাৱিত্ৰী লগে লগে যাবলৈ ধৰিলে। তাই যমৰ লগত ইমান ভক্তিৰে ইমান জ্ঞানৰ কথা পাতিবলৈ ধৰিলে যে যম মুগ্ধ হৈ পৰিল। তেওঁ সাৱিত্ৰীক এটাৰ পিছত এটাকৈ বৰ দিব ধৰিলে। সেইদৰে সাৱিত্ৰীয়ে দেউতাকৰ পুত্ৰ লাভ, শহুৰেকৰ ৰাজ্যলাভ আদি বৰ লোৱাৰ পিছত যমে টলকিবই নোৱাৰাকৈ নিজৰো এশ পুত্ৰ লাভৰ বৰ ল'লে। পুত্ৰ হ'বলৈ হ'লে মাক আৰু দেউতাক দুয়ো থাকিব লাগিব। গতিকে যমে সত্যৱানকো পুনৰ জীয়াই দিবলৈ বাধ্য হ'ল। তেওঁ সাৱিত্ৰীৰ বুদ্ধিৰ প্ৰশংসা কৰি তাইক আশীৰ্বাদ দিলে।

সাৱিত্ৰীয়ে নিজৰ বুদ্ধি আৰু ধৈৰ্যৰ বলত মৰা মানুহকো জীয়াই অসাধ্য সাধন কৰিলে। ○

# সূৰ্য দেৱতাৰ দুই পত্নী

বিশ্বকৰ্মাৰ জীয়েকৰ নাম আছিল সংজ্ঞা। তেওঁ ৰূপৱতী আৰু গুণৱতী আছিল। সংজ্ঞাই সৰুৰে পৰা সূৰ্যৰ পোহৰ ভাল পাইছিল, সূৰ্য থাকে মানে তাই মুকলিত খেলি থাকে। সূৰ্য মাৰ গ'লে ঘৰলৈ আহি মন মাৰি থাকে। তাইৰ স্বভাৱ দেখি বিয়াৰ বয়স হোৱাত দেউতাকে তাইক সূৰ্যদেৱতালৈ বিয়া দিবলৈ খুজিলে। তাই আনন্দেৰে মান্তি হ'ল। সূৰ্য দেৱতায়ো সংজ্ঞাৰ দৰে ধুনীয়া ছোৱালী এজনী পাই আনন্দ পালে।

সূৰ্য আৰু সংজ্ঞাৰ প্ৰথমটো সন্তানৰ নাম আছিল মনু। মনু বৰ জ্ঞানী আছিল। মনুৰ জ্ঞান আৰু বুদ্ধিৰ বাবে মাক-দেউতাকে গৌৰৱবোধ কৰিছিল। কিছুদিন সুখেৰে পাৰ কৰাৰ পিছত সংজ্ঞাৰ এটা বিপদ আহিল। কাৰণ গ্ৰীষ্মকাল অহাৰ লগে লগে সূৰ্যৰ ৰশ্মি চোকা হৈ আহিবলৈ ধৰিলে। সংজ্ঞাই সূৰ্যক সহ্য কৰিব নোৱাৰা হ'ল। তাই সূৰ্যৰ ওচৰত নিজৰ চকু দুটা হাতেৰে ঢাকি নাইবা আনফালে মুখ ঘূৰাই থাকিবলৈ ধৰিলে। তাইৰ এনে কাণ্ডত সূৰ্যদেৱতাৰ বৰ খং উঠিল। ফলত তেওঁৰ চকু আগতকৈও চোকা হৈ উঠিল। বেচেৰী সংজ্ঞাই তেওঁৰ পৰা আঁতৰি ফুৰা দেখি সূৰ্যই খঙতে অভিশাপ দি ক'লে — "তোমাৰ নতুন কেঁচুৱাটো মৃত্যুৰ দেৱতা হ'ব। তুমি যিদৰে কঁপি আছা সেইদৰে তোমাৰ কঁপি থকা চঞ্চল ছোৱালী এজনীও হ'ব।

সেইমতে সংজ্ঞাৰ যম আৰু যমী নামৰ এহাল ল'ৰা-ছোৱালী হ'ল। ভয়ংকৰ চেহেৰাৰ যম পিছলৈ মৃত্যুৰ অধিপতি হৈছিল।

সূৰ্যৰ লগত একেলগে থাকিবলৈ ভয় খাই সংজ্ঞাই ঘৰ এৰি পলাই গ'ল। কিন্তু নিজৰ ল'ৰা-ছোৱালী আৰু সূৰ্যক যত্ন কৰিবলৈ কোনো নথকাৰ বাবে তাইৰ মনটো বেয়া লাগি থাকিল। এখন নদীৰ পাৰত বহি থাকোঁতে পানীত নিজৰ ছাঁটো দেখি এটা বুদ্ধি বিচাৰি পালে। নিজৰ ছাঁটোক তাই এজনী ছোৱালীৰ দৰে প্ৰাণ দি উঠাই আনিলে। দেখাত অবিকল নিজৰ দৰে সেই ছোৱালীজনীক সংজ্ঞাই ক'লে, "শুনা ছায়া, তুমি মোৰ ঘৰলৈ গৈ মোৰ পৰিয়ালটোৰ আল-পৈচান ধৰাগৈ। মোৰ ল'ৰা-ছোৱালীকেইটাকো মৰম কৰিবা। মই আকৌ তালৈ গ'লে তুমি গুচি আহিব পাৰিবা।"

ছায়া ভয়ে ভয়ে সূৰ্যৰ ঘৰলৈ আহিল। সূৰ্যই তাইক সংজ্ঞা বুলিয়েই ভাবি থাকিল। মনু, যম আৰু যমীক নিজৰ ল'ৰা-ছোৱালীৰ দৰে মৰম কৰিবলৈ ধৰিলে। কিন্তু কিছুদিনৰ পিছত যেতিয়া ছায়াৰ নিজৰ ল'ৰা-ছোৱালী হ'ল, তাই সংজ্ঞাৰ ল'ৰা-ছোৱালীকেইটাক

মৰম নকৰা হ'ল। এবছৰমানৰ পিছত ছায়াই বুজিলে যে সংজ্ঞা আৰু সূৰ্যৰ ওচৰলৈ ঘূৰি অহাৰ আশা নাই। গতিকে মনু, যম আৰু যমীক তাই ছল পালেই গালি-শপনি পৰা হ'ল। খোৱা-বোৱাতো কষ্ট দি দুখ দিবলৈ ধৰিলে। তাইৰ অত্যাচাৰ সহিব নোৱাৰি ল'ৰা-ছোৱালীকেইটাই এদিন দেউতাক সূৰ্যক ক'লেগৈ —

"দেউতা, এইজনী আমাৰ মা নিশ্চয় নহয়। মাকে নিজৰ ল'ৰা-ছোৱালীক কেতিয়াও কষ্ট নিদিয়ে। আমাৰ আচল মা বাৰু ক'ত আছে? সূৰ্যয়ো কথাটো মন কৰিছিল। দুদিনমানৰ পৰা তেওঁ নিজেও ছায়াক সন্দেহ কৰিবলৈ লৈছিল, গতিকে পুতেকহঁতৰ কথা শুনি তেওঁ ছায়াক মাতি আনি খঙেৰে সুধিলে — "তুমি আচলতে কোন সঁচা কথা কোৱা।" খঙতে সূৰ্যৰ চকুৰ পোহৰ ইমান চোকা হৈ উঠিল যে ছায়া তেতিয়া ভয়তে কঁপিবলৈ ধৰিলে।

"প্ৰভু, মই ছায়া। সংজ্ঞাৰ ছায়া।" — তাই ভয়তে কঁপি কঁপি ক'লে।

"সংজ্ঞা এতিয়া ক'ত?" — সূৰ্যই আৰু খঙেৰে সুধিলে। "প্ৰভু, আপেনাৰ আ পোনাকেইটাৰ যত্ন ল'বৰ বাবে মোক সৃষ্টি কৰি সংজ্ঞা আপোনাৰ ভয়তে ক'ৰবাত লুকাই আছে।"

ছায়াৰ কথা শুনি সংজ্ঞাৰ বাবে সূৰ্যৰ মৰম লাগিল। তেওঁ বিশ্বকৰ্মাৰ ঘৰলৈ গৈ সংজ্ঞাৰ খবৰ ল'লে। বিশ্বকৰ্মাই ক'লে — "সংজ্ঞা মোৰ ঘৰত দুদিনমান আছিল হয়। তাৰ পিছত তাই এজনী বগা ঘোঁৰা হৈ নদীৰ পাৰত তপস্যা কৰি আছে।"

তেতিয়া বিশ্বকৰ্মা আৰু সূৰ্য একেলগে নদীৰ পাৰলৈ গ'ল। তাতে ঘোঁৰা হৈ থকা সংজ্ঞাক সূৰ্যই মাতিলে — "সংজ্ঞা, আগৰ ৰূপ লৈ মোৰ ওচৰলৈ আহা। মই তোমাক ক্ষমা কৰিছোঁ।"

সংজ্ঞাই আৰু দূৰলৈ পলাই গৈ ক'লে — "প্ৰভু, আপোনাৰ চকুৰ পোহৰ মই সহ্য কৰিব পৰা নাই। তপস্যাৰ দ্বাৰা সহিব পৰা শক্তি পালেহে ই পুনৰ ঘৰলৈ যাম।"

বিশ্বকৰ্মাই তেতিয়া তেওঁৰ বিশেষ অস্ত্ৰ লৈ সূৰ্যৰ চোকা ৰশ্মিৰ আঠ ভাগৰ এভাগ কাটি তাক সহিব পৰা কৰি দিলে। লগে লগে সংজ্ঞা আগৰ দৰে সূৰ্যৰ ওচৰলৈ আহিল। ঘৰত মনু, যম আৰু যমীয়ে মাকক পাই বৰ আনন্দ পালে। ছায়াই হাতযোৰ কৰি সংজ্ঞাক ক'লে — "সংজ্ঞা মোক গুচি যাবলৈ নক'বা। মোৰ নিজৰ ল'ৰা-ছোৱালীকেইটাক মই কেনেকৈ এৰি যাম। মোক ক্ষমা কৰা।"

সংজ্ঞা আৰু সূৰ্যই ছায়াক ক্ষমা কৰিলে। ছায়াৰো স্বভাবৰ পৰিবৰ্তন হ'ল। তাই মৰম, যত্ন আৰু নম্ৰ ব্যৱহাৰেৰে সদায় সূৰ্য, সংজ্ঞা আৰু ল'ৰা-ছোৱালীবোৰৰ যত্ন ল'বলৈ ধৰিলে।

অশ্বিনী অৰ্থাৎ মাইকী ঘোঁৰা হৈ থকা কালত সংজ্ঞাৰ দুটি যঁজা কেঁচুৱা হৈছিল। তেওঁলোক পিছলৈ অশ্বিনীকুমৰ নামেৰে দেৱতাসকলৰ চিকিৎসক হৈছিল। ○

*(মাৰ্কণ্ডেয় পুৰাণৰ কাহিনী)*

# যমৰ ঘৰত জীয়া মানুহ

যমৰ নগৰৰ নাম সঞ্জীৱনীপুৰ। এখন আন্ধাৰ-মুন্ধাৰ, ৰং-ধেমালি নোহোৱা ঠাই। তাত থাকি থাকি যমৰ ৰাণীৰ আমনি লাগিল। দিনে-ৰাতিয়ে মৰা মানুহবোৰ দেখি দেখি তেওঁৰ জীয়া মানুহ চাবলৈ মন গ'ল। ৰাণীয়ে যমক ক'লে —

"আপোনাৰ এই ৰাজ্যত মৰা মানুহবোৰ দেখি দেখি মোৰ আমনি লাগিছে। যেনেতেনে জীয়া মানুহ এটা আনি মোক দেখুৱাওক।"

যমে ক'লে — "ৰাণী, কি কথা কৈছা। মোৰ অধিকাৰ কেৱল মৰা মানুহৰ ওপৰতহে। জীয়া মানুহ মই ক'ৰপৰা আনিম।"

যমৰ কথা শুনি ৰাণীয়ে ঠেহ পাতি ভাত-পানী এৰিলে। মাত-বোলো বন্ধ কৰিলে। যমে দেখিলে যে ৰাণীক কোনোমতেই বুজাব নোৱাৰি। যমক দেখিলেই তেওঁ আনফালে মুখ কৰে। উপায় নাপাই যমে পৃথিৱীত থকা তেওঁৰ বন্ধু ৰজা এজনলৈ চিঠি দিলে, দুদিনমানৰ বাবে এজন জীয়া মানুহ বিচাৰি।

পৃথিৱীৰ ৰজা বিপদত পৰিল। কোনজন মানুহকনো তেওঁ জীয়াই জীয়াই যমৰ ঘৰলৈ পঠিয়াব। শেষত তেওঁ ঢোল কোবাই জাননী দিলে যে, যাৰ ইচ্ছা আছে যমৰ ৰাজ্যলৈ যাব পাৰে। তাৰ বাবে পুৰস্কাৰো দিয়া হ'ব। কোনো মানুহ আগবাঢ়ি নাহিল। যমৰ নগৰ চাবলৈ কাৰো আগ্ৰহ নহ'ল।

সেই ৰাজ্যৰ কাৰাগাৰত এটা দগধা চোৰ বন্দী হৈ আছিল। তাৰ শাস্তি আছিল গোটেই জীৱনৰ বাবে কাৰাগাৰত থকা। ইতিমধ্যে সি বিছ বছৰমান বন্দী হৈ আছিল। ৰজাৰ জাননী পাই সি ভাবিলে, "মোৰ এই ৰ'দ বতাহ সোমাব নোৱাৰা আন্ধাৰ কোঠালিটোতকৈ যমৰ নগৰনো কি বেয়া হ'ব। ইয়াত চাৰিওফালে দুৰ্গন্ধ, খাবলৈও পাওঁ আধাসিজা সোৱাদ নোহোৱা আহাৰ। এইদৰে গোটেই জীৱন কটোৱাতকৈ যমৰ দেশখন চাই অহানো কি বেয়া কথা হ'ব।" এইদৰে ভাবি সি ৰজালৈ বাতৰি পঠিয়ালে যে যমৰ নগৰলৈ সি যাব। ৰজায়ো ভাল পালে। যমদূতৰ লগত তাকেই যমৰ নগৰলৈ পঠিওৱা হ'ল।

যমৰ ৰাজসভাত তেতিয়া মৰা মানুহৰ পাপৰ বিচাৰ চলি আছিল। যম সিংহাসনত বহি আছিল। মানুহটো সেই সভাত সোমোৱা দেখি সকলোৱে আচৰিত হৈ চালে। বিছ বছৰ কাৰাগাৰত থকাৰ বাবে তাৰ দাড়ি বাঢ়ি পেট পাইছিলহি, চুলি জপৰা হৈ পিঠি ভৰি

পৰিছিল। হাত-ভৰিৰ নখবোৰ বাঢ়ি বাঢ়ি ভয়লগা হৈছিল। কাপোৰ-কানি আছিল ক'লা আৰু ফটা-ছিঁটা। সোমায়েই মানুহটোৱে ভয়লগা মাতেৰে সুধিলে —

"তয়ে হ'বলা যম? নিৰ্দোষ মানুহবোৰক মাৰি মাৰি ৰং চাইছ নহয়? মোৰ আই-বোপাইক কেলেই মাৰিলি ক?" এইবুলি কৈ সি যমৰ ফালে এটা প্ৰচণ্ড চোঁচা ল'লে যে যমে সিংহাসন এৰি ভিতৰলৈ দৌৰ দিলে। ৰখীয়া-পৰীয়া আটাইবোৰ পলাল। মানুহটোৱে আৰামকৈ যমৰ সিংহাসনত বহি ৰাজদণ্ড তুলি ল'লে।

যম পলাই অহা দেখি ৰাণীয়ে ভিতৰৰ পৰা জুমি চালে। পিছে চাওঁতেই মানুহটোৱে দেখা পালে। সি ভয়লগা মাতেৰে ক'লে —

"সেইজনী কোনে জুমিছ ওলাই আহ।"

ভয় খাই ৰাণী চুকত সোমাল। জীয়া মানুহৰ ৰূপ দেখি তেওঁ থক্ থক্‌কৈ কঁপিবলৈ ধৰিলে।

মানুহটো যমৰ আসনৰ পৰা নুঠা হ'ল। হাতত ৰাজদণ্ড লৈ সি যি মন যায় তা করিবলৈ ধৰিলে। কেতিয়াবা দিনৰ পিছত দিন পৃথিৱীত মানুহ নমৰে, কেতিয়াবা আকৌ আয়ুস শেষ হ'লনে নাই নোচোৱাকৈ যাকে তাকে মাৰি আনে। তাৰ অতপালিত যমৰ বিলাই নোহোৱা হ'ল। তেওঁ ৰাণীক কয় — "আনিছিলা নহয় জীয়া মানুহটো — এতিয়া চাই থাকাগৈ যোৱা। লুকাই আছা কিয়?" ৰাণীয়ে কয় — "কিবা এটা বুদ্ধি কৰি তাক খেদকচোন।"

মানুহটোক কেনেকৈ ঘূৰাই পঠিয়াব পাৰি তাকে তেওঁলোকে ভাবিবলৈ ধৰিলে। যমে গৈ স্বৰ্গৰ দেৱতাসকলক তেওঁৰ বিপদৰ কথা কৈ যি কোনো প্ৰকাৰে মানুহটোক ঘূৰাই পঠিয়াবলৈ অনুৰোধ কৰিলে। তেওঁৰ অনুৰোধত যমৰ ৰাজ্যলৈ আহিল বিধাতা। বিধাতাই মানুহটোলৈ চাই ক'লে —

"হেৰা, পৃথিৱীৰ মানুহ। তোমাক যি লাগে তাকে দিওঁ, তুমি পৃথিৱীলৈ যোৱাগৈ।'।' মানুহটোৱে বহি থকাৰে পৰা সুধিলে, "তইনো কোন?" বিধাতাই উত্তৰ দিলে, "মই বিধাতা। মানুহৰ ভাগ্যত কি হ'ব কি নহ'ব মই লিখি দিওঁ। তোমাক যি লাগে মই তাকে দিম।"

লাঠি জোকাৰি মানুহটোৱে ক'লে — "তয়ে তেন্তে বিধাতা? তোকেই মই ইমানদিনে বিচাৰি আছিলোঁ। মোৰ ভাগ্যত তয়েই কাৰাগাৰত থকাৰ কথা লিখিছিলি নহয়? তোৰ বাবেই মই ইমান দিনে কষ্ট পালো। আজি তই কেনেকৈ সাৰিবি।" এইবুলি কৈ মানুহটোৱে লাঠি দাঙি খেদি অহা দেখি বিধাতাই প্ৰাণৰ ভয়ত লৰ মাৰিলে।

এইবাৰ আহিল এন্দুৰৰ পিঠিত উঠি গনেশ, তেওঁ দূৰৰ পৰা ক'লে —

"হেৰা মানুহ ! মই সিদ্ধিদাতা গণেশ। মোৰ ওচৰত যি বিচাৰা তাকে সফল হয়। তুমি মোৰ পৰা এটা বৰ লৈ ইয়াৰ পৰা যোৱাগৈ।" মানুহটোৱে জাঁপ মাৰি উঠি ক'লে—

"কবি বছৰ কাল শাস্তি খাই থাকোঁতে যে মই মকলি হ'বলৈ প্ৰাৰ্থনা কৰি আছিলোঁ.

সেই প্ৰাৰ্থনা শুনিছিলিনে? আকৌ বোলে যি বিচাৰা, তাকে পায়!"

গতি বেয়া দেখি গণেশো পলাল, এইদৰে কেইবাজনো দেৱতা আহিল, কিন্তু মানুহটোৰ গতি-গোত্ৰ দেখি কাৰো কাষ চাপিবলৈ সাহ নহ'ল।

তাকে দেখি আহিল লক্ষ্মী গোসাঁনী। ৰূপৰ পোহৰত যমপুৰী উজ্জ্বল কৰি ৰুণকুজুনুক অলংকাৰ পিন্ধি তেওঁ ভয়ে ভয়ে থিয় দিয়াত মানুহটোৱে চকু ঘোপা কৰি সুধিলে —

"তুমি আকৌ কোন?"

"মই লক্ষ্মী গোসাঁনী। সুখ, শান্তি আৰু ধন-সম্পদৰ দেৱী। তোমাক বৰ দিবলৈ আহিছোঁ।"

"এতিয়া বৰ দিবলৈ আহিছা? যোৱা কুৰি বছৰে তুমি ক'ত আছিলা? মোক সুখ-শান্তি আৰু ধন-সম্পত্তি দিছিলানে? কাৰাগাৰৰ আন্ধাৰত যমৰ যন্ত্ৰণা খাই কষ্টবোধ কৰোঁতে তুমি ক'ত আছিলা?" এইদৰে কৈ মানুহটো থিয় হোৱা দেখি লক্ষ্মীয়ে উভটি লৰ দিলে। লক্ষ্মীৰ দুৰ্গতি দেখি সৰস্বতী আহিল। বৰ শান্তভাবে তেওঁ দূৰৰ পৰা ক'লে—

"মোক চিনি পাইছানে? মই বিদ্যাৰ দেৱী?"

মানুহটোৱে হুংকাৰ দি ক'লে —

"তাৰ মানে মোক চুৰি বিদ্যা তুমিয়েই শিকাইছিলা?" কথা বিষম দেখি সৰস্বতীয়ে বিদায় ল'লে। গুজৰি-গুমৰি আহি মানুহটো আকৌ সিংহাসনত বহিল।

অলপ পিছতে এগৰাকী দেৱী আহিল। তেওঁৰ গাত তৰাফুল বছা ক'লা কাপোৰ। তেওঁক দেখি শান্তিত মানুহটোৰ চকু মুদ খাই আহিল। সি সুধিলে —

"আই, তুমি কোন? তোমাক দেখি মোৰ ইমান ভাল লাগিছে।"

দেৱীয়ে ক'লে — "বাছা, মই নিদ্ৰাদেৱী।"

মানুহটোৱে হাতযোৰ কৰি ক'লে — "আই, তুমিহে প্ৰকৃত দেৱী। তুমি ধনী-দুখীয়া সকলোকে সমানে টোপনি বিলোৱা। মোৰ কষ্টভৰা দিনবোৰতো তুমিহে মোক শান্তি দিছিলা। তোমাক কি লাগে আই?"

নিদ্ৰাদেৱীয়ে ক'লে —

"বাছা, যমৰ দেশত জীয়া মানুহ থাকিব নোৱাৰে। তুমি পৃথিৱীলৈ যোৱাগৈ। দেৱতাসকলে তোমাক পৃথিৱীত ৰজা পাতিব।"

"সেয়ে হ'ব আই" বুলি মানুহটো টোপনি গ'ল। লগে লগে যম ৰজাই তাক পৃথিৱীলৈ পঠিয়াই ৰজা হোৱাৰ ব্যৱস্থা কৰিলে।

যম ৰক্ষা পৰিল। তেওঁৰ ৰাণীয়ে বুজিলে যে জীয়া মানুহতকৈ মৰা মানুহেই ভাল। ○

# গণেশৰ কথা

শিবৰ লগত বিয়া হোৱাৰ পিছত পাৰ্বতীয়ে কৈলাশত ঘৰ পাতি সুখেৰে আছিল। কিছুদিনৰ পিছত তেওঁ ভাবিলে যে কেঁচুৱা এটা নাথাকিলে ঘৰখন ভাল নালাগে। তেওঁ মনে মনে প্ৰায়ে কেঁচুৱাৰ কথা ভাবিব ধৰিলে। এদিন ৰাতি শুই থাকোঁতে তেওঁ বাহিৰত আলহীৰ মাত শুনিলে। ওলাই গৈ দেখে যে এজন বৃদ্ধ ব্ৰাহ্মণ। ব্ৰাহ্মণে ক'লে —

"হে ভগৱতী, ভোকত মোৰ প্ৰাণ যায়, কিবা খাবলৈ দিয়া।"

প্ৰকৃততে ব্ৰাহ্মণজন আছিল ভগৱান বিষ্ণু। তেওঁ পাৰ্বতীৰ মনৰ ইচ্ছা জানিব পাৰি আৰু মনে মনে কৰা প্ৰাৰ্থনা শুনি এটি সন্তান উপহাৰ দিবলৈহে আহিছিল। পাৰ্বতীয়ে ব্ৰাহ্মণজনক যতনেৰে আলপৈচান ধৰি খাবলৈ দিলে। খাই-বৈ উঠি ব্ৰাহ্মণে ক'লে —

"তোমাৰ শয্যাত কিবা এটা আছে, চোৱাগৈ চোন!" পাৰ্বতীয়ে ভিতৰলৈ আহি দেখে, জোন যেন ধুনীয়া এটা কেঁচুৱাই বিছনাত হাঁহি আছে। মনৰ আনন্দতে তেওঁ কেঁচুৱাটো বুকুত চপাই ল'লে আৰু শিৱক চাবলৈ মাতিলে। শিৱয়ো ধুনীয়া ল'ৰাটো দেখি বৰ আনন্দ পালে।

পিছদিনাৰে পৰা কৈলাসত ডাঙৰ উৎসৱ আৰম্ভ হ'ল। শিৱ-পাৰ্বতীৰ ল'ৰা হোৱাৰ আনন্দত সকলো শিৱৰ অনুচৰে আনন্দ কৰিবলৈ ধৰিলে। সকলো দেৱতাকে নিমন্ত্ৰণ কৰা হ'ল। পাৰ্বতীয়ে এখন সোণৰ সিংহাসনত বহি কোলাৰ কেঁচুৱাটো সকলোকে দেখুৱাই গৌৰৱ কৰিলে। দেৱতাসকলেও বৰ প্ৰশংসা কৰি নানা উপহাৰ আগবঢ়ালে। সকলো দেৱতা ল'ৰা চাবলৈ আহিল, শনিৰ বাহিৰে। শনি নহা দেখি বেয়া পাই পাৰ্বতীয়ে তেওঁক খবৰ দি মতাই অনালে। শনি আহিল। পিছে তেওঁ মুখখন আনফালে ঘূৰাই থাকিলে। দেৱীয়ে সুধিলে—

"শনিশ্চৰ তুমি মোৰ ল'ৰাটোলৈ নোচোৱা কিয়? চোৱাচোন সি কেনে মৰম লগাটো হৈছে!" শনিয়ে ক'লে — "দেৱী, মই তাৰ মুখলৈ নাচাওঁ, ইয়াৰ পৰাই আশীৰ্বাদ দিছোঁ।"

দেৱী পাৰ্বতীয়ে নুশুনিলে। বাৰে বাৰে জোৰ কৰি তেওঁ বেঁকাকৈ হ'লেও গণেশৰ ফালে চাবলৈ শনিক বাধ্য কৰিলে, লগে লগে গণেশৰ মূৰটো ভস্ম হৈ গ'ল। এনে অঘটন ঘটা দেখি পাৰ্বতীয়ে বিনাই বিনাই কান্দিবলৈ ধৰিলে। দেৱতাসকলো হতভম্ব

হ'ল। তাৰ পিছত পাৰ্বতীৰ খং উঠিল, পুতেকক জীয়াই নিদিলে সকলোকে ধ্বংস কৰিব বুলি তেওঁ ঘোষণা কৰিলে। দেৱতাসকলে বৰ চিন্তা কৰি কিবা এটা উপায় বিচাৰিব ধৰিলে।

তেতিয়া বিষ্ণুৱে ইন্দ্ৰক ক'লে — "ইয়াৰপৰা পূবফাললৈ যোৱা। যিটো জন্তুকে প্ৰথমে দেখিবা, তাৰে মূৰটো কাটি আনি গণেশৰ ডিঙিত জোৰা লগাই দিয়া।"

সেইমতে ইন্দ্ৰই পূবফালে যাত্ৰা কৰিলে। গৈ দেখিলে যে এঠাইত শুকুলা বৰণৰ ঐৰাৱত হাতী শুই আছে। তেওঁ বজ্ৰ মাৰি ঐৰাৱতৰ মূৰটো কাটি পেলালে। দেৱতাৰ চিকিৎসক অশ্বিনীকুমাৰে সেই মূৰটো গণেশৰ ডিঙিত লগাই দিলে। হাতীমূৰীয়া গণেশ জী উঠিল। তাকে দেখি মাক পাৰ্বতীৰ বৰ ৰং লাগিল।

গণেশ মাকৰ বৰ মৰমৰ আৰু বৰ বাধ্য আছিল। এদিন গণেশক দুৱাৰমুখত ৰখীয়া থৈ পাৰ্বতী আৰু শিৱই দুপৰীয়া বিশ্ৰাম কৰি কথা পাতি আছিল। সেই সময়তে শিৱক লগ পাবলৈ পৰশুৰাম আহিল। গণেশে পৰশুৰামক ভিতৰলৈ সোমাবলৈ নিদিয়াত দুয়োৰে যুদ্ধ লাগিল। পৰশুৰামৰ শক্তি বৰ বেছি। তেওঁ গধুৰ অস্ত্ৰৰে আঘাত কৰি গণেশৰ এটা দাঁত ভাঙি পেলালে। দুখ পাই গনেশে কান্দিবলৈ ধৰিলে। কান্দোনৰ শব্দ শুনি বাহিৰলৈ ওলাই আহি সেই দৃশ্য দেখি পাৰ্বতীৰ বৰ খং উঠিল। তেওঁ পৰশুৰামক অভিশাপ দিবলৈ সাজু হ'ল। পিছে পৰশুৰাম পৰম শিৱভক্ত আছিল বাবে শিৱই তেওঁ ক্ষমা কৰিবলৈ কোৱাত পাৰ্বতী শান্ত হ'ল। তেওঁৰ মনৰ বেজাৰ কিন্তু নাতৰিল।

পাৰ্বতীৰ বেজাৰৰ কথা জানিব পাৰি বিষ্ণুৱে আহি সান্ত্বনা দি ক'লে —

"তোমাৰ এই পুত্ৰ আজিৰ পৰা একদন্ত গজানন নামেৰেও বিখ্যাত হ'ব। সকলো দেৱতাৰে পূজাত প্ৰথমতে গণেশক পূজা কৰি লোবাৰ নিয়ম হ'ব। তেওঁৰ নাম ল'লেই বিঘিনি আঁতৰ হ'ব।"

তেতিয়াহে পাৰ্বতীৰ মুখত হাঁহি ওলাল। তেওঁ গণেশক কোলাত লৈ আকৌ সুখী হ'ল। ○

# গণেশৰ বুদ্ধি

গণেশ আৰু কাৰ্তিক দুয়ো পাৰ্বতীৰ চেনেহৰ ল'ৰা। গণেশ সহজ-সৰল, হৃষ্ট-পুষ্ট চেহেৰাৰ। কাৰ্তিক আকৌ বৰ ধুনীয়া, ধনু-কাঁড় মৰাতো নিপুণ। গণেশৰ বাহন হ'ল এটা এন্দুৰ, কাৰ্তিকৰ বাহন এটা ফুলাম ময়ূৰ। গণেশৰ জ্ঞান আৰু বুদ্ধিৰ সকলোৱে প্ৰশংসা কৰে। সেইদৰে কাৰ্তিকক প্ৰশংসা কৰে ৰূপ আৰু কৌশলৰ বাবে।

শিৱ-পাৰ্বতীৰ এই দুই পুত্ৰৰ মাজত এদিন কথাই কথাই আলোচনা হ'ল যে কোন শ্ৰেষ্ঠ। দুয়োঁজনে নানা যুক্তি দেখুৱাই নিজকে ডাঙৰ বুলি ক'বলৈ ধৰিলে। আলোচনা গৈ তৰ্কত পৰিণত হ'ল। লাহে লাহে দুয়োৰে মাত-কথা ডাঙৰ হৈ আহিল। শেষত দুয়ো চিঞৰি-বাখৰি কাজিয়া কৰিবলৈ ধৰিলে। উপায় নাপাই মাক পাৰ্বতীয়ে ভিতৰৰ পৰা আহি ক'লেহি —

"তোমালোকৰ কি হৈছে? শিৱৰ পুত্ৰ হৈ সাধাৰণ ল'ৰাৰ দৰে কাজিয়া কৰিবলৈ লাজ লগা নাই নে?"

গণেশ-কাৰ্তিকে ওপৰা-উপৰিকৈ ক'লে —

"চোৱাচোন আই, মই জানো শ্ৰেষ্ঠ নহয়? তুমি বিচাৰ কৰাচোন!"

পাৰ্বতী মহা বিপদত পৰিল। এটিক শ্ৰেষ্ঠ বুলি ক'লে আনটিয়ে বেজাৰ পাব, গতিকে বুদ্ধি কৰি ক'লে —

"তোমালোক দুয়ো এতিয়াই পৃথিৱীখন প্ৰদক্ষিণ কৰিবলৈ যোৱা। পৃথিৱীৰ চাৰিওফালে এপাক মাৰি যিজনে আগতে ঘূৰি আহিবা, তেওঁকেই শ্ৰেষ্ঠ বুলি মানি ল'ম।"

মাকৰ কথা শুনি কাৰ্তিকৰ বৰ ৰং লাগিল। তেওঁ লগে লগে ময়ূৰত উঠি উৰা মাৰিলেই। গণেশৰ কিন্তু চিন্তা লাগিল। শকত গাটোৰে এন্দুৰত উঠি তেওঁ কাৰ্তিকতকৈ আগতে কেতিয়াও পৃথিৱী প্ৰদক্ষিণ কৰিব নোৱাৰে। গতিকে গণেশে এটা বুদ্ধি কৰিলে। তেওঁ হাতযোৰ কৰি মাকৰ চাৰিওফালে পাক এটা মাৰি আহি প্ৰণাম কৰি ৰৈ থাকিল। পাৰ্বতীয়ে সুধিলে —

"বাচা, কিয় ৰৈ আছা? পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ নোযোৱা কিয়?"

গণেশে উত্তৰ দিলে —

"আই, মোৰ বাবে তুমিয়েই পৃথিবী। কাৰণ মাতৃ হ'ল পৃথিবীতকৈও মহান। সেইবাবে মই এনেকৈয়ে পৃথিবী প্ৰদক্ষিণ কৰিলোঁ।"

পাৰ্বতীয়ে পুতেকৰ বুদ্ধি দেখি সন্তোষ পালে, দূৰৰ পৰা সকলো চাই থকা শিৱই ক'লে —

"পাৰ্বতী, গণেশৰ পৃথিবী প্ৰদক্ষিণ হৈ গ'ল। গতিকে গণেশেই শ্ৰেষ্ঠ বুলি ধৰা।"

কিছু সময়ৰ পিছত ভাগৰি-জুগৰি অহা কাৰ্তিকে কথাবোৰ শুনি বেয়া পালে যদিও গণেশৰ বুদ্ধি দেখি মানি ল'লে যে গণেশ সঁচাকৈয়ে শ্ৰেষ্ঠ। ○

# কাৰ্তিকৰ কথা

শিৱৰ পুত্ৰ কাৰ্তিক কেঁচুৱাতে হেৰাইছিল, কিবা প্ৰকাৰে পানীত পৰি তেওঁ উটি গ'ল। গৈ গৈ নদীৰ কাষৰে শৰবন নামৰ ঘাঁহনি এডৰাত লাগি ধৰি তেওঁ কান্দিবলৈ ধৰিলে।

আকাশত আছিল ছজনী তৰা। তাৰে এজনীৰ নাম কৃত্তিকা। তেওঁলোকৰ মনত সদায়ে কেঁচুৱা এটাৰ বাবে হেঁপাহ। অকলে অকলে আকাশত পোহৰ বিলাই তেওঁলোকৰ আমনি লাগিছিল। তেওঁলোকৰ কাণত কেঁচুৱাৰ কান্দোন পৰাত পৃথিৱীলৈ চাই দেখিলে যে নদীৰ ঘাঁহনিত লাগি অকণমানি কেঁচুৱা এটাই কান্দি আছে। মৰম লাগি সেই কেঁচুৱাটো তেওঁলোকে উঠাই ল'লে আৰু নিজৰ ঠাই নক্ষত্ৰ লোকলৈ লৈ গ'ল।

কেঁচুৱাটিৰ এতিয়া ছজনী ধাইমাক হ'ল। ছফালৰ ছখন মৰমভৰা মুখ দেখি সি এবাৰ ইফালে, এবাৰ সিফালে চাবলৈ ধৰিলে। লগে লগে তাৰ ছটা মুৰ হ'ল। তাকে দেখি তৰা কেইজনী অবাক হ'ল। কোনোবা মায়াবী অসুৰৰ কেঁচুৱা বুলি তেওঁলোকৰ ভয়ো লাগিল। তেতিয়া দেৱৰ্ষি নাৰদে আহি ক'লেহি যে চিন্তাৰ কোনো কাৰণ নাই, সেই শিশু স্বয়ং শিৱৰ পুত্ৰ। তেওঁৰ নাম ষড়ানন, অৰ্থাৎ ছখন মুখ থকা হ'ল। কৃত্তিকাৰ নামেৰে নাম দি তেওঁক কাৰ্তিক বুলি মাতিবও লোৱা হ'ল। তেওঁ বৰ মৰমৰ মাজেৰে ডাঙৰ হ'বলৈ ধৰিলে। মাকহঁতে তেওক ধনু-কাঁড় চলোৱাত নিপুণ কৰি তুলিলে।

সৰুতে হেৰোৱা ল'ৰাটোৰ বাবে পাৰ্বতীৰ সদায়ে দুখ লাগি থাকে। তেওঁ এদিন আচল কথাটোনো কি জানিবৰ বাবে বিষ্ণুৰ ওচৰলৈ গৈ সুধিলে —

"শিৱৰ পুত্ৰৰ পানীত পৰিলেও মৃত্যু নহয়। গতিকে সি নিশ্চয় ক'ৰবাত আছে। মোক সেই সন্তান বিচাৰি দিয়ক।"

বিষ্ণুৱে তেতিয়া কৃত্তিকা নক্ষত্ৰৰ ঘৰত থকা কাৰ্তিকৰ সন্ধেদ পালে। নাৰদে গৈ কাৰ্তিকক শিৱৰ ঘৰলৈ লৈ আহিল। তৰা-মাক কেইজনীৰ বৰ দুখ লাগিল, পাৰ্বতীৰ কিন্তু বৰ আনন্দ লাগিল। তেওঁ দেখিলে অতি সুন্দৰ এটি ল'ৰা। তাৰ পিঠিত কাঁড়েৰে ভৰা টুন, হাতত ধনু। বাহন হ'ল এটা ম'ৰা চৰাই। এনে ধুনীয়া আৰু বীৰপুত্ৰ লাভ কৰি শিৱ-পাৰ্বতীৰ বৰ ভাল লাগিল।

কাৰ্তিকে স্বৰ্গজয় কৰি অত্যাচাৰ কৰি ফুৰা তাৰকাসুৰক বধ কৰি দেৱতাসকলক শান্তি দিছিল। ডেকা হৈ তেওঁ দেৱতাসকলৰ সেনাপতিও হৈছিল। ○

# কৃপণালিৰ পৰিণাম

বহু সময়ৰ আগৰ কথা সেই সময়ত মথুৰা নগৰীত গুঢ়ধন নামৰ এজন ডাঙৰ সদাগৰে বাস কৰিছিল। বহু বছৰ বেহা-বেপাৰ কৰি তেওঁ অশেষ ধন-সম্পত্তিৰ মালিক হৈ পৰিছিল। কিন্তু তেওঁ অতিশয় কৃপণ আছিল। নিজৰ ধন-সম্পত্তি কেনেকৈ একোতেই খৰচ নোহোকৈ ৰাখিব পাৰি সেইটোৱেই তেওঁৰ একমাত্ৰ চিন্তা আছিল। এটা মাথোন পইচা খৰচ হ'লেই তেওঁ বহুত ক্ষতি হোৱা বুলি ভাবিছিল।

সেই সময়ত মথুৰা নগৰত এবাৰ অতি ভয়ানক দুৰ্ভিক্ষ হৈছিল। আহাৰৰ অভাৱত নিতৌ শ শ লোকৰ দুখ লগাকৈ মৃত্যু ঘটিছিল। কিন্তু এই সকলোবিলাকৰ মাজতো কৃপণ গুঢ়ধনৰ একমাত্ৰ চিন্তা আছিল তেওঁৰ ধনবিলাকক ৰক্ষা কৰাটোহে। তেওঁ ভাবিছিল যে যদিহে এই দুৰ্ভিক্ষত তেওঁৰ পৰিয়ালৰ আহাৰৰ নামত অধিক ধন খৰচ কৰিবলগীয়া হয়, তেনেহ'লে সেইটো তেওঁৰ বাবে মৰাৰ সমান হ'ব। ইয়াকে বিবেচনা কৰি গুঢ়ধনে পুত্ৰ-পৰিবাৰৰ অশেষ কাবৌ-কাকুতিৰ পিছতো সামান্যও ধন খৰচ নকৰিলে আৰু ধনখিনি সুৰক্ষিত ঠাইত থৈ দিলে। ফলত তেওঁৰ পৰিয়ালবৰ্গই কৰুণভাৱে মৃত্যুক আঁকোৱালি ল'লে। এই কথাত গুঢ়ধনে অতি দুখ পালে, কাৰণ যদি তেওঁৰ মনত ধনৰ মূল্য প্ৰাণতকৈও অধিক আছিল, পৰিয়ালকো তেওঁ যথেষ্ট ভাল পাইছিল। সেয়েহে তেওঁ নিজকে শাস্তি দি পাপৰ প্ৰায়শ্চিত্ত কৰাৰ ঠিৰাং কৰিলে। গুঢ়ধনৰ এই দুৰৱস্থা সেই নগৰতে বাস কৰা কেইজনমান দয়ালু লোকৰ অসহ্য হ'ল আৰু তেওঁলোকে গুঢ়ধনৰ ওচৰলৈ গৈ এনে মূৰ্খামি ত্যাগ কৰি নিজৰ ধনখিনি খৰচ কৰিবলৈ উপদেশ দিলে। তেতিয়া কৃপণ গুঢ়ধনে তেওঁলোকক জনালে যে তেওঁ প্ৰাণ ত্যাগ কৰিলেও ধনখিনি খৰচ কৰিব নোৱাৰে। কাৰণ তেওঁৰ বাবে ধনৰ মূল্য প্ৰাণতকৈও বহুগুণে বেছি। তেতিয়া তেওঁলোকৰ মাজৰে এজনে কৃপণক তিৰস্কাৰ কৰি ক'লে যে কৃপণে ইমান কষ্টৰে সঞ্চিত কৰা সকলোবোৰ ধন তেওঁৰ মৃত্যুৰ পিছ মুহূৰ্ততে ৰজা বা চোৰৰ দ্বাৰা গ্ৰহণ কৰা হ'ব। এই কথাত কৃপণ অতি সমস্যাত পৰিল। কিন্তু বাহিৰত সেয়া প্ৰকাশ নকৰি তেওঁ ক'লে যে কোনো বুদ্ধিহীন লোকৰহে এনে দশা হ'ব পাৰে, কাৰণ তেওঁ সকলো ধন লগত লৈয়ে মৰিব। ধনৰ লোভত বলিয়া কৃপণে সঁচাকৈয়ে তেনে কৰিবলৈ ওলাল। সকলোবোৰ ধন-সোণ টোপোলাত বান্ধি লগত লৈ তেওঁ সাগৰৰ পাৰলৈ গ'ল। তাত

গুঢ়ধনে এজন নাৱৰীয়া দেখিলে। কৃপণৰে দুৰ্ভাগ্য। সেই নায়ৰৰীয়াজনো আছিল এজন অতিশয় লুভীয়া ব্যক্তি। গুঢ়ধনে নাৱৰীয়াক ক'লে যদিহে তেওঁ গুঢ়ধনক পানীত ডুবাই মাৰিবলৈ মান্তি হয়, তেনেহ'লে তাৰ বিনিময়ত তেওঁ নাৱৰীয়াক এটুকুৰা সোণ দিব। সোণৰ লোভত নানৰীয়া ততালিকে মান্তি হ'ল আৰু প্ৰথমতে সোণ টুকুৰা বিচাৰিলে। কিন্তু গুঢ়ধনে কৌশল কৰি ক'লে যে প্ৰাণ থকালৈকে তেওঁ এটুকুৰাও সোণ ত্যাগ কৰিব নোৱাৰে। গতিকে তেওঁক পুণ্যৰ কাৰণেই মৰা উচিত। এই কথা শুনি লুভীয়া নাৱৰীয়াই গুঢ়ধনক পানীত ডুবাই মাৰিলে আৰু তাৰ পিছত কৃপণৰ গাতে থকা টোপোলাটোৰ পৰা সকলোবোৰ ধন লৈ গ'ল। তাৰ পিছত পৰম সুখী হৈ নাৱৰীয়া ঘৰলৈ উভটি গ'ল।

কৃপণ গুঢ়ধনে এইদৰে কৃপণালিৰ ফল অতি কৰুণভাৱে পালে। ○

# সকলোৱেই মূৰ্খ

এইটো সেই কালৰে গল্প যেতিয়া হাবিত থকা চৰাই-চিৰিকতি আৰু জন্তুবোৰেও মানুহৰ দৰে মাত-কথা মাতিব পাৰিছিল আৰু অৰণ্যবোৰো আজিতকৈ যথেষ্ট গভীৰ আছিল আৰু নানা ধৰণৰ বিচিত্ৰ প্ৰাণীৰে ভৰা আছিল।

সেই সময়ত এটা পৰ্বতৰ গাত এখন অতি ডাঠ অৰণ্য আছিল। সেই অৰণ্যত এজোপা অতি প্ৰকাণ্ড গছ আছিল। সেই গছজোপাত এটা অতি সুন্দৰ চৰায়ে বাস কৰিছিল। ধুনীয়া হোৱাৰ উপৰি চৰাইটোৰ এটা আচৰিত গুণ আছিল যে চৰাইটোৰ বিষ্ঠাত সোণ ওলাইছিল। এদিনাখন এটা ব্যাধে সেই অৰণ্যখনত চিকাৰৰ সন্ধানত ঘূৰি ফুৰিছিল আৰু এসময়ত সি আহি আহি সেই বৰ গছজোপাৰ তলত উপস্থিত হ'লহি। ঘটনাক্ৰমে সেই সময়তে চৰাইটোৱে ব্যাধৰ চকুৰ আগতে সোণেৰে ভৰা বিষ্ঠা ত্যাগ কৰিলে। ব্যাধে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। তাৰ কি কৰোঁ কি নকৰোঁ যেন লাগিল। কিন্তু ধন অৰ্জনৰ ইমান সুন্দৰ সুযোগ সি হাতৰ পৰা যাব দিব নুখুজিলে। সেয়েহে চৰাইটো গছৰ পৰা যোৱাৰ পিছত সি অতি মনে মনে কৌশল কৰি গছজোপাত জাল পাতি থ'লে আৰু তললৈ আহি চৰাইটোলৈ অপেক্ষা কৰিব ধৰিলে। চৰাইটোৱেও আন দিনাৰ দৰে ঘৰলৈ ঘূৰি আহি একো সন্দেহৰ কথা নেদেখি গছজোপাত ভৰি দিয়া মাত্ৰকেই ব্যাধৰ জালত বন্দী হ'ল। ব্যাধে আনন্দ মনেৰে চৰইটোক পিঞ্জৰাত ভৰাই ঘৰলৈ নিব ধৰোঁতেই তাৰ মনলৈ ভাব আহিল যে যদি কোনোবাই এই আচৰিত চৰাইটোৰ বিষয়ে ৰজাক জনায়গৈ তেনেহ'লে ৰজায়ো এনে আচৰিত সম্পতি ৰজাক নিদি নিজৰ লগত ৰখা দোষত তাক মৃত্যুদণ্ড পৰ্যন্ত দিব পাৰে। সেই কথা ভাবিয়েই ব্যাধে অতি ভয় খালে আৰু চৰাইটো লৈ লৰা-লৰিকৈ ৰাজসভালৈ গ'ল। ৰজাই সেই চৰাইটো দেখি সন্তুষ্ট হ'ল আৰু মন্ত্ৰীসকলক চৰাইটো যত্নৰে ৰাখিব দি ব্যাধক কেইটামান স্বৰ্ণমুদ্ৰা দি বিদায় দিলে। তেতিয়া ৰজাৰ এজন মন্ত্ৰীয়ে ৰজাক অলপ বিদ্ৰূপৰ সুৰত ক'লে — "হে মহাৰাজ, আপোনাৰ স্বৰ্ণমুদ্ৰাকেইটা বাৰুকৈয়ে পানীত পৰিল। আপোনাৰ দৰে এজন ৰজাই এজন সামান্য ব্যাধৰ কথাত ভোল যোৱাটো শোভা নাপায়। এটা সামান্য চৰায়ে সোণৰ বিষ্ঠা ত্যাগ কৰাৰ মনেসজা কাহিনী কৈ ব্যাধটোৱে আপোনাক ভালকৈয়ে ঠগিলে।" এই কথা শুনি ৰজাই অতিশয় লাজ পালে আৰু ৰজাৰ নিজৰ ওপৰতেই ধিক্কাৰ জন্মিল। ৰজাই

ভাবিলে আৰু লাজ পোৱাৰ আগতে চৰাইটোক পিঞ্জৰাৰ পৰা মুক্ত কৰি যাবলৈ দিয়াই ভাল। ইয়াকে বিবেচনা কৰি ৰজাই পিঞ্জৰাটোৰ দুৱাৰ মুকলি কৰি দিলে। চৰাইটো ততালিকে উৰি গৈ ৰাজসভাৰ মুখ্য-দুৱাৰত বহিল আৰু সোণৰ বিষ্ঠা ত্যাগ কৰি আনন্দ মনেৰে ক'ব ধৰিলে — "প্ৰথম মূৰ্খ আছিলো মই, যিয়ে নিশ্চিত হৈ গছত বহি ব্যাধৰ হাতত বন্দী হৈছিলো। দ্বিতীয় মূৰ্খ হ'ল ব্যাধজন, যিয়ে মিছাকৈ প্ৰাণৰ আশংকাত হাতত পোৱা মূল্যবান বস্তু এটা হেৰুৱালে আৰু তৃতীয় মূৰ্খ হ'ল এই ৰজা, মন্ত্ৰী আৰু ৰাজপাৰিষদৰ সকলো, যিয়ে ইমান মূল্যবান বস্তুৰ সামান্যও মূল্য বুজি নাপালে।"

এইবুলি কৈ সেই চৰাইটো আনন্দ মনে আকাশেদি উৰি গুচি গ'ল। ৰজা-মন্ত্ৰী আৰু অন্যান্য সভাসদে কেৱল চৰাইটো যোৱাৰ পিনে হতভম্ব হৈ চাই থাকিল। ○

# নাৰদৰ অহংকাৰ

দেৱৰ্ষি নাৰদ মহাভক্ত বুলি জনাজাত। তেওঁ সকলো সময়তে মুখেৰে 'নাৰায়ণ নাৰায়ণ' কৰি থাকে। লাহে লহে নাৰদে নিজেও ভাবিবলৈ ধৰিলে যে তেওঁৰ সমান বিষ্ণুভক্ত আৰু কোনো নাই। সেইষাৰ কথাকে বিষ্ণুৰ নিজ মুখেৰে শুনাৰ লোভত তেওঁ এদিন সুধিলে —

"প্ৰভু, এই সংসাৰত আপোনাৰ শ্ৰেষ্ঠ ভক্ত কোন?" বিষ্ণুৱে উত্তৰ দিলে — "শুনা নাৰদ, এজন ভক্ত আছে। তেওঁ এখন সৰু গাঁৱৰ এজন দুখীয়া খেতিয়ক। তেওঁ মোৰ সবাতোঁকৈ ডাঙৰ ভক্ত।"

নাৰদ বৰ আচৰিত হ'ল, বেয়াও পালে। ক'ৰনো এইজন মহাভক্ত ওলাল, চাবৰ বাবে তেওঁ পৃথিৱীলৈ নামি আহিল। আহি আহি বিষ্ণুৱে কোৱা গাঁওখনৰ সেই খেতিয়কজনৰ ঘৰ পালেহি। মনে মনে তেওঁ মানুহজনৰ ৰেহ-ৰূপ চাবলৈ ধৰিলে। তেওঁৰ ভক্তিনো কেনেকুৱা, তাকো শিকিবলৈ মন গ'ল। কিন্তু অবাক হৈ নাৰদে দেখিলে যে মানুহজনে তপ-জপ, পূজা-সেৱা একো নকৰে। পুৱা শুই উঠি এবাৰ ভগৱানৰ নাম লয়, তাৰ পিছত পথাৰলৈ গৈ হাল বায়, দুপৰীয়া ঘৰলৈ আহি ঘৰৰ বেলেগ কাম কৰে। ৰাতি এপৰলৈকে তেওঁ বিভিন্ন ধৰণৰ কাম কৰি থাকে, তাৰ পিছত বিছনাত পৰি এবাৰ ভগৱানৰ নাম লৈ শুই থাকে। তাকে দেখি নাৰদ অবাক হ'ল, এনেজন মানুহনো কেনেকৈ শ্ৰেষ্ঠ ভক্ত হ'ব পাৰে তেওঁ ভাবি নাপালে।

বৈকুণ্ঠলৈ আহি তেওঁ ভগৱান বিষ্ণুক খোলা-খুলিকৈয়ে সুধিলে—

"প্ৰভু, মোৰ মুখৰ পৰা দিনে-ৰাতিয়ে তোমাৰ নাম নুগুচে। অথচ মই তোমাৰ পৰা প্ৰশংসা নাপালো। কিন্তু সেই কামৰ হেঁচাত মূৰ তুলিব নোৱাৰা খেতিয়কটো হ'ল তোমাৰ শ্ৰেষ্ঠ ভক্ত। এইবোৰনো কি অদ্ভুত কথা?"

বিষ্ণুৱে হাঁহি হাঁহি ক'লে — "তোমাক বাৰু মই বুজাই ক'ম। তাৰ আগতে এই তেলেৰে উপচি থকা চাকিটো এই ঘৰটোৰ চাৰিওফালে এপাক ঘূৰাই আনাচোন। চাবা, এটোপাল তেলো যেন নপৰে। পৰিলেই মই কিন্তু চাকিটো গ্ৰহণ নকৰোঁ।"

নাৰদে তেল উপচি থকা চাকিগছি লৈ লাহে লাহে ঘৰটোৰ চাৰিওফালে পাক মাৰিলে। তাৰ পিছত চাকিগছি আনি নমাই থ'লে।

বিষ্ণুৱে সুধিলে — "তেল পৰিছিলনে?"

নাৰদে ক'লে — "এটোপালো পৰা নাই প্ৰভু, মই বৰ সাৱধানে লৈ ফুৰাইছিলোঁ।"

বিষ্ণুৱে আকৌ সুধিলে — "বাৰু কোবাচোন, এইখিনি সময়ত মোৰ নাম কেইবাৰ লৈছিলা?"

অলপ লাজ পাই নাৰদে ক'লে — "এবাৰো লোৱা নাই। কাৰণ কেনেকৈ তেল নপৰাকৈ ৰাখিব পাৰি তাকে চিন্তা কৰি থাকোঁতে তোমাৰ নাম ল'বলৈ মোৰ মনত নপৰিল।"

তেতিয়া বিষ্ণুৱে ক'লে — "বুজিছা নাৰদ, সংসাৰী মানুহক মই সংসাৰ চলোৱাৰ যি দায়িত্ব দিছোঁ, সেয়া এচাকি তেলৰ দৰেই। সেই খেতিয়কজনে মই দিয়া কাম মনপুতি কৰিছে, পুৱা আৰু ৰাতি সময় পাওঁতেহে মোৰ নাম লৈছে। তুমি কিন্তু কেৱল নাম লৈ থকাটোকে ভক্তিৰ চিন বুলি ভাবিছা।"

নাৰদে লাজ পালে, জ্ঞানো পালে। বিষ্ণুক প্ৰণাম কৰি তেওঁ ক'লে — "প্ৰভু! ঠিকেই কৈছা। নিজৰ কাম ঠিকমতে কৰি যোৱাটোহে তোমাৰ প্ৰতি ভক্তিৰ চিন।" ○

# গৰখীয়া ভীম

ভীমৰ শৰীৰ যেনে শকত-আৱত, খাবও পাৰিছিল তেনেকৈ বহুত। সহজতে তেওঁৰ পেট নভৰিছিলেই। সেইবাবেই তেওঁৰ নাম বৃকোদৰ, অৰ্থাৎ বৃক নামে ভোকৰ অগ্নি যাৰ পেটত নুনুমায়। বনবাসত থাকোঁতে খোৱা-বোৱাত কষ্ট হোৱাৰ বাবে তেওঁ কাম বিচাৰি ওলাল। গৈ গৈ পালেগৈ কৈলাসৰ সদাশিৱৰ ঘৰ। শিৱ সেই সময়ত ঘৰত নাছিল। পাৰ্বতীয়ে ভীমক দেখি ক'ৰ ল'ৰা কি কথা সুধিলে। ভীমে ক'লে যে তেওঁ শিৱৰ ঘৰলৈ কাম বিচাৰি আহিছে। পাৰ্বতীয়ে ভালেই পালে। তেওঁ ক'লে — "আমাৰ ঘৰত থাকা যদি ভালেই। কামো আমাৰ বেছি নাই। কাৰ্তিক-গণেশৰ লগত খেলি থাকিব পাৰিবা। বলদটো চৰাব লাগিব আৰু শিৱই কেতিয়াবা ভাং খাই কৰবাত পৰি থাকিলে বিচাৰি আনিব লাগিব। পিছে টকা-পইচানো তোমাক কিমান লাগিব?"

ভীমে ক'লে — "আই, টকা-পইটা মোক একো নালাগে, মাথোন পেট ভৰাই খাবলৈ পালে হয়। মই পিছে অলপ বেছিকৈ খাওঁ।"

পাৰ্বতীয়ে ক'লে — "মোৰ ঘৰত কাৰ্তিক-গণেশৰ বাহিৰেও শিৱৰ হাজাৰ হাজাৰ ভূত-প্ৰেতে ভাত খায়। তোমাৰ বাবে এমুঠি ভাত তাৰ মাজতে ওলাব।"

শিৱৰ ঘৰত ভীম থাকিল। প্ৰথম দিনা কাৰ্তিক, গণেশ আৰু ভীমক একেলগে বহুৱাই পাৰ্বতীয়ে ভাত বাঢ়ি দিলে। ভাত দি থৈ আঞ্জা আনিবলৈ তেওঁ আঁতৰি গ'ল। আঞ্জা আনি দেখে যে ভীমৰ কাঁহীত ভাত নাই। ভুলতে ভাত নিদিলে বুলি ভাবি তেওঁ আকৌ ভাত আনিবলৈ গ'ল। এইবাৰ আহি দেখে যে বাটি শূন্য, আঞ্জা নাই। উপায় নাপাই ভাত দি তেওঁ আঞ্জা আনিবলৈ গ'ল, আহি দেখে যে এইবাৰ ভাত শেষ। বাৰে বাৰে ভাত আঞ্জা দিওঁতে দিওঁতে পাৰ্বতীৰ চকু খালী হ'ল। লাজত তেওঁ ৰান্ধনি ঘৰৰ পৰা নোলোৱা হ'ল। তেতিয়া ভীমে ডাঙৰ ডাঙৰকৈ ক'বলৈ ধৰিলে — "তোমালোকৰ ঘৰত কিমান খাবলৈ পাম ভালকৈ বুজিলোঁ। মোৰ পেটৰ ভোক আধাও নুগুচিল। যদি পাৰা চাউল এমুঠিকে দিয়া আই।" পাৰ্বতীয়ে ভিতৰৰ পৰা ক'লে যে ঘৰত খুদকণ এটাও নাই।

পিছদিনাৰ পৰা ভীমে গৰখীয়াৰ কাম কৰিব ধৰিলে। কাৰ্তিক আৰু গণেশৰ লগত শিৱৰ বলদটো চৰাবলৈ তেওঁ লৈ যায়। এদিন এইদৰে গৈ বলদটোক ইচ্ছামতে চৰিবলৈ

এৰি দি কাৰ্তিক-গণেশক লৈ ভীমে হাবিত সোমাই ফল-মূল বিচাৰিবলৈ ধৰিলে। ইফালে গৰু গৈ সোমাল বিশ্বামিত্ৰ মুনিৰ আশ্ৰমত। আশ্ৰমৰ গছ-বন খাই টহিলং কৰা দেখি ঋষি-মুনিবোৰে চিঞৰ ধৰাত ভীম উধাতু খাই দৌৰি আহিল আৰু দুষ্ট গৰুটোক নেজত ধৰি ঘূৰাবলৈ ধৰিলে। বেচেৰা বলদ মৰোঁ মৰোঁ হৈ বাগৰি পৰিল। আশ্ৰমৰ মাজতে গৰু মৰে যেন দেখি বিশ্বামিত্ৰই ক'লে, "এইবোৰ কি কৰিছা, মোৰ আশ্ৰমত গৰু মাৰিব খুজিছা নেকি?" ভীমে উত্তৰ দিলে — "আপুনিচোন বৰ সাংঘাতিক মানুহ! নিজে গৰু মাৰি এতিয়া মোৰ নাম দিছে?" মুনিয়ে দেখিলে যে এওঁৰ লগত কথাৰে বলে নোৱাৰি। ফলত তেওঁ নিজেই আঁতৰি গ'ল।

গধূলি কাৰ্তিক-গণেশে মাকৰ আগত ভীমৰ দিনটোৰ কামৰ গোচৰ দিয়াত ভীমে ক'লে — "তহঁত দেখোন বৰ অঘাইটং ল'ৰা অ'! নিজে বলদক শাস্তি দি এতিয়া মোৰ গাত দোষ দিছ।"

এইদৰে ভীমে শিৱৰ ঘৰত খাই-বৈ থাকিল। পিছে খোৱাত কষ্ট পোৱাত এদিন তেওঁ পাৰ্বতীক ক'লে — "আই, তোমাৰ শিৱ বোলে তিনিলোকৰ অধিপতি। তেন্তে তোমালোকৰ এনে টোকোনা অৱস্থা কিয়? টকা-পইচাবোৰ কি কৰিলা?"

পাৰ্বতীয়ে দুখ মনেৰে ক'লে — "বোপাই, কিনো ক'ম। আমাৰ গোসাঁইৰ সেইবোৰ মন-কাণ নাই। সকলো ধন-সম্পত্তি কুবেৰৰ ভঁৰালতে থোৱা আছে।"

কথাষাৰ শুনাৰ লগে লগে ভীম গৈ কুবেৰৰ নগৰ অলকাপুৰী পালেগৈ। কুবেৰৰ কাষেওৰ ৰখীয়া-পৰীয়াবোৰক মাৰি কিলাই তেওঁ ভিতৰলৈ সোমাই গ'ল আৰু কুবেৰক টকা বিচাৰিলে। ভীমক চিনি নোপোৱাত কুবেৰৰ খঙেই উঠিল। তেওঁ ধন-সোণ একো নাই বুলি ভীমক উত্তৰ দিলে। ভীমে তেতিয়া কুবেৰৰ সোণ-ৰূপৰ ঘৰ ভাঙি তাৰ এটা বোজা কৰিলে, ভিতৰৰ পৰা সোণৰ মোহৰৰ টোপোলা বান্ধিলে, তাৰ পিছত কুবেৰক নানা নগুৰ-নাগটি কৰি সেইবোৰ পিঠিত লৈ শিৱৰ ওচৰলৈ আহিল। শিৱৰ আগত কুবেৰে কান্দি-কাটি গোচৰ দিয়াত শিৱই খঙেৰে ভীমক তেনে কৰাৰৰ কাৰণ সুধিলে। ভীমে আচৰিত হৈ উত্তৰ দিলে — "কিনো আচৰিত কথা কৈছে? আপুনি দেখোন নিজেই মোক কৈছিল কুবেৰক মাৰি-কিলাই বান্ধি লৈ ধন-সোণবোৰ আনিবলৈ।"

ভীমৰ কথাত শিৱৰো মুখৰ মাত নোলোৱা হ'ল। এই তীখৰ ল'ৰাটোক লৈ ক কৰা যায় শিৱ আৰু পাৰ্বতীয়ে ভাবি নোপোৱা হ'ল। শেষত বুজাই-বঢ়াই ভীমক বিদায় দিহে তেওঁলোক ৰক্ষা পৰিল। ○

*(ৰামসৰস্বতীৰ 'ভীম-চৰিত'ৰ পৰা কাহিনীটো লোৱা হৈছে)*

# হেমাসুন্দৰীৰ কাহিনী

বনবাসত থকা কালৰে কথা। ভীম আৰু অৰ্জুনে এদিন হৰিণা এটাৰ পিছে পিছে খেদি গভীৰ অৰণ্যৰ মাজ পালেগৈ। তাতে হঠাৎ শুনিলে কোনোবা ছোৱালীৰ কান্দোনৰ শব্দ। ইমান গভীৰ বনৰ মাজত কোনে কান্দিছে! আচৰিত হৈ ইফালে-সিফালে চাওঁতে দেখিলে যে দ কুঁৱা এটাৰ ভিতৰত পৰি আছে এজনী অপৰূপা গাভৰু। ভীম-অৰ্জুনে জুমি চোৱা দেখি তাই কাকুতি-মিনতি কৰি ক'লে — "হে মহাবীৰসকল, মই এজনী অপেশ্বৰী। অনুগ্ৰহ কৰি মোক ইয়াৰ পৰা উলিয়াই নিয়ক। মোক যি জনে উলিয়াই নিব মই তেওঁকেই স্বামী বৰণ কৰিম।"

অৰ্জুনে ভাবিলে যে এয়া কোনোবা দুষ্ট ৰাক্ষসীৰহে মায়া নিশ্চয়। গতিকে তেওঁ আঁতৰি যোৱাই ভাল বুলি ভাবিলে। তেতিয়া সেই সুন্দৰী ছোৱালীজনীয়ে ইমান দুখ লগাকৈ কান্দিবলৈ ধৰিলে যে ভীমৰ আৰু সহ্য নহ'ল। তেওঁ কুঁৱাৰ ভিতৰলৈ ধনু এখন নমাই দি ক'লে — "হেৰা ৰূপহী, এই ধনুখনৰ এফালে ধৰা, মই তোমাক টানি আনিম।" ছোৱালীজনীয়ে ধনুত টান মাৰি ভীমক নিমিষতে কুঁৱাৰ ভিতৰলৈ লৈ গ'ল। ভীমক হাতত ধৰি ৰখাবলৈ বিচৰা অৰ্জুনো লগত কুঁৱাৰ তলি পালেগৈ। দুয়ো মহাবীৰকে ছোৱালীজনীয়ে পাতালপুৰীলৈ লৈ গ'ল। প্ৰকৃততে তাই আছিল পাতালপুৰীৰ ৰজা উশীনৰৰ কন্যা হেমাসুন্দৰী। উশীনৰ শিৱভক্ত আৰু প্ৰতাপী ৰজা আছিল। পিছে তেওঁক বধ কৰি অশ্বকৰ্ণ নামে দুষ্ট ৰাক্ষস এটা পাতালপুৰীৰ ৰজা হ'ল। সি হেমাসুন্দৰীকো ৰাক্ষসৰ নীতি-নিয়ম শিকাই লগতে ৰাখিলে। হেমাই দেৱী মহামায়াৰ পৰা অনন্ত যৌৱনা হৈ থকাৰ বৰ লাভ কৰিছিল। ভীম আৰু অৰ্জুনক তাই খাবৰ বাবে চিকাৰ সংগ্ৰহ কৰাৰ দৰে বুদ্ধি কৰি ধৰিছিল যদিও তেওঁলোকৰ সুন্দৰ সুঠাম শৰীৰ দেখি তাইৰ মৰম লাগিল আৰু কোনোবা এজনক স্বামীৰূপে লোৱাটোহে স্থিৰ কৰিলে। ৰজা অশ্বকৰ্ণৰ ওচৰলৈ এই ধুনীয়া ডেকা দুজন লৈ যোৱা দেখি ৰাক্ষসবোৰৰ লোভ লাগিবলৈ ধৰিলে। অশ্বকৰ্ণৰ নগৰৰ সৌন্দৰ্য আৰু সম্পদ দেখি ভীম-অৰ্জুন অবাক হ'ল। এই নগৰখন আছিল হীৰা-মাণিকেৰে ৰমক-জমক অতিকৈ ধুনীয়া। কিন্তু ৰজা অশ্বকৰ্ণৰ চেহেৰাহে আছিল কিম্ভুত কিমাকাৰ। প্ৰকাণ্ড শৰীৰ, দীঘল দীঘল দাঁত আৰু ওলমি থকা দীঘল জীভাৰে দেখিলেই ভয় লগা। দুজনকৈ মঙহাল মানুহ দেখি লোভত তাৰ জীভাৰ পানী পৰিবলৈ

ধৰিলে। হেমাই কাকুতি-মিনতি কৰি ক'লে — "এই দুজন মোৰ মৰমৰ মানুহ। এওঁলোকক নাখাব। মই আপোনালৈ বেলেগ আহাৰ আনি দিম।" অশ্বকৰ্ণই পিছে নুশুনিলে। সি ভীম আৰু অৰ্জুনক খাবলৈ খেদি আহিল। প্ৰথমতে সি ভীমক ধৰাত ভীমে আত্মৰক্ষাৰ বাবে যুদ্ধ কৰিবলৈ ধৰিলে। ভীমৰ হাতত তেতিয়া কোনো অস্ত্ৰ-শস্ত্ৰ নাছিল। গতিকে ঘৰৰ খুটা, গছ আদি যিহকে পালে তাৰে তেওঁ অশ্বকৰ্ণক আক্ৰমণ কৰিলে। এইদৰে যুদ্ধ চলি থকাৰ মাজতে হেমাসুন্দৰীয়ে মায়াৰ বলেৰে অৰ্জুনক অলপ দূৰলৈ লৈ গৈ প্ৰকাণ্ড গদা এডাল দেখুৱালে। সেই গদা আছিল বিষ্ণুৱে বৰাহ অৱতাৰৰ সময়ত ব্যৱহাৰ কৰা গদা। সেই গদা কেইবা কোটি মানুহে কঢ়িয়াই আনি অশ্বকৰ্ণৰ ৰাজ্যত থৈছিলহি। অৰ্জুনে সেই গদাৰ সহায় বিচাৰি বিষ্ণুক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। তুষ্ট হৈ দেখা দি বিষ্ণুৱে ক'লে যে উপযুক্ত সময়ত নিজেই তেওঁ সেই গদা প্ৰদান কৰিব।

ইফালে অশ্বকৰ্ণৰ বিষাক্ত নখৰ আঁচোৰত বিহ লাগি ভীমৰ সৰ্বশৰীৰ শক্তিহীন হৈছিল, তেজ ওলাই শৰীৰ ৰাঙলী হৈছিল। তথাপিও তেওঁ যুদ্ধ কৰি আছিল। এবাৰ অশ্বকৰ্ণই প্ৰকাণ্ড অস্ত্ৰ এপাতেৰে ভীমক খেদি যোৱা দেখি অৰ্জুনৰ সহ্য নহ'ল। তেওঁ অশ্বকৰ্ণৰ কান্ধত জঁপিয়াই উঠি তাক আঘাত কৰিবলৈ ধৰিলে। তেতিয়া অশ্বকৰ্ণই ভীমক প্ৰচণ্ড একোব মাৰি অৰ্জুনৰ লগত যুঁজিবলৈ ধৰিলে। ভীম মৃতপ্ৰায় হৈ পৰা দেখি হেমাসুন্দৰীয়ে তেওঁক শুশ্ৰূষা কৰি ভাল কৰি তুলিলে। সেই কথাত অশ্বকৰ্ণৰ বৰ খং উঠিল। তেওঁ ভীম, অৰ্জুন আৰু হেমা তিনিওকে সংহাৰ কৰিবলৈ ভয়ঙ্কৰ মূৰ্তি ধাৰণ কৰিলে। এপাকত অশ্বকৰ্ণই অৰ্জুনক বহুত দূৰলৈ জোৰেৰে দলিয়াই দিলে। পিছে অদৃশ্য ভাবেৰে ভগবান কৃষ্ণই তেওঁক আলাসতে ধৰি লাহেকৈ নমাই থ'লে, নহ'লে কঠিন মাটিত পৰি অৰ্জুনৰ মৃত্যু হ'লহেঁতেন। আকৌ ভীম আৰু অশ্বকৰ্ণৰ তুমুল যুদ্ধ লাগিল। ভীম কাহিল হৈ পৰা অৱস্থাত হঠাতে বিষ্ণুৰ গদাটো তেওঁৰ ওচৰত পৰিলহি। ভীমে গদাটো দাঙি লোৱাৰ লগে লগে তেওঁৰ শৰীৰলৈ নতুন শক্তি আহিল। পিছে প্ৰথমে সেই বিৰাট গদাৰ কোব খায়ো অশ্বকৰ্ণৰ একো হোৱা নাছিল। এবাৰ তাক পিছফালৰ পৰা আঘাত কৰাত সি মাটিত পৰি গ'ল, পিছৰবাৰ মূৰত আঘাত কৰাত তাৰ মৃত্যু হ'ল।

ইয়াৰ পিছত ভীম, অৰ্জুন আৰু হেমাই শিৱ-গৌৰীৰ ওচৰলৈ যাত্ৰা কৰিলে। বাটতে অসংখ্য সৈন্য লৈ অশ্বকৰ্ণৰ পুতেকে আক্ৰমণ কৰিছিল যদিও ভীমে আটাইবোৰকে সংহাৰ কৰিলে। ইয়াৰ পিছত গৌৰীৰ আজ্ঞামতে অৰ্জুনে হেমাসুন্দৰীক বিয়া কৰালে। ○

# দ্ৰৌপদীৰ সংগ্ৰাম

পাণ্ডৱসকল বনবাসত থকাৰ সময়ৰ কথা। তেওঁলোকে বনৰ মাজৰ নানা আশ্ৰমত ভ্ৰমণ কৰি মুনিসকলৰ লগত কিছুদিন থাকি এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল। এইদৰে গৈ গৈ মৰু ঋষিৰ আশ্ৰমত কিছুদিন থাকিল। ঋষিয়ে তেওঁলোকক আদৰ-সাদৰ কৰি ভালেমান দিন ৰাখিলে। তেওঁৰ আশ্ৰমৰ পৰা বিদায় লোৱাৰ সময়ত তেওঁ ক'লে, "হে পঞ্চ-পাণ্ডৱ, তোমালোক যদিও পৰাক্ৰমী, তথাপিও পশ্চিমফালে নাযাবা। তাত ম্লেছ ৰাজ্যৰ অধিপতি হৈ দুজন ভয়ংকৰ ৰাক্ষস আছে। তেওঁলোকে তোমালোকক বধ কৰিব।" পঞ্চ-পাণ্ডৱেও ঋষিৰ কথা মানি লৈ অন্য দিশে যাত্ৰা কৰিলে। পিছে সেই ঠাইৰ অৰণ্য ইমান ডাঠ আছিল যে বেলিৰ পোহৰ নপৰেই। গতিকে পঞ্চ-পাণ্ডৱৰ দিশ ভুল হ'ল আৰু তেওঁলোকে সেই ভয়ংকৰ ম্লেছৰ ৰাজ্যখনতে উপস্থিত হ'লগৈ।

সেই ৰাজ্যত আছিল কালকুঞ্জ আৰু শোষক নামে দুজন ভয়ংকৰ ৰাক্ষস ভাই-ককাই। শিৱৰ খণ্ডৰ পৰা জন্ম হোৱা বাবে এওঁলোক আছিল অতিশয় উগ্ৰ প্ৰকৃতিৰ। শিশু অৱস্থাতে চেহেৰাৰ ভয়াবহ ৰূপ দেখি তেওঁলোকৰ তোলনীয়া অসুৰ-মাতৃয়েও ভয় খাই দুয়োকে এৰি গুচি গৈছিল। তেতিয়া দয়া-পৰৱশ হৈ উমা দেৱীয়ে দুয়োকে তুলি-তালি ডাঙৰ কৰে। কালক্ৰমত মহা বলৱান হৈ উঠা সেই অসুৰ ভ্ৰাতৃদ্বয়ে দেৱীৰ পৰা বৰ বিচাৰিলে যে তেওঁলোকক যেন কোনেও হত্যা কৰিব নোৱাৰে। দেৱীয়ে বৰ দি ক'লে যে তেওঁলোকক কোনো পুৰুষে হত্যা কৰিব নোৱাৰিব। কিন্তু মাইকী মানুহৰ হাতত তেওঁলোকৰ মৃত্যু হ'ব পাৰিব। সে বৰ লাভ কৰি অসুৰ দুজনৰ বৰ ৰং লাগিল। কাৰণ কোন মাইকী মানুহৰনো ইমান সাহ আৰু শক্তি হ'ব যে তেওঁলোকৰ লগত যুঁজিবলৈ আহিব। গতিকে প্ৰায় অমৰ হোৱা বুলিয়েই ভাবি লৈ তেওঁলোকে মহা উৎপাত কৰি মানুহক অত্যাচাৰ কৰিবলৈ ধৰিলে।

এই কালকুঞ্জৰে ৰাজ্য পালেগৈ পঞ্চ-পাণ্ডৱ আৰু দ্ৰৌপদী। মানুহ অহা গম পাই ৰজা কালকুঞ্জৰে ভায়েক শোষকক ক'লে — "সেই শকত-আৱত মানুহকেইটা মাৰি পেলোৱা আৰু ধুনীয়া ছোৱালীজনী ধৰি আনাগৈ।" শোষকে গছৰ আঁৰৰ পৰা নিজৰ

মায়া শক্তিৰে পাণ্ডৱকেইজনৰ তেজবোৰ শুহি পেলালে। ফলত শৰীৰত এটোপাও তেজ নোহোৱাত বলৱান পাণ্ডৱকেইজনৰ থিতাতে মৃত্যু হ'ল। তেওঁলোকে একো কৰিবলৈকে নাপালে। স্বামীসকলৰ মৃত্যু দেখি দ্ৰৌপদীয়ে বিনাই বিনাই কান্দিবলৈ ধৰিলে। তেতিয়া তেওঁক ধৰিবলৈ শোষক আগবাঢ়ি অহাত দ্ৰৌপদীৰ বৰ খং উঠিল। তেওঁ বুজিলে যে ইয়েই নিশ্চয় পাণ্ডৱক হত্যা কৰিলে। দ্ৰৌপদীয়ে একান্তমনে ভগবান কৃষ্ণক প্ৰাৰ্থনা কৰাত দ্ৰৌপদীৰসমুখত যুদ্ধৰ সাজ-পাৰ, কৱচ আদি আহি পৰিল। সেইবোৰ পিন্ধাৰ লগে লগে দ্ৰৌপদীয়ে গাত অসীম শক্তি লাভ কৰিলে। তেওঁ স্বামীসকলৰ অস্ত্ৰবোৰ তুলি লৈ যুদ্ধলৈ সাজু হ'ল। তাকে দেখি শোষকে ভয় খালে। কাৰণ উমা দেৱীৰ কথা তেওঁৰ মনত পৰিল। তেওঁ হাজাৰ হাজাৰ ম্লেছ সৈন্যক দ্ৰৌপদীৰ ওচৰলৈ আগবঢ়াই দি নিজে পিছত থাকিল। দ্ৰৌপদীয়ে পঞ্চ-পাণ্ডৱৰ বছা বছা অস্ত্ৰবোৰ বুটলি লৈ ৰণচণ্ডী মূৰ্তি ধৰি এফালৰ পৰা শত্ৰুবোৰ সংহাৰ কৰিবলৈ ধৰিলে। তেওঁৰ পৰাক্ৰমৰ সমুখত কোনো তিষ্ঠিব নোৱাৰা হ'ল। সৈন্যবোৰ ধ্বংস কৰি উঠি তেওঁ শোষকৰ মুখামুখি হ'ল। শোষকেও প্ৰচণ্ড অস্ত্ৰ তুলি ল'লে। দুয়োৰে তয়া-ময়া ৰণ লাগিল। এবাৰ শোষকে মুখেৰে জুই ওলাই থকা অতি শক্তিশালী কাঁড় এপাত মাৰি পঠালে। দ্ৰৌপদীয়ে বিচলিত নহৈ অৰ্জুনৰ তূণৰ পৰা ব্ৰহ্মাস্ত্ৰ উলিয়াই মাৰি পঠালে। ব্ৰহ্মাস্ত্ৰৰ গতি কোনেও ৰোধিব নোৱাৰে। কাঁড়পাতে শোষকৰ অগ্নিবান কাটি টুকুৰা-টুকুৰ কৰি বিৰাট জোৰত গৈ শোষকৰ মূৰটোও কাটি পেলালে।

ভায়েকৰ মৃত্যুৰ বাতৰি পাই কালকুঞ্জৰ বৰ খং উঠিল। তেওঁ বহুতো শক্তিশালী অস্ত্ৰ গোটাই লৈ যুদ্ধ কৰবলৈ আহিল। দ্ৰৌপদী ভাগৰি পৰিছিল যদিও কৃষ্ণই তেওঁক অদৃশ্যভাৱে শক্তিৰ যোগান ধৰি আছিল। কালকুঞ্জৰ লগত তেওঁৰ প্ৰচণ্ড যুদ্ধ লাগিল। দ্ৰৌপদীক অসুৰ-ৰাজে কোনো প্ৰকাৰে বলে নোৱাৰিলে। দ্ৰৌপদীৰ অস্ত্ৰবোৰে অসুৰৰ আটাইবোৰ অস্ত্ৰ কাটি নোহোৱা কৰিলে। খঙত অতিষ্ঠ হৈ কালকুঞ্জই এইবাৰ প্ৰকাণ্ড পাহাৰ এটাকে দ্ৰৌপদীলৈ দলিয়াই দিলে। সেই পাহাৰটো গাত পৰিলে দ্ৰৌপদী চেপেটা হৈ গ'লহেঁতেন, পিছে কৃষ্ণৰ আদেশত গৰুড়ে আহি সেইটো পিঠি পাতি ধৰিলে। কোনোমতে দ্ৰৌপদীক বলে নোৱাৰি কালকুঞ্জ পিছুৱাই গ'ল আৰু তেওঁৰ মায়াৱিনী ৰাক্ষসী ৰাণী মেঘীক যুদ্ধলৈ পঠাই দিলে।

লগত এজাক ডাইনী-যখিনীক লৈ মেঘী আহি যাদুৰ যুদ্ধ আৰম্ভ কৰিলে। তাই এবাৰ ছল চাই দ্ৰৌপদীৰ পেটৰ ভিতৰলৈ সোমাই গ'ল আৰু তাতে এটা ব্ৰহ্মকামোৰ মাৰিলে। সেই কামোৰত দ্ৰৌপদী আধামৰা হ'ল। তেতিয়া কৃষ্ণই নিজৰ শক্তিৰে দ্ৰৌপদীক সুস্থ কৰি নিজৰ সুদৰ্শন-চক্ৰটো যুদ্ধক্ষেত্ৰলৈ পঠিয়াই দিলে। চক্ৰ অহা দেখি ভয়তে মেঘী দ্ৰৌপদীৰ পেটৰ পৰা ওলাই আহিল। দ্ৰৌপদীৰ ইমান খং উঠিল যে

অগ্নিয়ে অৰ্জুনক দিয়া ভয়ংকৰ কাঁড় এপাট তেওঁ তুলি ল'লে। এই কাঁড়পাটৰ নাম আছিল কালমুখী, দেখাত এক ভয়ংকৰ নাৰীৰ দৰে কাঁড়পাটৰ আকাৰ। কালমুখীক ধনুত জোৰাৰ লগে লগে ত্ৰিভুবন কঁপি উঠিল। কাঁড়পাটে নিমিষতে মেঘী ৰাক্ষসীক টুকুৰা টুকুৰকৈ কাটি পেলালে।

এনে অঘটন ঘটা দেখি কালকুঞ্জ খণ্ডতে দৌৰি আহিল। দ্ৰৌপদীক ধৰি থ'বলৈ বাবে সি দুয়োহাত আগবঢ়াই দিয়াত দ্ৰৌপদীয়ে ধনুখনেৰে এনে এটা কোব মাৰিলে যে তাৰ দুয়োখন হাতেই ভাঙি থাকিল। বিষত চিঞৰি সি মাটিত বাগৰি পৰাৰ লগে লগে তাৰ মূৰতো দ্ৰৌপদীয়ে এক কোব দিয়াত লগে লগে সি মৰি থাকিল।

তাৰ পিছত কৃষ্ণৰ কৃপাত পঞ্চ-পাণ্ডৱে পুনৰ প্ৰাণ লাভ কৰিলে আৰু আটায়ে দ্ৰৌপদীক প্ৰশংসা কৰিবলৈ ধৰিলে। ○

# ভীমৰ বিপদ

পঞ্চ-পাণ্ডৱৰ বনবাসৰ কালতে ভীমৰ এবাৰ ডাঙৰ বিপদ হৈছিল। সেইসময়ত তেওঁলোক ভ্ৰমণ কৰি কৰি হিমালয়ৰ নামনিৰ ধুনীয়া বন এখন পাইছিলগৈ। তাত আছিল ফলে-ফুলে উপচি থকা গছবোৰ, ধুনীয়া শীতল পানীৰ নিজৰাবোৰ আৰু বিবিধ পখীৰ শুৱলা গীত। তাতে কিছুদিন বিশ্ৰাম কৰাৰ ইচ্ছাৰে তেওঁলোকে মনৰ আনন্দেৰে কথা-বতৰা পাতিবলৈ ধৰিলে। তেনে সময়তে ওচৰত থকা ওখ পৰ্বত এটাৰ পৰা ভয়ংকৰ হাঁহিৰ শব্দ শুনা গ'ল। সেই হাঁহি শুনি তেওঁলোকৰ বুকু কঁপি গ'ল, দ্ৰৌপদীৰ চেতনা হেৰোঁৱাৰ উপক্ৰম হ'ল। ওপৰলৈ চাই তেওঁলোকে দেখিলে অতি ভয়ানক এটা ৰাক্ষস পৰ্বতৰ ওপৰত থিয় হৈ আছে। তাৰ মূৰটো শিং থকা মহ'ৰ নিচিনা, গাটো মানুহৰ দৰে। মূৰটোৰ আকৃতি এটা পাহাৰৰ সমান ডাঙৰ। তাৰ নাম আছিল ভোজকূট।

সেই বিৰাট ডাঙৰ ৰাক্ষসটোৱে পাণ্ডৱসকলক দেখি মানুহ খাবলৈ পাম বুলি আনন্দতে হাঁহিবলৈ ধৰিলে। সি পাহাৰৰ ইমান ওখত আছিল যে তলৰ পৰা কাঁড় মাৰিও তাক ঢুকি পোৱা নাযায়। ভীম আৰু অৰ্জুনে তাক দেখি মুঠেও ভয় খোৱা নাছিল। তেওঁলোকে ভাবিলে যে কিবা এটা বুদ্ধি কৰি তাক তললৈ নমাই আনিব লাগিব। অৰ্জুনে পৰামৰ্শ দিলে যে ভীমে দ্ৰৌপদীক আৰু নকুলে যুধিষ্ঠিৰ কান্ধত লৈ তাৰ পৰা আঁতৰি যাওক, তেতিয়া তেওঁ অকলেই কাঁড় মাৰি দৈত্যটোক মাৰিব পাৰিব। সেইদৰে পাণ্ডৱসকল দুখোজমান আঁতৰি যোৱা দেখি দৈত্যটোৱে ভাবিলে যে তাৰ চিকাৰ পলাল। সি বিৰাট গৰ্জন কৰি পৰ্বতৰ পৰা নামি আহিল।

ইয়াৰ পিছত অৰ্জুনৰ লগত তাৰ তুমুল যুদ্ধ লাগিল। অৰ্জুনে নানা শক্তিযুক্ত কাঁড় মাৰিবলৈ ধৰিলে, পিছে তাৰ লোহাৰ দৰে শৰীৰত কাঁড়বোৰ নোসোমাই উফৰি আহে। অগ্নিশৰ, বৰুণশৰ একো শৰেই তাক লৰচৰ কৰিব নোৱাৰিলে। ৰাক্ষসটোৱে ভয় লগাকৈ হাঁহি হাঁহি অৰ্জুনলৈ অস্ত্ৰ-শস্ত্ৰ দলিয়াই থাকিবলৈ ধৰিলে, তাকে দেখি ভীমৰ সহ্য নহ'ল। তেওঁ আহি অৰ্জুনক সহায় কৰিবলৈ ধৰিলে। ৰাক্ষসে অৰ্জুনলৈ মাৰি পঠিওৱা প্ৰচণ্ড ডাঙৰ শূল এপাট ভীমে মাজবাটতে গদাৰে কোবাই দুটুকুৰা কৰিলে। সেই কথাত ৰাক্ষসটোৰ দুগুণ খং উঠিল। সি অৰ্জুনক বাদ দি ভীমৰ লগত যুঁজ দিবলৈ ধৰিলে। ভীমৰ আক্ৰমণে তাক একো কৰিব নোৱাৰিলে, সি ভীমৰ প্ৰতিপাট অস্ত্ৰকে ওফৰাই দিলে। তাৰ

পিছত ভীমলৈ সি মস্ত ডাঙৰ শিল এটা দলিয়াই দিলে, ভীমে কোনোমতে জাঁপ মাৰি আঁতৰি দি ৰক্ষা পৰিল। ভীমে প্ৰকাণ্ড গছ এজোপা উভালি তাক পাৰে মানে কোবাবলৈ ধৰিলে যদিও ৰাক্ষসটোৱে গছডাল থপিয়াই ধৰি ভাঙি পেলালে। তাৰ পিছত ভীম আৰু ভোজকূটৰ দবৰা-দবৰি, হতাহতি যুদ্ধ লাগিল। কোনেও কাকো সহজে বলে পৰা নাছিল। এইদৰে ভীমক বলে নোৱাৰি ৰাক্ষসে এটা নতুন বুদ্ধি কৰিলে। সি তাৰ মহ'ৰ দৰে মূৰটোৰ শিঙেৰে ভীমক খুচিবলৈ ছল চাবলৈ ধৰিলে। ভীমে যিমান পাৰে বাগি দি নিজকে বচাই থাকিল। এবাৰ পিছে ছল চাই সি ভীমক সাবটি ধৰি গিলি পেলালে।

ভীমৰ মৃত্যু হ'ল বুলি অৰ্জুন আৰু সহদেৱৰ বৰ বেজাৰ লাগিল। দেৱতাসকলেও দুখ কৰিব ধৰিলে। বায়ুদেৱতাই নিজৰ পুত্ৰ ভীমক ৰক্ষা কৰিবৰ বাবে ৰাক্ষসৰ পেটৰ ভিতৰলৈ সোমাই গৈ তাৰ ভোকৰ জুই নুমুৱাই পেলালে। নহ'লে সেই গৰমত ভীম হজম হৈ গ'লহেঁতেন। এনেতে দেৱতাসকলে স্বৰ্গৰ পৰা অৰ্জুনক ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিবলৈ মনত পেলাই দিলে। এই অস্ত্ৰৰ শক্তি অতি ভীষণ। অৰ্জুনে মন্ত্ৰ মাতি ব্ৰহ্মাস্ত্ৰ তুলি লোৱাৰ লগে লগে পৃথিৱীত ভূমিকম্প হ'বলৈ ধৰিলে, সাগৰৰ পানী খলকি উঠিল। প্ৰচণ্ড বেগেৰে সেই অস্ত্ৰই খেদি গৈ ৰাক্ষসৰ মূৰ কাটি পেলাই সাগৰত স্নান কৰি পুনৰ অৰ্জুনৰ টুনলৈ উভতি আহিল। ৰাক্ষসৰ পেট ফালি উলিওৱা ভীম বায়ু দেৱতাৰ কৃপাত নমৰাকৈ থাকিল। ○

# বিষ্ণুৰূপী জোঁৱাই

এখন নগৰত এটা তাঁতী আৰু এটা কাঠমিস্ত্ৰী আছিল। দুয়ো বৰ বন্ধু। দুয়ো কামে-কাজে ভাল আছিল বাবে যথেষ্ট ধন উপাৰ্জন কৰিব পাৰিছিল। দুয়ো আবেলি হ'লেই ধুনীয়াকৈ সাজ-পাৰ কৰি নগৰৰ ধুনীয়া ঠাইবোৰত ফুৰিবলৈ যায়। এদিন সেইদৰে ঘূৰি ফুৰোঁতে তেওঁলোক ৰাজকাৰেঙৰ কাষেদি গৈছিল। সেই সময়ত তিনিমহলাৰ খিৰিকিৰ কাষত বহি ৰাজকুঁৱৰীয়ে বীণা বজাই গীত গাই আছিল। সেই গীত ইমান মধুৰ আছিল আৰু ৰাজকুঁৱৰী ইমান ধুনীয়া আছিল যে তাঁতী তেনেই মোহ গ'ল।

ঘৰলৈ আহিও আকৌ এবাৰ ৰাজকুঁৱৰীৰ গীত শুনাৰ হেঁপাহত তেওঁৰ টোপনি নহা হ'ল। লাহে লাহে মনৰ দুখত তেওঁ শুকাই-ক্ষীণাই গ'ল। বন্ধু কাঠমিস্ত্ৰীক তেওঁ ক'লে—

"মই যদি আকৌ এবাৰ ৰাজকুঁৱৰীৰ গীত শুনিবলৈ নাপাওঁ, তেন্তে জীয়াই নাথাকোঁ। কিন্তু মোৰ দৰে সামান্য মানুহ এটাই তেওঁক লগ ধৰা আৰু তেওঁৰ গীত শুনাৰ আশা ভুল।"

কাঠমিস্ত্ৰীয়ে ক'লে — "বন্ধু, নিৰাশ নহ'বা। মই নিশ্চয় এটা উপায় উলিয়াম।"

পিছদিনা কাঠমিস্ত্ৰীয়ে এটা কাঠৰ গৰুড় পখী সাজি আনি ক'লে — "এই গৰুড়টোত উঠা। আচলতে এইটো এখন আকাশীযান। টিপা মাৰি দিলে ই আকাশেদি উৰিব পাৰে।"

কাঠমিস্ত্ৰীয়ে দুখন কাঠৰ হাত সাজি তাঁতীৰ গাত লগাই চতুৰ্ভুজ বিষ্ণুৰ দৰে অলংকাৰ আৰু মুকুট পিন্ধাই দিলে। শংখ, চক্ৰ, গদা, পদ্মও হাতত দিলে। তাৰ পিছত তাঁতীয়ে গৰুড়ত উঠি আকাশেদি উৰা মাৰিলে। গৈ গৈ ৰাজকুমাৰীৰ শোৱা-কোঠাৰ খিৰিকী পালেগৈ। তিনিমহলাৰ ওপৰত হঠাতে ভগৱান বিষ্ণুক দেখি আচৰিত হৈ ৰাজকুঁৱৰীয়ে হাতযোৰ কৰি ক'লে —

"প্ৰভু, আপুনি পৃথিবীলৈ কিয় আহিছে?"

তাঁতীয়ে গহীনাই ক'লে — "ৰাজকন্যা, মই বিষ্ণু, তুমি স্বৰ্গত লক্ষ্মীদেৱী আছিলা। ঋষিৰ শাপত তুমি মানুহ হৈ আছা। মই তোমাৰ গীত শুনিবলৈ আহিছোঁ।"

ৰাজকুঁৱৰীয়ে আনন্দমনেৰে গীত গাই শুনালে। এইদৰে কাঠৰ গৰুড়ত উঠি তাঁতী

সদায় বিষ্ণু হৈ ৰাতি আহে আৰু ৰাতিপুৱাৰ আগে আগে "বৈকুণ্ঠলৈ যাওঁ" বুলি কৈ গুচি যায়। এসময়ত এই কথা ৰজা-ৰাণীয়ে গম পালে আৰু নাৰায়ণ তেওঁলোকৰ ছোৱালীৰ ওচৰলৈ অহা বুলি জানি বৰ আনন্দ পালে। তাঁতীয়ে সুবিধা পাই প্ৰতিদিনা ৰাতি ৰাতি ৰাজকুঁৱৰীয়ে গোৱা গীত শুনিবলৈ ধৰিলে আৰু তেওঁক বিয়া কৰাবলৈও ইচ্ছা প্ৰকাশ কৰিলে। নাৰায়ণক জোঁৱাই পোৱাৰ আশাত ৰজা-ৰাণী বৰ সুখী হ'ল। ৰজাই পাত্ৰ-মন্ত্ৰীসকলক ক'লে —

"স্বয়ং ভগৱান বিষ্ণু মোৰ জোঁৱাই। গতিকে ম্‌াৰ দৰে ক্ষমতাশালী আৰু কোন আছে। মই এতিয়াৰে পৰা কাকো দিবলগীয়া কৰ নিদিওঁ। সম্ৰাটতকৈও মই এতিয়া সম্মানত ডাঙৰ।"

মন্ত্ৰীসকলেও ৰজাৰ কথা মানি ল'লে। তাৰ পিছত ৰজাই সম্ৰাটৰ দূত কৰ বিচাৰি অহাত নিদি ফিৰাই পঠালে। সম্ৰাটৰ বৰ খং উঠিল আৰু বৰ ডাঙৰ সৈন্য দল এটাক ৰজাৰ দেশ আক্ৰমণ কৰিবলৈ পঠালে। ৰজাই ভাবিলে যে তেওঁক নিশ্চয় জোঁৱায়েকে সহায় কৰিব। সেইবুলি তেওঁ হাত সাবটি বহি থাকিল। দেশৰ প্ৰজাবোৰে ভয় খাই ক'লে—

"মহাৰাজ, আমাক ৰক্ষা কৰক। শত্ৰুসৈন্যৰ শক্তি বৰ বেছি।"

ৰজাই তেওঁলোকক ভয় নকৰিবলৈ কৈ জীয়েকক ক'লে —

"আইজনী, আজি ৰাতি বিষ্ণু জোঁৱাই আহিলে তেওঁক ক'বা, আমাক যেন ৰক্ষা কৰে।"

ৰাতি ৰাজকুঁৱৰীয়ে তাঁতীক সেই কথা কোৱাত সি উত্তৰ দিলে —

"কোনো চিন্তা নকৰিবা। মই সুদৰ্শন চক্ৰৰে শত্ৰুসৈন্য মাৰি অন্ত কৰিম।" আচলতে সি পেটে টেপে বৰ ভয় খাইছিল। কোনো দিনে সি যুদ্ধ দেখাই নাই, গতিকে পলাই যাব নেকি ভাবিবলৈ ধৰিলে। কিন্তু ৰজাই ইফালে দেশৰ মানুহক সাজু কৰি ভগৱান বিষ্ণুৰ মহাযুদ্ধ চাবলৈ নিজেও সাজি-পাৰি বহি আছিল। পলাই গ'লেও দেখা পাব। তাঁতী মহা বিপদত পৰিল।

আনফালে বৈকুণ্ঠটো হুলস্থুল লাগিল। গৰুড় পখীয়ে ভগৱান বিষ্ণুক ক'লে —

"প্ৰভু, বৰ ডাঙৰ কথা হ'ল। কৰবাৰ মানুহ এটাই নিজকে বিষ্ণু বুলি চিনাকি দি যুদ্ধ কৰিবলৈ যাব। সি যে যুদ্ধত মৰিব, ঠিকেই। কিন্তু সকলোৱে জানিব যে সামান্য যুদ্ধ এখনত ভগৱান বিষ্ণু মৰিল। তেতিয়া পৃথিৱীত আপোনাৰ মন্দিৰবোৰো বন্ধ হৈ যাব। আমাৰো লাজ থ'বলৈ ঠাই নোহোৱা হ'ব।" ভগৱানৰো চিন্তা লাগিল। তেওঁ ক'লে—

"আমাৰ নিজৰ সন্মান ৰাখিবৰ বাবে এটা কাম কৰিব লাগিব। সেই মানুহটোৰ ভিতৰত সোমাই তাৰ বল বঢ়াই দিওঁগৈ। তুমি সোমোৱা কাঠৰ গৰুড়টোত। সুদৰ্শন আৰু

পাঞ্চজন্যয়ো নিজৰ নিজৰ কাম কৰক। ব'লা, আমি পৃথিবীলৈ যাওঁ।

সেইমতে তেওঁলোক আহি তাঁতী আৰু গৰুড়ৰ মাজত প্ৰৱেশ কৰিলে। লগে লগে তাঁতীৰ সাহ আৰু শক্তি বাঢ়িল। সি গৰুড়ত উঠি আকাশৰ পৰা পাঞ্চজন্য শংখ বজালে। সেই শব্দতে শত্ৰুপক্ষৰ বহুত হাতী-ঘোঁৰা মৰিল। দেশৰ মানুহে অবাক হৈ বিষ্ণুৰ যুদ্ধ চাবলৈ ধৰিলে। সুদৰ্শন চক্ৰই খেদি ফুৰা শত্ৰুসৈন্য পলাবলৈ ধৰিলে। এই সংবাদ পাই সম্ৰাটে নিজে হাতযোৰ কৰি ক'লে —

"প্ৰভু, আপুনি যুদ্ধ কৰিবলৈ আহিব বুলি আমি জনা নাছিলোঁ। আপোনাৰ আগত আমি কোন। এতিয়া দয়া কৰি চক্ৰটো ঘূৰাই নিয়ক।"

তাঁতীয়ে তেতিয়া সুদৰ্শন চক্ৰক ঘূৰাই নিলে। সম্ৰাটে তেওঁক প্ৰণাম কৰি যুদ্ধ সামৰি যাবলৈ ওলোৱাত তাঁতীয়ে ক'লে —

"তোমাৰ ৰাজ্যৰ এফাল আৰু ধন-সম্পত্তি, হাতী-ঘোঁৰা এই ৰজাক দি যোৱা। নহ'লে মই চক্ৰ মাৰি সকলোকে কাটি দুটুকুৰা কৰিম।"

ভয় খাই সম্ৰাটে তাকেই কৰিলে। সকলো মানুহে ভগৱান বিষ্ণুৰ জয়ধ্বনি দিবলৈ ধৰিলে।

আচল বিষ্ণু আৰু গৰুড় বৈকুণ্ঠলৈ গ'লগৈ। তাঁতীয়ে ক'লে —

"মহাৰাজ, মই আৰু মোৰ শক্তি প্ৰদৰ্শন নকৰোঁ, এতিয়াৰে পৰা মই সাধাৰণ মানুহৰ দৰে থাকিম।"

ৰজা তাতে মান্তি হ'ল। তেওঁ জীয়েকক তেওঁলৈ বিয়া দি নতুন ৰাজ্য ডোখৰত ৰজা পাতি থ'লে। তাঁতীয়ে বন্ধু কাঠমিস্ত্ৰীক বহুত ধন-সোণ দি দুয়ো সুখেৰে থাকিল।

○

# নিগনি কইনাৰ দৰা

এদিন এজন ব্ৰাহ্মণে নদীত গা ধুই এচলু পানী হাতত লৈ সূৰ্য পূজা কৰি থাকোঁতে তেওঁৰ হাতত এজনী পোৱালি নিগনি সৰি পৰিল। সেই সময়ত আকাশেদি উৰি যোৱা শেন চৰাই এটাৰ হাতোৰাৰ পৰা নিগনিটি সৰি পৰিছিল। ব্ৰাহ্মণে তপস্যা-শক্তিৰদ্বাৰা পোৱালিটি এজনী কেঁচুৱা ছোৱালী কৰিলে আৰু নিজৰ পত্নীক দিলেগৈ। তেওঁলোকৰ ল'ৰা-ছোৱালী নাছিল। গতিকে ব্ৰাহ্মণীয়েও বৰ আনন্দেৰে কেঁচুৱাজনী ডাঙৰ কৰিবলৈ ধৰিলে।

ছোৱালীজনী ব্ৰাহ্মণ-ব্ৰাহ্মণীৰ মৰমৰ মাজত ডাঙৰ হ'বলৈ ধৰিলে। তাই ডাঙৰ হৈ অহাত মাক-দেউতাকে বিয়াৰ কথা ভাবিবলৈ ধৰিলে। ধুনীয়া আৰু শ্ৰেষ্ঠ দৰা বিচাৰি বিচাৰি ব্ৰাহ্মণে সূৰ্যদেৱতাকে পালেগৈ আৰু জীয়েকক বিয়া কৰাব নেকি সুধিলে। সূৰ্যই ক'লে —

"মোৰ কোনো আপত্তি নাই, কিন্তু তোমাৰ ছোৱালীৰ মতামত লোৱা।"

ব্ৰাহ্মণে জীয়েকৰ মত সোধাত তাই ক'লে —

"সূৰ্য বৰ চোকা আৰু তপত। তেওঁতকৈ শ্ৰেষ্ঠ এজনক বিচাৰক।"

ব্ৰাহ্মণে সূৰ্যক সুধিলে যে তেওঁতকৈ শ্ৰেষ্ঠ কোন। সূৰ্যই ক'লে —

"মেঘে মোক ঢাকি ৰাখিব পাৰে। গতিকে মেঘ মোতকৈ শ্ৰেষ্ঠ।" ব্ৰাহ্মণে মেঘক দৰা ঠিক কৰোঁতে ছোৱালীজনীয়ে ক'লে —

"এওঁ বৰ ক'লা আৰু গধুৰ। এওঁতকৈ শ্ৰেষ্ঠ কোন?" মেঘে নিজেই ক'লে —

"বায়ুৱে মোক ইফালে-সিফালে ঠেলি লৈ ফুৰে, গতিকে বায়ু মোতকৈ শ্ৰেষ্ঠ।"

ব্ৰাহ্মণে ছোৱালীজনীক ক'লে —

"আইজনী, বায়ুক তুমি পচন্দ কৰিছানে?" তাই ক'লে — "পিতা, তেওঁ বৰ চঞ্চল। তেওঁতকৈ শ্ৰেষ্ঠ আৰু ধীৰ-স্থিৰ কোনোবা আছেনে?"

বায়ুৱে ক'লে —

"পৰ্বতে মোক বাধা দিব পাৰে, গতিকে পৰ্বত মোতকৈ শ্ৰেষ্ঠ।" পৰ্বতক দেখিও ছোৱালীজনীয়ে সন্তুষ্ট নহ'ল। তাই ক'লে —

"পিতা, এওঁ বৰ কঠোৰ। এওঁতকৈ শ্ৰেষ্ঠ অন্য কোনোবা আছে নেকি?"

পৰ্বতে ক'লে —

"মোৰ গাত বিন্ধা কৰি নিগনিয়ে ঘৰ সাজি থাকে। গতিকে নিগনি মোতকৈ শ্ৰেষ্ঠ।"

ব্ৰাহ্মণে তেতিয়া নিগনি এটা ধৰি আনিলে। নিগনিটো দেখিয়েই ছোৱালীজনীয়ে লাজ আৰু আনন্দেৰে ক'বলৈ ধৰিলে —

"পিতা, এওঁ ইমান ধুনীয়া! ইমান খৰ আৰু বুদ্ধিমান! এওঁ সকলোতকৈ শ্ৰেষ্ঠ। এওঁলৈকে মোক বিয়া দিয়ক।"

ব্ৰাহ্মণে বুজি পালে যে নিজৰ প্ৰকৃত জাতিৰ ৰুচি আৰু বিচাৰ-বুদ্ধি কেতিয়াও সলনি নহয়। তেওঁ ছোৱালীজনীক তপস্যাৰ বলেৰে আকৌ এজনী নিগনি কৰিলে আৰু নিগনিটোৰ লগত উলহ-মালহেৰে বিয়া দিলে। ○

# নীল বৰণৰ শিয়াল

এবাৰ এটা শিয়ালে ৰাতি ঘূৰি ফুৰোঁতে নিজে গম নোপোৱাকৈ গৈ এটা ধোবাৰ চোতালত থকা এটা চৰিয়াত সোমাই পৰিল। চৰিয়াটোত আছিল নীল গুলি থোৱা নীলা পানী। প্ৰকাণ্ড চৰিয়াটোৰ পৰা উঠিব নোৱাৰি শিয়ালটো ওৰে ৰাতি তাতে সোমাই থাকিল। ৰাতিপুৱা ধোবাই তাকে দেখি মৰা শিয়াল বুলি ভাবি চৰিয়াটো লুটিয়াই তাক খালত পেলাই দিলে। তেতিয়া শিয়াল উঠিল। ইতিমধ্যে সি একেবাৰে নীল বৰণীয়া হৈ পৰিছিল। দুষ্ট শিয়ালে এটা বুদ্ধি কৰিলে। সি লগৰবোৰ শিয়ালক ক'লে —

"যোৱা ৰাতি মই ভগৱতী বনদেৱীক লগ পাইছিলোঁ। তেওঁ গছ-বন আৰু ফুল-পাতৰ যাদুলগা ৰসেৰে মোৰ গাত নিজহাতেৰে ৰহণ সানি মোক বহুত শক্তি দি ৰজা পাতিছে। গতিকে আজিৰে পৰা তহঁতৰ ৰজা হ'লোঁ।"

তাৰ শৰীৰৰ নীলা ৰং দেখি লগৰ শিয়ালবোৰে তাৰ কথা বিশ্বাস কৰিলে আৰু ৰজা বুলি মানি তাক সেৱা কৰিলে। নীল বৰণীয়া শিয়ালৰ সুখৰ পাৰ নোহোৱা হ'ল। এজাক শিয়ালক লিগিৰা কৰি সি ভেম ধৰি ফুৰিবলৈ ধৰিলে। লাহে লাহে তাৰ খিতাপ দেখি বাঘ-সিংহ আদিয়েও তাক কোনোবা শক্তিশালী জন্তু বুলি ভাবিবলৈ ধৰিলে। সি যে এটা শিয়ালহে, সেই কথা কোনেও নাজানিলে।

নিজৰ বুদ্ধি আৰু ধুন-পেছ দেখুৱাই নীল শিয়াল বনৰ ৰজা হৈ পৰিল। বাঘ, সিংহ, হাতী আদি জন্তুবোৰেও তাক মানিবলৈ ধৰিলে। ফলত নীলা শিয়ালৰ অহংকাৰ দিনে দিনে বাঢ়ি আহিল। সি তাৰ ৰাজসভাৰ পৰা সামান্য জন্তু বুলি শিয়ালবোৰক খেদি দিলে আৰু সিংহ আদি ডাঙৰ জন্তুবোৰকহে লগত ৰাখিলে। তাকে দেখি শিয়ালবিলাকে বৰ বেজাৰ পালে। এটা বুঢ়া শিয়ালে লগৰবোৰক ক'লে —

"তাৰ বুদ্ধি নষ্ট হ'ল, কাৰণ তাৰ অহংকাৰ হৈছে। ৰজা হৈ নিজৰ লগৰবোৰক বন্ধু বুলি ক'বলৈ লাজ পোৱা হ'ল বাবে আমিও তাৰ প্ৰতিফল দিম।"

"আমিনো কেনেকৈ প্ৰতিফল দিম?" — এটা শিয়ালে সুধিলে।

বুঢ়া শিয়ালে ক'লে —

"সি যে এটা শিয়ালহে, সেই কথা বাকীবোৰ জন্তুৱে নাজানে। আজি গধূলি আমি তাৰ কাৰেঙৰ ওচৰত একেলগে হোৱা দিম। তেতিয়া ৰ'ব নোৱাৰি সিও হোৱা দিব। তেতিয়া জন্তুবোৰে তাক শিয়াল বুলি চিনি পাব।"

সেইদৰে কথাপাতি গধূলি শিয়ালবোৰে একেলগে হোৱা দিলে। সেই সময়ত ৰাজসভাত বহি থকা নীলা বৰণৰ শিয়ালো ৰ'ব নোৱাৰিলে। অভ্যাসমতে সিও হোৱা দিবলৈ ধৰিলে। তাকে দেখি বাঘ-সিংহ আদিয়ে ক'বলৈ ধৰিলে —

"এই দুষ্ট আঁচলতে এটা সামান্য শিয়ালহে। আমাক ঠগি ই ৰজা হৈ আছিল। এতিয়া ই তাৰ বাবে শাস্তি পাব।"

এইদৰে কৈ জন্তুবোৰে নীলা শিয়ালক মাৰি পেলালে। আনক ঠগাৰ বাবে আৰু নিজৰ বন্ধুবোৰক অৱহেলা কৰা বাবে সি উচিত শাস্তি পালে।" ○

# বাঘৰ হাতত সোণৰ খাৰু

এটা দুষ্ট বাঘ আছিল। সি আছিল বৰ নিষ্ঠুৰ আৰু লুভীয়া। বহুত মানুহ-গৰু মাৰি খাই সি গাঁওবোৰত উৎপাত কৰিছিল। তাৰ প্ৰকোপত গাঁৱৰ মানুহৰ শান্তি নোহোৱা হৈছিল। এই হিংস্ৰ বাঘটো লাহে লাহে বুঢ়া হ'ল। সি আগৰ দৰে চিকাৰ কৰি খাব নোৱাৰা হ'ল। ইফালে তাৰ মানুহ খোৱাৰ লোভটোও দিনে দিনে বাঢ়ি গ'ল। সেইবাবে সি এটা বুদ্ধি কৰিলে। সি বহুত দূৰৰ এখন ঠাইলৈ গুচি গ'ল। তাত তাক কোনেও চিনি নাপায়। তাতে সি মানুহ ধৰাৰ নতুন কৌশল উলিয়ালে।

এদিন পুৱাতে গা দুই, কপালত ফোঁট লৈ সি নদীৰ পাৰত বহি এপাট সোণৰ খাৰু হাতত লৈ ক'বলৈ ধৰিলে —

"ডাঙৰীয়াসকল! ভদ্ৰলোকসকল! এই বুঢ়া বাঘৰ ফালে এবাৰ মন কৰক। মোৰ হাতৰ এই সোণৰ খাৰুপাট গ্ৰহণ কৰি মোক শান্তি দিয়ক।"

বাঘৰ মুখত ইমান ভদ্ৰ কথা শুনি বাটেৰে যোৱা মানুহবোৰ বৰ আচৰিত হয়। তেওঁলোকে দূৰৰ পৰা সোধে —

"বোলো কথাটো কি হে? তুমি সোণৰ খাৰুপাট কেলেই দিব খুজিছা?" বাঘে কয়—

"মোৰ পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ ডাঙৰীয়া। অনুগ্ৰহ কৰি ওচৰলৈ আহি এই খাৰুপাট নিজে গ্ৰহণ কৰক।"

মানুহবোৰে বাঘক বিশ্বাস নকৰি আঁতৰি যায়।

এবাৰ এজন লুভীয়া বাটৰুৱা সেইফালে গৈছিল। তেওঁৰ আকৌ বাঘৰ হাতৰ খাৰুপাট দেখি বৰ লোভ লাগিল। তেওঁ ভাবিলে, "আজি মোৰ কপাল ভাল। বিনা কষ্টতে সোণৰ অলংকাৰ লাভ কৰিম!" বাঘৰ ওচৰলৈ যাবলৈও তেওঁৰ ভয় লাগিছিল, আনহাতে লোভটোও সামৰিব পৰা নাছিল। তেওঁ দূৰৰ পৰা বাঘক ক'লে —

"খাৰুপাট আচল সোণৰ হয়নে নহয় মই কেনেকৈ জানিম?" বাঘে হাত এখন মেলি ক'লে —

"চাই লওক ডাঙৰীয়া, ওচৰৰ পৰা আহি চাই লওক।" বাটৰুৱাই ক'লে —

"খাৰুপাট জানিবা সোণৰেই হ'ল, পিছে তোমাৰ দৰে ভয়ংকৰ প্ৰাণী এটাৰ ওচৰ চাপি যাওঁ কেনেকৈ? তুমি দেখোন পালেই খাই পেলাবা।" বাঘে কাণত আঙুলি দি ক'লে —

"হৰি বিষ্ণু! এনে কথা শুনাও পাপ। ডাঙৰীয়া, মই আগতে পাপী আছিলোঁ হয়, বহুত মানুহ-গৰু মাৰি খালোঁ। তেনে পাপৰ ফলতে মোৰ ল'ৰা-তিৰোতা আটাইবোৰ মৰি নোহোৱা হ'ল। গতিকে এজন সন্ন্যাসীৰ উপদেশ মতে মই পাপ কমাবৰ বাবে আজিকালি দান কৰিবলৈ লৈছোঁ।"

বাটৰুৱাই ক'লে —

"তথাপি বাঘৰ স্বভাব তোমাৰ ক'লৈ যাব? মোক তুমি ওচৰত পালেই যদি খাই পেলোৱা?" বাঘে উত্তৰ দিলে —

"মই বুঢ়া হৈছোঁ। নখ-দাঁত সৰি গৈছে, তদুপৰি মই সদায় পূজা কৰি নিৰামিষ আহাৰহে খাওঁ। ই ধৰ্মশাস্ত্ৰও পঢ়িছোঁ।"

এইবুলি বাঘে কিছুমান শ্লোক মাতিও শুনালে। বাটৰুৱাই এখোজ আগবাঢ়ি আহি আকৌ ভয় খাই ৰৈ গ'ল। বাঘে তেতিয়া ক'লে —

"মোৰ কেৱল আপোনাকহে খাৰুপাট দান কৰিবলৈ মন গৈছে, কাৰণ দেখিয়েই বুজিছোঁ যে আপোনাৰ অৱস্থা ভাল নহয়। শাস্ত্ৰত কৈছে যে দুখীয়া লোকক হে দান কৰিব লাগে, চহকী লোকক দান দিলে পুণ্য নহয়; যিদৰে ৰুগীয়া লোককহে ঔষধ দিব লাগে, ৰোগ নথকা লোকক ঔষধ দিয়াৰ প্ৰয়োজন নাই।"

বাটৰুৱাই এখোজ-দুখোজকৈ আগবাঢ়ি আহি দূৰৰ পৰা হাতমেলি খাৰুপাট ল'বলৈ বিচৰাত বাঘে ক'লে —

"এই নদীৰ পানীত গাটো ধুই আহক, মই মন্ত্ৰ মাতি দান কৰোঁ।"

বাটৰুৱাই বাঘৰ কথাত ভোল গৈ পানীত নমাত পাৰৰ পলসত পোত গ'ল। তাকে দেখি বাঘে ক'লে —

"ইস, আপুনি দেখোন বোকাত সোমাই গৈছে! ৰ'ব, মই সহায় কৰি উঠাই দিওঁ।"

এইবুলি বাঘে বাটৰুৱাক থ'পিয়াই ধৰিলে আৰু দাঙি আনি খাই থ'লে।

মৰাৰ আগে আগে বাটৰুৱাই বুজিলে যে দুষ্ট লোকৰ মিঠা কথাত ভোল যাব নাপায়। যি জনৰ স্বভাৱ বেয়া, তেওঁ কেতিয়াও ভাল হ'ব নোৱাৰে। এঙাৰ গাখীৰেৰে ধুলেও বগা হ'ব নোৱাৰাৰ দৰে ধৰ্ম-শাস্ত্ৰ পঢ়িলেও অসৎ মানুহ কেতিয়াও সৎ নহয়। ○

# মূৰ্খৰ কথা

এজন চহকী সদাগৰে বেহা-বেপাৰ কৰি বহু ধন ঘটি এঠাইৰ পৰা আনঠাইলৈ গৈ আছিল। তেওঁৰ লগত লগুৱা কেইবাটাও আছিল, কিন্তু উট আছিল মাথোন এটা। বাটে বাটে নতুনকৈ গোটোৱা বস্তুৰে টোপোলাও বাঢ়ি বাঢ়ি গৈ আছিল। গতিকে উটৰ পিঠিৰ বোজাও বেছি হৈ গৈ আছিল। তাকে দেখি তেওঁৰ দুখ লাগিল। তেওঁ লগুৱাবোৰক ক'লে — "মই আৰু এটা উট কিনি আনোঁগৈ। তহঁত এইটো উটৰ লগত ইয়াতে থাক। এই চামৰাৰ বাকচটো ভালকৈ ৰাখিবি, এইটো যেন পানীত নিতিতে। ইয়াৰ ভিতৰত বহুত দামী কাপোৰ আছে।" এইবুলি কৈ তেওঁ উট কিনিবলৈ গ'ল।

তেওঁৰ লগুৱাবোৰ মূৰ্খ আছিল। সিহঁতে বাকচটো আৰু উটটো ৰখি বহি থাকিল। এদিন ধাৰাষাৰে বৰষুণ দিয়াত বাকচটোত পানী পৰা দেখি সিহঁতৰ বৰ চিন্তা লাগিল। ভাবি-চিন্তি সিহঁতে এটা উপায় বিচাৰি পালে। বাকচৰ কাপোৰবোৰ উলিয়াই সেই দামী কাপোৰবোৰেৰে বাকচটো পানী নপৰাকৈ ঢাকি থ'লে।

দুদিন পিছত আহি সদাগৰে সেই কাণ্ড দেখি অবাক হ'ল। তেওঁ খঙেৰে ক'লে — "হেৰৌ গৰুহঁত, ইমান দামী কাপোৰবোৰ কিয় নষ্ট কৰিলি?" সিহঁতে ক'লে — "আপোনাৰ কথামতে বাকচটো পানী নপৰাকৈ ৰাখিছোঁ। আমাক খং কৰিছে কিয়?"

সদাগৰে ক'লে যে ভিতৰৰ কাপোৰখিনি পানী নপৰাকৈ ৰাখিবৰ বাবেহে তেওঁ বাকচটো ভালকৈ থ'বলৈ কৈছিল। পিছে মূৰ্খহঁতে সেইকথা বুজি নাপালে।

মূৰ্খই কথা বুজোঁতে সদায় ভুলকৈ বুজে আৰু নিজৰ লগতে আনৰো অপকাৰ কৰে।

(২)

এখন দেশত এজন মূৰ্খ মানুহ আছিল। এদিন তেওঁৰ বৰ ভোক লাগিল, পিছে ঘৰত খাবলৈ একো নাছিল। গতিকে তেওঁ বজাৰলৈ গ'ল আৰু আঠোটা পিঠা কিনি ঘৰলৈ ঘূৰি আহিল। ঘৰত এটা এটাকৈ পিঠাবোৰ উলিয়াই লৈ তেওঁ প্ৰথমে পিঠা এখন খালে, পিছে ভোক নুগুচিল। তেতিয়া আৰু এখন খালে, তথাপিও ভোক নুগুচিল। এইদৰে ছয়খন পিঠা খোৱাৰ পিছতো তেওঁৰ ভোক নুগুচিল। কিন্তু সাতনম্বৰ পিঠাখন

খোৱাৰ লগে লগে তেওঁৰ ভোক গুচিল। তেতিয়া তেওঁ ডাঙৰ ডাঙৰকৈ ক'বলৈ ধৰিলে — "মই যে কি মূৰ্খ! ছখন পিঠা এনেয়ে খৰচ কৰিলোঁ তাকে নকৰি সপ্তম্ পিঠাখন প্ৰথমতে খোৱা হ'লে লগে লগে ভোক গুচিলহেঁতেন। নাইবা বজাৰৰ পৰা সপ্তম পিঠাখনকে অকল কিনি আনিলেও হ'লহেঁতেন!" তাৰ কথা যেয়ে শুনিলে সেয়ে হাঁহিবলৈ ধৰিলে। মূৰ্খই এইদৰে সদায় আনক হাঁহিবৰ সুযোগ দিয়ে।

(৩)

এসময়ত এজন ধনী কিন্তু কৃপণ আৰু মূৰ্খ সদাগৰ আছিল। এদিন এজন গায়কৰ গান শুনি তেওঁৰ বৰ ভাল লাগিল আৰু ধনভঁৰালীক ক'লে — "এই গায়কক মোৰ ভঁৰালৰ পৰা দহ হাজাৰ মুদ্ৰা দিয়াগৈ।" গায়কজনৰ মনত বৰ আনন্দ লাগিল। তেওঁ ধনভঁৰালীৰ পিছে পিছে গৈ পুৰস্কাৰ বিচাৰিলে। পিছে ধন ভঁৰালীয়ে সদাগৰৰ মনটো বুজে, তেওঁ কেতিয়াও পুৰস্কাৰ নিদিয়ে সেই কথাও জানে। গতিকে তেওঁ মুদ্ৰা উলিয়াই নিদিলে। তেতিয়া গায়কজনে সদাগৰক অভিযোগ কৰি ক'লে — "চাওকচোন, আপুনি কোৱাৰ পিছতো এওঁ মোক ধন দিবলৈ বিচৰা নাই। মোৰ পুৰস্কাৰৰ পিছে কি হ'ব?"

সদাগৰে উত্তৰ দিলে — "কিহৰ পুৰস্কাৰ হে। তোমাৰ গান শুনি অলপ সময়ৰ বাবেহে মই আনন্দ পাইছিলোঁ। গতিকে পুৰস্কাৰ দিম বুলি কৈ তোমাকো অলপ সময়ৰ বাবে আনন্দ দিলো। তাতোকৈ তুমি আৰু কি বিচাৰিছা।"

গায়কজন অবাক হ'ল। তেওঁ বুজি পালে যে মূৰ্খ মানুহে ভাল বস্তুৰ মোল বুজি নাপায়।

(৪)

এবাৰ এজন মূৰ্খৰ নিজৰ গাঁৱৰ পৰা অন্য এখন গাঁৱলৈ যাওঁতে বাট ভুল হ'ল। তেওঁ এজন মানুহক বাটৰ কথা সোধাত ক'লে যে, "নদীৰ পাৰৰ ডাঙৰ গছজোপাৰ আগেৰে বাটটো গৈছে।" মূৰ্খই সেইমতে নদীৰ পাৰ পালেগৈ। তাতে ডাঙৰ গছজোপা দেখি সি ভাবিলে যে গছজোপাৰ একেবাৰে আগতহে চাগে বাটটো আছে। গতিকে সি গছৰ ওপৰলৈ বগাই উঠি গ'ল আৰু একেবাৰে আগত থকা সৰু ডাল এটাত ভৰি থ'লে। লগে লগে ডালটো ভাঙি গ'ল আৰু সৰু ঠেঙুলি এটাত ধৰি সি কোনোমতে ওলমি ৰ'ল।

অলপ পিছ - এটা হাতীত উঠি এজন মাউত সেইফালে গৈছিল। মূৰ্খটোৱে ওপৰৰ পৰা চিঞৰি চিঞৰি ক'লে, "অনুগ্ৰহ কৰি মোক নমাই দিয়া। মই নামিবলৈ কোনো উপায় পোৱা নাই।" তাকে দেখি মাউতৰ বেয়া লাগিল। তেওঁ হাতীৰ ওপৰত থিয় হৈ মূৰ্খটোৰ

ভৰি দুখনত ধৰি নমাই আনিব খুজিলে। এনেতে হাতীটো আঁতৰি যোৱাত মূৰ্খৰটোৰ ভৰিত ধৰি মাউতজনো ওলমি ৰ'ল।

এই বিপদৰপৰা সাৰিবলৈ কোনো উপায় নাপাই দুয়ো চিন্তা কৰিবলৈ ধৰিলে। মূৰ্খটোৱে এটি বুদ্ধি দি ক'লে — "তুমি চিঞৰি চিঞৰি এটা গান গোৱাচোন। গান শুনিলে গাঁৱৰ মানুহে আমাক বিচাৰি এইখিনি পাবহি।"

সেই কথা শুনি মাউতে চিঞৰি চিঞৰি গান গাবলৈ ধৰিলে। পিছে গান শুনি মূৰ্খৰ ইমান আনন্দ লাগিল যে সি চাপৰি বজাবৰ বাবে দুয়োখন হাত ডালটোৰ পৰা এৰি দিলে। লগে লগে মূৰ্খটো আৰু মাউত দুয়ো নদীত পৰি মৰি থাকিল।

এইদৰে মূৰ্খই নিজৰ আৰু আনৰ বিপদ মাতি আনে। ○

# জীমূতবাহনৰ ত্যাগ

হিমালয় পৰ্বতৰ ওপৰত বৰফৰ মাজত এখন অতি ধুনীয়া নগৰ আছিল। সোণ-ৰূপেৰে সজা সেই নগৰত কল্পতৰু নামেৰে এজোপা গছ আছিল। গছজোপাৰ কাষত যি বিচাৰে তাকে পোৱা যায়। সেই নগৰত বিদ্যাধৰসকলে ৰাজত্ব কৰিছিল। তেওঁলোকৰ ৰজা জীমূত কেতুৱে কল্পতৰুৰ ওচৰত এটি সৰ্বসুলক্ষণীয়া পুত্ৰ সন্তান পাবলৈ প্ৰাৰ্থনা কৰাৰ ফলত ভগবান বোধিসত্বৰ শক্তি থকা এটি ধুনীয়া পুত্ৰ লাভ কৰিছিল। তেওঁৰ নাম দিয়া হৈছিল জীমূতবাহন। তেওঁ সুন্দৰ, দানী, দয়ালু আৰু মহৎ লোক আছিল।

জীমূতবাহন ইমান দয়ালু আছিল যে মানুহৰ দুখ দেখি তেওঁ বৰ বেজাৰ পাইছিল। কল্পতৰু বৃক্ষৰ ওচৰত তেওঁ প্ৰাৰ্থনা কৰিছিল এনেকৈ — "হে মহান বৃক্ষ, তুমি পৃথিৱীৰ সকলো মানুহক ধন-সোণ দান কৰা, কোনেও যেন খাবলৈ নোপোৱাকৈ কষ্টত নাথাকে। মোক আনৰ বাবে সহায় কৰিব পৰা গুণ দান দিয়া।" এই প্ৰাৰ্থনাৰ ফলত গছজোপাই পৃথিৱীৰ ফালে ধাৰাষাৰে সোণ-ৰূপ সৰাবলৈ ধৰিলে। মানুহবোৰ চহকী হৈ পৰিল। পৃথিৱীত দুখ-কষ্ট নোহোৱা হ'ল। সকলোৱে জীমূতবাহনৰ শলাগ ল'বলৈ ধৰিলে।

জীমূতবাহনক সকলোৱে ভাল পোৱা দেখি তেওঁৰ বংশৰ আন কিছুমানৰ বৰ হিংসা লাগিল। তেওঁলোকে জীমূতবাহন আৰু তেওঁৰ দেউতাকক খেদি ৰাজ্যখন কাঢ়ি ল'বলৈ খুজিলে। দয়ালু জীমূতবাহনৰ সেই দুষ্ট আৰু লুভীয়া বিদ্যাধৰবোৰলৈ পুতৌ হ'ল। তেওঁ ধুনীয়া ৰাজ্যখন সিহঁতক এৰি দি দেউতাকৰ লগত গভীৰ অৰণ্যলৈ গুচি গ'ল আৰু এখন অতি ধুনীয়া ঠাইত থাকিবলৈ ল'লে। কিছুদিনৰ পিছত তেওঁ মলয়াৱতী নামে এজনী সুন্দৰী ৰাজকন্যাক বিয়া কৰালে। এদিন পাহাৰত ঘূৰি ফুৰোঁতে তেওঁ এঠাইত দেখিলে যে এসোপা হাড়-মূৰ দম হৈ পৰি আছে। সেইবোৰ নাগ বা ডাঙৰ সাপৰ হাড়। পক্ষীৰাজ গৰুড়ে তাত দিনে এটাকৈ নাগ খায়। গৰুড়ৰ মাক বিনতাক এবাৰ সাপবোৰৰ মাক কদ্ৰুৱে বেয়া ব্যৱহাৰ কৰিছিল। তাৰে প্ৰতিশোধ ল'বলৈ গৰুড়ে সাপ মাৰি অন্ত কৰিছিল। পাতাললৈ গৈ বাসুকীৰ ৰাজ্যত তেওঁ বহুত নাগক হত্যা কৰিছিল। তেতিয়া বাসুকীয়ে কৈছিল যে তেওঁ নিজে দিনে এটাকৈ নাগ

পঠিয়াব, গৰুড়ে যেন তেওঁৰ ৰাজ্যত উৎপাত নকৰে। সেইমতে বাসুকীয়ে নাগ পঠিয়াই থাকে, গৰুড় পক্ষীয়ে খাই থাকে।

এই কথা জানিব পাৰি জীমূতবাহনৰ বৰ দুখ লাগিল। বেচেৰা নাগবোৰক ৰক্ষা কৰাৰ উপায় ভাবি তেওঁ চিন্তা কৰিবলৈ ধৰিলে। এনে সময়তে বলি যাবলৈ সাজু হৈ অহা শংখচূড় নাগক তেওঁ দেখা পালে। ধুনীয়া ডেকা ল'ৰাৰ ৰূপত অহা শংখচূড়ে মন মাৰি আছিল, তেওঁৰ মাকে ইনাই-বিনাই কান্দি আছিল। তাকে দেখি জীমূতবাহনৰ চকু পানী ওলাই গ'ল। তেওঁ ক'লে —

"আই, আপুনি নাকান্দিব। আপোনাৰ ল'ৰাৰ হৈ ময়ে আজি গৰুড়ৰ আগত প্ৰাণ দিম। হেৰা শংখচূড়, তুমি ইয়াৰ পৰা সোনকালে যোৱাগৈ। বলিৰ শিলটোৰ ওপৰত ময়ে শুই থাকোঁ।"

শংখচূড় আৰু তেওঁৰ মাকে এই কথা শুনি আচৰিত হৈ ক'লে — "আপুনি ইমান দয়ালু! কিন্তু আমাৰ বাবে আপুনি প্ৰাণত্যাগ কৰিব নালাগে।" জীমূতবাহনে বাৰে বাৰে ক'লে যে মৰিবলৈ তেওঁ ভয় নকৰে। শংখচূড়েও ক'লে যে তেওঁৰহে মৰণৰ পাল পৰিছে, গতিকে তেওঁহে আজি প্ৰাণ দিব। ইয়াৰ পিছত শংখচূড়ে পূজা কৰিবলৈ আঁতৰি যোৱাত জীমূতবাহনে লৰা-লৰিকৈ গৈ ৰঙা চিন দি থোৱা শিলটোৰ ওপৰত শুই থাকিল। অলপ পিছত গৰুড় পক্ষী উৰি আহিল প্ৰকাণ্ড ডেউকা মেলি। চোকা ঠোঁট আৰু তিৰ্‌বিৰাই থকা চকুৰে দূৰৰ পৰা শিলটোৰ ওপৰত কোনোবা শুই থকা দেখি গৰুড়ে বৰ আনন্দ পালে। তেওঁ নখেৰে খামুচি জীমূতবাহনৰ মূৰত ধৰি নিজৰ ঠাইত খাবলৈ উৰুৱাই লৈ গ'ল। নখৰ চেপাত জীমূতবাহনৰ কীৰিটি ভাঙি যোৱাত মণি-মুকুতাবোৰ বাটে বাটে পৰি গ'ল। তাকে দেখি মলয়াৱতী আৰু জীমূতকেতু আদিয়ে গম পালে যে জীমূতবাহনৰ কিবা বিপদ হৈছে।

ইফালে নিজৰ ঠাইত শিল এটাত বহি লৈ জীমূতবাহনক খাবলৈ লওঁতে গৰুড়ে দেখিলে যে এই নাগটোৰেচোন হাঁহি আছে, মুঠেই ভয় খোৱা নাই। দেখাতো বৰ ধুনীয়া, দেৱতা যেনহে দেখি। গৰুড়ৰ বৰ অশান্তি লাগিল। এনে সময়তে আচল নাগ শংখচূড়ে দৌৰি দৌৰি আহি ক'লে —

"মোক .ােৱা, তেওঁক নাখাবা। তেওঁ ভগৱান বোধিসত্ত্বৰ শক্তি থকা জীমূতবাহনহে।"

গৰুড় উচপ খাই উঠিল। জীমূতবাহনৰ দয়া, মৰম আৰু কৰুণাৰ কথা তেওঁ জানিছিল। গতিকে নাগ বুলি ভাবি জীমূতবাহনক ধৰি অনাৰ বাবে নিজকে তেওঁ দোষ দিবলৈ ধৰিলে। অলপ পিছতে জীমূতকেতু আৰু মলয়াৱতী সেইখিনি পালেহি। ইতিমধ্যে গৰুড়ৰ চেপাত দুখ পোৱা জীমূতবাহনৰ মৃত্যু হৈছিল।

আনৰ বাবে প্ৰাণ দিয়া সেই মহান বীৰজনৰ বাবে সকলোৱে শোক কৰিবলৈ ধৰিলে। মলয়াবতীয়ে সৰু কালৰে পৰা গৌৰী পূজা কৰিছিল। তেওঁ কান্দি কান্দি দেৱীৰ ওচৰত স্বামীক জীয়াই দিবৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। দেৱীয়েও সন্তুষ্ট হৈ জীমূতবাহনৰ প্ৰাণ দান দিলে।

ইয়াৰ পিছত গৰুড়ে যেতিয়া জীমূতবাহনক কিবা বৰ দিবলৈ বিচাৰিলে, তেতিয়া জীমূতবাহনে নিজৰ বাবে একো নলৈ আগতে মৰা সাপবোৰক প্ৰাণ দিবলৈহে প্ৰাৰ্থনা কৰিলে। গৰুড়েও আনন্দ মনেৰে সেইবোৰক পুনৰ প্ৰাণ দিলে আৰু সেইদৰে দিনে দিনে সাপ হত্যা কৰা অভ্যাস এৰি দিলে।

এইদৰে দয়ালু জীমূহবাহনে সদায় আনৰ ভালৰ বাবেহে চিন্তা কৰিছিল। O

# অবিবেচনাৰ ফল

চাৰিজন ব্ৰাহ্মণ ল'ৰাই বিদ্যা-শিক্ষা কৰি থকা বয়সতে মাক-দেউতাকৰ মৃত্যু হ'ল। তেওঁলোক বৰ বিপদত পৰিল, কাৰণ সা-সম্পত্তিও বেছি নাছিল আৰু কিবা কাম কৰি খাবলৈও যোগ্যতা নাছিল। তেওঁলোকে তেতিয়া বেলেগ ঠাইত থকা মোমায়েকৰ ঘৰলৈ গ'ল আৰু তাতে থাকিবলৈ ল'লে।

মোমায়েকে কিছুদিন মৰমেৰে ৰাখিলে যদিও পিছলৈ তেওঁৰ আমনি লাগিল। কাৰণ চাৰিওজন ভাই-ককায়ে কাম-কাজ একো নকৰে, বহি-শুই সময় পাৰ কৰে। গতিকে মোমায়েকে তেওঁলোকৰ যত্ন নকৰা হ'ল। তাকে দেখি তেওঁলোকৰ মন বৰ বেয়া লাগিল। নিজৰ বলত খাব পৰা কিবা এটা বিদ্যা শিকিবৰ বাবে চাৰিওজনে চাৰিটা বাটেৰে যাত্ৰা কৰিলে।

এবছৰৰ মূৰত একো একোটা বিদ্যা শিকি চাৰিওজন আহি পুনৰ লগালগি হ'ল। প্ৰত্যেকেই নিজে কি শিকি আহিলে সেই বিষয়ে জনালে। এজনে ক'লে —

"মই যিকোনো মৰা জন্তুৰ হাড় এডাল পালে তাৰ ওপৰত মাংস লগাই দিব পাৰোঁ।"

দ্বিতীয়জনে ক'লে — "মই তাৰ ওপৰত নোম আৰু ছালৰ সৃষ্টি কৰিব পাৰোঁ।"

তৃতীয়জনে ক'লে — "নোম আৰু ছাল লগোৱা মঙহ পালে মই গোটেই জন্তুটোকে সাজি উলিয়াব পাৰিম।"

চতুৰ্থজনে ক'লে — 'পিছৰ কামটো মোৰ ভাগৰ। মই জন্তুটোক প্ৰাণ দিব পাৰিম।"

তাৰ পিছত চাৰিওজনে নিজৰ নিজৰ বিদ্যাৰ প্ৰমাণ চাবৰ বাবে বনৰ মাজলৈ সোমাই গ'ল। তেওঁলোকে মৰা সিংহৰ হাড় এডাল বিচাৰি পালে। কি জন্তু নজনাকৈয়ে প্ৰথমজনে তাত মাংস লগাই দিলে। দ্বিতীয়জনে মন্ত্ৰ মাতি ছাল আৰু নোম লগালে। তৃতীয়জনে মন্ত্ৰৰ দ্বাৰা সম্পূৰ্ণ সিংহ এটা সাজি উলিয়ালে। চতুৰ্থজনে লগে লগে মন্ত্ৰ মাতি পানী ছটিয়াই দিয়াত প্ৰকাণ্ড সিংহটো জী উঠিল। সমুখত চাৰিজন মানুহ দেখি সিংহটোৱে জাঁপমাৰি তেওঁলোকক ফালি ছিৰাছিৰ কৰি পেলালে। এই দৰে মূৰ্খামিৰ বাবে তেওঁলোকৰ মৃত্যু হ'ল।

মূৰ্খসকলে কোনো কাম ভাবি-চিন্তি নকৰে। চতুৰ্থজনে সিংহ এটা ওচৰতে দেখিও তাক জীয়াই দিব নালাগিছিল। তেওঁৰ দোষতে লগৰ কেইজনৰ মৃত্যু হ'ল। ○

# বীৰবৰৰ কথা

শোভাবতী নামে এখন নগৰত শুদ্রক নামে এজন ৰজা আছিল। তেওঁ বৰ ভাল মানুহ আছিল আৰু বীৰসকলক সন্মান কৰিছিল। এদিন তেওঁৰ ওচৰলৈ বীৰবৰ নামৰ এজন ধুনীয়া, ওখ-ডাঙৰ মানুহ আহি পহৰাদাৰৰ কাম বিচাৰিলে। বীৰবৰে লগতে ক'লে যে তেওঁক দিনে পাঁচশ মুদ্রা দিব লাগিব। ৰজাই তেওঁক দেখিয়েই বুজিলে যে মানুহজন প্রকৃত বীৰ। গতিকে বিচৰামতে দৰমহা দি তেওঁক পহৰাদাৰৰ কামটো দিলে।

সেইদিনাৰ পৰা বীৰবৰে ৰাজকাৰেঙৰ দুৱাৰমুখত পহৰা দিবলৈ ধৰিলে। তেওঁৰ কঁকালত থাকে এখন ছুৰি, হাতত থাকে ঢাল-তৰোৱাল। দুপৰীয়া খাবৰ সময়ত এবাৰ ঘৰলৈ অহাৰ বাহিৰে তেওঁ কাৰেঙৰ দুৱাৰমুখৰ পৰা কেতিয়াও আঁতৰি নাহে। ৰজাই চোৰাংচোৱা পঠিয়াই বীৰবৰৰ সকলো খবৰ ভালকৈ ল'লে। কাৰণ প্রতিদিনে পোৱা পাঁচশ মুদ্রা তেওঁনো কেনেকৈ খৰচ কৰে ৰজাৰ জানিবলৈ মন গ'ল। চোৰাংচোৱাই খবৰ লৈ জনালে যে বীৰবৰে নিজৰ পৰিয়ালৰ বাবে খৰচ কৰাৰ পিছত বাকী থকাখিনি দুখীয়া মানুহক দান কৰে আৰু ভগৱানৰ পূজাৰ বাবে খৰচ কৰে। বীৰবৰৰ সজ স্বভাৱৰ কথা জানি ৰজাৰ বৰ ভাল লাগিল। প্রতিদিনে বীৰবৰে ৰাজকাৰেঙত পহৰা দিয়ে। ৰ'দ, বৰষুণ, ধুমুহা একোতে তেওঁ আমনি নাপায়। ৰাতিও তেওঁ সেইদৰে খোলা তৰোৱাল হাতত লৈ থিয় দি থাকে। কেতিয়াবা মাজ ৰাতি উঠিও প্রমাণ চাবৰ বাবে কাৰেঙৰ ওপৰলৈ উঠি গৈ ৰজাই মাতে —

"দুৱাৰমুখত কোন আছা?"

"মই বীৰবৰ আছোঁ, মহাৰাজ।" বীৰবৰে উত্তৰ দিয়ে। বীৰবৰৰ কামত ফাকি নিদিয়া স্বভাৱৰ বাবে ৰজাই তেওঁক বৰ ভাল পাবলৈ ধৰিলে।

এদিন ৰাতি বতৰ বৰ বেয়া আছিল। ধুমুহা, বৰষুণ আৰু মেঘৰ গাজনিয়ে প্রলয়ৰ সৃষ্টি কৰিছিল। মাজৰাতি ৰজাৰ কাণত পৰিল কোনোবা নাৰীৰ কান্দোনৰ শব্দ। কোনোবাই যেন ইনাই-বিনাই কান্দি আছে। ৰজা কাৰেঙৰ ওপৰলৈ উঠি গ'ল আৰু তাৰ পৰা চিঞৰি সুধিলে — "বীৰবৰ, আছানে?"

"আছো মহাৰাজ!" — আন্ধাৰৰ মাজৰ পৰা উত্তৰ আহিল।

"বীৰবৰ! কোনে কান্দি আছে চোৱাগৈচোন।" ৰজাই ক'লে। তেওঁৰ ৰাজ্যত

কোনেনো ইমান বেজাৰ কৰি কান্দিছে ৰজাৰ জানিবলৈ মন গ'ল। বীৰবৰ লগে লগে ওলাই গ'ল। পিছে ইমান বেয়া বতৰত বীৰবৰক অকলে পঠিয়াই দি ৰজাৰ মনটো বৰ বেয়া লাগিল। সেইবাবে তেওঁ নিজেও কোনেও গম নোপোৱাকৈ বীৰবৰৰ পিছে পিছে লুকাই লুকাই যাবলৈ ধৰিলে।

অলপ দূৰত এটা পুখুৰী আছিল। তাৰ পাৰত বহি এজনী অতি সুন্দৰী নাৰীয়ে কান্দি আছিল। বীৰবৰে আথে-বেথে সুধিলে — "আই, আপুনি কোন? এইদৰে কান্দি আছে কিয়?"

"মই এই ৰাজ্যৰ ৰাজলক্ষ্মী।" তেওঁ উত্তৰ দিলে, "আৰু মাত্ৰ তিনিদিনৰ পিছতে মহাৰাজ শুদ্ৰকৰ মৃত্যু হ'ব। সেই বেজাৰতে মই কান্দি আছো।"

বৰবৰ উচপ্ খাই উঠিল। তেওঁ লৰালৰিকৈ সুধিলে — "আই মাতৃ, মহাৰাজক মৃত্যুৰ পৰা ৰক্ষা কৰাৰ কোনো উপায় নাইনে?"

দেৱীয়ে ক'লে — "এটা উপায় আছে, পিছে বৰ টান। তোমাৰ একমাত্ৰ পুত্ৰ সত্যবৰক যদি চণ্ডী গোসাঁনীৰ আগত বলি দিব পাৰা, তেন্তে ৰজা এশ বছৰ জীয়াই থাকিব।"

বীৰবৰৰ বুকুখন কঁপি উঠিল। পিছে তেওঁ ভাবিলে যে ৰজাৰ জীৱন ৰক্ষা কৰাটো আটাইতকৈ ডাঙৰ কৰ্তব্য। সেইবাবে তেওঁ দুখ নকৰিলে। বীৰবৰ নিজৰ ঘৰলৈ গ'ল। ৰজাও পিছে পিছে গ'ল। ঘৰ পাই বীৰবৰে পত্নী ধৰ্মাৱতীক জগাই সকলো কথা ক'লে। ধৰ্মাৱতীয়ে ধৈৰ্য ধৰি ক'লে — "ৰজাৰ জীৱন ৰক্ষা কৰাটো অতি প্ৰয়োজনীয় কথা। আমি দুখ নকৰি পোনাকণক বলি দিয়া উচিত।" বীৰবৰে তেতিয়া পুতেকক জগাই দি সকলো কথা ক'লে। পুতেকে ক'লে —

"দেউতা, ৰজাৰ ধনেৰে আমি জীয়াই আছো। গতিকে তেওঁৰ ভালৰ বাবে মই আনন্দমনেৰে প্ৰাণত্যাগ কৰিম। মোক চণ্ডী-মন্দিৰলৈ লৈ ব'লা।"

পুতেকক প্ৰশংসা কৰি বীৰবৰে কান্ধত তুলি লৈ আগবাঢ়িল। ধৰ্মাৱতীয়ে অকণমানি জীয়েক বীৰৱতীক কোলাত লৈ পিছে পিছে যাবলৈ ধৰিলে। এই আটাইবোৰ ঘটনা মনে মনে চাই থাকি অবাক হোৱা ৰজাও মন্দিৰ পালেগৈ। বীৰবৰে সত্যবৰক গোসাঁনীৰ মূৰ্তিৰ আগত নমাই থ'লে আৰু সকলোৰে ৰজাৰ মংগলৰ বাবে প্ৰাৰ্থনা কৰিলে। তাৰ পিছত বীৰবৰে পুতেকৰ মূৰটো কাটি গোসাঁনীক উচৰ্গা কৰি ৰজা শুদ্ৰক এশবছৰ জীয়াই থাকিবৰ বাবে প্ৰাৰ্থনা কৰিলে। ককায়েকৰ মূৰটো কাটি পেলোৱা দেখি কণমানি বীৰৱতীয়ে ইমান আঘাত পালে যে সহিব নোৱাৰি তাই মৰি থাকিল। তাকে দেখি ধৰ্মাৱতীয়ে ক'লে — "মইনো কাৰ বাবে জীয়াই থাকিম মোক এখন চিতা সাজি দিয়া, ময়ো মৰোঁ।" বীৰবৰে ধৰ্মাৱতীৰ দুখ চাই থাকিব নোৱাৰি এখন চিতা সাজি দিলে।

তাতে জুই জ্বলাই ধৰ্মাৱতীয়ে প্ৰাণত্যাগ কৰিলে। তেতিয়া বীৰবৰে ভাবিলে যে ল'ৰা-ছোৱালী আৰু পত্নীও মৰিল যেতিয়া তেওঁনো কাৰ বাবে ধন ঘটি জীয়াই থাকিব লাগে। তেওঁ তৰোৱালখন হাতত লৈ ক'লে — "হে দেৱী, মোৰ প্ৰাণো তোমাক উচৰ্গা কৰিলোঁ। ৰজা শুদ্ৰকক যেন ৰক্ষা কৰা আই।" এবুলি কৈ তেওঁ একেঘাপে নিজৰ মূৰ ছিঙি প্ৰাণত্যাগ কৰিলে।

সেই দৃশ্য দেখি ৰজা থৰ লাগিল। তেওঁৰ বাবেই চাৰিজন মানুহে প্ৰাণত্যাগ কৰাত তেওঁৰ বৰ দুখ লাগিল। তৰোৱালেৰে নিজৰ ডিঙি কাটিব খুজি তেওঁ প্ৰাৰ্থনা কৰিলে — "আই গোসাঁনী, মোৰ প্ৰাণ লৈ তুষ্ট হোৱা। বীৰবৰ আৰু তেওঁৰ পৰিয়ালক যেন জীয়াই দিয়া।" তেতিয়া গোসাঁনী বৰ সন্তুষ্ট হৈ ৰজাক মৰিবলৈ মানা কৰি বীৰবৰ আৰু তেওঁৰ পৰিয়ালক পুনৰ জীয়াই দিলে। টোপনিৰ পৰা উঠা মানুহৰ দৰে সাৰ পাই তেওঁলোকে নিজে বাচি থকা দেখি অবাক মানিলে আৰু সেয়া গোসাঁনীৰ কৃপা বুলি ভাবিলে।

বীৰবৰে আগৰ দৰে কাৰেঙৰ দুৱাৰ মুখত পহৰা দি থাকিলগৈ। ৰজায়ো আগৰ দৰে মনে মনে কাৰেঙত সোমাই ওপৰৰ পৰা মাতিলে, "বীৰবৰ আছানে?"

"আছো মহাৰাজ, আপুনি কোৱামতে মই কান্দি থকা মানুহজনী বিচাৰি গৈছিলোঁ, পিছে নাপালো।" বীৰবৰে ক'লে।

ৰজাই বুজি পালে, বীৰবৰ বৰ মহান। তেওঁ নিজৰ বীৰত্বৰ কথা কৈ অহংকাৰ নকৰে। তেওঁৰ বেছি ভাল লাগিল। পিছদিনা তেওঁ ৰাজসভাত মুকলিকৈ ৰাতিৰ গোটেইবোৰ ঘটনা মানুহক ক'লে আৰু সকলো বৰ আচৰিত হ'ল। বীৰবৰৰ সাহস আৰু প্ৰভুভক্তিক সকলোৱে শলাগিলে।

তাৰ পিছত ৰজাই বীৰবৰ আৰু সত্যবৰক দুখন ৰাজ্য দান কৰি ৰজা পাতিলে। ○

# ভাগ্যৰ লিখন

ৰজা বিক্ৰমাদিত্যই প্ৰজাৰ মংগলৰ বাবে কৰিব নোৱাৰা কাম নাছিল। এদিন তেওঁৰ ৰাজসভাত এজন বৃদ্ধ ব্ৰাহ্মণে আহি কান্দি কান্দি ক'লে —

"মহাৰাজ, মোৰ সকলো সন্তান কম বয়সতে মৰি যায়। নিশ্চয় তাৰ বাবে আপুনিয়েই দায়ী। কাৰণ ৰজাৰ পাপৰ বাবেই প্ৰজাই শাস্তি পায়।"

এই কথা শুনি ৰজাৰ বৰ বেজাৰ লাগিল। তেওঁ ব্ৰাহ্মণৰ পত্নীৰ যেতিয়া আৰু এটা কেঁচুৱাৰ জন্ম হ'ল, তেতিয়া কেঁচুৱা থকা কোঠাটোৰ দুৱাৰমুখত তৰোৱাল লৈ ৰৈ থাকিল। ছয়দিনৰ দিনা ৰাতি কেঁচুৱাৰ কপালত ভাগ্যৰ লিখন দিবলৈ বিধাতা আহিল। ৰজাই কোনোমতে বাট এৰি নিদিলে। বিধাতাই ক'লে —

"মহাৰাজ, তুমি ইমান জ্ঞানী হৈও মোক নিজৰ কাম কৰিবলৈ দিয়া নাই কিয়?"

ৰজাই উত্তৰ দিলে — "ভগবান, আপুনি ব্ৰাহ্মণৰ পুত্ৰৰ কপালত কি লিখিছে সেইটো যদি মোক জনাই যাব বুলি কয়, তেন্তে মই বাট এৰি দিম।"

সেই কথাত মান্তি হৈ বিধাতা ভিতৰলৈ গ'ল আৰু কেঁচুৱাৰ কপালত ভাগ্যলিপি লিখি ওলাই আহিল — "এই ল'ৰাটোক বিয়াৰ দিনা ৰাতি বাঘে খাই মাৰিব।" ৰজাৰ বৰ দুখ লাগিল। তেওঁ হাতযোৰ কৰি ক'লে, "হে ভগৱান, ব্ৰাহ্মণক ইমান দুখ নিদিবা। ল'ৰাটো জীয়াই তুলিবলৈ মোক মন্ত্ৰ শিকাই যাওক।"

ৰজাৰ প্ৰাৰ্থনাত বিধাতা সন্তুষ্ট হ'ল। তেওঁ এখিলা সাঁচিপাতত এফাকি মন্ত্ৰ লিখি দি ক'লে —

"তাক যিদিনা বাঘে খাব, সি মৰিবই। কিন্তু মৰাৰ পিছত তাৰ কাণৰ কাষত এই মন্ত্ৰফাকি মাতি দিলে সি জী উঠিব।"

বিক্ৰমাদিত্যই বিধাতাক প্ৰণাম কৰি সাঁচিপাত খিলা ল'লে, তাৰ পিছত নিজৰ কাৰেঙত সেইখিলা ভালকৈ সামৰি থ'লে। তেওঁ ব্ৰাহ্মণক ক'লে যে ল'ৰাটোৰ বিয়াৰ দিনা তেওঁক যেন খবৰ দিয়ে।

বহুত বছৰ পাৰ হ'ল। ল'ৰাটো ডেকা হ'ল। ব্ৰাহ্মণে তাৰ বিয়া ঠিক কৰি ৰজাক খবৰ দিলে। ৰজাও আহিল। বিয়াৰ দিনা ৰাতি দৰা-কইনাক ভিতৰলৈ পঠিয়াই ৰজাই

সৈন্য-সামন্ত লৈ বাহিৰত ৰাখি থাকিল।

তাকে দেখি কইনাই ভিতৰত দৰাক সুধিলে— "বাহিৰত ইমানবোৰ সৈন্য কিয় আছে?"

দৰাই ক'লে — "মোক আজি বাঘে খাব পাৰে বুলি ৰজাই ৰখি আছে।"

কইনা বৰ আজলী। তাই সুধিলে — "বাঘনো কেনেকুৱা মই কেতিয়াও বাঘ দেখা নাই।"

কইনাক কোনোমতে বুজাব নোৱাৰি দৰাই কাগজ এখিলাত বাঘৰ ছবি এখন আঁকি দেখুৱালে। লগে লগে সেই বাঘটো সঁচা বাঘ হৈ জাঁপ মাৰি উঠিল আৰু ল'ৰাটোৰ ডিঙিত কামুৰি তাক মাৰি পেলালে। তাৰপিছত আকৌ সি ছবিৰ বাঘ হৈ থাকিল। কইনাই চিএঞৰ এটা মাৰি অচেতন হৈ থাকিল, হুৱাদুৱা লাগি পৰিল। ৰজাই লৰা লৰিকৈ কাৰেঙৰ পৰা মন্ত্ৰ লিখা কাগজখিলা অনালে। পিছে ইতিমধ্যে সেইখন পোকে কুটি পেলাইছিল। অন্ত মথোন 'ভাগ্যত' বুলি এটা শব্দহে পঢ়িব পৰা হৈ আছিল। উপায় নাপাই ৰজাই কালিদাস, বৰৰুচি আদি কবিসকলক 'ভাগ্যত' শব্দৰে আৰম্ভ কৰি একোটা শ্লোক লিখিবলৈ দিলে। তেওঁলোকেও লিখিলে। পিছে বিধাতাই লিখাটোৰ লগত নিমিলা বাবে সেইবোৰে কাম নিদিলে, ল'ৰাটো জী নুঠিল।

ল'ৰাটোক প্ৰাণ দিব নোৱাৰি ৰজাৰ বৰ বেয়া লাগিল। তেওঁ ঢোল এটাৰ ভিতৰত মৃতদেহটো ভৰাই লৈ 'ভাগ্যত' শব্দটোৰে লিখা কবিতা বিচাৰি নানা ঠাইত ঘূৰি ফুৰিবলৈ ধৰিলে। বহুতৰ পৰা বহু ঠাইত তেওঁ কবিতা শুনিলে, কিন্তু ক'তো ল'ৰাটোৱে প্ৰাণ পাই নুঠিল।

এইদৰে গৈ গৈ ৰজাই এখন নগৰত এটা শিৱমন্দিৰৰ চোতালত ঢোলটো কাষত লৈ শুই থাকিল। সেই ৰাজ্যৰ ৰাজকন্যা সদায় মন্দিৰলৈ আহে। সদায়ে এটা ফটা-ছিটা কাপোৰ পিন্ধা বামুণৰ ল'ৰাই ৰাজকন্যাৰ পৰা ফল-মূল বা অন্য কিবা খুজি লয়। সেই আধা-বলীয়া ল'ৰাটোৱে এদিন ৰাজকন্যাক সুধিলে —

"মই যি বিচাৰোঁ তাকে দিবানে?"

বিশেষ নাভাবি ৰাজকন্যাই "দিম" বুলি ক'লে।

তেতিয়া ল'ৰাটোৱে ক'লে — "তেন্তে মোক বিয়া কৰোৱা।"

ৰাজকন্যা মহা বিপদত পৰিল। এই সামান্য, বলীয়া ল'ৰাটোক তেওঁ বিয়া কৰায় কেনেকৈ! আনফালে নিজৰ শপতো পালন কৰিব লাগে! বুদ্ধি কৰি তেওঁ ক'লে —

"তুমি যদি আজি মাজনিশা এই শিৱমন্দিৰলৈ আহিব পাৰা, তেন্তে মই তোমাক বিয়া কৰাম।"

ৰাজকন্যাই ভাগ্যৰ লিখন বৰ বিশ্বাস কৰিছিল। তেওঁ জানিছিল যে কৰোঁ বুলি

কোনোৱে একো কৰিব নোৱাৰে। নহ'লেনো তেওঁৰ কপালত জধামূৰ্খ দৰা এটা লিখা থাকেনে! বৰ দুখ মনেৰে তেওঁ হাতত এডাল মালা লৈ মাজনিশা মন্দিৰলৈ গ'ল। তাতে শুই থকা ৰজাক দেখি বামুণৰ ল'ৰাটো বুলি ভাবি তাৰ ডিঙিতে মালাডাল পিন্ধাই দিলে। তাৰ পিছত তেওঁৰ মুখেৰে নিজে নিজে এই কবিতা ওলাল —

"ভাগ্যত যি লিখা আছে সেয়ে ফলিয়াই।

জোৰ কৰি, আশা কৰি, একো লাভ নাই।"

লগে লগে ঢোলৰ ভিতৰত ব্ৰাহ্মণৰ পুত্ৰই প্ৰাণ পালে কাৰণ বিধাতাই লিখা শ্লোকো সেইটোৱেই আছিল। ৰজাই বৰ আনন্দ পালে। ঢোলটো ভাঙি তেওঁ ল'ৰাটি উলিয়াই আনিলে আৰু নতুন ৰাণীক লগত লৈ নিজৰ ৰাজ্যলৈ আহিল।

পুত্ৰক লাভ কৰি ব্ৰাহ্মণ আনন্দিত হ'ল। ○

# পৰোপকাৰী ৰজা

মহাৰাজ বিক্ৰমাদিত্য এদিন ৰত্নভানু পৰ্বতত হোৱা দেৱী-পূজা চাবলৈ গৈছিল। তাত দেৱীৰ মন্দিৰত দলে দলে মানুহে পূজা দিছে। কিন্তু এফালে এজন মানুহে অকলে অকলে মন মাৰি বহি আছে। ৰজাই তেওঁক সুধিলে —

"হেৰা, তুমি কিয় মন মাৰি আছা? মন্দিৰত চাকি-বন্তিও দিয়া নাই, ফল-মূলো দিয়া নাই। কিয়?"

মানুহজনে ক'লে — "মই কি দিম, মোৰ একো নাই। কালি ৰাতি জুৱা খেলি মই গোটেইবোৰ হেৰুৱালোঁ।"

ৰজাই ক'লে — "তুমি তেন্তে নিজকে উচৰ্গা নকৰা কিয়? আজি বৰ শুভলক্ষণ মিলিছে। আজি যদি দেৱীৰ আগত নিজৰ প্ৰাণ উচৰ্গা কৰা, তেন্তে বহুত ধন-সোণ লাভ কৰিবা। তাৰ পিছত কিন্তু জুৱা খেলা অভ্যাস এৰি দিব লাগিব।"

"মৰাৰ পিছতনো ধন-সোণবোৰ লৈ কি কৰিম?"

ৰজাই তাক সাহস দি ক'লে — "তুমি মৰিলেও সেই কুঁৱাৰ যাদুলগা পানী মূৰত ঢালি দি তোমাক মই পুনৰ জীয়াই তুলিম।"

মানুহটোৱে ৰজাৰ কথা বিশ্বাস নকৰিলে। তেওঁ দুখ কৰিয়েই থাকিল। তেতিয়া ৰজাই ক'লে —

"বাৰু, তোমাৰ হৈ ময়েই প্ৰাণ উৎসৰ্গা কৰিম। তুমি তেতিয়া বহুত ধন-সোণ লাভ কৰিবা। তাৰ পিছত কিন্তু মোক পানী ছটিয়াই জীয়াই তুলিবলৈ নাপাহৰিবা।"

"মানুহটোৱে শপত খালে যে সি ৰজাক জীয়াই তুলিবই। ৰজাই তেতিয়া তৰোৱালৰে নিজৰ মূৰ কাটি দেৱীৰ আগত প্ৰাণ বিসৰ্জন দিলে। পিছে সেই লুভীয়া মানুহটোৱে লগে লগে বহুত ধন-সোণ সৰি পৰা দেখি সেইবোৰ বুটলি লৈ ঘৰলৈ দৌৰ দিলে। ৰজাৰ মৃতদেহ তেনেকৈয়ে পৰি থাকিল। তেতিয়া দেৱীয়ে নিজে আবিৰ্ভাব হৈ ৰজাক প্ৰাণদান দি ক'লে —

"তুমি মহৎ আৰু পৰোপকাৰী। কিন্তু যি মানুহক তুমি আগৰে পৰা নাজানা, তেওঁৰ ওপৰত বিশ্বাস কৰি ভুল কৰিছিলা। দান দিওঁতে বা সহায় কৰোঁতেও সদায় আগ-পাছ গুণি চাব লাগে।" ○

# দয়ালু ৰজা

বিক্ৰমাদিত্যৰ দৰে উদাৰ আৰু মহান ৰজা পৃথিৱীৰ ভিতৰতে কম। তেওঁৰ অন্তৰ বৰ কোমল আছিল, আনৰ দুখ তেওঁ মুঠেই সহিব নোৱাৰিছিল। এদিন তেওঁ ছদ্মবেশত ঘুৰি ফুৰোঁতে গাঁৱৰ এমূৰে এজনী মাইকী মানুহে বিনাই বিনাই কন্দা শুনিলে। নিজৰ ৰাজ্যত কোনোনো ইমান দুখত আছে জানিবৰ বাবে ৰজা লৰা-লৰিকৈ সেইফাললৈ গ'ল।

তেওঁ গৈ দেখিলে যে এজনী মানুহক এটা শকত মানুহে গাৰ বলেৰে চাবুকেৰে কোবাই আছে। সেই কোবৰ বাবে তাইৰ গাৰ মঙহ ফাটি চটাচটে এৰাই গৈছে আৰু তেজেৰে ৰঙা হৈ পৰিছে। মানুহজনীয়ে চিঞৰি চিঞৰি কান্দি আছে। সেই দৃশ্য দেখি ৰজাই সহিব নোৱাৰিলে। তেওঁ খঙেৰে সুধিলে —

"তুমি কোন? এই মানুহজনীক এইদৰে কোবাইছা কিয়?"

মানুহটোৱে উত্তৰ দিলে — "এইজনী এজন সদাগৰৰ পত্নী। সদাগৰে মোৰ পৰা ধন ধাৰে লৈছিল। ধাৰ মাৰিব নোৱাৰিলে ঘৈণীয়েকক সৌকাৰে কোবাবলৈ দিয়াৰ চুক্তি আছিল। সি ধাৰ মাৰিব নোৱাৰিলে। গতিকে তাৰ ঘৈণীয়েকক মই কোবাইছোঁ।"

ৰজাই ক'লে — "কি অন্যায় কথা! এজনৰ দোষত আন এজনক কোবাইছা কিয়?"

মানুহটোৱে ক'লে — "সেইটোৱেই আমাৰ চুক্তি আছিল।"

ৰজাই ক'লে — "মই যদি তোমাৰ ধনখিনি দি দিওঁ, তেতিয়াহ'লে এওঁক এৰি দিবানে?"

মানুহটোৱে ক'লে যে এতিয়া আৰু সেইটো নহ'ব। ৰজাই যদি নিজৰ সুদা উদং পিঠিত লেখি লেখি পাঁচিশটা বেতৰ কোব লয়, তেতিয়াহ'লে হয়তো মানুহজনীক এৰি দিব পৰা যাব।

সেই কথা শুনি ৰজাই লগে লগে নিজৰ চোলা খুলি পিঠি পাতি দিলে। মানুহটোৱে খুব জোৰে জোৰে সেই পিঠিত সৌকাৰে কোবাবলৈ ধৰিলে। ৰজাৰ পিঠি ফাটি মঙহ এৰাই গ'ল, তেজ বৈ আহিল। তথাপি তেওঁ মুখেৰে কোনো শব্দ নকৰিলে।

তাৰ পিছত সৌকা নমাই থৈ মানুহটোৱে ৰজাৰ শৰীৰত হাত বুলাই দিলে। লগে লগে ৰজাৰ বিষ আৰু কষ্ট নোহোৱা হ'ল। তেওঁ আচৰিত হৈ দেখিলে যে স্বয়ং লক্ষ্মী আৰু নাৰায়ণ তেওঁৰ সমুখত থিয় হৈ আছে।

নাৰায়ণে ক'লে — "মহাৰাজ, আমি তোমাৰ পৰীক্ষাহে লৈছিলোঁ। তুমি সঁচাকৈয়ে বৰ মহান। তোমাৰ তুলনা নাই।"

ৰজাই তেওঁলোকক সেৱা কৰিলে আৰু ভগৱানৰ আশীৰ্বাদ পাই তেওঁৰ মন আগতকৈও পৱিত্ৰ হ'ল। ○